সত্রীয়া উৎসৱৰ পৰিচয় আৰু তাৎপর্য

ড° শ্রীশ্রীপীতাম্বৰ দেৱগোস্বামী




কৌস্তুভ প্রকাশন
ডিব্রুগড় : অসম

SATRIYA UTSAVAR PARICOY ARU TATPARYYA . A treaty on the Satriya Festivals and Rituals of the Vaisnava Satras of Assam, written by Dr Sri Sri Pitambar Deva Goswami, Sri Sri Auniati Satradhikar, published on behalf of Kaustubh Prakashan Dibrugarh Assam by Gayatree Boruah Printed at Kaustubh Printers, Milan Nagar Dibrugarh-786 003 Assam
First edition November 2002 Second Edition March 2004

Price . Rs 150.00 only

সত্রীয়া উৎসবৰ পৰিচয় আৰু তাৎপর্য : শ্রীশ্রীআউনীআটীয় সত্রাধিকাৰ ড' শ্রীশ্রীপীতাম্বৰ দেবগোস্বামীৰ দ্বাৰা প্রণীত গ্রন্থ। কৌস্তুভ প্রকাশন, মিলন নগৰ, ডিব্রুগড ৩ অসম-ৰ হে গায়ত্রী বৰুৱাৰ দ্বাৰা প্রকাশিত আৰু 'কৌস্তুভ প্রিণ্টার্ছ', ডিব্রুগড ৩ ত মুদ্রিত।
প্রথম প্রকাশ : নৱেম্বৰ ২০০২ খ্রীষ্টাব্দ। দ্বিতীয় মুদ্রণ : মার্চ, ২০০৪ খ্রীষ্টাব্দ।

মূল্য : ১৫০ ০০ টকা মাত্র।



আগকথা

সত্রীয়া উৎসৱৰ পৰিচয় আৰু তাৎপর্য বিচাৰ, অসমৰ সত্রানুষ্ঠানৰ প্রাণ-কেন্দ্র স্বৰূপ মাজুলীত সোতৰ শতিকাত স্বর্গদেৱ জয়ধ্বজ সিংহৰ পৃষ্ঠপোষকতাৰে প্রতিষ্ঠিত আৰু ঊনবিংশ শতিকাৰ পূজ্যপাদ সত্রাধিকাৰ শ্রীশ্রীদেৱদত্ত দেৱগোস্বামী প্রভুৰ আধুনিক দৃষ্টিভংগীৰে উজ্জীৱিত, অসমৰ প্রসিদ্ধ আউনীআটী সত্রৰ শ্রদ্ধেয় সত্রাধিকাৰ শ্রীশ্রীপীতাম্বৰ দেৱগোস্বামীৰ আনুষ্ঠানিক গৱেষণা-কর্মৰ গ্রন্থ স্বৰূপ। অসমৰ সত্রসমূহৰ ভিতৰত আউনীআটী, গড়মুৰ, কমলাবাৰী আৰু দক্ষিণপাট এই সত্রকেইখনিৰ সত্রাধিকাৰসকল চিৰ কৌমার্যব্রতী পুৰুষ। সম্পূর্ণ আধ্যাত্মিক, নৈতিক আৰু সাংস্কৃতিক নীতিনিষ্ঠ সত্রীয়া পৰিবেশত আৰু ধর্মীয় আস্থা আৰু বিশ্বাসৰ দ্বাৰা অনুশাসিত জীৱনৰ মাজত, তথ্য, তত্ত্ব আৰু যুক্তি-নির্ভৰ আধুনিক আনুষ্ঠানিক বিদ্যাযতনিক জীৱনৰ শংকা, সন্দেহ আৰু প্রশ্নৰ বাবে ঠাই স্বাভাৱিকতে কম। তাৰ মাজতো আউনীআটী সত্রৰ বৈকুণ্ঠী সত্রাধিকাৰ শ্রীশ্রীহেমচন্দ্র দেৱগোস্বামী আৰু শ্রীশ্রীবিষ্ণুচন্দ্র দেৱগোস্বামীৰ পাণ্ডিত্য আৰু ওখ ব্যক্তিত্বৰ ছায়াত প্রতিপালিত হৈ বর্তমানৰ সত্রাধিকাৰ প্রভু শ্রীশ্রীপীতাম্বৰ দেৱগোস্বামীয়ে আনুষ্ঠানিক শিক্ষাৰ স্তৰসমূহ অতিক্রম কৰি অসমীযা বিষয়ত স্নাতকোত্তৰ উপাধি লাভ কৰে। ১৯৯৩ খ্রীষ্টাব্দত, তেখেত ডেকা সত্রাধিকাৰৰ দায়িত্বত থকা সময়তে, বিদ্যাযতনিক পথৰ শেষ স্তৰটি অতিক্রমণৰ আগ্রহ প্রকাশ কৰি আমাৰ লগতে যোগাযোগ কৰে। তেখেতে ইতিপূর্বে সত্রীযা উৎসৱ-পর্বসমূহৰ বিষযে থকা প্রাচীন আখ্যান আৰু পৰম্পৰাগত আচৰণ-প্রথাৰ যিখিনি সমল সংগ্রহ কৰিছিল, সেইখিনিত চকু ফুৰোৱাৰ পিছত আমাৰ মনত ভাব হ'ল তত্ত্ব, তথ্য আৰু যুক্তিৰ আধাৰত সমলসমূহৰ আধ্যাত্মিক, নৈতিক, সামাজিক তথা সাংস্কৃতিক বৈশিষ্ট্যৰ পৰিচয় তথা তাৎপর্য বিচাৰ কৰিব পাৰিলে আমাৰ সাংস্কৃতিক ইতিহাসৰ এটি গুৰুত্বপূর্ণ অধ্যায় বিদ্যাযতনিক পোহৰলৈ আহিব। তদুপৰি, এগৰাকী চিৰ কৌমার্যব্রতী ধর্মগুৰুৱে বিশ্ববিদ্যালয়ৰ ডক্টৰেট উপাধি লাভ কৰাটোও এটি ওখ আদর্শৰ পৰিচাযক উদাহৰণ হ'ব। আমাৰ মনত কেৱল প্রশ্ন আছিল ধর্মীয় আস্থা, বিশ্বাস, নীতি আৰু পৰম্পৰাৰ সুদৃঢ় প্রাচীৰৰ মাজত থাকি সেই সম্পর্কীয়

বিষয় এটিৰ নিৰ্মোহ, বস্তুনিষ্ঠ বিচাৰ কৰাটো সম্ভৱ হৈ উঠিবনে?

আমি এই কথা ব্যক্ত কৰিবলৈ পাই পৰম আনন্দ লাভ কৰিছোঁ— যে ধৰ্মাধিকাৰগৰাকীৰ বিদ্যায়তনিক আগ্রহ আৰু ঐকান্তিক অধ্যয়নে তেনে প্রশ্নৰ বাবে ঠাইৰ নাটনি কৰিলে। অৱতৰণিকা আৰু উপসংহাৰ বাদ দি সাতোটা অধ্যায়ত সম্পূৰ্ণ কৰা এই অধ্যয়নে ঘাইকৈ আউনীআটী সত্রকে আধাৰ কৰিলেও অন্যান্য সত্রসমূহৰ উৎসৱ-অনুষ্ঠানৰ প্রসংগও অন্তর্ভুক্ত কৰিছে। সত্রীয়া জীৱন-যাত্রাৰ পদ্ধতিৰ লগত অসমৰ বৈষ্ণৱ ধৰ্মৰ তত্ত্ব আৰু লক্ষ্য কিমান গভীৰভাৱে যুক্ত হৈ আছে, সেই কথা এই অধ্যয়নে প্রতীযমান কৰিছে। তদুপৰি, ভাৰতীয সাধনাৰ লগত অসমৰ লোক-জীৱন, লোক-মন আৰু নৈসর্গিক জীৱনৰ একাত্মীয়তা স্থাপনত সত্রীযা উৎসৱ-অনুষ্ঠানসমূহে কেনে ভূমিকা গ্রহণ কৰি আহিছে আৰু আমাৰ জাতীয জীৱনক এটি পৰিশীলিত ৰূপ দান কৰিছে, সেই কথাও তথ্য আৰু যুক্তিৰে এই অধ্যয়নে প্রতিষ্ঠা কৰিছে। এই অধ্যয়নে আৰু এটি বিষয স্পষ্ট কৰি তুলিছে যে নীতি-নিয়ম, কাষ্ঠাত ভিন্নতা থকা যেন লাগিলেও শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ, গোপাল আতাৰ দ্বাৰা প্রদর্শিত পথৰ লক্ষ্যত ভিন্নতা নাই। সেই দিশৰ পৰাও গ্রন্থখনিয়ে এটি ইতিবাচক সামাজিক-সাংস্কৃতিক ঐক্যৰ বার্তা বহন কৰিছে।

অসমৰ চাৰি সত্রীয়া পূজ্যপাদ সত্রাধিকাৰসকলৰ এগৰাকী শ্রীশ্রীপীতাম্বৰ দেৱগোস্বামী সত্রাধিকাৰৰ এই গৱেষণা-কর্মই বিষযটো-সম্পর্কে অধিক অধ্যযনৰ পথ প্রশস্ত কৰি তুলিছে। তাৰবাবে সত্রাধিকাৰগৰাকী আমাৰ সদৌটিৰে সশ্রদ্ধ অভিনন্দনৰ পাত্র। আমি নিজেও এনে এটি কর্মৰ লগত নিজকে জড়িত কৰিবলৈ পাই পৰম আনন্দ লাভ কৰিছোঁ।

সর্বে ভদ্রাণি পশ্যন্তু।

কাতি বিহু
৩১ আহিন, ১৯২৪ শকাব্দ
১৮ অক্টোবৰ, ২০০২

নগেন শইকীয়া

ভূমিকা

সত্রীয়া পৰিৱেশ হ'ল আধ্যাত্মিক সাধনাৰ পৰিৱেশ। এনে পৰিৱেশত, বিশেষকৈ অসমৰ বৈষ্ণৱ সত্রসমূহত পালিত সকলো নিয়ম আৰু উদ্‌যাপিত সকলো উৎসৱ-অনুষ্ঠান ভক্তিধর্মৰ মূল ভাবনাৰ লগত সম্পৃক্ত। ফলস্বৰূপে, এনে সকলো কর্মৰ লগত হৃদয়ৰ গভীৰ আৰু ঐকান্তিক বিশ্বাস জড়িত হৈ থাকে। "বিশ্বাসে মিলয় হৰি, তর্কে বহু দূৰ"— এয়ে সাধনাৰ প্রথমটি ভেটি। এতেকে ভক্তৰ ভক্তি-বিগলিত অন্তৰৰ কর্মক তত্ত্ব, তথ্য আৰু যুক্তিৰ তুলাচনীৰে জুখিব নোৱাৰি, সৰহ ক্ষেত্রতে জোখা উচিতো নহয়। আনহাতেদি আধুনিক কালত তত্ত্ব, তথ্য অবিহনে কোনো বিষযকে নতুন প্রজন্মই গ্রহণ নকৰে। শৈশৱতে সত্রীযা জীৱনকে নিজৰ জীৱন স্বৰূপে গ্রহণ কৰি আমি অনুভৱ কৰি আহিছোঁ যে সত্রীয়া জীৱনত পালিত নীতি-নিয়ম আৰু উদ্‌যাপিত উৎসৱ-অনুষ্ঠানসমূহৰ আধ্যাত্মিক, নৈতিক, সামাজিক আৰু সাংস্কৃতিক প্রয়োজনীযতা দাঙি ধৰিব পাৰিলে, ইবিলাকৰ প্রতি নতুন প্রজন্মৰো আগ্রহ আৰু আকর্ষণ দুয়োটাই বাঢিব। তদুপৰি এতিযালৈকে গৱেষণাৰ পদ্ধতি অনুসৰি এই বিষয়ে কোনো অধ্যযন হোৱা নাই। সেই ফালৰ পৰাও এনে অধ্যযনৰ প্রতি আমাৰ আকর্ষণ বাঢিছিল। সত্রীযা পৰিৱেশত যিখিনি সময় আজৰি পোৱা হয়, সেইখিনি সময বিদ্যাযতনিক কর্মত আত্ম-নিযোগ কৰাৰ বাবে আমাৰ বৈকুণ্ঠগামী সত্রাধিকাৰ পূজ্যপাদ হেমচন্দ্র দেৱগোস্বামী প্রভু ঈশ্বৰ আৰু পূজ্যপাদ বিষ্ণুচন্দ্র দেৱগোস্বামী প্রভু ঈশ্বৰৰ আশিস শিৰত লৈ আমি সীমিত সুযোগ আৰু সামর্থৰে যত্নত প্রবৃত্ত হওঁ আৰু এনেভাৱেই ১৯৮৬ চনত অসমীযা বিষযত স্নাতকোত্তৰ উপাধি লাভ কৰা হয়। যদিও আমি অনুভৱ কৰিছিলোঁ 'প্রাইভেট পৰীক্ষার্থী' হিচাপে স্নাতকোত্তৰ পৰীক্ষাত উত্তীর্ণ হ'লেও সত্রীয়া পৰিৱেশত থাকি গৱেষণা-কর্ম সম্পাদনা কৰা কঠিন হ'ব, তথাপি আমাৰ মনত সত্রীয়া উৎসৱ-অনুষ্ঠানসমূহৰ মূল বিচাৰিবৰ বাবে এটি আগ্রহ আছিল। আমাৰ মনৰ ভাব সেই সময়ৰ কটন কলেজৰ অধ্যাপক ড° হেমন্ত কুমাৰ শর্মা আৰু গুৱাহাটী বিশ্ববিদ্যালযৰ অধ্যাপক ড° নবীন চন্দ্র শর্মাদেৱৰ আগত প্রকাশ কৰাত তেখেতসকলে আমাক উৎসাহ যোগালে। কিন্তু, সেই সময়ত বিভিন্ন কাৰণত কামত আগবাঢিব পৰা নহ'ল। তথাপি তেখেতসকলৰ লগত হোৱা কথা-বতৰাত অনুপ্রাণিত হৈ কিছুসমল সংগ্রহ কৰা হয। ১৯৯৩ চনত মাজুলীত আমাৰ সত্রতে সাক্ষাৎ হয তেতিয়াৰ ডিব্রুগড় হনুমান বক্স কানৈ মহাবিদ্যালযৰ অধ্যাপক, অসম সাহিত্য সভাৰ এগৰাকী প্রাক্তন সম্পাদক প্রফুল্লচন্দ্র ভট্টাচার্যদেৱৰ লগত। তেখেতৰ আগত আমাৰ ইচ্ছাৰ কথা কোৱাত তেখেতেই ডিব্রুগড় বিশ্ববিদ্যালযৰ বর্তমানৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আসনৰ প্রাধ্যাপক, অসম সাহিত্য সভাৰ প্রাক্তন প্রধান সম্পাদক আৰু পৰৱর্তী কালৰ সভাপতি ড° নগেন শইকীয়াদেৱৰ লগত যোগাযোগ কৰাই দিয়ে। ড° শইকীযাদেৱে এনে এটি বিষয় গৱেষণাৰ বিষয় হ'ব পাৰে বুলি তত্ত্বাৱধাযকৰ দায়িত্ব

গ্রহণত সম্মতি জ্ঞাপন কৰিলে। সেই সময়ৰ ডিব্রুগড বিশ্ববিদ্যালয়ৰ উপাচার্য, বিদগ্ধ সংস্কৃত পণ্ডিত ড° মুকুন্দমাধৱ শর্মাদেৱেও "এইখনো এখনি নৈমিষাৰণ্য, আমাৰ অধ্যাপক তথা বিভাগীয় কর্মীসকলে ভাগে ভাগে ঋষিসকলৰ দৱে কাম কৰি আছে, আপুনি ইয়াত যেতিয়া প্ৰৱেশ কৰিলে আপোনাৰ কাম হ'ব।" বুলি উৎসাহ যোগালে। আমি প্ৰাধ্যাপক ড° শইকীয়াদেৱৰ তত্ত্বাৱধানত বিশ্ববিদ্যালযৰ অসমীয়া বিভাগৰ যোগে আমাৰ নাম পঞ্জীযন কৰালোঁ। কিন্তু বিভিন্ন কাৰণত আমি যিমান সোনকালে হ'ব বুলি ভাবিছিলোঁ সিমান সোনকালে কাম সম্পূর্ণ কৰা সম্ভৱ নহ'ল। তথাপি তত্ত্বাৱধাযক ড°শইকীয়াদেৱৰ বিশেষ যত্ন আৰু দিহা-পৰামর্শৰ সহাযত কামটিৰ এটি ৰূপৰেখা প্ৰস্তুত কৰি উলিওৱা হৈছে। সত্রীয়া আনুষ্ঠানিকতাৰ বাবে আমি তেখেতৰ ওচৰলৈ যাব নোৱৰাত তেখেতে আমি য'তেই থাকোঁ তালৈকে আহি দান কৰা দিহা-পৰামর্শ আৰু সহাযৰ কথা সততেই স্মৰণীয হৈ থাকিব। তাৰবাবে তেখেতৰ সর্বতোপ্রকাৰৰ মংগল কামনাৰে আমি শ্রীগোৱিন্দ মহাপ্রভুৰ ওচৰত প্রার্থনা জনাইছোঁ।

এই ছেগতে আমি স্বর্গগত ড° হেমন্ত কুমাৰ শর্মা আৰু অধ্যাপক স্বর্গীয় প্রফুল্ল চন্দ্র ভট্টাচার্যদেৱৰ কথাও বিষাদেৰে সুঁৱৰিছোঁ। দুযোগৰাকী পৱিত্র আত্মাৰ চিৰশান্তি কামনা কৰি পৰমেশ্বৰৰ ওচৰত আমি প্রার্থনা জনাইছোঁ। ড° মুকুন্দমাধৱ শর্মা, ড° নবীনচন্দ্র শর্মা প্রমুখ্যে শুভাকাংক্ষীসকলৰ আৰু ভকত-বৈষ্ণৱ প্রমুখ্যে সহৃদয় যিসকলৰ পৰা সততে শুভেচ্ছা, উৎসাহ, সহায আমি লাভ কৰিছোঁ, সকলোটিলৈকে আমাৰ আন্তৰিক শলাগ জ্ঞাপন কৰা হ'ল।

আমাৰ ফালৰ পৰা কামটিৰ এটা সীমিত অধ্যয়ন মাত্র কৰিব পৰা হ'ল। আমাৰ ভাব হৈছে, প্রতিটো অংশৰে অধিক বিস্তৃত অধ্যযন আৰু সিবিলাকৰ আধ্যাত্মিক, নৈতিক, সামাজিক তথা সাংস্কৃতিক তাৎপর্য বিচাৰ কৰাৰ বহল ক্ষেত্র পৰি আছে। আমাৰ এই কর্মই যদি সত্রীয়া জীৱনৰ বিভিন্ন দিশৰ বিস্তৃত বিজ্ঞানসম্মত আৰু পদ্ধতিগত অধ্যয়ন কৰাৰ বাবে কোনো লোকক সামান্য প্রেৰণাও যোগাব পাৰে, আমাৰ শ্রম সার্থক হোৱা বুলি ভবাৰ অৱকাশ ওলাব। এই প্রসংগতে উল্লেখ কৰিব বিচৰা হৈছে যে গৱেষণা-পত্রখনি গ্রন্থ আকাৰে শুভাকাংক্ষীসকলে প্রকাশ কৰাৰ কথা কোৱাত আৰু ডিব্রুগডৰ কৌস্তুভ প্রকাশনৰ পৰিচালন উপদেষ্টা অধ্যাপক বীৰেন বৰুৱা আৰু স্বত্বাধিকাৰী শ্রীমতী গাযত্রী বৰুৱাই প্রকাশৰ বাবে আগবাঢি আহি পঢ়ুৱৈৰ সমাজৰ হাতত তুলি দিয়াৰ বাবে তেখেতসকলক আমাৰ ফালৰ পৰাও আন্তৰিক শলাগ জ্ঞাপন কৰা হ'ল।

১ নৱেম্বৰ, ২০০২ **শ্রীপীতাম্বৰ দেৱগোস্বামী**

কৌস্তুভ প্ৰকাশনৰ একাষাৰ

মানুহৰ মেধা আৰু হৃদযবৃত্তিৰ প্ৰতি দাযবদ্ধতাৰে আৰু এক স্বচ্ছ ইতিবাচক দৃষ্টিভংগীৰে মানৱীয জ্ঞান আৰু ৰসৰ জগতলৈ যথাসাধ্য বৰঙনি যোগাবলৈ 'কৌস্তুভ প্ৰকাশন' আগবাঢি আহিছে। ১৯৯৯ খ্ৰীষ্টাব্দৰ পৰা আমি মাহেকীযা কাকত 'কৌস্তুভ' প্ৰকাশ কৰি আহিছোঁ। ২০০১ খ্ৰীষ্টাব্দৰ পৰা আমি পুথি প্ৰকাশন আঁচনি গ্ৰহণ কৰি, বকুলবনৰ কবি আনন্দচন্দ্ৰ বৰুৱা প্ৰমুখো অসমৰ কেইবাগৰাকীও প্ৰসিদ্ধ লেখকৰ পুথি প্ৰকাশ কৰিছোঁ। তদুপৰি, ডিব্ৰুগড বিশ্ববিদ্যালযৰ অসমীযা বিভাগে প্ৰকাশ কৰা মণিৰাম দেৱানৰ 'বুৰঞ্জি বিবেক-ৰত্ন'ৰ দৰে পুথিৰ পৰিৱেশনৰ দাযিত্বও আমি লৈছোঁ। ইতিমধ্যে যাদৱপুৰ বিশ্ববিদ্যালযৰ সহযোগত আমি বাংলাৰ পৰা অসমীযালৈ অনূদিত গল্প-কবিতাৰ পুথি 'জটাযু' প্ৰকাশ কৰিছোঁ। আমি অসমৰ বিভিন্ন ঠাইত 'কৌস্তুভ গ্ৰন্থমেলা'ৰ আযোজন কৰি জনসাধাৰণৰ ওচৰলৈ জ্ঞান আৰু ৰসৰ বিভিন্ন প্ৰয়োজনীয পুথি লৈ গৈছোঁ। ডিব্ৰুগডৰ মিলন নগৰত থকা আমাৰ গ্ৰন্থ-বিপণীত দহ শতাংশ ৰেহাই মূল্যত আমি গ্ৰন্থ বিক্ৰীৰ ব্যৱস্থা কৰিছোঁ। বাইজৰ পৰা আমি লাভ কৰিছোঁ সদিচ্ছা আৰু সহযোগিতা। এই সদিচ্ছা আৰু সহযোগিতাই আমাৰ মূলধন, আৰু সততাই আমাৰ আধাৰ। সেইবাবে, আমাৰ শক্তি সীমিত হ'লেও মনোবল সুদৃঢ। ব্যৱসাযৰ বাবে ব্যৱসায় কৰা আমাৰ লক্ষ্যৰ বাহিৰত; বৰং মানুহ আৰু দেশৰ মংগলৰ বাবে সামান্য হ'লেও বৰঙণি যোগাবলৈ সামৰ্থ্য সংগ্ৰহেই আমাৰ লক্ষ্য।

আমাৰ প্ৰকাশন আঁচনিত শ্ৰীশ্ৰীআউনীআটীয সত্ৰাধিকাৰ ড' পীতাম্বৰ দেৱগোস্বামী প্ৰভুৰ **সত্ৰীয়া উৎসৱৰ পৰিচয় আৰু তাৎপৰ্য** শীৰ্ষক গ্ৰন্থখনি অন্তৰ্ভুক্ত কৰিবলৈ পাই আমি পৰম আনন্দিত হৈছোঁ। গ্ৰন্থখনিৰ প্ৰথম সংস্কৰণটি অতি কম সময়ৰ ভিতৰতে শেষ হোৱাত আমি দ্বিতীয় মুদ্ৰণ কৰিব লগা হ'ল। এই আপাহতে সহৃদয পাঠকসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। আমাৰ বিশ্বাস গ্ৰন্থখনিয়ে আমাৰ বিদ্যাযতনিক জীৱনত থকা এক ডাঙৰ অভাৱ পূৰণ কৰিছে। গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিব পৰা এনে এখন মূল্যৱান গ্ৰন্থ প্ৰকাশ কৰিবলৈ আমাক দাযিত্ব দিয়াৰ বাবে ড' শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী প্ৰভুৰ ওচৰত কৌস্তুভ প্ৰকাশন ঋণী হৈ ৰ'ল।

বীৰেন বৰুৱা
গাযত্ৰী বৰুৱা

শলাগ জ্ঞাপন

যিসকল ব্যক্তি তথা অনুষ্ঠানৰ পৰা গ্ৰন্থখনি প্ৰকাশ কৰি উলিওৱালৈকে বিভিন্ন প্ৰকাৰে সহায়-সহযোগিতা, দিহা-পৰামৰ্শ পোৱা হৈছিল তলত নাম দিয়া সেইসকলৰ প্ৰতি আমাৰ শলাগ তথা কৃতজ্ঞতা জ্ঞাপন কৰা হ'ল।

দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰ, কমলাবাৰী সত্ৰ, বেঙেনাআটী সত্ৰ, ভোগপুৰ সত্ৰৰ সত্ৰাধিকাৰ তথা বৈষ্ণৱবৃন্দ, আমাৰ আউনীআটী সত্ৰৰ ডেকা গোস্বামী প্ৰমুখ্যে সমূহ বৈষ্ণৱ, ডিব্ৰুগড় বিৰাজ আশ্ৰমৰ স্বৰ্গীয় শ্ৰীমৎস্বামী বানগোৰিন্দ পৰমপন্থী, ড° প্ৰহ্লাদ কুমাৰ বৰুৱা, ড° মাধৱচন্দ্ৰ গোস্বামী, উমা শৰ্মা, গোকুলেন্দ্ৰ নাৰায়ণ দেৱগোস্বামী, হৰিনাৰায়ণ শৰ্মা, দেবেশ্বৰ শৰ্মা শাস্ত্ৰী, বিনন্দ বৰপূজাৰী, ঘনশ্যাম ছেত্ৰী, হেৰম্ব মুদৈ, জনার্দন ভুঞা, হেৰম্ব হাজৰিকা, জগৎ বৰা, মাধৱ বৰা বায়ন, গিৰীশ বৰা, বাবুল গগৈ, খগেন লেখাৰু, গোৰিন্দ ওজা, শিৱ ভাগৱতী, কনকচন্দ্ৰ ডেকা, মৃদুল শৰ্মা, আদিত্য গোস্বামী, ব্ৰজেন শৰ্মা, কমল দত্ত, নীলোৎপল হাজৰিকা, দীপাংক শইকীয়া, মাজনী বৰা, যাদৱ শৰ্মা আৰু তেওঁৰ পৰিয়ালবৰ্গ।

—লেখক

বিষয়-সূচী

অৱতৰণিকা ১-৪

প্রথম অধ্যায় ঃ বৌদ্ধিক পটভূমি ৫-১৭
১ নৱবৈষ্ণৱ আন্দোলনৰ উৎপত্তি আৰু বিকাশ ৫
২ অসমত নৱবৈষ্ণৱ আন্দোলনৰ আৰম্ভ আৰু বিকাশ ১০

দ্বিতীয় অধ্যায় ঃ আনুষ্ঠানিক পটভূমি ১৮-৭০
১ সত্র অনুষ্ঠানৰ প্রতিষ্ঠা আৰু বিকাশ ১৮
২. সত্রৰ গঠন প্রণালী আৰু ইযাৰ তাত্ত্বিক ব্যাখ্যা ২৫
৩ সংহতি অনুসৰি সত্রসমূহৰ বিভাজন ৩৪
আৰু সত্র-অনুষ্ঠানৰ বিস্তাৰ
৪ সত্রীযা জীৱন-যাত্রাৰ পদ্ধতি ৫০

তৃতীয় অধ্যায় ঃ নিত্য আৰু নৈমিত্তিক অনুষ্ঠানাদি কর্ম ৭১-১২২
১. সত্রত পালিত নিত্য কর্মসমূহ ৭১
২ সত্রীযা উৎসৱসমূহৰ শ্রেণী বিভাজন ৯১
৩ আধ্যাত্মিক লক্ষ্যৰ বাবে শাৰীৰিক আৰু মানসিক ৯৯
প্রস্তুতিৰ লগত নিত্য-নৈমিত্তিক অনুষ্ঠান আদিৰ সম্পর্ক
৪ সত্রীযা জীৱনত লোক-পৰম্পৰা আৰু লোক-বিশ্বাস ১০৭

চতুর্থ অধ্যায় ঃ প্রধান সামাজিক উৎসৱসমূহ ১২৩-১৯০
১ (ক) জন্মাষ্টমী ১২৩
(খ) ৰাস ১৩৩
(গ) ফাকুৱা ১৪৫
(ঘ) পালনাম ১৫২
২ তিনি বিহু ঃ (ক) ব'হাগ বিহু, ১৬২
(খ) কাতি বিহু, (গ) মাঘ বিহু
৩ ধর্মৰ অংগ স্বৰূপ উৎসৱসমূহ উদ্‌যাপনৰ লক্ষ্য ১৮৬

পঞ্চম অধ্যায় : মহাপুৰুষসকলৰ বাৎসৰিক তিথি ১৯১-২০৭
১ শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, গোপালদেৱ আৰু গোপাল আতাৰ তিথি পালন ১৯১
২ নিজ সত্ৰৰ সত্ৰাধিকাৰসকলৰ তিথি পালন ১৯৯
৩ আদৰ্শ ৰক্ষাত বাৎসৰিক তিথিসমূহৰ গুৰুত্ব ২০৩

ষষ্ঠ অধ্যায় : আনুষ্ঠানিক উৎসব ২০৮-২৪৯
১ তিনি বৰ একাদশী : (ক) শয়ন, (খ) পার্শ্ব-পৰিৱৰ্তন (গ) উত্থাযন ২০৮
২ সত্ৰাধিকাৰৰ নিৰ্মালি লোৱা উৎসৱ ২১৮
৩ চাউল সিদ্ধা আৰু হৰি কীৰ্তন ২২৫
৪ বৈৰাগী নাম ২৩০
৫ নৱান্ন, শিৱৰাত্ৰি, ভাদমহীযা নাম, কৃষ্ণাষ্টমী সবাহ, ৰাস কীৰ্তন আদি অনুষ্ঠান ২৩৫
৬ সত্ৰীযা পৰম্পৰাৰ লগত পালিত কিছুমান আচাৰ-অনুষ্ঠান ২৪৩

সপ্তম অধ্যায় : সাংস্কৃতিক কৰ্ম ২৫০-২৯৫
১ ভাওনা ২৫০
২ সত্ৰীযা নৃত্য ২৬৯
৩ সত্ৰীযা গীত ২৮৪
৪ সত্ৰীযা বাদ্য ২৮৮
৫ আধ্যাত্মিক লক্ষ্যৰ লগত সাংস্কৃতিক কৰ্মসমূহৰ সম্পৰ্ক ২৯১

অষ্টম অধ্যায় : উপসংহাৰ ২৯৬

পৰিশিষ্ট : সত্ৰসমূহৰ তালিকা ৩০৬

গ্ৰন্থপঞ্জী ৩১৮

অৱতৰণিকা

নৱধা ভক্তিৰ যোগে ইষ্টদেৱতাক উপাসনা কৰা, ধৰ্মীয় তত্ত্ব চৰ্চা কৰা আৰু প্ৰসাৰ ঘটোৱা সত্ৰৰ ঘাই লক্ষ্য। কাব্য, নাটক, সংগীত আদি কলাৰ চৰ্চা আৰু অনুশীলনেৰে জনসমাজক ধৰ্মৰ ঘাই লক্ষ্যৰ ফালে লৈ যোৱাৰ কাৰ্যসূচীও সত্ৰীয়া জীৱনৰ অন্তৰ্ভুক্ত বিষয়। ইয়াৰ ফলত এক সাংস্কৃতিক আৰু প্ৰণালীবদ্ধ জীৱন গঢ় লৈ উঠে। সত্ৰৰ এই প্ৰণালীবদ্ধ জীৱন-যাত্ৰাত নিত্য আৰু নৈমিত্তিক দুই প্ৰকাৰৰ কাৰ্য থাকে। বিশেষ উদ্দেশ্য উপলক্ষ্যে নৈমিত্তিক কাৰ্যসমূহ আনুষ্ঠানিক পৰিবেশৰ মাজত অনুষ্ঠিত হয়। উলহ-মালহ পৰিবেশত অনুষ্ঠিত হোৱা সেই বিশেষ অনুষ্ঠানসমূহ সত্ৰীয়া উৎসৱৰূপে পৰিগণিত হৈছে। সত্ৰীয়া পৰম্পৰাত এই উৎসৱসমূহৰ এক আধ্যাত্মিক আৰু নৈতিক তথা সামাজিক গুৰুত্ব আছে। সেযে আমাৰ প্ৰস্তাৱিত বিষয়ৰ অধ্যয়ন এনে গুৰুত্বৰ মাজত ঘাইকৈ আবদ্ধ কৰিবলৈ চেষ্টা কৰা হৈছে। সত্ৰসমূহত কেতিয়া কেনেকৈ উৎসৱসমূহৰ উৎপত্তি ঘটিল, উৎসৱসমূহৰ কপ কেনেদৰে নিৰ্ণীত হ'ল, সত্ৰীয়া জীৱন-প্ৰণালীত সংযোজিত উৎসবসমূহৰ মুখ্য আকৰ্ষণ কি, এই বিষয়সমূহৰ ঐতিহাসিক বিৱৰণো দাঙি ধৰা হৈছে। অৱশ্যে ঐতিহাসিক বিৱৰণৰ লগতে প্ৰয়োজনীয় স্থলত বিষয়ৰ বিশ্লেষণাত্মক আৰু সমীক্ষাত্মক আলোচনাও অন্তৰ্ভুক্ত হৈছে। যিহেতু উৎসৱসমূহ ঘাইকৈ আধ্যাত্মিক বিষয় আৰু লক্ষ্যৰ লগত জড়িত, এতেকে এই অধ্যয়নৰ ঘাই লক্ষ্য হ'ল উৎসৱসমূহৰ প্ৰকৃত লক্ষ্য, উদ্দেশ্য আৰু স্বৰূপ চিহ্নিত কৰাটো।

সত্ৰসমূহৰ মূল লক্ষ্য আৰু উদ্দেশ্য একে হ'লেও সংহতি অনুযায়ী সত্ৰত পালন কৰা উৎসৱসমূহৰ পালনীয় ব্যৱস্থাৰ আৰু ৰীতি-নীতিৰ পাৰ্থক্য আছে। সেইবাবে সত্ৰ অনুযায়ী উৎসৱসমূহৰ আধ্যাত্মিক, সামাজিক আৰু সাংস্কৃতিক গুৰুত্ব কম-বেছি হোৱা দেখা যায়। সেযে উৎসৱসমূহৰ মৌলিক স্বৰূপৰ লগতে পৃথক বৈশিষ্ট্যপূৰ্ণ দিশসমূহ প্ৰয়োজনীয় স্থলত ফঁহিয়াই দেখুওৱাৰ যত্নও কৰা হৈছে।

পঞ্চদশ শতিকাৰ পৰা বৰ্তমানলৈকে নিজা নামকৰণেৰে বহুতো সত্ৰ অসমত থুপ খাই থাকিলেও আটাইবোৰ সত্ৰৰে পূৰ্ণাংগ আদৰ্শগত স্থিতি বৰ্তমান নাই। সেযেহে,

সত্রৰ পূর্ণাংগ পৰিৱেশ তথা স্থিতি থকা সত্রসমূহৰ আধাৰতহে প্রস্তাৱিত বিষয়ৰ অধ্যয়ন কৰা হৈছে। বিশেষকৈ চাৰি সংহতিৰ পৃষ্ঠপোষকতা কৰা সত্রসমূহ, লগতে সেই আদর্শতে গঢ়ি উঠা অধিক সংখ্যক সত্রৰ প্রতিষ্ঠা-স্থান মাজুলী হোৱা বাবে মাজুলীৰ সত্রকেইখনতেই বিষযবস্তুৰ পৰিধি সীমাবদ্ধ কৰি ৰখা হৈছে। সত্রীযা আদর্শৰ আটাইকেউটা দিশ পূর্ণ হৈ থকাৰ বাবে আৰু সৰহ সংখ্যক সত্র একেলগে মাজুলীত প্রতিষ্ঠা হোৱা হেতু মাজুলীক সত্রীযা সংস্কৃতিৰ কেন্দ্রস্থল বুলি ক'ব পাৰি। অসমত প্রতিষ্ঠা হোৱা ৬০০ খন সত্রৰ ৬৫ খনেই আৰম্ভণিতে মাজুলীত আছিল। চাৰি সংহতিৰ সত্র পূৰ হৈ থকাৰ কাৰণে অসমৰ সত্রীযা সংস্কৃতিক প্রতিনিধিত্ব কৰা মাজুলীক এটকা মহন্তৰ স্থান আখ্যা দিযা হয। সত্র বুলি ক'লে গুৰু, দেৱ, নাম, ভকত এই 'চাৰিবস্তু' বিৰাজমান হৈ থাকে। প্রত্যেক 'বস্তু'ত এক অনাকৈ মূল্য আৰোপ কৰিলে একোখনি সত্রত চাৰি অনা মুলধন পোৱা যায। সেই অনুপাতে প্রত্যেক সংহতিত চাৰি অনাকৈ থাকিলে চাৰি সংহতিত মুঠ ষোল্ল অনা পোৱা যায। সেই অর্থত মাজুলীত চাৰি সত্র অর্থাৎ মূল 'চাৰিবস্তু'ৰ ষোল্ল অনা পূৰ হৈ থকাত মাজুলীযে এটকা মহন্তৰ আখ্যা লাভ কৰে। সেযেহে অনুভৱ কৰা হৈছে, মাজুলীৰ সত্রকেইখনৰ আধাৰত বিষযৰ আলোচনা হ'লে অসমৰ সত্রীয়া উৎসৱ-অনুষ্ঠানসমূহৰ বুনিয়াদী পৰিচয পোৱা হ'ব। অৱশ্যে প্রাসংগিক স্থলত মাজুলীৰ বাহিৰৰ সত্রৰ উৎসৱ-অনুষ্ঠানৰ বিষযেও উল্লেখ কৰি সিবিলাকৰ আভাস দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে। আনপিনে বিষয়ৰ পৰিধি মাজুলীৰ সত্রকেইখনতে আৱদ্ধ থাকিলেও মাজুলীত বর্তমান পূর্ণাংগ সত্রীযা ৰীতিৰে থকা চাৰি সংহতিৰ মূল সত্রকেইখনক ঘাই আধাৰ হিচাপে লোৱা হৈছে। ইযাৰ ভিতৰত আউনীআটী সত্রৰ উল্লিখন বিশেষভাৱে সংযুক্ত হৈছে। আশা কৰা হৈছে, সেই পটভূমিত আলোচনা কৰিলে একেটা থুলৰে কেইবাখনিও সত্রৰ অনুষ্ঠানসমূহৰ পৃথক আলোচনাৰ প্রযোজন নহ'ব। তাৰ ভিতৰতে প্রযোজন বুজি সীমিত পৰিসৰৰ সত্র একোখনিৰো উৎসব-অনুষ্ঠানবিলাকৰ পৃথক বৈশিষ্ট্যসমূহ উলিয়াই আনিবলৈ যত্ন কৰা হৈছে।

সত্রীযা উৎসৱ-অনুষ্ঠানসমূহৰ উৎপত্তিগত ঐতিহাসিক বিৱৰণ দাঙি ধৰিলেও সিবিলাকৰ বর্তমানৰ অস্তিত্ব আৰু প্রাযোগিক দিশৰ ওপৰতহে অধিক গুৰুত্ব দি প্রস্তাৱিত বিষয আলোচনা কৰা হৈছে। আশা কৰা হৈছে, এই অধ্যযনে সংহতি আৰু অঞ্চলভেদে বিভিন্নতা থকা সত্ত্বেও অসমৰ সত্রীযা উৎসব অনুষ্ঠানসমূহৰ ঘাই লক্ষ্যৰ সাদৃশ্য প্রতিপন্ন কৰিব আৰ অসমীযা সংস্কৃতিৰ এটা বর্ণাঢ্য ৰূপৰ আভাস দিবলৈ সক্ষম হ'ব

অসমৰ সত্রসমূহত পালন কৰি অহা উৎসৱ-অনুষ্ঠানৰ মাজত সত্রীযা সাংস্কৃতিক জীৱনধাৰাৰ স্পষ্ট পৰিচয পোৱা যায। লগেলগে এই জীৱনধাৰাত অন্তর্ভুক্ত হৈ থকা সমাজৰ আধ্যাত্মিক আৰু নৈতিক প্রমূল্য, সামাজিকভাবে পালনীয ৰীতি-নীতি আৰু

সুকুমাৰ কলাকে ধৰি সংশ্লিষ্ট বিষয়ৰ আভাস পাব পাৰি। এই আটাইকেউটা দিশৰ ভিত্তিত সত্রীযা সাংস্কৃতিক জীৱনধাৰাৰ এটি সম্যক পৰিচয় দাঙি ধৰাৰ লগতে অসমৰ ধর্মীয় তথা সাংস্কৃতিক জীৱনৰ কিছু অনালোচিত দিশ পোহৰলৈ অনাটোও প্রস্তাৱিত বিষয়ৰ অধ্যযনৰ লক্ষ্য আৰু উদ্দেশ্য।

অসমীযা সমাজত লোক-পৰম্পৰা অনুসৰি নানা উৎসৱ পালন কৰি অহা হৈছে। সৰ্ত্র সমাজতো সেই লোক-উৎসৱ-পর্বসমূহ পালন কৰাৰ প্রথা আছে। কিন্তু সত্রত পালন কৰা লোক-উৎসৱসমূহ আধ্যাত্মিক লক্ষ্যকেন্দ্রিক। সেয়েহে পালনৰ ক্ষেত্রত এই উৎসৱসমূহে এক সুকীয়া ৰূপ লাভ কৰাটো নিশ্চিত। নতুন ৰূপত প্রকাশ পোৱা সত্রীযা উৎসৱৰ সেই বৈশিষ্ট্যপূর্ণ দিশাখিনি বিচাৰ কৰি চোৱাও এই অধ্যয়নৰ অন্যতম লক্ষ্য। এই লোক-উৎসৱসমূহৰ উপৰিও সত্রীযা জীৱনধাৰাৰ লগত সম্বন্ধ থকা আৰু কিছু নির্দিষ্ট বাৎসৰিক উৎসৱ আছে। সেই উৎসবসমূহৰ মৌলিক তাৎপর্য আৰু সেইবিলাকৰ নিজা ব্যৱহাৰিক ৰীতি-নীতিসমূহৰ অধ্যযনো অন্তর্ভুক্ত কৰা হৈছে। বাৎসৰিক ধাৰাবাহিকতা নাথাকিলেও বিশেষ উপলক্ষ্য লৈ সত্রৰ আন আন কেবাটাও নির্দিষ্ট উৎসৱ সত্রীযা পৰম্পৰাত পালন কৰাৰ ব্যৱস্থা আছে। সেই উৎসৱ-অনুষ্ঠানসমূহৰো তাৎপর্য বিচাৰ কৰাৰ যত্ন কৰা হৈছে।

বৈষ্ণৱ ধর্মৰ প্রচাৰৰ উদ্দেশ্যেই সত্র প্রতিষ্ঠা কৰা হৈছিল। স্বাভাৱিকতেই সত্রসমূহত পালন কৰা উৎসৱ-অনুষ্ঠানসমূহ বৈষ্ণৱ ধর্মক কেন্দ্র কৰিযেই গঢ লৈ উঠিছে। এতেকে, উৎসৱ-অনুষ্ঠানসমূহৰ উৎপত্তি তথা বিকাশৰ মূল আধাৰ বৈষ্ণৱ ধর্ম, ইযাৰ আন্দোলনাত্মক ৰূপ, ভাৰতবর্যত তথা অসমত ইযাৰ প্রসাৰ, অসমৰ সত্রানুষ্ঠানত ইযাৰ প্রভাৱ, প্রাথমিক পর্যাযৰ এই সকলো দিশৰ আলোচনাইহে পটভূমিৰ পৰিচয দান কৰিব বুলি এনে আলোচনা সন্নিবিষ্ট কৰা হৈছে। লগে লগে সত্রৰ উৎপত্তি, ইযাৰ আৱশ্যকতা, সত্রানুষ্ঠানৰ গঠন প্রক্রিয়া, সংহতি অনুসৰি সত্রৰ শ্রেণী বিভাজন, সত্রৰ নিত্য-নৈমিত্তিক কার্যাৱলীও আলোচিত হৈছে। উৎসৱসমূহৰ আনুষ্ঠানিক পৰিৱেশ আৰু ইযাৰ লগত একান্তভাৱে সংযোগ হৈ থকা সত্রীযা ভাওনা, নৃত্য-গীত আৰু বাদ্যযন্ত্রসমূহৰ পৰিচয়মূলক বিৱৰণ দিবলৈ যত্ন কৰা হৈছে। এনে আলোচনাৰ যোগেদি সত্রীয়া সাহিত্য, নৃত্য-গীত, ভাওনা, স্থাপত্য আৰু ভাস্কর্য আদি কলাসমূহৰ ৰূপৰেখা এটি পোৱা হ'ব।

প্রত্যেক উৎসৱ-অনুষ্ঠান বা পর্বৰ লগত সত্রীযা বিশেষ ধৰাবন্ধা ৰীতি-নীতি, লোক-পৰম্পৰা আৰু লোক-বিশ্বাসসমূহ সংযুক্ত হৈ আছে। প্রতিটো পর্বত ব্রত-উপবাস জড়িত হৈ আছে। ব্রত-উপবাসৰ লগত শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক কাৰণ নিহিত হৈ আছে। প্রতিটো ব্রত-উপবাস, তিথি, নক্ষত্র, মাহ, সংক্রান্তি ভিত্তিত পালন কৰাৰ নিযম নির্ধাৰিত হৈ আছে। এনে মূল ভিত্তিসূচক নীতি-নির্দেশনাসমূহৰো আলোচনা

দাঙি ধৰা হৈছে। এনে আলোচনাই নিয়ম, সংযম, কষ্টসহিষ্ণুতাৰে পালন কৰা সত্রীযা জীৱনধাৰাৰ বিশিষ্টতাৰ পৰিচয় দিয়াত সহায় কৰিব।

সত্রীয়া জীৱন-প্রণালীত গুৰু, দেৱ, নাম, ভকত এই 'চাৰি বস্তু' সম্মুখত লৈ উপাসনা কৰাটো মূল নিয়ম। তাৰ ভিতৰত কেৱল এটা বা দুটা 'বস্তু'ৰ ওপৰত বিশেষ প্রাধান্য দি সত্রসমূহৰ কার্য পৰিচালনা কৰা হয়। এনে গুৰুত্বৰ আধাৰত সংহতিসমূহৰ সৃষ্টি হৈছে। সংহতি অনুসৰি সত্রৰ সৈতে পালন কৰা উৎসৱ-অনুষ্ঠানসমূহৰো পালনীয নিয়ম-নীতিৰ কিছু পার্থক্য আছে। সেই অনুপাতে উপাসনাৰ মাধ্যম সলনি হ'লেও পালিত হোৱা উৎসৱ-অনুষ্ঠানসমূহৰ উদ্দেশ্যৰ সাদৃশ্য প্রস্তাৱিত বিষয় অধ্যযনৰ যোগেদি প্রতিপন্ন হ'ব বুলি আশা কৰা হৈছে। আশা কৰা হৈছে, এই প্রণালীবদ্ধ অধ্যযনৰ যোগেদি সত্রসমূহত পালন কৰা উৎসৱসমূহৰ আধ্যাত্মিক আৰু নৈতিক আদর্শ আৰু সামাজিক গুৰুত্ব প্রতীয়মান হোৱাৰ উপৰিও অসমীযা সংস্কৃতিৰ এই বিশিষ্ট ধাৰাটিৰ অনালোচিত অনেক দিশ অধিক গভীৰ আৰু বিস্তৃত অধ্যয়নৰ বাবে উন্মোচিত হ'ব।

প্ৰথম অধ্যায়

বৌদ্ধিক পটভূমি

১. নৱ-বৈষ্ণৱ আন্দোলনৰ উৎপত্তি আৰু বিকাশ

সৰ্বোচ্চ দেৱতাৰূপে বিষ্ণুৰ আৱিৰ্ভাৱ আৰু কৃষ্ণ-বাসুদেৱ ধাৰাৰ প্ৰৱৰ্তনে ভাৰতবৰ্ষত ভক্তিধৰ্মৰ সূচনা কৰে। কোনো কোনো পণ্ডিতে ভক্তিধৰ্মৰ বীজ উপনিষদতে থকা বুলি মত প্ৰকাশ কৰে।[১] বিষ্ণুৰ প্ৰথম উল্লেখ পোৱা যায় ঋক্‌বেদতে। অৱশ্যে সেই বিষ্ণুৰ স্বৰূপ পৃথক আছিল। তেওঁৰ উল্লেখ ইন্দ্ৰৰ সখি স্বৰূপে (১ ১২ ১৯ ঋক্‌বেদ) আৰু বৃত্তাসুৰক বধ কৰিবৰ সময়ত সহাযক হিচাপে পোৱা যায়। তেওঁক স্বৰ্গত পৰম্পদ ৰূপতো (১.১২.১৮) বৰ্ণনা কৰা হৈছে। সৰ্বোপৰি তেওঁক সূৰ্যৰ প্ৰকাশ স্বৰূপে (১ ১৫.৫৬) বা সূৰ্যদেৱতা হিচাপেও কল্পনা কৰা হৈছে। বিষ্ণু শব্দই ব্যাপ্ত হৈ থকা শক্তিক বুজায়। সি যি কি নহওক, ঋক্‌বেদতে বিষ্ণুৰ প্ৰসংগ, প্ৰশংসা আৰু স্তুতি তিনিওটি কথা পোৱা যায়। ইযাৰ পিছত পুৰাণত বিশেষকৈ ৯ম শতিকাত ৰচিত ভাগৱত পুৰাণত বিষ্ণুক কৃষ্ণৰ ৰূপত পোৱা যায়। বিষ্ণু হিন্দু সমাজৰ, বিশেষকৈ বৈষ্ণৱ সমাজৰ মূল উপাস্য দেৱতা স্বৰূপে প্ৰতিষ্ঠিত হ'ল। বিষ্ণুক মোক্ষদাতা বুলিও বিশ্বাস কৰা হ'ল। এই বিষ্ণু অৱতাৰভেদে নাৰায়ণ, বাসুদেৱ, কৃষ্ণ নামেৰে অভিহিত হ'ল। খ্ৰীষ্টীয় প্ৰথম শতিকাৰ মথুৰাৰ ৰাজবুলৰ এখন লিপিত বাসুদেৱৰ জন্ম বৃষ্ণি বংশত হোৱা বুলি উল্লেখ আছে।[২] বিষ্ণু-তত্ত্বৰ আধাৰত মোক্ষদাতা পৰম ব্ৰহ্ম আকাৰে যি বিষ্ণুক উপাসনা কৰে তেওঁকেই বৈষ্ণৱ বোলা হয়। ভাগৱত শাস্ত্ৰ বৈষ্ণৱ ধৰ্মৰ মূল আধাৰ। উৎপত্তি কালৰে পৰা বৈষ্ণৱ ধৰ্মৰ

---

১ R G Bhandarkar, Vaisnavism Saivism and Minor Religious Systems, Varanasi 1965, pp 28-29

২ মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃঃ ৭৫

এটি ধাৰাবাহিক ক্রম তথা ভাগৱতীয় সম্প্রদায়ৰ এক বিস্তৃত বিৱৰণ পোৱা যায়।

অসমৰ ভাগৱতী ধর্ম পৰম্পৰাত প্রথমতে ভাগৱতৰ চতুঃশ্লোকেৰে আৰম্ভ হোৱা বৈষ্ণৱ ধর্মৰ এই ক্রম শংকৰদেৱৰ ভাগৱত প্রাপ্তিলৈকে সামৰা হৈছে।[৩]

বিষ্ণুপ্রধান এই ধর্ম কেতিয়াৰ পৰা ভাৰতবর্ষত প্রচলিত হৈছিল ইয়াৰ সঠিক সময নির্দিষ্ট কৰা টান যদিও প্রথমৰ পৰা তৃতীয় শতিকাৰ ভিতৰত বিন্ধ্যবাসিনী মন্দিৰ এটিৰ গাত কৃষ্ণ-জীৱনৰ কাহিনী লিপিবদ্ধ থকাৰ প্রমাণ পোৱা যায়।[৪] এই তথ্যই সেই সময়ৰ বৈষ্ণৱ ধর্মৰ এটি আভাস দাঙি ধৰে। ইয়াৰ পিছত উদ্ধাৰ হোৱা প্রত্নলিপি, ধ্বংসাৱশেষবোৰ আৰু পাণিনিৰ অষ্টাধ্যায়ী ব্যাকৰণৰ উল্লিখনৰ ভিত্তিত বাসুদেব, বিষ্ণু আদি নাম বিশেষভাৱে পোৱা যায়। ইযাৰ উপৰিও বিভিন্ন মঠ-মন্দিৰৰ ধ্বংসাৱশেষ, উদ্ধাৰ হোৱা বিষ্ণু মূর্তিসমূহে চতুর্থ শতিকা মানৰ পৰা ভাৰতবর্ষত প্রচলিত হৈ থকা বৈষ্ণৱ ধর্মৰ আংশিক ইতিহাস প্রকাশ কৰিছে। বিশেষকৈ গুপ্তযুগত ৰচিত ভাগৱত-পুৰাণে কৃষ্ণক ভগৱানৰ পূর্ণ অৱতাৰৰূপে স্বীকৃতি দিয়া কথাই আৰু মহাভাৰতৰ অন্তর্ভুক্ত শ্রীমদ্ভগৱদ্ গীতা আৰু নাৰাযণীয আখ্যানত থকা বৈষ্ণৱ ভক্তি পন্থাৰ বিস্তৃত বিৱৰণে সেই কালত ভাৰতবর্ষত প্রচলিত হৈ থকা বৈষ্ণৱ ধর্মৰ বিশেষ পৰিচয দাঙি ধৰে।[৫] মঠ-মন্দিৰবিলাক বর্তি থাকোঁতে তাৰ আঁৰত বিভিন্ন ৰজা-মহাৰজাৰ শাসন তথা পৃষ্ঠপোষকতাৰ কাহিনী পোৱা যায়। বিষ্ণুপ্রধান মঠ-মন্দিৰবিলাকৰ যোগেদি, ৰজা-মহাৰজাসকলৰ বৈষ্ণৱ ধর্মৰ প্রতি যে আগ্রহ বা আনুগত্য আছিল সেই কথা বুজিব পাৰি। আৱিষ্কৃত হোৱা এখন প্রত্নলিপিত ভাস্কৰবর্মাৰ আজোককাক ষষ্ঠ শতাব্দীৰ ভূতিবর্মাই নিজকে পৰম ভাগৱত বুলি পৰিচয় দিযা কথাই তাৰ স্পষ্ট নিদর্শন দাঙি ধৰে।[৬] ইয়াৰ পিছত সপ্তমৰ পৰা দশম শতাব্দীলৈকে দাক্ষিণাত্যত আলোৱাৰসকলে ভক্তিগীতিৰ যোগেদি বৈষ্ণৱ

---

[৩] (ক) গুৰু-চৰিত কথাত উল্লেখ থকা সেই বিৱৰণ এনে ধৰণৰ : পূর্বে আদি নিৰঞ্জনে কচলে শ্রীভাগৱত অনাদি অনন্ততঃ তাৰা কলে কালপুৰিযা নাৰাম ণত : তান্ত হন্তে পালে নৰনাৰাযণে : তাৰাত হন্তে পালে হংসনাৰাযণে : তেওঁ ক'লে সূর্যমণ্ডলি নাৰাযণত : তেওঁ ক'লে ব্রহ্মা বিষ্ণুত ৰুদ্রত একসন্নকৈ : তেহে ব্রহ্মা কলে নাৰদত : তাৰা কলে ব্যাসত : ব্যাসে শুকত : শুকে পৰীক্ষিতত : ৰুল সূতত : তানে শিষ্য কলে মনোহৰা সূত : তানে শিষ্য শঙ্কৰ আচার্য : তানে শিষ্য শ্রীধৰ স্বামী : তামে শিষ্য ভাস্কৰাচার্য : তানে শিষ্য নৃসিংহ পর্মানন্দ : তানে শিষ্য ৰত্ন ভাৰতি : তানে শিষ্য মহাভাৰতী : তানে শিষ্য পুৰুষোত্তম ভট্টাচার্য : তানে শিষ্য বিষ্ণুপুৰি : তানে শিষ্য ব্রহ্মানন্দ : তানে শিষ্য জগতদিশ : আনি গুৰু জনক দিছে। — গুৰুচৰিত কথা, সম্পা মহেশ্বৰ নেওগ, পৃঃ ১৪৫-১৪৬

(খ) মনোৰঞ্জন শাস্ত্রী, অসমৰ বৈষ্ণৱ দর্শনৰ ৰূপৰেখা, পৃঃ ১৭৩

[৪] মহেশ্বৰ নেওগ, অসমীযা সাহিত্যৰ ৰূপৰেখা, পৃঃ ৭৫

[৫] সতেন্দ্রনাথ শর্মা, অসমীযা সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃঃ ৯০

[৬] তীর্থনাথ শর্মা আউনীআটী সত্রৰ বুৰঞ্জী, পৃঃ ১

ধর্মৰ জাগৰণ ঘটায়। বিষ্ণুৰ বিভিন্ন অৱতাৰসমূহক স্বীকাৰ কৰি বিষ্ণুৰ জয়গানেৰে আলোৱাৰসকলে তামিল ভাষাত ভক্তিসূচক গীত ৰচনা কৰে। এই গীতসমূহ জনসাধাৰণৰ মাজত অধিক জনপ্রিয় হৈ উঠে। বিষ্ণুৰ ভক্তিসমূচক এই গীতসমূহে বৈষ্ণৱ ধর্মৰ মূল তত্ত্ব প্রচাৰৰ ক্ষেত্রত অধিক সম্প্রসাৰণ ঘটায়। তামিল ভাষাৰ ভক্তিপ্রধান গীতসমূহ সেই ঠাইৰ লোকৰ বাবে বেদৰূপে পৰিগণিত হৈছিল।[১] সেই কালছোৱাৰ ভিতৰত বিশেষকৈ নৱম শতিকাত অদ্বৈতবাদত বিশ্বাসী শংকৰাচার্যৰ তত্ত্বই বৈষ্ণৱ ধর্মৰ তাত্ত্বিক ভেটি গঢ়াত বিশেষ ভূমিকা গ্রহণ কৰে। বৈষ্ণৱ ধর্ম-জাগৰণত ব্রতী হোৱা নাথমুনিয়েই আছিল আলোৱাৰসকলৰ শেষৰজন ভক্ত। সেই পৰম্পৰাতেই পিছৰ বৈষ্ণৱ আচার্যসকলৰ আৱির্ভাৱ হয়।[২] এই আচার্যসকলৰ ভিতৰত অগ্রণী ভূমিকা লোৱা দ্বাদশ শতিকাৰ ৰামানুজাচার্যৰ পৰাই নৱ-বৈষ্ণৱ আন্দোলনৰ সূত্রপাত হয়। এই নৱ-বৈষ্ণৱ আন্দোলনে চতুর্দশ-পঞ্চদশ শতিকাত গোটেই ভাৰতবর্ষতে আলোড়নৰ সৃষ্টি কৰিছিল। বৈষ্ণৱ ধর্ম আন্দোলনমুখী হোৱাৰ কাৰণ বহুতো পোৱা যায়। নৱ-বৈষ্ণৱ আন্দোলন গটি উঠাৰ আগলৈকে বৈষ্ণৱ ধর্মই বিস্তৃতভাৱে জনসমাজত প্রসাৰ লাভ কৰিব পৰা নাছিল। ইযাৰ মূলতে দৃষ্টিভংগীৰ সীমাবদ্ধতা, স্পষ্ট সিদ্ধান্তমূলক ধর্মীয় মতৰ অভাৱ, জটিল কর্ম-পদ্ধতি আদি কাৰণ নিহিত হৈ আছিল।

দ্বাদশ শতিকাৰ আগতে ভাৰতীয় সমাজত বৈষ্ণৱ ধর্মৰ এটি প্রভাৱ থাকিলেও তাৰ দুৱাৰ সকলো মানুহৰ বাবে মুকলি নাছিল। ইয়াৰ কাৰণ হ'ল, সকলো লোকে সেই সময়ত সম মর্যাদা পোৱা নাছিল। ধনী-দুখীয়া, উচ্চ-নীচ, সম্প্রদায ভেদে মর্যাদা আৰু সামাজিক সুবিধা লাভৰ ব্যৱস্থা আছিল, যাৰ ফলত সাধাৰণ শ্রেণীৰ লোক ধর্মীয় তথা সামাজিক সুবিধাৰ পৰা বঞ্চিত হৈছিল। দ্বিতীয়তে, সমাজৰ ব্রাহ্মণ বা কুলীন তথা অভিজাত শ্রেণীৰ মত বা সিদ্ধান্ত বিনা বিচাৰে গ্রহণ কৰিব লগা হোৱাৰ কাৰণে সাধাৰণ মানুহৰ এক বিমুখ মনোভাব গঢ লৈ উঠিছিল। তৃতীয়তে, সংস্কৃত ভাষা জনসাধাৰণৰ বাবে দুর্বোধ্য হোৱাত বৈদিক বিধিসমূহ পালন কৰোঁতে আত্মসন্তুষ্টি নোহোৱাকৈ অনুমানতে কার্য কৰিব লগা হোৱাত জনসাধাৰণে তাৰ সংস্কাৰ বিচাৰিছিল। চতুর্থতে, উপনিষদ, গীতা আদি শাস্ত্রৰ প্রাচীন একেশ্বৰবাদী মতৰ বিপৰীতে বিভিন্ন দেৱতাৰ পূজা-অর্চনা আৰু বিবিধ মতৰ প্রভাৱত জনসাধাৰণৰ মন দোদুল্যমান হৈ বিভ্রান্তিজনক অৱস্থাত সোমাই পৰিছিল। পঞ্চমত, সেই সময়ত অগা-পিছাকৈ ভাৰতবর্ষত ইছলামৰ প্রৱেশ আৰু বৌদ্ধ ধর্মৰ অভ্যুত্থান ঘটে আৰু জনসাধাৰণক আকর্ষণ কৰে। হিন্দু ধর্মৰ

---

[১] সত্যেন্দ্রনাথ শর্মা, পূর্বোল্লিখিত, পৃঃ ৯১

[২] উল্লিখিত, মহেশ্বৰ নেওগ, পূর্বোল্লিখিত গ্রন্থ, পৃঃ ৭৬, নাথমুনিৰ কাল নেওগে একাদশ শতিকা বুলি উল্লেখ কৰিছে।

এনে ক্ষয়িষ্ণুতাত হিন্দুপ্রধান সমাজত সংস্কাৰমূলক চিন্তাধাৰা প্রকট হৈ পৰিছিল। ইযাৰ উপৰি সাধাৰণ শ্রেণীৰ লোকে নিজৰ মনোভাব প্রকাশ কৰিব নোৱৰা আৰু মানৱীয় মূল্যবোধৰ পৰা বঞ্চিত হ'ব লগা হোৱাকে ধৰি অনেক কাৰণত অধিক সংখ্যক মানুহ ক্রমাৎ হিন্দু ধর্মৰ প্রতি অনাসক্ত হৈ পৰিছিল। ফলত হিন্দু ধর্মৰ প্রতি মানুহৰ অনীহা বাঢ়ি আহে আৰু সামাজিক সম্পর্ক দুর্বল হৈ পৰে। তেনে সময়তেই হিন্দু ধর্মৰ প্রসাৰ ঘটাবৰ বাবে আৰু জনপ্রিয়তা বঢাবৰ বাবে এদল সংস্কাৰকৰ প্রচেষ্টাত নৱ-বৈষ্ণৱ আন্দোলন গঢ লৈ উঠে। নৱ-বৈষ্ণৱ আন্দোলনৰ বাটকটীযা আছিল ৰামানুজাচার্য। যমুনাচার্যৰ যোগ্য শিষ্যৰূপে খ্যাতি লাভ কৰা ৰামানুজে বৈষ্ণৱ ধর্মক সহজ আৰু মুক্ত ৰূপত জনসাধাৰণৰ মাজলৈ উলিয়াই আনিলে। পূর্বৱর্তী শংকৰাচার্যৰ কৈৱল্য অদ্বৈতবাদৰ পৰিৱর্তে ৰামানুজে বিশিষ্টাদ্বৈতবাদ প্রতিষ্ঠা কৰে। তেওঁ বেদান্তৰ জ্ঞানময়ী ভক্তি, পাঞ্চৰাত্রৰ কর্মময়ী ভক্তি আৰু বিষ্ণুপুৰাণ, হৰিবংশত থকা প্রেমময়ী ভক্তি, এই তিনিওৰো সাৰ অংশ গ্রহণ কৰি সর্বজনগ্রাহ্য বৈষ্ণৱ সাধন প্রবর্তন কৰিলে।[৯] বৈষ্ণৱ ধর্মৰ ৰক্ষণশীলতাৰ বান্ধোন আঁতৰাই সহজ আৰু উদাৰ পদ্ধতি প্রবর্তন কৰাত সাধাৰণ শ্রেণীৰ লোকৰো এই ধর্ম গ্রহণযোগ্য হৈ পৰিছিল। দক্ষিণ ভাৰতত উৎপত্তি হোৱা নৱ-বৈষ্ণৱ আন্দোলন ক্রমে উত্তৰ ভাৰতলৈ বিযপি আহিল। ৰামানুজী সম্প্রদাযৰ মূল ধর্ম প্রচাৰক ৰমানন্দই উত্তৰ ভাৰতত বিস্তৃতভাৰে নৱ-বৈষ্ণৱ ধর্ম প্রচাৰ কৰিলে। এই সম্প্রদাযৰ একে অনুগামী কবীৰে এই ক্ষেত্রত বিশেষ সহযোগ আগবঢালে। বৈষ্ণৱ ধর্মৰ জন-আকর্ষণীয় নতুন ৰূপটো বা আদর্শসমূহ কেৱল দক্ষিণ ভাৰতততে সীমাবদ্ধ নাথাকি ইবিলাকে সময়ত সমগ্র ভাৰতবর্ষকে সামৰি ল'লে। ভাৰতৰ বিভিন্ন প্রান্তৰ ধর্ম-প্রচাৰকসকলে নিজ নিজ প্রান্তীয় ভাষাত নৱ-বৈষ্ণৱ ধর্মৰ সহজ-সৰল মতসমূহ প্রচাৰ কৰিলে। ইযাৰ ফলত প্রান্তীয ভাষাসমূহৰ বিকাশ সাধিত হ'ল আৰু তত্ত্ব সর্বসাধাৰণৰো বোধগম্য হ'ল। ৰামানুজাচার্য, ৰমানন্দ, কবীৰ, নিম্বার্কাচার্যই ভাৰতৰ বিভিন্ন ঠাইত ধর্ম প্রচাৰ কৰাৰ উপৰিও অঞ্চল অনুসাৰে নৱ-বৈষ্ণৱ ধর্মৰ বিকাশ ঘটোৱা আন কেইজনমান ধর্মাচার্যৰ নাম বিশেষভাৱে উল্লেখযোগ্য। ইযাৰ ভিতৰত ত্রযোদশ শতিকাত মধবাচার্যই কর্ণাটক আৰু গুজৰাটত, দ্বাদশ-ত্রযোদশ শতিকাৰ ভিতৰত জ্ঞানদেৱ, নামদেৱ আদিযে মহাৰাষ্ট্রত, পঞ্চদশ শতিকাত শংকৰদেৱে অসমত, চৈতন্যদেৱে বংগদেশত, বল্লভাচার্যই বিজয় নগৰ আৰু তেলেগু অঞ্চলত, দাদুদযালে উত্তৰ ভাৰতত আৰু গুৰু নানকে পঞ্জাৱত অগা-পিছাকৈ বৈষ্ণৱ ধর্ম প্রচাৰ কৰিছিল।[১০] লগে লগে

---

[৯] তীর্থনাথ শর্মা, পূর্বোল্লিখিত, পৃঃ ৭৫

[১০] S N Sarma, The New-Vaisnavite movement and the Stra institutions of Assam (NVMSIA), p 1

ভাৰতৰ প্রান্তীয় ভাষাসমূহৰ যোগেদি বিবিধ ভক্তিৰস-প্রধান সাহিত্যৰ সৃষ্টি হ'ল। ইয়াৰ ভিতৰত ১১৭০ খ্রীষ্টাব্দত জয়দেৱৰ ৰাধা-কৃষ্ণৰ প্রেমৰ সংস্কৃত কাব্য **গীত-গোৱিন্দ**, চতুর্দশ শতিকাৰ শেষত মিথিলাৰ ৰাজকবি বিদ্যাপতিয়ে মৈথেলী ভাষাত ৰচনা কৰা **ৰাধাকৃষ্ণ-লীলাৰ পদাৱলী**, উমাপতি উপাধ্যায়ৰ **পাৰিজাত হৰণ**, পঞ্চদশ শতিকাৰ চণ্ডীদাসৰ **শ্রীকৃষ্ণকীর্তন**, ষষ্ঠদশ শতিকাৰ তুলসীদাসৰ **ৰামচৰিত-মানস**, মহাৰাষ্ট্রত ৰামদাস, তুকাৰাম, নামদেৱ আদিয়ে ৰচনা কৰা মহাৰাষ্ট্রী ভক্তি-গীতসমূহ[১১] আৰু ১৪-১৬ শতিকাৰ ভিতৰত শিখ পন্থৰ গুৰুনানক আৰু চুফী কবিসকলে পাঞ্জাৰী ভাষাত ৰচনা কৰা সাহিত্যসমূহ[১২] উল্লেখযোগ্য অৱদান। ইয়াৰ উপৰি উত্তৰ-পূৱ অংশত শংকৰ-মাধৱৰ বিপুল আযতনৰ গীত-পদসমূহ আৰু কবীৰ দাস, সুৰ দাস, মীৰাবাঈ আদিৰ গীতাৱলীযে বৈষ্ণৱ ধর্মৰ প্রচাৰত ইন্ধন যোগায। পালনীয় ৰীতিৰ সামান্য পার্থক্য থাকিলেও নিজ নিজ অঞ্চলত সন্তসকলে প্রচাৰ কৰা নৱ-বৈষ্ণৱ ধর্মৰ ধর্মীয় তথা সামাজিক মূল সিদ্ধান্তসমূহৰ মৌলিক পার্থক্য নাথাকিল। বৈদিক দেৱতা বিষ্ণুক পৰম উপাস্য দেৱতা স্বৰূপে সকলোৱে জ্ঞান কৰা হ'ল। 'কৃষ্ণস্তু ভগৱান স্বয়ম্' এই বিশ্বাস প্রৱর্তিত হ'ল। ব্যযবহুল কর্ম-কাণ্ড আৰু তান্ত্রিক ক্রিযা-কাণ্ডৰ পৰিৱর্তে নৱধা ভক্তিৰ মাধ্যমত জটিলতাবিহীন ভগৱৎ উপাসনাৰ পদ্ধতি ৰচিত হ'ল। বৈষ্ণৱ আন্দোলনৰ ফলত সমাজত নৈতিক, আধ্যাত্মিক আৰু মানৱীয মূল্যবোধ ন-কৈ প্রতিষ্ঠিত হ'ল। সত্য, দয়া, প্রেম, অহিংসা, পৰোপকাৰ আদি নৈতিক গুণসমূহে সমাজত আগস্থান পালে। প্রয়োজনীয অধিকাৰসমূহ সকলোৱে সমানে পাব পৰা হ'ল। নৱ-বৈষ্ণৱ আন্দোলনৰ ফলত সংস্কৃত ভাষাৰ ধর্মীয় গ্রন্থসমূহ প্রান্তীয় ভাষাসমূহলৈ অনূদিত হ'ল। এই ব্যৱস্থাৰ যোগেদি নিজ নিজ ভাষাত বৈদিক তত্ত্বসমূহ উপলব্ধি কৰি জনসাধাৰণে উপাসনা আদি কার্যত নিজকে পোনপটীয়াকৈ জড়িত কৰিব পৰা হ'ল। লগে লগে শাস্ত্র-জ্ঞানৰ যোগেদি বৌদ্ধিক তথা সাংস্কৃতিক বিকাশৰ পথো মুকলি হ'ল। সাহিত্য, সংগীত, নৃত্য, স্থাপত্য, ভাস্কর্য আদি কলাসমূহৰ স্বকীয় বিকাশ সম্ভৱ হৈ উঠিল।

বৈষ্ণৱ ধর্ম হ'ল ভক্তি ধর্ম। আন্তৰিক পৰিশুদ্ধিতা তথা ভগৱৎ-ভক্তি এই ধর্মৰ ঘাই ভেটি। সেয়ে ভক্তি ধর্ম গ্রহণৰ ক্ষেত্রত পাত্রাপাত্রৰ বিচাৰ নাই। মানসিক আৰু শাৰীৰিকভাৱে শুচি-সংযত হৈ জাতি-বর্ণ নির্বিশেষে সকলোৱে এই ধর্ম আচৰণ কৰিব পাৰে। এনে মতসমূহৰ সৰৱ প্রচাৰত জনসাধাৰণে নতুন প্রেৰণা লাভ কৰিলে। নৱ-বৈষ্ণৱ ধর্মৰ উদাৰাত্মক ভাবসমূহৰ কাৰণে ধর্মীয় অৰিয়াঅৰিৰ অন্ত পৰে। প্রান্তীয় ভাষাসমূহ সজীৱ হৈ উঠে, ফলত এক বহল সাংস্কৃতিক তথা বৌদ্ধিক পৰিৱেশ গঢ লৈ

---

১১ মহেশ্বৰ নেওগ, পূর্বোল্লিখিত গ্রন্থ, পৃঃ ৭৬

১২ সত্যেন্দ্রনাথ শর্মা পূর্বোল্লিখিত গ্রন্থ, পৃঃ ৯৭

উঠে। সংস্কৃত ভাষাত থকা মহাকাব্য, পুৰাণ আদি গ্ৰন্থসমূহ প্ৰান্তীয় ভাষাসমূহলৈ অনূদিত হোৱাৰ ফলত ভাৰতীয় আধ্যাত্মিক, নৈতিক আৰু সাংস্কৃতিক মূল্যবোধ সমগ্ৰ দেশৰ সকলো অঞ্চললৈ বিয়পি পৰে আৰু ভাৰতীয় মানুহক এনে মূল্যবোধসমূহৰ সমান অংশীদাৰ কৰি তোলে। অসমৰ সত্ৰসমূহৰ মাজেদি এই ভক্তি ধৰ্মৰ আন্দোলন স্থানীয় ৰূপত সম্প্ৰসাৰিত হয়। কাষ্ঠা, আস্থা, সম্প্ৰদাযভেদে ধৰ্মৰ বহিৰংগৰ কোনো কোনো ক্ষেত্ৰত বিভিন্নতা থাকিলেও ধৰ্মৰ মৌলিক নীতি আৰু লক্ষ্য উদ্দেশ্যত মূলতঃ কোনো পৃথকতা নাই। আমাৰ সত্ৰসমূহৰ উৎসৱ-পাৰ্বণসমূহৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য। নৱ-বৈষ্ণৱ আন্দোলনেই সত্ৰীযা উৎসৱ-পাৰ্বণসমূহৰ লক্ষ্য আৰু প্ৰকৃতি নির্ণয় কৰি দিছে।

২. অসমত নৱ-বৈষ্ণৱ আন্দোলনৰ আৰম্ভ আৰু বিকাশ ঃ

ভাৰতৰ দৰে অসমতো বৈষ্ণৱ আন্দোলন আৰম্ভ হোৱাৰ আগত বৈদিক সংস্কৃতি তথা বিষ্ণুৰ মাহাত্ম্য-কথা প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়। বিশেষকৈ চতুৰ্থ শতিকাৰ পৰা পঞ্চদশ শতিকালৈ অসমত বিষ্ণু পূজা, বৈষ্ণৱ সম্প্ৰদায চলি থকাৰ কথা, অসমৰ বিভিন্ন ঠাইত উদ্ধাৰ হোৱা তামৰ ফলি, শিলামূৰ্তি, শিলালিপি আদিযে ইযাৰ স্পষ্ট প্ৰমাণ দাঙি ধৰে। ইযাৰ ভিতৰত নগাঁৱৰ বৰগংগাত আৱিষ্কৃত ৫৫৪ খ্ৰীষ্টাব্দৰ মহাভূতিবর্মাৰ শিলালিপি, ৭ম শতিকাৰ ভাস্কৰবর্মাৰ দিনৰ নিধানপুখুৰী তাম্ৰশাসন, ৮ম শতিকাৰ হর্জ্জৰবর্মাৰ শিলালিপি, যিবিলাকত বিষ্ণু-কথা বিস্তৃতভাৱে উল্লেখ আছে, আৰু ৯ম শতিকাৰ গোলাঘাটৰ দেওপানীৰ ওচৰত আৱিষ্কৃত নৰনাৰাযণৰ শিলামূৰ্তি, ১০ম শতিকাৰ অশ্বক্ৰান্তৰ অনন্তশাযী নাৰাযণ, ১১শ-১২শ শতিকাত নির্মিত ডিব্ৰুগড়ৰ পুৰণি মন্দিৰ এটিত উদ্ধাৰ হোৱা পিতলৰ বিষ্ণু মূর্তি উল্লেখযোগ্য উদাহৰণ।[১৩] ইয়াৰ লগতে আনুমানিক দ্বাদশ শতিকাৰ ভিতৰত অসমত ৰচিত **স্বপ্ন মৎস্যপুৰাণ, কালিকা পুৰাণে** সেই সময়ৰ অসমত বিষ্ণু পূজাৰ প্ৰচলন আৰু বিষ্ণু মাহাত্ম্য প্ৰচাৰ কৰা কথাৰ প্ৰমাণ দাঙি ধৰে।[১৪] এনে ধৰণৰ নিদর্শন থাকিলেও ৪র্থ শতিকাৰ পৰা ১৫ শতিকালৈ অসমত বিষ্ণুৰ সার্বভৌমত্ব স্বীকৃতি অথবা ধর্মীয় ব্যৱস্থাত কেৱল বিষ্ণুৰেই প্ৰাধান্য লাভ কৰা নাছিল। বিষ্ণুৰ লগত আন আন দেৱ-দেৱীসমূহেও সময বিশেষে সমানে, কেতিযাবা আকৌ এককভাৱেও পূজা-উপাসনাত স্থান লাভ কৰিছিল।[১৫] সেই সময়ত বিষ্ণুৰ উপাসনা পাঞ্চৰাত্ৰ[১৬] পদ্ধতিৰে চলিছিল। উপাসনা

[১৩] মনোৰঞ্জন শাস্ত্ৰী, অসমৰ বৈষ্ণৱ দর্শনৰ ৰূপৰেখা, পৃঃ ১২-১৯

[১৪] উল্লিখিত

[১৫] S N Sarma, NVMSIA p 4

স্থানতকৈ মন্দিৰৰ গাত, তোৰণত বিষ্ণু মূর্তি খোদিত কৰি মূর্তি দর্শনেৰে স্বৰূপ ধাৰণা কৰোৱাৰ ব্যৱস্থা ব্যাপক আছিল। তাৰ উদাহৰণ, কামাখ্যা মন্দিৰৰ তোৰণত থকা বেণুগোপাল মূর্তি।[১৭] বিষ্ণু, বাসুদেৱ, নাৰায়ণ, গোপাল আদি নামেৰে ঠায়ে ঠায়ে ভূমুকি মাৰিলেও পঞ্চদশ শতিকালৈকে অসমত কৃষ্ণ-কেন্দ্রিক ধর্মধাৰাই প্রসাৰ লাভ কৰিব পৰা নাছিল। পাঞ্চৰাত্রসম্মত ব্যৱস্থা আৰু পৌৰাণিক বিষ্ণুৰ কথাতেই বৈষ্ণৱ ধর্ম সীমাবদ্ধ আছিল। ভাগৱতৰ প্রতিপত্তি তথা শ্রেষ্ঠত্ব প্রমাণ হোৱাৰ পিছৰ পৰাহে কৃষ্ণ-কেন্দ্রিক ধর্মই অসমত প্রসাৰ লাভ কৰে। বিষ্ণুৰ শ্রেষ্ঠতা প্রমাণ কৰিছে মূলতঃ ভাগৱত শাস্ত্রই। কিন্তু অসমত ভাগৱতে একাদশ শতিকাৰ পৰা চতুর্দশ শতিকালৈকে ন্যায্য স্থান লাভ কৰা নাই। সেই সময়ৰ কবিসকলে ভাগৱত পুৰাণৰ কথা উল্লেখ কৰিছে যদিও ভাগৱত অষ্টাদশ পুৰাণৰ শাৰীতে সীমাবদ্ধ হৈ থকা গ্রন্থ, ভাগৱত পুৰাণে সূর্যৰূপে তেতিয়ালৈকে আখ্যা পোৱা নাইবা ভাগৱতৰ অনন্যতা প্রতিপাদন হোৱা নাই। সেয়ে কৃষ্ণই জনসমাজত শ্রেষ্ঠতাৰ আসন পোৱা নাছিল। চতুর্দশ শতিকাৰ পৰা ভাগৱতে মর্যাদা পোৱাৰ লগে লগে পৌৰাণিক বিষ্ণুৰ ঠাইত কৃষ্ণই প্রাধান্য লাভ কৰে আৰু কৃষ্ণ-কেন্দ্রিক ভাবধাৰা আৰম্ভ হয়। ভাগৱত চর্চা আৰু তত্ত্ব অনুধাৱনত পোনপ্রথমে শ্রীধৰস্বামীৰ টীকাই বিশেষ সহায় কৰে। অসমতো ব্যাখ্যা সম্বলিত এই ভাগৱত টীকাই উদ্বোধনী স্থান দখল কৰে। অসমত পঞ্চদশ শতিকাতহে শংকৰদেৱৰ প্রচেষ্টাত ভাগৱতৰ প্রচাৰ আৰম্ভ হয়। ভাগৱতৰ মূল ভিত্তিতেই নৱ-বৈষ্ণৱ আন্দোলনে অসমত প্রসাৰ লাভ কৰে। পঞ্চদশ শতিকাৰ শেষৰ ফালে অসমত নৱ-বৈষ্ণৱ আন্দোলন আৰম্ভ হ'লেও ভাৰতৰ আন আন ঠাইৰ তুলনাত অসমৰ বেলিকা বৈষ্ণৱ জাগৰণৰ মূল কাৰণসমূহ কিছু সুকীয়া। প্রথম অৱস্থাত 'অসম' শব্দই আহোমসকলক, পিছলৈ আহোম ৰজাৰ সৈন্যসকলক আৰু শেষলৈ আহোম ৰজাৰ শাসিত দেশক বুজাবলৈ ল'লে।[১৮] ত্রযোদশ শতিকাত আহোমসকল অসমত প্রৱেশ কৰে যদিও তাৰ আগতে অসমত কিৰাত, কছাৰী, মৰাণ, মটক, চুতীয়া, ৰাহী আদি বিভিন্ন প্রজাতীয় লোকৰ বসবাস থকাৰ ঐতিহাসিক তথ্য পোৱা যায়। আহোমসকলৰ শাসন কালত 'অসম' নামকৰণ[১৯] হ'লেও পঞ্চদশ শতিকালৈকে অসম অঞ্চল বিশেষে ক্ষুদ্র ৰজাসকলৰ শাসনৰ কৱলত আছিল। বিশেষকৈ উজনি অসমত কছাৰী, চুতীয়া আৰু আহোমসকলৰ অঞ্চলভেদে নিজা শাসন আছিল। আনহাতে নামনি অসমত কোঁচ ৰজাৰ শাসন আছিল। ৰাজ্যৰ অংশ লৈ

[১৭] উল্লিখিত, পৃঃ ৪-৫

[১৮] তীর্থনাথ শর্মা, আউনীআটী সত্রৰ বুৰঞ্জী, পৃঃ ৫

[১৯] গুৰুচৰিত কথা আৰু দৈত্যাৰি ঠাকুৰ প্রণীত গুৰুচৰিতকে ধৰি গুৰুচৰিতসমূহতো 'অসম' শব্দটো জাতিসূচক অর্থত ব্যৱহৃত হৈছে,
বাপচন্দ্র মহন্ত, যুগান্তৰত শংকৰদেৱ, পৃঃ ৭, দ্র দৈত্যাৰি ঠাকুৰ, গুৰুচৰিত, পৃঃ ২১, ২২

[২০] চন্দ্রকুমাৰ বৰুৱা, অসমৰ বৈষ্ণৱ ধর্ম আৰু আউনীআটী সত্রৰ চমু বুৰঞ্জী, পৃঃ ৩

এই চাৰি শক্তিৰ মাজত সঘনাই যুদ্ধ-বিগ্রহ চলে, যাৰ ফলত ৰাজনৈতিক অৰিযাঅৰিযে মানুহৰ সামাজিক তথা সাংস্কৃতিক জীৱন অস্থিৰ কৰি তুলিছিল। যুদ্ধ-বিগ্রহৰ হেঁচাত পৰি মানুহে প্রাণ বিনাশ আৰু সম্পত্তি হেৰুৱাৰ আশংকাত অনিশ্চয়তাৰে কাল কটাইছিল। এনে ৰাজনৈতিক ভয় আৰু আশংকাৰ লগতে ধর্ম-নীতিৰ দোদুল্যমান অৱস্থাই জনসাধাৰণৰ আধ্যাত্মিক জীৱন দিশহাৰা কৰি তুলিছিল। সেইখিনি সময়ত ধর্মৰ নামত কেইবাটাও উপ-পথৰ সৃষ্টি হৈছিল। বিবিধ পুৰাণ আৰু উপপুৰাণৰ যোগেদি প্রাধান্য লাভ কৰা দেৱ-দেৱীসমূহৰ সুকীয়া সুকীয়া পূজা-অর্চনা, তান্ত্রিকতাৰ নামত আড়ম্বৰপূর্ণ ব্যযবহুল ক্রিযাকলাপ, বিবিধ আচাৰ-নীতি, পূজাৰ উপাচাৰৰ নামত সুৰাপান, নৰবলি পর্যন্ত ক্রিযাকাণ্ড, আনহাতে চার্বাকসকলৰ নাস্তিকতাবাদ, কালবাদ, জৈনসকলৰ আর্হত দর্শন, শৈৱগণৰ প্রত্যভিজ্ঞা দর্শন আদিযে প্রভাৱ বিস্তাৰ কৰাত ধর্মমত আৰু ভক্তি মার্গৰ আদর্শ ভ্রষ্ট হৈ পৰে।[২০] ফলত সাধাৰণ মানুহ বিভ্রান্ত হৈ পৰে আৰু সামাজিক বিশৃংখলা ঘটিবলৈ লয। এনেধৰণে সংঘাত, বিভিন্ন শাসনৰ কৱলত থকা জাতি-উপজাতিৰ বাদ-বিসম্বাদ, অন্ধ-বিশ্বাস, ধর্মীয মতৰ বিভিন্ন পথ সৃষ্টি আদি ঘটনাৰে এই সমযৰ ইতিহাস পৰিপূর্ণ হৈ পৰে।[২১] এই সমযতে পঞ্চদশ শতিকাৰ মাজভাগত ১৪৪৯ খ্রীষ্টাব্দত শংকৰদেৱৰ জন্ম হয। তেওঁ অসমৰ ইতিহাসত ভক্তিধর্মৰ প্রৱর্তনৰ যোগেদি এটা নতুন যুগৰ আৰম্ভণি ঘটালে।[২২] ভাগৱতক ভিত্তি কৰি সনাতন ভাগৱতীয় বৈষ্ণৱ ধর্ম নামেৰে নামাংকিত কৰি আধ্যাত্মিক জীৱন যাপন কৰাৰ নতুন পথ মুকলি কৰিলে। গীতাৰ একশৰণ, ভাগৱতৰ সৎসংগ আৰু পদ্মপুৰাণৰ পৰা বিষ্ণুৰ সহস্র নামৰ পৰা নামমন্ত্র উলিযাই আনি শৰণ-ভজন, ভক্তি, প্রার্থনা ধর্মীয় ব্যৱস্থাত সুমুৱাই উপাসনাৰ ক্রম সজাই দিলে। উপাসনা ক্রমত গুৰু, দেৱ, নাম, ভকত এই 'চাৰি বস্তু' অন্তর্ভুক্ত কৰিলে।[২৩] শ্রৱণ-কীর্তনক মুখ্য স্বৰূপে লৈ নৱধা ভক্তিৰ মাধ্যমত শ্রীকৃষ্ণক উপাসনা কৰা অসমৰ নৱ-বৈষ্ণৱ ধর্মৰ ঘাই কথা হ'লেও আন দেৱতাসমূহক পৰম ব্রহ্মৰ অংশ বিভূতিৰূপে স্বীকাৰ কৰি সম্মান জনোৱাৰ ব্যৱস্থা আছে; কিন্তু বৈষ্ণৱ মার্গত পৃথকে দেৱ-দেৱীৰ পূজা-অর্চনা কৰা নিষেধ।

মূল ধর্মৰ লক্ষ্য আৰু উদ্দেশ্য একে হ'লেও বিবিধ সময়ত সনাতন বৈষ্ণৱ ধর্মক বিশেষ একোটি বিশেষণেৰে নামাংকন কৰি ইয়াৰ পৰিচয় দিয়া দেখা গৈছে। প্রত্যেকটো নামৰে অর্থবহ ব্যাখ্যা পোৱা যায।

---

[২০] মহেশ্বৰ নেওগ, অসমৰ ধর্ম বুৰঞ্জী : আদ্ধাৰ আৰু পোহৰ, পৃঃ ৫-২৯

[২১] মহেশ্বৰ নেওগ, উল্লিখিত, পৃঃ ৪-১৯

[২২] দ্র লক্ষ্মীনাথ বেজবৰুৱা, শ্রীশ্রীশংকৰদেৱ আৰু মাধৱদেৱ , ডিম্বেশ্বৰ নেওগ, যুগনাযক শংকৰদেৱ, মহেশ্বৰ নেওগ, শ্রীশ্রী শংকৰদেৱ, মনোৰঞ্জন শাস্ত্রী, অসমৰ বৈষ্ণৱ দর্শনৰ ৰূপৰেখা।

[২৩] বৌদ্ধ ধর্মৰ বুদ্ধ আৰু সংঘত শৰণৰ লগত তুলনীয।

সনাতন বৈষ্ণৱ ধর্ম ঃ সৃষ্টিৰ আদি পুৰুষক "একমেৱাদ্বিতীয়ম্" বুলি বর্ণনা কৰা হৈছে। এনে পৰিচযত ভগৱানে নিজৰ স্বৰূপ এনেদৰে দাঙি ধৰিছে ঃ

অহমেৱাসমেৱাগ্রে নান্যদ্ সদসৎপৰম্।
পশ্চাদহং যদেতচ্চ ২ৱশিষ্যেতসোহস্ম্যহম্।।[২৪]

ভাগৱততে পুনৰ ইয়াক কোৱা হৈছে ঃ

একত্বমাত্মা পুৰুষঃ পুৰাণঃ
সত্যঃ স্বয়ং জ্যোতিৰনন্ত আদ্যঃ
নিত্যোহক্ষৰোহজস্র সুখো নিৰঞ্জনঃ।
পূর্ণোহদ্বযো মুক্ত উপাধিতোমৃতঃ।।[২৫]

এই অবিনশ্বৰ আদি অন্তবিহীন পৰম পুৰুষকেই সনাতন ব্রহ্ম নামেৰে অভিহিত কৰা হয়। পৰম ব্রহ্মতত্ত্ব প্রতিপাদক ধর্মই সনাতন ধর্ম। এই ধর্মৰ আত্ম উপলব্ধি হ'ল,

'ভগৱান্ বাসুদেৱোহি সর্বভূতেস্বৱস্থিতঃ।
এতজ্ জ্ঞানম্হি সর্বস্য মূলম্ ধর্মস্য শাশ্বতম্।।[২৬]

হিন্দু ধর্ম ঃ সিন্ধু নদীৰ পাৰত বাস কৰা আর্যসকলে যি ধর্ম পালন কৰিছিল পিছলৈ সেযে হিন্দু ধর্ম নামেৰে পৰিচিত হ'ল। প্রকৃতার্থত আর্যসকলে সনাতন ধর্মৰেই জযগান গাইছিল। সিন্ধু শব্দৰ পৰাই হিন্দু শব্দৰ উৎপত্তি হৈছে, হিন্দু শব্দৰ পৰিচয় বিভিন্ন গ্রন্থত বিভিন্ন প্রকাৰে দিয়া হৈছে যদিও ইযাৰ মূল অর্থ একে ধৰণৰ। ইয়াৰ ভিতৰত শব্দার্থ ভিত্তিক উদ্ধৃতিসমূহ উল্লেখ কৰা হ'ল।

হিমালয়ংসমাৰভ্য যাৱদিন্দুসৰোবৰম্।
তং দেৱনির্মিতং দেশং হিন্দুস্থানং প্রচক্ষতে।।[২৭]

---

[২৪] "সৃষ্টিৰ আদিতে একমাত্র মযেই আছিলোঁ, মযেই সৃষ্টিকার্য সম্পন্ন কৰিছিলোঁ। এই বহির্জগত মোৰ লীলাক্ষেত্র। সৃষ্টিৰ শেষতো একমাত্র মযেই থাকিম।"
শ্রীমদ্ভাগৱতম্ (সং), দ্বিতীয় স্কন্ধ, নৱম অধ্যায, ৩২, সম্পা পঞ্চানন তর্কৰত্ন, পৃঃ ৮৬

[২৫] একমাত্র ভগৱানেই চিৰসত্য, স্ব-প্রকাশক, সর্বনিযন্তা আৰু চিৰ আনন্দময়। ভগৱান মায়া ৰহিত, অবিনাশী আৰু চিৰমুক্ত (ভাগৱত, ১০/১৫/২৩)।

[২৬] সকলো প্রাণীৰে অন্তৰত যি ভগৱান বাসুদেৱ আছে ইয়াক জনাই হ'ল সনাতন ধর্ম।
দ্র ধর্ম জ্যোতি, দ্বিতীয় খণ্ড, পৃঃ ৫৪
তুলনীয় ঃ বিষ্ণুময় দেখে যিটো সমস্ত জগত।
জীবন্তে মুকুত হোৱে, অচিৰ কালত।।
কীর্তন-ঘোষা, 'শ্রীকৃষ্ণ বৈকুণ্ঠ প্রয়াণ', পৃঃ ৪৫০

[২৭] হিমালয়ৰ পৰা আৰম্ভ কৰি সিন্ধু সৰোবৰলৈকে দেৱ-নির্মিত স্থানখনেই হিন্দুস্থান নামে প্রসিদ্ধ। দ্র ধর্মজ্যোতি, দ্বিতীয় স্কন্ধ, পৃঃ ১৪৫, 'বৃহস্পতি আগম', দ্র. কল্যাণ কল্পতৰু, পৃঃ ৬৭৭

হিন্দুর্দুষ্টো ন ভৱতি ন অনার্য্যো ন বিদূষকঃ।
সদ্ ধর্মপালকো বিদ্বান্ শ্রৌতধর্মপৰায়ণঃ।।[২৮]
হীনং চ দূষ্যতি হিন্দুজাতিঃ বিশেষঃ।[২৯]
হিন্দু হিন্দুশ্চসিদ্ধৌ দুষ্টানাং চ বিধর্ষণে।।[৩০]

এনে অর্থবিলাকেই হিন্দু শব্দৰ ব্যুৎপত্তিগত পৰিচয় আৰু হিন্দু ধর্মৰ স্বৰূপ দাঙি ধৰে।

বৈদিক ধর্ম : 'বিদ্' ধাতুৰ লগত 'ঘঞ্' প্রত্যয় যোগ হৈ বেদ শব্দ নিষ্পন্ন হৈছে। অর্থাৎ প্রকৃত উপলব্ধিৰে সৈতে পোৱা জ্ঞান। এই নীতিজ্ঞানসমূহ য'ত লিপিবদ্ধ হৈছে সেয়ে বেদ। বেদে নির্ধাৰণ কৰি দিয়া কর্মসমূহেই মানুহৰ পালনীয় ধর্ম।[৩১] বেদোক্ত কর্মসমূহ পালন কৰিলে ভগৱান সন্তুষ্ট হয় আৰু মানৱৰ পৰমপদ প্রাপ্তি ঘটে। বেদোক্ত কর্মসমূহে মানৱৰ চিত্ত সংস্কাৰ আৰু শোধন কৰে, মানসিক প্রশান্তি আনে। সেয়ে বেদ-বিহিত[৩২] কর্মৰ ওপৰত গুৰুত্ব দিয়া হেতুকেই বেদৰ দ্বাৰা পৰিচালিত হোৱা ধর্মক বৈদিক ধর্ম বোলা হয়।

ভাগৱতী বৈষ্ণৱ ধর্ম : ভাগৱতীয় বৈষ্ণৱ ধর্মৰ ব্যুৎপত্তিগত পৰিচয় ভাগৱত শব্দৰ আক্ষৰিক অর্থই প্রদান কৰে।

ভাতীতি সর্বলোকেষু গীয়তে সনকাদিভিঃ।
ৱর্ততে ত্রিষু ৱেদেষু ত্রায়তে সকলং জগৎ।।[৩৩]

---

[২৮] যিসকল লোক অসৎ, অনার্য আৰু অনাচাৰী নহয়, যিসকল সৎ ধর্ম পালক আৰু যিসকল লোক বেদ স্মৃতি শ্রাদ্ধাদি পৰায়ণ সেই সকলেই হিন্দু।
ৱামকোষ, দ্র ধর্মজ্যোতি, পৃঃ ১৪৫

[২৯] হীনতাৰ দোষ নথকা এক সমাজ বিশেষেই হিন্দু।
শব্দকল্পদ্রুম, পৃঃ ৫৮৫৮

[৩০] দুষ্টক দমন কৰা লোকেই হিন্দু।
অদ্ভুত কোষ দ্র পূর্বোল্লিখিত, পৃঃ ১৪৫, মেৰুতন্ত্র, দ্র কল্যাণ কল্পতৰু, পৃঃ ৬৭৬

[৩১] বেদ প্রণিহিতো ধর্মো, শ্রীমদ্ভাগৱতম্ ষষ্ঠ স্কন্ধ, প্রথ্য অধ্যায, শ্লোক ৪০

[৩২] বেদে যাক বিহি আছে তাক বুলি কর্ম।
বেদে যাক নিষেধিলে সেহিতো অকর্ম।।
যাক বেদ বোলে সিটো ঈশ্বৰ সাক্ষাত।
ঘাতো ঈশ্বৰত হস্তে হৈয়া আছে জাত।।
শংকৰদেৱ, নিমিনৰসিদ্ধ সম্বাদ, পৃঃ ৪৭

[৩৩] 'ভা' শব্দৰ অর্থ পোহৰ, 'গ' শব্দৰ অর্থ গোৱা, 'ত' শব্দৰ অর্থ বর্তি থকা, 'ত' শব্দৰ অর্থ ত্রাণ কৰা। যি শাস্ত্রই সকলো লোকতে পোহৰ বিলায়, যি শাস্ত্র সনকাদি সন্তসকলে গাইছিল, তিনি বেদৰ তত্ব যি শাস্ত্রত নিহিত হৈ আছে আৰু যি শাস্ত্রই সকলোকে ৰক্ষা কৰে, সেয়ে ভাগৱত। (অৱশ্যে এই ব্যাখ্যা লোক-শিক্ষার্থে পৰৱর্তী কালত তৈয়াৰ কৰি লোৱা।) দ্র ধর্মজ্যোতি, পৃঃ ২৪।

এই ভাগৱত প্রত্যক্ষ কৃষ্ণ স্ৱৰূপ। বিষ্ণু-ভক্ত গৱাকীৰ ক্ষেত্রত কৃষ্ণতত্ত্ব বা ভাগৱত তত্ত্ব মূল আশ্রয়। সেয়ে এই ধর্মই ভাগৱতীয় বৈষ্ণৱ ধর্ম নামেৰে পৰিচয় লাভ কৰে। ভক্তি ৰত্নাৱলীত এই ভাগৱত ধর্মৰ প্রকৃত স্ৱৰূপ আৰু ইয়াৰ পালনীয় ৰীতিৰ ব্যাখ্যা দাঙি ধৰিছে ঃ

তপ জপ যজ্ঞ ব্রত সদাচাৰ।
ধন জন গৃহ পুত্র ভার্য্যা আপোনাৰ।।
সমস্তকে শুদ্ধভাৱে অর্পিব কৃষ্ণত।
ইহাক বোলয মহাধর্ম ভাগৱত।।[৩৪]

মহাপুৰুষীয়া ধর্ম ঃ সনাতন ভাগৱতী বৈষ্ণৱ ধর্মক মহাপুৰুষীয়া ধর্ম বুলি কোৱা হয। সনাতন পৰমব্রহ্মক মহাপুৰুষ[৩৫] শব্দৰে পৰিচয় দিয়া হেতু মহাপুৰুষৰ তত্ত্ব প্রচাৰক ধর্মই মহাপুৰুষীয়া ধর্ম নাম পায়। আনহাতে মহাপুৰুষ শংকৰদেৱে যি ধর্ম অসমত প্রচাৰ কৰিছিল, মহাপুৰুষে প্রচাৰ কৰা অর্থতো এই ধর্মক মহাপুৰুষীয়া ধর্ম বুলি অসমত পৰিচয় দিয়া হয়। সাধাৰণ পুৰুষৰ ঊর্ধ্বত সাধ্যকর্মৰ অতীত হোৱাকে মহাপুৰুষ লক্ষণযুক্ত গুণৱান পুৰুষে যি কৰি থৈ যায তেনে কর্মৰ ভিত্তিতেই সেই পুৰুষক মহাপুৰুষ আখ্যা দিয়া হয।[৩৬]

ভগৱদ্ভক্তিত দাসোঽহং এই ভাব অৱলম্বন কৰা ভক্তজনৰ বাবে প্রয়োজনীয় কথা। ধর্মতত্ত্ব লাভৰ ক্ষেত্রত আৰু সৎ সংগৰ অত্যাৱশ্যকতা দেখুওৱা হৈছে। "সকল ভূতক দেখিবাহা আত্মাসম" এই ভাবেৰে অন্তৰ হিংসা ভাব শূন্য কৰি, দয়া আৰু প্রেমক অন্তৰত ঠাই দি জীৱন যাপন কৰাৰ নির্দেশ এই ধর্মই দিছে। এই ধর্মত নাম-কীর্তনৰ যোগেদি

---

[৩৪] ভক্তি ৰত্নাৱলী, পদ ১৮৪, ১৮৫ পৃঃ ৪১

[৩৫] (ক) ধ্যেযং সদ্য পৰিভৱঘ্নমভীষ্টদোহং।
তীর্থাস্পদং শিৱ বিৰিঞ্চিনুতং শৰণ্যম্।।
ভৃত্যার্ত্তিহং প্রণতপালভৱাব্ধিপোতং।
বন্দে মহাপুৰুষ তে চৰণাৱবিন্দম্।।
ভাগৱত, একাদশ স্কন্ধ, অধ্যায ৫, শ্লোক ৩৩
(খ) মহাপৌৰুষিক শব্দৰ পৰা মহাপুৰুষ শব্দ ওলাইছে ঃ
যদ্বাহু দণ্ড গুপ্তাযাং স্বপুর্য্যাং যদবোঽ র্চিতাঃ।
ক্রীড়ন্তি পৰমানন্দং মহাপৌৰুষিকা ইৱ।।
ভাগৱত, প্রথম স্কন্ধ, চতুর্দশ অধ্যায়, শ্লোক ৩৬
(গ) মহাপুৰুষো বিষ্ণুস্তদীয়ঃ।
শ্রীধৰ স্বামী, ব্যাখ্যা ভাগৱত, দ্বিতীয় স্কন্ধ, প্রথম অধ্যায়, শ্লোক ১০, পৃঃ ৫৯
(ঘ) মহাপুৰুষৰ সেৱক তুমি সম্প্রতি, নামঘোষা ৬৪৮, পৃঃ ৩৯২

[৩৬] এনে আর্হিৰ প্রকৃষ্ট নিদর্শন শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ আদি।

সামূহিক উপাসনা কৰাৰ ব্যৱস্থা আছে। ব্রাহ্মণৰ পৰা চণ্ডাললৈকে সকলোৱে ভক্তি ধর্ম গ্রহণ কৰিব পাৰে। ভক্তি ধর্ম গ্রহণৰ ক্ষেত্রত পাত্রাপাত্রৰ বিচাৰ নাথাকে।[৩৭] এনে সার্বজনীন মতাদর্শত অনুপ্রাণিত হৈ সমাজৰ নিম্ন শ্রেণীৰ লোকসকলে নৱ-বৈষ্ণৱ ধর্ম গ্রহণ কৰিলে।[৩৮] বৈষ্ণৱ ধর্মই সমাজৰ সকলো লোকৰে আত্ম-মর্যাদা প্রতিষ্ঠা কৰিলে। ফলত পৰম্পৰাগতভাৱে অসমত বসবাস কৰি অহা ব্রাহ্মণ, কলিতা, কোঁচ, ৰাভাহী, কছাৰী, চুতীয়া, আহোম, মৰাণ আদি বিভিন্ন সম্প্রদায় আৰু ধনী-দুখীয়া, উচ্চ-নীচ ভেদে সমাজৰ সকলো শ্রেণীৰ লোকৰ বাবে এই ধর্মই সম অধিকাৰৰ দুৱাৰ মুকলি কৰি দিলে। নৱ-বৈষ্ণৱ ধর্মই বিভিন্ন উপপথ মিলাই এক ঘাই পথ ৰচনা কৰি অখণ্ড অসমীয়া সমাজ গঠন কৰিলে। ধর্মীয় মত তথা আদর্শ, ৰীতি-নীতিসমূহ জনসাধাৰণৰ মাজত প্রচাৰ কৰিবৰ কাৰণে শংকৰদেৱে অসমত সত্র-সভা, নামঘৰ প্রতিষ্ঠা কৰিলে। লগতে ভাওনা, নৃত্য-গীত আদি কলাসমূহৰ প্রচলন ঘটাই নতুন সাংস্কৃতিক জাগৰণ সৃষ্টি কৰিলে। সহজ-সৰল জনতাই গাব পৰাকৈ অসমীয়া ভাষাত নাটক, গীত-পদ, কাব্য ৰচনা কৰিলে।[৩৯] সংস্কৃতত থকা তত্ত্বপূর্ণ দুর্বোধ্য কথাবোৰ অসমীয়াত ৰচনা কৰা সাহিত্যৰাজিত কৌশলেৰে সুমুৱাই দিলে। অতি সহজভাৱে জনসাধাৰণে যেতিয়া এইবিলাক গাব পৰা হ'ল, প্রকৃত উপলব্ধি কৰিব পৰা হ'ল, তেতিয়া সমাজৰ সকলো লোকেই ইযাৰ ধাৰাবাহিক চর্চা আৰু অনুশীলন আৰম্ভ কৰিলে। গোটেই অসমত ইযাৰ সুদূৰপ্রসাৰী প্রভাৱ পৰিল। শংকৰদেৱৰ এই প্রচেষ্টাক সক্রিযভাৱে সঁহাৰি জনালে দামোদৰদেৱ, মাধৱদেৱ, গোপালদেৱ, হৰিদেৱ, গোপাল আতা, ভট্টদেৱ আদি সন্তসকলে। ধর্ম প্রচাৰৰ ক্ষেত্রত শংকৰদেৱ, দামোদৰদেৱ আৰু হৰিদেৱে নিজ নিজ সন্তসকলক ভাগে ভাগে নিযোগ কৰিলে। এই কার্যত আগভাগ লৈ দামোদৰদেৱ আৰু মাধৱদেৱে নামনি অসমত কেইবাখনিও সত্র অনুষ্ঠান পাতি বৈষ্ণৱ ধর্ম প্রচাৰৰ ব্যৱস্থা কৰিলে। তাৰ ভিতৰত নামনি অসমত পাটবাউসী আৰু বৰপেটা সত্র কেন্দ্রস্থানৰূপে পৰিগণিত হ'ল। এই সত্র দুখনিৰ পৰা উত্তৰোত্তৰভাৱে কেইবাজনো ধর্মাচার্যৰ সৃষ্টি হ'ল আৰু সত্র-সভাৰ বিকাশ ঘটিল। নামনি অসমৰ দৰে উজনি অসমত বৈষ্ণৱ ধর্মৰ প্রচাৰ অতি সহজ হৈ উঠা নাছিল। বহুতো সমস্যাৰ মাজত দামোদৰদেৱৰ প্রিয় শিষ্য বংশীগোপালদেৱৰ একক প্রচেষ্টাত পোন প্রথমে উজনি অসমত ধর্ম প্রচাৰ সম্ভৱ হৈ উঠিছিল। পিছলৈ

---

[৩৭] তুলনীয় : ব্রাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যেন দৃষ্টি একতুল।।
শ্রীমদ্ভাগৱত, শংকৰদেৱ, একাদশ স্কন্ধ, পদ ১৭৭২৯, পৃঃ ১৩৪৫

[৩৮] সত্যেন্দ্রনাথ শর্মা, অসমীয়া সাহিত্যৰ ইতিবৃত্ত, পৃঃ

[৩৯] তীর্থনাথ শর্মা, আউনীআটী সত্রৰ বুৰঞ্জী, পৃঃ ৭৫

গোপালদেৱৰ সহযোগী হৰিদেৱৰ প্রধান শিষ্য যদুমণিদেৱে এই অঞ্চলত ধর্ম প্রচাৰৰ ক্ষেত্রত আত্মনিয়োগ কৰিছিল। এইদৰে শংকৰদেৱ, মাধৱদেৱ, হৰিদেৱ আৰু দামোদৰদেৱৰ আশাসুধীযা প্রচেষ্টাত আৰু তেওঁলোকৰ আজ্ঞা লৈ ধর্মাচার্যসকলে উজনি-নামনি সমগ্র অসমত সত্র-সভা প্রতিষ্ঠাৰে বৈষ্ণৱ ধর্ম প্রচাৰ আৰু ইযাৰ সংৰক্ষণৰ বাবে যি অভিযান চলালে সি সফল হৈ উঠিল। তাৰ লগে লগে পৰিশীলিত ৰূপত সমৃদ্ধিশালী হৈ উঠিল অসমৰ সাংস্কৃতিক জীৱনৰ কেউটা দিশ।

দ্বিতীয় অধ্যায়

আনুষ্ঠানিক পটভূমি

১. সত্র অনুষ্ঠানৰ প্ৰতিষ্ঠা আৰু বিকাশ

অসমৰ জাতীয় জীৱনৰ অপৰিহাৰ্য অংগ সত্ৰ। 'সত্ৰ' শব্দৰ আভিধানিক অৰ্থ হ'ল অধিৱেশন, হোম-যজ্ঞানুষ্ঠান, নিবাসস্থান। অসমত সত্ৰ শব্দটো বৈষ্ণৱ ধৰ্ম পালনাৰ্থে আৰু প্ৰচাৰাৰ্থে গুৰু-শিষ্য সমন্বিতে থকা কেন্দ্ৰ অৰ্থত ব্যৱহৃত হৈছে। সত্ৰ অনুষ্ঠানৰ উৎপত্তি প্ৰথমতে কেতিয়া ক'ত আৰম্ভ হৈছিল তাৰ আঁত বিচাৰি চালে পোৱা যায নৈমিষাৰণ্যত সমৱেত হোৱা ঋষিসকলৰ আনুষ্ঠানিক পৰিৱেশৰ কথা। বিষ্ণুক্ষেত্ৰ নৈমিষাৰণ্যত শৌনকাদি ঋষিসকলে স্বৰ্গ প্ৰাপ্তিৰ কাৰণে সহস্ৰ বছৰ দিন ধৰি যি অনুষ্ঠান পাতি আছিল সেয়ে সত্ৰ।[১] নৈমিষাৰণ্যৰ সম্পৰ্কত কিছু ইতিহাসমূলক তথ্য আছে। শ্ৰীধৰস্বামীযে ভাগৱতৰ প্ৰথম স্কন্ধৰ চতুৰ্থ শ্লোকৰ ভাঙনিত কৈছে ব্ৰহ্মাই সৃষ্টি কৰা মনোচক্ৰৰ ধাৰ য'ত থমকি ৰৈছিল, য'ত নিমিষতে ভগৱান কৃষ্ণই অসংখ্য অসুৰ বধ কৰিছিল সেই স্থানকেই কোৱা হৈছিল নৈমিষাৰণ্য।[২]

ধৰ্ম পুৰাণত এই নৈমিষাৰণ্যৰ আন এটি ব্যাখ্যা আছে। ধৰ্ম পুৰাণৰ আখ্যান অনুসৰি কলিৰ অশুভ প্ৰভাৱৰ পৰা আৰ্ত ঋষিসকলক ৰক্ষা কৰিবলৈ নিমিষতে ব্ৰহ্মাই নিজৰ চকুৰ পৰা বিষ্ণু সদৃশ পুৰুষ নিমিষদেৱক জন্ম দিলে আৰু ঋষিসকলক তেওঁক অনুসৰণ কৰিবলৈ ক'লে। য'ত নিমিষদেৱ অন্তৰ্ধান হ'ব তাতেই ঋষিসকলে যজ্ঞাদি কৰ্ম সমাপন

নৈমিশেনিমিষক্ষেত্ৰে ঋষযঃ শৌনকাদয়ঃ।
সত্ৰং স্বৰ্গায লোকায সহস্ৰ সমমাসত।।
শ্ৰীমদ্ভাগৱতম্ (সং), প্ৰথম স্কন্ধ, প্ৰথম অধ্যায, শ্লোক ৪, পৃঃ ২

শংকৰদেৱে ভাগৱতৰ প্ৰথম স্কন্ধত নৈমিষাৰণ্যত হোৱা ভাগৱত-চৰ্চাৰ বিৱৰণ দিছে, ১/৫ উল্লিখিত, পৃঃ ২-৩

কৰি কলিৰ দোষ খণ্ডন কৰিব পাৰিব। এনে নির্দেশ হোৱাৰ পিছত প্রকৃতার্থত কার্যৰ প্রতিফলন ঘটিল। এনেকৈ অৰণ্যৰ মাজত য'ত নিমিষদেৱ অন্তর্হিত হ'ল সেয়ে নৈমিষাৰণ্য নামে প্রখ্যাত হ'ল।[৩] এই কাহিনীৰ আঁৰত লোক-জীৱনৰ পৰা দূৰত প্রকৃতিৰ নির্জন ঠাইত, য'ত সামাজিক জীৱনৰ লোভ, মোহ, মদ, মাৎসর্য আদি নাপাযগৈ, তাত সমৱেত হৈ ঈশোপাসনা বা ঈশচর্চা কৰাৰ ইংগিত নিহিত হৈ আছে। এই নৈমিষাৰণ্যতে ২৮ হেজাৰ ঋষিযে একেলগে সমৱেত হৈ যজ্ঞাদি অনুষ্ঠান সম্পন্ন কৰিছিল আৰু ভাগৱত পুৰাণ আদি কথা শ্রৱণ কৰিছিল।[৪] সত্র শব্দই যে ভাগৱতৰ আলোচনাচক্রৰ কথা বুজাইছিল তাৰ ইংগিত অনন্ত কন্দলিৰ ভাগৱতৰ দশম স্কন্ধ অনুবাদত পোৱা যায়। নৈমিষাৰণ্যত একেটা পৰিৱেশত দুটা কার্য সম্পন্ন হোৱা হেতু কার্য অনুসৰি সেই অনুষ্ঠানক পৃথক পৃথক নামেৰে পৰিচয় দিব পাৰি। প্রথম হ'ল কর্মসত্র, দ্বিতীয়টো হ'ল ব্রহ্মসত্র। কর্মমুখী ব্যৱস্থাৰ যজ্ঞাদি কার্য সম্পন্ন কৰা হেতু সেই অনুষ্ঠানৰ কর্মসত্র আনহাতে য'ত ব্রহ্মত আলোচনা বা মীমাংসা হয, সেযে হৈছে ব্রহ্মসত্র। নৈমিষাৰণ্যত শৌনক আদি ঋষিসকলে যজ্ঞাদি কার্য সম্পন্ন কৰি কর্মসত্র আৰু ভাগৱত কথা আলোচনাৰে ব্রহ্মসত্রৰ নিদর্শন দাঙি ধৰিছে।[৫] কর্মসত্র আৰু ব্রহ্মসত্রৰ পৰিৱেশ সৃষ্টি হওঁতে তুলনামূলকভাৱে কর্মসত্র আগতে হোৱা বুলি অনুমান কৰিব পাৰি। আনহাতে সংস্কৃত শব্দই যজ্ঞৰ অর্থ প্রকাশ কৰে। লগতে অন্ন-জলাদি বিতৰণৰ স্থান বুলিও পৰিচয দিয়ে।[৬] যজ্ঞৰ সময় বিভাগ তিনি ধৰণৰ ঃ একাহ যজ্ঞ, অহীন যজ্ঞ, সত্র যজ্ঞ। নৈমিষাৰণ্যৰ ঋষিসকলৰ যজ্ঞ আছিল সত্র যজ্ঞ। যজুর্বেদ সংহিতাত 'সত্রৰাট্' শব্দটোৰ প্রযোগ আছে। এই সত্রৰাট্ শব্দটোৱে সকলো শুভ কার্যত বিৰাজ কৰি থকা ভগৱানক বুজাইছে। সত্র শব্দটোৰ

বৃহদ্ধর্মপুৰাণম্, পৃঃ ৫৪, ৫৫

আঠাইশ সহস্র ঋষি বেদত প্রধান।
বিষ্ণুৰ নৈমিষ ক্ষেত্র মহাপুণ্য স্থান।।
মান্য কৰি সূতক পাতিলা সত্র তথা।
শৌনক প্রমুখে শুনে ভাগৱত কথা।

শংকৰদেৱ, শ্রীমদ্ভাগৱত, প্রথম স্কন্ধ, প্রথম অধ্যায, পদ ৫

(ক) শংকৰদেৱ, ভাগৱত, প্রথমস্কন্ধ, প্রথম অধ্যায পদ৫, পৃঃ ১,২

(খ) যি অনন্ত কন্দলি, ভাগৱত, দশম স্কন্ধ, পদ ১৬২০৫, ১৬২০৬, পৃঃ ১২২৯

(ক) সত্র (তুঃ অন্ন সত্র, জল সত্র) সতোন্দ্র নাথ শর্মা "সত্রৰ ইতিহাস আৰু অৱদান", অসম গৌৰৱ, পৃঃ ২১৫

(খ) যি যজ্ঞ এদিনৰ ভিতৰত অনুষ্ঠিত হয তাক কোৱা হয একাহ যজ্ঞ। যি যজ্ঞ ১২ দিনৰ ভিতৰত শেষ হয় সেই যজ্ঞ অহীন যজ্ঞ। আনহাতে ১২ দিনতকৈ অধিক অনির্দিষ্ট কাললৈ যি যজ্ঞ চলি থাকে তেনে যজ্ঞক কোৱা হয সত্র যজ্ঞ। উল্লিখিত, পৃঃ ২১৫

পৰৱর্তী অর্থ বিস্তাৰ ইযাৰ পৰাও হ'ব পাৰে।[৭] সত্রৰ আন এক অর্থ হ'ল ধর্ম। শৰণ আদি আধ্যাত্মিক শিক্ষা দিয়া কার্যক বুজোৱা হয়। শংকৰদেৱে ব্রাহ্মণক পোনপটীযাকৈ শৰণ নিজে নিদি ব্রাহ্মণৰ দ্বাৰা দিয়া কার্যত সত্র[৮] শব্দ ব্যৱহাৰ কৰা দেখা যায়। গতিকে দেখা গ'ল যে সত্র শব্দই বিভিন্ন অর্থ প্রকাশ কৰিলেও মূলতঃ ধর্ম বা ভগৱৎ-তত্ত্ব আলোচনা আৰু যজ্ঞাদি কর্ম সমাপনেই সত্রৰ পূর্বৰ স্বৰূপ নির্ণয কৰে। ভগৱৎ-তত্ত্বৰ আলোচনাত ভাগৱতে মুখ্য স্থান দখল কৰিছিল। ভাগৱত শ্রৱণ কৰিযেই মৃত্যুৰ ক্ষণ গণি থকা পৰীক্ষিতে মুক্তি লাভ কৰা আৰু নৈমিষাৰণ্যৰ ঋষিসকলে ভাগৱত শ্রৱণ কৰি ঐহিক, পাৰলৌকিক জীৱন সার্থক কৰাৰ কাহিনীযে তাৰে ইংগিত বহন কৰে। এনে নিদর্শনসমূহ আগত বাখি ভগৱৎ-উপাসনা তথা ভাগৱত-আলোচনাত গুৰুত্ব দি সত্র শব্দৰ লাক্ষণিক অর্থতেই শংকৰদেৱে অসমত সত্রানুষ্ঠানৰ বীজ ৰোপণ কৰে। কিন্তু এইখিনিতে উল্লেখনীয় বিষয হ'ল যে নৈমিষাৰণ্যৰ আর্হিত শংকৰদেৱে অসমত সত্রানুষ্ঠান প্রতিষ্ঠা কৰিলেও, সত্র শব্দৰ প্রযোগ বহুলভাৱে হোৱা নাছিল। সত্র শব্দৰ ঠাইত কীর্তন ঘৰ, হৰিগৃহ, থান আদি শব্দৰহে ব্যাপক প্রচলন আছিল। কাৰণ সত্রৰ মুখ্য কার্য চলোৱা স্থান হৰিগৃহ, কীর্তন ঘৰ হোৱা কাৰণে তাৰ ওপৰতহে অধিক গুৰুত্ব দিযা হৈছিল। সেই আর্হিত প্রতিষ্ঠিত হোৱা বৰদোৱা থান, বৰপেটা কীর্তন ঘৰ নামেৰেহে অধিক পৰিচিত। আলি পুখুৰীত নিজান ঠাইত সৰিযহতলীত হৰি কীর্তন কৰি, কৃষ্ণ-কথা চর্চা কৰিবৰ বাবে শংকৰদেৱে চাৰিহাটী কৰি হৰিগৃহ বন্ধা কথা গুৰু চৰিতত উল্লেখ আছে।[৯] এযে সত্রৰ প্রাক্ আর্হি হ'লেও ইযাত সত্র শব্দৰ ঠাইত হৰিগৃহ শব্দহে উল্লেখ কৰা হৈছে। ভূষণ দ্বিজে তেওঁৰ চৰিত পুথিত সত্র গৃহ শংকৰদেৱে নির্মাণ কৰাৰ কথা উল্লেখ কৰিছে যদিও শংকৰদেবে নিজে প্রযোগ কৰা শব্দটো দেৱগৃহহে আছিল তাৰ স্পষ্ট উল্লেখ চৰিত পুথিত আছে।[১০] সত্র অনুষ্ঠানৰ মূল স্বৰূপ নির্ণয় কৰি সত্র

যজুর্বেদ সংহিতা, সম্পা দুর্গাদাস লাহিড়ী শর্মা, প্রথম অধ্যায, শ্লোক ২৪

শূদ্রে ব্রাহ্মণক সত্র দিবাক নাপায।

এতেকেসে শিক্ষা দিযাবোহো অনা ঠাই।।

নীলকণ্ঠ দাস, শ্রীশ্রী দেৱদামোদৰ চৰিত্র, পদ ২৭২ (চৰিত্রপুথিখনিত কোনো ঠাইত দেৱ দামোদৰ আৰু কোনো ঠাইত দামোদৰ দেৱৰ চৰিত্র বুলি উল্লেখ আছে।)

গুৰু চৰিত কথা, সম্পা মহেশ্বৰ নেওগ, পৃঃ ২৯

শঙ্কৰে বোলন্ত ভাই শুনিযোক ৰাম বাই
দেৱগৃহ সাজিযো যতনে।।
হেন কথা শুনিলন্ত সত্র গৃহ সজাইলন্ত
ৰামৰাই মহাৰঙ্গমনে।।

ভূষণ দ্বিজ, শ্রীশ্রীশংকৰদেৱ, পদ ১৫৭, পৃঃ ৩৬

শব্দৰ পূর্ণ ব্যাখ্যা প্রথম বাৰৰ বাবে শৰণ মালিকাত ভট্টদেৱে দাঙি ধৰিছে ঃ

যত্রাচৰন্তি সদ্ধর্মান্ কেৱলা ভগৱৎপ্রিযাঃ।
নৱধা ভগৱদ্ভক্তিঃ প্রত্যাহং যত্র বিদ্যতে।।
তৎ সত্রং উত্তমং ক্ষেত্রং বৈষ্ণৱং সুৰৱন্দিতং।
তত্রস্থা বৈষ্ণৱাঃ সর্বে হৰিনামপৰাযণা।।[১১]

প্রাথমিক পর্যাযৰ এযে সত্রৰ মুখ্য কর্তব্য, তাৰ স্বৰূপ পৰম্পৰাগতভাৱে এনেদৰে চলি আহিছে ঃ

বহু সন্ত সাধু ভকত গোসাঁই সহিত।
ধর্মৰ প্রসঙ্গ কৰি থাকয তহিত।।
বিষযী হোৱে বা যদি উদাসীন হয।
জীৱক শৰণ দিয়ে তাকে সত্র কয।।[১২]

অসমত সত্রৰ স্বৰূপ প্রথমতে এনেদৰে নির্ধাৰণ কৰা হ'লেও সত্রানুষ্ঠানৰ স্বৰূপ তথা কর্তব্য কেৱল সিমানতেই সীমাবদ্ধ নাথাকিল। নৱধা ভক্তিৰে ধর্মৰ প্রসংগ কৰা আৰু জীৱক তৰণৰ পথ দেখুওৱাৰ লগতে সাহিত্য, সংগীত, নৃত্য, নাট্য, স্থাপত্য, ভাস্কর্য কলাসমূহৰ চর্চা আৰু অনুশীলন সত্রত সংযোজিত হ'ল। আনহাতে নামঘৰ, মণিকূট, গুৰুগৃহ, ভকতৰ হাটী, ভঁৰাল ঘৰ, অতিথিশালা, কৰাপাট আদি নির্মাণেৰে সত্রৰ আকাৰ বর্ধন কৰা হ'ল। এনে পূর্ণ পর্যাযৰ সত্র সৃষ্টিত দামোদৰদেৱ আৰু মাধৱদেৱে অগ্রণী ভূমিকা গ্রহণ কৰিলে। দামোদৰদেৱৰ দ্বাৰা স্থাপিত পাটবাউসীতে প্রথমে পূর্ণ পর্যাযৰ সত্রৰ আর্হি পোৱা যায। ৰামৰাযে দিয়া ভূমিতেই দামোদৰদেৱে সত্র আৰম্ভ কৰে। যি সত্রৰ আর্হি দেখি শংকৰদেৱে অতি সন্তোষ লাভ কৰিছিল।[১৩]

সত্রৰ এনে পৰিৱেশত মুগ্ধ হৈয়ে শংকৰদেৱে মাধৱদেৱক তেনে পর্যাযৰ সত্র

---

১১ "য'ত ভগৱৎ প্রিযসকলে সৎ ধর্ম আচৰণ কৰে, য'ত নৱধা ভক্তি অনবৰতে নিগৰিত হৈ থাকে, সেই উত্তম ক্ষেত্র সত্রত বৈষ্ণৱ আৰু দেৱতাসকল বন্দনীয হয। সেই স্থানৰ বৈষ্ণৱসকল সদায পৰিনাম পৰাযণ হৈ থাকে।"
ভট্টদেৱ, শৰণ মালিকা, দ্র আউনীআটী সত্রৰ বুৰঞ্জী, পৃঃ ৩৬৭ (বুৰঞ্জীখনত শৰণ মালিকাৰ ঠাইত শৰণ সংহিতা হৈ আছে।) বিদ্যতে শব্দৰ ঠাইত কোনো কোনো লোকে 'বর্ত্ততে' শব্দ ব্যৱহাৰ কৰিছে।

১২ পৰম্পৰাগত সত্রৰ প্রাথমিক ব্যাখ্যা।

১৩ সত্র বান্ধিবাৰ পাছে মাটি দেখিলন্ত।
দামোদৰে সেহি সত্র বান্ধিলন্ত।।
শঙ্কৰেয়ো দেখি বৰ আনন্দ লভিলা।
ৰামৰায, গুৰুলীলা, পদ ২১২, পৃঃ ৩৯

প্রতিষ্ঠা কৰিবলৈ আদেশ দিছিল[১৪] আৰু মাধৱদেৱে সুন্দৰীদিয়াত সেই আদেশ অনুসাৰে সত্র নির্মাণ কৰিলে। ইয়াৰ উপৰিও যিখিনি সময়ত দামোদৰদেৱে পূর্ণ পর্যায়ৰ সত্র পাতি সত্রীয়া পৰিৱেশৰ মাজত বিভিন্ন লোকক শৰণ-ভজন দি ভক্তি ধর্মৰ বিস্তাৰ ঘটাইছিল, সেই সময়ত মাধৱদেৱে শান্ত সমাহিত চিত্তেৰে ধর্ম-তত্ত্ব আলোচনাত মনোনিৱেশ কৰি থকা দেখি নাৰায়ণ ঠাকুৰেও মাধৱদেৱক দামোদৰদেৱৰ কার্য আৰু সত্রীয়া পৰিৱেশৰ কথা সোঁৱৰাই তেনে কার্যৰ প্রতি প্রকাৰান্তৰে মন দিবলৈ উদ্‌গণি দিছিল।[১৫] মাধৱদেৱে প্রথমতে গুৰুৰ বাক্যৰ কথা নাৰায়ণ ঠাকুৰক সোঁৱৰাই অস্বীকাৰ কৰিছিল যদিও পিছত লোক-সমাজৰ আস্থাৰ প্রতি লক্ষ্য ৰাখি নাৰায়ণ ঠাকুৰৰ সৈতে আলোচনা কৰি সত্রীয়া পৰিৱেশ ৰচনা কৰিলে।[১৬] উদ্ধৃত আলোচনাৰ দ্বাৰা এই কথা প্রমাণ কৰিব পাৰি যে প্রণালীবদ্ধ সু-সংবদ্ধ সত্র নির্মাণৰ ক্ষেত্রত তথা সত্রৰ স্বকীয় স্বৰূপ পৰিচয় প্রদানত দামোদৰদেৱৰ অগ্রণী আছিল। এই আর্হিত মাধৱদেৱে ইয়াৰ বিস্তৃত প্রযোগ ঘটালে। পূর্ণ ৰূপ প্রাপ্ত পাটবাউসীৰ আর্হিত বেহাৰৰ তৰুৱাঢাপত দামোদৰদেৱে যি সত্র নির্মাণ কৰিছিল সেই সত্রই সত্রৰ মূল পৰিৱেশ আৰু নির্মাণ প্রক্রিয়াৰ স্পষ্ট পৰিচয় দিয়ে। দামোৱদেৱে যেতিয়া ৰজাৰ আদেশ পাই পাটবাউসী এৰি বিজয নগৰলৈ যাত্রা কৰিছিল, তেতিয়া ৰজাৰ পৃষ্ঠপোষকতাত এই সত্র নির্মাণ কৰাৰ কথা ৰামৰায়ে গুৰুলীলাত উল্লেখ কৰিছে।[১৭] এনে আলোচনাৰ পৰা এই কথাও প্রমাণ হ'ল যে পৰৱর্তী কালৰ সত্রীয়া পৰিৱেশ দামোদৰদেৱ, মাধৱদেৱৰ হাতত গঢ লৈ উঠিলেও উদ্দেশ্যধর্মী সত্র প্রথম সৃষ্টি কৰোঁতা শংকৰদেৱ। চৰিত পুথিসমূহৰ যোগেদি শংকৰদেৱে বিভিন্ন ঠাইত নিজে সত্রীয়া আর্হি প্রতিষ্ঠা কৰি থৈ যোৱাৰ কথা

---

[১৪] শুনা কথা আতপৰে পাছে দেৱ দামোদৰে
যেন মতে সত্রত নির্মিলা।
পাটবাউসী নামে থান সাক্ষাতে বৈকুণ্ঠ যেন
দিব্য এক মন্দিৰ বান্ধিলা।।
এক দিনা শ্রীশঙ্কৰে মাধৱে যে দামোদৰে
একথানে তিনিও বসিলা।
শঙ্কৰে বুলিলা চাই শুনা বঢাৰ পো
কৰা সত্র সুন্দৰী দিযাত।।
নীলকণ্ঠ দাস শ্রীশ্রী দেৱদামোদৰ চৰিত্র, পদ ৩৩১, ৩৩২, পৃঃ ৮৬, ৮৭

[১৫] ৰামচৰণ ঠাকুৰ, গুৰুচৰিত্র, পদ ৪০৩১, ৪০৩৪, পৃঃ ৮৭৪

[১৬] উল্লিখিত, পদ ৪০৩৯, ৪০৪০, পৃঃ ৮৭৫

[১৭] ৰামৰায গুৰুলীলা, পদ ৬৯০-৬৯২, পৃঃ ১৩৭, ১৩৮

পোৱা যায়। ইয়াৰ ভিতৰত বৰদোৱাত[১৮] প্রথমতে সত্র স্থাপন কৰাৰ কথা উল্লেখ কৰি অহা হৈছে। ইয়াৰ ভিতৰত আহোম ৰজাৰ ৰোষত পৰি যেতিয়া ব্রহ্মপুত্রৰ উত্তৰ পাৰলৈ আহি ধুৰাহাট বেলগুৰিত বাস কৰিবলৈ লয়, তাতো সত্রীয়া আৰ্হি স্থাপিত হয়। ইয়াতেই শংকৰদেবৰ সৈতে মাধৱদেৱৰ মিলন ঘটে। ইযাৰ পিছত ক্রমে দক্ষিণ পাৰলৈ আহি ক্ষেত্রী, কাপালত, চুণপোৱা, পালেদি, কমাৰকুছি আদিত বসতি কৰে। এইবিলাক ঠাইত মহাপুৰুষগৰাকী পাঁচ-ছমাহৰ বেছি দিন থকাৰ প্রমাণ পোৱা নাযায। চমু হ'লেও এই ঠাইবোৰতো সত্রীয়া সংক্ষিপ্ত আৰ্হি প্রতিষ্ঠা হোৱাৰ কথা চৰিত পুথিসমূহত উল্লেখ আছে। তেওঁ কমাৰকুছিৰ পৰা পাটবাউসীলৈ গৈ তাতেই সত্র স্থাপন কৰি নিগাজীকৈ বসতি কৰিবলৈ লয়। পাটবাউসীতে শংকৰদেৱৰ লগত দামোদৰ আৰু হৰিদেৱৰ মিলন ঘটে। পিছলৈ শংকৰ, মাধৱ, দামোদৰ আৰু হৰিদেৱৰ পাৰস্পৰিক মিলন আৰু সম্প্রীতিৰ ফলতেই বৈষ্ণৱ ধর্মৰ প্রসাৰ আৰু সত্রীযা সংস্কৃতিৰ বিকাশ ঘটে।

পাটবাউসীৰ কিছু ওচৰা-উচৰিকৈ দামোদৰদেৱে পাটবাউসীৰ ব্যাসপাৰাত, হৰিদেৱে মানেৰিত আৰু মাধৱদেৱে কিছু অগা-পিছাকৈ সুন্দৰীদিযা, গণককুছি আৰু বৰপেটাত সত্র প্রতিষ্ঠা কৰে। সমসাময়িকভাৱে দামোদৰদেৱে বৈকুণ্ঠপুৰ, হৰিদেৱে বহৰীত সত্র স্থাপন কৰে। সত্রৰ সংখ্যা বৃদ্ধি আৰু সত্রৰ সাংগঠনিক প্রক্রিয়া পৰিৱর্ধিত হোৱাৰ লগে লগে সত্রৰ লক্ষ্য আৰু উদ্দেশ্যও ব্যাপক হ'ল। সাংস্কৃতিক গুণ আৰু কর্মইহে সমাজক প্রণালীবদ্ধতালৈ আনিব পাৰে। বিবিধ দিশত সুকুমাৰ কলাসমূহৰ প্রযোগেৰে সত্রৰ সাংস্কৃতিক জীৱন গঢ লৈ উঠিল। ইয়াৰ ফলত সাধাৰণ জনতা আৰু সত্রৰ মাজত ওচৰ সম্বন্ধ ঘটে। সত্রমুখী জনসাধাৰণে নিজৰ ব্যক্তিগত, নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰ বাবে সঘনাই সত্রৰ কাষ চাপে। সামাজিক জীৱনৰ যি কোনো বিবাদ নিষ্পত্তি আৰু সামাজিক কর্তব্য নির্ধাৰণৰ বাবে সত্রৰ ওপৰত নির্ভৰ কৰিব লগা হ'ল। লগে লগে বিবিধ প্রযোজনত সত্র অনুষ্ঠানৰ সম্প্রসাৰণ ঘটে আৰু সত্রৰ সংখ্যা বর্ধিত হয়। ইযাৰ ভিতৰত নামনি অসমতে বিশেষভাৱে সত্র প্রতিষ্ঠাৰ গতি বৃদ্ধি হয। পাটবাউসী বৈষ্ণৱ ধর্ম প্রচাৰৰ ঘাই কেন্দ্র হোৱাৰ বাবে তাৰ ওচৰে-পাঁজৰে প্রথমতে সত্র প্রতিষ্ঠা হয়।

---

[১৮] কুসুম্বৰ সৰিযহতলীত সত্রীয়া আৰ্হি স্থাপন কৰাৰ উপৰিও বৰদোৱাত পোৱাভিঠাত সত্র নির্মাণ কৰা কথা নীলকণ্ঠ দাসে উল্লেখ কৰিছে।

যেখনে শঙ্কৰে বৰদোৱাক আসিলা।
পোৱাভিঠা থানে আসি সত্রক কৰিলা।।
শ্রীশ্রী দামোদৰদেৱ চৰিত্র, পদ ২৫৮

বৰদোৱাৰ পোৱাভিঠা সত্র আনুমানিক শঙ্কৰদেৱে ধুৰাহাট ত্যাগ কৰি অহাৰ পিছত দক্ষিণ পাৰ ক্ষেত্রীলৈ যোৱাৰ পথত বৰদোৱাত বৈ যাওঁতে প্রতিষ্ঠা কৰা সত্র।

বৈষ্ণৱ ধর্ম অসমৰ চাৰিও দিশে যাতে প্রচাৰ হয তাৰ বাবে মহাপুৰুষসকলে বিশেষভাৱে চিন্তা কৰে। নির্দিষ্ট অঞ্চলত সত্র প্রতিষ্ঠা কৰি ধর্ম প্রচাৰ কৰিবলৈ শংকৰদেৱে ধর্মাচার্য পাতি ঠাযে ঠাযে নিয়োগ কৰা কথা নীলকণ্ঠ দাসৰ চৰিত পুথিত উল্লেখ কৰা হৈছে।[১৯] এইদৰে অনুৰূপ কার্য-ব্যৱস্থা দামোদৰদেৱেও গ্রহণ কৰিছিল। প্রথমতে কামৰূপৰ ভিতৰতে, উত্তৰ, দক্ষিণ আৰু পূব দিশত ধর্ম প্রচাৰ তথা সত্র প্রতিষ্ঠাৰ বাবে দামোদৰদেৱে আচার্যসকলক নিযোগ কৰিছিল।[২০] নামনি অসমত ধর্ম-প্রচাৰ তথা সত্র প্রতিষ্ঠা বিস্তৃতভাৱে হোৱাৰ সময়তেই সকলোৱেই দৃষ্টি দিলে উজনি অসমলৈ। শংকৰদেৱৰ সমর্থনত দামোদৰদেৱ আৰু মাধৱদেৱে গোপালদেৱৰ ওপৰত প্রথমতে উজনি তাসমত ধর্ম প্রচাৰ কৰাৰ ভাৰ অর্পণ কৰিলে।[২১] এনে নির্বাচনৰ মূল কাৰণ আছিল বংশী গোপালদেৱৰ অদমনীয সাহস, শাৰীৰিক সক্ষমতা আৰু অভিজ্ঞতাপুষ্ট গুণগত আদর্শ। দামোদৰদেৱৰ ওচৰত শৰণ গ্রহণ কৰি বংশী গোপালদেৱে দামোদৱদেৱ আৰু মাধৱদেৱৰ আজ্ঞা লৈ উজনি অসমলৈ ধর্ম প্রচাৰ কৰিবলৈ আহোঁতে লগত যদুমণিদেৱ আহিছিল।[২২] যদুমণিদেৱে সত্র পাতি ধর্ম প্রৱর্তাবলৈ ধৰিলে। গোপালদেৱ কিন্তু একে ঠাইতে নাথাকি ক্রমে কাঁহিকুছি, কলাবাৰী আৰু ব্রহ্মপুত্রৰ উত্তৰলৈ আহি ডেবেৰাপাৰ পাযহি। এইবিলাক ঠাইত ধর্ম প্রচাৰৰ লগতে সত্র প্রতিষ্ঠা কৰে। উজনি অসমত পোন প্রথমবাৰৰ বাবে পূর্ণ পর্যাযৰ সত্র প্রতিষ্ঠা হ'ল ডেবেৰাপাৰত। এই সত্র নির্মাণ কার্যত দুজন ৰাজবিষযাই আগভাগ লৈছিল, তেওঁলোক হ'ল ভাণ্ডাৰী গোহাঞি আৰু সুন্দৰ গোহাঞি। এওঁলোক দুযো কোঁচ দৰবাৰত থাকোঁতে সনাতন হিন্দু ধর্মৰ প্রতি বিশেষভাৱে আকৃষ্ট হয। গোপালদেৱৰ মহিমা আৰু কীর্তিৰ কথা শুনি তেওঁক ভক্তি ধর্ম প্রৱর্তনত সহায কৰিবলৈ ৰাজবিষযা দুজন মুকলিকৈ ওলাই আহিছিল। ৰাজবিষযা দুগৰাকীৰ পৃষ্ঠপোষকতাত ডেবেৰাপাৰত সত্রই পূর্ণ বিকশিত ৰূপ পালে। উজনি অসমত ৰাজঘৰীযা সহযোগ, সংস্পর্শৰ আৱশ্যকীয এই সত্রৰ জৰিযতেই ঘটে। বংশী গোপালদেৱে এই সত্রতেই শংকৰদেৱে ধুৱাহাটৰ পৰা যাওঁতে বেল গছত এৰি থৈ যোৱা গোপাল মূর্তি স্বপ্নাদিষ্ট হৈ বিচাৰি আনি স্থাপন কৰিছিল। আনহাতে জগন্নাথ ক্ষেত্রৰ পৰা সেই সময়তে গোৰিন্দ মূর্তি আনি সেই সত্রত প্রতিষ্ঠা কৰি একেলগে দুই মূর্তিৰ পূজা সেৱা আড়ম্বৰপূর্ণভাৱে

---

১৯ উল্লিখিত, পদ ১৯২, ১৯৫, পৃঃ ১০২, ১০৩

২০ উল্লিখিত, পদ ৬০২, ৬০৩, ৬০৪, পৃঃ ১৫৩

২১ ৰামৰায, গুৰুলীলা, পদ ২৭৪ ২৭৫, পৃঃ ৫২

এক দিন দামোদৰে বুলিলা বচন।
সিদেশৰ লোক সব কৰাযো শৰণ।।
মঠ ঘৰ প্রচাৰি নামধর্ম প্রৱর্তাইবা।।

২২ উল্লিখিত পদ ২৬৫, ২৬৬, পৃঃ ৫০

আৰম্ভ কৰিছিল। গোপালদেৱৰ প্রচেষ্টাত এই মূর্তিদ্বয ক্রমে গোৰিন্দ মূর্তি আউনীআটী সত্রত আৰু মদন গোপাল মূর্তি কুৰুবাবাহী সত্রত মূল বিগ্রহৰূপে প্রতিষ্ঠিত হয়। উজনি অসমত ডেবেৰাপাৰ সত্রতেই পোন প্রথমবাৰৰ বাবে ১৩ কুৰি বৈষ্ণৱৰ উপস্থিতিত চৈধ্য প্রসংগ, বিভাগ অনুসাৰে পূজা-পাঠ, নাম-কীর্তন আৰু সত্রীযা কলা-কৃষ্টি চর্চাৰ আৰম্ভণি ঘটে। শৰণ, ভজন, দীক্ষা গ্রহণৰ বাবে বিভিন্ন শ্রেণীৰ লোকৰ ডেবেৰাপাৰ সত্রলৈ আগমন ঘটিল। ৰাজবিষযাৰ পৃষ্ঠপোষকতাত আৰু গোপালদেৱৰ প্রচেষ্টাত গঢ লৈ উঠা ডেবেৰাপাৰ সত্র উজনি অসমত ধর্ম প্রচাৰৰ প্রধান কেন্দ্রস্থলৰূপে পৰিগণিত হ'ল। কালক্রমত ডেবেৰাপাৰ সত্র ৰাজৰোষত পৰাত গোপালদেৱে কিছু দিন আত্মগোপন কৰি পিছত সৌৰাণীত সত্র স্থাপন কৰে। সৌৰাণী সত্রত থাকোঁতেই পিছলৈ মিশ্রবাপু নামেৰে পৰিচিত হোৱা হৰিচৰণ, নিৰঞ্জনদেৱ, বনমালীদেৱ আৰু জযহৰিদেৱ গোপালদেৱৰ লগ লাগেহি। গোপালদেৱে সৌৰাণীৰ সত্র দুর্বল হৈ অহাত ব্রহ্মপুত্রৰ দক্ষিণ পাৰ হৈ ধনশিৰি পাৰত কুৰুৱা চৰাযে বাহ সজা এজোপা গছৰ তলত সত্র পাতে, সেযে কুৰুৱাবাহী সত্র। পিছলৈ শাৰীৰিক অসুস্থতাৰ বাবে কুৰুবাবাহী সত্র মিশ্রবাপুৰ হাতত গোপালদেৱে অর্পণ কৰে। ইযাৰ পিছতেই গোপালদেৱৰ আর্হি অনুসৰণ কৰি নিৰঞ্জনদেৱে আউনীআটী, বনমালীদেৱে দক্ষিণপাট আৰু জযহৰিদেৱে[১৩] গডমূৰ সত্র প্রতিষ্ঠা কৰে। কুৰুৱাবাহী সত্রতে গোপালদেৱৰ প্রযাণ ঘটে। গোপালদেৱৰ পিছতেই উজনি অসমত মাধৱদেৱৰ আজ্ঞা পোৱা মুখ্য শিষ্যসকলে সত্রানুষ্ঠানৰ অধিক বিস্তৃতি ঘটায। ইযাৰ ভিতৰত গোপাল আতা, শ্রীৰাম আতা, পর্হিযা মাধৱ, গমাৰ গোবিন্দ, ৰৰবিষ্ণু আতা, পদ্ম আতা আদিযেই প্রধান। এইসকলৰ লগতে শংকৰদেৱৰ নাতি পুৰোষোত্তম আৰু চতুর্ভুজ ঠাকুৰৰ পৰা বৰ বাৰেজনীযা আৰু সৰু বাৰেজনীয়া সত্র বাৰখনলৈ বাঢে। গোপাল আতাৰ শিষ্য বৰ যদুমণি, অনিৰুদ্ধ আৰু গজলীযা যদুমণিৰ যোগেদিও অনেক সত্র প্রতিষ্ঠিত হ'ল। এইদৰে উত্তৰোত্তৰভাৰে উজনি, নামনি, মধ্য গোটেই অসম জুৰি সত্রানুষ্ঠান স্থাপন হোৱাৰ লগতে সত্রীযা সংস্কৃতিৰ ব্যাপক প্রচাৰ ঘটে।[১৪]

২. সত্রৰ গঠন প্রণালী আৰু ইযাৰ তাত্ত্বিক ব্যাখ্যা

আধ্যাত্মিক, নৈতিক আৰু সামাজিক মংগল সাধনৰ লক্ষ্যৰে প্রতিষ্ঠা কৰা সত্র অনুষ্ঠান নির্মাণৰো নিজা আর্হি এটি আছে। এই আর্হিত অন্তর্ভুক্ত হোৱা প্রধান অংগকেইটি

---

[১৩] শৰৎ চন্দ্র গোস্বামী, সম্পা শ্রীশ্রীদেৱদামোদৰ চৰিত্র, পাতনি, পৃঃ ৪৩
S N Sarma, NVMSIA p 80

[১৪] সত্রসমূহৰ স্থান অনুসৰি পৰিচযৰ বাবে, দ্র মহেশ্বৰ নেওগ, সম্পা পৱিত্র অসম

হ'ল— ১ নামঘৰ আৰু মণিকূট, ২ গুৰু গৃহ, ৩ ভঁৰাল, ৪. বৈষ্ণৱ-গৃহ চাৰিহাটী, ৫ কৰাপাট, ৬. অতিথিশালা, ৭ নাট্যশালা, ৮ ভোগঘৰ।

নামঘৰ আৰু মণিকূট ঃ সত্রৰ কেন্দ্রবিন্দু হ'ল নামঘৰ আৰু মণিকূট। ভগৱৎ উপাসনাৰ বাবে সিংহাসন প্রতিষ্ঠা কৰি তাতেই প্রত্যক্ষ কৃষ্ণ-মূর্তি বা ভাগৱত স্থাপন কৰা হয়। যিসমূহ বিগ্রহ পূজিত হয় সেই বিগ্রহ মহাপ্রভুৰূপে অধিষ্ঠিত হয়। সেই স্থান সর্বোচ্চ আৰু সর্বোত্তম স্থানৰূপে স্বীকৃত। নৱধা ভক্তিৰ যোগেদি য'ত ভগৱৎ আৰাধনা কৰা হয় মূল অর্থত সেযে হ'ল সত্রৰ অবিচ্ছেদ্য অংগ নামঘৰ আৰু মণিকূট। এই নামঘৰ-মণিকূট সত্রৰ মধ্যৱর্তী স্থানত স্থাপন কৰা থাকে। পূবা-পশ্চিমাকৈ নামঘৰ-মণিকূট বহুওৱাৰ নিয়ম। নামঘৰৰ চাৰিওকাষে ভক্তসকলৰ প্রদক্ষিণ পৰিক্রমাৰ সুবিধাৰ বাবে চালি থাকে। কোনো কোনো সত্রত এনে চালি মুকলি কৰি ৰাখে, কোনো সত্রত বেৰি ৰাখে। মণিকূটক বৰপেটা কমলাবাৰী আদি সত্রত ভাঁজঘৰ আখ্যা দিযে। মূলতঃ ভাঁজ দি পৃথককৈ সজাৰ বাবেই ভাঁজঘৰ নাম পায। সকলো সত্রত তেনেভাৱে মুধটো ওখকৈ ভাঁজ ৰাখি সজা নহয, নামঘৰৰ লগত সংলগ্ন কৰি সুকীযাকৈ এক পৃথক ঘৰ নির্মাণ কৰি ভাগৱত বা মূর্তি ৰখা হয আৰু এই ঘৰক মণিকূট আখ্যা দিযা হয। 'মণিকূট' শব্দৰ অর্থ হ'ল ৰত্ন ৰখা ঘৰ। এই ৰত্ন হ'ল বৈষ্ণৱ ধর্মৰ মূল উপাস্য দেৱতা কৃষ্ণ। য'ত শ্রীকৃষ্ণৱ বিগ্রহ বা কৃষ্ণ-লীলাৰ আখ্যান ভাগৱত ৰত্ন ৰক্ষিত হৈছে সেযে মণিকূট। আনহাতে সহস্র মণিকর্ণিকাত যোগী মুনিসকলে পৰমাত্মাৰ সন্ধান পায। সেই বন্দনীয স্থান মণিকর্ণিকা সদৃশ মণিকূট।'[১] এই মণিকূট বা ভাঁজঘৰ স্থানক গর্ভ-গৃহ বুলিও কোৱা হয়। নৈৱেদ্যাদি উছর্গা কৰি মণিকূটত অর্চন-বন্দনৰ মাধ্যমেৰে ভগৱৎ উপাসনা কৰা হয। নামঘৰ, মণিকূটৰ বাহিৰেও আৰু এটি ভাগ নামঘৰৰ লগত সংলগ্ন হৈ থাকে। ই হ'ল ৰাঙলী চ'ৰা। ই নামঘৰৰ সম্মুখ ভাগত অৱস্থিত। ৰং-বিৰঙৰ কারুকার্য থকা ঘৰ বা আনন্দদাযক চ'ৰা, ই এই অর্থ বুজাব পাৰে। এই ঘৰ সাধাৰণতে মূল নামঘৰৰ আগফালে কিছু তলত চিত্র-বিচিত্র ৰূপত সজোৱা হয। ইযাৰ বেৰ নাথাকে, মুকলি ঘৰৰ দৰে। ৰাঙলী চ'ৰাই ধর্মীয চিন্তাৰ বাবে মানসিক পৰিৱেশ সৃষ্টি কৰে। এই ৰাঙলী চ'ৰাতে ধর্মীয বিচাৰ কেতিযাবা নিষ্পত্তি হয। নামঘৰৰ মাজভাগতে চৈধ্য প্রসংগৰ অন্তর্ভুক্ত ভাগৱত পাঠৰ বাবে ভাগৱতৰ আসন, পদ পাঠৰ বাবে পদৰ আসন নির্দিষ্ট স্থানত থাকে। নামঘৰৰ মূল খুঁটাৰ কাষত গুৰুৰ আসন থাকে। অৱশ্যে সংহতি আৰু সত্র ভেদে এই স্থানবিলাকৰ ভিন্নতা আছে। আউনীআটী, দক্ষিণপাট, গড়মুৰ

---

১ মণিকূট ঃ মণিকূট কূটৰ অর্থ উচ্চ শিখৰ, স্তূপ আগভাগ অর্থাৎ মণি স্তূপীকৃত স্থান 'সমস্ত মস্তক মণি' স্বৰূপ পৰমব্রহ্ম থক' স্থান।

আদি ব্রহ্ম সংহতিৰ সত্রসমূহত উত্তৰফালে এই স্থানসমূহ নির্দিষ্ট কৰা থাকে। পুৰুষ সংহতিৰ অন্তর্ভুক্ত বেঙেনাআটী সত্রতো এনে ক্রম আছে। আনহাতে কমলাবাৰী, ভোগপুৰ আদি নিকা সংহতিৰ সত্রসমূহত দক্ষিণফালে এই স্থান নির্দিষ্ট কৰা থাকে। চৈধ্য বা দ্বাদশ প্রসংগৰ অন্তর্ভুক্ত নিত্য প্রসংগসমূহ আৰু নৈমিত্তিক উৎসৱ-পর্বসমূহ সত্রৰ নামঘৰৰ মূল কার্য।

গুৰু গৃহ ঃ সত্রীযা জীৱনৰ পথ প্রদর্শক হ'ল গুৰু। এই দাযিত্ব পালনৰ উপৰিও সত্রত গুৰুৰ আন বিশেষ দাযিত্ব থাকে। সত্রৰ সমস্ত কার্যৰ পৰিচালনা আৰু সত্র সংৰক্ষণৰ ভাৰ গুৰুৰ ওপৰত থাকে। সত্রৰ সম্পূর্ণ আধিকাৰিক কর্তৃত্ব থাকে বাবে সত্রস্থিত গুৰুৰ আন এটি পৰিচয হ'ল সত্রাধিকাৰ। গুৰু, দেৱ, ভকত এই তিনি সংজ্ঞাৰ সত্রত প্রত্যক্ষ স্থাযী স্থিতি থাকে। সেযে এই তিনি সংজ্ঞাৰ থকা স্থানো নির্দিষ্ট হৈ থাকে। ভকতৰ সম্মিলিত প্রচেষ্টাত নাম সৃষ্টি হয যদিও গুৰু, দেৱ, ভকতৰ স্থিতিতহে নাম বিৰাজমান হয। নামৰ স্থাযী ক্ষেত্র হ'ল নামঘৰৰ মাজৰ ঠাই। চাৰি সংজ্ঞাৰ অপৰিহার্য অংগ গুৰু বা সত্রাধিকাৰৰ বাবে সত্রৰ সোঁমাজত নামঘৰৰ মণিকূটৰ কাষতে স্থান নির্দিষ্ট কৰা থাকে। অৱশ্যে কোনো কোনো সত্রত এই নিযমৰ ব্যতিক্রম আছে। বহু সত্রত হাটীৰ লগতে সত্রাধিকাৰৰ বাসভৱন থাকে। কিন্তু সত্রাধিকাৰৰ বাসগৃহ সত্রৰ মাজত পৃথকে থকাৰ বিশেষ তাৎপর্য আছে। কাৰণ হাটীত থকা বৈষ্ণৱ বা ভকতসকলৰ থকা ব্যৱস্থা সম্পূর্ণ গার্হস্থ্য জীৱনৰ অন্তর্ভুক্ত নহ'লেও তাতো গার্হস্থ্য জীৱনৰ আর্হি আছে। সেযে সেই প্রভাৱৰ পৰাও মুক্ত কৰি সত্রাধিকাৰগৰাকীক উন্মুক্ত সাধনাৰ সুবিধা দিযা হয। আনহাতে যি হাটীত সত্রাধিকাৰগৰাকী থাকিব লগা হয সেই হাটীৰ প্রতি এক মোহ গঢ় ল'ব পাৰে, তেতিযাই পক্ষপাত দোষে স্পর্শ কৰাৰ সম্ভাৱনা থাকে। পক্ষপাত দোষৰ পৰা আঁতৰাই নিৰপেক্ষ তথা সমভাব ৰক্ষাৰ বাবেও সত্রাধিকাৰৰ বাবে মধ্যৱর্তী স্থান নির্দিষ্ট কৰা হয।[২৬] সত্রাধিকাৰগৰাকীৰ অৱস্থান একক হ'লেও সত্রাধিকাৰগৰাকীক সহায় কৰিবলৈ ভকতসকলৰ ভিতৰৰ পৰাই বিশেষ ব্যক্তি নিয়োজিত হয়। অৱশ্যে যিবিলাক সত্রত হাটীৰ মাজত সত্রাধিকাৰ থকাৰ নিযম সেই বহাসমূহ ভকতৰ বহাবিলাকৰ আর্হিতকৈ পৃথককৈ নির্মিত হয।

ভঁৰাল ঃ আউনীআটীৰ মূল গোবিন্দ মহাপ্রভুৰ উপাসনাৰ উপচাৰসমূহ, সত্রৰ যাৱতীয সম্পদ আৰু ভৰণ-পোষণৰ সামগ্রীসমূহ ৰখা স্থানেই হ'ল ভঁৰাল। এই ভঁৰাল-গৃহ বিশেষকৈ সত্রৰ মধ্যস্থানত নামঘৰৰ আশে-পাশে থাকে। কোনো সত্রত এই ভঁৰালৰ ভাগ দুটা। চাউলকে মুখ্য কৰি ৰখা দ্রব্যৰ স্থানক চাউল ভঁৰাল আৰু অর্থ-কড়ি তেনে

---

[২৬] বর্তমান আউনীআটী, গড়মূৰৰ বাহিৰে প্রাযবিলাক সত্রতেই হাটীত সত্রাধিকাৰৰ বাসভৱন থকাৰ ব্যৱস্থা আছে।

সামগ্রী ৰখা স্থানক ধন ভঁৰাল বোলা হয়। সত্রৰ কৰ-বৰণিৰ বাবদ ৰাইজৰ পৰা আৰু সত্রৰ খাট-পামবিলাকৰ পৰা যিমান ধান-চাউল আহে এই সকলোখিনি ৰখাৰ দায়িত্ব চাউল ভঁৰালৰ। আনহাতে অর্থ-কড়ি, অলংকাৰ, সোণ-ৰূপ, কাঁহ-পিতলৰ বাচন-বর্তন, কাপোৰ, গামোচা সকলো ধন ভঁৰালত জমা থাকে। ইযাৰ উপৰিও সত্রৰ বিভিন্ন উৎসর-পর্ব উপলক্ষ্যে ব্যৱহৃত হোৱা বিবিধ সামগ্রী আৰু ৰজা ঘৰৰ পৰা পোৱা উপহাৰস্বৰূপ সম্পদসমূহো ধন ভঁৰালত থাকে। যিবিলাক সত্রত দুটা ভঁৰালৰ প্রভেদ নাথাকে সেই সত্রবিলাকত এটা ভঁৰালৰ যোগেদিযেই সত্রৰ সামগ্রীসমূহ জমা ৰাখি বিতৰণৰ ব্যৱস্থা কৰা হয়।

বৈষ্ণৱ-গৃহ ঃ চাৰিহাটী ঃ নামঘৰ-মণিকূট স্থানক সম্মুখত লৈ সত্রৰ চাৰিওপিনে চাৰি দিশত য'ত বৈষ্ণৱসকলে একোটা বহা পৰিচালনা কৰি সমুহীযাভাৱে বসবাস কৰে সেয়ে বৈষ্ণৱৰ বাসস্থান 'হাটী'। পুব, পশ্চিম, উত্তৰ, দক্ষিণ চাৰিও দিশতে চাৰিটা হাটী থাকে বাবে বৈষ্ণৱৰ বাসস্থানসমূহ ক্রমে পুব হাটী, পশ্চিম হাটী, উত্তৰ হাটী আৰু দক্ষিণ হাটী নামেৰে চিহ্নিত হয়। 'হাটী' শব্দৰ আভিধানিক অর্থ সমষ্টি, শাৰী পাতি থকা। পূর্বৰ হাটী ঘৰৰ আৰ্হি আছিল এখন চালিৰে দীঘল ঘৰ। মাজত কোঠাৰ ভাগ আছিল যদিও মাজেদি সৰকা স্বতন্ত্র পথ নাছিল। এতিযা কিন্তু হাটী ঘৰৰ কিছু পৰিৱর্তন ঘটিল। প্রত্যেক হাটী ঘৰৰ মাজত একোটা পৃথক ঘৰ আকাৰে নির্মাণ কৰা দেখা গৈছে। প্রত্যেকটো ঘৰ অৱশ্যে পথালিকৈ বঢা নহয়, দীঘলে বঢা। সম্মুখ ভাগ একে আকাৰৰে হোৱা বাবে দুটা-তিনিটা ঘৰৰ মাজত সৰু সৰু সুৰঙা পথ থাকিলেও দেখাত পথালিকৈ থকা দীঘল হাটী ঘৰৰ দৰেই লাগে। অৱশ্যে দক্ষিণপাট, কমলাবাৰী আদি সত্রত পূর্বৰ হাটী ঘৰৰ আৰ্হি এতিয়াও আছে।[২৭] হাটীবিলাকৰ প্রত্যেক ঘৰবিলাকক 'বহা' বুলি কোৱা হয়। বহা শব্দৰ আভিধানিক অর্থ হ'ল প্রবসুৱা ঘৰ।[২৮] কিছুদিন আহি এঠাইত বাস কৰা পঁজা। আধ্যাত্মিক বিচাৰত গুৰু, ভকতসকলৰ থকা স্থানৰো এনে অর্থ কৰা হয়। যিহেতু মানৱ জীৱনটোৱেই অস্থাযী, জন্ম মাত্রেই মৃত্যু অৱশ্যম্ভাৱী সেইবাবে দুদিনলৈ আহি প্রবসুৱাৰূপে বাস কৰা বাবে সত্রত থকা ঘৰসমূহক বহা আখ্যা দিযা হয।

কৰাপাট ঃ সত্রৰ সম্মুখত সত্রলৈ সোমোৱা পথৰ আৰম্ভণিতে মুখ্য তোৰণ থাকে যাক কৰাপাট বুলি কোৱা হয়। কৰাপাট দুখন ঃ বহিঃ আৰু অন্তঃ কৰাপাট। অর্থাৎ সত্রলৈ সোমোৱা পথৰ আৰম্ভণিতে বাহিৰ কৰাপাট আৰু সত্রীয়া পৰিৱেশৰ ভিতৰলৈ

---

[২৭] হাটীবিলাক পূর্বৰ থেৰ-বাঁহেৰে সজা হ'লেও বর্তমান শিল, ইটা, লোহা আদি সামগ্রীৰে সজা হৈছে।

[২৮] হেমকোষ, পৃঃ ৬৮৯

সোমোৱা ঠাইত ভিতৰ কৰাপাট থাকে।[২৯] ধর্মীয় দুই এটি প্রতীকেৰে সৈতে কৰাপাট নির্মাণ কৰা হয় যি প্রতীক চিহ্ন চকুৰ আগত দেখা পালেই যি কোনো এজন ব্যক্তিক ভিতৰত থকা ধর্মীয় অনুষ্ঠানৰ পৰিত্রতাৰ কথা মনত পেলাই দিয়ে। বাহিৰ কৰাপাটৰ পৰা ভিতৰ কৰাপাট পোৱালৈকে যিখিনি দূৰত্ব সেই দূৰত্ব অতিক্রম কৰাৰ সময়খিনিতেই শাৰীৰিক আৰু মানসিকভাৱে নিজকে প্রস্তুত কৰি ল'বলৈ ব্যক্তিগৰাকীয়ে সুবিধা লাভ কৰে। ঠিক ভিতৰ কৰাপাটত উপস্থিত হোৱাৰ লগে লগেই সংযতভাৱে যে অন্তঃস্থলত প্রৱেশ কৰিব লাগে, ভিতৰ কৰাপাটৰ প্রতীক চিহ্ন বা টুপ ঘৰে তাকেই সোঁৱৰাই দিয়ে। ভিতৰ কৰাপাট পোৱাৰ আগতেই উচ্চ যানবাহন আৰু পাদুকা আদি ত্যাগ কৰি সমাহিত চিত্তেৰে সত্রৰ ভিতৰত প্রৱেশ কৰিব লাগে। পৰিত্রতা আৰু সম্মানৰ প্রতি লক্ষ্য ৰাখিয়েই এনে নীতি পালিত হয়। আধ্যাত্মিক লক্ষ্যস্থানলৈ যোৱাৰ প্রৱেশ পথৰ গুৰুত্বও ইয়াতেই নিহিত হৈ আছে। কেৱল সত্রৰ সত্রাধিকাৰৰ ক্ষেত্রত এই নিয়মৰ কিছু ব্যতিক্রম থাকে। কাৰণ সত্রাধিকাৰগৰাকী চাবি বস্তুৰ অন্তর্ভুক্ত। অৱশ্যে মূল বিগ্রহ বা মহাপ্রভুৰ প্রতি সম্মান জনাই সত্রাধিকাৰগৰাকীয়েও উচ্চ যানবাহন ত্যাগ কৰিহে ভিতৰত প্রৱেশ কৰে। সত্রাধিকাৰ তথা সম্মানীয় ব্যক্তিৰ আদৰণীয় কার্যও বাহিৰ কৰাপাটৰ পৰা ভিতৰ কৰাপাটলৈকেহে সীমাবদ্ধ থাকে। কৰাপাটৰ প্রতীক সাধাৰণতে হাতী, সিংহ, ম'ৰা আদি।

অতিথিশালা ঃ বিভিন্ন সময়ত বিভিন্ন কাৰণত সত্রত উপস্থিত হোৱা শিষ্য-প্রশিষ্যক শুশ্রূষা কৰিবলৈ অতিথিশালাৰ ব্যৱস্থা থাকে। আধ্যাত্মিক শিক্ষা গ্রহণৰ অর্থে, যি কোনো সামাজিক সমস্যা সমাধানৰ বাবে বা সত্রীযা উৎসৱ-পর্ব চোৱাৰ উদ্দেশ্যেৰে বিভিন্ন ঠাইৰ লোক আহি সত্রত সমৱেত হয়। সত্রলৈ অহা এনে লোকৰ বাবে সত্রত অতিথিশালাৰ দুৱাৰ মুকলি কৰি ৰখা হয়। অৱশ্যে বহু সত্রত সুকীয়া অতিথিশালা নথকাত প্রত্যেক হাটীৰ বৈষ্ণৱৰ বহাবিলাকতেই অতিথি সৎকাৰৰ ব্যৱস্থা থাকে। অতিথি সৎকাৰ সত্রসমূহৰ দৈনন্দিন কর্তব্যসমূহৰ আন এক উল্লেখযোগ্য বিষয়। অতিথি ৰখা আৰু নৰখাৰ লগত ঔচিত্যবোধৰ প্রশ্নও জড়িত হৈ আছে। সেয়ে আধ্যাত্মিক দৃষ্টিৰেও অতিথি শুশ্রূষা বৈষ্ণৱ ক্ষেত্রসমূহত এক অতি অপৰিহার্য কর্তব্যৰূপে গণ্য কৰা হয়।

নাট্যশালা ঃ সত্রত তিথি উৎসৱ আৰু বিশেষ উপলক্ষ্য লৈ পৰিৱেশন কৰা অংকীয়া ভাওনাৰ আখৰা কৰাৰ বাবে এক সুকীয়া স্থান থাকে, সেয়া হ'ল নাট্যশালা বা আখৰা ঘৰ। এই আখৰা ঘৰ সাধাৰণতে নামঘৰৰ লগত সংলগ্ন থাকে। আখৰা কৰা ঘৰ

---

২ কৰাপাট ঃ A gateway shed before a Satra or religious establishment হেমকোষ, পৃঃ ১৮১

সুকীয়াকৈ নথকা সত্রসমূহত নামঘৰৰ এক আছুতীয়া ঠাইত আখৰা কৰে। আখৰা ঘৰ ভাওনা পৰিৱেশনৰ মূল প্রস্তুতি স্থল। ভাওনাত পৰিৱেশন কৰা গায়ন-বায়নৰ ধেমালিসমূহ আৰু ভাওনাৰ অংশযুক্ত নৃত্যসমূহ শিল্পীসকলৰ সহযোগত আখৰা ঘৰত সমূহীয়াকৈ চর্চা আৰু অনুশীলন কৰা হয়।

ভোগঘৰ ঃ মূল মহাপ্রভুৰ যি সিদ্ধ ভোগ উছর্গাৰ অর্থে প্রস্তুত কৰা হয়, প্রস্তুত কার্যৰ কাৰণে নির্দিষ্ট কৰা সেই স্থানেই হ'ল ভোগঘৰ। ভোগ তৈযাৰ মূল কার্য হোৱা বাবে সেই স্থানে ভোগঘৰ নাম পালেও মহাপ্রভুৰ প্রতি উছর্গিত আন কেঁচা দ্রব্য-সামগ্রীসমূহো এই স্থানতেই ৰাখি নৈৱেদ্য প্রস্তুত কৰা হয়। গাখীৰৰ পৰমান্ন ভোগ সত্রসমূহত মহাপ্রভুৰ স্থানত উছর্গিত হোৱা বিশেষ নৈৱেদ্য। সাধাৰণতে ব্যঞ্জনযুক্ত সিদ্ধান্ন সত্রসমূহত উছর্গিত নহয় যদিও দক্ষিণপাট সত্রত কিন্তু এনে নীতিৰ কিছু পৃথকতা আছে।

সত্রৰ এনে প্রধান অংশসমূহৰ উপৰিও আৰু দুটি এটি প্রযোজনীয়, আনহাতে সত্রীয়া বিষযবস্তুৰ লগত সম্পর্ক থকা অনুষ্ঠান আছে। তাৰ ভিতৰত সত্রসমূহত পৃথকে থকা থানঘৰ। প্রায় সত্রাধিকাৰসকলৰ স্মৃতিত শ্রদ্ধাৰ চিন স্বৰূপে সৰু আকাৰৰ যি এটি ঘৰ নির্মাণ কৰা হয় সেই স্থান থানঘৰ। প্রতিষ্ঠা দিনৰ পৰা প্রত্যেক সত্রাধিকাৰৰ স্মৃতি ৰক্ষা সম্ভৱ নহ'লেও এই থানৰ দ্বাৰা সম্ভৱ অনুসাৰে সত্রাধিকাৰসকলৰ স্মৃতি ৰক্ষাৰ নিযম আছে। এই থানঘৰ বিশেষভাৱে বাহিৰ কৰাপাটৰ পৰা ভিতৰ কৰাপাটৰ ভিতৰত পথৰ কাষত নির্মাণ কৰা থাকে। থানঘৰত সত্রাধিকাৰগৰাকীৰ ব্যৱহৃত সামগ্রী যেনে শয্যা, খৰম আদি থোৱা হয়। কোনো সত্রত সত্রাধিকাৰগৰাকীৰ প্রতিমূর্তি থোৱাৰো ব্যৱস্থা আছে। থানঘৰত নিতৌ ধূপ-দীপ প্রজ্বলন কৰি সত্রাধিকাৰজনাৰ প্রতি শ্রদ্ধা জনোৱা হয়। থানঘৰৰ এনে ব্যৱস্থা আউনীআটী সত্রত বর্তমানেও সংৰক্ষিত হৈ আছে। যি সত্রত পৃথকে পৃথকে থানঘৰৰ ব্যৱস্থা নাথাকে সেই সত্রত সত্রাধিকাৰসকলৰ ব্যৱহৃত সামগ্রীসমূহ যতনেৰে সাঁচি থোৱাৰ ব্যৱস্থা থাকে। প্রধানকৈ মহাপুৰুষসকলৰ পদ-চিহ্ন আৰু প্রযাত সত্রাধিকাৰসকলৰ ব্যৱহৃত বিশেষ সামগ্রী থোৱা স্থান এখনি থাকে, সেই স্থানক পদশিলা ঘৰ বুলি কোৱা হয়। এই পদশিলা ঘৰতে প্রযাত সত্রাধিকাৰসকলৰ পদ-ধূলা থোৱাৰ ব্যৱস্থা আছে। যি সত্রত সুকীয়াকৈ পদশিলা ঘৰো নাথাকে সেই সত্রত ভঁৰাল ঘৰতে এই সামগ্রীসমূহ সযতনে ৰখা হয়। কমলাবাৰী থুলৰ সত্রকেইখনত পদশিলা ঘৰৰ আৰ্হি বিশেষভাৱে প্রচলিত। ইয়াৰ বাহিৰেও সত্রবিলাকত সময উপযোগী অনুষ্ঠান, প্রতিষ্ঠান প্রতিষ্ঠা কৰাৰ নিদর্শন আছে।[৩০]

বিবিধ অংগৰে পৰিপুষ্ট একোখনি সত্রক এজন জীৱন্ত পুৰুষৰূপে কল্পনা কৰিব

---

৩০ বর্তমান অনেক সত্রত ৰঙ্গমঞ্চও নির্মাণ কৰোৱা হৈছে। যুগোপযোগী হ'লেও ই কিমানদূৰ সত্রীয় পৰিৱেশ ৰক্ষা কৰিব পাৰিব সেই বিষয়ে চিন্তা কৰিব লগীয়া আছে।

পাৰি। মানৱ শৰীৰৰ কোনো অংশ হানি হ'লে যেনে হ'ব পাৰে সত্রানুষ্ঠানৰ এই অংগসমূহৰ কোনোটোৰ হানি-বিঘিনিও তদ্রূপ ক্ষতিকাৰক হ'ব পাৰে। তীর্থনাথ শর্মাই দিযা ব্যাখ্যা এই প্রসংগত তুলনীয।[৩১] সত্র শৰীৰৰ সাতটা প্রধান ভাগ এনেদৰে কৰিব পাৰি— ১ পৰমাত্মা — মণিকূট গৃহত থকা নির্দিষ্ট মূর্তি বা কল্পিত ব্যৱস্থা, ২ জীৱাত্মা গুৰু — সত্রৰ পৰিচালক সত্রাধিকাৰ, ৩ হৃদয — সত্রৰ নামঘৰ, ৪ উদৰ — সত্রৰ ভঁৰাল, ৫ মনসহ পঞ্চ জ্ঞানেন্দ্রিয — ভকত, ৬ পঞ্চ কর্মেন্দ্রিয — বৈষ্ণৱ, চাৰিহাঁতীত থকা বৈষ্ণৱসকল আৰু ৭ প্রাণবাযু — সত্রৰ লগত জড়িত থকা শিষ্যমণ্ডলী। এই ব্যাখ্যাৰ লগত অধ্যাত্ম ভাব সাধনাৰ লক্ষ্য জড়িত হৈ আছে বাবেই ই গূঢ়ার্থ লাভ কৰিছে।

সকলো সৃষ্টিৰে যি মূল কাৰণ পৰম সত্তা, সেযে পৰমাত্মা। পৰমাত্মাৰূপী কল্পিত মহাপ্রভুৰ স্থান সত্রৰ মণিকূট গৃহ। যোগীসকলে যেনেদৰে ধ্যান-ধাৰণা-সমাধিৰ যোগেদি সহস্র পদ্মৰ মণিকর্ণিকাত পৰমাত্মা লাভ কৰে তেনেদৰে পদ্ম মধ্য মণিকর্ণিকা স্বৰূপ মণিকূট গৃহত পৰমাত্মাৰ কল্পিত মূর্তি স্থাপন কৰি সেৱা-পূজাৰ যোগেদি সত্রস্থসকলে প্রত্যক্ষভাৱে পৰমাত্মাক পোৱাৰ কামনা কৰে। ভগৱন্তৰ সাজুয্য-প্রাপ্তি সত্রস্থজনৰ অন্যতম লক্ষ্য। পৰমাত্মাৰ প্রকৃত উপলব্ধিৰ বাবে ভগৱানৰ ৰূপ বিবিধ প্রকাৰে কল্পনা কৰা হয। ভাগৱতৰ মতে মূর্তি অষ্ট প্রকাৰ হ'ব পাৰে ঃ

শৈলী দাৰুময়ী লৌহী লেপ্যা লেখ্যা চ সৈকতী।
মনোমযী মণিমযী প্রতিমাষ্টবিধাঃ স্মৃতা।[৩২]

সত্রৰ মণিকূটত সাধাৰণতে শিলৰ আৰু অষ্ট ধাতুৰ বিগ্রহ থাকে। অষ্ট ধাতুৰ ভিতৰত সোণৰ মূর্তি বিশেষ উল্লেখযোগ্য। কিন্তু সোণৰ মূর্তিৰ পৰিৱর্তে পিতলৰ মূর্তি কৰি তাত সোণপানী চৰাই তেনে মূর্তি ব্যৱহাৰ কৰাৰ সুবিধাও আছে। সত্রসমূহত এনে প্রকাৰৰ মূর্তিযেই অধিক পোৱা যায। দাৰুমূর্তিও সত্রত স্থাপন কৰাৰ ৰীতি আছে। কুৰুৱাবাহী সত্রত এনে ৰীতি প্রচলিত হৈ আছে।[৩৩] আনহাতে কোনো কোনো সত্রত লেখ্যা অর্থাৎ অংকন তথা অক্ষৰ মূর্তি শ্রীমদ্ভগৱৎ প্রতিষ্ঠা কৰাৰ ব্যৱস্থা আছে।

---

৩১ তীর্থনাথ শর্মা, আউনীআটী সত্রৰ বুৰঞ্জী, পৃঃ ৩৮০

৩২ ভগৱানৰ মূর্তি শিলৰ, কাঠৰ, সোণ-ৰূপ আদি অষ্টধাতুৰ, মাটিৰে লেপন কৰা, অক্ষৰ, বালি মাটিৰে তৈযাৰী, মনেৰে কল্পনা কৰা আৰু মণি-মুকুতাৰে নির্মিত অষ্টপ্রকাৰৰ মূর্তি। শ্রীমদ্ভাগৱতম (সং), একাদশ স্কন্ধ, সপ্তবিংশ অধ্যায়, শ্লোক ১২, পৃঃ ৮৪৮

৩৩ শংকৰদেৱে কাৰোলা বাটেৰ হতুৱাই বেলগছৰ কাঠেৰে মদন গোপাল মূর্তি নির্মাণ কৰোৱাৰ কথা চৰিত পুথিত পোৱা যায। সেই মদন গোপাল মূর্তি আজিও কুৰুৱাবাহী সত্রত পূজিত হৈ আছে।-- ৰাম চৰণ ঠাকুৰ, গুৰু চৰিত, পৃঃ ৬০২
সম্পা মহেশ্বৰ নেওগ, ৰৰদোৱা গুৰুচৰিত, পৃঃ ৯৫, ৯৬
সম্পা মহেশ্বৰ নেওগ, গুৰু চৰিত কথা, পৃঃ ৫২৪

জীৱাত্মা ঃ সত্রৰ সত্রাধিকাৰগৰাকীক জীৱাত্মাৰ লগত তুলনা কৰা হয়। জীৱাত্মা আৰু পৰমাত্মাৰূপী দুই পক্ষীয়ে যিদৰে শৰীৰৰূপী একেজুপি বৃক্ষক আঁকোৱালি আছে, প্রথমটিযে গছৰ গুটি খাই জীয়াই থাকে অর্থাৎ কর্মফল ভোগ কৰে আৰু আনটিযে একো নোখোৱাকৈ থাকি খোৱাটিক আশ্রয় প্রদানি মহৎ শক্তি যোগান ধৰে, সেইদৰে সত্রাধিকাৰৰূপী জীৱাত্মাক ভগৱৎৰূপী পৰমাত্মাই জ্ঞান-আলোক প্রদান কৰে। ফলত জীৱাত্মাই আহৰণ কৰে মহান শক্তি; এই মহান শক্তিযে দান কৰে মহৎ অধিকাৰ। ইযাৰ পৰিণতিযেই হ'ল সত্র এখনিৰ সুস্থ সঞ্চালন ব্যৱস্থা। যাৰ কাৰণে সত্রাধিকাৰ শব্দও প্রযোজ্য হৈছে।

হৃদয় ঃ যেনেকৈ হৃদযত ধ্যান-ধাৰণা সমাধিৰে ভগৱন্তৰ ৰূপ চিন্তা কৰা হয আৰু মানসিক জপ কৰি ভগৱানক আৰাধনা কৰা হয সেইদৰে হৃদয স্বৰূপ নামঘৰৰ মজিযাত চৈধ্য বা দ্বাদশ প্রসংগৰে ৰাতিপুৱাৰ পৰা গধূলিলৈকে সামূহিক উপাসনা কৰাটো নিযম। শ্রৱণ, কীর্তন, স্মৰণ, বন্দনৰ আধাৰত প্রসংগৰ কার্যসমূহ সম্পাদিত হয। ধ্যান-ধাৰণা, সমাধিৰে যিদৰে ভগৱৎ-উপাসনাত মন সংযোগ কৰে তেনেদৰে হৃদয স্বৰূপ সত্রৰ নামঘৰত প্রসংগসমূহৰ জৰিযতে উপাসনাৰ সামূহিক পৰিৱেশ সৃষ্টি কৰি সত্রস্থসকলক অধ্যাত্মবাদৰ পথত নিযোগ কৰে আৰু শ্রবণ-কীর্তন কৰোঁতে ভকত-বৈষ্ণৱসকলক আনন্দ প্রদান কৰে। হৃদযৰ প্রশান্তিযে যেনেকৈ শাৰীৰিক সুস্থতা অনাত সহায কৰে তেনেদৰে উপাস্য দেৱতাক কেন্দ্র কৰি চর্চা কৰা চৈধ্য প্রসংগই সত্রৰ আধ্যাত্মিক স্বাস্থ্য ৰক্ষাত ইন্ধন যোগায।

উদৰ ঃ মানৱ শৰীৰ ঈশ্বৰ সেৱাৰ উপযোগী আৰু সক্ষম কৰি ৰাখিবলৈ স্বাস্থ্যৰ চিন্তা একান্ত আৱশ্যকীয দিশ। স্বাস্থ্য ৰক্ষাত আহাৰ মূল উপাদান। ক্ষুধা নিবৃত্তি আৰু তৃপ্তিৰ বাবে আহাৰ উদৰলৈ প্রেৰণ কৰা হয়। উদৰৰ পৰাই শৰীৰৰ বিভিন্ন ইন্দ্রিয়সমূহে নিজ নিজ শাৰীৰিক ক্ষমতা লাভ কৰে। সেইদৰে সত্র শৰীৰ ৰক্ষাৰ বাবে উদৰ স্বৰূপ সত্রৰ ভঁৰাল। সত্রৰ ভঁৰালেই মহাপ্রভুৰ নিত্য নৈমিত্তিক পূজা সম্ভাৰৰ উপচাৰ-প্রসাদ যোগান ধৰে আৰু সত্রস্থ গুৰু, ভকত-বৈষ্ণৱৰ ভৰণ-পোষণৰ ব্যৱস্থা কৰে। অতিথি সেৱা শুশ্রূষাৰ দাযিত্বও সত্রৰ ভঁৰালে গ্রহণ কৰে।

জ্ঞানেন্দ্রিয় ঃ মনুষ্য শৰীৰত সাধাৰণতে পঞ্চ জ্ঞানেন্দ্রিযৰ কথা পোৱা যায়। চক্ষু, শ্রোত্র, নাসিকা, জিহ্বা, ত্বক অর্থাৎ দেখা, শুনা, ঘ্রাণ লোৱা, ৰস আস্বাদন আৰু স্পর্শানুভৱ, এই কার্যসমূহ পঞ্চ জ্ঞানেন্দ্রিযৰ যোগেদি সম্পাদিত হয। ইযাৰ লগতে আৰু এটি অদৃশ্য ইন্দ্রিয়ৰ সংযোগ ঘটে, সি হ'ল মন। মনৰ সৈতে পঞ্চ জ্ঞানেন্দ্রিয়ক সত্রৰ বিশেষ অংগ

ভকতৰ[৩৪] লগত তুলনা কৰা হয়। কিন্তু এই ভকত হ'ব লাগিব কেৱল ভক্তিৰ পর্যায়ৰ। তেনে কার্য জটিল। কম সংখ্যকেহে সেই অৱস্থা লাভ কৰিব পাৰে। সেয়ে ভকতৰ তেনে নিম্নতম সংখ্যাৰ কথা মনত ৰাখিযেই মহাপুৰুষসকলে নির্দিষ্ট ভকতৰ সংখ্যা বাছি থৈ গৈছে। সত্রসমূহত সেই ছজন ভকতৰ আর্হিতেই প্রসংগীয় কর্মত ছজন ভকত নিয়োগ কৰি থৈ গ'ল। সেয়া হ'ল ছজন নাম লগোৱা, ছজন পাঠক, মুখ্য ছজন শ্রৱণী। সত্র প্রতিষ্ঠা কালত পুৱা, মধ্যাহ্ন, বিয়লি আৰু গধুলি এই চাৰিবেলাত প্রসংগ চলিছিল কাৰণে প্রত্যেক ভাগতে অন্ততঃ ছজনকৈ শ্রৱণীয়ে শ্রৱণ-কীর্তনত ভাগ লৈ প্রসংগ সম্পূর্ণ কৰাৰ ধৰা-বন্ধা নিয়ম আছিল। তেনে ব্যৱস্থাকল্পেই পিছলৈ চাৰি বেলা প্রসংগৰ বাবে একেলগে চৌবিছজন শ্রৱণী[৩৫] নিযোজিত হৈছিল। নাম লগোৱা, পাঠক, শ্রৱণীৰ লগত ভাগৱত পাঠ কৰোঁতে বাগীশ, ভাগৱতী আৰু ছজনকৈ গাযন-বাযন, ওজা থাকে। কোনো সত্রত গাযন-বাযন, ওজাৰে প্রত্যেক প্রসংগৰ বাবে সাতজনকৈ প্রসংগীয়া থাকে। প্রত্যেক সাতজনৰ ভিতৰত একোজনকৈ বৰ-বায়ন আৰু বৰ-ওজা থাকে। ছজন নাম লগোৱা আৰু ছজন পাঠকৰ ভিতৰতো এজন বৰ-নাম লগোৱা আৰু এজন বৰ-পাঠক থাকে। মনসহ পঞ্চ জ্ঞানেন্দ্রিযৰ দৰে ছয় সংখ্যাৰ প্রসংগীযা ভকতসকলে জ্ঞানেন্দ্রিয় স্বৰূপ স্ব-কার্য সম্পন্ন কৰি সত্রৰ লক্ষ্যগত উদ্দেশ্য পৰিপূৰণ কৰে। সেই আর্হিৰে চলা সত্রসমূহৰ ভকতসকলে ভকতৰ সংজ্ঞাৰ স্বৰূপ লাভ কৰিব নোৱাৰিলেও অভ্যাসধর্মী ব্যৱস্থাৰে সত্রীযা জীৱন যাপন কৰিবলৈ চেষ্টা কৰে।

কর্মেন্দ্রিয় ঃ মানৱ শৰীৰত বাক্, পানী, পাদ, পাযু, উপস্থ এই পঞ্চ কর্মেন্দ্রিয় স্বচ্ছল হৈ থাকে। এই পঞ্চ কর্মেন্দ্রিয়ৰ যোগেদি শৰীৰ কর্মক্ষম হৈ থাকে। এই পঞ্চ কর্মেন্দ্রিযৰ লগত সত্রৰ চাৰি হাটীত থকা বৈষ্ণৱসকলক তুলনা কৰা হয। নাম-প্রসংগ, পূজা-অর্চনা আৰু সাহিত্য, সংগীত, নৃত্য, স্থাপত্য, ভাস্কর্য আদি কলাসমূহৰ যোগেদি সত্রৰ পূর্ণাৱযব স্বৰূপ নির্ণয়ৰ ভাৰ বৈষ্ণৱসকলৰ ওপৰতে বর্তে। সাংস্কৃতিক জীৱন-যাত্রাৰে সত্রৰ যি কোনো বিষয়ৰ বাবে নিজকে উপযুক্তৰূপে গঢি তুলিবলৈ চেষ্টা কৰা বৈষ্ণৱজনৰ প্রাথমিক কর্তব্য। ব্যক্তিগত আৰু সামূহিক কর্তব্য পালন কৰি ভগৱৎ উপাসনাত আত্ম-

---

৩৪ ভক্তৰ পৰাই 'ভকত' শব্দ উৎপত্তি হ'লেও সত্রীযা জীৱন পদ্ধতি মানি সত্রত থকা সকলক ভকত বুলিহে পৰিচয দিয়া হয। ভকতীযা ব্যাখ্যা অনুসৰি ঃ "ভ শব্দে ভগৱন্ত ভৱবিমোচন, ভঞ্জন ভক্তিয়ে হোৱন্ত সিজন, ক শব্দে ভজি পৱিত্র পৰম, আত্মাকো মানন্ত কৃষ্ণ সমস্ততে সর্ম ত শব্দে তৰণৰ উপায় শৰণ, হৃদয় পদ্মত ধৰি কৃষ্ণৰ চৰণ, সিজন ভকত বুজি জানিবা নিশ্চয়, নিজ পুৰুষক সিটো উদ্ধাৰ কৰক।
ভকত ছজন — উদ্ধৱ, মৈত্রেয়, জাম্বৱন্ত, বিভীষণ, হনুমন্ত, বিদুৰ।

৩৫ এনে অর্থতেই ছৱৰা শ্রৱণী শব্দ ব্যৱহাৰ কৰা হয়। প্রৱণী নামৰ সত্রও মহাপুৰুষে প্রতিষ্ঠা কৰি থৈ গৈছে। শ্রৱণী সত্র বর্তমানে নগাঁৱত আছে।

নিয়োগ কৰা বৈষ্ণৱজনৰ লক্ষ্য আৰু উদ্দেশ্য। বৈষ্ণৱ সংজ্ঞাৰ অন্তর্ভুক্তিৰেহে ভকতৰ চৰম অৱস্থা লাভ হ'ব পাৰে। যি আচৰণে ভকত-বৈষ্ণৱৰ প্রাথমিক সংজ্ঞা নিৰূপণ কৰে সেই মুখ্য আচৰণীয় কর্তব্যৰ বিষয়ে সাত্বত তন্ত্রত ইযাৰ স্পষ্ট ব্যাখ্যা দিযা আছে।[৩৬] মুখেৰে হৰিনাম উচ্চাৰণ, কাণেৰে ভগৱৎ-লীলা শ্রৱণ, হাতেৰে ভগৱানৰ প্রতিমাদিৰ অর্চন, জিভাৰে ভগৱন্তৰ নৈৱেদ্যৰ প্রসাদ গ্রহণ, নাসিকাৰে নির্মাল্যৰ সুঘ্রাণ গ্রহণ, চক্ষুৰে বিষ্ণু আৰু ভক্তৰ ৰূপ নিৰীক্ষণ, মন আৰু হৃদযত ভগৱন্তৰ ৰূপ চিন্তন, পদেৰে বিষ্ণুক্ষেত্রলৈ গমন আৰু বাচিকৰ সাহায্যত নাম মন্ত্র উচ্চাৰণ কৰিব লাগে। এইদৰে পঞ্চমেন্দ্রিয় আৰু জ্ঞানেন্দ্রিযৰূপী ভকত-বৈষ্ণৱে ব্যক্তিগত তথা সত্রৰ আনুষ্ঠানিক কর্মসমূহ সম্পাদন কৰে।

প্রাণবায়ু ঃ সত্রৰ অন্তিম অথচ সবাতোকৈ মহত্বপূর্ণ অংশ মানৱ শৰীৰৰ দৰে প্রাণবাযু স্বৰূপ সত্রখনৰ বিৰাট শিষ্যমণ্ডলী। শিষ্যমণ্ডলীৰ ঐকান্তিক আস্থা আৰু সহায-সহানুভূতিতহে সত্রানুষ্ঠানসমূহ জীৱন্ত হৈ আছে। শিষ্যবর্গ তথা সত্রানুৰাগী ৰাইজৰ পোনপটীয়া দান-বৰঙণি তথা আন্তৰিক শ্রদ্ধা সত্র সজীৱ হৈ থকাৰ মূল সম্বল। সত্র আৰু শিষ্যমণ্ডলীৰ সম্বন্ধ পৰস্পৰ নির্ভৰশীল হ'লেও শিষ্যবৃন্দহে সত্রৰ সঞ্জীৱনী শক্তি। সত্রৰ এই ব্যাখ্যা ভক্তসকলৰ বাবে অনুষ্ঠানটিৰ গুৰুত্ব আৰু মহত্ত্ব-নির্দেশক স্বৰূপে নিণীত হৈ আহিছে।

৩. সংহতি অনুযায়ী সত্রসমূহৰ বিভাজন আৰু সত্র অনুষ্ঠানৰ বিস্তাৰ

সংহতি শব্দৰ অর্থ সংযোগ বা সম্মিলন [সম+ হিন + তি (জিন)- ভা]। বৈষ্ণৱ সত্রসমূহৰ মাজত শংকৰদেৱৰ পৰৱর্তী কালত চাৰিটা সংহতি হোৱা বুলি কোৱা হয। এই সংহতি নিজৰ নিজৰ পৃথকতাৰ ভিত্তিত হোৱা একোটা গোটৰ সমার্থক। অসমত সম্হতি শব্দ লৌকিক ৰূপত 'সংঘতি' স্বৰূপেও ব্যৱহৃত হৈ আছে।[৩৭] শংকৰদেৱৰ প্রযাণৰ পিছত সম্প্রদায, কাষ্ঠা আৰু আচাৰভেদে সংহতি বিভাজনৰ সূত্রপাত হয। ঘাইকৈ আই কনকলতাৰ সমযৰ পৰাহে সংহতি বিভাজন বহু পৰিমাণে স্পষ্ট হয।[৩৮] গুৰু, দেৱ, নাম, ভকত এই চাৰি প্রধান আধাৰৰ আগ-পিছৰ পৃথকতা সংহতি ভেদে স্বীকৃত হ'ল। অর্থাৎ ঘাঁই আধাৰ বস্তুৰ এটি বা দুটিৰ ওপৰত বিশেষ গুৰুত্ব দি নিযম-নীতি প্রচলন কৰাৰ বাবে ক্রমে ব্রহ্ম সংহতি, পুৰুষ সংহতি, কাল সংহতি আৰু নিকা সংহতি নামেৰে নামাংকিত হ'ল। নিজৰ নিজৰ সংহতি তথা সম্প্রদাযৰ ওপৰত অধিক

---

৩৬ সাত্বত সত্র, চতুর্থ পটল, শ্লোক ২৫ ৩০, পৃঃ ২৪, ২৫

৩৭ মহেশ্বৰ নেওগ, অসমৰ ধর্মৰ বুৰঞ্জী ঃ আদ্ধাৰ আৰু পোহৰ, পৃঃ ৪৬

৩৮ মহেশ্বৰ নেওগ, শ্রীশ্রী শংকৰদেৱ, পৃঃ ২০১, ২০২

গুৰুত্ব দিয়াৰ বাবে নিয়ম-নীতি, আচাৰ-প্রণালীয়েও কিছু পৃথক ৰূপ ল'লে। পাৰস্পৰিক সান্নিধ্য সততে নোহোৱাৰ বাবেও নিয়ম-নীতিসমূহত পৃথকতা আৰম্ভ হ'ল। অৱশ্যে এইটো কথা বিশেষভাৱে উল্লেখ কৰিব পাৰি যে স্ব-ভাৱে সংহতি অনুযায়ী সত্র প্রতিষ্ঠিত হ'লেও সত্র অনুষ্ঠানৰ মূল লক্ষ্য আৰু উদ্দেশ্যৰ পৰা কোনো সত্রানুষ্ঠান আঁতৰি অহা নাই। তেনে লাক্ষণিক উদ্দেশ্য বর্তমান সত্রসমূহতো যে একেধাৰেই আছে সত্রসমূহৰ বর্তমান স্থিতিযেই সেই কথা প্রমাণ কৰে। পিছৰ পর্যায়ত হোৱাৰ দৰে একোখন পূর্ণাৱয়ব সত্র প্রতিষ্ঠা শংকৰদেৱৰ দিনত নহ'লেও শংকৰদেৱে সত্রীয়া আৰ্হিৰ যি অনুষ্ঠান পাতি মূল নিদর্শন দেখুৱাই থৈ গৈছিল সেই আৰ্হিতে গুৰু, দেৱ, নাম, ভকতৰ প্রয়োজন আৰু প্রযোগ স্বীকৃত হৈ আহিছে। চৰিত পুথিযে শংকৰদেৱৰ দ্বাৰা যি দেৱ গৃহ[৩৯] সজাৰ কথা উল্লেখ কৰিছে সেই শব্দই উপাস্য দেৱতা থকাৰ স্থান আৰু দেৱৰ স্থিতিৰ কথা নির্দিষ্ট কৰি দেখুৱাই দিছে। শংকৰদেৱে নির্গুণ কৃষ্ণক উপাসনা কৰিবৰ বাবে ভাগৱত গ্রন্থকে প্রতিষ্ঠা কৰাৰ আৰ্হি স্থাপন কৰি গ'লেও কৰোলা বাটৰ দ্বাৰা মদন গোপাল মূর্তি নির্মাণ কৰি সেই মূর্তি প্রতিষ্ঠা কৰাৰ কথাও এই প্রসংগত উল্লেখযোগ্য।[৪০] অসমৰ ব্রহ্ম সংহতি আৰু পুৰুষ সংহতিৰ অনেক সত্রত ভাগৱতৰ উপৰিও মহাপ্রভুৰূপে বিগ্রহ

(ক) 'দেৱগৃহ' শব্দৰ ব্যৱহাৰ চৰিতপুথিত পোৱা হৈছে।
শংকৰে বোলন্ত ভাই শুনিযোক ধাম ৰাই
দেৱগৃহ সাজিয়ো যতনে।
হেন কথা শুনিলন্ত সত্রগৃহ সজাইলন্ত
ৰামৰাই মহা ৰঙ্গমনে।। — ভূষণদ্বিজ, শ্রীশ্রীদামোদৰদেৱ, পদ ১৫৭, পৃঃ ৩৬
(খ) নীলকণ্ঠ দাস, শ্রীশ্রী দামোদৰদেৱ চৰিত্র, পদ ১৫, ১৬, পৃঃ ৫

(ক) শংকৰদেৱৰ বাক্যে কৰলা বাটই
প্রতিমা সাজিবে লৈলা তেতিক্ষণে গই।।
০০০ ০০০ ০০০
ভৈলা মহোৎসৱ প্রাণ প্রতিষ্ঠা কৰিলা।
মদন গোপাল নাম প্রতিমাৰ দিলা।।
ৰামচৰণ ঠাকুৰ, গুৰু চৰিত, পদ ১২৯৯, ২৩০৮, পৃঃ ৫০০, ৫০২
(খ) কাৰোলা বাটৈক পাছে বুলিলা বচন।
হৰিমূর্তি প্রতিমাক কৰিবো থাপন।।
দাৰুময কাষ্ঠৰ প্রতিমা সাজিযোক।
তাক দেখি সর্বলোকে হৰিক জানোক।।
০০০ ০০০ ০০০
শুনিযা কাৰোলা বাটে ৰংগ কৰি মন।
সাজিলা প্রতিমা পাচে কৰি বিতোপন।।
০০০ ০০০ ০০০
এহিমতে ঈশ্বৰৰ মূর্তি প্রতিমাক।
থাপিলা শংকৰদেৱে জীৱ তাৰিবাক।।
ৰমানন্দ দ্বিজ, শ্রীগুৰু চৰিত, পদ ৬১৬, ৬১৭, ৬১৯, ৬৭৬, পৃঃ ১৫৯, ১৮১
(গ) গুৰুচৰিত কথা, সম্পা মহেশ্বৰ নেওগ, পৃঃ ৫২৪, ৫২৫ (ঠ)

প্রতিষ্ঠা কৰাৰ আৰ্হি পালিত হৈ আহিছে। গুৰু চৰিত কথা মতে শংকৰদেৱে মূর্তি নির্মাণ কৰাই যেতিয়া হোম-স্নান-পূজা আদিৰে প্রাণ প্রতিষ্ঠা কৰি কীর্তন ঘৰত মূর্তি স্থাপন কৰিলে তেতিয়া ব্রাহ্মণসকলে কাঠৰ মূর্তি কৰোলা বাটেযে কটা বুলি সন্দেহ কৰা দেখি শংকৰদেৱে নিজে সেই মূর্তিক সেৱা কৰাৰ প্রসংগও উল্লেখযোগ্য।[৪১] কীর্তন-মন্দিৰ বা হৰিগৃহত বহি ভকতসকলৰ সৈতে নাম গোৱা আৰু প্রসংগ কৰা ব্যৱস্থাই নাম আৰু ভকতৰ প্রযোজনীয়তাৰ ওপৰত গুৰুত্ব দিছে।[৪২] শংকৰদেৱে দেৱগৃহ, কীর্তন-ঘৰ আদি স্থাপন কৰি তাত নাম-প্রসংগ কৰা আৰু ভকতসকল থকাৰ সু-ব্যৱস্থা লোৱা চৰিত পুথিত উল্লেখ আছে। ৰামচৰণ ঠাকুৰে ভকতৰ ঘৰ সজোৱাৰ বিষযে তেওঁৰ দ্বাৰা প্রণীত চৰিত পুথিত উল্লেখ কৰি গৈছে।[৪৩] দেৱ, নাম, ভকত এই তিনি আধাৰৰ লগত আৰু এক মূল সংযোজন হ'ল গুৰু। এই চাৰি আধাৰে মূল স্থিতি নির্ণয় কৰে। পৰমতত্ত্বৰ অনুসন্ধান আৰু প্রণালীবদ্ধ শিক্ষাৰ বাবে গুৰুৰ স্থান সত্র অনুষ্ঠানত অত্যন্ত গুৰুত্বপূর্ণভাৱে বিবেচিত হয। ঐহিক আৰু পাৰলৌকিক জীৱনৰ নির্দিষ্ট পথ প্রদর্শনত সত্রৰ আনুষ্ঠানিক পৰিৱেশত গুৰু মুখ্য বিচাৰক আৰু নিশ্চযাত্মক সিদ্ধান্ত দিওঁতা, সেযে গুৰুৰ এনে প্রযোজনীযতাৰ কথা স্বীকাৰ কৰি শংকৰদেৱে নিজৰ ৰচনাৰ বিভিন্ন স্থানত গুৰুৰ কথা উল্লেখ কৰি থৈ গৈছে। 'শংকৰদেৱৰ গুৰু' এই বিষযটো এটি বিবদমান বিষয হ'ব পাৰে। কাৰণ শংকৰদেৱে তেওঁ কোনো গুৰুৰ শিষ্যত্ব গ্রহণ কৰাৰ কথা নির্দিষ্টকৈ উল্লেখ কৰা নাই। অৱশ্যে তেওঁৰ ছাত্রাৱস্থাৰ গুৰু মহেন্দ্র কন্দলিৰ নাম এই প্রসংগতে উল্লেখ কৰিব পাৰি। কিন্তু আধ্যাত্মিক জীৱনত গুৰুৰ গুৰুত্ব তেওঁ বিভিন্ন স্থানত দেখুৱাই থৈ গৈছে। নিমি নৱসিদ্ধ সংবাদত উপদেশদাতা গুৰুক হৰি বুলি মানিবলৈ দিযা উপদেশ উল্লেখযোগ্য।[৪৪] অর্থাৎ গুৰু ঈশ্বৰৰ তুল্য— এই ভাব প্রকাশ কৰি গৈছে। "গুৰুৰ

---

[৪১] উল্লিখিত, পৃঃ ৫২৫ (ঠ)

[৪২] পাত বাউসিত দেৱ শংকৰ ৰহিলা।
কীর্তন মন্দিৰ এক তথাতে সাজিলা।।
বাণীসৰ জিনি পদ্মু নির্মল কৰিলা।
কামৰূপ মধ্যে ভকতিক প্রৱর্তাইলা।।
ঈশ্বৰ মূর্তিক থাপি প্রসঙ্গ কৰন্ত।
ভকতি প্রচাৰি দেৱ তৈতে থাকিলন্ত।।
নীলকণ্ঠ দাস, শ্রীশ্রীদেৱদামোদৰ চৰিত্র, পদ ১৫, ১৬, পৃ° ৫

[৪৩] ৰামচৰণ ঠাকুৰ, গুৰুচৰিত, পদ ২৮০৪, পৃঃ ৬০১

[৪৪] উপদেশ দাতা যিটো গুৰু থাকে
তাক্ক হৰি বুলি মানে ।
শংকৰদেৱ, নিমি-নৱসিদ্ধ সম্বাদ, পদ ৫৭

চৰণে মন কৰি শিৰোগত"[৪৫], "গুৰুৰ চৰণে মন শিৰোগত কৰি"[৪৬], "গুৰুৰ চৰণ মনে নমস্কাৰ কৰি"[৪৭] শংকৰদেৱৰ ৰচনাত পোৱা এনে উল্লিখনসমূহেই গুৰুৰ গুৰুত্ব বুজোৱাৰ বাবে যথেষ্ট বুলি বিবেচিত হ'ব পাৰে। এনে উদ্ধৃতিসমূহৰ যোগেদি শংকৰদেৱে গুৰু স্বীকাৰ কৰাৰ কথা প্রতীযমান হয়। কিন্তু সেই গুৰু কোন তাৰ নির্দিষ্ট পৰিচয় বা নাম উল্লেখ নাই। গুৰু চৰিত কথাত শংকৰদেৱৰ গুৰুৰ বিষয় উহ্য ৰখা হৈছে যদিও কথা চৰিততে শংকৰদেৱে কোৱা "আমিও ভাবিছোঁ সর্বতত্ত্ব ভকতক মই গুৰু মানো ভকত গুৰুত পৰে আনক নাজানো" কথা ফাঁকি উল্লেখযোগ্য। কিন্তু মাধৱদেবেহে গুৰুৰ প্রকাশ বিশেষভাৱে কৰিছে বুলি কোৱা হৈছে। মাধৱদেৱে শংকৰৰেক লগ পোৱাৰ সময়ৰ পৰা তেওঁৰ নিজস্ব গুৰুৰ পৰিচয দাঙি ধৰিলে। কিন্তু শংকৰদেৱৰ গুৰু পৰিচয গুপ্ত হৈযে থাকিল।[৪৮] ইযাৰ পৰা এই কথা ভাবিব পাৰি যে নামদেব, জ্ঞানদেৱ, তুকাৰাম, মীৰাবাঈ, নানক, তুলসীদাস, কবীৰ, চৈতন্যদেৱৰ দৰে শংকৰদেৱেও স্বোপার্জিত জ্ঞান আৰু বোধ আশ্রয কৰি মার্গ দর্শন কৰাই থৈ গ'ল। এই ক্ষেত্রত জগন্নাথ ক্ষেত্রৰ পৰা শংকৰদেৱলৈ জগদীশ মিশ্রৰ যোগেদি পোনপটীযাকৈ প্রেৰিত হোৱা ভাগৱত গ্রন্থই এনে ধাৰণা আনি দিযে। এনে সম্পর্কৰ যোগেদি জগন্নাথকেই তেওঁ গুৰু মানি শিৰ দোঁবাইছিল[৪৯] বুলি কৰা ধাৰণাও প্রতীযমানযোগ্য। কিন্তু ধর্ম প্রচাৰত গুৰুৰ গুৰুত্ব স্বীকৃত হৈ অহা হেতু বৈষ্ণৱ ধর্ম প্রচাৰৰ অন্যতম মাধ্যম সত্র অনুষ্ঠানৰ গুৰু, দেৱ, নাম, ভকত এৰাব নোৱৰা বিষয। উল্লেখ কৰা হৈছে যে প্রত্যেকটি আধাৰত দিযা গুৰুত্বৰে সংহতিসমূহ সৃষ্টি হ'ল। দেৱ আৰু নামত গুৰুত্ব দিযা ব্রহ্ম সংহতিৰ সত্রসমূহত সাকাৰ মূর্তি অর্চনাৰ যোগেদি হোৱা প্রসংগ-কার্য মূল বিষয়। উপাস্য বিগ্রহেই সত্রখনিৰ আধাৰ শক্তি। বিগ্রহৰ নামতেই সত্রৰ সকলো স্থাৱৰ-অস্থাৱৰ সম্পত্তি উছর্গিত হয় আৰু সত্রৰ পৰিচালনা কার্য চলে। ব্রহ্ম সংহতিৰ মূল ব্রহ্ম শব্দৰ ভাৰতৰ বৈষ্ণৱ সম্প্রদাযৰ অন্তর্ভুক্ত 'ব্রহ্ম সম্প্রদায'ৰ লগত বিশেষ সম্পর্ক থকা বুলি ধাৰণা কৰা হয।[৫০] ভাৰতীয় বৈষ্ণৱ সম্প্রদাযৰ চাৰিটা শ্রেণী আছিল শ্রী, ব্রহ্ম, ৰুদ্র,

---

৪৫ শংকৰদেৱ, অনাদি পাতন, পদ ৫

৪৬ শংকৰদেৱ ৰুক্মিণীহৰণ কাব্য, পদ ৪

৪৭ শংকৰদেৱ, উত্তৰাকাণ্ড ৰামাযণ, পদ ৩

৪৮ "ভাগৱত সম্বন্ধঃ সহস্র নামৰ নাম ঃ গীতাৰ একশর্ন্ন এই তিনটি বস্তু বেক্ত কৈলে। সিটো গুপ্তে ৰাখিছিল, চোট আতাপাই বেলগুৰিত প্রচাৰিলে।"
গুৰু চৰিত কথা, সম্পা মহেশ্বৰ নেওগ, পৃঃ ২৯, কথা ৭১

৪৯ মহেশ্বৰ নেওগ, পূর্বোল্লিখিত, পৃঃ ৩১, ৬১

৫০ নীলকণ্ঠ দাস, পূর্বোল্লিখিত, সম্পা শৰৎ চন্দ্র গোস্বামী, পাতনি, পৃঃ ৪১

সনকাঃ।[৫১] ব্রহ্মা ইযাৰ অন্তর্ভুক্ত। ব্রহ্মা সংহতিত ব্রাহ্মণ্য কর্মৰ নিযম-নীতিৰ প্রাধান্য থাকে। এই ব্রহ্মা সংহতিৰ প্রথম প্রৱর্তক দামোদৰদেৱ। সহযোগী হৰিদেৱ। এই দুই ধর্মাচার্যৰ যোগেদিযেই এই সংহতিযে নিজস্ব ৰূপ লাভ কৰে। পৰৱর্তী কালত দামোদৰদেৱ আৰু হৰিদেৱক কেন্দ্র কৰি বিকাশ হোৱা সত্রসমূহৰ সমষ্টিগত স্থিতিযেই সংহতিৰূপে লোক সমাজত পৰিচয লাভ কৰে।

ব্রহ্মাৰ প্রভূত শক্তি স্বীকাৰ কৰা আন এটি সম্প্রদায হ'ল পুৰুষ সংহতি। ব্রহ্মাৰ আন এক নাম পুৰুষ। তেনে নামৰ পৰাই পুৰুষ সংহতি নামকৰণ হ'ব পাৰে। এই সংহতিত ব্রহ্মাৰ প্রাধান্যৰ লগত নামৰ প্রতিও বিশেষ আস্থা থাকে। শংকৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰৰ পৰা এই সংহতিৰ নামকৰণ হোৱা বুলিও সেই সম্প্রদাযৰ বৈষ্ণৱসকলৰ মাজত বিশেষ প্রচাৰ আছে।[৫২]

গুৰুৰ প্রাধান্যৰ ওপৰত সৃষ্টি হোৱা সংহতিক কাল সংহতি বোলা হয। গুৰু ব্রহ্মা অভিন্ন, গুৰু ব্রহ্মা প্রাপ্তিৰ মূল মাধ্যম। ব্রহ্মাৰ আন এটা নাম কালপুৰীযা নাৰাযণ। এই কালপুৰীয়া শব্দৰ পৰাই এই সংহতিৰ নাম কাল সংহতি হোৱাৰ ইংগিতো বিচাৰযোগ্য হ'ব পাৰে। তদুপৰি ধর্মীয় সম্পর্ক বিচাৰিবৰ যত্নও কোনোৱে কৰিব পাৰে। এই সংহতিৰ মূল প্রৱর্তক ভৱানীপুৰীযা গোপাল আতা। গোপাল আতাৰ ধর্ম প্রচাৰৰ কেন্দ্রস্থল কালঝাৰ হোৱা বাবে তাৰ নামকৰণতে 'কাল' শব্দৰ প্রযোগ ঘটিছে বুলি কৰা বিচাৰেই অধিক প্রণিধানযোগ্য।[৫৩] এই সংহতিৰ অনুগামীসকলে গুৰুৰ চৰণত মস্তক অর্পণ কৰি আদর্শ অনুসৰি কার্য কৰিবলৈ সংকল্পবদ্ধ হয।

নিকা সংহতিত নাম আৰু ভকতৰ ওপৰত গুৰুত্ব দি আচাৰ-ক্রিয়া কঠোৰভাৰে পালন কৰা হয। নিকা শব্দৰ অর্থ নির্মল, পৰিষ্কাৰ, পৰিত্র। পৰিত্র আৰু নৈষ্ঠিকভাৰে নাম আৰু ভকতক আশ্রয কৰি ব্রহ্মাতত্ত্বৰ কাষ চপা নিকা সংহতিৰ ঘাই লক্ষ্য। এই সংহতিৰ এক প্রধান বিচাৰ হ'ল বাহ্যাভ্যন্তৰ শুচিত অধিক গুৰুত্ব দিযা। অর্থাৎ দৈহিক আৰু মানসিক শুদ্ধতাত কঠোৰ নীতি পালন কৰা হয। যেনে, খোৱা-বোৱা কার্য, স্পর্শাস্পর্শ আদিত বিশেষ গুৰুত্ব দিযা হয। এই বিচাৰত আত্ম-শুদ্ধিৰ ভাব জড়িত হৈ থাকে। মাধৱদেৱৰ আজ্ঞা অনুসৰি ধর্ম প্রচাৰত ব্রতী

---

৫১ ৰামানুজং শ্রীঃ স্বীচক্রে মধ্বাচার্য্যং চতুর্মুখঃ।
শ্রীবিষ্ণুস্বামিনং রুদ্রো নিম্বাদিত্যং চতুঃসনঃ।।
উল্লিখিত গ্রন্থ, পাতনি, পৃঃ ৪১
তুঃ শৰণসংহিতা ভূমিকা সম্পা উমাকান্ত গোস্বামী, পৃঃ ৯৪

৫২ কেশৱানন্দ দেৱগোস্বামী, সত্র সংস্কৃতিৰ ৰূপৰেখা, পৃঃ ৪

৫৩ S N Sarma NVMSIA পৃঃ ৮৫
কাল চক্রযানৰ কথা একেখন গ্রন্থতে উল্লেখ কৰা আছে, পৃঃ ৭০

হোৱা বদুলা পদ্ম আতা আৰু মথুৰা দাস বুঢ়া আতা এই সংহতিৰ প্রৱর্তক।

গুৰু, দেৱ, নাম, ভকতৰ ভিত্তিত সংহতিসমূহৰ বিভাজন হ'লেও প্রত্যেক সংহতিৰ পালনীয় নীতি আৰু কর্মৰ যোগেদি ভক্তি ধর্ম অনুসৰণ মার্গ প্রতিষ্ঠা হৈছে। ভক্তিৰ যোগেদি সকলোকে ব্রহ্মময় ৰূপত দেখিব পৰা বোধলৈ লৈ যোৱা সত্রসমূহৰ একমাত্র লক্ষ্য। এই চাৰি সংহতিৰ যোগেদিযেই অসমত বিভিন্ন সত্র প্রতিষ্ঠিত হয় আৰু ইয়াৰ বিস্তৃতি ঘটে। মুখ্যতঃ চাৰি সংহতিৰ সত্রসমূহক আৰু দুটা ভাগত ভাগ কৰা হয়, দামোদৰীয়া আৰু মহাপুৰুষীয়া। সহজ পৰিচয়ৰ বাবে দামোদৰদেৱৰ আজ্ঞাপৰ সত্রসমূহক দামোদৰীযা আৰু শংকৰদেৱৰ মতাদর্শৰে মাধৱদেৱৰ আজ্ঞাপৰ সত্রসমূহক মহাপুৰুষীয়া বোলা হয। দামোদৰদেৱৰ আজ্ঞাপৰ শিষ্যসকলে ব্রহ্ম সংহতিৰ সত্রসমূহ প্রতিষ্ঠা কৰিলে। আনহাতে মাধৱদেৱৰ পোনপটীযা চেষ্টাত আৰু আজ্ঞা লৈ প্রধান আচার্যসকলে যি সত্র প্রতিষ্ঠা কৰিছিল সেই সত্রসমূহক মহাপুৰুষীয়া সত্র বুলি কোৱা হয়। অৱশ্যে এই নামকৰণ সংহতি ভিত্তিক নহয়। শংকৰদেৱৰ প্রচাৰিত ধর্মৰ যি লক্ষ্য আৰু উদ্দেশ্য আছিল পিছলৈ কেৱল পালনীয় নিয়ম-নীতিতহে বিশেষকৈ দামোদৰদেৱ আৰু মাধৱদেৱৰ ক্ষেত্রত কিছু পৃথকতা ঘটিল। আগতেই কৈ অহা হৈছে যে শংকৰদেৱৰ পিছতহে সংহতি বিভাজন আৰু এনে ধৰণৰ ভাগবিলাক প্রকট হৈ পৰিল।

ব্রহ্ম সংহতিৰ সত্র ঃ পাটবাউসীত দামোদৰদেৱে প্রতিষ্ঠা কৰা সত্রখনিয়েই ইয়াৰ প্রথম আৰ্হি। সত্রানুষ্ঠান প্রতিষ্ঠা কৰি বৈষ্ণৱ ধর্ম প্রচাৰ কৰিবৰ নিমিত্তে দামোদৰদেৱে প্রথমতে পাটবাউসী স্থানকে কেন্দ্র কৰি লৈছিল। তাৰ পৰাই বিভিন্ন ঠাইত ধর্ম প্রচাৰ তথা সত্র প্রতিষ্ঠাৰ বাবে তেওঁ নিজৰ শিষ্যসকলক নিয়োগ কৰিছিল। প্রথমতে মুখ্য আঠজন শিষ্য তথা প্রধান আচার্যক এই দায়িত্ব অর্পণ কৰিছিল। সময়ৰ কিছু অগা-পিছা হ'লেও একেখিনি সময়তে যিসকল শিষ্যই নিজ নিজ দায়িত্ব পালন কৰিছিল সেইসকলৰ ভিতৰত সন্তদেৱ, ভগৱানদেৱ আৰু ভট্টদেৱ প্রধান। নীলকণ্ঠ দাসৰ চৰিত পুথিয়ে এইসকলৰ নাম বিশেষভাৱে উল্লেখ কৰিছে[৪৪]। কামৰূপৰ ভিতৰতেই চাৰিওদিশ সামৰি প্রং,মতে এই আচার্যসকলে সত্র প্রতিষ্ঠাৰ কাম হাতত লৈছিল। তাৰ ভিতৰত কামৰূপৰ বাহিৰে অসমৰ পশ্চিম সীমান্ত বেহাৰত বলদেৱে আৰু উজনি অসমত বংশী গোপালদেৱে ধর্ম প্রচাৰ কৰি সত্রৰ বিস্তৃতি ঘটায়। কামৰূপৰ দক্ষিণ অংশত পলাশবাৰী অঞ্চলৰ গৈৰেমাৰিত সন্তদেৱে, উত্তৰ দিশত পাটছাৰকুছিৰ ওচৰৰ নিমিষাত ভগৱানদেৱে সত্র প্রতিষ্ঠা কৰে। বর্তমান এই সত্রৰ নাম গোৱিন্দপুৰ। দক্ষিণ অঞ্চলত সন্তদেৱৰ পৰা পিছলৈ বঢ়া সত্র হ'ল আমৰাঙা, নহিৰা, খিদিৰ-পুখুৰী আদি।

---

৪৪ নীলকণ্ঠ দাস, পূর্বোল্লিখিত, পদ ৬০২, ৬০৩, ৬০৪, পৃঃ ১৫৩

কামৰূপৰ পূব দিশত নলবাৰী গোপালমিশ্রই পতা সত্র হ'ল খুদিযা সত্র। পূব দিশৰ সেই সময়ৰ আৰু এখন প্রসিদ্ধ সত্র হ'ল মনোহৰদেৱে প্রতিষ্ঠা কৰা ক্ষেত্রী অঞ্চলৰ পালোৱা সত্র। পাতি-দৱঙৰ লোচত অর্জুনদেৱে সত্র পাতে। তেওঁৰ পৰা বঢা আন দুখন সত্র হ'ল বালিকুছি আৰু ৰণস্থলী। দামোদৰদেৱে যেতিযা পাটবাউসী এৰি বিজয় নগৰলৈ যাত্রা কৰে তেতিযা বিজয নগৰৰ পৰা বেহাৰলৈ গৈ ৰজা লক্ষ্মীনাৰাযণৰ সহাযত তৰুৱাধাপ নামৰ ঠাইত দামোদৰদেৱে সত্র পাতে[৫৫]। এইখন সত্রতেই থাকি পিছলৈ দামোদৰদেৱৰ আজ্ঞা পোৱা বলদেৱে আৰু তেওঁৰ সহযোগী পৰমানন্দই সত্র পৰিচালনা কৰি সেই অঞ্চলত ধর্মপ্রচাৰ চলায। দামোদৰদেৱৰ প্রযাণৰ এবছৰৰ আগত ভট্টদেৱক পাটবাউসী সত্রৰ অধিকাৰ পাতে[৫৬]। ভট্টদেৱে সেই সত্র পৰিচালনা কৰে। ইয়াৰ কিছুদিনৰ পিছত ভট্টদেৱে ব্যাসকুছিত আৰু এখন সত্র পাতে। দুযোখন সত্রৰে পৰিচালনাৰ দাযিত্ব ভট্টদেৱে নিজে লৈছিল। ভট্টদেৱৰ মৃত্যুৰ পিছত পাটবাউসীত তেওঁৰ ভতিজা-নাতি ভানুদেৱ বিশাৰদ আৰু ব্যাসকুছিত সৰুজন ভতিজাক গঙ্গাধৰ অধিকাৰ হয়। ভানুদেৱ বিশাৰদৰ ভাযেক মুকুন্দদেৱে বেলেগে পাটবাউসীৰ ওচৰতে কেওঁটকুছিত সত্র পাতে[৫৭]। দামোদৰদেৱৰ পোনপটীযা আজ্ঞা লৈ নামনি অসমত আৰু কেইজনমান শিষ্যই ধর্মপ্রচাৰ কৰাৰ লগতে সত্র প্রতিষ্ঠা কৰি থৈ যায[৫৮]। তাৰ ভিতৰত দামোদৰদেৱৰ সঙ্গী বৈষ্ণব বুলি পৰিচিত কৃষ্ণানন্দই দিহিনাত সত্র পাতি ভক্তি ধর্মৰ প্রচাৰ কার্য চলায। এই দিহিনা সত্র বর্তমান হাজো অঞ্চলত। দামোদৰদেৱৰ পাটবাউসী সত্রৰ ভাগৱতী পদত থকা পঞ্চানন ভাগৱতীযে হাজো অঞ্চললৈ হাঁহদিযাত সত্র স্থাপন কৰে। তিলাৰায কাইথ নামৰ এজন ৰাজকর্মচাৰীযে দামোদৰদেৱত শৰণ লৈ কামৰূপ জিলাৰ বৰকুৰিহা গাঁৱত সত্র পাতে। এযে হ'ল আলগা সত্র। বৈকুণ্ঠপুৰত দামোদৰদেৱৰ সঙ্গী হৈ থকা কেশৱ কাযস্থই পিছলৈ বজালী অঞ্চলৰ ৰতনপুৰত সত্র প্রতিষ্ঠা কৰে। দামোদৰদেৱৰ সত্রৰ আৰু দুগৰাকী মুখ্য বৈষ্ণৱ কপিলদেৱ আৰু শিৰোমণিদেৱ। এওঁলোকে পাকা শিলডুবি নামৰ সত্র পাতে। ইযাৰ বাহিৰেও নামনি অসমত প্রতিষ্ঠা হোৱা ব্রহ্ম সংহতিৰ আৰু কেইখনমান উল্লেখযোগ্য সত্র হ'ল নাৰদৰ উলাবাৰী, মধু আতাৰ দু�ৰামাৰী, নাৰাযণদেৱৰ খটৰা, জয়ৰামদেৱৰ বাদেশালী। দামোদৰদেৱৰ ভতিজাক কৃষ্ণদেৱে পোমৰাত আৰু আনজন ভতিজাক মুকুন্দদেৱে অভযাপুৰীৰ কঠালমুৰীত সত্র পাতে। দামোদৰদেৱৰ পোনপটীয়া আজ্ঞা লৈ শিষ্যসকলে পতা সত্রবিলাকৰ উপৰি

---

৫৫ তীর্থনাথ শর্মা, আউনীআটী সত্রৰ বুৰঞ্জী, পৃঃ ৩২

৫৬ উল্লিখিত, পৃঃ ৩৩

৫৭ উল্লিখিত, পৃঃ ৩৪

৫৮ উল্লিখিত, পৃঃ ৩৫, ৩৬

বংশসূত্রে কামৰূপত প্রতিষ্ঠা হোৱা বর্তমান অস্তিত্ব থকা সত্রবিলাকৰ নাম উল্লেখ কৰা হ'ল[৫৯] ঃ নলবাৰী মহকুমাত বিহামপুৰ, অগ্নিশালা, নামকোণা, দ্বিপৰ, পাণ্ডুলা। গুৱাহাঁটী মহকুমাত ৰামপুৰ, দমদমা, কচুৱা, কেন্দুকুছি, কুলহাটী, বংশৰ, শ্রীহাঁটী, ডিমু, গোপালপুৰ, গুঁযা চমাৰকুছি, মুক্তাপুৰ, গুইমাৰী, চাপাথুৰি, পলাশবাৰী, পলাশগুৰি, কাঠপাৰ, বেলতলা, মনোহৰ থান, মণিযৰি, ৰাজাপুখুৰী, হাবিলা, দৈমাৰী। বৰপেটা মহকুমাত ঝাউৰাৰী, সোণকুৰিহা, পল্লা, বাউলী আদি। এই সত্রবিলাকৰ প্রথমতে হাঁটী-বাটী আদিৰে সত্রীযা পৰিৱেশ সৃষ্টি হ'লেও পিছলৈ সেই পৰিৱেশ নোহোৱা হৈ কেৱল নামকৰণেৰে একেটা পৰিযালতে আৱদ্ধ হৈ থাকিল।

নামনি অসমৰ দৰে উজনি অসমতো ব্রহ্ম সংহতিৰ সত্রসমূহৰ বিস্তৃতি ঘটিল। প্রথমতে একক প্রচেষ্টাৰে বংশীগোপালদেৱে উজনি অসমত বৈষ্ণৱ ধর্মৰ প্রচাৰ আৰম্ভ কৰিলে। প্রথমে যদুমণিদেৱ বংশীগোপালদেৱৰ সংগী হৈছিল যদিও কামৰূপৰ পৰা আহি আধলীয়া গাঁৱতে যদুমণিদেৱে বাহৰ পাতি বহুদিন থাকিল। ইযাতেই গার্হস্থ্য ধর্ম অনুসাৰে যদুমণিদেৱে বিবাহ কার্য সম্পন্ন কৰে। বহুদিনৰ পিছতহে একেবাৰে পুৰ দিশলৈ আহি সত্র পাতে। বংশীগোপালদেৱে দামোদৰদেৱৰ আজ্ঞা লৈ উজনি অসমলৈ ধর্ম প্রচাৰ কৰিবলৈ আহি প্রথমতে উত্তৰ পাৰে কাহিকুছি, কলবাৰী, ডেবেৰাপাৰ আদিত সত্র পাতে। তাৰ পিছত ব্রহ্মপুত্র পাৰ হৈ দক্ষিণে সৌৰাণীত সত্র প্রতিষ্ঠা কৰে। সৌৰাণীৰ পৰা আহি কুৰুৱাবাহীত গোপালদেৱে সত্র পতাৰ পিছতেই ক্রমে নিৰঞ্জনদেৱে মাজুলীত আউনীআটী, জযহৰিদেৱে গডমুৰ, বনমালীদেৱে দক্ষিণপাট সত্র প্রতিষ্ঠা কৰে। অৱশ্যে গোপালদেৱৰ পৰিনাতি লক্ষ্মীনাৰাযণদেৱকহে গডমুৰ সত্রৰ প্রতিষ্ঠাপক সত্রাধিকাৰ বুলি পৰিচয দিযা হয[৬০]। আনহাতে গোপালদেৱে প্রতিষ্ঠা কৰা কুৰুৱাবাহী সত্রৰ পৰিচয দিয়া প্রথম সত্রাধিকাৰ হ'ল মিশ্রদেৱ। বনমালীদেৱে বেহাৰৰ বলদেৱ আৰু পৰমানন্দদেৱৰ মৃত্যুৰ পিছত তেওঁলোকৰ সত্র পৰিচালনাৰ ভাৰ গ্রহণ কৰি তাত কিছুদিন থাকি উজনিলৈ আহে। বনমালীদেৱে দক্ষিণপাট সত্র প্রতিষ্ঠা কৰে যদিও তেওঁ বংশীগোপালদেৱৰ সঙ্গ আৰু ভক্তি ধর্ম প্রচাৰৰ উদ্গণি পাইছিল। কিন্তু বেহাৰত থাকোঁতে বলদেৱ আৰু পৰমানন্দৰ পৰা দীক্ষা-মন্ত্র গ্রহণ আৰু সেই সত্রৰ অধিকাৰৰ নির্মালি পোৱাৰ বাবে পূর্বৰ তেনে আজ্ঞা আৰু পৰম্পৰা অনুসৰণ কৰিহে দক্ষিণপাট সত্র প্রতিষ্ঠা কৰে। এই সত্র প্রতিষ্ঠাৰ আগতে বনমালীদেৱে জতকৰা, কলাবাৰী আদিত সত্র পাতে। আউনীআটী, দক্ষিণপাট, গড়মুৰ, কুৰুৱাবাহী এইকেইখন সত্রই আহোম ৰজাৰ

---

[৫৯] উল্লিখিত, পৃঃ ৩৩

[৬০] উল্লিখিত, পৃঃ ৩৪

পৃষ্ঠপোষকতা আৰু পোনপটীয়া সহায়-সহযোগ পোৱাৰ বাবে ৰজাঘৰীয়া সত্র ৰূপে পৰিচিত হ'ল। ব্রহ্ম সংহতিৰ প্রধান আৰু উজনি অসমৰ 'চাৰি সত্র' ৰূপে এই সত্রকেইখনে আখ্যা লাভ কৰে। কুৰুৱাবাহী সত্রৰ বাহিৰে বাকী তিনিওখন সত্র বর্তমান মাজুলীত অৱস্থিত। পূর্বতে মাজুলীৰ নামনি অংশত, বর্তমানে মধ্যত আউনী পাণৰ আটী কাটি প্রতিষ্ঠা কৰা সত্রখনেই হ'ল, আউনীআটী। ব্রহ্মপুত্রৰ দক্ষিণপাৰে ৰাঙলী বাহৰত স্থাপন কৰা সত্রখনেই দক্ষিণপাট। পিছলৈ ব্রহ্মপুত্রৰ গতি সলনি হোৱাত এই সত্র এতিয়া লুইত ব্রহ্মপুত্র মাজত ব্রহ্মপুত্রৰ উত্তৰপাৰে অৱস্থিত হ'ল। আনহাতে লাদৈগড়ৰ মুৰত সত্রখন প্রতিষ্ঠা কৰা কাৰণে সেই সত্র গডমুৰ সত্র ৰূপে পৰিচিত হ'ল। ব্রহ্মপুত্রৰ গতি সলনি হোৱাত পিছলৈ ব্রহ্মপুত্রৰ উত্তৰে অৱস্থিত হৈ থাকিল। আউনীআটী, দক্ষিণপাট, গডমুৰ আদি সত্রসমূহৰ কমেও এখনকৈ গৃহাশ্রমী পাখি সত্র আছে। পাখি শব্দৰ অর্থ সৰু, সহায়কাৰী। আউনীআটীৰ পাখি সত্র চাৰিখন আছিল, কাডিগাঁও, দেবেৰাপাৰ, গোৰিন্দপুৰ আৰু পদুমৰা। গোৰিন্দপুৰ সত্রৰ বাহিৰে বাকী সত্রকেইখন বর্তমান নাইকিয়া হ'ল। গোৰিন্দপুৰ আছে যদিও সম্পূর্ণ সত্রীয়া পৰিৱেশ নাই। গডমুৰৰো এখন সৰু সত্র আছে যদিও তাত সত্রাধিকাৰ বা ডেকাৰ স্থান শূন্য হ'ল। দক্ষিণপাট সত্রৰ এখন গৃহাশ্রমী সত্র আছে। ৰজাঘৰীয়া এই তিনিখন সত্র উদাসীন সত্র। নিজ নিজ গৃহাশ্রমী সত্রকেইখনৰ পৰা মূল সত্রলৈ অধিকাৰৰ স্থান পূৰণৰ বাবে গোসাঁইসকল অনাৰ নিয়ম আছিল যদিও বর্তমানে দক্ষিণপাট সত্রৰ বাহিৰে বাকী দুখন সত্রৰ এই ক্রম বন্ধ হ'ল। কুৰুৱাবাহী সত্র পূর্বৰ পৰাই গৃহী হোৱা বাবে এই সত্রৰ সৰু সত্র বা আশ্রমী সত্র নাই। কিন্তু এই সত্রৰ এটি প্রধান শাখা নগাঁৱৰ গেদাৰবাৰীত আছে। মানৰ আক্রমণত পলাই গৈ ধনশিৰি পাৰৰ কুৰুৱাবাহীৰ এটা ডাল গৈ গেদাৰবাৰীত পলাই আছিলগৈ। কুৰুৱা চৰাইয়ে বাহ লোৱা গছৰ তলত প্রতিষ্ঠা কৰা বাবে মূল সত্রৰ নাম কুৰুৱাবাহী হ'ল। কুৰুৱাবাহীৰ চতুর্থ অধিকাৰ চাৰুচন্দ্রৰ ভায়েক হৰিশ্চন্দ্রৰ পুত্র কৃষ্ণচন্দ্রই কুৰুৱাবাহী সত্রৰ পৰা ওলাই গৈ ডিফলুত বেলেগে সত্র পাতে। আউনীআটী, দক্ষিণপাট, গড়মুৰ, কুৰুৱাবাহীৰ মূল সত্র আৰু পাখি সত্রৰ বাহিৰেও বিভিন্ন ঠাইত প্রত্যেক সত্রৰে উল্লেখ কৰা প্রধান ধর্মাচার্যসকলৰ যোগেদি সত্র প্রতিষ্ঠা কৰাৰ উপৰিও ধর্মপ্রচাৰ কার্যত ৪৫ জন মেধি নিয়োগ কৰিছিল। এই কথা সন্ত সম্প্রদায়ত উল্লেখ আছে[১]। প্রত্যেকজন মেধিয়েই একোখন সত্র পতাৰ কথা সেই পুথিত বহুলভাৱে উল্লেখ আছে। চাৰি সত্রৰ ফালৰ পৰা পোনপটীয়া আজ্ঞাত প্রতিষ্ঠা হোৱা কিছুমান সত্র আছে। তাৰ ভিতৰত উদাহৰণ স্বৰূপে, আউনীআটীৰ পৰা আজ্ঞা পোৱা মধুমিশ্র, গৌৰাং, মুৰাৰি, কামদিযাল, কুণ্ডাবাৰী

১ উল্লিখিত, পৃঃ ৪৩

আদি এই পর্যায়ৰ সত্র। এনে পর্যায়ৰ নগাঁৱৰ জখলাবদ্ধাত জখলাবদ্ধা নামেৰে যি সত্র আছে সেই সত্র বেহাৰৰ পৰমানন্দৰ আজ্ঞাত মন্ত্রশিষ্য পুৰুষোত্তমে পতা সত্র। ব্রহ্ম সংহতিৰ আন এজন প্রবীন পৃষ্ঠপোষক হৰিদেৱ। তেওঁ প্রতিষ্ঠা কৰা সত্রসমূহ আৰু ৰীতি-নীতি ব্রহ্ম সংহতিৰ অন্তর্ভুক্ত। হৰিদেৱৰ দ্বাৰা প্রবর্তিত প্রথাসমূহক হৰিদেৱী বুলিও কোৱা হয়। নামনি অসমৰ কামৰূপত প্রথম সত্রৰ আৰ্হি স্থাপন কৰোঁতা হৰিদেৱ বুলি বনগএগাগিৰিয়ে চৰিত পুথিত মন্তব্য কৰি থৈ গৈছে। শঙ্কৰদেৱ আৰু দামোদৰদেৱক লগ পোৱাৰ আগতে এই সত্রৰ আৰ্হি স্থাপন কৰাৰ কথা পোৱা যায়। সন্দেহৰ অৱকাশ থাকিলেও নির্ধাৰিত সময়ে সেই কথাৰ এক প্রমাণ দিয়ে। চৰিতকাৰে সেই কথা এইদৰে উল্লেখ কৰিছে ঃ

তেৰশত পচত্তৰ শকৰ মধ্যত।
বহৰিগ্রামত সত্র ভৈলন্ত স্থাপিত[৩২]।।

হৰিদেৱৰ জন্মস্থান যদিও নাৰায়ণপুৰত আছিল, কামৰূপলৈ আহি তেওঁ সত্রীয়া আৰ্হি প্রতিষ্ঠা কৰে। হৰিদেৱে নিজে স্থাপন কৰা সত্রকেইখন হ'ল বহৰি, মানেৰি আদি। হৰিদেৱৰ চাৰিজন মুখ্য শিষ্য ক্রমে হৰিচৰণ, যদুমণি, নাৰায়ণদেৱ আৰু গোপীনাথ। এওঁলোকে নামনি অসমত পতা প্রধান সত্রসমূহ হ'ল, বালি হালধিবাৰী, নপ্তিপাৰা, পৰেনা, বইনাৰা, বেজকুচি, কৈহাটী, খনা, কুলবিল, ন-মাটি। উজনি অসমত ধর্ম প্রচাৰ তথা সত্র প্রতিষ্ঠা কৰিবৰ বাবে প্রধান শিষ্য যদুমণিদেৱক হৰিদেৱে আজ্ঞা কৰিছিল। হৰিদেৱৰ চৰিতত সেইকথা উল্লেখ আছে ঃ

যদুমণি তুমি বাপ স্মৃতিত পার্গত।
উজানে চলিও তুমি মোৰ আদেশত।।
তথাত সৎসঙ্গী সত্র কৰিবা স্থাপন।
আচার্য্য পাতিছো মই সর্ববিদ্যামান।।[৩৩]

হৰিদেৱে প্রত্যেকজন শিষ্যকেই সত্র পতাৰ আদেশ দিওঁতে "সৎসঙ্গ সত্র"ৰ কথা উল্লেখ কৰিছে। সত্র যে সৎসঙ্গৰ অনুষ্ঠান সেই উদ্দেশ্য সাধন কৰা আৰু সেই কথা মনত পেলাবৰ বাবে এনে বিশেষণ সততে হৰিদেৱে প্রয়োগ কৰিছিল। যদুমণিদেৱে গুৰুৰ এনে আজ্ঞা পাই প্রথমতে বংশীগোপালদেৱৰ সহযোগী হৈ উজনি অসমলৈ আহিল। আগতেই উল্লেখ কৰি অহা হৈছে যে প্রথম আহিয়েই যদুমণিদেৱ আধলীয়া গ্রামত সত্র পাতি বহুদিন থাকিল। তাৰ পিছত উজনি অসমৰ লক্ষীমপুৰলৈ আহি ক্রমে

---

[৩২] বনগএগাগিৰি, মহাপুৰুষ শ্রীশ্রীহৰিদেৱ, পৃঃ ১৭১। (ছপা পুথিত 'গ্রামত'ৰ ঠাইত 'গ্রামাত' হৈ আছে।)

[৩৩] উল্লিখিত, পৃঃ ১৮৯

ব্রহ্মপুত্রৰ পাৰত বৰমাহৰা আৰু ঘাৰমৰা সত্র স্থাপন কৰে। যদুমণিদেৱৰ চাৰিজন পুত্র জগতানন্দ, কমলাকান্ত, অচ্যুতানন্দ আৰু নিত্যানন্দ। এই চাৰিজনে আন মাহৰা সত্রকেইখন প্রতিষ্ঠা কৰে। জগতানন্দ যদুমণিদেৱৰ পিছত বৰমাহৰা সত্রৰ অধিকাৰ হয়। কমলাকান্তই আধাৰ, অচ্যুতানন্দই ডোখোৰামুখ আৰু নিত্যানন্দই পাটিয়ৰী সত্র স্থাপন কৰে। ইয়াৰ বাহিৰেও গোমোঠা মাহৰা আৰু বিজয় মাহৰা নামৰ দুখন সত্র উজনি অসমত আছে। গৌতম গোত্রীয় দেৱ যদুমণিয়ে বিজয় মাহৰা সত্র প্রতিষ্ঠা কৰে[৬৪]। এই সত্রই মাজুলীৰ বৰবাৰীত থকা অৱস্থাত আউনীআটী সত্রৰ আজ্ঞা আৰু পৃষ্ঠপোষকতাত বিশেষ পৰিচয় লাভ কৰে। বর্তমান এই সত্র ডিব্রুগড় জিলাৰ দুলিয়াজান আৰু মার্ঘেৰিটা অঞ্চলত আছে আৰু ইযাৰে এটা শাখা শিৱসাগৰ জিলাৰ চাৰিং মৌজাত আছে।

কাল সংহতিৰ সত্র ঃ এই সংহতিৰ মুখ্য প্রৱর্তক ভৱানীপুৰীযা গোপাল আতা। গোপাল আতাৰ জন্ম হয উজনি অসমৰ নাজিৰাহাটত। তেওঁৰ জন্ম গাঁওখনৰ নাম নাচনীঘাট বুলি জনা যায[৬৫]। কোঁচ ৰজাৰ আক্রমণত গোপাল আতাই আহোম ৰাজ্য এৰি কামৰূপত প্রৱেশ কৰিছিল। পিছত কামৰূপৰ ভৱানীপুৰতেই নিগাজীকৈ বাস কৰিবলৈ লয়। তাতেই কালজাৰ নামে ঠাইত সত্র পাতে। কাল সংহতিৰ সত্রসমূহৰ এই কালজাৰেই মূল কেন্দ্রস্থান ৰূপে পৰিগণিত হয়। গোপালদেৱৰ পৃষ্ঠপোষকতা আৰু তেওঁৰ আজ্ঞা অনুসাৰে প্রতিষ্ঠিত হোৱা কাল সংহতিৰ সত্রসমূহৰ এটা শাখা পিছলৈ বৈপ্লৱিক কার্যত জড়িত হ'ব লগীযা হৈছিল। কাৰণ এই সংহতিৰ মাযামৰীযা শাখাৰ এজন অধিকাৰ গুৰু নিহত আৰু আন কেইবাজনো অধিকাৰ নির্যাতিত হ'ব লগা হোৱা বাবেই ভকতসকলে "মাৰি যাওঁ, মৰি যাওঁ, গুৰুৰ ঋণ শুজি যাওঁ" এই প্রতিজ্ঞা গ্রহণ কৰি হাতত অস্ত্র লৈ ৰাজশক্তিৰ বিৰুদ্ধে থিয় দিছিল। বিশেষকৈ ৰাণী ফুলেশ্বৰী কুঁৱৰীৰ ইচ্ছা আৰু আদেশত অতিশয় নিকাৰ ভোগা গুৰু আৰু কীর্তিচন্দ্র বৰবৰুৱাৰ ৰোষৰ বলি হোৱা ভকতসকল বিদ্রোহী হৈ পৰিছিল। ইয়াৰ ফলস্বৰূপে এসময়ত এই সম্প্রদাযে ৰাজশক্তিক পৰাভূত কৰিবলৈও সমর্থ হৈছিল। এই সংহতিৰ দিহিঙ্গীয়া আৰু মাযামৰীয়া দুই শাখা এই কার্যত বিশেষভাৱে জড়িত হৈ পৰিছিল। দিহিং আৰু মাযামৰা দুই সত্রৰ পৰাই এই দুটা ভাগে প্রতিষ্ঠা লাভ কৰে। গোপাল আতাই ধর্ম প্রচাৰ কৰাৰ কাৰণে নির্বাচন কৰা বাৰজন ধর্মাচার্যৰ অন্তর্ভুক্ত আছিল এই দুই সত্রৰ মূল ধর্মাচার্যদ্বয। গোপাল আতাৰ আজ্ঞাপ্রাপ্ত কাল সংহতিৰ মুখ্য ১২ জন ধর্মাচার্য হ'ল বৰ যদুমণি, সৰু যদুমণি,

---

[৬৪] উমাকান্ত গোস্বামী (বিজয় মাহৰা সত্র)ৰ পৰা পোৱা তথ্য। দ্র স্মৃতিগ্রন্থ ঃ অভিষেক উৎসৱ, আউনীআটী সত্র, ১৯৯৮ চন

[৬৫] S N Sarma, NVMSIA, পৃঃ ৮৪

[৬৬] উল্লিখিত, পৃঃ ৮৪

মুৰাৰী, নাৰায়ণ, সনাতন, অনিৰুদ্ধ, শ্রীৰাম, ৰামচন্দ্র, পুৰুষোত্তম, ৰামচৰণ, পৰমানন্দ আৰু দলৈপো সনাতন[৬৬]। কোনো লেখকৰ মতে অৱশ্যে এই বাৰজনীয়া আচার্যসকলৰ নামৰ তাৰতম্য দেখা যায়। এই বাৰজনৰ ভিতৰত প্রথম ৬ জন অব্রাহ্মণ আৰু পিছৰ ৬ জন ব্রাহ্মণ। বৰযদুমণি যাক হেঙুলীয়া যদুমণি বোলা হয়, তেওঁ প্রতিষ্ঠা কৰা মূল সত্রকেইখন হ'ল বাঁহবাৰী, দিহিং ন-মাটি, তেলপানী আদি। গাৰ বৰণ হেঙুল ৰঙৰ হোৱা বাবে তেওঁক হেঙুলীয়া যদুমণি বোলা হয়। সৰু যদুমণিয়ে স্থাপন কৰা সত্র চৰাইবাহী। নাৰায়ণৰ দ্বাৰা স্থাপিত সত্র হ'ল হালধিআটী, চকলা, কঁঠালকুছি। সনাতনে স্থাপন কৰা সত্র হ'ল ন-ঘৰীয়া। অনিৰুদ্ধই মাযামৰা সত্র প্রতিষ্ঠা কৰি মাযামৰীযা সম্প্রদাযৰ মূল পৃষ্ঠপোষকতা কৰে। আনহাতে আন ছজন ব্রাহ্মণে প্রতিষ্ঠা কৰা সত্রসমূহ হ'ল ক্রমে শ্রীৰামৰ আঁহতগুৰি, কৰতিপাৰ, ৰামচন্দ্রৰ খৈৰামোচৰা, পুৰুষোত্তমৰ কাঠপাৰ, ৰামচৰণৰ ইকৰাজান, পৰমানন্দৰ হাবুং সত্র। দলৈপো সনাতনৰ দলৈপো সত্র। এই সত্রসমূহৰ ভিতৰত দিহিং, মাযামৰা, গজলা আৰু আঁহতগুৰি এই চাৰিখন সত্রই কাল সংহতিৰ চাৰিটা মূল শাখাৰ পৰিচয দিযে। বাৰজন মুখ্য আচার্য্যই স্থাপন কৰা সত্রসমূহৰ বাহিৰেও গোপাল আতাৰ নাতি পাঁচজনে পাঁচখন সত্র স্থাপন কৰে। গোপাল আতাৰ দুজন পুত্র ক্রমে দামোদৰ আৰু কমললোচন। দামোদৰৰ সৰুতেই মৃত্যু ঘটে। কমললোচনৰ পাঁচজন পুত্রই স্থাপন কৰা মূল সত্র কেইখন হ'ল দৌকাচাপৰি, আমগুৰি, কলকটা, ধোপাবৰ, নাচনীপাৰ আৰু হেমাৰবৰি[৬৭]। ইয়াৰ বাহিৰেও দিহিং, মাযামৰা আদি সত্রসমূহৰ পৰা পিছলৈ অনেক সত্রৰ বিস্তৃতি ঘটে।

পুৰুষ সংহতিৰ সত্র ঃ এই সংহতিৰ গুৰি ধৰোঁতা ক্রমে পুৰুষোত্তম ঠাকুৰ আৰু চতুর্ভুজ ঠাকুৰ। এওঁলোক ৰামানন্দৰ পুত্র আৰু শংকৰদেৱৰ নাতি। মাধৱদেৱে এই দুই ঠাকুৰ পুত্রক মথুৰাদাস গোপাল আতা আদিৰ সমানে ধর্ম প্রচাৰ কার্যত নিয়োগ কৰি ধর্মাচার্য পাতি থৈ যায যদিও পিছলৈ এই দুই ঠাকুৰ পুত্রৰ আনকেইজন ধর্মাচার্যৰ লগত মতৰ মিল নথকাত এওঁলোকে পৃথকভাৱে ধর্মপ্রচাৰ তথা সত্র সভা প্রতিষ্ঠা কৰে। তেতিয়াই এওঁলোকে প্রৱর্তন কৰা ৰীতি-নীতি কিছু সুকীযা হৈ পৰে, যাৰ ফলত এওঁলোক দুয়োৰে পৃষ্ঠপোষকতাত পৰিচয় লাভ কৰি পুৰুষ সংহতিয়ে অসমৰ ধর্মীয় পৰম্পৰাত বৈশিষ্ট্যপূর্ণ স্থান দখল কৰে। এই দুই ধর্মাচার্যৰ উভয়েই বাৰজনকৈ ধর্মাচার্য নিযোগ কৰে। ইযাৰ লগতে পুৰুষোত্তম আৰু চতুর্ভুজৰ জী-জোঁৱাই আৰু নাতিসকলেও এই ক্রম ৰক্ষাত বিশেষ ইন্ধন যোগায। আনহাতে চতুর্ভুজৰ পত্নী কনকলতাইও স্বামীৰ মৃত্যুৰ পিছত সেই আদর্শৰে বাৰজন ধর্মাচার্য পাতি এই সংহতিৰ বিশাল স্বৰূপ দাঙি

---

[৬৬] Maheswar Neog, Sankardeva and His Times, p 138, 139

ধৰে। তেওঁ পতা আচার্যসকলক বাৰজনীয়া বোলা হয়। এই সংহতিৰ পৰম্পৰাত নিয়োজিত হোৱা ধর্মাচার্যসকলৰ ভাগ এনে ধৰণৰ— পুৰুষোত্তম ঠাকুৰ জ্যেষ্ঠ হোৱা বাবে তেওঁ পতা আচার্যসকলক বৰ বাৰজনীয়া আৰু চতুর্ভুজ ঠাকুৰ কনিষ্ঠ হোৱা বাবে তেওঁ পতা আচার্যসকলক সৰু বাৰজনীয়া লেখত ধৰে। চতুর্ভুজৰ পত্নী কনকলতাৰ আজ্ঞানুসাৰে বাৰজন ধর্মাচার্যই পতা আই কনকলতাৰ সত্র, পুৰুষোত্তম ঠাকুৰ আৰু চতুর্ভুজ ঠাকুৰৰ নাতি সূত্রে প্রতিষ্ঠিত সত্রক নাতি সত্র বোলে। তাৰে প্রত্যেক ভাগৰ মূল সত্রসমূহ আৰু প্রতিষ্ঠাপকসকলৰ নাম উল্লেখ কৰা হৈছে [৬৮]ঃ

(১) বৰ বাৰজনীয়া (পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ)ঃ

কেশৱ ভাগৱতী	—	কোর্চুং সত্র
গোপীনাথ	—	চেকেৰাতলী
বাসুদেৱ	—	চতমিয়া
ৰামকৃষ্ণ	—	গোমোঠা
পৰশুৰাম	—	পুনিয়া
বাপুকৃষ্ণ	—	এলেঙ্গী
পৰমানন্দ	—	ৰতনপুৰ
হৰিচৰণ	—	সাউদকুছি
কমললোচন	—	কাথবাপু
মুৰাৰী	—	বেঙেনাআটী
কৃষ্ণচৰণ	—	চুপহা
কমললোচন	—	ঠকৰিযাল

(২) সৰু বাৰজনীযাঃ

দেউৰাম	—	বৰগাঁও
জয়কৃষ্ণ	—	ঘৰকটীয়া
জয়কানাই	—	গোভীৰ
গোপীনাথ	—	কাৰৈমাৰী
মুকুন্দ	—	হালধিআটী
ৰত্নাকৰ	—	শলগুৰি
গোৱিন্দ	—	বিহিমপুৰ

---

[৬৮] S. N. Sarma পূর্বোল্লিখিত, পৃঃ ৯৫, ৯৬
কেশৱানন্দ দেৱ গোস্বামী, সত্র সংস্কৃতিৰ ৰূপৰেখা, পৃঃ ৮, ৯, ১০

ৰামভদ্র	—	নাচনীপাৰ
বিষ্ণুদেৱ	—	ভন্দুলাই
কানাই	—	চুঙীপাৰ
কানু	—	উজনিয়াল
সনাতন	—	বেলেসিধিয়া

(৩) কনকলতাৰ আজ্ঞাৱে হোৱা ঃ [৯৯]

ৰামচৰণ	—	কৌপটি
ৰামশোভন	—	নাচপাৰ
গোপীকান্ত	—	নলটীয়া
ৰতিকান্ত	—	নেপালী
ৰঘুপতি	—	লক্ষীপুৰ
হৰিপতি	—	কৰতিপাৰ
পৰমানন্দ	—	কাঠৰগ্রাম
গোপাল	—	কমলাবাৰী
কৃষ্ণগ্রহণ	—	পোহাৰদিয়া
জয়গোৱিন্দ	—	গতমতৃয়া
হৰিচৰণ	—	মিচিমি
কৃষ্ণ	—	শালমৰীয়া

অৱশ্যে কোনো কোনো চৰিতকাৰ আৰু প্রবন্ধকাৰৰ লেখাত প্রতিষ্ঠাপক আৰু সত্রৰ নামকৰণ ভিন্ ভিন্ হোৱা দেখা যায়। বিশেষকৈ কনকলতাৰ আজ্ঞা অনুসাৰে দামোদৰ আতাইহে কনকলতাৰ আজ্ঞাপ্রাপ্ত আচার্যসকলক পোনপটীয়াকৈ আচার্যৰ নির্মালি দি সত্র প্রতিষ্ঠাৰ কামত নিয়োগ কৰে বুলি কেশৱানন্দ দেৱ গোস্বামীয়ে সত্র সংস্কৃতিৰ ৰূপৰেখাত উল্লেখ কৰিছে[১০০]। অৱশ্যে চৰিত পুথিসমূহৰ পৰা এই কথা নিশ্চিত হ'ব পাৰি যে পুৰুষোত্তম ঠাকুৰৰ মৃত্যুৰ পিছত চতুর্ভুজ ঠাকুৰৰো পুত্র নথকাত নিজৰ ভাগিন দামোদৰ আতাক পোষ্য পুত্র ৰূপে গ্রহণ কৰে। চতুর্ভুজ ঠাকুৰৰ মৃত্যুৰ পিছত কনকলতাই ধর্ম প্রচাৰৰ গুৰি ধৰে যদিও দামোদৰ আতা প্রধান সহায়কাৰী হয়। নিজৰ পুৰুষ পৰম্পৰা প্রমাণ কৰিবৰ বাবেই দামোদৰ আতাক পোষ্যপুত্র ৰূপে গ্রহণ কৰি লোৱাত আই কনকলতাইয়ো আপত্তি নকৰিলে। সেই দামোদৰ আতাৰ ওপৰতেই এই

---

[৯৯] S N Sarma পূর্বোল্লিখিত, পৃঃ ৯৫, ৯৬

[১০০] কেশৱানন্দ দেৱগোস্বামী, পূর্বোল্লিখিত

সংহতিৰ পুৰুষানুক্রমিক দায়িত্ব অর্পিত হ'ল। চতুর্ভুজ ঠাকুৰে গোৱালপাৰাত বিষ্ণুপুৰ সত্র প্রতিষ্ঠা কৰি তাতেই শেষ নিশ্বাস ত্যাগ কৰাৰ পিছত কনকলতা আৰু দামোদৰ আতাই সেই সত্রৰ গুৰি ধৰে। কিছুদিনৰ পিছত মুছলমানৰ আক্রমণত তিষ্ঠিব নোৱাৰি শংকৰদেৱৰ থান বৰদোৱালৈ আহে আৰু কিছুদিন বৰদোৱা থানৰ ৰক্ষণাৱেক্ষণৰ দায়িত্ব গ্রহণ কৰে। পুৰুষ সংহতিৰ মূল চাৰি সত্র হ'ল— নৰোৱা, কোৱামৰা, দীঘলী আৰু চামগুৰি। ইযাৰ নৰোৱা বংশৰ আদি পুৰুষজনেই দামোদৰ আতা। নতুনকৈ বংশ প্রতিষ্ঠা হোৱাৰ বাবেই এই বংশক নৰোৱা বুলি কোৱা হ'ল আৰু এই বংশৰ পৰা প্রতিষ্ঠিত হোৱা সত্র নৰোৱা সত্র ৰূপে পৰিচিত হ'ল। দামোদৰ আতাৰ পুত্র ৰমাকান্তক এই সত্রৰ গুৰি ধৰোঁতা বুলি কোৱা হয়।

(৪) নাতি সত্র ঃ নাতিসূত্রে প্রতিষ্ঠা হোৱা প্রধান প্রতিষ্ঠাপক আৰু সত্রকেইখন হ'লঃ

ৰমাকান্ত	—	নৰোৱা
অনন্তৰায	—	কোৱামৰা
সাৰংগপাণি	—	দীঘলী
চক্রপাণি	—	চামগুৰি

ইযাৰ ভিতৰত চতুর্ভুজ ঠাকুৰৰ পোষ্য পুত্র হ'লেও দামোদৰ আতাৰ পুত্র ৰমাকান্ত নাতি সত্রৰ প্রতিষ্ঠাপকৰ লেখত পৰে। আনহাতে পুৰুষোত্তম ঠাকুৰৰ তিনিগৰাকী কন্যাৰ প্রথমগৰাকী অনন্তপ্রিয়াক ইন্দ্রজিত গাভৰুগিৰিযে বিবাহ কৰায। দ্বিতীয গৰাকীৰ লগত নিৰঞ্জনৰে বৈবাহিক সম্বন্ধ ঘটে যদিও তেওঁৰ পুত্র সন্তান নথকাত নিৰঞ্জনৰ দ্বিতীয়গৰাকী ভার্যাৰ যোগেদি চাৰিজন পুত্র হয— ক্রমে চক্রপাণি, গদাপাণি, সাৰংগপাণি আৰু পদ্মপাণি। ইযাৰ ভিতৰত উজনি অসমত পুৰুষ সংহতিৰ মূল দুখন সত্র দীঘলী আৰু চামগুৰি ক্রমে সাৰংগপাণি আৰু চক্রপাণিযে প্রতিষ্ঠা কৰে। পুৰুষোত্তমৰ নিজৰ বংশৰ নহ'লেও জোঁৱাই সম্বন্ধ ঘটা বাবে সাৰংগপাণি আৰু চক্রপাণিক নাতিৰ লেখত ধৰা হয। আন এখন মুখ্য সত্র কোৱামৰা প্রতিষ্ঠা কৰে অনন্তৰায়ে। এওঁ চতুর্ভুজৰ কন্যা সুভদ্রাৰ পুত্র। মুখ্যতঃ দামোদৰ আতাৰ বংশৰ বাহিৰে দুই ঠাকুৰৰ জী-নাতিয়েই নাতি সত্রৰ প্রধান স্থান দখল কৰিছে। ইয়াৰ উপৰিও পুৰুষোত্তমৰ কন্যা অনন্তপ্রিয়াৰ যোগেদি বঢ়া হাতীমৰা, কুছিমৰা, চেপেটিমৰা, ঘঁৰিয়ালে খোৱা আৰু চতুর্ভুজ ঠাকুৰৰ কনিষ্ঠা ভার্যা-কন্যাৰ পৰা বঢা বিষ্ণুপুৰ, ঘিলাজাৰী আৰু কোৱামৰাৰ শাখা শলগুৰি, শুকদল আদি সত্রইয়ো এই সংহতিৰ বিস্তৃতি ঘটাইছে[১]।

---

১ উল্লিখিত, পৃঃ ৬, ১০

নিকা সংহতিৰ সত্র ঃ এই সংহতিৰ মুখ্য পৃষ্ঠপোষক মাধৱদেৱ। উজনি-নামনি গোটেই অসমত ধর্মপ্রচাৰ কৰিবৰ বাবে মাধৱদেৱে কেইজনমান বিশেষ ব্যক্তিক নিয়োগ কৰিছিল। মাধৱদেৱৰ আজ্ঞা লৈ ধর্ম প্রচাৰ তথা সত্র সভা প্রতিষ্ঠা কৰা সেই প্রধান আচার্য কেইগৰাকী হ'ল— বৰবিষ্ণু আতা, মথুৰা দাস বুঢ়া আতা, কেশৱচৰণ আতা, পদ্ম আতা, ৰামচৰণ ঠাকুৰ, শ্রীহৰি, লেচাকণিযা, গোৱিন্দ পর্হিযা, শ্রীৰাম আতা, গমাৰ গোৱিন্দ, লক্ষীকান্ত আদি। ইযাৰ ভিতৰত মথুৰাদাস বুঢ়া আতা কেশৱচৰণ আতা আৰু পদ্ম আতাই নিকা সংহতিৰ নিযম-নীতি আৰু আদর্শসমূহ প্রচলন কৰাৰ ক্ষেত্রত আৰু সত্রানুষ্ঠান প্রতিষ্ঠাত আগভাগ লয। এওঁলোকৰ ভিতৰত মথুৰাদাস বুঢা আতা বয়সত জ্যেষ্ঠ আনহাতে পদ্ম আতা বযসত একেবাৰে কনিষ্ঠ। মাধৱদেৱে কামৰূপ এৰি কোচবেহাৰলৈ যাত্রা কৰাৰ সময়ত বৰপেটা সত্রৰ দাযিত্বভাৰ মথুৰাদাসৰ হাতত অর্পণ কৰি থৈ যায়। মথুৰাদাস বুঢা আতা এই সত্রৰ আদি সত্রাধিকাৰ। অগ্নি দাহৰ পিছত মথুৰাদাস বুঢা আতাযেই বৰপেটা সত্র নতুনকৈ শৃংখলিত পদ্ধতিৰে নির্মাণ কৰি উলিযায়। মথুৰাদাস বুঢা আতাতকৈ বয়সত অলপ সৰু কেশৱচৰণ আতা। উত্তৰ লক্ষীমপুৰৰ কাছিকটা নৈৰ পাৰত ভাটৌকুছি গাঁৱত জন্ম লাভ কৰাৰ কাৰণে কেশৱচৰণ আতা 'ভাটৌকুছিয়া আতা' নামেৰে পৰিচিত হয়। মাধৱদেৱৰ গুণ-গৰিমাত আকৃষ্ট হৈ তেওঁৰ শিষ্যত্ব গ্রহণ কৰাৰ উপৰিও পদ্ম আতাক মাধৱদেৱৰ সান্নিধ্যলৈ প্রথম কেশৱ আতাই আনে। কেশৱচৰণ আতাৰ আজ্ঞা অনুসাৰে জয় আতাই জটিযাপৰঃ, জগজীৱন আতাই চকলা আৰু দামোদৰ আতাই ভোগপুৰ সত্র প্রতিষ্ঠা কৰে[১২]। নিজৰ আধ্যাত্মিক শিক্ষাৰ যোগেদি মাধৱদেৱৰ একেবাৰে ওচৰ চাপিবলৈ সমর্থ হয়। পদ্ম আতাৰ শিক্ষা-বুদ্ধিত মুগ্ধ হৈ মাধৱদেৱে অতি আদৰেৰে সৈতে তেওঁৰ ওপৰত ধর্ম প্রচাৰৰ দায়িত্ব অর্পণ কৰে। মাধৱদেৱৰ ঠাইত পদ্ম আতাৰ ওপৰতে সমস্ত শক্তি এৰি দিয়াৰ বাবে পদ্ম আতাক বদলা বা বদুলা আতা বোলা হয়। এই বদুলা আতাই বিভিন্ন ঠাইত ধর্ম প্রচাৰ কৰি অৱশেষত মাজুলীত নিগাজীকৈ কমলাবাৰী সত্র স্থাপন কৰে। এই কমলাবাৰী সত্রৰ বর্তমানৰ তিনিটা ৰূপ আছে— পুৰণা কমলাবাৰী, উত্তৰ কমলাবাৰী আৰু নতুন কমলাবাৰী। পুৰণা কমলাবাৰী বর্তমান তিতাবৰত আৰু বাকী দুখন মাজুলীতে আছে। পদ্ম আতাৰ আজ্ঞা সূত্রে উজনি অসমত স্থাপন হোৱা নিকা সংহতিৰ আন এখন মুখ্য সত্র হৈছে জৰাবাৰী সত্র। এসময়ত এই সংহতিৰ প্রচাৰ মুখ্যতঃ তিনি ভাগত বিভক্ত হৈছিল। নামনি অসমৰ কোচবেহাৰ মাধৱদেৱৰ নিয়ন্ত্রণত, মধ্য অসমৰ কামৰূপ আৰু গোৱালপাৰ মথুৰাদাস বুঢ়াআতাৰ হাতত আৰু উজনি অসমৰ কিছু অংশ বদুলা পদ্ম

---

[১২] Maheswar Neog পূর্বোল্লিখিত, পৃঃ ১৪১

[১৩] S N Sarma, পূর্বোল্লিখিত, পৃঃ ৯৭

আতাৰ পৃষ্ঠপোষকতাত পৰিচালিত হৈছিল[৭]। মাধৱদেৱৰ আজ্ঞাপ্রাপ্ত আন আচার্যসকলে ধর্ম প্রচাৰ কার্যত ব্রতী হৈ সত্র সভা প্রতিষ্ঠা কৰিছিল যদিও মূলতঃ মথুৰাদাস, কেশৱচৰণ আৰু পদ্ম আতাইহে এই সংহতিৰ গুৰি ধৰিছিল। এই তিনি গৰাকীৰ লগতে পিছলৈ এই সংহতিৰ বিকাশৰ ক্ষেত্রত মাধৱদেৱৰ ভাগিন ৰামচৰণ ঠাকুৰেও বিশেষ অৰিহণা যোগায়। মাধৱদেৱৰ মৃত্যুৰ পিছত তেওঁ নিজে প্রতিষ্ঠা কৰা সত্র সুন্দৰীদিয়া আৰু গণককুছিৰ মূল দায়িত্ব ৰামচৰণে গ্রহণ কৰে।

নিকাসংহতিৰ মূল সত্রবোৰ হ'ল ঃ

মাধৱদেৱ-	—	বৰপেটা, গণককুছি, সুন্দৰীদিয়া
বৰবিষ্ণু আতাৰ	—	চমৰীযা
লক্ষ্মীকান্তৰ	—	ধূপগুৰি
গোবিন্দ আতাৰ	—	খটৰা
পদ্ম আতাৰ	—	কমলাবাৰী
কেশৱচৰণ আতাৰ	—	বৰজহা

ইযাৰ ভিতৰত কমলাবাৰী আৰু বৰজহা উজনি অসমত, বাকী আটাইকেইখন সত্র নামনি অসমত প্রতিষ্ঠা হয়। দেখা যায়, চাৰিটা সংহতিত বিভক্ত হ'লেও আৰু এই বিভাজনৰ ফলত বাহ্যিক নীতি-নিয়মসমূহৰ পৃথকতা ঘটিলেও অসমৰ চাৰিওটা সংহতিৰ ঘাই উপাস্য দেৱতা ভাগৱতৰ কৃষ্ণ। তদুপৰি, আটাইতকৈ গুৰুত্বপূর্ণ কথা হ'ল যে এই চাৰি সংহতিৰ মূল উপাস্য দেৱতা কৃষ্ণ হ'ল ৰাধা-বর্জিত কৃষ্ণ আৰু এই চাৰি সংহতিৰ ধর্মৰ ঘাই মার্গই হ'ল 'দাস্যভক্তি'ৰ মার্গ। বাহ্যিক পৃথকতা থাকিলেও চাৰি সংহতিৰ ঘাই ধর্ম-দর্শন যে একেটি সেই সম্পর্কে কোনো সন্দেহ নাই।

৪. সত্রীয়া জীৱন-যাত্রাৰ পদ্ধতি

সাধাৰণতে সত্রৰ লক্ষ্য আৰু উদ্দেশ্য এক হ'লেও জীৱন ধাৰণৰ প্রণালী অনুসৰি সত্রবিলাকৰ মাজত কেইবা প্রকাৰৰ ভাগ দেখা যায়। তাৰ ভিতৰত বিশেষভাৱে তিনিটা ভাগৰ কথা উল্লেখ কৰিব পাৰি। (১) উদাস সত্র, (২) মিশ্র পদ্ধতি (অর্ধ-উদাস) সত্র আৰু (৩) গৃহস্থী সত্র। প্রথম ভাগ সত্র অর্থাৎ উদাস সত্রত সত্রৰ সত্রাধিকাৰ, ডেকা প্রমুখ্যে সমূহ বৈষ্ণৱে উদাসীন জীৱনধাৰা পালন কৰে। অৱশ্যে গার্হস্থ্য বর্ণাশ্রম ধর্ম অনুসৰিয়েই সত্র সভা প্রতিষ্ঠিত হৈছিল যদিও বিষয় সুখৰ স্পৃহা ত্যাগ কৰি সম্পূর্ণ আধ্যাত্মিক সুখত মন নিমজ্জিত কৰাৰ চেষ্টাই উদাস সত্রসমূহৰ লক্ষণ। যুগৰ বিৱর্তনত ৰীতি-নীতিৰ কিছু সাল-সলনি ঘটিলেও মাজুলীত থকা আউনীআটী, দক্ষিণপাট, নতুন কমলাবাৰী, উত্তৰ কমলাবাৰী, ভোগপুৰ আদি সত্রসমূহে বর্তমানেও এই ক্রম ৰক্ষা কৰি আছে। মাজুলীৰ বাহিৰে তিতাবৰত থকা কমলাবাৰী আৰু জৰাবাৰী সত্র এই

উদাস ৰীতিৰ সত্র। নামনি অসমৰ শুৱালকুছিত থকা হাটী সত্রও এই আর্হিৰ।

অর্ধগৃহী অর্থাৎ মিশ্র পদ্ধতিৰ সত্রবিলাকৰ দুটা ভাগ থাকে। সত্রৰ মূল সীমাৰ ভিতৰত উদাসীনসকলৰ আৰু সত্রৰ গাতে লাগি থকা বাহিৰ অংশত গৃহস্থীসকলৰ বাসস্থানৰ ব্যৱস্থা থাকে। উদাসীনসকলে উদাস ৰীতি-নীতিৰেই কার্য চলাই যায়। গৃহীসকলে গার্হস্থ্য কর্মৰ মাজেৰে সত্রৰ কার্যত মনোনিৱেশ কৰে। এনে সত্রৰ উদাহৰণ বর্তমানৰ বৰপেটা সত্র। সত্রৰ ভিতৰতে পৃথক শাৰীত বিবাহিত ভকত থকাৰ আর্হি পোনপ্রথমে দামোদৰ দেৱৰ ভিতৰুৱা ধাপত স্থাপিত হোৱা সত্রৰ কথা ৰামৰায়ে গুৰুলীলাত উল্লেখ কৰিছে[১৪]। অৱশ্যে দুই পক্ষ ভকতৰ ওচৰা-উচৰি সম্বন্ধ থাকিলেও উদাসীনসকলৰ গৃহীসকলৰ লগত আহ-যাহ কৰাৰ ক্ষেত্রত বিশেষ কটকটীয়া ব্যৱস্থা আছিল। বাহিৰহাটী, ভিতৰহাটী চিনাকিৰ বাবে মাজত দ্বাৰ ৰখাৰ নিয়ম আৰু সহজে যাব নোৱৰা ওখ বেৰা বা ঢাপৰ ব্যৱস্থা আছিল। গুৰুচৰিত কথাত ইয়াৰ উল্লেখ আছে[১৫]। উদাসীনজনে বাহিৰত ৰাতি কটোৱাৰ ব্যৱস্থা নাছিল। কোনো কাৰণত বাহিৰত ৰাতি কটাব লগা হ'লে সত্রাধিকাৰৰ অনুমতি লৈহে কটাব পাৰিছিল। সত্রৰ বিষয়ৱবীয়া ৰাতি থকাকৈ কোনো ঠাইলৈ যাব লগা হ'লে আজিও সত্রাধিকাৰগৰাকীক জনাই যোৱাৰ নীতি উদাসীন সত্রত চলি আছে। ঠিক সেইদৰে সত্রাধিকাৰগৰাকীও সত্রৰ পৰা বাহিৰলৈ যোৱাৰ ক্ষেত্রত ভকতসকলৰ সৈতে আলোচনা কৰিহে যায়।

সত্রসমূহৰ আৰু এটি বিশেষ ব্যৱস্থা দেখা যায়। সেইটো হৈছে, সত্রৰ মূল নামকৰণৰে ওচৰা-উচৰি দুখন পৃথক ঠাইত উদাস আৰু গৃহী দুখন সত্রই সহ অৱস্থান কৰে। এনে সত্রবিলাকৰ বিশেষকৈ সত্রাধিকাৰ বাছনিৰ ক্ষেত্রত উদাস সত্রখনে গৃহী সত্রখনৰ ওপৰত নির্ভৰশীল হ'ব লগা হয়। য'ত সত্রস্থসকলে সম্পূর্ণ সাংসাৰিক জীৱন অতিবাহিত কৰি শিষ্যৰ মাজত শৰণ-ভজন প্রদানেৰে ধর্মতত্ত্ব প্রচাৰ কৰে সেইবিলাক সত্রক গৃহস্থী সত্র আখ্যা দিযা হয। ইয়াৰ উপৰিও কোনো সত্রত কেৱল সত্রাধিকাৰগৰাকী উদাস আৰু ভকতসকলে গার্হস্থ্য জীৱন-যাপন কৰা ব্যৱস্থাও আছে। তেনে সত্রৰ উদাহৰণ বর্তমান গড়মূৰ সত্র। এনে আর্হিৰ সত্রৰ সংখ্যা নিচেই কম।

সত্রসমূহ গঠনৰ তিনিটা মুখ্য স্তৰ থাকে— (১) মূল সত্র, (২) আজ্ঞাপৰ সত্র আৰু (৩) শাখা সত্র। কোনোবা এগৰাকী মহাপুৰুষৰ পোনপটীয়া আজ্ঞাৰে প্রতিষ্ঠা হোৱা সত্রক মূলসত্র, সেই সত্রৰ গুৰুৰ আজ্ঞালৈ প্রসিদ্ধ শিষ্য বা ভক্ত বৃন্দই আন এঠাইত সত্র

---

১৪ গডৰ বাহিৰে হাটী আৰু নির্মিলেক।
ভার্য্যাপুত্র থাকা ভক্ত তৈতে ৰহিবেক।।
ৰামৰায, গুৰুলীলা, পদ ৬৯, পৃঃ ১৩৮

১৫ মহেশ্বৰ নেওগ, গুৰু চৰিত কথা, পৃঃ ৯০

প্রতিষ্ঠা কৰিলে সেই সত্রক আজ্ঞাপৰ সত্র আৰু মূল সত্রৰ বিশেষ প্রতীক লৈ সত্রীয়া আৰ্হি ৰাখি আন এঠাইত সত্র প্রতিষ্ঠা কৰিলে সেই সত্রক 'শাখা সত্র' বুলি কোৱা হয়। শাখা সত্রবিলাক বিশেষকৈ সত্রৰ খাত-পাম বা মাটি-বাৰী থকা স্থানত প্রতিষ্ঠা হোৱাৰ নিদর্শন বেছি। শাখা সত্রসমূহত সত্রৰ সম্পূর্ণ ৰীতি ৰক্ষা কৰা সম্ভৱ নহয়। অৱশ্যে সত্র হিচাপে থাকিবলৈ আংশিক ৰীতি হ'লেও ৰক্ষা কৰিব লাগিব।

একোখন সত্রত সত্রাধিকাৰ, ডেকা অধিকাৰ প্রমুখ্যে বৈষ্ণৱমণ্ডলীৰ সহ-অৱস্থানতহে সত্রৰ মূল কার্য সম্পাদিত হ'ব পাৰে আৰু সত্রৰ নির্দিষ্ট স্বৰূপ নির্ণীত হয়। আধ্যাত্মিক জীৱন-যাপন মূল লক্ষ্য হ'লেও সত্রস্থসকলৰ এক সুকীয়া জীৱন প্রণালী আছে। সত্রৰ সত্রাধিকাৰৰ হাতত সত্র পৰিচালনাৰ মূল দায়িত্ব থাকে। সত্রাধিকাৰ এগৰাকীৰ বাছনি বিবিধ প্রকাৰে হোৱাৰ ব্যৱস্থা আছে। তাৰ ভিতৰত (১) গুৰু পৰম্পৰা, (২) জ্যেষ্ঠানুক্রমিক, (৩) পুত্রানুক্রমিক আৰু (৪) গণতান্ত্রিক অর্থাৎ নির্বাচন পদ্ধতিৰে বাছনি হ'ব পাৰে। প্রাচীন সত্রীযা পৰম্পৰা অনুসৰি প্রথম তিনিটা ভাগহে ধৰা হয়। ভোটদান বা নির্বাচন পদ্ধতি বর্তমান সময়ৰ ব্যৱস্থাহে। ইযাৰ ভিতৰত উদাস সত্রৰ গুৰু পৰম্পৰাত যোগ্যতা অনুসৰি কৰা বাছনিৰ লগত জ্যেষ্ঠানুক্রমিকতাও বিবেচ্য হয়। জ্যেষ্ঠানুক্রমিক আৰু পুৰুষানুক্রমিকভাৱে সত্রাধিকাৰ বাছনিৰ পদ্ধতি গৃহস্থী সত্রত পালিত হয়। উদাসীন সত্রলৈ গৃহী সত্রৰ পৰা যোগ্যতা চাই বালক অনা প্রথা গৃহীত হৈ আছে। এই প্রথাৰ কিছু বিশেষ ধৰা-বন্ধা নিয়ম আছে। উদাসীন সত্রসমূহে পূর্বতে যিকোনো সত্রৰ পৰা গোসাঁই ল'ৰা অনা নিযম নাছিল। আনকি একে আৰ্হিৰে সত্র যদিও আউনীআটী, দক্ষিণপাট, গড়মূৰ, কুৰুৱাবাহী এই সত্রকেইখনতে গোসাঁই ল'ৰা অনা নীতিৰ মাজত কিছু পার্থক্য আছে। ব্রহ্ম সংহতিৰ ভিতৰত কুৰুৱাবাহী সত্র আদি গৃহস্থী হোৱা হেতু এই সত্রত গোসাঁই অনাৰ বেলেগ ব্যৱস্থা নাই। আনহাতে আউনীআটী, দক্ষিণপাট আৰু গড়মূৰ সত্রই একোখনকৈ সৰু সত্র অর্থাৎ গৃহী সত্র প্রতিষ্ঠাকালীন সময়ত সৃষ্টি কৰি লোৱা হেতু সেই নিজ নিজ সৰু সত্রসমূহৰ পৰা গোসাঁই ল'ৰা মূল সত্রলৈ অনাৰ নিয়ম আছিল। কিন্তু কালক্রমত আউনীআটী সত্রৰ সৰু সত্র নোহোৱা হোৱাত এই সত্রত দশম সত্রাধিকাৰ কুশদেৱৰ দিনৰ পৰা আন সত্রৰ পৰা গোসাঁই ল'ৰা অনা নিয়ম প্রচলন হয়। অৱশ্যে এই নিয়মত কুৰুৱাবাহী আৰু বৰমাহৰা সত্রইহে এই যোগসূত্র ৰক্ষাত স্থান লাভ কৰে। পিছলৈ অর্থাৎ বর্তমান সময়লৈকে বৰমাহৰাৰ বাহিৰে বাকী মাহৰা সত্রকেইখনতো গোসাঁই অনাৰ সম্বন্ধ ঘটে। কিন্তু দক্ষিণপাট সত্রই নিজৰ সৰু সত্রৰ পৰা গোসাঁই অনা ক্রম বর্তমানেও ৰক্ষা কৰি আছে। এই সত্রৰো সৰু সত্রৰ গোসাঁইৰ অভাৱ হ'লে কুৰুৱাবাহীৰ পৰা অনা নিযম। প্রকৃতার্থত ব্রহ্ম সংহতিৰ চাৰিসত্রই নিজৰ

ক্ষেত্রত সম্ভৱ নহ'লে পৰস্পৰে পৰস্পৰৰ ওপৰত নির্ভৰশীল হ'ব পাৰে। গোপাল যদুমণিৰ বিশেষ সম্পর্ক থকাৰ বাবে যদুমণিদেৱে প্রতিষ্ঠা কৰা বৰমাহৰা সত্রই চাৰি সত্রৰ পিছতে মর্যাদা পোৱা হেতু তেনে যোগ্যতা লাভ কৰিছিল[১৬]। নিকা সংহতিৰ উদাস সত্র কমলাবাৰী আৰু ভোগপুৰ আদি সত্র কেইখনে নিকা সংহতিৰ মূল সত্রসমূহৰ পৰা গোসাঁই অনা পদ্ধতি আছে। কমলাবাৰীৰ তিনি সত্র, যথা, পুৰণা, নতুন আৰু উত্তৰ কমলাবাৰী সত্র কেইখনৰ ভিতৰত অৱশ্যে উত্তৰ কমলাবাৰী সত্রৰ ক্ষেত্রত এই নিযমৰ কিছু পার্থক্য আছে। উত্তৰ কমলাবাৰী সত্রই ব্রহ্ম সংহতি সত্রৰ গোসাঁইকে সত্রাধিকাৰৰূপে প্রতিষ্ঠা কৰি আহিছে। আৰম্ভণিৰ পৰা বর্তমানলৈকে এই সত্রই তেজপুৰৰ কলাবাৰী সত্রৰ পৰা গোসাঁই আনি আছে। আনহাতে গৃহী পুৰুষ সংহতিৰ মুখ্য সত্র বেঙেনাআটী সত্রই নিজ সত্রৰ জ্যেষ্ঠানুক্রমিক পদ্ধতিৰে সত্রাধিকাৰ হোৱাৰ নিযম ৰক্ষা কৰি আহিছে। মাজুলীৰ গৃহী সত্রসমূহৰ ভিতৰত জ্যেষ্ঠানুক্রমিক নিযম ৰক্ষা কৰা সত্রসমূহ হ'ল— বেঙেনাআটী, বেলেসিদ্ধিযা, ঔৰা। বংশৰ বযসৰ জ্যেষ্ঠগৰাকীযেই সত্রাধিকাৰ আৰু ডেকা আসনত থকা নিযম। পুত্রানুক্রমিক আদর্শৰ সত্রসমূহ হ'ল আঁহতগুৰি, সাঁকোপাৰা। এই দুইখন সত্র কাল সংহতিৰ। এনে আৰ্হিৰ সত্রত জ্যেষ্ঠ পুত্রই প্রথমতে এই যোগ্যতা লাভ কৰে। জ্যেষ্ঠ পুত্রৰ কিবা কাৰণত অসমর্থতা থাকিলে পিছৰ গৰাকী পুত্রই সেই আসন লাভ কৰে। সাধাৰণতে সত্রসমূহত গোসাঁইসকলৰ ভিতৰত দুখন আসনেই থাকে। সত্রাধিকাৰ আৰু উত্তৰাধিকাৰী ডেকাধিকাৰ। কিন্তু আউনীআটী সত্রত এই আসনৰ সংখ্যা বেছি। পূর্বতে এই সত্রত কোনো সমযত পাঁচ স্থানত পাঁচজন গোসাঁই থকা নিযম। সেই আসন আৰু থকা ঠাইৰ পৰিচযবিলাক হ'ল এনে ধৰণৰ ঃ সত্রাধিকাৰ, ডেকাধিকাৰ, গোৰিন্দপুৰীযা, ডেবেৰাপৰীয়া আৰু কাডীগঞা। সত্রাধিকাৰৰ বাসস্থান নামঘৰ মণিকূটৰ কাষত সত্রৰ মধ্যৱর্তী স্থানত, ডেকাধিকাৰ উত্তৰহাটীত, গোৰিন্দপুৰীযা পূৱহাটীত, ডেবেৰাপৰীযা আৰু কাডীগঞা ক্রমে দক্ষিণহাটী আৰু পশ্চিমহাটীত থকা নিয়ম[১৭]। এই সত্রৰ সত্রাধিকাৰ গৰাকীৰ অনুপস্থিতিত ডেকাধিকাৰে কিছু দাযিত্ব পালন কৰিলেও বাকী

---

১৬ প্রবাদ আছে নামনি অসমৰ পৰা উজনি অসমলৈ ধর্মপ্রচাৰ কৰিবলৈ আহোঁতে গোপাল আৰু যদুমণি একেলগে আহিছিল। তেওঁলোকৰ মাজত সুহৃদপ্রীতি গঢ় লওঁতে পিছলৈ এই উক্তি কথিত হ'ল যে, গোপাল যদুমণিৰ ওচৰলৈ বিনা নিমন্ত্রণত নাযাব। আনহাতে যদুমণি গোপালৰ ওচৰলৈ বিনা নিমন্ত্রণে যাব পাৰিব।

১৭ গোৰিন্দপুৰীযা, ডেবেৰাপৰীয়া আৰু কাডীগঞা শব্দৰ লগত সত্রৰ একোখনি চহৰ (অঞ্চল)ৰ সম্পর্ক আছে। লক্ষীমপুৰত গোৰিন্দপুৰ চহৰ থকাৰ বাবে তৃতীয গৰাকী গোৰিন্দপুৰীযা, ডেবেৰাপাৰ চহৰৰ নামত চতুর্থগৰাকী ডেবেৰাপৰীযা, বর্তমানে তিতাবৰত থকা কাডীগাঁও চহৰৰ নামত কাডীগঞা নাম হয।

কেইগৰাকীৰ হাতত সত্রীয়া বিশেষ দায়িত্ব নাথাকে। মাত্র তেওঁলোক সত্রীয়া জীৱনৰ বাবে শিক্ষাগত অর্হতা আহৰণ কৰাতে বিশেষভাৱে ব্যস্ত থাকে। বর্তমানে এই সত্রত সত্রাধিকাৰ, ডেকাধিকাৰ আৰু গোৱিন্দপুৰীয়া এই তিনিখন আসনৰ ক্রম ৰক্ষা হৈ আছে। বাকী দুখন আসন লুপ্ত হৈছে। উদাসীন সত্রলৈ গোসাঁইসকল অহাৰ ক্ষেত্রত প্রধান নিয়ম হ'ল, যেতিয়া গোসাঁইসকলৰ পিছৰ আসন শূন্য হয়; অর্থাৎ যেতিয়া সত্রাধিকাৰ গৰাকীৰ মহাপ্রয়াণ ঘটে, সেই আসনখন পূৰণ কৰাৰ কাৰণে ডেকাগৰাকী সেই স্থানলৈ আহে। ডেকাৰ আসন পূৰাবৰ বাবে তলৰ গৰাকী ওপৰলৈ আহে। একেবাৰে শেষৰ আসনৰ বাবে নতুনকৈ গোসাঁই ল'ৰা অনা আৱশ্যক হয। সেই প্রয়োজনীয় অৱস্থাত সত্রাধিকাৰগৰাকীযে ডেকা প্রমুখ্যে সত্রৰ মুখ্য বৈষ্ণৱসকলৰ সৈতে আলোচনা কৰি গোসাঁই ল'ৰা অনাৰ ব্যৱস্থা কৰে। নির্দিষ্ট সত্রৰ পৰা গোসাঁই ল'ৰা আনিব লগা হ'লেও ল'ৰাৰ জন্ম পত্রিকা, চাৰিত্রিক ব্যৱহাৰ আৰু পৰিয়ালৰ মর্যাদা আদি লক্ষ্য কৰা নিয়ম। বযসৰ ক্ষেত্রতো ল'ৰা কিশোৰ কালৰ ভিতৰত অনাৰ নিযম। সেই সকলোখিনি চোৱাৰ পিছত সত্রলৈ ল'ৰা অনাৰ সিদ্ধান্ত লয। যি সত্রত মাত্র দুগৰাকী গোসাঁই থকাহে নিয়ম সেই সত্রত ডেকাৰ আসন পূৰাবৰ বাবে গোসাঁই ল'ৰা অনা হয়। গোসাঁই ল'ৰা সত্রত প্রৱেশ কৰাৰ লগে লগে ডেকাধিকাৰ বা গোৱিন্দপুৰীযাৰ আসন নাপায়। সত্রীয়া নিয়ম নীতি শিকি শৰণ-ভজন আদি ধর্মীয় দীক্ষা গ্রহণ কৰাৰ পিছতহে ক্রমে ক্রমে সেই অৱস্থালৈ যায়। উপযুক্ত হোৱাৰ পিছত সত্রাধিকৰে মুখ্য বৈষ্ণৱসকলৰ লগত আলোচনা কৰি ডেকা বা গোৱিন্দপুৰীয়াক নির্মালি প্রদান কৰে। দক্ষিণপাট সত্রত বৰ মনোৱাই, সৰু মনোৱাই ভকতসকলে মনোনীত কৰা ডেকা গোসাঁইগৰাকী সত্রাধিকাৰৰ সম্মতি পালে ডেকাধিকাৰৰ পাটত বহিব পাৰে। ভকতসকলক সমৱেত কৰাই সত্রাধিকাৰে নির্মালি দিয়ে। পুৰণি সত্রীযা ব্যৱস্থাত টোলীয় সংস্কৃত শিক্ষা গ্রহণ কৰা অত্যাৱশ্যকীয কথা। বর্তমান সংস্কৃত শিক্ষাৰ লগতে স্কুল-কলেজৰ শিক্ষা গ্রহণ কৰাও লেখত ল'ব লগীযা কথা হৈ পৰিছে। সত্রীয়া বেলেগ বেলেগ আসনত থাকিলেও উদাস সত্রত সত্রাধিকাৰৰ লগত পিছৰসকল গোসাঁইৰ পোষ্য পুত্রৰ সম্বন্ধ ঘটে। সকলোৰে এনে সম্বন্ধ থাকিলেও ডেকাধিকাৰগৰাকীয়েহে প্রযাত সত্রাধিকাৰৰ অন্ত্যেষ্টিক্রিযা, শ্রাদ্ধ-পিণ্ডাদি সম্পাদন কৰিব পাৰে। প্রয়োজন সাপেক্ষে ডেকাই, সত্রাধিকাৰক অন্নও দিব পাৰে। ডেকাজনা সকলো ধর্ম-কার্যতে অধিকাৰৰ অনুৱর্তী হৈ চলিব লাগে। ডেকা হ'ল অধিকাৰৰ ছাঁযা স্ৱৰূপ, অধিকাৰে মূল কোনো কর্ম বা উৎসৱাদিৰ মূল দাযিত্ব সমযমতে পালন কৰিব নোৱাৰিলে ডেকাজনাই অধিকাৰৰ অনুমতি ক্রমে কৰিব পাৰে। শৰণ-ভজন আদি দিয়া কর্মৰ উপৰিও বাহিৰত বাহৰ পাতি থকা অৱস্থাত শিষ্যবর্গৰ মাজৰ যোগ্যতা-প্রাপ্তসকলক সত্রৰ বিষযববীযা পাতিব পাৰে। অৱশ্যে বৰমেধি আদিৰ

দৰে মূল বিষযা পতাত বাধা আছে। সত্রৰ ভিতৰত সত্রীয়া কোনো বিষয়বাব ডেকাই দিব নোৱাৰে, ভঙা-পতাও কৰিব নোৱাৰে।

গোসাঁইসকলৰ পিছতেই সত্রৰ ভকতসকলৰ জীৱন-যাপন প্রণালীৰ কথা বিবেচ্য। গোসাঁইসকলৰ দৰে ভকত হ'বলৈও সৰুতে ল'ৰা অহাৰ নিযম। ৭-৮ বছৰৰ পৰা ১৪-১৫ বছৰৰ ভিতৰত ল'ৰা অনাটো নিয়ম। সৰুতে ল'ৰা অনাৰ ঘাই কাৰণ হ'ল— কোমল বযসত এক নির্দিষ্ট জীৱন-যাপন প্রণালীৰ গঢ দিয়াটো সহজ। উদাসীন সত্রলৈ ভকতৰ ল'ৰা অনা বা অহাৰ মুখ্যতঃ চাৰি প্রকাৰৰ ব্যৱস্থা আছে ঃ

(১) বহাৰ মুৰব্বী গৰাকীযে অভিৰুচি অনুযাযী নিজৰ পৰিয়াল বা আন পৰিয়ালৰ পৰা অনা নিযম।

(২) পৰিযালৰ সম্বন্ধ-সূত্রে অহা নিয়ম।

(৩) সত্রলৈ আগ কৰা বা আগবঢোৱাৰ পৰম্পৰাগত বিশ্বাস অনুসৰি পিতৃ-মাতৃযে সত্রত ল'ৰা থোৱাৰ নিযম।

(৪) উপযুক্তভাৰে গঢ দিয়াৰ আশাত পৰিযালৰ লোকে সত্রলৈ নিজে ল'ৰা দিযাৰ নিযম।

উদাস সত্রত ভকতসকলে দুজন তিনিজনৰ পৰা দহজন পর্যন্ত একেটা পৰিয়ালৰ দৰে সহ অৱস্থান কৰাৰ ব্যৱস্থা আছে। পৰিয়ালৰ দৰে বাস কৰা একোখন বহাৰ[১৮] মুৰব্বীজনক তলৰ সকলে আতা[১৯] সম্বোধন কৰে। কেৱল বহাৰ ভিতৰতে আতা সম্বোধন ধৰা নহয়। সত্রীয়া যিকোনো বিষয়ববীযা আৰু মূল প্রসঙ্গীয়াসকলক আতা সম্বোধন ধৰা নিয়ম। যেনে, নামলগোৱা আতা, ওজা আতা, গাযন আতা, বাযন আতা, ভঁৰালী আতা, পাঁচনী আতা আদি। 'আত্মা' শব্দটোৰ পৰাই 'আতা' শব্দ আৰু কমলাবাৰী সত্রকেইখনত ব্যৱহৃত 'আতৈ' শব্দ উৎপত্তি হৈছে। প্রকৃত শব্দটো হ'ল 'আত্মাৰাম'। তাৰে 'ৰাম' শব্দটো আঁতৰাই কেৱল 'আত্মা' শব্দ ব্যৱহাৰ কৰা হৈছে। ভকতসকলে পৰস্পৰে পৰস্পৰক সম্বোধন কৰোঁতে বা সঁহাৰি দিওঁতে ব্যৱহাৰ কৰা 'ৰাম' শব্দটোও 'আত্মাৰাম'ৰ পৰাই আহিছে। উজনি অসমত ধর্ম প্রচাৰ কৰোঁতে, সত্র সভা পাতি দিওঁতে বংশীগোপাল আৰু যদুমণিদেৱে এই 'আতা' শব্দৰ প্রচলন ঘটায়। মুৰব্বীগৰাকীৰ আলপৈচান ধৰা অর্থত তলৰসকলক আলধৰা বুলি কোৱা হয়। কিন্তু যথার্থতে আলধৰাসকলৰ মুৰব্বীজনৰ লগত পোষ্যপুত্র সম্বন্ধ। তুলি-তালি ডাঙৰ-দীঘল কৰি

---

১৮ বাসা — সংস্কৃত বাস শব্দ মূল। বাসা > বাহা > বহা।

১৯ আতা = মূল শব্দ — আত্মা > আত্তা > আতা।
গুৰুচৰিত কথা, সম্পা মহেশ্বৰ নেওগ, কথা ৮৫৬, পৃঃ ৩৮২

২০ পোষ্য ঃ An adopted son, A foster son হেমকোষ, পৃঃ ৬৪০

পালন-পোষণৰ ব্যৱস্থা লৈ পুত্রোচিত কর্তব্য যাৰ পৰা আশা কৰে সেযে পোষ্যপুত্র[৮০]। তলৱসকলৰ পৰিচালক তথা তত্ত্বাৱধায়কগৰাকীৰ পৰিচয় দিযাৰ ক্ষেত্রত মেধি আৰু বুঢ়াভকত শব্দ ব্যৱহাৰ কৰা হয়। প্রত্যেক বহাৰ মেধি বা বুঢ়াভকতৰ দাহন-বহন আৰু পিণ্ডাদি দানেৰে অন্ত্যেষ্টিক্রিয়া সম্পাদন কৰে পোষ্যপুত্রই। জ্যেষ্ঠানুসাৰে এই কর্মৰ অধিকাৰ থাকে। যি গৰাকীয়ে পিণ্ডৰ অধিকাৰ পায় সেই জন পোষ্যপুত্রক মুৰব্বীগৰাকীয়ে অন্তিম সময়ত দুই-চাৰিজন জ্ঞাতিক সম্মুখত লৈ কাপোৰ-গামোচা আৰু অৰিহণা আদি দি সেই কর্তব্য পালনৰ দাযিত্ব দিযে (ভৰসা কৰে)। ইযাকে 'পো-লোৱা' বুলি কয়। পিণ্ডৰ অধিকাৰীযে মৃত অভিভাৱকগৰাকীৰ সা-সম্পত্তি পালেও সেইখন বহাৰ পিছৰ জ্যেঁষ্ঠগৰাকীয়েহে মূল দাযিত্ব লাভ কৰে।

পোষ্যপুত্রৰ অভাৱ পূৰণ আৰু সঙ্গানুৱর্তী ভকতৰ শাৰী পূৰণৰ বাবে এখন বহাৰ এগৰাকী মুখ্য ভকতে নিজ বর্ণৰ লগত মিলা যি কোনো পৰিয়ালৰ পৰা ল'ৰা আনে। সাধাৰণতে সত্রলৈ ব্রাহ্মণ, কলিতা, কেওঁট, কোঁচ সম্প্রদাযৰ লোক ভকত হ'বলৈ অহা দেখা যায়। তাৰ কাৰণ হ'ব পাৰে প্রথমৰ ভকতসকলে লগাই থৈ যোৱা ক্রম। তাৰ বাহিৰে এই ক্ষেত্রত আন কোনো সাম্প্রদাযিক বিচাৰ থকা বুলি জনা নাযায়। আনহাতে পৰিযালৰ কোনো লোক সত্রত থাকিলে বংশসূত্রে সেইগৰাকী বৈষ্ণৱক সহায কৰিবলৈ আৰু পুত্রৱৎ ৰূপে কর্তব্য পালনৰ অর্থে পৰিয়ালৰ লোকে ল'ৰা দিয়ে। ইযাৰ ঘাই কাৰণ পৰিযালৰ লোকজনৰপ্রতি থকা মমতা আৰু বংশসূত্রে কোনোবা এগৰাকীক সত্রৰ ভকতৰ দৰে ওখ, আৰু সৎ স্থানত থোৱাৰ পৰম্পৰা। পৰিযালৰ এনে সম্বন্ধত ঘাইকৈ দদাই-ভতিজা, ককাই-ভাই, মোমাই-ভাগিন আদি লোকসকলে সত্রীয়া জীৱন গ্রহণ কৰে। ইয়াৰ পিছতে আগ কৰা ৰীতি অনুসৰি সত্রলৈ বিভিন্ন কাৰণত পৰিয়ালবিলাকৰ পৰা ল'ৰা আগ কৰে। তাৰ ভিতৰত কাৰোবাৰ যেতিয়া সন্তান নাথাকে, সন্তান হোৱাৰ আশাত সত্রলৈ সন্তান আগ কৰে। যদি সন্তান হয়, তেতিয়া প্রতিশ্রুতি ৰক্ষা কৰি ল'ৰাৰ কিছু বোধশক্তি হোৱাৰ লগে লগে সত্রলৈ ল'ৰা দিয়ে। অৱশ্যে এই আগকৰা সন্তানৰ কেৱল ল'ৰাহে আহিব পাৰে। তেনেদৰে ল'ৰাৰ ৰোগ-ব্যাধি হ'লে তাৰ পৰা পৰিত্রাণ পাবৰ বাবেও সত্রলৈ ল'ৰা আগ কৰে। লগতে ঘৰৰ আলৈ-আছকাল, বিপদ আদি আঁতৰাবৰ বাবেও মঙ্গল কামনাৰে সত্রানুষ্ঠানলৈ ল'ৰা আগবঢ়ায। পৰিয়ালৰ ফালৰ পৰা ইচ্ছাকৃতভাৱে আগ কৰা বা আগবঢোৱা সন্তান সাধাৰণতে সত্রৰ পৰা উলটি যোৱাৰ নিয়ম নাথাকে যদিও কাৰোবাৰ বংশোচ্ছেদ বা পৰিয়াল অনাথ হোৱাৰ উপক্রম হ'লে পৰিয়ালৰ লোকে সত্রত অন্ন-বস্ত্র, অৰিহণা আদিৰে শৰাই-সঁফুৰা আগবঢ়াই, সেই ল'ৰা সত্রাধিকাৰৰ অনুমতি সাপেক্ষে সত্রৰ পৰা খুজি নিব পাৰে। এবাৰ দান কৰাৰ পিছত প্রতিগ্রাহী

দোষ নিবৃত্তিৰ বাবেই অতি সন্তর্পণে এই ব্যৱস্থাসমূহৰ যোগেদি ল'ৰা কেতিয়াবা ঘৰলৈ ওলোটাই নিয়াৰ নিয়মো আছে। আগৰ কালতকৈ বর্তমান সময়তহে এই ৰীতিৰ অধিক প্রচলন ঘটিছে। এনে ব্যৱস্থাসমূহৰ উপৰিও উপযুক্তভাৱে গঢ় দিয়াৰ আশাত পৰিয়ালৰ লোকে সত্রত ল'ৰা থয়। এনে ৰীতিত সাধাৰণতে পৰিয়ালৰ লোকে নিজে সত্রত ল'ৰা থ'বলৈ আহে। সত্রৰ কোনো বহাৰ লগত পোনপটীয়াকৈ আলোচনা কৰিও থ'ব পাৰে বা সত্রাধিকাৰগৰাকীক অর্পণ কৰিও তেওঁৰ যোগেদি কোনো বহাত থোৱাৰ ব্যৱস্থা কৰিব পাৰে। এনে কৰাৰ আঁৰত বিশেষকৈ সত্রীয়া জীৱন-ধাৰণেৰে সন্তানক সৎ-চৰিত্রৱান কৰি তোলাৰ আশা, সত্রীয়া সংস্কৃতিৰ কলাত্মক দিশসমূহত নিপুণ কৰি তোলাৰ আকাংক্ষা, সত্রস্থ সংস্কৃত টোলৰ আৰু বর্তমানৰ আধুনিক শিক্ষাৰে শিক্ষিত কৰাৰ আশা জড়িত হৈ থাকে। সত্রীয়া জীৱন পদ্ধতিৰ মাধ্যমেৰে ল'ৰা যাতে নৈতিক, আধ্যাত্মিক তথা আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত হ'ব পাৰে, পিতৃ-মাতৃৰ এই আকাংক্ষাও প্রতিফলিত হোৱা দেখা যায়[৮১]।

সত্রলৈ ভকতৰ ল'ৰা অনাৰ লগে লগে মুৰব্বীগৰাকীয়ে নিজৰ বহাত প্রৱেশ কৰোৱাৰ পিছত সত্রাধিকাৰগৰাকীক ল'ৰা ভেট কৰাই সেৱা জনোৱাৰ নিয়ম। এনে ক্রমেৰে নামঘৰত ৰাতিপুৱা প্রসঙ্গৰত অৱস্থাত নাম সেৱা কৰাই সত্রলৈ ল'ৰা অনাৰ জাননী দিয়াটো এটা পালনীয় নিয়ম। নতুন গোসাঁইসকল সত্রত প্রৱেশ কৰা কালতো এনে নিয়ম আছে। গোসাঁইসকলৰ ক্ষেত্রত শৰাই, সঁফুৰাৰে সেৱা জনোৱা হয়। ভকতৰ ল'ৰা অহাৰ পিছতেই সত্রৰ ভঁৰালৰ বৰবহী[৮২] আৰু নিজা হাটীৰ বহীত নাম লিখোৱাব লাগে। ভকতৰ ল'ৰা অনাৰ ক্ষেত্রতো বহাৰ মুৰব্বীজনে বহাখনৰ আন জ্যেষ্ঠসকলৰ লগত আলোচনা কৰি ল'ৰা অনাৰ সিদ্ধান্ত লয়। অৱশ্যে কেতিয়াবা মুৰব্বীজনে অকলেও এই সিদ্ধান্ত গ্রহণ কৰে। ল'ৰা অনাৰ আগে আগে সত্রীয়া পোছাক ঘৰতে ল'ৰাক পিন্ধাই সেই সাজেৰে সত্রলৈ অনা ধৰা-বন্ধা নিয়ম। সত্রলৈ পোনপটীয়াকৈ গৃহস্থ ঘৰে ল'ৰা আনিলেহে এই

---

৮১ অৱশ্যে আজিকালি এনে ইচ্ছাৰে ল'ৰা আগবঢ়ালেও শেষলৈ বহুতো পিতৃ-মাতৃয়ে নিজৰ সন্তানক চৰকাৰী বৃত্তিধাৰী হোৱাৰ যোগ্যতা পোৱাৰ পিছতেই ঘৰলৈ ঘুৰাই নিযাৰ চেষ্টা কৰে। লগতে চৰকাৰী বৃত্তিমুখী যোগ্যতা পোৱাৰ লগে লগে যুৱক ভকতগৰাকীৰ মানসিকতাও তেনেভাৱেই গঢ লয়। ফলত তেওঁ নিজেই বাহিৰৰ গৃহস্থী পৰিৱেশলৈ যাবলৈ মন মেলে। বর্তমান উদাসীন সত্রসমূহত এনেধৰণৰ ঘটনাই প্রভাৱ নেপেলোৱা নহয়।

৮২ বৰবহী ঃ ভঁৰালত থকা বহীক 'বৰবহী' বুলি কোৱা হয়। নতুন ভকতৰ ল'ৰা আনিলে মজিন্দাৰৰ যোগেদি এই বহীত নাম লিখা হয়। লগতে নিজহাটীৰ বহীতো লিখা হয় সেই হাটীৰ অন্তর্ভুক্ত কৰিবলৈ।

নিয়মৰ তাৰতম্য ঘটে। আৰম্ভণিতে শৌচ, সদাচাৰ, ধৃতি-নীতিৰ কথা বহাৰ মুৰব্বী বা লগত থকা বহাখনৰ জ্যেষ্ঠজনে শিকনি দিয়ে। দৈনন্দিন জীৱনৰ অপৰিহার্য গুৰু, দেৱ, নাম, ভকত[৮৩] সেৱা কৰাৰ নির্দিষ্ট প্রণালী দেখুৱায় আৰু নির্দিষ্ট কর্মৰ মন্ত্র, স্তোত্র আওঁৰাবলৈ পাঠ দিয়ে। গধূলি কাণখোৱা, গুণমালা, ভটিমা আদি পাঠ কৰিবলৈ শিকোৱা হয়। এনেদৰে প্রাথমিকভাৱে নিজকে গঢ় দিয়াৰ পিছত সত্রীয়া নির্দিষ্ট প্রসঙ্গ প্রণালীৰ চর্চা আৰু অনুশীলন আৰম্ভ কৰে। সম্পূর্ণ উপযুক্ত হোৱাৰ পিছত নির্দিষ্ট বিষয়ৰ নির্মালি সত্রাধিকাৰৰ পৰা গ্রহণ কৰি সত্রীয়া জীৱন-যাপনেৰে এজন লোক ভকত নামেৰে যথার্থতে পৰিচিত হ'ব পাৰে। সত্রৰ ভকতৰ ভাগ আছে, তাৰ ভিতৰত বেণুধৰ শর্মাই 'দক্ষিণপাট সত্রৰ বুৰঞ্জী'ত ইযাৰ বিস্তৃত ব্যাখ্যা দাঙি ধৰিছে ঃ[৮৪]

(১) সাত মান ভগীযা বা বৰ মানোৱাই ভকত, (২) সৰু মানোৱাই ভকত, (৩) বৰমূৰীযা বা ভাল ভকত, (৪) সাধাৰণ ভকত, (৫) বনুৱা ভকত, (৬) বাজ ভকত, (৭) যোগনীয়াৰ ভকত আৰু (৮) পাইকান ভকত।

(১) সাত মান ভগীয়া ঃ বৰ পূজাৰী, বৰ ভাগৱতী, বৰ গুৱাকটা, বৰপাঠক, বৰ নামলগোৱা, বৰ কাকতী, বৰ আলধৰা, বৰ খাটনিযাৰ, বৰ ভঁৰালী, চাউল ভঁৰালী আদিক বৰ মানোৱাই বুলি কোৱা হয। যিকোনো কার্যত আৰু তিথি উৎসৱ অদিত বিশেষ মান পোৱা অর্থত এই শব্দৰ ব্যৱহাৰ। এই বৰ মানোৱাই কেইজনক সাত মানভগীয়াও বোলে। আউনীআটীত এই সাত মানভগীযাৰ অর্থ হ'ল, ৰজাৰ ওচৰলৈ গোসাঁইৰ সৈতে সাতজন ভকত যাওঁতে সাতজনে একেলগে সম্মান পোৱা অর্থত সেই কেইজনক সাত মানভগীযা বুলি পৰিচয দিযা হয। পূর্বতে ৰজাৰ ওচৰলৈ যাওঁতে

---

৮৩ দেউঃমহাপ্রভুক সেৱা কৰা মন্ত্র --- (১) ধ্যেযাং সদা পৰিভৱঘ্ন-মভীষ্টদোহং তীর্থস্পদং শিৱবিৰিঞ্চিনুতং শৰণ্যময। ভৃত্যার্তিদং প্রণতপাল ভৱব্ধিপোতং ৱন্দে মাহাপুৰুষ তে চৰণাৰবিন্দম।। ৩৩

(২) ত্যক্ত্বা সুদু-স্ত্যজসুৰেপ্সিতৰাজ্যলক্ষ্মীং ধর্মিষ্ট আর্যৱচসা যদগাদৰণ্যম। মায়ামৃগং দযিতযেপ্সিতমন্বধাৱদ্ধন্দে মাহাপুৰুষ তে চৰণৰেৱিন্দম্।।

ভাগৱত (সং), ১১ স্কন্ধ ৫ অধ্যায, শ্লোক ৩৪

(৩) মহাপ্রভুৰ নির্মালি লোৱা মন্ত্র ঃ নির্মাল্যং শিৱসাধার্য্য

(৪) মহাপ্রভুৰ পদজল খোৱা মন্ত্র ঃ অকাল মৃত্যু হৱণং

গোপাল চন্দ্র শাস্ত্রী, বিপ্রসর্বস্ব, পৃঃ ৮৮

(৫) গুৰু সেৱা কৰা মন্ত্র অখণ্ড মণ্ডলাকাৱং অজ্ঞান তিমিৰান্ধস্য হিন্দুসর্বস্ব, পৃঃ ৪,৫

(৬) নামত বা ৱৈষ্ণৱত সেৱা কৰা মন্ত্র-বাঞ্ছা কল্পতরু সিন্ধু

৮৪ বেণুধৰ শর্ম্মা, দক্ষিণপাট সত্র, পৃঃ ১৮

এই লেখৰ সাত মানভগীয়া ভকত কেইজন হ'ল বাগীশ, বৰ দেউৰী, চাউল ভঁৰালী, ধন ভঁৰালী, বৰ নামলগোৱা, বৰ পাঠক বা বৰ খাটনিয়াৰ। কিন্তু এই সত্রৰ জয়কৃষ্ণ গোসাঁইৰ দিনত এই সম্মানৰ ক্ষেত্রত কিছু সাল-সলনি হ'ল। বৰ নামলগোৱা আৰু বৰ পাঠকৰ ঠাইত বৰ আলধৰা আৰু বৰ গুৱাকটা অন্তর্ভুক্ত হয়। বর্তমানে খাটনিয়াৰ পদবী নোহোৱা হৈছে। এই সত্রত দুৱলীয়া পূজাৰী আৰু দুৱলীয়া ভাগৱতীকো সাত মানভগীয়াৰ লেখত ধৰা হয়। অৱশ্যে মূল কেইজনতকৈ কিছু সম্মানৰ ন্যূনতা আছে।

(২) সৰু মানোৱাই : দক্ষিণপাট সত্রত পালি পূজাৰী, দুৱলীয়া ভাগৱতী, বৰ শ্রৱণী, সৰু নামলগোৱা, সৰু পাঠক, হাটীমতা, বৰ ভঁৰালী আৰু গোসাঁইৰ ভিতৰৰ কাকতী, বৰ পুৰোহিত, শিৰগায়ন, শিৰবায়ন, ওজা এইসকলক সৰু মানোৱাই বোলে। বৰ ভকততকৈ মানত এখাপ তল।

(৩) বৰমুৰীয়া বা ভাল ভকত : দক্ষিণপাট সত্রত দেউৰী, আঠপৰীয়া, মলীয়া বৰা, গুৱা ভঁৰালী, মলীয়া, সৰু পুৰোহিত, সৰু ভঁৰালী, ভেটিধৰা, ভাৰী ভাগৱতী, ঠাইমচা, দুহৰীয়া গায়ন আদিক বৰমুৰীয়া ভকত বা ভাল ভকত আখ্যা দিয়া হয়।

(৪) সাধাৰণ ভকত : দক্ষিণপাট সত্রত সৰু মানোৱাইৰ আলধৰা আৰু ভাল ভকতৰ আলধৰাক সাধাৰণ ভকত বোলে।

(৫) বনুৱা ভকত : সত্রৰ বনবাৰী কৰা ভকতক বনুৱা ভকত আখ্যা দিয়া হয়।

(৬) বাজ ভকত : ঢুলীয়া, কালীয়া, ভেৰুৱা, বাৰিক আদিক বাজ ভকত আখ্যা দিয়া হয়। এওঁলোক বাহিৰত থাকে।

(৭) যোগনীয়াৰ ভকত : দক্ষিণপাট সত্রত চৰু, পাত, খৰি প্রভৃতি যোগান দিয়া সকলক যোগনীয়াৰ ভকত আখ্যা দিয়া হয়। আউনীআটী সত্রত বিবিধ বস্তু যোগান দিয়া আৰু সত্রত উৎসৱ-পর্ব উপলক্ষ্যে বিবিধ কর্মত সহায় কৰি দিয়া শ্রেণীক পাইক বুলি কোৱা হয়। নির্দিষ্ট কর্মৰ নামত পাইকৰ পৰিচয় পোৱা যায়। যেনে, কুমাৰ পাইক, কাড়ী পাইক, মেলডঙী পাইক, বিলতীয়া পাইক আদি[৮৫]। যোগনীয়াৰ ভকতৰ লেখত আউনীআটী সত্রত চাউল ভঁৰালত ধান-চাউল লোৱা আদিত সহায় কৰা ব্যক্তিক চমুৱা

---

৮৫ **কুমাৰ পাইক : মাটিৰ** পাত্র যেনে, চৰু, কলহ সত্রৰ ভঁৰাললৈ যোগান দিওঁতা।

কাড়ী পাইক : পূর্বৰ জলপথ থকা অৱস্থাত নাৱেৰে গোঁসাইসকল যোৱাৰ সময়ত পানী ধাৰ চাই যোৱা আৰু জলপথ নির্দেশ কৰাসকলক কাড়ী পাইক বোলা হয়।

বিলতীয়া পাইক : সত্রৰ নামত থকা বিল-ডোবাৰত মাছ আদি জল-সম্পদ যি সংগ্রহ কৰে আৰু সত্রক আনি দিয়ে, তেওঁলোক বিলতীয়া পাইক।

মেলডঙীয়া পাইক : পূর্বৰ সত্রত বাইজৰ কোনো বিবাদৰ বিচাৰ কৰিব লাগিলে সেই মেলৰ প্রতিনিধিস্বৰূপে যি যোগ দিয়ে সেই পৰিয়ালৰ লোকসকল মেলডঙীয়া পাইক।

ভকত আখ্যা দিয়া হয। যোগনীয়াৰ আৰু পাইক শ্রেণীৰ ভকত সত্রৰ বাহিৰত থাকে। নির্দিষ্ট গাঁৱত বাস কৰে।

(৮) পাইকান ভকত : সত্রৰ নিচেই কাষতে বিনা খাজনাত দেৱোত্তৰ মাটি ভোগ কৰি থকা গৃহস্থী লোকক পাইকান ভকত বোলা হয়।

নবীন গোসাঁই এগৰাকীযেও সত্রলৈ অহা সময়ত প্রাথমিক নিযমসমূহ একেদৰেই পালন কৰিব লাগে। মাথোন গোসাঁইগৰাকীৰ ক্ষেত্রত গোসাঁই আসনৰ নির্দিষ্ট কর্মসমূহৰ সুকীযা আচৰণ কৰিব লাগে। গোসাঁই ল'ৰাই সত্রীযা নিযম-নীতি শিকাৰ পিছতে ঘৰত উপনযন সংস্কাৰ হৈ নাহিলে সত্রাধিকাৰগৰাকীয়ে নিজে উপনযন সংস্কাৰ কৰোৱাৰ ব্যৱস্থা কৰে। আউনীআটী সত্রৰ গোসাঁইসকলৰ তিনিখন আসনৰ ব্যৱস্থা থকা হেতু ডেকাধিকাৰে সত্রাধিকাৰৰ অনুমতি সাপেক্ষে তলৰ গৰাকী অর্থাৎ ভাবী গোৱিন্দপুৰীযাৰ উপনযন সংস্কাৰ কৰা নিযম[৮৬]। উপনযন সংস্কাৰৰ পিছতেই সত্রীযা নীতি-নিযমৰ কথা বুজা হ'লে আচৰণশীল হোৱা দেখিলেই নির্দিষ্ট আসনৰ বাবে সত্রাধিকাৰে নির্মালি প্রদান কৰে। আউনীআটী সত্রত প্রথমতে নবীন গোসাঁয়ে গোৱিন্দপুৰীযা ৰূপে নির্মালি ল'ব লাগে। সত্রাধিকাৰ এগৰাকীৰ মহাপ্রযাণ ঘটাৰ লগে লগে পর্যাযক্রমে ডেকা, সত্রাধিকাৰ আসনলৈ আৰু গোৱিন্দপুৰীযা ডেকাৰ আসনলৈ যায।

মূল শাসক সত্রাধিকাৰ : নামঘৰ, মণিকূট, ভঁৰালঘৰ আৰু আন আন সকলো বিষযববীযাৰ কর্ম নিৰীক্ষণ কৰ্তাৰ দাযিত্ব সত্রাধিকাৰ্গৰাকীৰ। দৈনন্দিন জীৱনত নির্দিষ্ট কর্মসমূহ নিযমিতভাৱে চলিছে নে নাই তাৰ ওপৰত দৃষ্টি ৰাখে সত্রাধিকাৰগৰাকীযে। সত্রীযা সকলো সমস্যা সমাধান আৰু বিচাৰ নিষ্পত্তি কৰাটো সত্রাধিকাৰগৰাকীৰ মূল দাযিত্ব যদিও এই ক্ষেত্রত সত্রৰ মুখ্য বৈষ্ণৱসকলৰ সহযোগ বিশেষ প্রযোজনীয দিশ।

বিচাৰ ব্যৱস্থা : সাধাৰণ বিচাৰবিলাক প্রত্যেক হাটীত নিজা হাটীৰ বৈষ্ণৱসকলৰ মাজত নিষ্পত্তি কৰা হয। বিবদমান যিকোনো বিষয বা বিচাৰমূলক কথা সত্রাধিকাৰক জনাব লাগে। সত্রাধিকাৰে হাটীৰ মুখ্য বৈষ্ণৱসকলক মাতি হাটীতে আলোচনা কৰি কাম সমাধা কৰিবলৈ অনুমতি দিযে। তেনেদৰে অনুমতি পোৱাৰ পিছত আলোচনা কৰি লোৱা সিদ্ধান্তৰ কথা সত্রাধিকাৰক পুনৰ জনাব লাগে। যি কথা হাটীযে নিষ্পত্তি কৰিব নোৱাৰে সেই বিচাৰ সত্রাধিকাৰৰ ঠাইলৈ আহে। চাৰিওহাটীৰ মুখ্য বৈষ্ণৱসকলৰ সহযোগিতাত সত্রাধিকাৰে বিচাৰ নিষ্পত্তি কৰে।

শৰণ, ভজন, দান কার্য : দৈনন্দিন জীৱনত সত্রৰ ফালৰ পৰা শৰণ-ভজন

---

[৮৬] এনে নিযমে উপনযন দিওঁতাজনৰ লগত পুত্রৰং সম্বন্ধ ঘটায, যাৰ ফলত নবীন গোসাঁযে পুত্রোচিত কর্তব্য পালনৰ যোগ্যতা লাভ কৰে।

আদিৰে ভক্তিতত্ত্ব বা পাৰমার্থিক শিক্ষা দিয়াৰ যি ব্যৱস্থা আছে, সত্রৰ অধিকাৰে তাত মুখ্য ভূমিকা পালন কৰে। সত্রাধিকাৰৰ অনুপস্থিতিত ডেকাধিকাৰে শৰণ-ভজন দিব পাৰে যদিও শেষ পর্যায়ৰ পাৰমার্থিক শিক্ষা দিয়াত কোনো কোনো সত্রত বাধা থাকে। সত্রাধিকাৰ আৰু ডেকা অধিকাৰৰ বাহিৰেও কোনো কোনো সত্রত সত্রৰ ৰৰপূজাৰী, ভাগৱতী বা সত্রৰ মুখ্য বিষয়বাব পোৱা ভকতসকলেও শৰণ-ভজন আদি দিব পাৰে। কমলাবাৰী মূলৰ সত্রসমূহত যি চাৰিজন বুঢ়াভকত থাকে সেই বুঢ়াভকত কেইগৰাকীয়ে সত্রত এই কার্য সম্পাদন কৰিব পাৰে। গডমুৰ সত্রত সত্রাধিকাৰৰ অনুপস্থিতিত সেই কার্য ৰৰপূজাৰীয়ে কৰিব পাৰে। আউনীআটী আৰু দক্ষিণপাট সত্রত সত্রাধিকাৰগৰাকীৰ অনুপস্থিতিত মাত্র ডেকাগৰাকীয়ে এই কার্য সম্পাদন কৰিব পাৰে। দক্ষিণপাট সত্রত অনুমতি সাপেক্ষে গৃহস্থী সত্রৰ অধিকাৰ গৰাকীযেও কেতিযাবা দুয়োগৰাকীৰ অনুপস্থিতিত কর্ম কৰিব পাৰে। এই সত্র দুখনত কোনো ভকত আনকি আউনীআটী সত্রত গোৰিন্দপুৰীয়াজনাইয়ো এই কার্য কৰিব নোৱাৰে। অৱশ্যে সত্রৰ বাহিৰত বাহৰ পাতি থকা অৱস্থাত গোৰিন্দপুৰীয়া আৰু বিশেষ অনুমতি পোৱা মুখ্য বৈষ্ণৱসকলে এই কার্য সম্পাদন কৰিব পাৰে। শৰণ-ভজন আদি ভক্তিতত্ত্বৰ শিক্ষাসমূহ পুৱা প্রসঙ্গ চলি থকা সময়ত প্রদান কৰা নিয়ম। শৰণ-ভজন আদি কার্যৰ বাবে যিদৰে গুৰুৰ আৱশ্যক সেইদৰে সেই কর্মতো আগভাগ লোৱা আৰু নিযম-নীতি দেখুওৱা এজন ব্যক্তিৰ প্রযোজন, এই গৰাকী হ'ল অঞ্জনীয়া। এই অঞ্জনীযাৰ দাযিত্ব সত্রৰ মুখ্য ৰৰপূজাৰী, বাগীশ, ভাগৱতী আদিযে পালন কৰে। শৰণ-ভজন একে পর্যাযৰে কর্ম হ'লেও সততে সত্রৰ গোসাঁইসকলে এই কার্য কৰিলেও আউনীআটী, দক্ষিণপাট, গডমুৰ আদি সত্রত ভজনৰ কার্য গোসাঁইসকলে নিজে নকৰে। ভকতসকলে সত্রাধিকাৰৰ পৰা আজ্ঞা আৰু অনুমতি লৈ সেই কার্য সম্পন্ন কৰে। ভক্তিতত্ত্বৰ শিক্ষাত শৰণ-ভজন, মালা-মন্ত্র আৰু দীক্ষা মূল ভাগ। দীক্ষাদান কার্য অৱশ্যে সকলো সত্রতে প্রচলন নাই। মাজুলীৰ দক্ষিণপাট সত্রত দীক্ষা কার্য আৰম্ভণিৰ পৰা প্রচলিত হৈ আহিছে। ভক্তিতত্ত্ব শিক্ষা প্রদানৰ লগতে সত্রীয়া জীৱন যাত্রাত সত্রস্থসকলৰ অপৰিহার্য কিছু কর্তব্য থাকে।

সত্রৰ বিষয়সমূহ ঃ নামঘৰ আৰু মণিকূটত পূজা-উপাসনা আৰু নাম প্রসঙ্গৰ সকলোৰে উমৈহতীযা অংশ থাকিলেও নির্দিষ্ট কর্মৰ বাবে বিষযববীযা নিযোগ কৰা থাকে। কর্ম অনুপাতে কর্মক্ষেত্র আৰু কর্মীৰ সুকীযা সুকীযা পৰিচয আছে। তাৰ ভিতৰত মুখ্যতঃ নামঘৰ, মণিকূট, ভঁৰালঘৰ, সত্রাধিকাব, ডেকাধিকাৰৰ বাসভৱন আৰু স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ ৰক্ষণাৱেক্ষণক লৈ বিষয়বাব সৃষ্টি হয়। ইযাৰ লগতে ৰজাঘৰীযা আৰু শিষ্যসকলৰ মাজত থকা বিষয়বাবো সংযুক্ত হৈ থাকে।

নামঘৰৰ বিষয়ৱাৰ ঃ সত্রসমূহত যি চৈধ্য প্রসঙ্গৰ ব্যৱস্থা থাকে সেই চৈধ্য প্রসঙ্গ তিনিবেলা তিনি ভাগত সম্পাদিত হয়। তিনি সময়ত দামোদৰ দেৱৰ নির্দেশত প্রসঙ্গ কৰাৰ কথা গুৰু-লীলাত উল্লেখ কৰা আছে[৮৭]। তিনিবেলা ভাগৱত পঢ়া আৰু ভাগৱতী পদ নির্বাচন কৰাৰ কথা নীলকণ্ঠ দাস কৃত দেৱদামোদৰ চৰিত্রত বর্ণোৱা আছে[৮৮]। কোন বেলা কোনে ভাগৱত পঢ়িছিল তাৰ বিস্তৃত বিৱৰণ এই চৰিত্রত পোৱা যায়। চৈধ্য প্রসঙ্গৰ ঠাইত দ্বাদশ প্রসঙ্গ কৰাৰ ব্যৱস্থাও কোনো সত্রত আছে। চৈধ্য বা দ্বাদশ প্রসঙ্গ তিনি বেলাত অন্তর্ভুক্ত[৮৯]। গোপালদেৱৰ দিনতো ডেবেৰাপাৰ সত্রত তিনিবেলা প্রসঙ্গ কৰাৰ কথা বংশী গোপালদেৱৰ চৰিত্রত উল্লেখ আছে[৯০]। সত্রসমূহৰ চৈধ্য প্রসঙ্গ যে মূল আৰু অপৰিহার্য বিষয় সেই কথা সোঁৱৰাই মাধৱদেৱে ইযাৰ আৰ্হি দেখুৱাই থৈ গৈছে। গুৰু চৰিত কথাত ইয়াৰ উল্লেখ আছে[৯১]। তিনিবেলা প্রসঙ্গৰ ঠাইত চাৰিবেলা প্রসঙ্গ কৰা প্রথাও কোনো সত্রত প্রচলন আছিল। এনে প্রথা বর্তমানে প্রচলন থকা মাজুলীৰ সত্র কেইখন হ'ল, বেঙেনাআটী আৰু কমলাবাৰী। এই চৈধ্য প্রসঙ্গৰ বাবে কর্ম অনুপাতে বিষয়বাৰ সৃষ্টি কৰা হয়। যথা, নামলগোৱা, পাঠক, ভাগৱতী, গায়ন-বায়ন ওজা, কীর্তনীযা আদি[৯২]। কমলাবাৰী সত্রত বংশীগোপালদেৱে এই বিষযবাবেৰে নিয়মীয়া প্রসঙ্গ কৰাৰ আৰ্হি বংশীগোপালদেৱৰ চৰিত্রত বিস্তৃতভাৱে পোৱা যায[৯৩]। নামঘৰৰ মুখ্য বিষযববীয়া হ'ল ভাগৱতী। প্রায়বিলাক সত্রত মুখ্য ভাগৱতী থকাৰ উপৰিও দুবলীয়া ভাগৱতী এগৰাকীও থাকে। আউনীআটী সত্রত মুখ্য ভাগৱতীৰ

---

৮৭ ত্রিসময়ে আতাসরে প্রসঙ্গ কৰয।
দ্বিজ ৰাম ৰায, গুৰু লীলা, পদ ৪৩০, পৃঃ ৮২

৮৮ নীলকণ্ঠ দাস, শ্রীশ্রীদেৱদামোদৰ চৰিত্র, পৃঃ ১০০

৮৯ তিনি গুটি প্রসঙ্গক কৰিবা সতত।
দ্বাদশ প্রসঙ্গ আছে তাৰ অন্তর্গত।।
দ্বিজ ৰামৰায়, পূর্বোল্লিখিত, পদ ৩৪৮, পৃঃ ৬৪

৯০ ৰমানন্দ দ্বিজ, শ্রীশ্রীবংশীগোপাল দেৱৰ চৰিত্র পদ ৩৩১, পৃঃ ৬৬

৯১ গুৰু চৰিত কথা, সম্পা মহেশ্বৰ নেওগ, কথা ৬০৮, পৃঃ ২৬৯

৯২ নাম লগোৱা ঃ নাম যি লগাই দিযে, আৰম্ভ কৰে, নাম গোৱা অর্থত।
পাঠক ঃ পদটিকা পুথি যি পাঠ কৰে, ভাগৱত আদি।
ভাগৱতী ঃ ভাগৱতত যাৰ ব্যুৎপত্তি থাকে। যি ভাগৱতৰ শ্লোক অন্বযৰ সৈতে ব্যাখ্যা কৰে।
বাগীশ ঃ বাক্ · ঈশ্বৰ মুখ সদৃশ।
গায়ন-বায়ন ঃ সত্রীযা প্রসঙ্গৰ গীত আৰু ভাওনাৰ গীত গাওঁতাজন গাযন, সত্রীযা খোল বাদা বজোৱাজন বাযন।
ওজা ঃ ব্যাস কীর্তনীযা, নির্দিষ্ট বিষযৰ আবৃত্তি কাৰক।

৯৩ ৰমানন্দ দ্বিজ, পূর্বোল্লিখিত, পদ ৩৩০, ৩৩১, ৩৩২, পৃঃ ৬৬

কার্য সম্পাদন কৰা ব্যক্তিগৰাকীক বাগীশ আখ্যা দিয়া হয়। বাগীশক সহায় কৰিবলৈ এই সত্রতো এজন দুৱলীয়া ভাগৱতী থাকে। বাগীশ ভাগৱতীৰ বিশেষ অসুবিধা হ'লে সত্রৰ ডেকাগৰাকীয়ে ভাগৱত ব্যাখ্যা কৰিব লাগে। অৱশ্যে পূর্বতে এই সত্রত সত্রাধিকাৰেই ভাগৱত পাঠ কৰা নিযম আছিল; পিছলৈহে এই নিয়মৰ পৰিৱর্তন হয়। আউনীআটী সত্রত বাগীশ ভাগৱতীয়ে স্মৃতিমতৰ ব্যৱস্থা পত্র দিয়া কামো কৰিব লাগে। ব্যৱস্থা দিওঁতা মূল সত্রাধিকাৰগৰাকী হ'লেও লেখা-মেলা কৰি ব্যৱস্থা সম্পাদনা কৰা দাযিত্ব বাগীশৰ। তেওঁৰ অনুপস্থিতিত ভাগৱতীৰ দায়িত্ব থাকে। সত্রাধিকাৰৰ অনুপস্থিতিত ডেকাৰ সাহায্যত এই কাম সম্পাদিত হয়। দক্ষিণপাট সত্রত নামঘৰৰ মূল ভাগৱত ব্যাখ্যা কৰা নিয়ম সত্রাধিকাৰ বা ডেকাধিকাৰগৰাকীৰ। সত্রাধিকাৰ আৰু ডেকাৰ অনুপস্থিতিতহে এই সত্রৰ বৰ ভাগৱতীজনে কোৱা নিযম। এই সত্রতো দুৱলীযা ভাগৱতী বা ভাৰী ভাগৱতী আছে যদিও তেওঁলোকৰ ভাগৱত পাঠৰ দাযিত্বৰ পৰিৱর্তে উৎসৱ আদিত মহাপ্রভু নমোৱা, বহন আদি কার্যতহে তেওঁলোক নিযোজিত হয। এনে ভাৰী ভাগৱতী চাৰিজন থাকে। তদুপৰি ভাগৱতৰ আলপৈচান ধৰা আৰু চাৰিজন দুৱলীয়া ভাগৱতী থাকে[১৪]। কমলাবাৰী থুলৰ সত্রসমূহত ভাগৱতী এজন থাকে[১৫]। নামঘৰৰ মূল প্রসঙ্গসমূহৰ প্রত্যেক প্রসঙ্গৰে প্রসঙ্গীয়াসকলৰ ভিতৰত একোজন প্রধান থাকে। সেই প্রধানসকল হ'ল, বৰ নামলগোৱা, বৰ পাঠক, বৰ গাযন, বৰ বাযন, বৰ ওজা আদি। আউনীআটী সত্রত গায়ন-বায়ন আৰু ওজা প্রসঙ্গৰ বাবে বাৰ অনুসৰি সাতজনকৈ প্রসঙ্গীযা নির্দিষ্ট কৰা থাকে। তেওঁলোকৰ আকৌ প্রত্যেক সাতজনৰ ভিতৰত প্রত্যেকৰে একোজন দুহৰীয়া থাকে যিজনে মূল প্রসঙ্গীয়াজনৰ অনুপস্থিতিত প্রসঙ্গৰ কার্য কৰিব পাৰে। প্রত্যেক ওজা গায়ন-বায়নৰ তলত নটুৱা আৰু শিকাৰু ওজা, গায়ন-বায়ন থাকে। তেওঁলোকে মূল উৎসৱসমূহত আৰু ভাওনা আদি সমূহীয়া অনুষ্ঠানত অংশ গ্রহণ কৰিব পাৰে কিন্তু নির্দিষ্ট প্রসঙ্গ কৰিব নোৱাৰে।

দক্ষিণপাট সত্রত গায়ন-বায়ন আৰু ওজাৰ প্রতিটো প্রসঙ্গৰ বাবে তিনি যোৰকৈ প্রসঙ্গীয়া থাকে। প্রতিটো যোৰাতে ১২ জনেই কম।[১৬] নামঘৰৰ এনে সৰহীয়া প্রসংগীয়াৰ ভিতৰত নামলগোৱাৰ কথা আহে। চৌধ্য প্রসংগৰ ভিতৰত নাম-কীর্তনেই মূল মাধ্যম। নাম-প্রসংগ কৰিবৰ বাবে ২ জনৰ পৰা ৮ জনকৈ থকা আর্হি আছে। প্রসংগ অনুসৰি নামলগোৱা ভাগ কৰা থাকে। নামৰ মূল অংশ সম্পাদন কৰা অর্থত বৰ নামলগোৱা।

---

১৫ বেণুধৰ শর্ম্মা : দক্ষিণপাট সত্রৰ বুৰঞ্জী, পৃঃ ১৫

১৬ নাৰাযণ চন্দ্র গোস্বামী, সত্রীয়া সংস্কৃতিৰ স্বর্ণৰেখা, পৃঃ ৫০৫

১৪ বেণুধৰ শর্মা, পূর্বোল্লিখিত, পৃঃ ১৬

এই বৰনাম লগোৱা আউনীআটীত ছজন, দক্ষিণপাটত নামলগোৱা চাৰিজন যদিও তাৰে এজনহে বৰ নাম লগোৱা, বাকী দুজন সৰু নামলগোৱা আৰু এজন বৈৰাগী নাম লগোৱা[১৭]। আউনীআটীত বৈৰাগী নামলগোৱা আৰু এজন বুঢ়া নামলগোৱা থাকে। বৈৰাগী আৰু বুঢ়া নামলগোৱাৰ বিশ্লেষণ যথাস্থানত দিয়া হৈছে। কমলাবাৰী থুলৰ সত্রসমূহত নামলগোৱা চাৰিজনকৈ থাকে। কেতিয়াবা কম-বেছিও হয়[১৮]। ভাগৱত পাঠৰ লগতে সত্রীয়া প্রসঙ্গৰ মূল বিষয় পদ পাঠ। তিনিওবেলাৰ প্রসঙ্গতে এই পদপাঠৰ ব্যবস্থা থাকে। এই পদপাঠৰ বাবে সাধাৰণতে এজন বৰ পাঠক, এজন দুৱলীয়া পাঠক আৰু চাৰিজন পালি (সৰু) থাকে। এই ক্রম আউনীআটীত আছে। দক্ষিণপাটত এজন বৰ পাঠক আৰু এজন সৰু পাঠক থাকে। আউনীআটীত পুৱাভাগত বর্ধিত প্রসঙ্গ পালনামৰ বাবে পাঁচজন পালনমীয়া থাকে। নামৰ সামৰণিত আৰু নৈমিত্তিক পর্ব উপলক্ষে আশীর্বাদ দিয়াৰ বাবে কমেও দুজন আশীর্বদীয়া থাকে তাৰে আউনীআটীত এজন বৰ আশীর্বদীয়া আৰু আনজন বৈৰাগী নামৰ আশীর্বদীয়া। চৈধ্য প্রসঙ্গৰ সকলোতে অংশ গ্রহণ কৰি শ্রৱণ কার্য মূলতঃ সম্পাদন কৰাৰ বাবে শ্রৱণী থাকে। আউনীআটীত ২৪ জন শ্রৱণী আছে। আনসকলেও শ্রবণ-কীর্তনত ভাগ ল'ব লাগে যদিও এই শ্রৱণী উপাধিধাৰীসকলৰ সত্রীয়া জীৱনত ই ধৰা-বন্ধা কর্তব্য। আন সত্রবিলাকত শ্রৱণী নামেৰে এনে নির্দিষ্ট বিষযৰ এজন বা দুজন থাকিলেও ইমান সৰহ সংখ্যাৰ শ্রৱণী ধৰা-বন্ধাভাৱে নাথাকে। নামঘৰত প্রসঙ্গত শ্রৱণকাৰী, হিচাপে অংশ লোৱা সকলোৱেই শ্রৱণী লেখত পৰে। অৱশ্যে দক্ষিণপাটৰ চাৰিজন বৰ শ্রৱণী থাকে।

নামঘৰৰ সংলগ্ন মণিকূট বিবিধ কর্ম অনুপাতে এনেধৰণৰ বিষয় ভাগ পোৱা যায়। তাৰ ভিতৰত মহাপ্রভুৰ পূজাকর্মৰ বাবে পূজাৰী, পৰিচর্যা কর্ম আৰু বিবিধ দ্রব্য যোগান ধৰাৰ বাবে দেউৰী, মলীয়া আদি থাকে। পূজাৰী পাঁচ-ছজন পর্যন্ত থাকে। মূল পূজাৰীজনক বৰপূজাৰী, বাকীসকলক সৰুপূজাৰী বা পালি পূজাৰী বোলা হয়। আউনীআটী সত্রত বৰপূজাৰীজনক বৰ দেউৰী[১৯] আখ্যা দিয়া হয়। এই সত্রত বৰ দেউৰীৰ তলৰজনক দুৱলীয়া পূজাৰী বোলে। পূজাৰীসকলৰ লগতে মণিকূট গৃহত তিনিজন দেউৰী থাকে। কর্ম অনুপাতে দেউৰীসকলৰ নামকৰণ বেলেগ বেলেগ। উদাহৰণ স্বৰূপে, চাকি-বস্তি জ্বলোৱা কর্মৰ বাবে শলালগা দেউৰী, চন্দন প্রস্তুত কৰি

---

* উল্লিখিত, পৃঃ ১৫

১৭ নাৰায়ণ চন্দ্র গোস্বামী, সত্রীয়া সংস্কৃতিৰ স্বর্ণৰেখা, পৃঃ ৫০৫

১৮ বৰদেউৰী ঃ মূল দেৱৰ অর্থাৎ প্রধান উপাস্য বিগ্রহৰ পূজা সেৱা কৰোঁতাজন। 'দেৱ'ৰ আন এটা ব্যৱহাৰিক শব্দ 'দেউ'। সেই অর্থত বৰ দেউৰী।

দিযাৰ বাবে চন্দন পিহা দেউৰী, নৈৱেদ্য ধুই-পখালি সজাই দিযাৰ বাবে নৈৱেদ্য সজোৱা দেউৰী থাকে। দক্ষিণপাট সত্রত বস্তি জ্বলাওঁতাজনক আঠপৰীযা আৰু ধূপ লগোৱাজনক ধূপীযা বোলে। এই সত্রত আঠপৰীযা আৰু ধূপীযা দুজন-দুজনকৈ থাকে। নামঘৰত প্রসাদ বিতৰণ আদিৰ ক্ষেত্রত দেউৰী, পূজাৰী উভয়ে সমভাৱে অংশ গ্রহণ কৰে। মহাপ্রভুৰ মালা প্রস্তুত কৰাৰ বাবে মলীযা আৰু যোগান ধৰোঁতা সুকীয়া মলীয়া ৰৱা থাকে। নামঘৰ, মণিকূট উভয় ক্ষেত্রত সম্পর্ক থকা ঠাই মচা আৰু ডবাঘৰীয়া বা ডবাদাৰ থাকে। নামঘৰ সর্বতোভাৱে সাৰি-মচি পৰিষ্কাৰ কৰা ঠাই মচাকেইজনৰ দাযিত্ব।

নামঘৰ মণিকূটৰ পিছত সত্রৰ মূল ভঁৰাল দুখনত বিশেষ বিষযা থাকে। দামোদৱদেৱৰ দিনত ভঁৰালীৰ সৈতে বাৰজন লোক সেই কর্মত নিযোজিত হোৱাৰ কথা পোৱা যায়[১৫৩]। পিছৰ পর্যাযৰ ভঁৰালৰ ভাগ অনুপাতে ধন ভঁৰালৰ ধন ভঁৰালী, লোণ ভঁৰালী, গুৱা ভঁৰালী, চাউল ভঁৰালৰ চাউল ভঁৰালী আৰু ধান দিয়া ভঁৰালী বিষযা থাকে। লোণ-তেল, তামোল-পাণ, টকা-পইচা, বস্ত্র আদি সামৰা আৰু বিতৰণ কৰাৰ দাযিত্ব ধন ভঁৰালীৰ। সেই সেই কর্মৰ ভঁৰালীসকলে সেই দাযিত্ব পালন কৰে। তেনেদৰে ধান-চাউল আদি প্রধান সামগ্রীসমূহ চাউল ভৰালৰ যোগেদি পৰিচালনা হয। চাউল ভঁৰালী আৰু ধান দিযা ভঁৰালীযে সেই কার্য পৰিচালনা কৰে। দুইখন ভঁৰালতে ভঁৰালী কেইজনক সহায কৰিবৰ বাবে চাৰি-পাঁচজনকৈ ভেটি ধৰা থাকে। ভেট সামৰা অর্থত ভেটিধৰা শব্দ প্রযোগ হৈছে। ঠাই সৰা, বাৰী চোৱা আদিও ধন ভঁৰালৰ অন্তর্ভুক্ত কর্মী। দুইখন ভঁৰালতে লিখা-পঢা কাম কৰিবৰ বাবে কাকতি বা মজিন্দাৰ থাকে। সত্রাধিকাৰৰ লগতো এজন মজিন্দাৰ থাকে। মজিন্দাৰে সকলো লিখা-মেলা কার্য কৰিব লাগে। ৰজাঘৰীযা সত্রসমূহত ৰজাই দিযা বিভিন্ন শ্রেণীৰ পাইক চাউল ভঁৰালৰ অন্তর্ভুক্ত হৈ থাকে। এই পাইক গাঁৱতহে থাকে। সময়ত সত্রলৈ আহি কার্য কৰে। ভঁৰাল ৰখাৰ কাৰণে ভঁৰাল ৰখীয়া দুজন দুখন ভঁৰালত থাকে। অৱশ্যে ভঁৰাল ৰখীযাৰ ভঁৰাল ৰখা মূল দায়িত্বৰ উপৰিও আন কর্ম থাকে। ভঁৰাল ৰখীযাজনে কৰাপাটৰ দাযিত্ব লয় কাৰণে তেওঁক দক্ষিণপাট সত্রত 'দুৱৰী' বুলি কোৱা হয়। আউনীআটী সত্রত ধন ভঁৰালৰ ভঁৰাল ৰখীযাই ডবাঘৰীযাৰ কামো কৰিব লাগে। চাৰিওহাটীৰ বৈষ্ণৱক মতা মেলা কৰা বা সমূহীযা কার্য একত্রিতভাৱে সম্পন্ন কৰাৰ ক্ষেত্রত চাৰিজন ৰৱা থাকে।

---

[১৫৩] বলোদেৱ দ্বিজবৰ মহাবিদ্যাৱন্ত।
দামোদৱে ভাণ্ডাৰত তাৰাক থাপিলন্ত।।
আনভক্তবাৰজন তান সঙ্গে দিলা।
ভাণ্ডাৰৰ অধিপতি বলদেৱ ভৈলা।। ৩৮২-৩৮৩।।
নীলকণ্ঠ দাস, শ্রীশ্রীদেৱদামোদৰ চৰিত্র, পৃঃ ১০০

দক্ষিণপাটত এই ৰৰাক হাটীমতা বুলি কোৱা হয়। এই ৰৰা কেইজন চাউল ভঁৰালৰ পৰিচালনাত থাকে। ইয়াৰ লগতে সত্রাধিকাৰক সহায় কৰা দুজন নিশাফুৰা থাকে। দিন-ৰাতিৰ কর্তব্যৰ অন্তত ৰাতি শয়নৰ আগে আগে সকলোৰে খবৰ লোৱা অর্থতে মূলতঃ নিশাফুৰা শব্দটো ব্যৱহাৰ হৈছে। নিশাফুৰাই কোনো সত্রত সত্রাধিকাৰৰ খৰি যোগানো ধৰিব লাগে। ভঁৰাল কেইখনৰ বাহিৰে সত্রাধিকাৰ পৰিচর্যাৰ বাবে নির্দিষ্ট কর্মী থাকে। তাৰ ভিতৰত বৰ আলধৰা, গুৱাকটা, চুৱাধোৱা, পানীতোলা, খুটিকটীযা, খুটিৰখীয়া, কমণ্ডলুধোৱা, চ'ৰাচোৱা আদি। বিবিধ আনুষ্ঠানিক কর্মত সহায় কৰিবৰ বাবে সত্রসমূহত পুৰোহিত, মিঠৈ বন্ধা আদি উল্লেখযোগ্য বিষয়বাৰ থাকে। মাঙ্গলিক কর্মত বাদ্যধ্বনি বজোৱাৰ ক্ষেত্রত খোল, তাল, ডবাৰ উপৰিও ঢুলীযা, কালিয়া, ভেৰৰা, নাগেৰীয়া আদি থাকে।

সত্রৰ খাত-পাম বা মাটি-বাৰীৰ লেখ-জোখ ল'বৰ বাবে আমোক্তাৰ, মৌজাদাৰ, মণ্ডল আদি বিষয়বাবো উল্লেখযোগ্য। আগৰ ৰজাৰ দিনত ৰজাঘৰৰ পৰা সত্রত তদাৰক আৰু যোগাযোগ ৰাখিবৰ বাবে বৰ খাটনিয়াৰ আৰু সৰু খাটনিয়াৰ বিষয আছিল। ডেকা গোৰিন্দপুৰীয়াৰ ক্ষেত্রতো দুই এজন সহায়কাৰী কর্মী থাকিলেও সত্রৰ মূল বিষয়ৰ লগত নপৰে। বর্তমান ৰজা নোহোৱা ৰজাঘৰীয়া পৃষ্ঠপোষকতা পোৱা সকলো সত্রতে খাটনিয়াৰ বিষয় নোহোৱা হ'ল। অৱশ্যে সকলো ফালৰ পৰা সত্রৰ পৰিসৰ সংকুচিত হৈ অহাত সত্রৰ বিষয়বাবো সংকুচিত হৈ আহিছে। বিভিন্ন শ্রেণীৰ পাইক নোহোৱা হৈছে।

ৰাইজৰ কৰ-বৰঙণি তুলিবৰ বাবে আনহাতে সত্র আৰু ৰাইজৰ মাজত যোগাযোগ ৰাখিবৰ বাবে সত্রৰ বৈষ্ণৱসকলৰ মাজত ৰাজমেধি, পাঁচনী নিয়োগ কৰা হয়। এই ৰাজমেধি পাঁচনীসকলে প্রতি এবছৰ বা দুবছৰৰ মুৰত নিজ নিজ অঞ্চললৈ গৈ নিজা দাযিত্ব পালন কৰে। প্রত্যেক একোটা অঞ্চলক চহৰ আখ্যা দিয়া হয়। তেনেকৈ প্রত্যেক বছৰে ৰাইজৰ মাজলৈ অহা যোৱা কৰা নিয়মক 'চহৰ ফুৰা' বুলি কোৱা হয়। প্রত্যেক চহৰতে বৰ মেধি, পাখী মেধি, সেৰা মেধি, খেদা মেধি, বাৰিক, ভঁৰালী আদি ৰাই জৰ মাজৰ পৰা বাছনি কৰা কর্মী থাকে। এইসকলে সত্রৰ লগত যোগাযোগ ৰখাৰ উপৰিও নির্দিষ্ট কর্মৰে ৰাইজৰ প্রতিনিধিত্ব কৰে।

ওপৰত উল্লেখ কৰা সত্রৰ এই বিষযসমূহৰ যোগেদি সত্রস্থসকলে নিজৰ জীৱন প্রণালী অব্যাহত ৰাখে। মূল বিষযবাবলৈ আহিব নোৱৰা পর্যন্ত সত্রীযা যি কোনো এটি বিষযৰ চর্চা অনুশীলনত সকলো ব্যস্ত থাকিব লাগে। পুৱাৰ পৰা ৰাতিলৈকে সত্রাধিকাৰ. ডেকা প্রমুখ্যে সত্রৰ বৈষ্ণৱসকলে নিজৰ নির্দিষ্ট কর্মসমূহ নির্দিষ্ট সময়ত পালন কৰিব লাগে। নিতৌ নামঘৰ, মণিকূট, ভঁৰালঘৰ, সত্রাধিকাৰৰ বাসভৱনৰ কর্মৰ উপৰিও

সত্রস্থসকলৰ দৈনন্দিন জীৱনত বিবিধ চর্চামূলক কর্ম থাকে। তাৰ ভিতৰত হাটীযে হাটীযে পুথি পঢা, নৃত্য-গীত-বাদ্য আৰু ভাওনাৰ শিক্ষা লোৱা, বাঁহ-বেত, কাঠ আদি শিল্প কর্মৰ চর্চা কৰা আদি উল্লেখযোগ্য। 'চৰিত তোলা' পুথিত চিত্রিত কৰা বিদ্যা বর্তমানে ছপাযন্ত্রৰ প্রভাৱ পৰা বাবে কিছু কমি আহিছে যদিও আন শিল্প-কর্মসমূহৰ চর্চা অব্যাহত আছে। শিল্প কর্মসমূহৰ ভিতৰত নাও বন্ধোৱা, শৰাই, গছা, খুন্দনা, সিংহাসন, জপাকৰণী, উৰালমাৰি, বেতৰ বিচনী আদি তৈযাৰ কৰা সত্রীয়া হস্তশিল্পৰ প্রধান কর্ম। কুণ্ডোৱা কর্মৰ বাবে কুণ্ডশাল, হেঙুল হাইতালৰ কর্মৰ বাবে হেঙুল-হাইতালৰ ৰং প্রস্তুত কৰি লোৱা আদি বিশেষ উল্লেখযোগ্য দিশ। ইযাৰ লগতে ভাওনাৰ সা-সঁজুলি প্রস্তুত কৰা কার্যও অন্তর্ভুক্ত হৈ থাকে। ইযাৰ বাহিৰেও নিজৰ চলা-মেলাৰ কাৰণে নিত্য ব্যৱহার্য সামগ্রী আৰু খোবা-লোৱাৰ দ্রব্য-পাতি সংগ্রহ কৰি লোৱা দৈনন্দিন অন্যতম কার্যৰ লেখত পৰে। দৈনন্দিন এই কর্মৰ উপৰি উৎসব-পর্বত বিষয়ৱবীয়াসকলৰ নির্দিষ্ট বিষযৰ লগত সংলগ্ন হৈ থকা কর্মসমূহৰ ব্যয-বাহুল্য ঘটে।

সত্রভেদে সত্রৰ লোকসকলৰ ভৰণ-পোষণৰ ব্যৱস্থা সুকীয়া সুকীযা। সত্রৰ আদিতে ভকতসকলে বৌদ্ধ ভিক্ষুসকলৰ দৰে ভিক্ষা বৃত্তি অৱলম্বন কৰিছিল। পিছলৈ এই পদ্ধতিৰ কিছু সাল-সলনি ঘটে। সত্রৰ প্রতি শ্রদ্ধাৱনত হৈ গাঁৱৰ লোকসকলে সত্রতে সেৱাইত বস্তু আৰু সিধা-পত্র যোগান দি ভকতসকলৰ চলা-মেলাৰ কিছু সুবিধা কৰি দিছিল। কেৱল সিমানেই যথেষ্ট নোহোৱাত অঞ্চলৰ মুৰব্বীগৰাকীযে আঢ্যৱন্ত লোকৰ সাহায্যত ধন-ধান সংগ্রহ কৰি আনি সত্রত সমূহীযা ভঁৰাল কৰি ভকতসকলৰ মাজত খাদ্য সামগ্রী বিতৰণ কৰিছিল। এনে কর্মৰ উদাহৰণ মাধৱদেৱৰ দিনত বিশেষভাৱে পোৱা যায। ৰাইজৰ উপার্জনৰ এক তৃতীযাংশ সত্রলৈ দিবলৈ জনসাধাৰণৰ প্রতি মাধৱদেৱৰ উপদেশ আছিল[১০১]। পৰৱর্তী কালত সত্রবিলাকে নিজা ভূমি-সম্পত্তি যি কোনো প্রকাৰে গোটাই লৈছিল। কৃষিৰ ওপৰত নির্ভৰশীল হ'ব লগা হৈছিল। আনহাতে ৰজাঘৰীয়া পৃষ্ঠপোষকতা পোৱা সত্রবিলাকে ৰজাঘৰৰ পৰা ভূমি-সম্পত্তি দান সূত্রে লাভ কৰি তাৰ যোগেদিয়েই জীৱন নির্বাহৰ পথ উলিয়াই লৈছিল। ৰজাঘৰীয়া এই সত্রবিলাকে যি ভূমি-সম্পত্তি লাভ কৰিছিল, সেই ভূমি দেৱোত্তৰ সম্পত্তি ৰূপে গণ্য হৈছিল। অর্থাৎ সত্রৰ মূল বিগ্রহ দেৱতাৰ নামত উছর্গিত সম্পত্তি। এই ভূমি-সম্পত্তিৰ মূল ৰখীযা বা পালক সত্রৰ অধিকাৰগৰাকী। সত্রাধিকাৰে ভূমি-সম্পত্তিৰ পৰা উৎপন্ন হোৱা কৃষিজাত সামগ্রী সত্রলৈ আনি সত্রৰ ভঁৰালত জমা কৰে। সত্রৰ এই মাটিত খাত-পাম সৃষ্টি কৰি সত্রৰ মৌজাদাৰ বা ভঁৰালী-সমাৰীৰ যোগেদি সংগ্রহ কৰা ব্যৱস্থা

---

১০১ কথা গুৰু চৰিত, সম্পাদ উপেন্দ্র চন্দ্র লেখাৰু, পৃঃ ৩৪৪

থাকে। আনহাতে শিষ্যবর্গ বা ৰায়তে ভোগ কৰা ভূমি-সম্পত্তিৰ ভাগ সত্রলৈ অহা নিয়ম। এনে অংশও সত্রৰ কর্মীয়ে সংগ্রহ কৰি সত্রলৈ আনে।

গতিকে এনে ব্যৱস্থাৰ পৰা এই কথা বুজিব পাৰি যে এফালে সত্রসমূহে কৃষিৰ ওপৰত নিজে নির্ভৰশীল হৈ সত্র চলোৱাৰ ব্যৱস্থা কৰিছিল আৰু আনফালে সত্রৰ ভূমি-সম্পত্তি ভোগ কৰা ৰায়তে এক প্রাপ্য অংশ আনি সত্রৰ ভঁৰালত জমা কৰাৰ ব্যৱস্থা আছিল। সত্রসমূহৰ আয়ৰ উৎসসমূহ এইদৰে ভাগ কৰিব পাৰি ঃ (১) সত্রৰ ভূমি-সম্পত্তিৰ যোগে অহা ধান-চাউল, (২) সত্রৰ ভূমি-সম্পত্তিত হোৱা বিল-ডোবাৰ, খেৰ আদিৰ পৰা উৎপন্ন হোৱা অংশ, (৩) শিষ্যবর্গই বছৰি সত্রলৈ দিয়া গুৰুঘৰীয়া কৰ-বৰঙণি, (৪) শিষ্য বর্গৰ সেৱাইত অৰিহণা, (৫) বিযা-সবাহ আৰু মৃতকর্মৰ উদ্দেশ্যে আগবঢ়োৱা দান। দামোদৰদেৱেই প্রথম গুৰু কৰৰ ব্যৱস্থা কৰি দিযে[১০২]।

এই সকলোবিলাক সত্রৰ অধিকাৰে পৰিচালনা কৰে যদিও ভকতসকলৰ সহযোগতহে সম্ভৱ হয। যি সত্র আজিও চহৰৰ[১০৩] ওপৰত নির্ভৰশীল সেই সত্রসমূহত ৰাজমেধি, পাঁচনীয়ে বছৰৰ মুৰত যি কৰ দান-বৰঙণি সংগ্রহ কৰি সত্রলৈ আনে তাৰে এটি বুজন অংশ সত্রৰ ভঁৰালত জমা দি আনটি অংশ সত্রাধিকাৰৰ অনুমতি সাপেক্ষে নিজৰ বহাখনলৈ আনে। প্রত্যেক প্রসঙ্গীযা ভকতে চহৰৰ যোগেদি সত্রৰ ভঁৰালৰ পৰা ধানৰ 'ৰোজ' পায়। বিষয় অনুসৰি এই ৰোজৰ পৰিমাণ কম-বেছি থাকে। একোখন বহাত থকা এগৰাকী মুৰব্বী ভকতে লগৰ আটাইকেইজনৰে সেই প্রাপ্য বস্তুৰে ভৰণ-পোষণৰ ব্যৱস্থা কৰে। বর্তমানে সত্রৰ যি কোনো বিষযত থকা এগৰাকী ভকতে এখন 'চহৰ' পোৱা ধৰা-বন্ধা ৰীতি, যি চহৰ নাপায় তেওঁ কৰা কর্মৰ বাবদ সত্রৰ ভঁৰালে পোনপটীযাকৈ তেওঁৰ ভৰণ-পোষণৰ ব্যৱস্থা লয়। চহৰ পতঙ্গ বা সত্রৰ পোনপটীয়া ভৰণ-পোষণৰ ব্যৱস্থা যথেষ্ট নোহোৱাত সত্রৰ ভকতসকলে নিজাববীয়াকৈ কৃষি-কর্ম আৰু আন শিল্প-কর্মৰ যোগেদি আর্থিক দিশ সবল কৰি লয়। এনে নিজা আয় সত্রৰ ভঁৰাললৈ নাযায়। কেৱল নিজৰ বহাখনতে আৱদ্ধ থাকে। সত্রৰ অধিকাৰ, ডেকা আদিৰো চলা-মেলা যাৱতীয় খৰছ সত্রৰ ভঁৰালৰ যোগেদি আহে। অৱশ্যে আউনীআটী সত্রৰ

---

১০২ কবিৰত্নক পাটবাউসীত স্থাপন কৰোঁতে ভক্তসকলৰ প্রতি দামোদৰদেৱে এই আদেশ দিছিল ঃ

শুনিয়ো বৈষ্ণৱ সব আমাৰ বচন।
আমাৰ পছুৰ সাধু আছা যত জন।।
সবে কবিৰত্নক কৰিযা সম্মান।
ধর্মৰ কৰক যোগাইবাহা সেহি থান।।

নীলকণ্ঠ দাস, শ্রীশ্রী দামোদৰ দেৱ চৰিত্র, পদ ৫৫৩, পৃঃ ১০৫

১০৩ 'চহৰ' শব্দৰ লগত আউনীআটীত সত্রত 'পতঙ্গ' শব্দৰ প্রযোগ মন কৰিব লগীয়া।

ডেকা আৰু গোৱিন্দপুৰীযাগৰাকীয়ে নির্দিষ্ট আসন পোৱাৰ লগে লগে একোখন চহৰ আৰু খাত পোৱাৰ ব্যৱস্থা থাকে। সেই ব্যৱস্থা অনুযায়ী তাৰ যোগেদি নির্ভৰশীল হ'ব লাগে। সেয়ে হ'লেও সত্ৰৰ ভঁৰালৰো কিছু দায়িত্ব থাকে। সত্ৰ এখনি বুলি ক'লে, যি মূল ভাগ থাকে সেই ভাগবিলাকৰ স্থানসমূহত থকা মুৰব্বীবিলাকৰ সেই সেই স্থানৰ সাধাৰণ পৰিচালনাৰ দায়িত্ব থাকে। যেনে, মণিকূট ঘৰৰ মুৰব্বী হ'ল বৰপূজাৰী বা বৰদেউৰী, ভঁৰালৰ ভঁৰালী, সত্রাধিকাৰৰ বহাৰ আলধৰা আদিৰ হাতত সাধাৰণ পৰিচালনা ক্ষমতা থাকে। সাধাৰণ পৰিচালনাৰে জোৰা নমৰিলে সত্রাধিকাৰৰ কাষলৈ আহিব লাগে। সত্রাধিকাৰ সকলো পৰিচালনাৰ গৰাকী। সত্ৰৰ প্রত্যেকটো বিষয়ৰে একোটা সুকীয়া গোট থাকে। সেই গোটসমূহক খেল বুলি কোৱা হয়। যেনে, নাম লগোৱা খেল, গায়ন-বাযনৰ খেল, ওজা খেল, পাঠকৰ খেল আদি। সেই নামৰ নির্দিষ্ট খেলে নিজৰ বিষযৰ আলোচনা আৰু সাংগঠনিক কাম সত্রাধিকাৰৰ অনুমতি সাপেক্ষে সুকীয়া সুকীযাকৈ কৰে আৰু যিকোনো মীমাংসাত উপনীত হয। যি সত্ৰৰ পৰিসৰ বহল বা জনসংখ্যা সৰহ সেই সত্ৰত হাটীবিলাকৰো এক স্বতন্ত্র আৰু সাধাৰণ প্রশাসনিক ব্যৱস্থা থাকে। কাৰোবাৰ অপৰাধ অমার্জনীয হ'লে বা হাটীৰ মাৰ ভাঙিলে এহাটীযে গোট খাই তেওঁক এঘৰীযাও কৰিব পাৰে। সেযে হ'বলৈ হ'লেও সত্রাধিকাৰৰ অনুমোদন ক্রমেহে হ'ব পাৰে। হাটীৰ সাধাৰণ মীমাংসা হাটীত নিষ্পত্তি নহ'লেহে সত্রাধিকাৰৰ ওচৰলৈ আহে। হাটীভিত্তিক কর্মযোগে বার্ষিক সবাহ ভাওনা পাতি নিজৰ স্বতন্ত্র আৰু একক গোটৰ পৰিচয দিয়ে। বর্তমানে এনে আৰ্হি চলি থকা সত্র আউনীআটী। পূর্বৰ নামঘৰতে সকলো আলোচনা হয যদিও বর্তমানে এনে পৰিৱেশৰ কিছু সাল-সলনি ঘটিছে। বর্তমানে কোনো সত্রত সত্রাধিকাৰক সহায কৰিবৰ বাবে গণতান্ত্রিক আৰ্হিৰে একোখনি সভা গঠন কৰা দেখা গৈছে। অত্যন্ত গুৰুত্বপূর্ণ বিষয় সত্রাধিকাৰে সভাৰ লগত আলোচনা কৰে। গুৰুত্বপূর্ণ বিচাৰো সভাৰ জৰিয়তে নিষ্পত্তি কৰে আৰু আর্থিক দণ্ড বিধান পর্যন্ত, আনকি শাস্তি বিহাৰো ব্যৱস্থা থাকে।

সত্রীয়া জীৱন ধাৰাত বচনভঙ্গীৰ ব্যৱহাৰ আৰু সাজ-পোছাক উল্লেখযোগ্য বিষয়। সত্ৰৰ গুৰু আসনত থকা গোসাঁই বা মহন্ত গৰাকীক সত্রাধিকাৰ বোলা হয়। ব্রহ্ম সংহতি সত্ৰৰ সত্রাধিকাৰক সম্বোধন ধৰোঁতে বা সম্মুখত কথা বতৰা হওঁতে জগন্নাথ, প্রভু, প্রভু ঈশ্বৰ, গোসাঁই ঈশ্বৰ, গৰাকী আদি ব্যৱহাৰ কৰে। কথা কওঁতে সম্মুখত প্রথমা বিভক্তিত প্রত্যক্ষ উক্তি আপুনি শব্দৰ ঠাইত গৰাকীয়ে, প্রভু ঈশ্বৰে, শ্রীচৰণে বা নিজে আদি শব্দ ব্যৱহাৰ কৰে। ঠিক তেনেদৰে ভকত বৈষ্ণৱ বা পাইক আদি সেৱকসকলেও 'মই' শব্দৰ ঠাইত দাস, বন্দী, সেৱক আদি শব্দ ব্যৱহাৰ কৰি সত্রাধিকাৰৰ সম্মুখত কথা পাতে। প্রত্যক্ষভাৱে সত্রাধিকাৰগৰাকীক কথা কওঁতে যাওক, খাওক, লওক আদি

শব্দৰ ঠাইত যাব লাগে, ল'ব লাগে আদি শব্দ ব্যৱহাৰ কৰে। ঠিক সেইদৰে সত্রাধিকাৰ বা আন গোসাঁইসকলেও প্রত্যক্ষ উক্তিৰ ঠাইত পৰোক্ষ উক্তি বেছিকৈ ব্যৱহাৰ কৰে। 'মই' শব্দৰ ঠাইত 'আমি', 'মোৰ' শব্দৰ ঠাইত 'আমাৰ' আদি শব্দ ব্যৱহাৰ কৰে। সেইদৰে সত্রৰ সমূহ বৈষ্ণৱক বাপুসকল বুলি সকলোৱে কোৱা নিয়ম। ব্রাহ্মণ, পূজাৰী, আশীর্বাদীয়া, আলধৰা আদি কৰ্মীসকলক প্রত্যেককে 'দেউ' আখ্যা দিয়া নিয়ম। মাতোঁতে সেই লোকসকলৰ প্রতি উপাধিৰ লগত দেউ শব্দ সংযোগ কৰি ল'ব লাগে। প্রত্যেক একে শৰণীয়া ভকতৰ সৰু ডাঙৰ সকলোৱে ইজনে সিজনক নাম কাটি নামাতি, 'হৰি' শব্দৰ ব্যৱহাৰ কৰি মাতে। অর্থাৎ একে হৰিৰ ভকত সেই অর্থত। ভকত বৈষ্ণৱসকলে ইজনে সিজনক মাতোঁতে উত্তৰ প্রসঙ্গত 'ৰাম' শব্দ ব্যৱহাৰ কৰে। এনে বচনভঙ্গী সত্রীযা শিষ্টাচাৰ, ভদ্রোচিত ব্যৱহাৰ আৰু নম্রতাৰ পৰিচযাক। এনে ৰীতিসমূহৰ উপৰি চাৰিসত্রৰ সত্রাধিকাৰসকলৰ সন্মুখত ভকত বৈষ্ণৱ বা শিষ্য এগৰাকীয়ে আঁঠু লৈ কথা পতা, ক'ৰবালৈ যাওঁতে, আহোঁতে সত্রাধিকাৰজনৰ ওচৰ পালে আঁঠু কাটি বহি দিয়া, গুৰুৰ পৰা নির্মালি আদি যিকোনো দ্রব্য কাপোৰৰ আঁচল পাতি লোৱা, গুৰুৰ সন্মুখ পাওঁতে আৰু গুৰু-সন্মুখৰ পৰা বিদায় লৈ উঠোঁতে সেৱা জনোৱা বিশেষ সত্রীযা নীতি আৰু পৰম্পৰা।

বচনভঙ্গীৰ লগত সত্রীয়া সাজ-পোছাকৰ কথাও আছে। সাধাৰণতে সত্রৰ সাজ-পোছাক বুলি ক'লে, কপাহী ধুতি, কপাহী চোলা, চাদৰ, খনীযা, চেলেং আদি ব্যৱহাৰ কৰে। উৎসৱ-পর্বত বা বিশেষ উপলক্ষ্য লৈ পাটৰ বা মুগাৰ ধুতি, চোলা, চাদৰৰ ব্যৱহাৰ হয। ৰজাৰ আর্হিৰ সত্রত সত্রাধিকাৰৰ ক্ষেত্রত সাজ-পোছাক আৰু বহা আসন, ব্যৱহাৰিক সামগ্রী আদি ৰাজকীয সম্পদৰ ব্যৱহাৰ আছে। উৎসৱ-পর্ব আৰু ৰাইজৰ বাহৱত ফুৰিবলৈ যোৱাৰ ক্ষেত্রত সত্রাধিকাৰে পাগমৰা আৰু খনীযা বা বৰ কাপোৰ লোৱা অপৰিহার্য বিষয়। পাগৰ ওপৰত খনীয়া, নির্মালি, গলত গলমালা আদি থাকে। সাধাৰণতে সত্রত সকলোৱে বিশুদ্ধি[১০৪] অৱস্থাতহে চোলা পিন্ধে। ধুতি অৱস্থাত কেৱল চুৰীয়া আৰু চেলেং বা খনীযা কাপোৰ থাকে। জাৰকালি খনীযা বা বৰ কাপোৰ ধুতি অৱস্থাত ব্যৱহাৰ কৰে। সত্রত প্রসঙ্গৱত অৱস্থাত চুৰীযা গাঁঠি দি পিন্ধা নিষেধ। দুযোফালে দুটা মুৰ খোঁচনা মাৰিহে পিন্ধিব লাগে[১০৪(ক)]। সত্রৰ ভিতৰত সত্রাধিকাৰৰ বাহিৰে কোনেও পাদুকা ব্যৱহাৰ কৰিব নোৱাৰে। এগৰাকী গোসাঁই আৰু বৈষ্ণৱ বা ভকতৰ সাধাৰণ ৰূপ এনে হ'ব লাগে ঃ থোৰ মৰা চুৰীয়া, গাত চেলেং বা খনীয়া চাদৰ, কপালত ফোঁট, মুৰত চুলিৰ খোপা, চুলিৰ খোপা বা শিৰৰ মধ্যস্থানত মহাপ্রভুৰ নির্মালি থাকে। অৱশ্যে বর্তমান এনে ৰূপৰ কিছু সাল-সলনি ঘটিছে।

---

১০৪ বিশুদ্ধি শব্দটো বিধুতি অর্থত ব্যৱহৃত হোৱাটো মন কৰিব লগীযা।

১০৪(ক) এই ব্যৱস্থাক সত্রত কুক্ষি বন্ধন বোলা হয।

তৃতীয় অধ্যায়

নিত্য নৈমিত্তিক অনুষ্ঠানাদি কর্ম

১. সত্রত পালিত নিত্য কর্মসমূহ ঃ

সত্রত পালিত নিত্য কর্মসমূহ বুলি ক'লে ব্যক্তিগত জীৱনৰ কর্তব্য আৰু সামূহিক স্থানৰ কর্তব্যৰ কথা পোৱা যায়। প্রথমতে ব্যক্তিগত সংস্কাৰ আৰু কর্তব্যৰ কথা আলোচনা কৰিবলৈ বিচৰা হৈছে ঃ

ব্যক্তিগত কর্তব্য আৰু সংস্কাৰ ঃ সত্রস্থসকলে দৈনন্দিন জীৱনৰ কর্মসমূহ চাৰিটা অৱস্থাৰ মাজেৰে পালন কৰে। এই চাৰিটা অৱস্থা হ'ল ধৃতি, বিশুদ্ধি, বাহী আৰু চুৱা। সত্রভেদে এই নামকেইটা ব্যৱহাৰৰ কিছু পার্থক্য আছে। উদাহৰণস্বৰূপে, নিকা সংহতিৰ সত্রসমূহে ধৃতি শব্দৰ ঠাইত 'সজ' আৰু বিশুদ্ধি শব্দৰ ঠাইত 'ফুৰা' শব্দ ব্যৱহাৰ কৰে। সত্রৰ অধিকাৰ প্রমুখ্যে ভকত-বৈষ্ণৱ সকলোৱে এই চাৰি অৱস্থাৰে সত্রীয়া জীৱন যাপন কৰে। এই চাৰি অৱস্থাৰ প্রত্যেকটো অৱস্থাৰ লগত সংগতি থকা কর্মসমূহৰ তলত বিস্তৃত বিৱৰণ দাঙি ধৰা হ'ল ঃ

(১) বাহী অৱস্থা ঃ সূর্যোদযৰ পৰা সত্রৰ নিত্য কর্তব্য আৰম্ভ হয। বিষয়ববীয়া অনুপাতে নির্দিষ্ট বিষয়ৰ কর্ম বা সত্রীয়া সামূহিক কর্মসমূহ দৈনন্দিন সম্পাদন কৰাৰ লগতে ব্যক্তিগতভাৱে প্রত্যেক ভকত বৈষ্ণৱ আৰু গোসাঁইসকলৰ চালচলনৰ নির্দিষ্ট কর্ম সংলগ্ন হৈ থাকে। শয্যা বা ঢাৰি-পাটী ত্যাগ কৰাৰ পৰা শৌচাচাৰ কৰাৰ আগ মুহূর্তলৈকে এইছোৱা সময় বাহী অৱস্থা। অৱশ্যে এই বাহী অৱস্থা আৰম্ভ হয় পূর্বদিনা ঢাৰি-পাটীলৈ যোৱা সময়ৰ পৰা।

বাহী অৱস্থাৰ কর্ম ঃ সূর্য উদযৰ লগে লগে ঢাৰি-পাটী ত্যাগ কৰাটো সত্রস্থসকলৰ ধৰা-বন্ধা নীতি যদিও বিশেষকৈ গ্রীষ্ম আৰু শীত ঋতুৰ পৰিৱর্তন অনুযাযী সমযবো সাল-সলনি ঘটে। শয্যা ত্যাগৰ আগ মুহূর্তত অথবা শয্যাতেই প্রত্যেকেই নিজৰ গুৰুক

চিন্তা কৰিব লাগে। শয্যাত থাকোঁতেই পদ্মাসন অৱস্থা গ্রহণ কৰি শিৰৰ অধোভাগত অধোমুখী পদ্মৰ তলত গুৰুক বহুবাই স্মৰণ কৰিব লাগে[১]। গুৰুৰ মূর্তি দর্শন কৰাৰ পিছত নিজ গুৰুৰ নাম উচ্চাৰণ কৰিলে মনলৈ এনে ভাব আহে যে গুৰু দর্শন আৰু গুৰু স্মৰণে দিনটোলৈ সৎ জ্ঞান, সৎ ভাৱনা আনি দিব[২]। সৰল অর্থত সৰলী ভাষাৰে বৈষ্ণৱ এগৰাকীযে এইদৰে গায়, "প্রাতঃসতে স্মৰো মোৰ নিজ গুৰুদেউ, তোমাৰ চৰণে মোৰ লক্ষকোটি সেৱ, তুমি ব্রহ্মা, তুমি বিষ্ণু, তুমি মহেশ্বৰ, তুমি আত্মা পুৰোষোত্তম তুমি চৰাচৰ, কৰা গুৰুদেৱ মই পাতকীক উদ্ধাৰ।" গুৰুক স্মৰণ কৰাৰ পিছত দেৱ-ঋষি আৰু প্রকৃতি উদ্ভূত স্থাৱৰ-অস্থাৱৰ সম্পদ-শক্তিক স্মৰণ আৰু সেইবিলাকৰ আশিস বিচৰা কর্তব্য[৩]। এইদৰে চিন্তা কৰি গুৰু ব্রহ্মাক অভিন্ন ৰূপত লৈ নিজৰ ইষ্টদেৱৰ চৰণত

---

১ প্রাতঃ শিৰসি শুক্লাব্জে দ্বিনেত্রং দ্বিভুজং গুৰুম্।
প্রসন্নবদনং ধ্যায়েৎ স্মৰেৎ তন্নামপূর্বকম্।। (গোলাপ চন্দ্র শাস্ত্রী, বিপ্র সর্বস্ব পৃঃ ২)

২ যস্য দর্শনমাত্রেণ সজ্জ্ঞানং লভতে নৰঃ। তং শান্তং কৰুণাকাৰং (নিজ গুৰুৰ নাম) নমাম্যহম্।

৩ ব্রহ্মা মুৰাৰিস্ত্রিপুৰান্তকাৰী ভানুঃ শশী ভূমিসুতো বুধশ্চ।
গুৰুশ্চ শুক্রঃ শনিৰাহুকেতব ঃ কুর্বন্তু সর্বে মম সুপ্রভাতম্।।
ভৃগুবশিষ্ঠঃ ক্রতুৰঙ্গিৰাশ্চ মনুঃ পুলস্ত্যঃ পুলহঃ সগৌতমঃ।
কৰির্মৰাচিশ্চ্যৱনো দধীচিঃ কুর্বন্তু সর্বে মম সুপ্রভাতম্।।
সনৎকুমাৰঃ সনকঃসনন্দঃ সনাতনোঽ প্যাসুৰিপিঙ্গলৌ চ।
বোঢুস্তথা পঞ্চশিখশ্চ যোগী কুর্বন্তু সর্বে মন সুপ্রভাতম্।।
সপ্তার্ণৱাঃ সপ্তাকুলাচলাশ্চ সপ্তর্ষযো দীপৱৰাশ্চ সপ্ত।
ভুৰাদি কৃত্বা ভুৱনানি সপ্ত কুর্বন্তু সর্বে মম সুপ্রভাতম্।। (উল্লিখিত, পৃঃ ২)
ব্রহ্মামুৰাৰি আদিৰ লগতে আৰু কেইটিমান স্তৱক সংযোগ কৰি গোৱা হয —

(১) কর্কোটকস্য নাগস্য দময়ন্ত্যা নলস্য চ। ঋতুপর্ণস্য ৰাজর্ষেঃ কীর্তনং কলিনাশনম্।
মূল ঃ মহাভাৰত, সংগৃহীত গ্রন্থ, পুৰোহিত দর্পণ, পৃঃ ১১৯

(২) কার্ত্তবীর্য্যার্জ্জুনো নাম ৰাজা বাহুসহস্রভৃৎ। যেন সাগৱপর্য্যন্তা ধনুষা নির্জ্জিতা মহী।।
যোঽস্য সঙ্কীর্ত্তযেন্নাম কল্যমুত্থায় মানৱঃ। ন তস্য বিত্তিনাশঃ স্যান্নষ্টঞ্চ লভতে পুনঃ।।
মৎস্যপুৰাণ, চতুশ্চত্বাৰিংশো হ ধ্যায়, শ্লোক ৫০, ৫১, পৃঃ ১৩২

(৩) অহল্যা দ্রৌপদী কুন্তী তাৰা মন্দোদৰী তথা।
পঞ্চ কন্যা স্মৰেন্নিত্যং মহাপাতকনাযশনম্।।

(৪) পুণ্যশ্লোকো নলো ৰাজা পুণ্যশ্লোকো যুধিষ্ঠিৰঃ।
পুণ্যশ্লোকা চ ৱৈদেহী পুণ্যশ্লোকো জনার্দ্দনঃ।।

(৫) অচ্যুতং কেশৱং বিষ্ণুং হৰিং সত্যজনার্দ্দনম্।
হংসনাৰায়ণঞ্চৈৱ বিশ্বেৱর্নমাষ্টকং শুভং।।

মূল ঃ ব্রহ্মপুৰাণ, সংগৃহীত গ্রন্থ, ব্রাহ্মণ ক্রিয়াসাৰ, পৃঃ ১,২

সর্বস্ব সমর্পণ কৰি কর্ম কৰাৰ প্রতিশ্রুতি লয়*, এনে দৃঢ় কর্তব্যনিষ্ঠা মনত লৈ শয্যা এৰে। শয্যাৰ পৰা নমাৰ পূর্বতে সৌঁহাতেৰে পৃথিৱীক নমস্কাৰ জনাই দক্ষিণ ভৰি মাটিত দিয়ে। লগে লগে পৃথিৱীত পাদস্পর্শজনিত অপৰাধৰ বাবে ক্ষমাও বিচাৰে*। পৃথিৱীত খোজ পেলোৱাৰ লগে লগে বৈষ্ণৱ এগৰাকীয়ে পৃথিৱী নমস্কাৰ শ্লোক দুটি সৰল ভাষাৰে এইদৰেও গায়, "গুৰুদেৱৰ চৰণ ছত্রৰ ছায়া, আমি বসুমতী গমনাগমন কৰো ৰাম নাম গায়া।" এইদৰে শয়ন কক্ষ ত্যাগ কৰি বাহিৰলৈ গৈ মুখ-হাত ধুই, হাত-ভৰি তিয়াই শিৰত জল ল'ব লাগে। এইখিনি সময়ৰ পৰা শৌচাচাৰ কৰালৈকে নিজ বহাৰ বাহী কর্ম যেনে ঠাই সৰা, ঠাই মচা, বাচন-বর্তন ধোৱা আৰু গৰু-গাই পৰিচর্যা কৰা আদি কর্ম সম্পন্ন কৰে। বাহী অৱস্থাত উপাসনা থলীলৈ আৰু পাগ-পত্র কৰা স্থান বা ভোজনশালালৈ যোৱা নিষেধ। শয়ন কক্ষত বিশুদ্ধি বস্ত্র থাকিলেও বাহী অৱস্থাত স্পর্শ কৰা নিয়ম নহয়। কেনেবাকৈ স্পর্শ হ'লেও সেই বস্ত্র বাহী সাজৰ লেখত পৰিব, তেতিয়া তাক পুনৰ তিয়াই শুদ্ধ কৰি ল'ব লাগিব। বাহী অৱস্থাতে ক্ষৌৰকর্ম কৰা নিয়ম। ক্ষৌৰকর্ম বুলি ক'লে দাড়ি-চুলি, নখ কটা কার্যক বুজোৱা হয়। দাড়ি, নখ সঘনাই কটা নিয়ম যদিও সত্রীয়া জীৱনত বিনা কাৰণত চুলি কটা নিষেধ। পিতৃ-মাতৃ আদি মহাগুৰু নিপাত হ'লে আৰু তীর্থ পর্যটন কালত মুণ্ডন কৰাৰ ব্যৱস্থা আছে। যিকোনো বাৰত দাড়ি, নখ কটা নিষেধ। সোম, বুধবাৰত আৰু বিশেষ পৱিত্র কর্ম থাকিলে তাৰ আগদিনা ক্ষৌৰকর্ম কৰা নিয়ম।

(২) চুৱা অৱস্থা : শৌচাচাৰ কৰিবলৈ যোৱাৰ পৰা গা-ধোৱালৈকে এইছোৱা সময় অশুচি (চুৱা) অৱস্থা। এই অৱস্থা দিনটোৰ ভিতৰত দুবাৰ থাকে। সত্রীয়া জীৱনত পুৱা গধূলা দুবাৰ শৌচাচাৰ কৰা নিয়ম, সেযে নির্দিষ্ট দুই সময় অশুচি (চুৱা) অৱস্থা।

চুৱা অৱস্থাৰ কর্ম : এই অৱস্থাত শৌচাচাৰ কৰা, দন্ত মার্জন, তৈল মর্দন আৰু স্নান কৰা আদি প্রধান কর্ম। পূর্বতে শৌচাচাৰ ক্রিয়াৰ কাৰণে গৃহৰ পৰা বহু দূৰত মুকলি পথাৰত বা জলাশয়ৰ পাৰলৈ যোৱাৰ নিয়ম আছিল। বর্তমানে কিন্তু তেনে

---

* জানামি ধর্মং ন চ মে প্রবৃত্তিঃ
জানাম্যধর্মং ন চ মে নিবৃত্তিঃ।
ত্বয়া হৃষীকেশ হৃদি স্থিতেন
যথা নিযুক্তো হস্মি তথা কৰোমি।। (আচাৰ নির্ণয়, পৃঃ ৩)
নামঘোষাত মাধৱদেৱে ইয়াৰ ভাঙনি এইদৰে কৰিছে,
"ধর্মক জানোহো মই তথাপি প্রবৃত্তি নাই" —নামঘোষা, দুলড়ী (প্রার্থনা), পৃঃ ১৩৮

* প্রিয়দত্তায়ৈ ভূৱে নমঃ, সমুদ্রে মেখলে দেৱী পর্বতস্তনমণ্ডলে।
বিষ্ণুপত্নি নমস্তুভ্যং পাদস্পর্শং ক্ষমস্ব মে'।
হিন্দুসর্বস্ব, সম্পা কালী মোহন বিদ্যাৰত্ন, পৃঃ ৭

নিয়মৰ সাল সলনি ঘটিছে। বর্তমান শৌচাগাৰ বহাৰ কাষতে তৈয়াৰ কৰি শৌচ ক্রিয়া সম্পন্ন কৰাৰ ব্যৱস্থা হৈছে। যথা বিধিৰে শৌচক্রিয়া সম্পন্ন কৰি স্থূল-সংস্কাৰ কৰে মাটি-পানী লোৱা ব্যৱস্থাৰ যোগেদি। মাটিৰে যেযা বীজাণু বা দুর্গন্ধ নিঃশেষ কৰাৰ উপৰিও ৱৰাহৰূপী ভগৱন্তই[১] উদ্ধাৰ কৰা মাটিয়ে ৱৈষ্ণৱ এগৰাকীক শুচি কৰিব পাৰে, এই বিশ্বাস ৰাখি মাটি-পানী লোৱা কার্যত গুৰুত্ব দিয়ে। পুৱা বেলা শৌচাচাৰ কৰি উঠি মাটি-পানী লৈ পৰিষ্কাৰ হোৱাৰ পিছত দন্ত মার্জন কৰা নিয়ম। বকুল, স'ৰা, নিম আদি ঠাৰিৰে দন্ত মার্জন কৰা নিয়ম। বর্তমানে এই প্রক্রিযাৰ সাল-সলনি ঘটিছে। দন্ত-মার্জন, মুখ প্রক্ষালনৰ পিছত তৈল মর্দন কৰা নিযম। হাতত তেল লৈ 'অশ্বত্থামা' এই শব্দ তিনিবাৰ উচ্চাৰণ কৰি আঙুলিৰ আগেৰে তিনিবাৰ মাটিত পেলাব লাগে। ইয়াৰ তাৎপর্য হ'ল, অশ্বত্থামাক যেতিযা পাণ্ডৱসকলে মৃত্যুতুল্য শাস্তি দি মুণ্ডন কৰি পঠাই দিয়ে তেতিযা তেওঁৰ প্রতি কৃপাপৰৱশ হৈ ভগৱান কৃষ্ণই এই ব্যৱস্থা সকলোৰে কাৰণে দি থৈ গ'ল যে তেল শৰীৰত ঘঁহাৰ আগত তিনি টোপাল তেল উত্তৰফালে পেলাই দিব লাগে। যিহেতু অশ্বত্থামা এতিয়াও উত্তৰৰ হিমগিৰি পাদদেশতে আছে। তেওঁৰ শিৰত পৰিলে অশ্বত্থামাৰ অর্থাৎ ব্রাহ্মণৰ ব্রহ্মতালুৰে শীতলতা লাভ কৰিব। এই বিশ্বাসতে এই কার্য আগতে কৰি লয়। গধূলা দন্ত মার্জন আৰু তৈল মর্দন নিষেধ। তেল ঘঁহাৰ পিছত স্নান ক্রিয়া সম্পন্ন হয। পূর্বতে নৈ, বিল বা জলাশযত স্নান কৰাৰ নিযম আছিল। কিন্তু বর্তমানে নৈ, জলাশয়ৰ অসুবিধা হোৱাত নলীনাদৰ পানীৰে নলীনাদ থকা ঠাই বা সুকীযা স্নানাগাৰত গা ধোৱাৰ নিয়ম হৈছে। 'নাৰায়ণ' নাম উচ্চাৰণ কৰি এচলু পানীৰে মুৰৰ ওপৰত ঘূৰাই, তাৰ পিছত চাৰি বস্তু গুৰু, দেউ, নাম, ভকতৰ নামত চাৰি চলু জল শিৰত লৈ গাত ঢালে। এইদৰে স্নানাদি কার্য সমাপন কৰে।

(৩) ধূতি অৱস্থা : স্নান কৰি উঠি তিয়নি সলাই আন পৰিষ্কাৰ বস্ত্র পিন্ধাৰ পৰা ধূতি সময আৰম্ভ হয়। পুৱাবেলা স্নান কৰাৰ পৰা উপাসনা কর্ম, ভোজন ক্রিয়া সম্পন্ন হোৱাৰ পিছত বিশুদ্ধি বস্ত্র পৰিধান কৰালৈকে এইখিনি সময ধূতি। সেইদৰে সন্ধ্যা স্নান কৰাৰ পিছত ৰাতি ভোজন কৰালৈকে এইখিনি সমযো ধূতি অৱস্থা।

ধূতি অৱস্থাৰ কর্ম : এই অৱস্থাত পুৱা স্নান কৰি উঠি ধূতি বস্ত্র পৰিধান কৰি তিযনি চেপি হাত ভৰি ধোৱা প্রথম কর্তব্য। ইয়াৰ পিছত মুৰ আঁচুৰি আছুতীয়াকৈ ৰখা নিজৰ উপাসনাস্থলীত প্রৱেশ কৰিব লাগে। যি সত্রত আছুতীয়া গোসাঁই স্থান নাথাকে সেই সত্রত মূল স্থানলৈ যায়। অন্তৰত এই ভাবনা লৈ উপাসনাস্থলীত সোমায়।

---

১ ৱৰাহ দন্ত অগ্রে উদ্ধাৰিলা ভূমি,
মাটি খানি সুদ্ধ হওঁ আমি। (সত্রীয়া পৰম্পৰাত ব্যৱহৃত)

হে জয় বিজয়ৌ বন্দে দ্বাৰপাল হৱে প্রিয়ৌ।
মাং পাপিনং হৱেঃ পার্শ্বং নযতাং শুভদর্শনম্।।

ইযাৰ পিছত আসন গ্রহণ কৰে। তিনি প্রক্রিযাৰ আসনত[১] বৈষ্ণৱ এগৰাকী বহা নিযম। সেই আসন যথা নিয়মেৰে কৰি ল'ব নোৱাৰিলে গুৰুক স্মৰণ কৰি আসনত বহে। এই আসন গীতাত চৈল, অজীন আৰু কুশৰ হ'ব লাগে বুলি কোৱা হৈছে[২]। আসন গ্রহণ কৰি শৰীৰৰ দ্বাদশ স্থানত তিলক ধাৰণ কৰাটো নিয়ম। দ্বাদশ অঙ্গত তিলক লওঁতে বিষ্ণুৰ দ্বাদশ নাম স্মৰণ কৰি ল'ব লাগে। এই দ্বাদশ নাম কৰচ স্বৰূপ। শৰীৰৰ দ্বাদশ অঙ্গত বিষ্ণুৰ দ্বাদশ নামে সেই সেই ৰূপত থাকি শৰীৰ ৰক্ষা কৰা আৰু পৱিত্র কৰা বিশ্বাস বৈষ্ণৱ গৰাকীৰ মনলৈ আহে[৩]। চন্দন কাঠ, গোপী-চন্দন বা গঙ্গা মৃত্তিকাৰ তিলক সাধাৰণতে ধাৰণ কৰা নিযম। তিলক ধাৰণৰ অন্তত ব্রাহ্মণসকলে গাযত্রীৰে শিখা বান্ধিব লাগে। শূদ্রসকলে গুৰুৰ নাম স্মৰণ কৰি চুলিৰ খোপা বান্ধে। অৱশ্যে ভকত বা বৈষ্ণৱ এগৰাকীযে গোসাঁই থাপনালৈ অহাৰ আগ মুহূর্তত চুলি আঁচোৰাৰ লগে লগে খোপা বান্ধে। ব্রাহ্মণ বৈষ্ণৱ এগৰাকী বা সত্রাধিকাৰ, ডেকা আদিযে তিলক লোৱাৰ অন্তত শিখাৰ বাহিৰেও চুলিৰ খোপা বান্ধে। তিলক ধাৰণ আৰু শিখা বন্ধনৰ পাছতে ব্রাহ্মণ হ'লে সন্ধ্যা পূজা কৰে। দ্বিভূজ মুৰলীধাৰী কৃষ্ণ মূর্তি আৰু বিষ্ণু শালগ্রাম স্নান কৰাই সেই মূর্তি শালগ্রামত পাদ্যোপচাৰে নিত্য পূজা কৰে। সন্ধ্যাৰ পিছত মালামন্ত্র বা দীক্ষা গ্রহণ কৰাসকলে মন্ত্র জপ কৰে। পূজাৰ অন্তত গীতা বা বিষ্ণু সহস্র নাম আদি পাঠ কৰা নিযম। বৈষ্ণৱ মন্ত্রত দীক্ষিত সাধাৰণ ভকত বৈষ্ণৱসকলে তিলক ধাৰণৰ পিছত শলা-বস্তি চর্চাৰে গুৰু সেৱা আৰম্ভ কৰে। ভূত শুদ্ধি ব্যৱস্থাৰে নিজৰ দেহ শুদ্ধি কৰি ধ্যান-ধাৰণা সমাধিৰে গুৰু ব্রহ্মক মানসিক পঞ্চ তত্ত্বৰে পূজা কৰে আৰু শৰণ-ভজন আদি গুৰু বাক্য চাৰিবাৰকৈ উচ্চাৰণ কৰি গুৰুসেৱা কৰে। ইয়াৰ পিছত

---

১ যোগাসন কুশাসন কৃষ্ণ চর্মাসন, হৰিগুৰু আদেশে হ্যাছে আসন তাহাত বসিয়া মই কৰোহো স্তৱন।

২ শুচৌ দেশে প্রতিষ্ঠাপ্য স্থিৰমাসনমাত্মনঃ। নাত্যুচ্ছ্রিতং নাতিনীচং চৈলাজিনকুশোত্তৰম্।।
গীতা ষষ্ঠ অধ্যায়, শ্লোক ১১, পৃঃ ৯৪

৩ ললাটে কেশৱং বিদ্যাৎ কণ্ঠে চ পুৰুষোত্তমম্
নাভৌ নাৰাযণংবৈষ্ণৱ হৃদযে মাধৱংস্তথা
গোৰিন্দং দক্ষিণে পার্শ্বে তথা বামে ত্রিবিক্রমং
মূর্দ্ধি তু চিন্তযেদ্বিষ্ণুং কর্ণযোর্মধুসূদনম্।
ভ্রূৱোর্মধ্যে হৃষীকেশং, পদ্মানাভঞ্চ পৃষ্ঠতঃ।।
বাহুমূলে বাসুদেৱং সব্যে দামোদৱস্তথা।।
মূল ঃ পদ্মপুৰাণ, সংগৃহীত গ্রন্থ, বিপ্রসর্বস্ব, পৃঃ ২৭

মন্ত্র গ্রহণ কৰা সকলে মন্ত্র জপ কৰি ইষ্ট সেৱা সমাপন কৰে। ইষ্ট সেৱাৰ অন্তত গুৰু ভটিমা গোৱা আৰু নাম-কীর্তন কৰা নিয়ম। ইয়াৰ পিছতে সামুহিক নাম-কীর্তনত অংশ গ্রহণ কৰে। নামঘৰলৈ গৈ নাম, বৈষ্ণৱত সেৱা কৰি শ্রৱণ, কীর্তনত ভাগ লয়। পুৱাৰ প্রথম পর্যায় নাম-কীর্তনৰ সামৱণিতে মহাপ্রভু সেৱা, (দেউ) পদজল আৰু নির্মালি গ্রহণ কৰে। নাম-কীর্তনৰ সামৱণিত নামঘৰ প্রদক্ষিণ কৰা এক বিশেষ ৰীতি আছে। নামঘৰ প্রদক্ষিণৰ বিশেষ তাৎপর্য হ'ল ইহ, পৰলোকত মানুহে কৰা পাপ দেৱগৃহ প্রদক্ষিণৰ লগে লগে নাইকিয়া হৈ যায়,[১০] এই বিশ্বাসত প্রদক্ষিণ কৰে। প্রদক্ষিণৰ এক বিশেষ ৰীতি আছে। সেই ৰীতি ৰক্ষা নকৰিলে প্রদক্ষিণৰ ফল নিষ্ফল হয, সেই কথা শ্রৱণ সংহিতাত স্পষ্টকৈ উল্লেখ কৰা হৈছে[১১]। তাকে স্মৰণ কৰি বৈষ্ণৱ বা ভক্ত এজনে এবাৰ প্রদক্ষিণৰ অন্তত আঁঠুকাঢ়ি সেৱা কৰে। এই নিয়ম আউনীআটী সত্রত আছে। এই পৰিৱেশ পোৱাকৈ নামঘৰৰ প্রথম খোটালি এৰি উত্তৰৰ বাৰাণ্ডাৰ পৰা এই সত্রত প্রদক্ষিণৰ সেৱা জনায়। আনহাতে গোটেই নামঘৰক বিৰাট পৰম পুৰুষ বুলি কল্পনা কৰিলে সেই বিৰাট পুৰুষৰ চৰণ ভাগত সেৱা জনোৱা বুলি ধাৱণা কৰা হয়। নামঘৰৰ পৰা ওলাই গৈ গুৰু গৃহত প্রৱেশ কৰি সকলোৱে গুৰু সেৱা আৰু নির্মালি গ্রহণ কৰে। এইখিনি সময়ত কমলাবাৰী থুলৰ সত্রকেইখনত সুকীয়াকৈ থকা পদশিলা ঘৰত সেৱা জনোৱা নিয়ম। গুৰু, দেউ, নাম, ভকতৰ সেৱাৰ পিছতে নিজৰ নিজৰ বহাত বাল্যভোজন[১২] কৰে। বাল্যভোজনৰ পিছত কিছু সময় ব্যৱধানৰ অন্তত পুনৰ নামঘৰলৈ গৈ নাম-প্রসঙ্গত অংশ গ্রহণ কৰে। এই সময়ত শ্রৱণীসকলে ধৰা-বন্ধা নিয়মেৰে ভাগৱত, পদ পাঠ শ্রৱণ কৰে। কোনো ভকত বৈষ্ণৱে এই প্রসঙ্গত অংশ গ্রহণ নকৰিলেও শ্রৱণীসকলে শ্রৱণ কৰা একান্ত কর্তব্য। খোল-তালৰ প্রসঙ্গৰ লগে

---

১০ যানি যানীহ পাপানি পুনর্জন্মকৃতানি চ।
তানি তানি প্রণশ্যন্তি প্রদক্ষিণং পদে পদে।।
পাঠান্তৰ ঃ পূনর্জন্ম — জন্মজন্মান্তৰে
শ্রৱণ সংহিতা, অনু উমাকান্ত গোস্বামী, পৃঃ ১৬৯

১১ শত প্রদক্ষিণ কৰি দণ্ডৱত দিব।
নিজ শত অপৰাধ ক্ষমিব কেশৱ।।
জানুশিৰে ননমে যি প্রদক্ষিণ কৰি।
প্রদক্ষিণ সি নিষ্ফল জানা নিষ্ট কৰি।।
সেই হেতু প্রতিবাৰ প্রদক্ষিণ অন্তে।
ভক্তি ভৱে জানুশিৰে নমিব একান্তে।।
শ্রৱণ সংহিতা, পৰিশিষ্ট, পৃঃ ৫

১২ বাল্যভোজন — লঘু আহাৰ, জা-জলপান আদি।

লগে প্রসাদ বিতৰণ হয়, এই প্রসাদ বিতৰণৰ পিছতেই নিজৰ বহালৈ আহি ভোজন কর্ম সমাপন কৰে। ধুতি অৱস্থাত কেৱল ক্ষেত্রৰ ভিতৰতে আৱদ্ধ থাকিব লাগে। ক্ষেত্রৰ বাহিৰ হৈ গ'লেই 'ফুৰা' লেখত পৰে। তেনে হৈ উঠিলে গা ধুই ধুতি হোৱা আৱশ্যক। কিন্তু বিশুদ্ধি অৱস্থাত এক বিশেষ স্বতন্ত্রতা থাকে।

(৪) বিশুদ্ধি অৱস্থা : সাধাৰণতে দিনৰ চাউল সিজোৱা খোৱাৰ পিছৰ পৰা সন্ধিয়া গা-পা ধোৱা সময়লৈকে এই সময়ছোৱাত বিশুদ্ধি অৱস্থা বুলি কোৱা হয়। বিশুদ্ধি অৱস্থাত গোসাঁই-ভকত-বৈষ্ণৱসকল মুকলিভাৱে ফুৰিব পাৰে। ধুতি ঠাই, স্নানৰ ঠাই আৰু অস্পৃশ্য স্থানৰ বাহিৰে এই অৱস্থাত সত্রৰ বাহিৰলৈ গৈ সকলোৱে ফুৰা-চকা কৰিব পাৰে। সেই কাৰণে কমলাবাৰী সত্রত এই অৱস্থাক 'ফুৰা' বুলি কোৱা হয়।

বিশুদ্ধি অৱস্থাৰ কর্ম : ভোজনৰ অন্তত এই অৱস্থাত যুৱকসকলে শিক্ষা গ্রহণৰ বাবে নির্দিষ্ট শিক্ষা ক্ষেত্রলৈ যায়। পূর্বতে এই শিক্ষা ক্ষেত্র সংস্কৃত টোলসমূহ নির্দিষ্ট আছিল। টোলীয় শিক্ষাই প্রধান। কিন্তু বর্তমান স্কুল-কলেজৰ শিক্ষাও সত্রসমূহত অপৰিহার্য বিষয় হৈ পৰিছে। যিসকল যুৱক, বৃদ্ধলোক এই সময়ত সত্রত থাকে, সেইসকলে ধর্মীয় গ্রন্থ অধ্যয়ন আৰু ইয়াৰ শ্রৱণ কার্যতো ব্যস্ত থাকে। এই পুথি অধ্যয়ন বহাত বা হাটীত এক সামূহিক ক্ষেত্রত বহুজনৰ উপস্থিতিত চর্চা হয়। সত্রাধিকাৰ, ডেকা আদিৰ বাসভৱনতো এই পুথি অধ্যয়ন আৰু চর্চা হয়। এই অধ্যয়নত পাঠ শ্রৱণ আৰু প্রশ্নোত্তৰ অর্থাৎ সংশয় নিবাৰণ মূল বিষয়। ধুতি, বিশুদ্ধি, বাহী, চুৱা এই চাৰি অৱস্থাত গোসাঁইসকলক কর্মচাৰীসকলে নির্দিষ্ট সময়ত ভাগে ভাগে আহি সহায় কৰা নিয়ম। অৱশ্যে কোনো সত্রত গোসাঁইসকলৰ কর্মচাৰী গোসাঁইৰ বহাতে একেলগে থকা নিয়ম আছে।

বিযলা প্রসঙ্গ আৰম্ভ হোৱাৰ লগে লগে বিশুদ্ধি অৱস্থাৰ সামৰণি পৰে যদিও ৰাতি সময়ৰ বাবে পুনৰ চুৱা, ধুতি, বিশুদ্ধি, বাহী অৱস্থা আৰম্ভ হয়। প্রত্যেক অৱস্থাতে দিন-ৰাতি দুবাৰকৈ অতিবাহিত কৰিব লাগে। পুনৰ পুৱাৰ দৰে শৌচাচাৰ স্নান কার্য একে থাকে যদিও এই সময়ত দন্ত মার্জন, তৈল মর্দন কৰা নিষেধ। স্নানান্তত ধুতি হৈ গুৰু সেৱা কৰা স্থানত প্রৱেশ কৰি গুৰু সেৱা, ইষ্ট সেৱা কৰা নিয়ম। গধূলা বেলা তিলক ধাৰণ কৰাৰ ব্যৱস্থা নাথাকে। গধূলা ধুতি অৱস্থাত ভোজন কৰাৰ সময়লৈকে এই সময়ছোৱাত সত্রৰ মূল প্রসঙ্গ আৰু নৃত্য-সংগীতৰ চর্চা আৰু অনুশীলন হয়। প্রধানতঃ সত্রীয়া নামলগোৱা, পাঠক, গায়ন-বায়ন, ওজা আদিৰ চর্চা আৰু অনুশীলন থাকে। ইয়াৰ ভিতৰত নামৰ চর্চা, ৰাগ-গীতৰ তাল-মান, পদ- সঞ্চালন, মুদ্রা প্রয়োগ, মাটি আখৰা আদি প্রাথমিক শিক্ষণীয় বিষয়। প্রতি বিষয়ৰ মুৰব্বীৰ তলত এই শিক্ষা শিকাৰুসকলে আহৰণ কৰে। এটা বিষয়ৰ চর্চা পূর্ণ হ'লে তাৰ প্রামাণিকতাৰ বাবে আৰু

আনুষঙ্গিক উপাদান সংযোগৰ বাবে সেই বিষয়ৰ মুৰব্বীসকলৰ সামুহিক উপস্থিতি প্রয়োজন হয়। তেনে চর্চা পূর্ণতাতহে নামঘৰত শিকাৰুগৰাকীযে প্রৱেশ কৰাৰ সুযোগ পায। অৱশ্যে এই ক্ষেত্রত সত্রাধিকাৰৰ অনুমতি তথা নির্মালি গ্রহণ কৰা প্রয়োজনীয় দিশ। গধূলাৰ এনে চর্চা আৰু অনুশীলনৰ পিছতে ভোজন ক্রিয়া সকলোৱে সমাপন কৰে। একোখন বহাৰ মুৰব্বী বা তেওঁৰ অনুমোদন সাপেক্ষে তলতীয়া গৰাকী বৈষ্ণৱে ৰন্ধন প্রকৰণ কৰে। গোসাঁইসকলৰ ক্ষেত্রত ব্যতিক্রম যে, গোসাঁইসকলে নিজৰ পাগ নিজে কৰে। আলধৰা বৈষ্ণৱৰ সহায থাকিলেও নিজৰ অন্ন নিজে পাগ কৰা এক বিশেষ নিযম। ভোজন ক্রিযা সমাপনৰ পিছত মুখশুদ্ধি গুৱা গ্রহণ কৰি সকলোৱে বিশুদ্ধি বস্ত্র সলায। ৰাতি ভোজনৰ অন্তত হাটীযে হাটীয়ে কোনো সত্রত সবহুৱা নাম গোৱা প্রথা আছে। এই সমযত ভাওনা থাকিলে ভাওনাৰ আখৰাও কৰে। নাম, ভাওনাৰ আখৰাৰ অন্তত বহালৈ গৈ শয্যা পাৰি শযন কৰে।

দৈনন্দিন জীৱনত ভকত বৈষ্ণৱসকলে হস্তশিল্পৰ চর্চা কৰে। ইযাৰ ভিতৰত কাঠ, বাঁহ-বেতেৰে নির্মাণ কৰা নাও, জপাকৰণী, সিংহাসন, গছা, খুন্দনা, চালপীৰা, তামুলী পীৰা, নাওপেৰা, বৰপেৰা, বিচনী আদি তৈযাৰ কৰা কর্মসমূহ উল্লেখযোগ্য। হেঙুল, হাইতাল বোলাই সাঁচিপতীয়া পুথি চিত্রিত কৰা আৰু নামঘৰৰ আচবাবসমূহত ৰং বোলোৱা কার্য স্থাপত্য-ভাস্কর্য কলাৰ শ্রেষ্ঠতম কৃতি। এনে কর্মসমূহৰ উপৰিও ভাওনাৰ সা-সঁজুলি, পোছাক, ৰং আদিও সত্রতে বৈষ্ণৱসকলে নিজে তৈযাৰ কৰে। দৈনন্দিন কর্মৰ ই এক অংশ বিশেষ। বর্তমানে অৱশ্যে ভাওনাৰ সামগ্রীসমূহ সহজে পোৱাৰ ব্যৱস্থা হোৱাত ইযাৰ কিছু চর্চা কমি আহিছে। স্থাপত্য-ভাস্কর্য কর্মসমূহৰ মাজতে নিজৰ প্রয়োজনীয় দৈনন্দিন খোৱা-লোৱা, থকা-শোৱাৰ ব্যৱস্থাসমূহ বৈষ্ণৱসকলে কৰি লয। দৈনন্দিন জীৱনত সত্রৰ সর্বত্র স্থানতে পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু পৰিপাট্য ৰক্ষা উল্লেখযোগ্য দিশ।

সামুহিক স্থানত নিত্য কর্ম আৰু সংস্কাৰ ঃ সত্রৰ সামুহিক স্থান বুলি ক'লে নামঘৰ, মণিকূট, দুই ভঁৰাল, পদশিলা ঘৰ, সত্রাধিকাৰ, ডেকাধিকাৰৰ বাসভৱন আৰু প্রত্যেক হাটীৰ আখৰা ঘৰ আদি স্থানক বুজায।

নামঘৰ-মণিকূটৰ কর্ম ঃ

নামঘৰ মণিকূট একে অঙ্গাঙ্গী সংলগ্ন স্থান যদিও এই দুই ঠাইতে পুৱাৰ পৰা গধূলিলৈ নির্দিষ্ট কর্মীৰ সহযোগত ভাগে ভাগে কর্ম সম্পন্ন হয। পুৱাতে নামঘৰৰ দুৱাৰ খুলি ঠাই মচা আৰু পিৰালি মচাই নামঘৰ, মণিকূট আৰু নামঘৰৰ পিৰালি সৰা-মচা কৰে। ঠাই মচাৰ পিছতে মণিকূটৰ পূজাৰী, দেউৰী, আঠপৰীযা, মলিযা, ধূপীযা আদি মণিকূটলৈ আহে। দেউৰীৰ কাম ভাগে ভাগে থাকে। নৈৱেদ্য সজোৱা দেউৰীযে নৈৱেদ্যৰ সামগ্রী মাহ-প্রসাদ ধুই আৰু কল-কুঁহিযাৰ উপকৰণ সামগ্রী কাটি-ছিণ্ডি শৰাই সঁফুৰাত সজাই

মহাপ্রভুৰ সম্মুখত আগবঢাই থয। চন্দন পিহা দেউৰীযে চন্দন বটি মহাপ্রভুৰ পূজাৰ কাৰণে যোগান ধৰে। শলা লগোৱা দেউৰীযে প্রত্যেক আসনত পূজাৰ বাবে শলা-বস্তি লগাই দিয়ে। ভাগৱত পদ থাপনাৰ আগতো শলা-বস্তি প্রস্তুত কৰি দিযে। নিত্য পূজা-সেৱাৰ বাহিৰেও মণিকূট গৃহত এগছ অখণ্ড বস্তি জ্বলি থাকে। ইয়াৰ তেল-শলিতা নিযমিতৰূপে যোগান ধৰাও এই দেউৰীজনৰে দাযিত্ব। শলা প্রস্তুত কৰাৰ দৰেই ধূপীযাই সত্রতে ধূপ তৈযাৰ কৰি ধূপ যোগান ধৰে। পুৱা শুই উঠিযেই ফুলতুলীযাই ফুল চিঙি মহাপ্রভুৰ পূজাৰ কাৰণে ফুলৰ যোগান ধৰে। দক্ষিণপাট সত্রত নির্দিষ্ট চাৰিজন ফুলতুলীযা[১৩] থাকে। ফুল যোগানৰ লগতে মলিয়াই মহাপ্রভুৰ মালা যোগান ধৰে। মহাপ্রভুত লগোৱা অঙ্গমালা সত্রাধিকাৰ আৰু আগৰ দিনৰ ৰজাইহে পায। এই সমযতে দেউৰীসকলৰ ভিতৰত এজনে নামঘৰলৈ পদ ভাগৱত উলিযাই দিযে। এইদৰে নামঘৰ-মণিকূটত পূজা-সেৱা আৰু নাম কীর্তনৰ বাবে প্রাথমিক প্রস্তুতি হৈ উঠাৰ লগে লগে পুৱা প্রসঙ্গৰ জাননী কোনো সত্রত কাঁহ-ধ্বনিৰে আৰু কোনো সত্রত ডবাৰে দিযা হয। আউনীআটী, দক্ষিণপাট, গডমৰু আদি সত্রত বৰ কাঁহ মাৰে। কমলাবাৰী সত্রত ডবাৰে জাননী দিযে[১৪]। ইযাৰ লগে লগে পূজাৰী আহি মণিকূট গৃহত পূজা কর্ম সম্পন্ন কৰে। প্রাযবিলাক মূল সত্রতে কমেও তিনিখন আসনত বিগ্রহ থাকে। আউনীআটী সত্রত মূল বিগ্রহৰ সৈতে আৰু চাৰিখন আসনত থকা বিগ্রহৰ পূজা পুৱা একেলগে সম্পন্ন হয। পাঁচখন আসনত পাঁচজন পূজাৰীযে পৃথকে পূজা কৰে। এই বিগ্রহ বা মূর্তি বিবিধ প্রকাৰৰ। ভাগৱততে অষ্টপ্রকাৰ মূর্তিৰ কথা উল্লেখ কৰা হৈছে[১৫]। ইযাৰ ভিতৰত শিলৰ, দাৰু (কাঠৰ), অষ্ট ধাতুৰ, লেপন, লেখন (অক্ষৰ), বালি-মাটি, মনৰ কল্পিত আৰু মণিৰে তৈযাৰী মূর্তি। সত্রৰ মণিকূটত ইযাৰে এবিধ মূর্তি স্থাপন কৰি পূজা কৰা নিযম। সত্রৰ মণিকূটত সাধাৰণতে শিলৰ, সোণ বা পিতলৰ মূর্তি স্থাপন কৰা থাকে। সোণৰ অভাৱস্থলত পিতলৰ মূর্তিত সোণ পানী ছটিযাই লোৱা হয। কুৰুৱাবাহী সত্রত অৱশ্যে বর্তমানেও দাৰু মূর্তিতহে পূজা কৰা হয। মূর্তিৰ লগত শালগ্রাম বিশেষভাৱে সংযুক্ত হৈ থাকে। প্রকৃতার্থত শালগ্রাম শিলাতহে পূজা হয। শালগ্রাম পূজাৰ গুৰুত্ব বহু দিশত পোৱা যায। তাৰ ভিতৰত ধর্ম শাস্ত্রই এনে প্রমাণ আৰু বিশ্বাস আমাক আনি দিছে, য'ত শালগ্রাম শিলা থাকে তাতেই কেশৱ থাকে আৰু তাতেই দেৱাসুৰ যক্ষৰ সৈতে চৈধ্য

---

১৩ বেণুধৰ শর্মা, দক্ষিণপাট সত্রৰ বুৰঞ্জী, পৃঃ ১৪

১৪ নাৰাযণ চন্দ্র গোস্বামী, সত্রীযা সংস্কৃতিৰ স্বর্ণৰেখা, পৃঃ ৭

১৫ শৈলী দাৰুমযী লৌহী লেপ্যা লেখ্যা চ সৈকতী।
মনোমযী মণিমযী প্রতিমাষ্টবিধা স্মৃতা।।
ভাগৱত (সং), ১১শ স্কন্ধ, ২৭ অধ্যায়, শ্লোক ১২, পৃঃ ৮৪৮, পদ্ম, পাতাল, ৫৭/৭৩

ভুৱন থকাৰ কথা পোৱা যায়[১৬]। এই শালগ্রাম ভগৱানৰ মূল তেজ আৰু অংগভূত। সেয়ে এনে শালগ্রাম পূজা কৰাটো নৰ মাত্রৰেই একান্ত কর্তব্য[১৭]। বিষ্ণুৰ মূর্তি বা শালগ্রাম শিলাত তিনিপ্রকাৰ মন্ত্রৰে পূজা কৰা হয়। ক্রমে দ্বাদশাক্ষৰ, অষ্টাক্ষৰ আৰু ষড়াক্ষৰ মন্ত্র[১৮]। মূর্তি পূজা থকা সকলো সত্রতে নিত্য, নৈমিত্তিক বা বিশেষ পর্ব উপলক্ষ্যে পূজা সেৱাত এই তিনি প্রকাৰৰ মন্ত্র ব্যৱহাৰ কৰে। সত্রবিলাকত আৰাধনা পদ্ধতিও তিনি প্রকাৰৰ— বৈদিক, তান্ত্রিক আৰু মিশ্র। অৱশ্যে সকলো সত্রতে এই তিনি ব্যৱস্থা গ্রহণীয় নহয়। আউনীআটী, গড়মূৰ আদি সত্রত বৈদিক পাঞ্চৰাত্র বিধিৰে পূজা উপাসনা কৰা হয়। দক্ষিণপাট সত্রত তান্ত্রিক পদ্ধতিৰে পূজা কৰে। কোনো সত্রত আকৌ মিশ্র পদ্ধতিৰ আৰাধনাও আছে। যি সত্রত ভাগৱত অক্ষৰ মূর্তিৰ ওপৰত গুৰুত্ব দি উপাসনাৰ ক্রম ৰক্ষা কৰা হয় সেই সত্রত পূজাৰ গুৰুত্ব নাথাকে। এইখিনি সময়তে নাম লগোৱা আৰু শ্রৱণ-কীর্তনকাৰী বৈষ্ণৱসকল আহি নামঘৰত নাম-কীর্তনত ভাগ লয়হি। নামৰ ভাগে ভাগে বিশেষকৈ বৰ নামৰ লগে লগে বাগীশ, ভাগৱতী, শ্রৱণীসকল আহি উপস্থিত হযহি। নাম সামৰণিৰ আগে আগে আশীর্বদীয়াই আশীর্বাদ দিয়ে। পুনৰ ভাগৱত পাঠৰ অন্ততো আশীর্বদীয়াই আশীর্বাদ দিযে। নামৰ সামৰণিত ডবাঘৰীযাই ডবা বজাই নাম সামৰণিৰ জাননী দিয়ে। নাম সামৰণিতে কোনো সত্রত প্রসাদ বিতৰণ কৰে যদিও ভাগৱত ব্যাখ্যা, পদ পাঠ অপৰিহার্যভাৱে থকা সত্রসমূহত, সেই দুই কার্যৰ অন্ততহে প্রসাদ বিতৰণ হয়। বেঙেনাআটী সত্রত নাম সামৰণিত ডবা মৰাৰ পিছতে নামঘৰত সত্রাধিকাৰ প্রমুখ্যে বৈষ্ণৱসকলক দেউৰীয়ে চন্দনৰ তিলক আৰু মহাপ্রভুত অর্চিত হোৱা ফুল তুলসীৰ নির্মালি প্রদান কৰে। এই সত্রতো প্রসাদ বিতৰণ ভাগৱত পদ পাঠৰ অন্ততহে হয[১৯]। সকলো সত্রতে প্রসাদ দেউৰীযে বিতৰণ কৰে যদিও বিশেষ উৎসৱ-পার্বণ আদিত পূজাৰীসকলেও প্রসাদ বিতৰণত ভাগ লয়। ভাগৱতৰ পদ পাঠৰ পিছত গায়ন-বাযনে খোল প্রসঙ্গ কৰে। সাধাৰণতে গায়ন-বায়নৰ অন্ততহে পুৱা প্রসঙ্গৰ সামৰণি পৰে।

---

১৬ শালগ্রামশিলা যত্র তত্র তিষ্ঠতি কেশবঃ।
তত্র দেৱাসুৰা যক্ষা ভুৱনানি চতুর্দশ।।
(অস ৰূপান্তৰ-য'তে শালগ্রাম তাতে থাকে নাৰাযণ। তাতে দেৱাসুৰ যক্ষ চৈধ্যয ভুৱন।।)
মূল ঃ নাৰদ পুৱাণ, সংগৃহীত গ্রন্থ-শ্রৱণ সংহিতা, শ্লোক ১৫০, পৃঃ ১০৮

১৭ মোৰ তেজ অংশ জাত শালগ্রাম হয।
তাতো মোৰ যোগ্য পূজা কৰে নৱচয়।। (শ্রৱণ সংহিতা, পৃঃ ৬১)

১৮ দ্র শ্রৱণ সংহিতা, পৃঃ ৬৭

১৯ মনু হাজৰিকাৰ পৰা পোৱা তথ্য, বেঙেনাআটী সত্র।

দুই ভঁৱালৰ কর্ম ঃ চাউল ভঁৱাল আৰু ধন ভঁৱালত পুৱা প্রসঙ্গৰ পিছত দিনৰ ভাগত ভঁৱালী, ভেটি ধৰা আহি ভঁৱালৰ সমুদায কর্ম কৰে। ভঁৱালৰ মূল স্থানত বস্তি প্রজ্বলন কৰি কর্ম আৰম্ভ কৰে। এই কর্মসমূহৰ ভিতৰত দুই ভঁৱালীয়ে ভাগে ভাগে দৈনন্দিন সত্রলৈ অহা সামগ্রী সামৰে আৰু নামঘৰ, মণিকূট, গোসাঁইঘৰ আদিলৈ নিয়মিত যোগান দিয়ে। বৈষ্ণৱসকলে পাব লগাখিনিও এই সময়তে দিয়াৰ ব্যৱস্থা থাকে। ভঁৱাল আৰু নির্দিষ্ট স্থানৰ উভয়ৰ কর্মীৰ সহযোগত যথা স্থানলৈ ভঁৱালৰ সামগ্রী যোগান ধৰা হয। মলা, চৰু, গাখীৰ আদি যোগান ধৰা সেই সেই বিভাগৰ পাইকৰ কাম। মাহ-চাউল চালি-জাৰি ভঁৱালত থোৱা কাম চমুৱাৰ। নিতৌ চমুৱাই মাহ-চাউল চালি-জাৰি দিব লাগে। পাইকসমূহে উৎসৱ-পর্বত ৰভা, পৰলা দিব লাগে। ঠাই সৰাই নিতে কৰাপাটৰ পৰা আৰম্ভ কৰি সত্রৰ বাট-পথ সমুদায় স্থান সাৰি পৰিষ্কাৰ কৰে। দ্বাৰৰক্ষীয়ে কৰাপাটত থাকি সত্রৰ পহৰা দিয়ে। উভয ভঁৱালৰ ভঁৱালৰখীয়াই বিশেষকৈ ৰাতি ভঁৱালত থাকি ভঁৱাল ৰখাৰ নিযম।

সত্রাধিকাৰৰ বাসভৱনৰ কর্ম ঃ সত্রাধিকাৰ এগৰাকীক সমুদায় কর্মত সহায কৰি দিবৰ বাবে বিভিন্ন কর্মচাৰী নিয়োগ কৰা থাকে। ৰজাঘৰীযা সত্রবিলাকত এই কর্মচাৰীৰ সংখ্যা বেছি হোৱা দেখা যায। ৰজাৰ আৰ্হিৰে কিছু বিশেষ কর্ম কৰাৰ বাবে সেই সেই কর্মচাৰীৰ প্রযোজন হয। তাৰ ভিতৰত চ'ৰা কর্ম তদাৰক কৰা বা চ'ৰাত আসন পৰা-মেলাৰ বাবে চ'ৰা চোৱা, চ'ৰাত বহি থকা অৱস্থাত মুখ-হাত ধোৱাৰ বাবে ব্যৱহাৰ কৰা কমণ্ডলু পাত্রৰ পৰা কমণ্ডলু ধোৱা কর্মচাৰীৰ সৃষ্টি হয। তেনেদৰে খুটিকটীয়া, নিশাফুৰা আদি। খুটিকটীয়াজনে পাগপত্র কার্যৰ বাবে খুটি প্রস্তুত কৰি দিয়ে। এওঁ প্রতিদিনে খুটি যোগান ধৰা নিয়ম। ৰজাঘৰীযা এনে সত্রত গোসাঁইসকলে নিজে টৌ-খুটি মাৰি পাগ-পত্র কৰা নিয়ম। পূর্বতে টৌৰ ঠাইত মাটিৰ মলাপাত্র ব্যৱহাৰ কৰিছিল। আউনীআটী সত্রত বর্তমানেও নিতে পাগ স্থাপন আৰু বর্জন কৰা নিয়ম চলি আছে। নিশাফুৰা দুজন থাকে, দুইজনে ভাগ অনুপাতে সত্রাধিকাৰৰ বাসভৱনত খৰিৰ যোগান ধৰিব লাগে। এই নিশাফুৰা দুজনে ৰাতি সকলোৱে খোৱা-লোৱাৰ পিছত হাটীয়ে হাটীয়ে ফুৰি বৈষ্ণৱসকলৰ খোৱা-লোৱাৰ বুজ লৈ সত্রাধিকাৰক জনাব লাগে। সেইমতে সত্রাধিকাৰগৰাকীয়ে কাৰোবাৰ কিবা সমস্যা বা অভাৱৰ কথা জানিলে সেই সমস্যা সমাধানৰ ব্যৱস্থা লয় আৰু অভাৱ পূৰণ কৰে। দিনে লেখা-মেলা আৰু চিঠি-পত্র আদান-প্রদানৰ ক্ষেত্রত মজিন্দাৰজনে সত্রাধিকাৰক সর্বত্রতে সহায় কৰি দিয়ে। এই সকলো কর্মচাৰীৰ সহায়তহে এই আৰ্হিৰ সত্রৰ সত্রাধিকাৰ এগৰাকীৰ সত্রীয়া জীৱন ধাৰা সম্ভৱ হৈ উঠে। এওঁলোকৰ অন্ন-বস্ত্রৰ যোগান সত্রাধিকাৰে সত্রৰ ভঁৱালৰ যোগেদি দিয়াৰ ব্যৱস্থা কৰে। ডেকাৰ বাসভৱনতো সংকুচিত পৰিৱেশত কর্মচাৰীৰ এনে সহযোগ

থাকে, আৰু অনুৰূপভাৱে সেই কর্মচাৰীক ডেকাই ভৰণ-পোষণৰ ব্যৱস্থা কৰি দিয়ে।

সমূহীয়া বাসস্থানৰ লেখত প্রত্যেক হাটীৰ আখৰা কৰা ঘৰবিলাক পৰে। এই ঘৰত এহাটীৰ বৈষ্ণৱসকলে বিভিন্ন কথাৰ বাবে একত্রে মিলিত হ'ব পাৰে। যিকোনো হাটীৰ মীমাংসামূলক কার্যৰ মীমাংসা কৰে। হটীয়া বিবাদ নিষ্পত্তি কৰে। হাটীৰ ভাওনাৰ আখৰা কৰা এই স্থানৰ মূল কার্য। প্রত্যেকদিনা ৰাতি হাটীঘৰত হটীয়া সবহুৰা নাম হয়। এই সমূহীয়া হাটী ঘৰ পুৰাতে বৈষ্ণৱসকলে পাল পাতি সৰা-মচা কৰা নিয়ম। অৱশ্যে সৰু পৰিসৰৰ সত্রবিলাকত এনে ব্যৱস্থা নাথাকে।

সত্রৰ সমূহীয়া স্থান বুলি ক'লে পদশিলা ঘৰ আতাগৃহ[১০] আদিকো বুজায়। কমলাবাৰী সত্রত আতাগৃহ ভঁৰালৰ দৰে ব্যৱহাৰ কৰে। এনে আর্হি প্রধানতঃ কমলাবাৰী থুলৰ সত্রসমূহত আছে। মহাপুৰুষৰ পদচিহ্ন বা খৰম আদি প্রতীক চিহ্ন যি ঘৰত থাকে সেযে পদশিলা ঘৰ। এই সত্রৰ আর্হিৰ বৈষ্ণৱসকলে মহাপুৰুষসকলৰ পদচিহ্ন বা তেনেজাতীয় সম্পদ অতি যতনেৰে পদশিলা ঘৰত সংৰক্ষণ কৰে। সমূহীয়া কর্মৰ ভিতৰত দৈনন্দিন সত্রৰ কেইটামান বিশেষ কর্তব্য থাকে। শৰণ-ভজন প্রদান, ব্যৱস্থাপত্র প্রদান আৰু বিচাৰ কৰা উল্লেখযোগ্য। শৰণ, ভজন, মালামন্ত্র আৰু দীক্ষা কার্য ধর্মীয় কর্ম, সামাজিক শৃংখলাৰ বাবে দিয়া বিধিসম্মত ব্যৱস্থা আৰু বিচাৰ ব্যৱস্থা সামাজিক কর্ম। এই কর্মসমূহ প্রধানতঃ সত্রৰ সত্রাধিকাৰে সম্পন্ন কৰে। পুৱা প্রাতঃকৃত্য কৰি নিজৰ নির্দিষ্ট পূজা-সেৱাৰ অন্তত নামঘৰৰ নাম-কীর্তনত অংশ গ্রহণ কৰা ভাগৱত পাঠ কৰা সত্রাধিকাৰগৰাকীৰ বিশেষ কর্তব্য। আউনীআটী সত্রত পুৱা নাম প্রসঙ্গ শেষ হোৱাৰ লগে লগে নাম কীর্তনকাৰী প্রসঙ্গীয়া বৈষ্ণৱসকলক সত্রাধিকাৰগৰাকীয়ে নিজৰ পূজাস্থলীত সকলোকে এখনি গুৱা প্রদান কৰে। এই গুৱাদানৰ অন্ততহে নিজৰ ভোজনশালালৈ গৈ সত্রাধিকাৰগৰাকীযে ভোজন কৰে। ইয়াৰ বিশেষ তাৎপর্য হ'ল সত্রাধিকাৰৰ হৈ প্রতিনিধি স্বৰূপে বৈষ্ণৱসকলে মূল প্রসঙ্গৰ কৃত্যসমূহ সম্পন্ন কৰা হেতু দেৱভোগ্য সামগ্রী মহাদান গুৱাখনি দি কৃতজ্ঞতা জনায় আৰু ব্রহ্মৰূপী মূল মহাপ্রভুৰ সেৱকসকলক সন্তর্পণেৰে সৈতে অভিবাদন জনায়। দানৰ ভিতৰত শ্রেষ্ঠ দান গুৱা দান, সেই অর্থত ইযাক গুৰুত্বপূর্ণ কর্মত ব্যৱহাৰ কৰা হয়। পুৱা বেলাতে নাম প্রসঙ্গ চলি থকা অৱস্থাত সত্রাধিকাৰগৰাকীযে শৰণ-ভজন, মালামন্ত্র বা দীক্ষা প্রদান কৰে। শৰণকার্য পূজা-গৃহ বা মহাপ্রভুৰ সন্মুখত কৰা নিয়ম। ব্রহ্ম সংহতিৰ সত্রসমূহে প্রধানতঃ মহাপ্রভুৰ আসনৰ সন্মুখত শৰণ কার্য সম্পাদন কৰে। যিবিলাক সত্রত মূর্তিৰ

---

১০ আতাগৃহ - - বদুলা আতা বা তেনে সম আসন লাভ কৰা স্মৃতি গৃহক কমলাবাৰী সত্রসমূহত আতাগৃহৰ পৰিচয় দিয়ে।

প্রাধানা নাথাকে সেই সত্রসমূহে ভাগৱত বা মহাপুৰুষসকলৰ ৰচিত ধর্মীয় গ্রন্থ সম্মুখত লৈ শৰণ কার্য সম্পাদন কৰে। শৰণ কার্যৰ বাবে শৰণ গ্রহণ কৰোঁতাজন আগদিনা উপবাসে অর্থাৎ হবিষে[২১] থাকি পুৱা শুচি সংযম হৈ লঘোণে আহি সত্রত শৰণ গ্রহণ কৰিব লাগে। পূর্বৰ আদর্শমতে শৰণ লোৱাৰ আগদিনা হবিষে থকা নিয়ম। শৰণ লওঁতে গুৱা-পাণ, বস্ত্র, অৰিহণা দিয়া নিযম। বস্ত্রৰে গুৰুক বৰণ কৰি অৰিহণা, গুৱা-পাণেৰে শৰণ যাচ্ঞা কৰা ধর্মীয় ৰীতি।

শৰণৰ পিছতে ভজন লোৱা নিযম। 'ভজন' শব্দৰ অর্থ সেৱা। ভগৱন্তৰ সেৱা প্রণালী আৰু সেই সেৱাৰ বাবে নিজকে কেনেদৰে উপযোগী কৰি তুলিব লাগিব ই ভজনৰ মূল কথা। ভজনত ভগৱন্তৰ লগতে শিষ্যৰ বাবে ব্রহ্মাৰ অভিন্ন স্বৰূপ গুৰুৰ পৰিচযো দেখুওৱা হয। আউনীআটী সত্রত ভজনত গুৰুৰ পৰিচয়ে বিশেষ প্রাধান্য লাভ কৰে। যিহেতু গুৰু, দেউ, নাম, ভকতৰ নামত শৰণ বাক্য উচ্চাৰণ হ'লেও এই সত্রত শৰণৰ বাক্যত গুৰু শব্দ উচ্চাৰণ নহয। গুৰুৰূপী সত্রাধিকাৰগৰাকীয়ে এই কার্য নিজে কৰে কাৰণে গুৰুৰ পৰিচয গুৰুৱে নিজে নিদিয়ে। বৈষ্ণৱে গুৰুৰ পৰিচয় দাঙি ধৰে। সেযে, এই সত্রত সত্রাধিকাৰৰ আজ্ঞা লৈ সত্রৰ সম্মানীয় মুখ্য বৈষ্ণৱে ভজন কার্য সম্পন্ন কৰে। যি সত্রত ভজনৰ কার্য বৈষ্ণৱ এগৰাকীযে সম্পন্ন কৰে, সেই ক্ষেত্রত বৈষ্ণৱগৰাকীৰ বহাত এই কার্য সম্পাদন হয। যি সত্রত অধিকাৰ বা ডেকাধিকাৰে নিজে সম্পন্ন কৰে সেই ক্ষেত্রত গোসাঁইসকলৰ পূজা গৃহত বা মণিকূটত এই কার্য সম্পন্ন হয়।

শৰণ-ভজনৰ পিছতে মালামন্ত্র গ্রহণ মুখ্যতম ব্যবস্থা। ঐহিক বা পাৰলৌকিক স্তৰত ব্রহ্মাতত্ত্ব সন্নিধান বা ব্রহ্মাপ্রাপ্তি মন্ত্র গ্রহণৰ ঘাই কথা। এই মন্ত্র গুৰুৰ যোগেদি গ্রহণ কৰি আন্তৰিকতাৰে এক নির্দিষ্ট লক্ষ্য লৈ জপ কৰা নীতি। যি সত্রত মালামন্ত্র গ্রহণৰ ব্যৱস্থা নাথাকে, সেই সত্রত দীক্ষাৰ প্রচলন আছে। এই দীক্ষা বৈষ্ণৱী দীক্ষা আৰু তান্ত্রিক দীক্ষা। দক্ষিণপাট সত্রত তান্ত্রিক-দীক্ষা দিয়াৰ প্রচলন আছে। একোখন সত্রৰ লগত পুৰুষানুক্রমে শিষ্যত্ব সম্বন্ধ থকা এজন লোক গুৰু ঘৰলৈ গৈ শৰণ-ভজন, দীক্ষা বা মালামন্ত্র গ্রহণ কৰা নিয়ম। কিন্তু বিভিন্ন কাৰণত এনে নিযমৰ কেতিয়াবা সালসলনি ঘটে। বিশেষ অসুবিধা হ'লে একে আর্হিৰ উপযুক্ত গুৰুৰ ঠাইলৈ গৈ শৰণ আদি গ্রহণ কৰা নিয়ম প্রচলন আছে। অৱশ্যে তেনে ক্ষেত্রত পূর্বৰ নিজ গুৰু ঘৰৰ সম্বন্ধ ত্যাগ কৰা বিধিসম্মত নহয়। বিশেষকৈ বিবাহ কার্যৰ পূর্বতে শৰণ গ্রহণ কৰা নিয়ম যদিও কোনো কাৰণত বিবাহৰ আগতে শৰণ ল'ব নোৱাৰিলে, বিবাহৰ পিছত তেনে অনিচ্ছুক

---

২১ মহেশ্বৰ নেওগ, গুৰুচৰিত কথা, কথা ৫০৯, পৃঃ ২২৬

ভুলৰ বাবে এটি অর্থ দণ্ডৰে ক্ষমা বিচাৰি শৰণ গ্রহণ কৰে। শৰণ-ভজন, মালা মন্ত্র গ্রহণৰ ক্ষেত্রত নির্দিষ্ট দিন, বাৰ আৰু মাহৰ লেখ নাথাকে। কিন্তু জীৱনৰ শুভ কার্যৰ শুভদিন, শুভবাৰ চাই লোৱা নিয়ম। জীৱনৰ এনে সংস্কাৰমূলক কার্যসমূহ কৰোঁতে গুৱা-পাণ শৰাই, গুৰু বৰণৰ বস্ত্র, অৰিহণা গুৰু লৈ আগবঢোৱা নিয়ম। শ ৰণ-ভজন, মালামন্ত্র আদি দীক্ষামূলক কার্য পুৱা প্রসংগ চলি থকাৰ সময়ত সম্পাদন কৰা নিয়ম। ইযাৰ বিশেষ তাৎপর্য আছে। গুৰু, দেউ, নাম, ভকত এই চাৰি বস্তুৰ আশ্রয় লৈহে উপাসনা কার্য বা শাৰীৰিক, মানসিকভাৱে নিজক সংস্কাৰ কৰা সম্ভৱ। পুৱা যিহেতু নাম প্রসঙ্গ ক্রমানুপাতিকভাৱে চলি থাকে তেনে সময়ত এই চাৰি বস্তুত পৃথকে সেৱা জনোৱা আৰু চাৰিবস্তুৰ লগত নিজৰ সংস্কাৰ কর্মৰ পোনপটীয়া সম্পর্ক ঘটোৱা ব্যৱস্থা থাকে যাৰ যোগেদি সংস্কাৰীজনৰো মনলৈ আন্তৰিক সান্ত্বনা আহে।

শৰণ-ভজন, মালামন্ত্র আদি কর্মৰ উপৰি নতুন প্রসঙ্গীয়া আৰু সত্রীয়া যি কোনো বিষযবাবৰ নির্মালি পুৱা প্রসঙ্গৰ সময়ত পূজা গৃহত দিযা নিযম। নাম প্রসঙ্গৰ পিছত ভোজনৰ অন্তত চ'ৰাত মেল বিচাৰ আদি সোধা নিযম। সত্রীযা যি কোনো সমস্যাৰ আলোচনা আৰু ৰাজহুৱা বিবাদ আদি এই সময়ত সত্রত নিষ্পত্তি কৰে। ইয়াৰ লগতে এই সময়তে ধর্মীয মতৰ ব্যৱস্থা আদান-প্রদান কৰাৰো ই নির্ধাৰিত সময। ওপৰত আলোচিত হোৱা এনে কর্মবিলাকৰ উপৰিও সত্রৰ নিত্য কর্মত প্রধানতঃ নামঘৰত ৰাতিপুৱাৰ পৰা গধূলিলৈকে হোৱা প্রসঙ্গসমূহ মুল লেখত পৰে। নামঘৰ প্রকৃতার্থত ভগৱৎ নামৰ বিৰাজভূমি। সেযে নাম কীর্তন নামঘৰৰ অপাৰিহার্য বিষয। সত্রৰ নামঘৰত দ্বাদশ বা চৈধ্য প্রসঙ্গ অব্যাহত থকা মুল নীতি। মণিকুট গৃহত অর্চন, বন্দন আৰু পাদসেৱন কার্যৰ ধাৰাবাহিকতা ৰক্ষা কৰা হয়। নামঘৰত শ্রৱণ-কীর্তন আৰু বন্দনৰ প্রাধান্য থাকে। প্রসঙ্গ বুলি ক'লে মূলতঃ নাম-কীর্তন, ভাগৱত ব্যাখ্যা, পদ পাঠ, গাযন-বাযনৰ খোল-তাল আৰু ওজা প্রসঙ্গৰ কথা বুজায়। মূলতঃ এই পাঠ প্রসঙ্গৰ বিবিধ ভাগ অনুসৰি পুৱা, বিয়লি আৰু গধূলি পুনৰাবৃত্তি হৈ চৈধ্য প্রসঙ্গ বা দ্বাদশ প্রসঙ্গৰ লেখত চিহ্নিত হৈ পৰে। এই প্রসঙ্গসমূহৰ ক্রম আছে। নাম-কীর্তনৰ পিছত ভাগৱত আৰু পদ পাঠ, তাৰ পিছত খোল প্রসঙ্গ। ওজা প্রসঙ্গ গধূলি প্রসঙ্গৰ অন্তর্ভুক্ত। নামৰ অন্ততহে যে ভাগৱত গায়, তাৰ নিদর্শন স্বৰূপে বংশীগোপালদেৱে প্রতিষ্ঠা কৰা ডেবেৰাপাৰ সত্রৰ প্রসঙ্গ ক্রম উল্লেখ কৰিব পাৰি[২২]। উজনি অসমৰ সত্রসমূহৰ ভিতৰত ডেবেৰাপাৰ সত্র প্রাক্ আৰ্হিৰ। প্রসঙ্গসমূহ পাঁচ প্রক্রিযাৰে সম্পন্ন হয— (১) মানস, (২) নিবিড়, (৩) বীৰ, (৪) উপাংগ আৰু (৫) উৎসৱ।

ৰমানন্দ দ্বিজ, বংশীগোপাল দেৱৰ চৰিত্র, পৃঃ ৭২

মানস ঃ মনে চিন্তা কৰা। প্রসঙ্গ কৰাৰ আগত নাম লগোৱা, পাঠক আদিযে আসন চর্চাৰ পিছতেই বিষযবস্তু আৰু ভগৱন্তৰ ৰূপ-গুণ চিন্তা কৰি ল'ব লাগে। মানসিকভাৱে তন্ময় হোৱা যি ব্যৱস্থা সিযেই মানস প্রসঙ্গ।

নিবিড় ঃ ধীৰ, স্থিৰ, সমাহিত চিত্তেৰে কৰা প্রসঙ্গ। এনে পদ্ধতিত নামৰ ডাকনি বা ঘোষণি আৰু গধুৰভাৱে গোৱা নাম পৰে।

বীৰ ঃ হাত-চাপৰি বজাই কৰা প্রসঙ্গ।

উপাংগ ঃ হালি-জালি উলাহেৰে তাল বজাই কৰা প্রসঙ্গ। বৰনাম, সবহুৱা নাম, কীর্তনীযা নাম এই প্রসঙ্গৰ অন্তর্ভুক্ত।

উৎসৱ ঃ থিয় হৈ কৰা প্রসঙ্গ। ভোৰ তাল লৈ গোৱা থিয নাম, হিয়া নাম আৰু খোল তাল লৈ গোৱা গাযন-বাযনৰ প্রসঙ্গ। উৎসৱ প্রসঙ্গত সামূহিকতাৰ চাপ বিদ্যমান। এই পাঁচটা প্রক্রিয়াৰ উপৰিও প্রসঙ্গৰ বিশেষ চাৰিটা ভাগ থকাৰ কথা গুৰুচৰিত কথাত উল্লেখ কৰা হৈছে। সেই ভাগবোৰ হ'ল— (১) স্থাপনা, (২) বন্দনা, (৩) আনন্দ আৰু (৪) খেলা[১৩]।

স্থাপনা ঃ সকলো কথাৰে আৱাহন আৰু বিসর্জন আছে। নাম বৈকুণ্ঠৰ বস্তু বুলি ভকতসকলে বিশ্বাস কৰে। সেই নাম 'জয জয় কৃষ্ণ' আদি ডাকনিৰে আৱাহন কৰি বৈকুণ্ঠৰ পৰা নমাই নিজৰ সন্মুখত নামৰূপী বিৰাজ ক্ষেত্রত স্থাপন কৰে। এই সময়ছোৱাত বিশেষকৈ মূর্তিপ্রধান সত্রসমূহত, মণিকূট গৃহত পূজাৰীয়ে মহাপ্রভু জাগৰণ কৰাই স্নানাদি কৰোৱাৰ পিছত বস্ত্র-অলঙ্কাৰ পৰিধাৰণ কৰাই নিজ আসনত স্থাপন কৰে। এনে সময়ত নামঘৰত ভগৱন্তৰ জাগৰণৰ গীত বা জাগৰণৰ নাম চলি থাকে। এই সমুদায ব্যৱস্থাই স্থাপনা।

বন্দনা ঃ ভগৱত স্তুতি। অন্তৰৰ ভাবনাৰে অকপট চিত্তেৰে ভগৱানৰ সন্তুষ্টিৰ অর্থে যি প্রার্থনা জনোৱা হয়, সেযে বন্দনা। এই সময়ত মণিকূট গৃহত অর্চন অর্থাৎ পূজা আৰু স্তুতি পাঠ কর্ম আনহাতে নামঘৰত বন্দনাসূচক বৈৰাগীনাম বা গীত-ভটিমা নাম লগোৱাসকলে গায়।

আনন্দ ঃ নামত বিশেষ উৎসাহ। আনন্দ ৰসঘন কৃষ্ণৰ যশ-গুণ লীলা বিষয়ক নাম-কীর্তন ভকতসকলে উৎসাহেৰে আনন্দৰে সৈতে গায়। এই নামত কৃষ্ণৰ যশোবর্ধক আনন্দ বিষয়ক কথা বিশেষভাৱে বর্ণনা কৰা হয়।

খেলা ঃ শ্রীকৃষ্ণৰ ক্রীড়া কৌতুক। 'খেলা' এই শব্দৰ অর্থ কৰা হৈছে, ভগৱন্তৰ নির্দিষ্ট লীলাসমূহ। বৃন্দাবনৰ লীলাসমূহে এই প্রসঙ্গত বিশেষ প্রাধান্য লাভ কৰে।

---

[১৩] মহেশ্বৰ নেওগ, গুৰুচৰিত কথা, কথা ৯৪১, পৃঃ ৪১৯

প্রত্যেক প্রসঙ্গীয়াই নিজৰ প্রসঙ্গৰ মাধ্যমেৰে খেল প্রকাশ কৰে অর্থাৎ এক নির্দিষ্ট মাধ্যমত ভগৱন্তৰ গুণ-লীলা প্রকাশ কৰে। ইয়াত খেল শব্দৰ যোগেদি প্রত্যেক প্রসঙ্গৰ কথা বুজোৱা হৈছে। আউনীআটী সত্রত সেযে গোৱিন্দৰ প্রসঙ্গীয়াসকলক নির্দিষ্ট বিষযৰ গোটক খেল বুলি কোৱা হয। যেনে, নাম লগোৱা খেল, পাঠকৰ খেল, গায়নৰ খেল, বায়নৰ খেল, ওজাৰ খেল আদি। এই সত্রত স্থাপনা বন্দনা কৰা নামলগোৱাসকলক নট-ভাটৰ লগত তুলনা কৰা হয।

এই সত্রত বেদস্তুতিৰ আর্হিৰে পুৱাৰ প্রসঙ্গ আৰম্ভ হয। কীর্তনৰ বেদস্তুতিত এই আর্হিৰ উল্লেখ আছে[২৪]। পুৱা আৰম্ভ হোৱা ক্রমে বৈৰাগী আৰু বুঢ়া নামৰ লগত এই সত্রৰ মণিকূটৰ কার্য এনেদৰে সম্বন্ধ বখা হৈছে যে ইটো কর্মৰ লগত সিটো কর্ম সূতাৰে বান্ধি ৰখাৰ দৰে। মণিকূট গৃহত জাগৱণৰ পৰা মহাপ্রভুৰ স্নান, বস্ত্র, অলঙ্কাৰ পৰিধাৰণ আদিৰ লগত সম্পর্ক ৰাখি একে সময়তে সেই কার্যৰ সময়ত নামঘৰত বৈৰাগী নাম লগোৱাই জাগৱণৰ নামকে ধৰি বৃন্দাবন যাত্রা আৰু বৃন্দাবন লীলাসমূহৰ বর্ণনা দাঙি ধৰে। তেনেদৰে গধুলা প্রসঙ্গতো গো-চাৰণৰ পিছত গৃহাভিমুখী হোৱা, গোবৎসলৈ বালকসকলৰ সৈতে কৃষ্ণ অহা, যশোদা, ৰোহিণীৰ ব্যস্ততা আদি বিষযৰ নাম বৈৰাগী নাম লগোৱাই বিৱৰণাত্মক আকাৰে পৰিৱেশন কৰে। তাৰ লগে লগেই এটা এটা প্রসঙ্গ আৰম্ভ হয। তিনিবেলাত চৈধ্য প্রসঙ্গৰ সমাপ্তি ঘটে। প্রত্যেক সত্রতে চৈধ্য বা দ্বাদশ প্রসঙ্গ থাকিলেও সত্রভেদে প্রসঙ্গৰ পৰিচয় আৰু ক্রমৰ পার্থক্য আছে। বর্তমানে মাজুলীৰ আদর্শ প্রধান সত্রসমূহৰ দ্বাদশ বা চৈধ্য প্রসঙ্গৰ বিৱৰণ সুকীয়া সুকীযাকৈ দাঙি ধৰা হৈছে।

আউনীআটী সত্রৰ প্রসঙ্গৰ ক্রম ঃ

(১) বৈৰাগী নাম ঃ বৈৰাগী নামেৰে এই সত্রত প্রথম প্রসঙ্গ আৰম্ভ হয। বৰ-কাঁহ ধ্বনিৰে প্রসঙ্গ আৰম্ভ কৰাৰ ধ্বনি জাননী দিযা হয। মণিকূটত পূজাৰীযে কাঁহ বজায। বৈৰাগী নাম বৃন্দাবন লীলা সন্নিৱিষ্ট কৃষ্ণ বর্ণনাৰ নাম। বৈৰাগী নাম লগোৱাই এই নাম আৰম্ভ কৰে। নিত্য বৈৰাগী নামত চাপৰি আৰু তাল নবজায। বৈৰাগী নামৰ সামৰণিত কীর্তন দিযে। কীর্তনত চাপৰি বজায, তাল নবজায।

(২) বুঢ়া নাম ঃ কীর্তনৰ পিছতে বুঢ়া নাম লগোৱাই বুঢ়া নাম গায। এই নামতো হাত চাপৰি, তাল নবজায। গম্ভীৰ ভাবেৰে সমাহিত চিত্তেৰে গোৱা অর্থত এই নামক বুঢ়া নাম বোলা হয।

---

[২৪] জগত সংহৰি শুতি আছা নাৰায়ণ।
প্রথম নিঃশ্বাসে বাজ ভৈলা বেদগণ।
জগাইলা বিষ্ণুক স্তুতি কৰি ভক্তিভাৰে।
যেন নট ভাটে চক্রবর্তীক জগাৱে।। (শংকৰদেৱ, কীর্তন, বেদস্তুতি, পৃ ৩৩২)

(৩) বৰনাম : বুঢ়ানামৰ অন্তত বৰনাম আৰম্ভ হয়। এই প্রসঙ্গত সামৰণিলৈকে চাৰিটা ঘোষা গায়। বৰ শব্দৰ অর্থ প্রধান, মূল, সেই অর্থত এই নাম বৰ নাম। প্রথম ঘোষা আৰম্ভণিৰে পৰা এই নামত তাল বজায়। জন্মাষ্টমী, বৰ একাদশী, বিহু আৰু প্রয়াত সত্রাধিকাৰসকলৰ তিথিত এটা ঘোষা বেছিকৈ গায়। ইয়াক বঢ়া ঘোষা বোলে।

(৪) ভাগৱত পাঠ : বৰ নাম সামৰণিৰ লগে লগে সংস্কৃত ভাগৱত বাগীশে ব্যাখ্যা কৰে।

(৫) পদ পাঠ : বৰপাঠকে পদ ভাগৱত পাঠ কৰে। ভাগৱতৰ ঠাইত কেতিয়াবা পুৰাণ আৰু গুৰু চৰিত্র পাঠ কৰে।

(৬) গায়ন-বায়ন : প্রত্যেকবাৰৰ নামত থকা গায়ন আৰু একোজন বায়নে পুৰা খোল প্রসঙ্গ কৰে। পদ পাঠৰ পিছত খোল প্রসঙ্গ।

(৭) বিয়লা প্রসঙ্গ : এই প্রসঙ্গত তাল বজাই নাম গায়।

(৮) পদ পাঠ : বিযলা তাল প্রসঙ্গৰ পিছতে বিযলা পাঠকে দশম আদি পদ পুথি পাঠ কৰে।

(৯) ভাগৱত পাঠ : পুৰাৰ দৰে বাগীশ বা ভাগৱতীয়ে ৰাগ শ্লোকেৰে পুনৰ ভাগৱত ব্যাখ্যা কৰে। পুৰা ৰাগ আৰু সন্ধ্যা ৰাগ পৃথক।

(১০) বৈৰাগী নাম : পুৰাৰ দৰে বৈৰাগী নাম লগোৱাই ভাগৱতৰ অন্তত বৈৰাগী নাম গায়। এই নামত বৃন্দাবন লীলাৰ সামৰণি অৱস্থা আৰু গৃহাভিমুখী বিষয়ৰ বর্ণনা থাকে।

(১১) বুঢ়া নাম : পুৰাৰ দৰে বুঢা নাম লগোৱাই বুঢা নাম গায। বুঢ়া নামৰ অন্তত বৰদেউৰীয়ে দীপ প্রজ্বলন কৰি মহাপ্রভুত উৎসর্গা কৰি আৰতি কৰে। আৰতিৰ লগে লগে সন্ধ্যাৰ ডবাৰ কোব পৰে। ডবাৰ লগত বৰতাল, কাঁহ আদি মাঙ্গলিক বাদ্য ধ্বনি বাজি উঠে।

(১২) তাল প্রসঙ্গ : এই নাম থিয় হৈ এজন বৰ নামলগোৱাই গায়।

(১৩) পদ পাঠ : পুনৰ বৰ পাঠকে পদ ভাগৱত পাঠ কৰে।

(১৪) ওজা : পলীয়া ওজাই খুটিতাল বজাই এটি সঞ্চৰেৰে ওজা প্রসঙ্গ কৰে। ওজা প্রসঙ্গৰ লগে লগে চৈধ্য প্রসঙ্গৰ সামৰণি পৰে। বৰ কাঁহ বজাই প্রসঙ্গ সামৰণিৰ জাননী দিয়া হয়। এই সত্রৰ মূল চৈধ্য প্রসঙ্গৰ লগতে নিত্য আৰু দুটা বৃদ্ধি প্রসঙ্গ থাকে। ইয়াৰে এটা পুৰা খোল প্রসঙ্গৰ পিছতে থকা পাচতীয়া পালনাম, আনটো সন্ধ্যা ডবা মৰাৰ পিছতে শিশুসকলে কৰা গীতৰ আৰতি। ইয়াৰ উপৰি কাতি মাহত'প্রতিদিনে পুৰা সূর্য উদয়ৰ আগে আগে গোৱা প্রভাতী গীতো বৃদ্ধি প্রসঙ্গৰ লেখত পৰে। বৰগীত, সত্রীয়া ভক্তিমূলক গীত, প্রভাতী গীতৰ বিষয়বস্তু।

দক্ষিণপাট সত্রৰ প্রসঙ্গৰ ক্রম : এই সত্রৰ মূল প্রসঙ্গ বাৰটা।

(১) তাল প্রসঙ্গ ঃ ভোৱতাল বজাই পুৱাতে প্রথম প্রসঙ্গ আৰম্ভ কৰে।

(২) বৈৰাগী নাম ঃ ৰামতাল, কৰতালেৰে গোৱা বৈৰাগী নাম। এই নামৰ আন এটা নাম বৃন্দাবনীয়া নাম। বৃন্দাবনৰ বিষয়বস্তুৰে প্রাধান্য পোৱাৰ বাবে সেই নামকৰণ হোৱা বুলি ক'ব পাৰি।

(৩) ভাগৱত ব্যাখ্যা ঃ সত্রাধিকাৰ বা ডেকাধিকাৰে এই সত্রত ভাগৱত ব্যাখ্যা দিয়া নিযম। সত্রাধিকাৰ, ডেকা কোনো নাথাকিলে গৃহস্থী সত্রৰ গোসাঁই গৰাকীযে শৰণ আদি দীক্ষামূলক কার্য কৰাৰ লগতে ভাগৱত ব্যাখ্যাও কৰে।

(৪) পদ পাঠ ঃ ভাগৱতৰ অন্তত পাঠকে পদ পাঠ কৰে।

(৫) গায়ন-বায়ঁনৰ প্রসঙ্গ ঃ গাযন-বাযনে সম্মিলিত হৈ প্রসঙ্গ কৰে।

(৬) পালনাম ঃ গায়ন-বাযনৰ পিছতে পালনাম। এই সত্রৰ পাল নাম ধৰা-বন্ধা প্রসঙ্গ। এই সত্রত নামলগোৱা সকলে পালনাম গায।

(৭) বিয়লা প্রসঙ্গ ঃ ভোৱতালেৰে বহি গোৱা প্রসঙ্গ।

(৮) বিয়লা ভাগৱত ঃ পুনৰ ভাগৱত ব্যাখ্যা।

(৯) পদ পাঠ ঃ পুনৰ বিয়লা পদ পাঠ।

(১০) তাল প্রসঙ্গ ঃ সন্ধ্যা ভোৱতালেৰে বহি গোৱা নাম।

(১১) পদ পাঠ ঃ সন্ধ্যাৰ পদ পাঠ।

(১২) ওজা ঃ ওজা কীর্তনীযাৰ ওজা কীর্তন।

ব্রহ্ম মুহূর্ততে গোৱা বুঢা নাম আৰু গধুলিৰ আৰতি মুল প্রসঙ্গৰ শাৰীত নপৰিলেও এই দুই নিত্য প্রসঙ্গ অন্তর্ভুক্ত কৰিলে এই সত্রতো চৈধ্য প্রসঙ্গৰ লেখ ওলায়। দক্ষিণপাট সত্রৰ বুৰঞ্জীমতে এই দুই প্রসঙ্গ লেখত ধৰা নাই[২৫]।

গড়মূৰ সত্রৰ প্রসঙ্গৰ ক্রম ঃ[২৬]

(১) পুৱতীয়া নাম ঃ ব্রহ্মমুহূর্তত আগৰ পৰা নামলগোৱাই নাম গায। ইয়াত ৫ টা ঘোষা থাকে।

(২) বৈৰাগী নাম ঃ আৰম্ভণিতে বৰগীত গুণমালা গোৱাৰ পিছতে বৈৰাগী নাম গায়।

(৩) বৰনামৰ প্রসঙ্গ ঃ বৰনাম লগোৱাই তালেৰে বৰনামৰ প্রসঙ্গ কৰে।

(৪) ভাগৱত পাঠ ঃ সত্রাধিকাৰে নিজে বা ভাগৱতীয়ে ভাগৱত পাঠ কৰে।

(৫) পদ পাঠ ঃ পাঠকে পদ পাঠ কৰে।

---

[২৫] বেণুধৰ শর্মা, দক্ষিণপাট বুৰঞ্জী, পৃ ২৪

[২৬] সংগ্রহ ঃ নিত্যানন্দ ভৰালীৰ আৰু কনক দত্তৰ যোগেদি পোৱা তথ্য অনুসৰি ২২/৭/৯৫

(৬) গায়ন-বায়ন : বৰ গাযন আৰু বৰবায়নে খোল তালেৰে প্রসঙ্গ কৰে।

(৭) পালনাম : নাম লগোৱাসকলে পালনাম গায়।

(৮) বিয়লা নাম : নাম লগোৱাই বিয়লা প্রসঙ্গ কৰে।

(৯) পদ পাঠ : নাম লগোৱাই পদ পাঠ কৰে।

(১০) বৈৰাগী নাম : একেজন নামলগোৱাই বৈৰাগী নাম গায়।

(১১) সন্ধ্যাৰ আৰতি : নাম লগোৱাৰ দ্বাৰা আৰতি আৰু বৰগীত গোৱা হয।

(১২) নাম প্রসঙ্গ : নাম লগোৱাই তালেৰে এই প্রসঙ্গ কৰে।

(১৩) পদ পাঠ : বৰপাঠকে পদ পাঠ কৰে।

(১৪) ওজা প্রসঙ্গ : ওজাই ওজা প্রসঙ্গ কৰে।

বেঙেনাআটী সত্রৰ প্রসঙ্গৰ ক্রম : এই সত্রতো চৈধ্যটা প্রসঙ্গ আছে। এই সত্রত প্রসঙ্গৰ চাৰিটা ভাগ থাকে। প্রাতঃ প্রসঙ্গ, ডেৰপৰীয়া প্রসঙ্গ, আবেলি প্রসঙ্গ, গধূলি প্রসঙ্গ।

প্রাতঃ প্রসঙ্গ : এই প্রসঙ্গৰ মুখ্যতঃ তিনিটা বিশেষ কার্য থাকে। প্রথমতে এটা শঙ্কৰ মাধৱ ৰচিত বৰগীত, দ্বিতীযতে ঘোষা আৰু কীর্তন আৰু তৃতীযতে উপদেশেৰে প্রাতঃ প্রসঙ্গ সমাপ্ত হয়।

ডেৰপৰীয়া প্রসঙ্গ : এই সময়ত চাৰিটা প্রসঙ্গ থাকে। পুৱাৰ দৰে বৰগীত, ঘোষা আৰু কীর্তন, মূল ভাগৱত ব্যাখ্যা আৰু পদ পাঠ। এই সত্রতো ভাগৱত সত্রাধিকাৰ বা ডেকাই ব্যাখ্যা কৰে।

আবেলি প্রসঙ্গ : এই সময়ত প্রসঙ্গৰ ভাগ তিনিটা। এটা বৰগীত, ঘোষা আৰু কীর্তন, শেষত পাঠ বা উপদেশ গাই আবেলি প্রসঙ্গ সমাপ্ত কৰে।

গধূলি প্রসঙ্গ : এই সময়ত চাৰিটা প্রসঙ্গ থাকে। প্রথমতে গুণমালা, লীলামালা গায়। দ্বিতীয়তে এটা বৰগীত, তৃতীয়তে ঘোষা আৰু কীর্তন, চতুর্থত পদ ভাগৱত বা উপদেশ গাই গধূলি প্রসঙ্গৰ সমাপ্তি ঘটায়।

কমলাবাৰী সত্রৰ প্রসঙ্গৰ ক্রম : কমলাবাৰী থুলৰ সত্রকেইখনত তিনিটা ভাগত চৈধ্য প্রসঙ্গ হয়[২১]। প্রাতঃ, বিয়লি আৰু ৰাত্রি প্রসঙ্গ।

প্রাতঃ প্রসঙ্গ : সূর্যোদয়ৰ পৰা প্রায় পাঁচ দণ্ড যোৱাত আৰম্ভ হয়। (১) বৰগীত, (২) ভটিমা আৰু উপদেশ, (৩) ঘোষা, (৪) কীর্তন আৰু (৫) পাঠ।

বিয়লি প্রসঙ্গ : পুৱাৰ পৰা প্রায় দহ দণ্ড যোৱাত বিয়লি প্রসঙ্গ আৰম্ভ হয, (১) আগপাঠ, (২) শেহ পাঠ, (৩) ঘোষা আৰু (৪) উপদেশ।

---

[২১] নাৰায়ণচন্দ্র গোস্বামী, সত্রীয়া সংস্কৃতিৰ স্বর্ণৰেখা, পৃ ৩২

ৰাত্রিৰ প্রসঙ্গ ঃ সূর্য উদয়ৰ পৰা ১৭ দণ্ড ৩০ পল যোৱাত ৰাতিৰ প্রসঙ্গ আৰম্ভ হয়। (১) গুৰুভটিমা, (২) বৰগীত (খোল-তালৰ প্রসঙ্গত এই বৰগীত গোৱা হয়), (৩) ঘোষা, (৪) কীর্তন, (৫) পাঠ। ইয়াৰ পিছতে প্রসঙ্গ শেষ হয়। কমলাবাৰী সত্রৰ প্রসঙ্গবিলাকৰ আৰম্ভণি আৰু সামৰণিৰ জাননী ডবা বজাই দিয়া নিয়ম। ডবাদাৰীজনে দিনটোত সাত বাৰ ডবা কোবায়। প্রতি ডবাৰ নাম আছে। যথা, চৌপৰ ডবা, চাৰিডাৰ, পৰমৰা ডবা, তিনিপৰ ডবা, সন্ধ্যা ডবা, নামথোৱা ডবা আৰু শ্রৱণীকোব ডবা[২৮]।

চৌপৰ ডবা ঃ প্রাতঃকালত এই ডবাৰ কোব পৰে। ভকতসকলে পুৱা গীত গোৱাৰ জাননী দিয়ে। পূর্বৰ নিয়মমতে পলীয়া নাম লগোৱাজনে কীর্তন ঘৰৰ মুখ্য দ্বাৰৰ মুখত বহি পুৱা গীত গোৱা নিযম। লগতে ভকতসকলেও নিজ নিজ বহাত ঢাৰি-পাটীত পুৱা গীত গায়।

চাৰিডাৰ ডবা ঃ পুৱা ৮ বজাত এই ডবা মাৰে। অৱশ্যে ঋতু পৰিৱর্তনত ইযাৰ সময়ৰো সাল-সলনি ঘটে। এই ডবাত চাৰিটা কোব মাৰে। এই ডবাৰ কোবে নামঘৰৰ কর্মসমূহ বা প্রসঙ্গ আদি কৰাৰ জাননী দিযে।

পৰমৰা ডবা ঃ এই ডবাৰে পুৱাৰ নাম সামৰণি মৰা জাননী দিয়ে।

তিনিপৰ ডবা ঃ এই ডবাৰে দ্বিতীয প্রসঙ্গ আৰম্ভ হোৱাৰ জাননী দিয়ে আৰু তিনি পৰ প্রসঙ্গ কৰাৰ কথাও বুজায়।

সন্ধ্যা ডবা ঃ সন্ধ্যা গুৰু ভটিমা গোৱাৰ পিছত সন্ধ্যা ডবা মাৰে।

নামথোৱা ডবা ঃ নাম অন্ত হোৱা আৰু লগতে তৃতীয় প্রসঙ্গ শেষ হোৱাৰ লগে লগে এই ডবা মাৰে।

শ্রৱণী কোব ডবা ঃ এই ডবাৰে গধূলি শ্রৱণীসকলে পুথি শুনিবলৈ যোৱাৰ জাননী দিয়ে। এই ডবাত ৯ কোব মৰা নিয়ম।

নতুন কমলাবাৰী, পুৰণা কমলাবাৰী, উত্তৰ কমলাবাৰী আৰু মাজুলীৰ ভোগপুৰ সত্রৰ প্রসঙ্গৰ আৰ্হি একেধৰণৰ হোৱাত একেলগে এই থূলৰ সত্রৰ প্রসঙ্গৰ ক্রম সামৰা হৈছে।

আঁহতগুৰি সত্রৰ চৈধ্য প্রসঙ্গ (কাল সংহতিৰ আৰ্হি) ঃ [২৯]

(১) গুৰুভটিমা ঃ শঙ্কৰদেৱৰ বন্দনা

(২) গুণমালা পাঠ ঃ

(৩) দেৱভটিমা ঃ পৰম ব্রহ্মৰ বন্দনা

---

[২৮] উল্লিখিত, পৃ ৭

[২৯] আঁহতগুৰি সত্রৰ অতুলানন্দ গোস্বামীৰ পৰা পোৱা তথ্য অনুসৰি।

(৪) তোটয় ঃ মধুদানৱ দাৰণ দেৱ ৰৱং .....

(৫) চপয় ঃ শুন শুন ৰুক্মিণী মাই . ...

(৬) চতিহা ঃ (ক) "কয় বোলে ক ব্রহ্ম হৃদয়ে প্রৱেশ
খয বোলে খণ্ডিবাৰ ভক্তি উপদেশ"
(গোপাল আতা চৰিত)

(খ) "কয় বোলে কমলাকান্ত ভজিও সত্ত্ৱৰ
খয় বোলে খনিতেক বিলম্ব নকৰ।"
(মাধৱদেৱৰ ৰচিত)

(৭) গীত ঃ (ক) গোপাল চলে গোকুলে লাই
বায়ে গোপ বেণু ধেনু চৰাই .....

(খ) পৰম ঈশ্বৰ মূর্তি শ্রীৰাম দেৱ
ৰামানন্দ দেৱ পারে পৰি কৰো সেৱ ... .

(৮) জাপ্য ঘোষা ঃ

(৯) ঘোষা ঃ ঘোষা দুভাগ, তাৰে এভাগ তালেৰে গায়।

(১০) দিহাৰ ঘোষা/গীতৰ ঘোষা

(১১) কীর্তন (ৱৰতালেৰে কৰা কীর্তন)

(১২) তিনিজয় ঃ জয়ৰাম, জয় নাৰায়ণ, জয়কৃষ্ণ

(১৩) পাঠ (ভাগৱত পাঠ আৰু চমু ব্যাখ্যা, তাৎপর্য পঠন)

(১৪) ৱৰকাঁহ, ডবা বাদ্যৰ ধ্বনিৰে আশিস বচন আৰু সামৰণি জয়।

২. সত্রীয়া উৎসৱসমূহৰ শ্রেণী বিভাজন ঃ

উৎসৱ আৰু পর্ব বুলি ক'লে, এই দুয়োৰে মাজত সাধাৰণ পার্থক্য এটি লক্ষ্য কৰা যায়। নির্দিষ্ট তিথিত প্রতি বছৰে যি ধর্মীয় কৃত্য পালন কৰা হয় সেয়ে পর্ব[৩০]। পর্বত আনুষ্ঠানিকতা থাকিলেও কম পৰিসৱত দুজন এজন ব্যক্তিৰ মাজতো 'পর্ৱ' নির্দিষ্ট কৃত্যসমূহ পালিত হ'ব পাৰে। পর্ৱৰ কৃত্যসমূহ সাধাৰণতে ধর্মীয পূজা-পাতল, শ্রাদ্ধ, স্নান, ব্রত, উপবাস আদিৰ মাজত বিশেষভাৰে আৱদ্ধ থাকে।

একোটা 'পর্ৱক' সামূহিকভাৰে আনন্দদায়ক ৰূপে পালন কৰাই হ'ল উৎসৱ। উৎসৱত

হেমকোষ, পৃ ৬০৪

প্রতি অমাৱস্যা আৰু পূর্ণিমাত সূর্য আৰু চন্দ্রৰ মাজত সম্পর্ক স্থিতি সলনি হয়। এই দুটা দিনৰ উপৰিও দুয়োৰে মাজৰ বিভাজক ভাগকো পর্ব বুলি কোৱা হয়। ইয়াৰ অন্তর্ভুক্ত তিথিসমূহ পর্ব লেখত পৰে। (দ্র গিৰিধৰ শর্মা চতুর্ৱেদী, ৱৈদিক বিজ্ঞান ঔৰ ভাৰতীয় সংস্কৃতি, পৃ ২১৬)

সামূহিক আনন্দৰ প্রাধান্য আৰু সামূহিকভাৱে খোৱা-লোৱাৰো বিশেষ গুৰুত্ব থাকে[৩১]। উৎসৱত সামূহিকতাৰ সঙ্গ একান্ত প্রযোজনীয দিশ। সামূহিকতাৰ পৰিৱেশ আৰু জন-সংযোগ অবিহনে উৎসৱ পালিত হ'ব নোৱাৰে। সাধাৰণতে পর্বসমূহ নির্দিষ্টবাচক। আনহাতে উৎসৱসমূহ নির্দিষ্টবাচকৰ লেখত পৰিলেও ইবিলাক বহুল অর্থত অনির্দিষ্টবাচক তালিকাৰো অন্তর্ভুক্ত হ'ব পাৰে।

উৎসৱ-পর্বসমূহ সাধাৰণতে তিথি, নক্ষত্র, সংক্রান্তি আৰু মাহ ভিত্তিত উদ্‌যাপিত হয। এনে ভিত্তি থাকিলেও উৎসৱ-পর্বসমূহৰ প্রধান দুটা ভাগ আছে, নির্দিষ্টবাচক আৰু অনির্দিষ্টবাচক। যি উৎসৱ-পর্ব তিথি, বাৰ, নক্ষত্র, সংক্রান্তি ভিত্তিত উদ্‌যাপিত হয, সেইবিলাক নির্দিষ্টবাচক আৰু যিবিলাকৰ তিথি, বাৰ, নক্ষত্র, সংক্রান্তি আদিৰ নির্দিষ্টতা নাথাকে তেনে উৎসৱ-পর্বসমূহ অনির্দিষ্টবাচক উৎসৱৰ শাৰীত পৰে। নির্দিষ্টবাচক উৎসৱত ব্রত-উপবাস লগন, পাৰণৰ কথা জড়িত হৈ থাকে। অনির্দিষ্টবাচক উৎসৱ-পর্বত ব্রত-উপবাসৰ প্রয়োজনীযতা থাকিলেও ধৰা-বন্ধা সমযৰ কথা জড়িত হৈ নাথাকে। অসমৰ ধর্মীয আৰু লোক-সংস্কৃতিৰ পৰম্পৰা অনুসৰি নির্দিষ্টবাচক উৎসৱ পর্ব বুলিলে সাধাৰণতে তলত উল্লেখ কৰা তিথি-নক্ষত্র ভিত্তিক পর্বসমূহৰ কথা পোৱা যায।

অক্ষয় তৃতীযা, ৰম্ভা তৃতীযা, ৰথযাত্রা, নাগপঞ্চমী, শ্রীপঞ্চমী, মকৰ সপ্তমী, জন্মাষ্টমী, দুর্বাষ্টমী, মহাষ্টমী, ভীষ্মাষ্টমী, অশোকাষ্টমী, মহানৱমী (দুর্গোৎসব), ৰাম নৱমী, বিজযা দশমী, শযন, পার্শ্বপৰিৱর্তন, উত্থায়ন ভীম একাদশী, মদন ত্রয়োদশী, ভূত চতুর্দশী, মদন চতুর্দশী শিৱৰাত্রি, মহালযা, ৰাস পূর্ণিমা, বুদ্ধ পূর্ণিমা, হোলি পূর্ণিমা (দৌলযাত্রা), মহাবিষুব সংক্রান্তি (ব'হাগ বিহু), জলবিষুব সংক্রান্তি (কাতি বিহু), মকৰ সংক্রান্তি (মাঘ বিহু) আৰু মহাপুৰুষৰ তিথিসমূহ।

উৎসৱ-পর্বসমূহ নির্দিষ্ট তিথি-কেন্দ্রিক, নক্ষত্র-কেন্দ্রিক আৰু সংক্রান্তি-কেন্দ্রিক হ'লেও ইটোৰ লগত সিটোৰ পৰিপূৰক সম্বন্ধ আছে। এটা তিথি নক্ষত্র বা সংক্রান্তি-কেন্দ্রিক উৎসৱৰ লগত বাকীকেইটাৰ স্পর্শ থাকিব পাৰে। বিশেষকৈ উল্লেখ কৰা পর্বসমূহৰ লগত নির্দিষ্ট মাহ সংযুক্ত হৈ থাকে। নির্দিষ্ট মাহৰ প্রতি লক্ষ্য ৰাখিহে উৎসৱ-পর্ব অনুষ্ঠিত হয়। ইতিপূর্বে উল্লেখ কৰা পর্বসমূহ সমষ্টিগতভাৱে পালন কৰাৰ উপৰিও ব্যক্তিগতভাৱেও পালন কৰাৰ ব্যৱস্থা আছে। ব্যক্তিগতভাৱে পালন কৰাৰ ক্ষেত্রত ব্রত পালনত বিশেষ গুৰুত্ব দিযা দেখা যায। ব্রত পালনত বাৰব্রত এক উল্লেখযোগ্য বিষয়। নির্দিষ্ট বাৰক লৈ ব্রত আৰু উপাসনা কৰাৰ প্রথা আছে। সেইবিলাক হ'ল, শিৱতত্ত্ব

---

৩১ উল্লিখিত, পৃ ১২৬

সম্বন্ধীয় সোমবাৰ ব্রত, মঙ্গল তত্ত্ব সম্বন্ধীয় মঙ্গলবাৰ ব্রত, সূর্যতত্ত্ব সম্বন্ধীয় ৰবিবাৰ ব্রত, গুৰুতত্ত্ব সম্বন্ধীয় বৃহস্পতিবাৰ ব্রত, শনিতত্ত্ব সম্বন্ধীয় শনিবাৰ ব্রত। সাধাৰণতে বাৰব্রত ব্যক্তিগত পৰিসৰৰ মাজতহে আৱদ্ধ থাকে। সত্রত বাৰব্রত বা বাৰকেন্দ্রিক পর্ব-উৎসৱ নাথাকে।

উল্লিখিত সমস্ত উৎসৱ-পর্ব সত্রসমূহত পালন কৰা নহয়। বৈষ্ণৱ সত্রসমূহত বিষ্ণু বা কৃষ্ণ মাহাত্ম্য-সূচক পর্বসমূহত লগতে অসমৰ জলবায়ুৰ লগত সম্পর্ক থকা লোক-উৎসৱ বিলাকহে পালন কৰা হয়। সত্রসমূহত নির্দিষ্ট কাল-সূচক আৰু অনির্দিষ্ট কাল-সূচক দুই প্রকাৰৰ উৎসৱ উদ্‌যাপিত হয়। এই দুই প্রকাৰৰ উৎসৱৰ বিৱৰণ তলত দিয়া হ'ল ঃ

নির্দিষ্ট কাল-সূচক উৎসৱসমূহক চাৰিটা ভাগত ভগাব পাৰি। যথা, (ক) তিথি-কেন্দ্রিক, (খ) নক্ষত্র-কেন্দ্রিক, (গ) সংক্রান্তি-কেন্দ্রিক আৰু (ঘ) মাহ-কেন্দ্রিক।

অনির্দিষ্ট কাল-সূচক উৎসৱসমূহৰ ভিতৰত (১) সত্রাধিকাৰৰ অভিষেক, (২) বৈৰাগী নাম, (৩) চাউলসিধা আৰু হৰি-কীর্তন, (৪) বার্ষিক সবাহ।

নির্দিষ্ট কালসূচক উৎসব ঃ

(ক) তিথি-কেন্দ্রিক ঃ ইযাৰ ভিতৰত পৰে যথাক্রমে, (১) তিনি বৰ একাদশী, (২) ৰাস পূর্ণিমা, (৩) শিৱ চতুর্দশী, (৪) মহাপুৰুষৰ তিথি, (৫) সত্রৰ সত্রাধিকাৰসকলৰ তিথি।

(খ) নক্ষত্র-কেন্দ্রিক ঃ এই শিতানত অন্তর্ভুক্ত হয় ক্রমে, (১) জন্মাষ্টমী, (২) ফাকুৱা, (৩) ৰথযাত্রা।

(গ) সংক্রান্তি-কেন্দ্রিক ঃ (১) ব'হাগ বিহু, (২) কাতি বিহু আৰু (৩) মাঘ বিহু।

(ঘ) মাহ-কেন্দ্রিক ঃ (১) পালনাম, (২) ভাদমহীযা নাম আৰু নৱান্ন বা ন-খোৱা।

(ক) তিথি-কেন্দ্রিক ঃ (১) একাদশী — এই উৎসৱৰ ঘাই কথা ব্রত-উপবাস। বছৰত পৰা শুক্ল আৰু কৃষ্ণ দুই পক্ষৰ ২৪ টা একাদশী গৃহী, ব্রতী, যতী, সকলোৱে পালন কৰা শাস্ত্রৰ মত। ইয়াৰ ভিতৰত আহাৰ শুক্লা একাদশী, ভাদ মাহৰ শুক্লা একাদশী আৰু কাতি মাহৰ শুক্লা একাদশী শ্রেষ্ঠ একাদশী তিথিৰূপে পৰিগণিত। শ্রেষ্ঠ স্বৰূপে গণ্য কৰাৰ কাৰণ হ'ল, এই তিনি তিথিত ভগৱানৰ তিনিটা কার্য প্রতিফলিত হৈছে, সেয়া হ'ল ভগৱানৰ শয়ন, পার্শ্ব পৰিৱর্তন আৰু উত্থাযন। এই তিনি একাদশীযে ২৪ টা একাদশী তিথিৰ ভিতৰত 'বৰ' আখ্যা লাভ কৰিছে। প্রধান বৈষ্ণৱ সত্রসমূহত এই 'বৰ'

একাদশী ব্রত উপবাসৰ মাজেৰে উৎসৱ আকাৰে অনুষ্ঠিত হয়। অৱশ্যে কোনো কোনো সত্রত ইয়াৰ লগতে মাঘ মাহৰ ভীম একাদশীকো সমানে গুৰুত্ব দিয়া দেখা যায়।

(২) ৰাস ঃ উখায়ন একাদশীৰ পিছত কার্তিক-পূর্ণিমাত প্রতি বছৰে ৰাস উৎসৱ উদ্‌যাপিত হয়। মলমাসৰ স্পর্শত কেতিয়াবা ৰাস পূর্ণিমা তিথি আঘোণ মাহলৈ যায়। তেতিয়া ৰাস উৎসৱ আঘোণ মাহতহে পালন কৰা হয়। ৰাসপূজা আৰু অভিনয় এই উৎসৱৰ মূল কার্য। নির্দিষ্ট ৰাসপূজাৰ বাবে তিথিৰ আগৰ দিনটোৰেই অধিবাস কার্য কৰি ৰাসৰ শুভাৰম্ভ ঘটোৱা হয়। পূর্ণিমা তিথিৰ ভিতৰত ৰাস পূজা আৰম্ভ হোৱা নিয়ম।

(৩) শিৱৰাত্রি ঃ ফাগুণ মাহৰ কৃষ্ণ পক্ষত যি চতুর্দশী তিথি, সেই তামসী ৰাত্রিক শিৱৰাত্রি বুলি কোৱা হৈছে। স্কন্ধ পুৰাণত উল্লেখ কৰা হৈছে ফাগুণ মাহৰ বাহিৰেও শিৱৰাত্রি উৎসৱ মাঘ মাঁহতো হ'ব পাৰে[৩২]।

(৪) মহাপুৰুষৰ তিথি ঃ উচ্চ আদর্শ, কল্যাণমূলক কর্মপন্থাৰ প্রৱর্তক, চাৰিত্রিক বৈশিষ্ট্য আৰু লৌকিকতাৰ ঊর্ধ্ব স্তৰ স্পর্শ কৰা ব্যক্তিক মহাপুৰুষ আখ্যা দিয়া হয়। তেনে আখ্যা প্রাপ্ত অসমৰ চাৰি গৰাকী সন্ত পুৰুষৰ তিথি সত্রত উৎসৱ আকাৰে অনুষ্ঠিত কৰে। সেয়া হ'ল শঙ্কৰদেৱ, মাধৱদেৱ দামোদৰদেৱ আৰু হৰিদেৱৰ তিথি। ইযাৰ উপৰিও বংশীগোপালদেৱৰ তিথি আৰু কাল সংহতিৰ সত্রবিলাকে ভৱানীপুৰীয়া গোপাল আতাৰ তিথি পয়োভৰেৰে পালন কৰা দেখা যায়। মাজুলীৰ সত্রসমূহত হৰিদেৱৰ তিথি, উৎসৱ আকাৰে পালন কৰাৰ নিদর্শন নাই। উল্লিখিত মহাপুৰুষসকলৰ তিথিসমূহ সংহতি আৰু পূৰীয় ৰীতি অনুসৰি সত্রভেদে পালনৰ ক্ষেত্রত দিয়া গুৰুত্ব, কম বেছি হোৱা দেখা যায়। সার্বজনীনভাৱে অসমত বর্তমান পালন কৰা আৰু সত্রসমূহত উদ্‌যাপিত হোৱা এই তিথিকেইটা হ'ল ঃ

ভাদ মাহৰ শুক্লা দ্বিতীযা	-	শঙ্কৰদেৱৰ তিথি
ভাদ মাহৰ কৃষ্ণা পঞ্চমী	-	মাধৱদেৱৰ তিথি
ব'হাগ মাহৰ শুক্লা প্রতিপদ	-	দামোদৰদেৱৰ তিথি
মাঘ মাহৰ কৃষ্ণা চতুর্থী	-	গোপালদেৱৰ তিথি
জেঠ মাহৰ অমাৱস্যা	-	হৰিদেৱৰ তিথি
ব'হাগ মাহৰ শুক্লা ষষ্ঠী	-	গোপাল আতাৰ তিথি

(৫) সত্রাধিকাৰসকলৰ তিথি ঃ মহাপুৰুষসকলৰ তিথিৰ উপৰিও তিথি-কেন্দ্রিক উৎসৱৰ ভিতৰত প্রত্যেক সত্রৰ উপৰি সত্রাধিকাৰসকলৰ তিথি নিজ নিজ সত্রই উৎসৱৰ আকাৰে পালন কৰে। তিথি-কেন্দ্রিক উৎসৱসমূহত বিশেষকৈ মহাপুৰুষ আৰু

---

৩২ দ্র ব্যৱহাৰ দর্পণ, পৃ ১৮৮

সত্রাধিকাৰসকলৰ তিথিৰ ক্ষেত্রত মাহৰ নির্দিষ্টতা থাকে। তিথিৰ মুখ্য ভিত্তি থাকিলেও এই উৎসৱতো নির্দিষ্ট মাহৰ স্পর্শ থকা একান্ত আৱশ্যক।

(খ) নক্ষত্র-কেন্দ্রিক : (১) জন্মাষ্টমী, (২) ফাকুৱা, (৩) ৰথযাত্রা।

সত্রত পালন কৰা উৎসৱসমূহৰ ভিতৰত নক্ষত্র-কেন্দ্রিক অর্থাৎ নক্ষত্রৰ ওপৰত গুৰুত্ব দি পালন কৰা উৎসৱ হ'ল জন্মাষ্টমী, ফাকুৱা আৰু ৰথযাত্রা। এই তিনি উৎসৱৰ ক্ষেত্রত তিথিৰ সম্বন্ধ থাকিলেও নক্ষত্রৰ মিলনহে আৱশ্যকীয় কথা। নক্ষত্রৰ সংযোগ নঘটিলে, নির্দিষ্ট উপলক্ষ্যৰ কার্য অনুষ্ঠিত হ'ব নোৱাৰে। অৱশ্যে দেখাত তিথি ভিত্তিতহে এই উৎসৱসমূহ অনুষ্ঠিত হয়। কিন্তু নক্ষত্রৰ স্পর্শ বা স্থিতি নিশ্চিত কৰাৰ পাছতহে তিথি পালন প্রস্তুতি চলিব পাৰে।

ইয়াৰ ভিতৰত প্রথমতে জন্মাষ্টমী তিথিৰ কথাই আলোচনা কৰা হৈছে। জন্মাষ্টমী তিথিৰ বিশেষ গুৰুত্বপূর্ণ বিষয় জয়ন্তী যোগ। অর্থাৎ মুখ্য চান্দ্র ভাদ মাহত বা গৌণ চান্দ্র শাওণত ৰোহিণীৰ নক্ষত্রৰ সৈতে দুই প্রহৰ ৰাতি অষ্টমী মিলিলে তাক 'জয়ন্তী যোগ' বুলি কোৱা হয়[৩৩]। 'ব্রহ্ম পুৰাণ'ত এই বিষয়ে উল্লেখ কৰা হৈছে। গতিকে ৰোহিণীৰ সৈতে কৃষ্ণ পক্ষৰ অষ্টমী তিথি ভাদ বা শাওণ মাহত সংযোগ হ'লেহে শ্রীকৃষ্ণ জন্ম কৃত্য কৰা সার্থক হয়। আকৌ সূর্য উদয়ত কিছু সময় অষ্টমী তিথিয়ে স্পর্শ কৰিলে পিছত নৱমী তিথি বুধবাৰ আৰু ৰোহিণী নক্ষত্র সংযোগ থাকিলে নৱমী তিথিত উপবাস হ'ব। ৰাতি দুই প্রহৰলৈ ৰোহিণী নক্ষত্র আৰু অষ্টমী উভয়ে মিলি থাকিলে সেই সংযোগক 'মুখ্যকাল' বুলি কোৱা হয়। এই সময়ত হৰিয়ে জন্ম গ্রহণ কৰে[৩৪]।

অসমত বিশেষকৈ সত্রসমূহত পালন কৰা জন্মাষ্টমী উৎসৱ ভাদ মাহৰ জয়ন্তী যোগহে স্বীকাৰ কৰে। জয়ন্তী যোগৰ কিছু তাৰতম্য ঘটিলেও ভাদ মাহৰ অষ্টমীহে পালন কৰা হয়। শাওণ মাহত নহয়।

নক্ষত্র সংযোগৰ দ্বিতীয়টো উৎসৱ হ'ল ফাকুৱা। ফাগুণ মাহৰ পূর্ণিমা তিথিত ফাকুৱা উৎসৱ উদ্‌যাপিত হয়। এই তিথিৰ নক্ষত্র সংযোগ যে অপৰিহার্য বিষয় তাক স্কন্দ পুৰাণে স্পষ্টভাৱে নির্দেশ কৰিছে।

শ্রীকৃষ্ণৰ নির্দেশ স্বৰূপে কোৱা হৈছে "মোক মঘা নক্ষত্র পৰিত্যাগ কৰি পূর্ব আৰু উত্তৰ ফাল্গুনীত দৌলত ৰাখি হস্তা নক্ষত্রত ভ্রমণ কৰাব[৩৫]।" কোৱা হৈছে যে ব্রহ্মাৰ সৈতে দেৱতাসকলে পূর্ণিমা মিল হোৱা ফাল্গুনী নক্ষত্রক ফাকু (আবিৰ) দি আনন্দ কৰিছিল। সত্রসমূহত নক্ষত্র মিলনৰ আনুষ্ঠানিক ক্রম ৰক্ষা কৰা হয়।

---

[৩৩] উল্লিখিত, পৃ ১৪৪

[৩৪] উল্লিখিত, পৃ ১৪৫

[৩৫] উল্লিখিত, পৃ ১৯৭

তৃতীয়টো, নক্ষত্র-কেন্দ্রিক উৎসৱ ৰথ যাত্রা। পুষ্যা নক্ষত্রৰ সংযোগত আহাৰ মাহৰ শুক্লা দ্বিতীয়া তিথিত বলভদ্র আৰু সুভদ্রাৰ সৈতে জগন্নাথক ৰথত তুলি পুৰীৰ জগন্নাথ ধামৰ পৰা ঘুনুচা বাৰীলৈ নিয়া সমাৰোহপূর্ণ কার্যই হ'ল ৰথযাত্রা উৎসৱ। এই উৎসৱৰ উৎপত্তিৰ স্থল উৰিষ্যাৰ পুৰী। এই উৎসৱ নামনি অসমৰ দুই এক সত্রত পালন কৰা ৰীতি আছে যদিও বর্তমানে উজনি অসম তথা মাজুলীৰ সত্র কেইখনত ইযাৰ বিশেষ প্রভাব নাই। দক্ষিণপাট সত্রত 'ৰথযাত্রা' উপলক্ষ্যে পূজা এভাগ কৰে।

(গ) সংক্রান্তি-কেন্দ্রিক ঃ (১) ব'হাগ বিহু, (২) কাতি বিহু, (৩) মাঘ বিহু সংক্রান্তি-কেন্দ্রিক উৎসৱ। দুমাহৰ সংক্রমণক ভিত্তি কৰিযেই এই উৎসৱসমূহ অনুষ্ঠিত হয়। অসমৰ সত্রসমূহত এই বিহু উৎসৱ আধ্যাত্মিক পৰিৱেশত পালন কৰা হয়। বছৰটোত থকা সংক্রান্তিবিলাকৰ প্রত্যেকৰে সুকীযা সুকীযা বৈশিষ্ট্য আছে। সংক্রান্তি বিলাকৰ নামেই ইবিলাকৰ অর্থ বহন কৰে[৯৬]।

মকৰ ৰাশিত সংক্রমণ হোৱা মাঘৰ সংক্রান্তিক মকৰ সংক্রান্তি আৰু উত্তৰাযণ সংক্রান্তি বোলে। কর্কট ৰাশিত সংক্রমণ হোৱা শাওণৰ দোমাহীক দক্ষিণাযন সংক্রান্তি বোলে। কাতিৰ সংক্রান্তি আৰু ব'হাগৰ সংক্রান্তিক বিষুৱ সংক্রান্তি বোলে। মেষ সংক্রমিত ব'হাগৰ মহা-বিষুৱ সংক্রান্তি, তুলা-সংক্রমিত কাতিৰ সংক্রান্তিক জল-বিষুৱ সংক্রান্তি বোলে। পুহ, আহাৰ, আহিন চ'ত এইবিলাক সংক্রমণৰ সংক্রান্তিক ষডশীতি সংক্রান্তি বোলে। জেঠ, আষোণ, ফাগুণ আৰু ভাদৰ সংক্রান্তিক বিষ্ণু সংক্রান্তি বোলে। অসমত এই বাৰ সংক্রান্তিৰ ভিতৰত মকৰ, মহাবিষুৱ আৰু জল সংক্রান্তিতহে জলবাযুৰ লগত সম্পর্ক ৰাখি পৰম্পৰাগতভাৱে লোক উৎসৱ পালন কৰি অহা হৈছে। আন সংক্রান্তিত আনুষ্ঠানিক গুৰুত্ব নাই। অসমৰ সত্রসমূহেও উল্লিখিত তিনি সংক্রান্তিতহে আনুষ্ঠানিক উৎসৱ পালন কৰি আহিছে।

(ঘ) মাহ-কেন্দ্রিক ঃ মাহ-কেন্দ্রিক উৎসৱৰ ভিতৰত ঘাইকৈ সত্রত পালিত উৎসৱ (১) পালনাম, (২) ভাদমহীয়া নাম। পালনাম প্রতি বছৰে কাতি মাহৰ শেষৰ পাঁচদিনত আউনীআটী সত্রত আৰু সংক্রান্তিৰ দিনা এদিনীযাকৈ গডমুৰ সত্রত পালন কৰা হয। এই উৎসৱত কোনো তিথি নক্ষত্রৰ কথা জডিত হৈ নাথাকে। মাহ ভিত্তিত দিন অনুসৰি এই উৎসৱ উদ্‌যাপিত হয়। সকলো ব্রততকৈ ভীষ্মপঞ্চক ব্রত আৰু বিষ্ণুপঞ্চ দিৱস শ্রেষ্ঠ হোৱা হেতু এই পঞ্চদিৱসত ব্রত আৰু দিৱসৰ পৰিত্রতা আৰু

---

[৯৬] মৃগ কর্কট সংক্রান্তি ঃ দ্বে তদ্‌দক্ষিণাযনে।
বিষুৱতী তুলামেষে গৌণ মধ্যে তথাপৰা।।
ধনুস্মিমথুন কন্যা সুমীলে চষডশীতযঃ।
বৃষবৃশ্চিক-কুম্ভেষু সিংহে বিষুপদী স্মৃতা।। (উল্লিখিত, পৃ ২০১)

মহত্ত্বৰ প্রতি লক্ষ্য ৰাখি পালনাম পতাৰ ব্যৱস্থা চলি আহিছে। পালনামৰ বাহিৰে মাহ-কেন্দ্রিক তেনে নির্দিষ্ট উৎসৱ নাই যদিও বৰদোৱা আৰু কমলাবাৰীৰ সত্রকেইখনত ভাদ মাহত জোৰা বিশেষ নাম-কীর্তনৰ ব্যৱস্থা আছে। ইয়াৰ ভিতৰত আৰম্ভণি আৰু সামৰণি অনুষ্ঠান উৎসৱ পূর্ণভাৱে অনুষ্ঠিত হয়। ভাদ মাহত কমলাবাৰী সত্র কেইখনত মাহেক ধৰি কৰা খোল-প্রসঙ্গ বিশেষভাৱে উল্লেখযোগ্য। মাহ-কেন্দ্রিক উৎসৱৰ ভিতৰত সত্রত পালন কৰা হয় আঘোণ মাহত নৱান্ন উৎসৱ।

উল্লিখিত উৎসৱসমূহৰ উপৰিও আন কেইটামান নির্দিষ্ট কালসূচক উৎসৱৰ আংশিক ৰীতি সত্রসমূহত পালন কৰা দেখা যায়। তাৰ ভিতৰত অশোকাষ্টমী, লক্ষ্মী পূর্ণিমা, মহাষ্টমী, দীপান্বিতা, মহালযা, অম্বুবাচী আৰু সূর্যগ্রহণ, চন্দ্র গ্রহণ আদি।

অনির্দিষ্টকাল-সূচক উৎসৱ ঃ অনির্দিষ্ট কাল-সূচক উৎসৱ সত্রত কেইবাটাও পোৱা যায়। তাৰ ভিতৰত সত্রাধিকাৰৰ অভিষেক, ব'ৰাগী নাম, হৰি কীর্তন আৰু চাউল সিধা, বার্ষিক সবাহ উল্লেখযোগ্য। এইবিলাক উৎসৱ উপলক্ষ্যে কোনো নির্দিষ্ট দিন, তিথি, মাহ নাথাকে। প্রযোজনীযতা আৰু সেৱকীৰ মনোকামনা ভিত্তিত সুচল সময়ত এই পর্ববিলাকৰ দিন ধার্য কৰা হয়। অৱশ্যে উদ্দেশ্য উপলক্ষ্যে নির্দিষ্ট দিন ধার্য কৰোঁতে দিন-বাৰ-তিথি সকলো শুভাশুভ নির্ণয কৰি লোৱা হয়। সত্রত পালিত হোৱা কৃষ্ণাই সবাহ, ৰাস কীর্তন বিশেষ উৎসৱৰ লেখত নপৰে যদিও ইযাৰ আনুষ্ঠানিক পৰিৱেশ থাকে।

এইখিনিতে এটি উল্লেখনীয বিষয় হ'ল যে, নির্দিষ্ট কালসূচক পর্ববিলাকৰ ক্ষেত্রতো কেতিয়াবা মাহৰ তাৰতম্য ঘটে। মুখ্য আৰু গৌণ চান্দ্রমাহ অনুসৰি পর্ববিলাকৰ দিন সলনি হয়। কেতিযাবা তিথি, নক্ষত্র সংযোগৰ কাৰণেও এনে তাৰতম্য ঘটে। তেতিযা মূল তিথি আৰু নক্ষত্রৰ ওপৰত গুৰুত্ব দিয়েই সেই পর্ববিলাক অনুষ্ঠিত হয।

নির্দিষ্ট আৰু অনির্দিষ্ট কালসূচক উৎসৱসমূহৰ মাজত আকৌ তিনিটা প্রধান ভাগ কৰিব পাৰি। সেইকেইটা হ'ল সামাজিক, বাৎসৰিক আৰু আনুষ্ঠানিক উৎসৱ। অসমৰ লোকসমাজৰ যি পর্ব, অনুষ্ঠান পৰম্পৰাগতভাৱে উদ্‌যাপিত হৈ আহিছে, সেই পর্ব, অনুষ্ঠানসমূহ সত্রত সত্রীযা জীৱন আৰু উদ্দেশ্যৰ লগত খাপ খোৱাকৈ বিশেষ ৰীতিৰে পালন কৰা হয়। তেনে শ্রেণীৰ সামাজিক উৎসৱ-পর্বৰ উদাহৰণ বিহু, জন্মাষ্টমী, ৰাস আদি। দ্বিতীয শ্রেণীৰ উৎসৱৰ শাৰীত প্রধানকৈ মহাপুৰুষৰ তিথিসমূহ পৰে। বাৎসৰিকতা ইয়াৰ ঘাই কাৰণ। আনহাতে আনুষ্ঠানিক উৎসৱসমূহ হ'ল, সত্রাধিকাৰৰ অভিষেক, হৰি-কীর্তন আৰু চাউলসিধা আদি। নির্দিষ্ট আনুষ্ঠানিক পৰিৱেশ সৃষ্টি কৰা এই উৎসৱসমূহৰ মূল লক্ষ্য। উৎসৱসমূহৰ এনে ভাগ স্বীকাৰ

কৰি ল'লেও প্রত্যেক শ্রেণীৰ উৎসৱৰ লগত সামাজিকতা, আনুষ্ঠানিকতা আৰু বাৎসৰিকতা সাঙোৰ খাই থাকে।

প্রত্যেক সামাজিক, আনুষ্ঠানিক আৰু বাৎসৰিক উৎসৱ উপলক্ষ্যে দিনৰ নিত্য প্রসঙ্গত বর্ধিত প্রসঙ্গ থকাৰ উপৰিও দিনৰ মধ্যাহ্ন ভাগত আৰু ৰাতি বিশেষ অনুষ্ঠান পালিত হয়। দিনৰ নিত্য প্রসঙ্গৰ অন্তত মধ্যাহ্ন ভাগত পর্ব উপলক্ষ্যে নৈমিত্তিক প্রসঙ্গ থাকে। এই নৈমিত্তিক প্রসঙ্গৰ অন্তর্ভুক্ত হিয়ানাম, উঠানাম, দিহানাম, গায়ন-বায়ন, নটুৱা, ওজা এই সকলোখিনিৰ ক্রমিক কার্যাৱলীক সবাহ বোলা হয়। আউনীআটী, গড়মূৰ আদি সত্রত 'সবাহ'[৩৭] শব্দ ব্যৱহাৰ কৰা হয় যদিও দক্ষিণপাট সত্রত হিয়ানাম বা উঠানামৰ পিছৰ কার্যক 'গাণিকা গোৱা' বুলি কোৱা হয়। এই দুই শব্দই ভগৱন্তৰ চৰণত নৈৱেদ্যৰ শৰাই আগবঢ়াই আনুষ্ঠানিকভাৱে নাম-কীর্তন কৰাকে বুজায়। দিনৰ সবাহ বা গাণিকা গোৱাৰ পিছত ৰাতি উৎসৱ উপলক্ষ্যে ভাওনা বা নাম-কীর্তন থাকে। বিশেষ উপলক্ষ্য লৈ কোনো সত্রত দিনতো ভাওনা অনুষ্ঠিত হয়। উৎসৱ-পর্বৰ নাম বুলি ক'লে দিনত বা ৰাতি গোৱা হিয়ানাম, উঠানাম, দিহানাম, সবহুৱা নাম আদিৰ কথাকে বুজায়। হিয়ানাম, উঠানাম, থিয়নাম একে পর্যায়ৰ নাম। থিয় হৈ উঠি তাল লৈ গোৱা নামকে হিযানাম, উঠানাম বুলি কোৱা হয। হীৰানাম আৰু হিয়ানাম সত্রভেদে এই দুই শব্দৰ ব্যৱহাৰ দেখা যায়। উদাহৰণ স্বৰূপে, আউনীআটীত ইয়াক হিয়ানাম বুলি পৰিচয দিয়া হয়। হিয়ানামৰ অর্থ হ'ল হিয়াধুনি, হিয়াভৰি, হিয়া উলাহেৰে হৃদয় পোনত ভোৰতাল লৈ গোৱা নাম। সেই অর্থত এই নামক হিযানাম বোলে। আনহাতে দক্ষিণপাট, গড়মূৰ, কুৰুৱাবাহী আৰু আন বহু সত্রত ইয়াক হীৰানাম বুলি কোৱা হয়। লোক অর্থ অনুসৰি শব্দটি হীৰানাম, বহুমূলীয়া নাম, মূল্যৱান ৰত্নৰ তুল্য নাম এই অর্থতো কোনো কোনোৱে ব্যৱহাৰ কৰে। বিশেষকৈ দক্ষিণপাট সত্রত ইয়াৰ এনে অর্থ প্রকাশ কৰা হয। বেঙেনাআটী, কমলাবাৰী সত্রত থিয়নাম শব্দৰ ব্যৱহাৰ আছে। যি শ্রেণীৰেই নহওক প্রত্যেক সত্রীয়া উৎসৱ-পর্বত পূজা-পার্বণ, নাম-প্রসঙ্গ, ভাওনা আৰু ব্রত-উপবাস নির্দিষ্টভাৱে সংলগ্ন হৈ থাকে। অৱশ্যে সংহতিভেদে সত্রসমূহত পূজা-পার্বণৰ প্রচলন বা গুৰুত্ব নির্ধাৰিত হৈ আহিছে। উৎসৱসমূহত আনুষ্ঠানিকতা আৰু সামাজিক পৰিৱেশ সৃষ্টি হোৱাটো অত্যাৱশ্যকীয় দিশ। ইয়াৰ ওপৰত নির্ভৰ কৰিহে উৎসৱ-পর্বৰ প্রাসঙ্গিকতা ৰক্ষিত হয়। এই উৎসৱ-পর্বসমূহৰ পৃথকতা যিয়েই নাথাকক ৰং-আনন্দৰ মাজেদিও যাই লক্ষ্য ধর্মীয় পৰিৱেশ

---

[৩৭] সবাহ ঃ আভিধানিক অর্থ হ'ল সমাজ গোট খাই নৈৱেদ্য আগবঢ়াই ঈশ্বৰৰ উদ্দেশ্যে নাম গোৱা অনুষ্ঠান। (আধুনিক অসমীযা শব্দকোষ, সম্পা. বাণী মন্দিৰ, পৃ ৫৩৪)
গাণিকা, বিণ্ মূল শব্দ গাণিকা।

সৃষ্টি কৰা, ৰক্ষা কৰা, ধর্মীয় ভাৱ জাগ্রত কৰি ৰখা। সেইবাবে সত্রত এনে উৎসৱ অনুষ্ঠানসমূহৰ গুৰুত্ব অনস্বীকার্য।

৩. আধ্যাত্মিক লক্ষ্যৰ বাবে শাৰীৰিক আৰু মানসিক প্রস্তুতিৰ লগত নিত্য-নৈমিত্তিক অনুষ্ঠান আদিৰ সম্পর্ক

শাৰীৰিক আৰু মানসিক ভাবক একত্র কৰি 'ঈশ্বৰ'ৰ লগত সাযুজ্য তথা সান্নিধ্য লাভ কৰা বাসনা সত্রানুষ্ঠানৰ লক্ষ্য স্বৰূপে গ্রহণ কৰা হয়। এনে আধ্যাত্মিক লক্ষ্যত উপনীত কৰাবৰ কাৰণে মন আৰু শৰীৰক প্রস্তুত কৰি তোলাই হ'ল নিত্য-নৈমিত্তিক কর্মসমূহৰ ঘাই উদ্দেশ্য। সামীপ্য, সাযুজ্য, সাৰোপ্য, সালোক্য আৰু সার্ষ্টি এই পাঁচ প্রকাৰৰ মুক্তিৰ কথা কোৱা হৈছে[৩৮]। ইয়াৰ যিকোনো এটি স্তৰ পাবৰ বাবে মন আৰু শৰীৰ শুচি আৰু সংযত কৰি লোৱাটো প্রয়োজনীয় কর্তব্য। সত্রীয়া জীৱনধাৰাত নিত্য আৰু নৈমিত্তিক কর্মসমূহত এনে লক্ষ্য আৰু উদ্দেশ্য জড়িত হৈ থাকে। দৈনন্দিন জীৱনত নিজে শুচি হোৱা মাধ্যম দুই প্রকাৰৰ — স্থূল সংস্কাৰ আৰু সূক্ষ্ম সংস্কাৰ। এই দুই সংস্কাৰৰ ওপৰত অত্যাধিক গুৰুত্ব দিয়া হয়। স্থূল শব্দৰ অর্থ দেহ আৰু সূক্ষ্ম শব্দৰ অর্থ চিত্ত। দৈহিক আৰু চিত্ত পৰিশুদ্ধি হ'ল সেইবাবে প্রাথমিক লক্ষ্য। শৰীৰ শুদ্ধিৰ বাবে লোৱা ব্যৱস্থাই দৈহিক সংস্কাৰ। সত্রীয়া জীৱনত পুৱা শুই উঠিয়েই মুখ প্রক্ষালন, চকু, নাক, কাণ পৰিষ্কাৰ, হাত-ভৰি তিওৱা, দন্ত মার্জন, পুৱা আৰু গধূলি দুবাৰকৈ স্নান কৰা, শৌচাচাৰ ক্রিয়াত মাটি-পানী লোৱা, গাত তেল-ঘঁহা আদি দৈহিক সংস্কাৰৰ প্রধান কর্তব্য। ইয়াৰ দ্বাৰা শাৰীৰিকভাৱে নিজকে নিৰোগী, সক্ষম কৰি তোলাৰ লগতে সংস্কাৰী, সদাচাৰী জীৱন-যাপন কৰাৰ পথ নির্দেশ কৰা হৈছে। সদাচাৰী বা সংস্কাৰী জীৱনৰ যোগেদিহে আধ্যাত্মিক আৰু নৈতিক সাধনাৰ বাবে শৰীৰ আৰু মনক প্রস্তুত কৰি ল'ব পাৰি। এই কথা স্মৰণীয় যে ঈশ্বৰক শুদ্ধ তথা পৱিত্রতাৰ চৰম প্রতীক স্বৰূপে গ্রহণ কৰা হয়। সেয়ে ঈশ্বৰক উপাসনা কৰাৰ ক্ষেত্রত শাৰীৰিক মানসিকভাৱে শুদ্ধ হৈ লোৱাটো একান্ত কর্তব্য। দৈহিকভাৱে সংস্কৃত হ'লেও মানসিকভাৱে চিত্ত পৰিষ্কাৰ, সংযত কৰিব নোৱাৰিলে বাঞ্ছিত ফল পাব নোৱাৰি। তেনে অর্থত ৰাতিপুৱাৰ পৰা ৰাতি শোৱা-পাটীত পৰালৈকে প্রতি কার্যত 'ৰাম নাম' লৈ আন্তৰিক পৰিশুদ্ধি লাভ কৰাটো সত্রস্থজনৰ বাবে অৱশ্যে পালনীয় কর্তব্য। ৰাতিপুৱা শুই উঠোঁতে, গা-ধোওঁতে, শৌচাচাৰ কৰি সংস্কাৰ হওঁতে,

---

৩৮ সালোক্য-সার্ষ্টি-সামীপ্য, সারূপৈক্যত্বমপুত্য। ইয়াত সার্ষ্টি শব্দই ঈশ্বৰৰ সমান ঐশ্বর্যৰ কথা বুজাইছে। একত্ব শব্দই সাযুজ্য অর্থ সূচিত কৰিছে। —ভাগৱত (সং) ৩ স্কন্ধ, ২৯ অধ্যায়, শ্লোক ১৩

গমন কৰোঁতে, খাওঁতে, উঠোঁতে, বহোঁতে, ৰাতি শোওঁতে এই সকলো কার্যতে কৃষ্ণ নাম লোৱাটো বাধ্যতামূলক। অৱশ্যে বিবিধ কার্য উপলক্ষ্যে একেজন কৃষ্ণৰে বিবিধ নাম[৩৯], বিবিধ সময়ত লোৱা হয়। সত্রীয়া জীৱনত নিত্য কর্ম কৰোঁতে ৰাম, কৃষ্ণ, গোপাল, গোবিন্দ, মাধৱ, নাৰায়ণ, বিষ্ণু, বাসুদেৱ আদি সততে উচ্চাৰণ কৰাটো নিয়ম। চিত্ত শুদ্ধি তথা অভ্যাসধর্মী ব্যৱস্থাৰ বাবে আস্বাভাৱিকভাৱে হাঁচি আহোঁতে, হামিয়াওঁতে, উজুটি খাওঁতে বা কিবা ভুল কৰোঁতে কৃষ্ণ নাম লৈ মনক সান্ত্বনা দিয়া, মনক প্রশান্ত কৰা বা মনৰ আৱেগ বা ভয় ভাব দূৰ কৰাৰ যত্ন কৰা হয়। ৰাতিপুৱাৰ পৰা ৰাতিলৈকে সত্রীয়া জীৱনত থকা কর্মসমূহৰ নির্দিষ্ট লাক্ষণিক উদ্দেশ্য আৰু তাৎপর্য থাকে।

পুৱাতে গুৰু স্মৰণ ঃ সত্রীযা জীৱনধাৰাত শয্যাৰ পৰা উঠিয়েই নিজৰ শৰণীয়া দীক্ষাদাতা গুৰুক স্মৰণ কৰা যি বিশেষ ৰীতি আছে ইয়াৰ মুখ্য কাৰণ গুৰুক জীৱনৰ সর্বশক্তি স্বৰূপে জ্ঞান কৰা। যিহেতু শৰীৰ সর্ববিদ্যাৰ আধাৰ, শৰীৰ সর্ব দেৱতা স্বৰূপ, শৰীৰ সর্ব তীর্থময়, এই সমস্ত জ্ঞান-বিজ্ঞানৰ তত্ত্ব গুৰু ভক্তিত লাভ হয[৪৮]। যেতিয়ালৈকে গুৰুৰ কৃপাবলত শৰীৰ বিশুদ্ধ নহয়, তেতিযালৈকে কোনেও মুক্তি লাভ কৰিব নোৱাৰে। যেনেকৈ দীপৰ অভাৱত ঘৰ অন্ধকাৰত আচ্ছন্ন হয, সেইদৰে গুৰু ব্যতিৰেকে দেহ আৰু মন কোনো প্রকাৰে আধ্যাত্মিক লক্ষ্যত উপনীত হ'ব নোৱাৰে। ইয়াৰ উপৰি নাৰদ পঞ্চৰাত্রত কৈছে, গুৰু তুষ্ট নহ'লে আন সর্কলো তুষ্ট হ'লেও কোনেও তুষ্ট কৰিব নোৱাৰে[৪৯]। শিষ্য বা বৈষ্ণৱগৰাকীয়ে এনে ভাব পোষণ কৰি লয যে গুৰু মূর্তি দর্শনত

---

[৩৯] নির্দিষ্ট কার্যত নির্দিষ্ট নাম ল'লে তাৰ ফল নির্ধাৰিতভাৱে লাভ কৰে। এনে বিশ্বাসত এই নামসমূহ জনসমাজে উচ্চাৰণ কৰে।

ঔষধে চিন্তযেদ্ বিষ্ণুং ভোজনে চ জনার্দনম্।
শযনে পদ্মনাভঞ্চ বিবাহে চ প্রজাপতিম্।।
যুদ্ধে চক্রধৰং দেৱং প্রৱাসে চ ত্রিৱিক্রমম্।
নাৰাযণং তনুত্যাগে শ্রীধৰং প্রিযসঙ্গমে।
দুঃস্বপ্নে স্মৰ গোবিন্দ সঙ্কটে মধুসূদনম্।
কাননে নৰসিংহঞ্চ পাৱকে জলশাযিনম্।।
জলমধ্যে ৱৰাহঞ্চ পর্ৱতে ৰঘুনন্দনম্।
গমনে ৱামনঞ্চৈৱ সর্ৱকাযেষু মাধৱম্।।(ৱঙ্গেশ্বৰ তন্ত্র-জ্যোতিষী শাস্ত্রী, বিশুদ্ধ স্তৱ কৱচমালা, পৃ ১৫)

[৪৮] জ্ঞানং বিজ্ঞানসহিতং লভ্যতে গুৰুভক্তিতঃ। (শ্রীগুৰু গীতা, পৃ ২৫)

[৪৯] গুৰৌ তুষ্টে হৰিস্তুষ্টো হৰৌ তুষ্টে জগৎত্রযম্।
*** *** ***
হৰৌ রুষ্টে গুৰৌ তুষ্টে গুৰু ৰক্ষিতুমীশ্বৰঃ।
সর্ৱে তুষ্টা গুৰৌ রুষ্টে ন কোঽপি ৰক্ষিতুংক্ষমঃ
(নাৰদ পঞ্চৰাত্রম্, দ্বিতীয়ৰাত্রম্, অষ্টম অধ্যায়, শ্লোক ২১, ২২, ২৩, পৃ ২১৩)

সৎ জ্ঞান লাভ হয়[৪২]। দিনটোৰ বাবে শুভ জ্ঞান উদয় হয়। সেয়ে শয়নৰ পৰা উঠিয়েই গুৰুৰ ৰূপ চিন্তা কৰে। ইয়াৰ যোগে বৈষ্ণৱ বা শিষ্যগৰাকীয়ে দিনটোৰ বাবে মানসিক সাহস গোটাব পাৰে। এগৰাকী শিষ্যৰ বাবে গুৰু ধ্যানৰ মূলমূর্তি, গুৰুৰ পদ উপাসনাৰ সামগ্রী, গুৰুৰ বাক্য মূলমন্ত্র স্বৰূপ আৰু গুৰুৰ কৃপা তেওঁৰ সর্বস্ব[৪৩]।

দেৱ, গন্ধর্ব, ঋষি-মুনি আৰু পৃথিৱী আদি নমস্কাৰ : গুৰু স্মৰণৰ লগে লগে দেৱতা, যক্ষ, ৰক্ষ, গন্ধর্ব, ঋষি, মুনি, নদী, পর্বত সকলোকে স্মৰণ কৰি সুপ্রভাত[৪৪] কামনা কৰে। তেওঁবিলাককো ভগৱৎ শক্তিৰ অংশ স্বৰূপে মান্য কৰে আৰু বাঞ্ছা কৰে যাতে তেওঁবিলাকৰ পৰাও কোনো অপকাৰ সাধিত নহয়। এনেদৰে সকলোকে স্মৰণ কৰাৰ পিছতে শয্যা ত্যাগ কৰি পৃথিৱীত ভৰি দিয়াৰ আগতে পৃথিৱীক নমস্কাৰ কৰি যি মন্ত্র উচ্চাৰণ কৰা[৪৫] হয়, সেই মন্ত্রৰে মনক নম্র আৰু দিনটোক কর্তব্যমুখী কৰিবলৈ শিকোৱা হয়। ইয়াৰ মানসিক বা মনস্তাত্ত্বিক গুৰুত্বই উচ্চাৰণ কৰোঁতাজনক লক্ষ্যলৈ যোৱাত সহায় কৰে।

ইন্দ্রিয়সমূহ পৰিষ্কাৰকৰণ : শয্যা ত্যাগ কৰাৰ পিছত চকু, কাণ, নাক. মুখ আদি ইন্দ্রিযসমূহ পানীৰে পৰিষ্কাৰ কৰি শৰীৰ প্রাথমিকভাৱে শুদ্ধ কৰি লোৱা হয়। তেনেদৰে দন্ত মার্জন, শৌচাচাৰ, তৈল-মর্দন আৰু স্নান কার্যৰে শৰীৰক ভগৱৎ উপাসনাৰ বাবে প্রস্তুত কৰি লোৱা হয। এই কার্যসমূহত যি নির্ধাৰিত নিয়ম থাকে সেই নিয়ম পালনৰ যোগেদি প্রণালীবদ্ধ জীৱন-যাপনৰ অৱশ্যে পালনীয কর্তব্যৰ শিক্ষাদান কৰা হয়। ইয়াৰ দ্বাৰা মনকো প্রত্যযনিষ্ঠ কৰি তোলা হয়।

উদাহৰণ স্বৰূপে, শৌচাচাৰ সম্পন্ন কৰোঁতে মাটি-পানী লোৱাৰ যি বাক্য[৪৬] উচ্চাৰণ কৰিব লাগে, সেই বাক্য উচ্চাৰণ কৰিলে মনলৈ শুচি হোৱাৰ আত্মপ্রত্যযৰ ভাব আহে। এনে আত্মপ্রত্যয়ৰ বাবে বৰাহ ৰূপী ভগৱন্তই উদ্ধাৰ কৰা মাটি লৈহে শুচি হোৱা হৈছে, এই বিশ্বাসো সংযুক্ত হৈছে। তেনেদৰে গা ধোওঁতে যি গুৰু, দেৱ, নাম, ভকত চাৰি বস্তুৰ নাম লৈ পানী ঢলাৰ নিযম, সিও শৰীৰ আৰু মনক পৰিত্র কৰাৰ বাবে এটি নির্দেশিত পথ।

---

৪২ দ্র যস্য দর্শনমাত্রেণ সজ্জ্ঞানং লভর্তে নৰঃ।... . .. ৩০১ অধ্যায়

৪৩ ধ্যানমূলং গুৰোমূর্তিঃ পূজামূলং গুৰোঃ পদম্।
মন্ত্রমূলং গুৰুবাক্যং গুৰোঃ কৃপাহি কেৱলম্।। পাঠান্তৰ - মোক্ষমূলং গুৰোঃ কৃপা।

৪৪ দ্র ব্রহ্মা মুৰাৰি ৩০১ অধ্যায়

৪৫ দ্র প্রিযদত্তায়ৈ ভুৱে নমঃ সমুদ্রে মেখলে ..... ৩.০১ অধ্যায়

৪৬ দ্র বৰাহ দন্ত অগ্রে উদ্ধাৰিলা ভূমি ৩০১ অধ্যায়

তিলক ধাৰণ : নিজক উপাসকৰূপে প্রতিষ্ঠা কৰিবলৈ যোৱাৰ আগতে চুলি আঁচোৱা, শিখা বন্ধা আৰু তিলক ধাৰণ কৰাৰ যি পদ্ধতি অনুসৃত হৈ আহিছে, সেই কার্যই পাৰিপাট্য আনে আৰু বিনয়ী ভাব সঞ্চাৰ কৰে। তিলক ধাৰণ মন্ত্রৰ যোগেদি বৈষ্ণৱ এগৰাকীয়ে বিষ্ণুৰ দ্বাদশ নামেৰে[৪৭] নিজৰ শৰীৰ ৰক্ষাৰ মানসিক কৱচ তৈযাৰ কৰি লয়। ই মনলৈ সাহস আৰু পৱিত্র হোৱাৰ বিশ্বাস আনি দিয়ে। এই তিলক ধাৰণৰ মূল সামগ্রী গঙ্গামৃতিকা আৰু চন্দন। দুইবিধ সামগ্রীৰে গুণগত দুটা বিশ্বাস হ'ল যে চন্দনৰ তিলক কপালত ল'লে মনুষ্যৰ শৰীৰ কান্তিমান ঐশ্বর্যশালী, ধৈর্যশীল, সাম্য, সৌভাগ্যৱান আৰু অতুল শক্তিৰ অধিকাৰী হয়[৪৮] আৰু আনহাতে গঙ্গামৃত্তিকাৰ তিলক ল'লে অদর্শনীয় দর্শনৰ আৰু অস্পর্শনীয় স্পর্শৰ পাপ নষ্ট হয়। মন্ত্রবিহীন হ'লেও তাৰ ফল লাভ কৰে[৪৯]।

উপাসনা ক্রিয়া : সন্ধ্যা, জপ, পূজা, গুৰু সেৱা, ইষ্ট সেৱা আদিযে মনক লক্ষ্যলৈ লৈ যায়। মূল লক্ষ্যলৈ যোৱাৰ ক্ষেত্রত মানসিক দৃঢ়তা আনিবৰ বাবে মূর্তি উপাসনা, ব্রহ্ম সংহতি সত্রসমূহত প্রচলিত হৈ আহিছে। নীতিগত উপাসনাই মানুহক প্রকৃতিষ্ঠ কৰি তোলে, মন শান্ত কৰে, উদ্বিগ্নতা দূৰ কৰে। অৱশ্যে ভাবার্থ উপাসনাইহে এনে ফল দানত সহায় কৰে। অর্থ বোধগম্য নোহোৱাকৈ কৰা অভ্যাসধর্মী উপাসনাই সহজতে মনলৈ স্থিৰতা আনিব নোৱাৰে। কিন্তু অভ্যাসধর্মী উপাসনাই নির্দিষ্ট লক্ষ্যলৈ যোৱাৰ ক্ষেত্রত প্রাথমিক সহায় কৰে।

সামূহিক উপাসনা ক্ষেত্রৰ কর্ম : যাক সকলোৰে সর্বময় কর্তা বুলি স্বীকাৰ কৰা হয়, সেই পৰমব্রহ্মৰ প্রতীক বিগ্রহত জনোৱা মন্ত্রসম্বলিত[৫০] সেৱা আত্মসমর্পণ আৰু দাস্য ভাবৰ চৰম নিদর্শন। নামঘৰত সোমোৱাৰ পূর্বে দুৱাৰৰ দুফালে স্পর্শ কৰি জয়-বিজয়ক প্রণাম কৰা মন্ত্রই [৫১] হৰিগৃহলৈ সোমোৱাৰ অনুমতি তথা জাননীৰ কথা সোঁৱৰাই দিয়ে। ইয়াৰ পিছতে নামঘৰত সোমাযেই নামঘৰত বৈষ্ণৱলৈ জনোৱা সেৱায়ো

---

[৪৭] দ্র ললাটে কেশবং ৩০১ অধ্যায়

[৪৮] কান্তিং লক্ষ্মীং ধৃতিং সৌম্যং সৌভাগ্যমতুলং মম।
দদাতু চন্দনং নিত্যং সততং ধাৰয়াম্যহম্।। (হিন্দু সর্বজ্ঞ, সম্পা কালীমোহন বিদ্যাৰত্ন, পৃঃ ২৩)

[৪৯] দ্র গোপাল গোস্বামী, শ্রীশ্রী হৰিভক্তি বিলাসঃ, প্রথম খণ্ড, পৃঃ ২৫৪, ২৫৭ গঙ্গা মৃত্তিকাক গোপী চন্দন বোলে।

[৫০] দ্র ধ্যেযং সদা পৰিভবঘ্নং ১০২ অধ্যায়

[৫১] দ্র হে জয় বিজয়ো ৩০১ অধ্যায়

[৫২] দ্র বাঞ্ছা কল্পতৰু সিন্ধু কৃপা সিন্ধুভ্য এৱ চ .. (সত্রীয়া পৰম্পৰাত ব্যৱহৃত)

সেই কথাৰেই প্রতিফলন ঘটায়। বৈষ্ণৱক জনোৱা সেৱাত এই কাতৰ প্রার্থনা[৫২] থাকে যে পাপ ধ্বংস কৰিব পৰা সামর্থ্য থকা বৈষ্ণৱে পতিতজনক যেন উদ্ধাৰ কৰে। তেনেদৰে মহাপ্রভুক সেৱা কৰোঁতে লোৱা নির্মালি, মন্ত্র উচ্চাৰণ কৰি ষেতিয়া ঘ্রাণ লৈ শিৰত ধাৰণ কৰে তাৰ যোগেদি মহাপাতক যাতে নাশ হয় আৰু সেৱা কর্তাৰ আপদৰ ঠাইত যাতে সম্পদ আহে তাৰ কামনা কৰে[৫৩]। মহাপ্রভুৰ নির্মালি বা গুৰুৰ নির্মালি গ্রহণ কৰোঁতে আঁচল পাতি লোৱা প্রথা নিজকে কৃপা প্রার্থী কৰাৰ চিনাকি। বৈষ্ণৱ এগৰাকীযে নামঘৰত বা বিষ্ণু মন্দিৰত কৰা প্রদক্ষিণৰ যোগেদি অজ্ঞাতভাৱে জন্ম-জন্মান্তৰত কৰা পাপ ধ্বংসৰ কামনা কৰে[৫৪]। মানুহে অকাল মৃত্যু কেতিয়াও বাঞ্ছা নকৰে। মানৱ শৰীৰে যাতে স্বাভাৱিক কাল পাব পাৰে, শৰীৰ যাতে নিৰোগী হৈ থাকে বিষ্ণু পাদোদক পান কৰি তেনে আশা প্রতিফলিত কৰে[৫৫]। নামঘৰক কেন্দ্র কৰি চাৰিটা সৎ কথাৰ মিলন হয়, (১) সৎ, নিত্য বস্তুৰ সঙ্গ ঃ নিত্য বস্তু হ'ল দেৱ অর্থাৎ কৃষ্ণ, (২) সৎ সঙ্গ অর্থাৎ ভকতৰ সঙ্গ, (৩) সৎ গুৰুৰ সঙ্গ, (৪) নিত্য বস্তু, নাম-ধ্বনি লাভ। নামঘৰত ধর্মৰ চাৰিবস্তু নাম, দেৱ, গুৰু, ভকতৰ সমাৱেশ ঘটে। এই চাৰি কথাৰ যোগেদি আধ্যাত্মিক লক্ষ্যত উপনীত হ'ব পাৰি। গুৰুৰ যোগেদি জ্ঞান লাভ হ'লেহে বৈষ্ণৱৰ সন্নিধান পোৱা যায়। বৈষ্ণৱৰ যোগেদি নাম আৰু নামৰ যোগে পৰমব্রহ্মৰ সন্ধান পায়। সততে নামঘৰত গুৰুক পোৱাৰ ব্যৱস্থা নাথাকিলে গুৰুৰ নির্দিষ্ট স্থানলৈ গৈ দর্শন কৰি চাৰিবস্তু একীকৰণ কৰে। এই চাৰি সাধন পদ্ধতিৰ উপৰি শৰণ সংহিতাত পঞ্চ সাধনৰ কথাও উল্লেখ কৰা হৈছে। পঞ্চ সাধন[৫৬] হ'ল, সৎসঙ্গ, কৃষ্ণসেৱা, ভাগৱত, নাম আৰু ব্রজত বাস। পঞ্চ সাধনাৰ ভিতৰত এটা অংশৰো সাধন কার্য যদি পূর্ণ হয় তেওঁৰ কৃষ্ণ প্রেম অন্তৰত উদয় হয়। সেয়ে ব্রজধান স্বৰূপ সত্রত বাস কৰাটোৱেই যে লক্ষ্য পথৰ সন্ধান দিযে সেই কথা স্মৰণ কৰায়। তাৰ কাৰণে সত্রীয়া জীৱন যাপন কৰি সত্রত থকাৰ বাবে বৈষ্ণৱগৰাকী আকুল হয়। সত্রত থকা অৱস্থাত সত্রৰ যি কর্মতে আৱদ্ধ নাথাকক প্রত্যেক কর্মই যে ভগৱৎমুখী আৰু সেই কর্ম উদ্দেশ্যধর্মী এই কথা

---

৫৩ নির্মাল্যং শিৱসা ধার্যং মহাপাতকনাশনম্ বিপ্রসর্বস্ব, পৃঃ ৮৮

৫৪ দ্র যানি যানীহ পাপানি ৩০৩ অধ্যায়।

৫৫ দ্র অকালমৃত্যুহৱণং সর্বব্যাধিবিনাশনম্ ৩০১ অধ্যায়।

৫৬ সৎসঙ্গ, কৃষ্ণ সেৱা ভাগৱত নাম।
ব্রজে বাস এই পঞ্চ সাধন প্রধান।।
এই পঞ্চ মধ্যে এক স্বল্প যদি হয়।
সুবুদ্ধি জনেৰ হয় কৃষ্ণ প্রেমোদয়।।
শৰণ সংহিতা, মুখবন্ধ, পৃঃ ৭

সকলোৰে জনা থাকে। সত্রৰ প্রসঙ্গসমূহৰ যি পাঁচ প্রক্রিয়া আছে, নিবিড়, বীৰ উপাঙ্গ আৰু উৎসৱ; ইয়াৰ ভিতৰত মানস আৰু নিবিড় প্রসঙ্গই মানসিক স্থিৰতা আনে, শান্ত তথা সাত্ত্বিক ভাব জাগ্রত কৰে। বীৰ, উপাঙ্গ, উৎসৱ প্রসঙ্গই মানসিক উৎসাহ উৎসুকতা সংযোগ কৰে। নির্দিষ্ট প্রসঙ্গ সেৱা কর্মৰ বাবে নিজক উপযোগী কৰিবলৈ বহাসমূহত নাম কীর্তন, নৃত্য-গীত আদিৰ যি নির্দিষ্ট চর্চা আৰু অনুশীলন থাকে সেই কার্যই মানসিক দৃঢ়তা আনি আধ্যাত্মিক লক্ষ্যৰ ফালে যোৱাৰ পথ মুকলি কৰে। লগতে নামঘৰত আৰু বহাসমূহত কৰা পুথি চর্চাই মনৰ সংশয় দূৰ কৰি আত্মিক জ্ঞান আনি দিয়ে। মানসিক ভাব মুকলি কৰে। দৈনন্দিন জীৱনত অব্যাহত থকা হস্তশিল্প-চর্চাই নিজকে কর্মঠ কৰিবৰ বাবে মানসিক উৎসাঁহ যোগায়।

গুৰু পৰিচর্যা : গুৰু ব্রহ্মৰ অভিন্ন ধাৰণা থাকিলেও প্রযোগ ক্ষেত্রত গুৰুৰ সুকীয়া স্থিতি থাকে। তেনেস্থলত গুৰুৰ পৃথক সেৱা শুশ্রূষাইও আধ্যাত্মিক উদ্দেশ্যৰ ফল প্রদান কৰে। সেয়ে সত্রীয়া জীৱনত থকা গুৰু ঘৰৰ পৰিচর্যাকাৰী কর্মীসকলে তেনে বিশ্বাস মনত দৃঢ় কৰি লয়। ফলস্বৰূপে বিদ্যা[৫৭] মহাধন লাভ কৰে। এই পৰম বিদ্যা মহাধন হ'ল ব্রহ্মতত্ত্ব লাভ। আনহাতে ব্রতী জীৱনত গুৰু সেৱা শ্রেষ্ঠ ধর্ম সাধন বুলি কোৱা হয়। অকপট গুৰু সেৱাৰ যোগেদি বিশেষ সামর্থ্য শক্তি শিষ্যৰ লাভ হোৱাৰো দৃষ্টান্ত আছে। এনে দৃষ্টান্ত পুৰুষ মাধৱদেৱ[৫৮]। গুৰু কর্ম আৰু সকলো সেৱা ধর্মী সত্র সংযোগী কর্মই আধ্যাত্মিক লক্ষ্যৰ সন্ধান দিব পাৰে।

বাক্য ব্যৱহাৰ আৰু পিন্ধন ব্যৱস্থা : সত্রত ব্যৱহৃত বাক্য ব্যৱহাৰ, সাজ-সজ্জা, শিষ্টাচাৰ, বিনয়ীভাব ৰক্ষা কৰাত আৰু সত্ত্ব গুণ আহৰণৰ প্রধান সম্বল। দৈনন্দিন বৈষ্ণৱ এগৰাকীয়ে গুৰুক জগন্নাথ, প্রভু, প্রভু ঈশ্বৰ বোলা সম্বোধন গুৰুব্রহ্মৰ অভিন্নতা

---

৫৭ যথা খত্বা খনিত্রেণ ভূতলে বারি বিন্দতি।
তথা গুরুগতাং বিদ্যাং শুশ্রূষুরধিগচ্ছতি।।
চাণক্য শ্লোক, পৃঃ ৩৮

৫৮ শুনা সভাসদ পদ হযা সাৱধান।
গুৰু সেৱা বিনে জানা ধর্ম নাহি আন।।
চাৰি আশ্রমৰ ধর্মে তুষ্ট নুহিকন্ত।
গুৰু শুশ্রূষাতে যেন তুষ্ট ভগৱন্ত।।
অকপটে যিটো গুৰু সেৱক কৰয়।
গুৰুৰ সমান শক্তি শিষ্যতো হোৱয়।।
মাধৱো ভজিলা শঙ্কৰক শুদ্ধ ভাবে।
শঙ্কৰ-মাধৱ সম কীর্তি লোকে গাৱে।।
ভূষণ দ্বিজ, শ্রীশ্রীশঙ্কৰদেৱ, পদ ২৬০, ২৬১, পৃঃ ৬০

ভাব অনা ঘাই মাধ্যম। এনে সম্বোধনৰ জৰিয়তে গুৰু বৈষ্ণৱৰ মাজত প্ৰভু-ভৃত্যৰ সম্পর্ক গঢ় লয়। প্ৰভু-ভৃত্যৰ সম্পর্ক বাধ্যতা প্ৰধান, বিনীত প্ৰধান যে তেনে সম্বোধনে তাৰ পৰিচয় দিয়ে। স্মৰ্তব্য যে বিণীত বাধ্যজনেহে পৰম ধন লাভ কৰিব পাৰে। ইও তাৰ এক আখৰা। একেদৰে ভকতসকলৰ মাজত মাত-কথাৰ ব্যৱহাৰ আতা, আঁতে, দেউ, বাপু আদিও এনে ভাবৰ পৰিপূৰক। এজনক মাতোঁতে আন এজনে নিজৰ সঁহাৰি দিয়া প্ৰসঙ্গত বোলা 'ৰাম' শব্দ ব্যৱহাৰ ভগৱৎ প্ৰাপ্তিৰ মূল অভ্যাসধৰ্মী ব্যৱস্থা। লগতে বিষ্ণু বুদ্ধি ভাব প্ৰকট হয় আৰু সকলোকে আত্মাৰাম দেখা ভাব জাগৃত হয়। এক আত্মা ভাবৰ ই এক প্ৰকৃত অনুশীলন। মাত কথাত 'মই' শব্দ উহ্য কৰি পতা কথা আৰু পৰোক্ষ শব্দৰ ব্যৱহাৰে অহং বা অভিমান ভাব নাইকিয়া কৰা আৰু আত্মশক্তি লোপ কৰা কথাবে চানেকি দিয়ে। এইদৰে সত্রীয়া জীৱনত ব্যৱহাৰ কৰা সাধাৰণ পোছাক-পৰিচ্ছদেও পাৰিপাট্য আৰু সাত্বিক ভাব অনাত সহায় কৰে। ধূতি অৱস্থাত অর্থাৎ নিকা পৰিৱেশত ভকত বৈষ্ণৱসকলে ৰামনামী কাপোৰ গাত লোৱা ব্যৱস্থাই কায়, বাক্য, মনে ৰাম-নামৰ আখৰা কৰা কথাকে সূচায়। সচেতনভাৱে ৰাম-নামৰ কীৰ্তন, শ্ৰৱণ নহ'লেও এনে ব্যৱস্থাই অৱচেতন মনটোক নামপ্ৰেমী বা বিষ্ণু পৰায়ণ হ'বলৈ অজ্ঞাতভাৱে হ'লেও সংযোগ কৰায়। কণ্ঠত তুলসী মালা, চন্দন কাঠৰ মালা লোৱা কার্য পৰিত্র ধাৰণা অনাৰ মানসিক প্ৰচেষ্টা লগতে তুলসীত থকা ঔষধী গুণে শৰীৰক বীজাণু মুক্ত কৰে। এনে বিশ্বাসৰ বাবে ইয়াক ধাৰণ কৰা আন এটা তাৎপর্যপূর্ণ দিশ।

আনুষ্ঠানিক কর্ম : নৈমিত্তিক উৎসৱ-পর্ব উপলক্ষ্যে যি আনুষ্ঠানিক পৰিৱেশ সৃষ্টি হয়, সেই পৰিৱেশৰ আগে আগে আৱাসিক স্থানত আৰু সামূহিক উপাসনাৰ ক্ষেত্রত ঠাই সৰা আৰু মচা আৰু নৱবস্ত্র সলনি কৰা কার্যই পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু পৰিত্র ভাব অনাত সহায় কৰে। যি পৰিত্রতাৰ মানসিক ভাব লৈ আনুষ্ঠানিকতাৰ মাজেৰে উপাসনা কার্যত ব্রতী হয়। আনুষ্ঠানিকতাত যি সামূহিক সহযোগ থাকে সিয়ে এক সুহৃদ আৰু আত্মাৰাম ভাব প্ৰকট কৰে। সম্পূর্ণ আনুষ্ঠানিকতা নাথাকিলেও শৰণ গ্রহণ কৰোঁতে পালন কৰা নিয়মসমূহ শাৰীৰিক আৰু মানসিকভাৱে শুচি-সংযম হোৱাৰ ব্যৱস্থা। সংস্কাৰ পূর্বত শাৰীৰিক, মানসিকভাৱে সাত্বিকতা অহাটো একান্ত যে প্রয়োজন শৰণৰ আগদিনা লঘোণে[১] থকা কার্য আৰু গা ধুই কোনো দ্রব্য গ্রহণ নকৰাকৈ শৰণ লোৱা ব্যৱস্থা সেই ভাব অনাৰ মূল সংযোগ দিশ। গুৰা-পাণ, অৰিহণা দি গুৰুক বস্ত্র প্রদানেৰে গুৰু বৰণ কৰা কার্যই শৰণ লওঁতাজনক মানসিকভাৱে ঈশ্বৰমুখী কৰাত বিশেষ উদ্‌গণি দিয়ে। শৰণ কার্যত শৰণীয়াজনে যি সাষ্টাঙ্গে সেৱা জনোৱা নিয়ম ইয়াৰ মূল তাৎপর্য শাৰীৰিক,

---

[১] দ্রষ্টব্য : ... . ৩০১ অধ্যায়

মানসিক শক্তি বিলোপ কৰি কায় মনোবাক্যেৰে পৰম শক্তিৰ ওচৰত আত্মসমর্পণ কৰা। এই চৰম আত্মসমর্পণৰ অৱস্থা হযতো একেদিনাই নাহে। প্রথম পর্যায়তে শৰণৰ প্রাথমিক স্তৱসমূহতে ভক্তগৰাকী আৱদ্ধ থাকে। প্রাথমিক স্তৱৰ শৰণ চাৰি প্রকাৰৰ— আর্ত শৰণ, জিজ্ঞাসু শৰণ, অর্থার্থী শৰণ আৰু জ্ঞানী শৰণ। প্রথমবিধ ভয়ত লোৱা শৰণ, উদাহৰণ, গজেন্দ্র, দ্রৌপদী, দ্বিতীয় বিধ, অনুসন্ধিৎসু পৰায়ণমনা উদাহৰণ, অর্জুন, উদ্ধৱ তৃতীয়বিধ, ঐশ্বর্য সম্পত্তিৰ আশাত লোৱা শৰণ উদাহৰণ, ধ্রুৱ আৰু চতুর্থবিধ জ্ঞান লাভৰ আশাত লোৱা শৰণ, উদাহৰণ, নাৰদ। এই প্রাথমিক চাৰি স্তৱ অতিক্রম কৰি সর্বস্ব সমর্পণেৰে পৰম ব্রহ্মাক আশ্রয় ৰূপে বিচাৰিলেহে একান্ত শৰণৰ পর্যাযলৈ যাব পাৰি। ইযেই হ'ল শৰণৰ সর্বোত্তম স্তৱ, সেইজনক ভগৱন্তই ৰক্ষা কৰে, অভয প্রদান কৰে[৬০]। উদাহৰণস্বৰূপে, প্রহ্লাদৰ কথা উল্লেখ কৰিব পাৰি। অৱশ্যে একেদিনাই একান্ত শৰণলৈ যাব নোৱাৰি, সেযে ভয, আশা, জ্ঞান আৰু অনুসন্ধিৎসা মাধ্যমত অভ্যাসৰ যোগেদি কায-বাক্য-মনেৰে[৬১] পৰমেশ্বৰত নিশ্চল চিন্তা কৰিবলৈ কৰা যত্নই একান্ত শৰণলৈ যোৱাৰ ব্যৱস্থা। এয়ে সত্রৰ শৰণ কার্যৰ মূল লক্ষ্য। ভাবৰ প্রগাঢ়তাত এই ভয় আশা জ্ঞান আৰু অনুসন্ধিৎসা সাধাৰণ লৌকিক কথাৰ বিপৰীতে পাৰমার্থিক কথাতহে সংযোজিত হয়। অৱশ্যে ভাবৰ প্রগাঢতা নহা পর্যন্ত প্রথমতে সাধাৰণ শ্রেণীৰ লৌকিক স্তৱতেই এই ভাবসমূহ জড়িত হৈ থাকে। অভ্যাসৰ যোগেদি ইযাৰ ৰূপান্তৰ ঘটাব পাৰি। সেযে অভ্যাসোচিৎ ব্যৱস্থাৰ বাবে সত্রস্থসকলে সকুতে শৰণ গ্রহণ কৰে। এনে অভ্যাসধর্মী ব্যৱস্থাৰ ফল যে নিষ্ফল নহয় তাৰ প্রমাণ অর্জুনক

---

৬০ একবাৰো প্রপন্ন যি হই মোত জনে।
"তোমাৰেই মই" বুলি প্রার্থে একমনে।।
সর্বভূত ভযে তাকো প্রদানো অভয।
এযে মোৰ নিত্য ব্রত জানিবা নশ্চয।।
মূল শ্লোক ঃ শৰণং মাং প্রপন্নো যস্তবাস্মীতি চ যাচতে।
অভয়ং সর্বদা তস্মৈ দদাম্যেতদ্ ব্রতং মম।। (শৰণ সংহিতা, সম্পা উমাকান্ত গোস্বামী, তৃতীয অধ্যায, পৃঃ ৫১)

৬১ কাযবাংমনসাং সাক্ষাৎ যা নিষ্ঠা হাচলা ভৱেৎ।
পৰমাত্মনি শ্রীকৃষ্ণ শৰণং তত্ প্রচক্ষতে।। (উল্লিখিত, শ্লোক ৪, পৃঃ ৪৫)

৬২ অথ চিত্তং সমাধাতুং ন শক্নোষি ময়ি স্থিৰম্।
অভ্যাসযোগেন ততো মামিচ্ছাপ্তুং ধনঞ্জয।। (গীতা, দ্বাদশ অধ্যায়, সম্পা গৌৰীকান্ত ত'লুকদাৰ, শ্লোক)

৬৩ প্রাংমুখঃ প্রণতিং কৃত্বা পঞ্চধা দণ্ডবদ্ভূতী।
সত্যং ত্রিবাৰমুচ্চার্য্য গুৰৌ শৰণমাবদ্দেৎ।।
কৃষ্ণে তন্নাম্নি শৰণং তদ্ভদেৱমুদীৰয়েৎ।
ত্রিৰেবেকভাবেন কাযবাঙ্মানসৈস্তথা।।

কৃষ্ণই দিয়া উপদেশ[৮২]। শৰণ গ্রহণকাৰীযে পাঁচবাৰ দণ্ডৰত কৰি শৰণ লোৱা নিয়ম[৮৩]। দণ্ডৰততে শৰীৰৰ অষ্ট অঙ্গ যোগ থাকে। ইয়াক অষ্টাঙ্গ প্রণতি বুলি কোৱা হয়। দুই জানু, দুই হস্ত, দুই চক্ষু, শিৰ আৰু বক্ষ এই অষ্ট[৮৪] অঙ্গৰে গুৰুৰ সম্মুখত শৰণবাক্য উচ্চাৰণ কৰিব লাগে। এই প্রক্রিয়াৰে শৰীৰ আৰু মনৰ একাত্মতা আনে। শৰণ কার্যৰ শেষত শৰণীয়াজনক নিজ নামৰ লগত আৰু এটি নাম দিয়া নিয়ম। নতুন নাম দিয়াৰ তাৎপর্য হ'ল মনুষ্য দেহ পিতৃ-মাতৃয়ে' ৰতি সুখৰ যোগেদি কামনা-বাসনা লৈ সৃষ্টি কৰে। সেয়ে সেই মনুষ্য দেহ গুৰুৰে শৰণৰ যোগেদি সংস্কাৰ কৰি নৰ সংস্কাৰিত শৰীৰ প্রদান কৰে। এই নৰ শৰীৰ নির্মাণ হেতু নতুন পৰিচয়ৰ প্রয়োজন হোৱাত নতুন নামেৰে সংস্কাৰী জীৱনৰ পৰিচয দিয়া হয। আধ্যাত্মিক লক্ষ্যত উপনীত হ'বৰ বাবে পৰিত্রতা তথা সংস্কাৰী জীৱনৰ যে প্রযোজন তাক উপলব্ধি কৰি সকলোৱে প্রাথমিক সংস্কাৰ শৰণত অত্যাধিক গুৰুত্ব আৰোপ কৰে। দীক্ষা বা মালামন্ত্র গ্রহণ কৰাৰ সময়ত কেবাখনো গুৰা-পাণৰ শৰাই দি গুৰুৰ পৰা আজ্ঞা লোৱা প্রথাই দীর্ঘ সময প্রতীক্ষা কৰাৰ কথা বুজোৱা হৈছে। তাৰ দ্বাৰা আন্তৰিক দৃঢতা আৰু ধৈর্য অৱলম্বন কৰাৰ সুযোগ আহে। আন্তৰিক দৃঢতা, কষ্ট সহিষ্ণুতা ধৈর্যৰ অবিহনে লক্ষ্যত উপনীত হ'ব নোৱাৰি।

এইদৰে সত্রীয়া নিত্য-নৈমিত্তিক কর্মসমূহে শাৰীৰিক, মানসিকভাৱে সংযত কৰাই শান্ত-সাত্ত্বিকতা ভাব অন্তৰত উদয় কৰে, যিয়ে কায-মনো-বাক্যেৰে সর্বময় কর্তাৰ ওচৰত আত্মসমর্পণ কৰিবলৈ শক্তি যোগায। ফলস্বৰূপে 'সো হ হংং' অর্থাৎ জীৱাত্মা পৰামাত্মাৰ একৰূপ অভিন্নতা পোৱাত সহায় কৰে।

৪. সত্রীয়া জীৱনত লোক-পৰম্পৰা আৰু লোক-বিশ্বাস

জাতীয় জীৱনৰ প্রকৃত স্বৰূপ পাবলৈ হ'লে সামাজিক, সাংস্কৃতিক আৰু ধর্মীয় অনুষ্ঠানৰ আচৰণীয় কর্ম, ৰীতি-নীতি আৰু বিশ্বাস পৰম্পৰাৰ বিচাৰ কৰিবই লাগিব। ধর্মীয় বাহ্যোন আৰু সামাজিক অনুশাসনৰ দ্বাৰা মানুহ যিদৰে নিযন্ত্রিত হয়, সেইদৰে লোক-পৰম্পৰা আৰু লোক-বিশ্বাস অনুশাসনৰ দ্বাৰাও ব্যক্তিগত তথা সামাজিক জীৱনত মানুহ নিয়ন্ত্রিত হৈ চলে। সাধাৰণতে লোক-বিশ্বাসসমূহৰ লগত মানুহে কোনো কর্মৰ ফলাফল সংযোগ কৰি লয। বিশ্বাসৰ জৰিযতে ভাল-বেয়া, শুভ-অশুভ, পাপ-পুণ্য, শুদ্ধ-অশুদ্ধ বিচাৰো কৰে। অর্থাৎ লোক-বিশ্বাসে কিছু আধ্যাত্মিক আৰু সামাজিক

---

৮৪ জানুভ্যামথ পাণিভ্যাং চক্ষুর্ভ্যাঞ্চ পুনঃ পুনঃ।
উৰসা শিৰসা চৈব প্রণমেদষ্টাঙ্গ উচ্যতে।। (উদ্ধৃত, শ্লোক ৮২, পৃঃ ১৬৪)

মূল্যবোধ সৃষ্টি কৰে। সেয়ে লোকসমাজে ইয়াৰ ওপৰত গুৰুত্ব দিয়ে। আনহাতে লোক-পৰম্পৰাত লোক-সমাজে কৰি থৈ যোৱা আৰ্হিৰ অনুসৰণ কৰাত গুৰুত্ব দিয়ে। ইয়াত ফলাফলৰ গুৰুত্ব নাথাকে, ৰৰং জ্যেষ্ঠজন, আত্মীয়স্বজন বা লগতে লোক-সমাজে কৰি যোৱা কর্মই আৰ্হি হৈ পৰে। লোক-বিশ্বাসত বিধি নিষেধ আৰু নির্দেশ থাকে। পৰম্পৰাগতভাৱে এনে বিশ্বাস মানুহে মান্য কৰে। বিশ্বাসত তিনিটা কথাৰ বিশেষ ভিত্তি থাকে ঃ

(১) অতিপ্রাকৃত বা অলৌকিক শক্তিত বিশ্বাস,

(২) নৈতিক মূল্যত বিশ্বাস,

(৩) শুভ-অশুভৰ বিশ্বাস।

এই তিনিটা বিশ্বাসৰ মূল ইন্ধনযুক্ত শক্তি মানুহৰ ব্যক্তিগত বা সামাজিক মংগল-অমংগলৰ ধাৰণা। লোক-বিশ্বাসসমূহ গঢ়ি উঠাত মানুহৰ অভিজ্ঞতাৰ পৌনঃপুনিকতা, ধর্মীয় বিশ্বাস, ধর্মৰ লগত জড়িত আখ্যান আৰু আচাৰ-নীতি, নৈতিক মূল্যবোধ আৰু সামাজিক মূল্যবোধকে ধৰি বিভিন্ন মূল্যবোধ আৰু লোকপ্রবাদ আদিয়ে বিশেষ ভূমিকা গ্রহণ কৰে। অসমত ডাকৰ বচন, ফকৰা-যোজনাকে ধৰি লোক প্রবাদৰ এটা অংশই, ধর্মীয় বিশ্বাস, ধর্মীয় আচাৰ-নীতি, কাব্য মহাকাব্য, পুৰাণকে ধৰি বিভিন্ন ধর্মগ্রন্থই, জ্যোতিষ, কল্প আদিৰ প্রভাৱে লোক-বিশ্বাসসমূহ গঢ়ি উঠাত সহায় কৰি আহিছে।

লোক-পৰম্পৰা আৰু লোক-বিশ্বাসবিলাকেহে সাংস্কৃতিক জীৱন পূর্ণাঙ্গ কৰি তোলে। সত্রানুষ্ঠানো এনে বিশ্বাস আৰু পৰম্পৰাসমূহৰ পৰা আঁতৰি থাকিব নোৱাৰে। যিহেতু সত্রানুষ্ঠানৰো এক সাংস্কৃতিক সত্তা আছে, সেইবাবে সত্রীয়া জীৱনধাৰাত লোক বিশ্বাস আৰু লোক-পৰম্পৰাৰ বিশেষ প্রভাৱ আছে। অৱশ্যে উদাস আৰ্হিৰ সত্রসমূহত গ্রামীণ জীৱনধাৰাৰ লোক-বিশ্বাস লোক-পৰম্পৰাৰ আটাইখিনি প্রভাৱ নপৰে। বিশেষকৈ জন্মকালীন জাত-কর্ম, নামকৰণ, অন্নপ্রাসন আৰু বৈবাহিক-কর্মৰ বিশ্বাস পৰম্পৰাৰ ব্যৱহাৰিক প্রভাৱ নাথাকে। সেইদৰে পূর্বতে মূলতঃ সত্রবিলাক কৃষিপ্রধান নাছিল কাৰণে কৃষি সম্বন্ধীয় বিশ্বাস পৰম্পৰাৰ অধিক প্রভাৱ পৰা দেখা নাযায়। বর্তমান বহুতো সত্রৰ কৃষি মূল জীৱিকা হোৱা হেতু ইয়াৰ প্রভাৱ পৰিছে। সত্রানুষ্ঠানত প্রচলিত বিশ্বাসসমূহৰ লগত তলত দিয়া বিষয়বিলাকৰ সম্পর্ক লক্ষ্য কৰা যায় ঃ

(১) আনুষ্ঠানিক ধর্মীয় মাঙ্গলিক কর্ম

(২) ব্যৱহার্য সামগ্রীৰ নির্মাণ আৰু ব্যৱহাৰ

(৩) খাদ্য সামগ্রী আৰু খোৱা-লোৱাৰ বিচাৰ

(৪) বস্ত্র, আ-অলঙ্কাৰৰ ব্যৱহাৰ

(৫) চিকিৎসা আৰু ঔষধপাতি

(৬) বিবিধ বৃক্ষ ৰোপণৰ ৰীতি

(৭) যাত্রা আৰু যিকোনো শুভ কর্মৰ দিন নিৰূপণ ব্যৱস্থা,

(৮) সাৱধানৰ জাননী, শুভ-অশুভ ইঙ্গিত আৰু ইয়াৰ প্রতিকাৰ।

(১) আনুষ্ঠানিক ধর্মীয় মাঙ্গলিক কর্ম ঃ জাতকর্ম, নামকৰণ, অন্নপ্রাসন, বিবাহ, শ্রাদ্ধকর্ম আৰু দীক্ষাকর্মসমূহ ভাৰতবর্ষৰ প্রায়বোৰ অঞ্চলতে পালিত হয়। সত্রত বিশেষভাৱে সংলগ্ন হৈ থকা ধর্মীয় কর্ম হ'ল— শৰণ, ভজন মালামন্ত্র গ্রহণ আৰু দীক্ষা কার্য, জন্মতিথি পালন, মৃতকৰ উদ্দেশ্যে কৰা শ্রাদ্ধ কর্ম, ব্রাহ্মণৰ উপনয়ন সংস্কাৰ, হোম তর্পণ পূজা সেৱা আৰু বিবিধ উপলক্ষ্যলৈ পতা নাম-কীর্তন আদি আনুষ্ঠানিক কর্ম। প্রত্যেক ধর্মীয় কর্মতে বিশ্বাস আৰু পৰম্পৰা ওতপ্রোতভাৱে জড়িত হৈ আছে। বিশ্বাস আছে যে কোনো লোক শৰণীয়া নহ'লে তেওঁৰ হাতে তামোল এখনো খোৱা নিষেধ। তেওঁক অসংস্কৃত বুলি ধৰা হয়। অসংস্কৃত লোকে সামাজিক মর্যাদা নাপায়। শৰণ ল'লেহে সংস্কাৰ হৈ আধ্যাত্মিক ক্ষেত্রত প্রৱেশ কৰিব পাৰে। ইয়াৰ পিছতহে ভজন আৰু মালামন্ত্র গ্রহণৰ উপযোগী হ'ব পাৰে। শৰণ-ভজন, দীক্ষাকর্ম আদি কৰাৰ আগতে লঘোণে থকা বিশেষ নিয়ম। মৃত-পুৰুষৰ উদ্দেশ্যে শ্রাদ্ধ-কর্ম কৰা সত্রীয়া জীৱনত অপৰিহার্য বিষয়। শ্রাদ্ধ কর্মত প্রধানতঃ মৃত পুৰুষৰ উদ্দেশ্যে যি পিণ্ডদান কৰা হয় ই শ্রদ্ধা আৰু বিশ্বাসৰ মূল ভিত্তি। হিন্দু ধর্মই পৰলোক আৰু পৰজন্ম বিশ্বাস কৰে। এটা জন্ম লোৱাৰ পিছত মৃত্যু আৰু মৃত্যু হোৱাৰ পিছত পুনৰ সেই জীৱই আন ৰূপত জন্ম গ্রহণ কৰাৰ কথা হিন্দু শাস্ত্রই তথা ভাৰতীয় দর্শনে যুক্তি সহকাৰে দাঙি ধৰিছে। সেই অর্থত মৃত্যু হোৱাৰ পিছত মৃতক য'তেই নাথাকক তেওঁৰ অর্থে পুত্র বা বংশধৰসকলে পিণ্ডদান কৰাটো মুখ্য কর্তব্য আৰু নৈষ্ঠিক দায়িত্ব স্বৰূপে পালিত হয়। ধর্মীয় শাস্ত্রৰ এই সম্পর্কত থকা যুক্তিবোৰ এনে বিশ্বাসৰ মূল ভিত্তি। গৰুড় পুৰাণত শ্রীকৃষ্ণই গৰুড়ক দিয়া উপদেশ এই প্রসঙ্গত প্রণিধানযোগ্য[৬৫]। ইয়াৰ উপৰি মানুহে

---

৬৫ শৃণু পক্ষীন্দ্র প্রেতানাং যথা শ্রাদ্ধন্ত তৃপ্তিদম্।
দেৱো যদ্যপি জাতো হয়ং মনুষ্যকর্মযোগতঃ
তস্যান্নমমৃতং ভূত্বা দেৱত্বহপ্যনুযাতিচ।
গান্ধর্ৱে ভোগৰূপেণ পশুত্বে চ তৃণংভৱেৎ।।
শ্রাদ্ধংহি বায়ুৰূপেণ নাগত্বেহ প্যনুগচ্ছতি।
ফলংভৱতি পক্ষিত্বে ৰাক্ষসেষু তথামিষম্।।
দানৱত্বে তথা মাংসং প্রেতত্বে ৰুধিৰং তথা।
মনুষ্যত্বেহন্নপানাদি ৰালাভোগৱসো ভৱেৎ।। (গৰুড় পুৰাণ, সম্পা আচার্য পঞ্চানন তর্কৰত্ন, উত্তৰখণ্ড, শ্লোক ৪, ৫, ৬, ৭, পৃঃ ৭৩)

মৃত্যুৰ পিছত প্রেতৰ উদ্দেশ্যে দহটা পিণ্ড দি দহটা অঙ্গৰে সৈতে যি নতুন শৰীৰ নির্মাণ কৰাৰ কথা কোৱা হয়, গৰুড় পুৰাণে সেই বিষযেও এক আধ্যাত্মিক বিশ্বাস স্থাপন কৰিছে[৬৬]। মানুহৰ মৃত্যু হ'লে, তিথি, বাৰ আৰু নক্ষত্র শুভ হোৱাটো বিচাৰে। যিটো মৃত্যুৰ দিনত অশুভ তিথি, বাৰ আৰু নক্ষত্র শুভ হোৱাটো বিচাৰে। যিটো মৃত্যুৰ দিনত অশুভ তিথি, অশুভ বাৰ আৰু অশুভ নক্ষত্রৰ সংযোগ ঘটে তাকে 'পুহকৰ' লগা বুলি কোৱা হয়। পুহকৰ লাগিলে গৃহস্থ ঘৰৰ কাৰণে ভাল নহয বুলি ধাৰণা আহে আৰু মৃতকৰ আশা থাকি যায বুলি বিশ্বাস কৰে। জ্যোতিষৰত্নত তলত দিয়া এনে তিথি, বাৰ, নক্ষত্রত পুহকৰ লাগে বুলি কোৱা হৈছে[৬৭]।

তিথিৰ পুহকৰ - দ্বিতীয়া, সপ্তমী, দ্বাদশী

বাৰৰ পুহকৰ - ৰবি, মঙ্গল, শনি

নক্ষত্রৰ পুহকৰ - পুনর্বসু, উত্তৰষাড়া, কৃত্তিকা, উত্তৰ ফাল্গুনী, পূর্বভাদ্র, বিশাখা।

মৃত ব্যক্তিৰ সংস্কাৰ কৰালৈকে এনে কিছুমান ধৰা-বন্ধা নীতি আৰু লোক-বিশ্বাস আছে যে সত্রীযা জীৱনত ইয়াৰ বিশেষ প্রভাৱ পৰিলক্ষিত হয। এজন ভকতে শেষ নিঃশ্বাস ত্যাগ কৰাৰ আগে আগে জ্ঞাতি ভকত-বৈষ্ণৱে সেই মুমূর্ষু ব্যক্তিজনক বাহিৰ চোতাললৈ উলিযাই আনে। মৃত্যু হোৱাৰ লগে লগে মৃতকক বগা কাপোৰৰ আৱৰণ দি ঢাকি ৰখা হয়। কোনো কাৰণত ঘৰৰ ভিতৰৰ পৰা উলিযাব নোৱাৰিলে মৃত্যু হোৱা ঘৰ খোটালিৰ খেৰ চাল উলিযাই পেলোৱাৰ নিযম আছে। সেই ঘৰ কোঠালিত পৰিত্রতাৰ কাৰণে হোম দিযা, গীতা পাঠ, সহস্র নাম পাঠ আদি কৰোৱাৰো নিয়ম আছে। জীৱাত্মাই নতুন জীৱনলৈ যাত্রা কৰাৰ বিশ্বাসত মৃতকক নতুন বস্ত্র পৰিধান কৰাই শ্মশানলৈ নি তেল-হালধি সানি দাহাদি কর্ম কৰে। পঞ্চৱৰত্নত পঞ্চভূত বিলীন হ'বৰ কাৰণে পঞ্চৱত্ন 'শ'ত লগায। চিতা সাজি চিতাৰ ওপৰত উত্তৰলৈ শিৰ ৰাখি

---

[৬৬] দগ্ধে দেহে পুনর্দেহমেবমুৎপদ্যতে খগ।
প্রথমেহনি যঃ পিণ্ডস্তেন মূর্দ্ধা প্রজাযতে।।
গ্রীবা স্কন্ধৌ দ্বিতীযে চ তৃতীযে হৃদযং ভবেৎ।
চতুর্থেন ভবেৎ পৃষ্ঠো পঞ্চমে নাভিৰেব চ।
ষট সপ্তমে কটিগুহ্যমুৰুচাপাষ্টমে তথা
তালুপাদৌ চ নবমে দশমে' হি ক্ষুধা ভবেৎ।।(উল্লিখিত, উত্তৰখণ্ড, শ্লোক ৪৮, ৪৯, ৫০, পৃঃ ৯৩)
প্রেত আৰু শ ৰ মাজৰ পার্থক্য আছে-প্র উপসর্গৰ লগত ই ধাতু আৰু ক্ত প্রত্যয যোগ হৈ প্রেত হৈছে। 'প্রেত' শব্দৰ অর্থ প্রযাণ কৰা, গতি কৰা, আনহাতে ভূমিত পৰি থকা নিশ্চল দেহাটো 'শ'। এই দুযোটাৰে পৃথক সংস্কাৰ আছে।

[৬৭] জ্যোতিষ ৰত্ন সংগ্রহ, পৃঃ ৮১

শৱদেহ অগ্নিৰে দাহ কৰে। চিতাৰ চাৰিখুটাৰে আৱৰি ৰখা মাটিখিনি তামৰ পইচাৰে কিনি লোৱাৰ লোক-বিশ্বাসো পালন কৰা হয়। মৃতকৰ সৈতে সম্পর্ক থকা লোকসকলে মাহেকৈলৈ কাৰো সৈতে স্পর্শা-স্পর্শ নকৰে। মৃতকৰ মূল কর্ম সম্পাদন কৰা ৰাক্তিয়ে চুৱা নোযোৱালৈকে এখন অস্ত্র হাতত লৈ থাকে। শৱ সৎকাৰ কৰি অহাৰ পিছত লোকসকলে এটুকুৰা শিলৰ ওপৰত ভৰি দি জুইত হাত সেকি নিমপাত মুখত লৈ ঘৰৰ ভিতৰলৈ সোমায। দাহাদি কৰি উলটি আহোঁতে সত্রত সোমোৱা ৰাতি হ'লে ৰাতি নুপুৱালৈকে সত্রৰ ভিতৰত প্রৱেশ কৰা নিষেধ। দহাত জ্ঞাতিসকলক ভোজন কৰাব লাগে। কাজত আদ্যশ্রাদ্ধ কৰি সত্রবাসী ভকত-বৈষ্ণৱক জলপান খুওৱাৰ ব্যৱস্থা কৰা হয। আদ্যশ্রাদ্ধৰ অন্তত পুনৰ জ্ঞাতিসকলক লৈ মৃতকৰ লোকসকলে জ্ঞাতিৰ সৈতে ভোজন কৰি ব্রত ভাঙিব লাগে।

ঈশ্বৰ পূজা মূল যদিও ভূত-প্রেত, যখ-যখিনী, বুঢা ডাঙৰীযা, গছ, নদ-নদী, সাপ, শিল আদিৰ ওপৰতো সাধাৰণ অনেক বিশ্বাস ৰাখি পূজা পাতল কৰে। সত্রত কৃষ্ণ-কেন্দ্রিক ঈশ্বৰ পূজাহে কৰা হয। নৱধা-ভক্তিৰ মাধ্যমেৰে সত্রত প্রসঙ্গ বা নাম-কীর্তন কৰাৰ ব্যৱস্থা আছে। ইযাৰ মূলতঃ 'হৰি নামে কৰে সবাকে সুসাঙ্গ' এনে বিশ্বাস মূলকথা[৬৮]। নামৰ আৱন্তণিতে দিযা শৰাইখনি এই বিশ্বাসৰ মূল প্রতীক। দৈনন্দিন জীৱনত গৃহস্থৰ যি পঞ্চকর্ম আছে সেই পঞ্চযজ্ঞৰ কর্ম সত্রতো সত্রস্থসকলে সম্পাদন কৰে। পঞ্চ যজ্ঞ হ'ল— দেৱ যজ্ঞ, ব্রহ্ম যজ্ঞ, পিতৃ যজ্ঞ, ভূত যজ্ঞ, মনুষ্য যজ্ঞ[৬৯]।

দেৱ যজ্ঞ ঃ দেৱতাৰ উদ্দেশ্যে পূজা, বন্দনাসূচক স্তুতি পাঠ আৰু নাম-কীর্তন কৰা।

ব্রহ্ম যজ্ঞ ঃ অধ্যয়ন-অধ্যাপন এই যজ্ঞৰ মূল কর্ম। নামঘৰত ভাগৱত পাঠ, পদপাঠ আৰু বিবিধ পুথি পাঠৰ জৰিযতে পাঠক শ্রোতাৰ মাধ্যমত অধ্যয়ন কার্য সম্পন্ন হয।

পিতৃ যজ্ঞ ঃ পিতৃৰ উদ্দেশ্যে কৰা দৈনন্দিন তর্পণ ক্রিয়া।

ভূত যজ্ঞ ঃ ভূত শব্দৰ অর্থ প্রাণী। প্রধানতঃ গো-প্রতিপালনৰ যোগেদি সত্রত এই ভূত যজ্ঞ সম্পাদন কৰা হয়। দৈনন্দিন কুকুৰ-মেকুৰী, চৰাই-চিৰিকতিক দিয়া আহাৰ এই ভূত যজ্ঞৰ অন্তর্ভুক্ত।

মনুষ্য যজ্ঞ ঃ দৈনন্দিন অহা অতিথিবর্গক সেৱা শুশ্রূষা কৰা এই যজ্ঞৰ মূল কার্য।

এই পঞ্চযজ্ঞৰ যোগেদি সকলোৱে বিশ্বাস কৰে যে দৈনন্দিন ঘটি থকা অজ্ঞাত পাপসমূহ নাইকিয়া হয়। সত্রীয়া জীৱনত জুই পানীৰ ব্যৱহাৰ, লেপন, সৰা-মচা আৰু বিবিধ কর্ম সম্পাদন কৰোঁতে পোক-পৰুৱা, কীট-পতঙ্গৰ অজানিতে হোৱা বধজনিত

---

৬৮ কীর্তন, পৃঃ ২৩

৬৯ দ্র ৪০১ (ঘ)

পাপসমূহ এই পঞ্চযজ্ঞৰ যোগেদি নোহোৱা হয় বুলি বিশ্বাস কৰা হয়।

(২) ব্যৱহার্য সামগ্রীৰ নির্মাণ আৰু ব্যৱহাৰ ঃ ব্যৱহার্য সামগ্রীৰ ভিতৰত ঘৰ মানুহৰ মুখ্য উপাদান। সাধাৰণ লোকে ঘৰ সাজোঁতে জ্যোতিষৰ এটা নিয়ম মানি চলে। সেই নিয়ম হ'ল, যিখন বাৰীৰ ঘৰ ল'ব খোজে, বাৰীখনক দীঘলে আঠ আৰু পথালিয়ে আঠ ভাগ কৰি চুকীয়া চুকীকৈ দুফালে দুডাল ৰেখা টানিব লাগে[১০]। তাৰে দক্ষিণ-পশ্চিম চুকৰ পৰা উত্তৰ-পূব চুকলৈ টনা ৰেখাডাল অগ্নিদণ্ড, পশ্চিম-উত্তৰ চুকৰ পৰা পূব-দক্ষিণ চুকলৈ থকা ৰেখা মাহিন্দ্রদণ্ড, আনহাতে পূৱৰ পৰা পশ্চিমলৈ মাজে মাজে থকা ৰেখা সূর্য দণ্ড আৰু উত্তৰৰ পৰা দক্ষিণলৈ মাজে মাজে থকা ৰেখা যমদণ্ড নামেৰে পৰিচিত। এই ৰেখা কেইডালে স্পর্শ কৰা ঠাইবিলাকত ঘৰ সাজিব নাপায়। জ্যোতিষৰ মতে মানুহৰ বিশ্বাস ভেটিৰ চাৰিকাষৰ ঠাই প্রেতৰ নিমিত্তে। এই স্থান ঘৰ পতাৰ উপযোগী নহয়। তাৰ ওপৰৰ অংশতহে চাৰিওফালে মানুহে ঘৰ সজা নিয়ম। এই অংশ মনুষ্যৰ বাবে। মনুষ্য স্থানৰ ওপৰৰ অংশ চাৰিওফালে থকা ঠাই গন্ধর্ব লোকৰ। গন্ধর্ব লোকৰ ওপৰত মাজৰ অংশ দেৱতাৰ নির্দিষ্ট স্থান। গন্ধর্ব আৰু দেৱতা এই দুই স্থানতো মানুহে ঘৰ সাজি কর্ম কৰা নিয়ম নহয়। এই প্রণালীমতে সত্রৰ নির্দিষ্ট বহাবিলাকৰ একোটা ভেটিত এই নিয়ম প্রযোজ্য নহয়। কিন্তু সত্রখনৰ গোটেই ক্ষেত্রখনকেই একোটা ভেটি বুলি গণ্য কৰি সত্রৰ নামঘৰ-মণিকূট আদি মূল অনুষ্ঠান আৰু বাসগৃহবিলাক সজা নিয়ম। সত্রৰ সকলোৱে একেলগে বাস কৰি একেখন ঘৰতে সহ-অৱস্থান কৰা ধাৰণাটো সকলোৱে মানি লয়। এনে প্রণালী অতি যুক্তিসম্মতভাৱে খাপ খোৱা। ওপৰৰ জ্যোতিষৰ এই প্রণালীমতে ভেটিৰ চাৰিওকাষৰ মাটিত সত্রৰ কোনো বাসগৃহ নাথাকে যি ঠাই প্রেত স্থান তাৰ ওপৰত মনুষ্যৰ স্থানত ভকতসকলৰ বহাবিলাক চাৰিহাটীত সজা থাকে। বহাবিলাকৰ আগভাগ গন্ধর্ব স্থান। এই স্থানতো বাসগৃহ সজা নাথাকে। গন্ধর্ব স্থানৰ প্রতীক জলাশয় উদ্যান বা গন্ধর্বীয় অনুষ্ঠান, নাটশালা নির্মাণ কৰা থাকে। গন্ধর্ব স্থানৰ ওপৰত দেৱতাৰ স্থান। এই স্থানতে নামঘৰ-মণিকূট সজা থাকে। নামঘৰ-মণিকূটৰ কাষতে গুৰুগৃহ আৰু গুৰুপদ-চিহ্ন থকা পদশিলাৰ ঘৰ থকা নিয়ম। গুৰু আৰু ঈশ্বৰক অভিন্ন ৰূপত গ্রহণ কৰি নামঘৰ মণিকূটৰ কাষতে এই গুৰুগৃহ বা পদশিলা ঘৰ প্রতিষ্ঠা কৰাৰ ধর্মীয় বিশ্বাস আৰু পৰম্পৰা প্রচলিত। দেৱগৃহৰ লগতে সম্পর্ক থকা দেৱগৃহৰ প্রয়োজনীয় সামগ্রী উপাদান সংগৃহীত ঘৰো এই স্থানৰ কাষতে নির্মাণ কৰাৰ পৰম্পৰাও আছে। হাটীৰ বহাবিলাক নির্মাণ কৰোঁতে সাধাৰণতে লোক-বিশ্বাসৰ প্রভাৱ বিশেষভাৱে থাকে। শয়ন কোঠা, বৈঠকী কোঠা, ৰান্ধনী ঘৰ, ভঁৰাল ঘৰ গোসাঁই স্থান এইবিলাকৰ বিশেষ ব্যৱহাৰ

---

[১০] জ্যোতিষ ৰত্ন, পৃঃ ৬৩, ৬৪

আছে যদিও একেটা ঘৰতে মাজত বেৰ একোখন দি সামান্য ভাগ কৰি পৃথক পৃথক কর্মসমূহ পৃথকে সম্পাদন কৰে। ঘৰ চাওতে খেৰ অপৰিহার্য। খেৰ কোন দিনা কাটিব আৰু লগাব তাৰ নির্দিষ্ট দিন থাকে, ডাকৰ এই কথা ফাঁকিয়ে সেই কামৰ নির্দিষ্টতা দেখুৱায় ঃ

"সোমে গাঁঠি মঙ্গলে মাটি
শনিয়ে খেৰকো নাকাটি।"

এই প্রবচনত শনিবাৰে খেৰ কাটিবলৈ যেনেকৈ বাধা কৰা হৈছে, তেনেদৰে ঘৰত মঙ্গলবাৰে মাটি পেলোৱা বা ভেটিৰ মাটি খন্দা কামো কৰিবলৈ বাধা কৰা হৈছে। সেইদৰে ঘৰৰ গাঁঠি সম্বন্ধীয় কাম সোমবাৰে কৰিবলৈ বাধা কৰা হৈছে। ঘৰৰ কামৰ বাবে বেত আৰু বাঁহ অত্যন্ত প্রয়োজনীয় সামগ্রী। এই বেত-বাঁহ কাটিব নোৱৰা বাধাৰ দিন আছে ঃ

"শী-ত সৰিয়হ মী-তমাহ,
শৰণত নাকাটে বেত বাঁহ।"

'শী'ৰ অর্থ — একাদশী, দ্বাদশী, ত্রয়োদশী, চতুর্দশী, আঁউসী এই পাঁচোটা তিথিত সৰিয়হ সিঁচিব নাপায়। 'মী'ৰ অর্থ পঞ্চমী, সপ্তমী, অষ্টমী, নৱমী, দশমী এই পাঁচটা তিথিত মাহ সিঁচিব নাপায়। শৰণত বেত আৰু বাঁহ কাটিব নাপায়। উত্তৰষাড়া নক্ষত্রৰ পৰা ৰেৱতী নক্ষত্রলৈকে শৰণ লাগে বুলি লোক-বিশ্বাস আছে[১১]। এই শৰণৰ সময়ৰ উপৰিও শনি আৰু মঙ্গলবাৰে বাঁহ-বেত কাটিলে ফুলে বুলি লোকসমাজত ধাৰণা আছে আৰু তেনে সময়ত কটা বাঁহ-বেত ঘৰত লগালে শুভফল নিদিয়ে বুলি বিশ্বাস কৰা হয়। ঘৰৰ কামৰ বাবে বর্জনীয় কাঠ, এজাৰ, খকন আদি। 'এজাৰে বেজাৰ দিয়ে'। 'খকন খৰিয়াল'। খকন কাঠে কাঁজিয়াৰ সৃষ্টি কৰে বুলি ভবা হয়। ঘৰ নির্মাণ বা সামগ্রী ব্যৱহাৰৰ ক্ষেত্রত আৰু বহু ধৰণৰ বাধা আছে। তাৰ ভিতৰত ঘৰৰ দুখন চাল হাতী-সাঙ্গোৰা দিব নাপায়, মাৰলি শৰ কোণীয়াকৈ দিব নাপায়। গাঁঠি কাতি কৰি দিব নালাগে। ঘৰ হলীয়াকৈ অর্থাৎ দুটা হাতীৰ দৰে যুৱীয়াকৈ সমান জোখত সাজিব নাপায়। মূল ঘৰতকৈ পাগ কৰা ঘৰ সৰুকৈ সাজিব লাগে। অসমৰ গ্রামীণ জনসাধাৰণে এই ঘৰক বৰঘৰ আখ্যা দিয়ে যদিও সত্রত এইঘৰ পাগঘৰ নামেৰে পৰিচিত। ভাদ, কাতি, পুহ, মাঘ আৰু চ'ত মাহত ঘৰ সাজিব নাপায় বুলি লোক-বিশ্বাস আছে। এই নিয়ম সত্রতো মানি চলে। অগ্নিশৰতো ঘৰৰ কাম কৰা নিষেধ, সাতাইছটা নক্ষত্রৰ ভিতৰত শেষৰ সাতোটা নক্ষত্রত অগ্নিশৰ লাগে। ঘৰৰ প্রথম খুটা পোতোতে মূল ধৰণী খুটা স্বৰূপে গণ্য কৰি পঞ্চৰত্ন,

---

১১ উল্লিখিত, পৃঃ ৮১

ধূপশলা, ভোজনী আদি দি পৃথিৱীক পূজা কৰা হয়। ধ্বজ়াৰ প্রতীকৰূপে খুটাত বস্ত্র মেৰিয়াই খনীয়া নির্মালি লগোৱা হয়। নতুন ঘৰ সাজি ঘৰ লওঁতে সমুদায় ভেটি গোবৰ মাটিৰে মচিব' লাগে। ঘৰত প্রৱেশ কৰাৰ আগত দুৱাৰদলিত আমপাতৰ মালা আঁৰি থ'ব লাগে। মূল দুৱাৰৰ দুইকাষে মাটিৰ কলহত চাউল সম্পূর্ণকৈ ভৰাই তাৰ ওপৰত চাকি জ্বলাই থ'ব লাগে, আনটো কলহত পানী ভৰাই আমপাত আৰু কেঁচা গোটা নাৰিকল ওপৰত থ'ব লাগে। এই সকলোখিনি মংগলৰ প্রতীকৰূপে গণ্য কৰা হয়। ঘৰত প্রৱেশ কৰাৰ দিনা ব্রাহ্মণৰ দ্বাৰা উপাসনাৰ স্থানত তুলসী সহস্রনাম, গীতা পাঠ কৰোৱাৰ নিয়মো আছে। এই মাঙ্গলিক কর্মৰ অন্তত নাম গোৱা প্রথা আছে। মূল ঘৰৰ লগতে সত্রীযা জীৱনতো ধান থোৱা মেৰ, গোহালি ঘৰ আদি সজাৰ নিযম মানি চলা হয়। লোকসমাজত ভঁৰাল ঘৰ বেলেগে সাজে যদিও সত্রৰ বহাৰ কোঠাবিলাকৰ মাজতে মেৰ সাজি ধান থোৱাৰ ব্যৱস্থা থাকে। ইযাক ধানৰ মেৰ বুলি কোৱা হয। কোনো সত্রত বৰ চাঙতো ধান থোৱাৰ ব্যৱস্থা আছে। সাধাৰণতে "উত্তৰে চৰু দক্ষিণে গৰু" বুলি কোৱা বিশ্বাস আছে যদিও চৰু উত্তৰফালে কৰা নিযম ৰাখি গৰু গোহালি সাধাৰণতে বহাবিলাকৰ পিছফালে সজা নিযম। বহু সত্রত বহাৰ লগতে গোহালি নাৰাখি বেলেগ ঠাইত চাপৰি অঞ্চলত গৰু ৰাখি খুটি কৰাৰ নিযম প্রচলিত হৈ আহিছে।

গৰু ভকতসকলৰ প্রধান পোহনীয়া জন্তু। গৰুৰ বাহিৰে অন্য জন্তু ৰখা বা পোহপাল দিয়া নিযম নাই। কোনো সত্রত অৱশ্যে বর্তমানে ম'হ ৰখাৰো নিয়ম প্রচলন হৈছে। গো-সেৱা এটা মুখ্য কর্ম ভাবি গো-প্রতিপাল কৰা সত্রত ব্যৱস্থা আছে। গৰুৰ গাখীৰ দৈনন্দিন জীৱনত প্রধান পুষ্টিকৰ সামগ্রী হিচাপে ব্যৱহৃত হোৱাৰ উপৰি ধর্মীয় কার্যত ব্যৱহৃত হোৱা পঞ্চগব্য মুখ্য সামগ্রী। গৰু গোহালিতো লক্ষ্মীৰ বাস হয বুলি বিশ্বাস কৰা হয। পাগঘৰৰ দৰে গোহালিতো চাপৰি সোমোৱাৰ নিযম। গোহালি ঘৰ আৰু পাগঘৰ দুই ঠাইতে পাদুকা পিন্ধি সোমোৱা নিষেধ। ঘৰ বুলিলেই বিশেষকৈ শোৱা আৰু খোৱা ঘৰৰ বেৰ মাটিৰে লেপন কৰাৰ নিযম। খোৱা ঘৰত বহা-মেলাৰ কাৰণে পীৰাৰহে ব্যৱহাৰ আছে। বহা পীৰা শিলিখা, আম, চাম আদি কাঠৰ হ'ব লাগে। হেতা, তলিয়া আদিও কাঠেৰে তৈযাৰ কৰি লোৱাৰ ব্যৱস্থা আছিল। কাঠ ব্যৱহাৰৰ মূল কথা হ'ল ই দোষমুক্ত। খোৱাৰ বাচন-বর্তনত কাঁহ ব্যৱহাৰ কৰা হয। পূব আৰু উত্তৰ মুৱা হৈ খোৱা নিযম।

খোৱা-সামগ্রী আৰু কটা-ছিঙা কৰা সঁজুলিবিলাকো থোৱাৰ বিশেষ নিযম আছে। দা-কুঠাৰ, কটাৰী দুখন একেলগে থ'ব নাপায়। কুলা-চালনী আৰু কাঁহী-বাটি বেলেগে বেলেগে থ'ব নাপায। দুযোটা সামগ্রী এযোৰ এযোৰকৈ থ'ব লাগে। ই সম্প্রীতিৰ

লক্ষণ। কাঁহী-বাটি বা কুলা-চালনী বেলেগে থলে লক্ষ্মী নাথাকে বুলি ভবা হয়। দোণত কোনো বস্তু ভৰাই থ'ব নাপায়। দোণেৰে ভৰাই বস্তু দিব নাপায়। ধানৰ মেৰৰ পৰা যি কোনো বাৰত ধান উলিয়াব নাপায়। সোম, বুধ এই দুইবাৰত ধান থোৱাৰ নিয়ম। এই দুই বাৰত ধান উলিওৱা নিষেধ। এই দুইবাৰ লক্ষ্মী বাৰ বুলি ধৰা হয়। নতুনকৈ মেৰত ধান থোৱাৰ দিনা মেৰৰ ওচৰত ধূপ আৰু মাহ প্রসাদ, মিঠৈ দিযা নিয়ম। লোক-বিশ্বাস আছে যে এনে নিযম পালন কৰিলে লক্ষ্মীবর্ধন হয। খোৱা ঘৰ, ধানৰ মেৰৰ লগতে গোপনীয় আন এটি স্থান হ'ল সত্রত শোৱা ঘৰ। এই শোৱা ঘৰতে বহাখনৰ মূল্যৱান সম্পত্তি নাওপেৰা আৰু বৰপেৰাত সাঁচি থোৱা হয। এই শোৱা ঘৰলৈ যেয়ে সেয়ে সোমোৱা নিষেধ। শোৱা ঘৰৰ বিছনা পুব আৰু দক্ষিণ শিৰা হ'ব লাগে। অর্থাৎ হয় পুবলৈ মুৰ দি নহয দক্ষিণলৈ মুৰ দি শোৱা নিয়ম। পুবত গোসাঁই থাপনা থাকে বাবে পশ্চিমলৈ মুৰ দি পুবলৈ ভৰি মেলি শোৱা নিষেধ। উত্তৰলৈ মুৰ দি নোশোৱাৰ কাৰণ স্বৰূপে গণেশৰ মুৰ জোৰা লগাবৰ সময়ত উত্তৰ ফালে মুৰ দি শুই থাকোঁতে গজেন্দ্রৰ মুৰ কাটি আনি ভগৱান বিষ্ণুৱে গণেশৰ ডিঙিত সংযোগ কৰাৰ কাহিনীটো জড়িত হৈ আছে। এই কাহিনী ব্রহ্মবৈৱর্ত পুৰাণত উল্লেখ আছে[১১]। ইয়াৰ লগত স্বাস্থ্যজনিত কাৰণো জড়িত হৈ থকাৰ সম্ভাৱনা আছে।

খাদ্য সামগ্রী খোৱা-লোৱাৰ বিচাৰ ঃ সত্রীয়া জীৱনত মাটিত দুই ভৰিৰ তলুৱা স্পর্শ হোৱাকৈ বহি মৌন হৈ খোৱা-বোৱা কৰা নিয়ম। ই বিশেষ সত্রীযা পৰম্পৰা, খোৱাৰ সময়ত ওপৰলৈ চাব নাপায়। তলমুৰকৈ খাব লাগে। ইযাৰ প্রবাদ আছে — "জ্ঞানীক ভাত দিলে তলমুৰকৈ খায, অজ্ঞানীক ভাত দিলে চালে-বেৰে চায।" খোৱা পাত্র এৰি আন ঠাইলৈ উঠি যাব নাপায়। কিবা কাৰণত উঠি গ'লে পুনৰ সেই উচ্ছিষ্ট আহাৰ খাব নাপায। ৰাতি দৈ গাখীৰ খাব নাপায়, 'নক্তে মা দধি ভোজনম'। কাঁহ, পিতলৰ পাত্রত দৈ গাখীৰ থ'ব নাপায়। সত্রীযা পৰিৱেশত মাটিৰ চৰুমলা বা কাঠৰ পাত্রতহে দৈ গাখীৰ খোৱা নিয়ম। কাঁহৰ বাটিত নাৰিকলৰ পানীও থ'ব নাপায়। এইবিলাকৰ পৰিণামত খোৱা দ্রব্য দূষিত হয় বুলি বিশ্বাস। কাঁহৰ পাত্রত এনে খোৱা দ্রব্য থলে কঁহ উঠে। টেঙা, খাৰ, তিতা আদি খোৱাৰ বিশেষ প্রথা আছে যদিও ইয়াতো বাধা আছে। দুবিধ টেঙা একেলগে খাব নাপায়, এঁৰা গাখীৰ খাই টেঙা খাব নাপায়, বাহী সিদ্ধ বস্তু পিছদিনা খাব নাপায়, কোমোৰা, জাতিলাও পঠালিকৈ কাটিব নাপায়, পচলা কাটিলে কলপাতেৰে মেৰিয়াই আনিব লাগে, আগলি কলাপাত দীঘে দীঘে আনি ভিতৰ সোমাব নাপায ইত্যাদি। আকৌ চাউলখোৱাৰ পিছত এশ খোজ যোৱাৰ

---

১১ ব্রহ্মবৈৱর্ত পুৰাণ, গণেশ খণ্ড, শ্লোক, ১২, ১৩, পৃঃ ৬১৮

আৰু তামোল খোৱাৰ নিয়মো পালন কৰা হয়। এই বিশ্বাসৰ শাস্ত্রীয় উক্তি হ'ল এনে ধৰণৰ ঃ

ভুক্ত্বা শতপদং গচ্ছেৎ তাম্বুল ত্রয় ভোজনম্।
বাম পার্শ্বেতু শয়নম্
সর্বব্যাধি বিনাশনম্।।

এনে নিয়মত দিনটোত কমেও তিনিখন তামোল খোৱাৰ প্রথা আছে। সত্রীয়া পৰম্পৰাত তামোল-পাণৰ বিশেষ ব্যৱহাৰ আছে। মহাপ্রভুৰ নৈৱেদ্যত তামোল উচ্ছর্গাৰ উপৰিও আউনীআটী মূল বিগ্রহৰ নিমিত্তে খুন্দা গুৱা দিয়া নিয়ম আছে। স্বপ্ন দেখুৱাই মূল গোবিন্দ মহাপ্রভুৱে এই খুন্দা গুৱা তেওঁৰ নৈৱেদ্যত দিয়াৰ ব্যৱস্থা কৰিছিল বুলি কোৱা হয়। নামঘৰৰ প্রসঙ্গীযা প্রত্যেককে সত্রাধিকাৱে গুৱা দিয়া বিশেষ নিয়ম। বিষয়া পাতোঁতে নির্মালি লোৱাৰ সময়ত গুৱা-পাণৰ শৰাই দিয়াটো ধৰা-বন্ধা নিয়ম। দায়-জগৰ ভণ্ডাৰ ক্ষেত্রতো গুৱা-পাণৰ শৰাই দি সত্রাধিকাৰৰ ওচৰত দায়-দোষ ভাঙিব লাগে। সকামী কর্মবিলাকত আগতীয়া দাযিত্ব দিয়াৰ ক্ষেত্রত গুৱা একোখন দিযা নিযম। কোনোবা সেৱকীয়ে সেৱা সৎকাৰ কৰোঁতে গুৱা-পাণৰ শৰাই দি সেৱা জনোৱাটো সত্রীয়া পৰিৱেশত ধৰা-বন্ধা ৰীতি। সত্রীয়া পৰিৱেশত ইজনে সিজনক গুৱা এখন যঁচা বা আলহী-অতিথি আহিলে গুৱা এখনেৰে অতিথিৰ লগত পৰিচয় হোৱাটো এটা বৈশিষ্ট্যপূর্ণ দিশ। সত্রীয়া জীৱনত তামোল-পাণৰ যোগান ধৰোঁতে এজন বিশেষ কর্মচাৰী থাকে। তেওঁৰ নামেই গুৱাকটা। আহোম ৰজাৰ দিনত ডাঙৰীয়াসকলক তামোল-পাণ যোগান ধৰিবলৈ তামুলী বিষয়াৰ সৃষ্টি হৈছিল[১৩]। তামোল ৰোৱাৰ বিশেষ নিয়ম আছে — ডাকৰ বচন মতে — 'সাতে তনু পাঁচে ঘন ছয়ত তামোল নদন-বদন।' অর্থাৎ সাত হাতৰ অন্তৰত তামোল ৰুলে তামোলৰ গোট কমকে লাগে, পাঁচ হাত হ'লে বেছি ঘন হয়, ছয় হাতৰ অন্তৰ হ'লে নদন-বদন, বেছিকৈ লাগে। আকৌ 'লাগে নেলাগে, নেলাগে লাগে' অর্থাৎ পাতে পাতে লাগিলে নেলাগে, পাতে পাতে নেলাগিলে গোটি লাগে। খোৱা-লোৱাৰ ক্ষেত্রত মহাপ্রভুক নতুন অন্ন অর্পণ কৰিহে খোৱা নিয়ম। সেয়ে কোনো সত্রত যি নৱান্ন অনুষ্ঠিত হয় এই নৱান্ন পর্বৰ অন্ততহে ন চাউল খোৱা নিয়ম। যিকোনো নতুন দ্রব্য ওলালে গুৰু-বিপ্রত লগাই খোৱা নিয়ম সত্রতো আছে। নতুন পোৱালি বান্ধি গাখীৰ খীৱালে সেই গাখীৰ প্রথমতে মহাপ্রভুক তাৰ পিছত গুৰুক দিয়া নিয়ম। এনে নিয়ম ৰক্ষাৰ পিছতহে বহাখনৰ লোকসকলে ব্যৱহাৰত লগায়। তেনেদৰে শাক-

---

[১৩] অসমৰ লোক সংস্কৃতি, বিবিঞ্চি কুমাৰ বৰুৱা, পৃঃ ১১৩

[১৪] অসমৰ লোক সংস্কৃতি, লক্ষ্মীচৰিত্র, পৃঃ ১৬৫

পাচলি, ফলমূল নতুন দ্রব্যও গুৰুক অর্পণ কৰিহে নিজে ব্যৱহাৰ কৰে। খোৱা লোৱাৰ ক্ষেত্রত কিছুমান নির্দিষ্ট খাদ্য কিছুমান তিথিত খোৱাৰ ক্ষেত্রত ধৰাবন্ধা নিয়ম আৰু বিশ্বাস আছে। সেইবিলাকৰ নির্দিষ্ট বিৱৰণ আৰু বিশ্বাসৰ ফল তলত দাঙি ধৰা হ'ল[১৫] ঃ

প্রতিপদ তিথিত	-	কোমোৰা খাব নাপায়, খালে অর্থ হানি হয়।
দ্বিতীয়া তিথিত	-	খৰৰা বেঙেনা খাব নাপায়, খাঁলে হৰি স্মৰণৰ অযোগ্য হয়।
তৃতীয়া তিথিত	-	পটোল খাব নাপায়, খালে শত্রু বৃদ্ধি হয়।
চতুর্থী তিথিত	-	মূলা ভক্ষণ কৰিব নাপায়, খালে ধন হানি হয়।
পঞ্চমীত	-	বেল ভক্ষণ কৰিব নাপায়, কৰিলে কলঙ্ক হয়।
ষষ্ঠীত	-	নিমপাত ভক্ষণ কৰিব নাপায়, কৰিলে পক্ষীযোনি প্রাপ্তি ঘটে।
সপ্তমীত	-	তালফল ভক্ষণ কৰিব নাপায়, কৰিলে শৰীৰ বিনাশ হয়।
অষ্টমীত	-	নাৰিকল ভক্ষণ কৰিব নাপায়, কৰিলে মুর্খ হয়।
নৱমীত	-	লাও ভক্ষণ কৰিব নাপায়, কৰিলে গো মাংস তুল্য হয়।
দশমীত	-	কলমৌ ভক্ষণ কৰিব নাপায়, কৰিলে গো-বধ তুল্য হয়।
একাদশীত	-	উৰহী ভক্ষণ কৰিব নাপায়, কৰিলে পাপ হয়।
দ্বাদশীত	-	পুৰৈ শাক খাব নাপায়, খালে ব্রহ্মবধ সদৃশ পাপ হয়।
ত্রয়োদশীত	-	বেঙেনা খাব নাপায়, খালে পুত্র হানি হয়।
চতুর্দশীত	-	কলা মাহ খাব নাপায়, খালে চিৰৰোগ হয।
পূর্ণিমা আৰু অমাৱস্যাত	-	মাছ-মাংস খাব নাপায়, খালে মহাপাপ হয়।

ইয়াৰ উপৰিও কাতি মাহত মাছ আৰু মাঘ মাহত মূলা খোৱা নিষেধ।

পুহত কল, মাঘত জল এই প্রবাদো মানিব লগীয়া। খোৱা-লোৱা ব্যৱস্থাত বন্ধন-প্রকৰণৰ স্পষ্ট নির্দেশ থাকে। সেই নির্দেশমতে কাম কৰিলে তাৰ ফল পাবই লাগিব। চাউল কেনেকৈ বহাব লাগিব, কেনেকৈ বহালে চাউল ভাল হয়, তাৰ প্রসঙ্গত ডাকৰ বচনলৈ আঙুলিয়াব পাৰি[১৫]। খোৱা-বোৱা কৰোঁতে সত্রীয়া ভাষাত খোৱাৰ দ্রব্য বাঢ়ি

---

১৫ চাউল দিবা জতেক
পানি দিবা ততেক
পাগ আহিলে দিবা কাঠি
তেৱে কৰিবা জুই ভাঠি
জেৱে নিনিন্তে চাউল
তেৱেবুলিবা ডাকক বাউল।
ডাক প্রবচন, সম্পা নবীন শর্মা, পৃঃ ৩১

লোৱাৰ সময়ত পাত দিয়া হওক, পাত দিবৰ হ'ল বুলি কোৱাৰ পৰম্পৰা আছে। প্রকৃতার্থত খোৱাৰ, কাৰণে আগতে কলপাতৰ ব্যৱহাৰ মূলতঃ থকা হেতু আজিও কাঁহী-বাটি প্রচলন হ'লেও এতিয়াও সেই শব্দৰ ব্যৱহাৰিক প্রয়োগ থাকি গ'ল। ৰন্ধন প্রকৰণৰ কাৰণে আগতে মাটিৰ চৰু ব্যৱহাৰ হোৱাৰ অর্থত এতিয়াও অশৌচ আদি লাগিলে ৰন্ধনৰ সামগ্রী পোৰা-মেলা কৰা অর্থত চৰু পেলনি যোৱা বুলিয়েই কোৱা হয়।

বস্ত্র আ-অলঙ্কাৰ ব্যৱহাৰ ঃ সত্রীয়া জীৱনত বস্ত্র পৰিধানৰ ক্ষেত্রত পাট, মুগা আৰু কপাহী কাপোৰৰ ব্যৱহাৰ বেছি। সত্রত ধুতি অৱস্থাত পাট-মুগা কাপোৰ অধিক ব্যৱহাৰ হয়। ইয়াৰ কাৰণ পাট, মুগাৰ কাপোৰ কপাহী কাপোৰতকৈ পৰিষ্কাৰ হৈ থাকে। ই পৰিত্র আৰু শুচি ভাব ৰক্ষা কৰে। সেইবাবে ৰন্ধন-প্রকৰণত প্রায় বৈষ্ণৱেই পাট-মুগাৰ ধুতি কাপোৰ ব্যৱহাৰ কৰে। বর্তমানে অৱশ্যে ই কিছু দুষ্প্রাপ্য হোৱাত এ'নে নীতিৰ কিছু সলনি ঘটিছে। ইয়াৰ ঠাইত কপাহী কাপোৰৰহে বেছি প্রয়োগ হৈছে। নতুন বস্ত্র পৰিধানৰ ক্ষেত্রত এই প্রবাদ বাক্য সত্রস্থসকলে মানি চলে ঃ

সোমে দেওৱে ফাটে ফুটে
শনি মঙ্গলে আয়ুস টুটে
বুধ বৃহস্পতি শুক্রবাৰ
কাপোৰ কানি পিন্ধিবা জয়যোগাৰ।

বিশেষ কাৰণত এনে নীতি মানি চলিব নোৱাৰিলে, আওবাৰত পিন্ধিব লগা হ'লে নতুন বস্ত্রৰ সুতা এডাল উলিয়াই অগ্নিত দি ব্যৱহাৰ কৰা নিয়ম। আ-অলঙ্কাৰ ব্যৱহাৰৰ ক্ষেত্রত সোণ-ৰূপৰ অলঙ্কাৰতকৈ কাঠৰ মালা অনবৰতে পিন্ধি থকা এটি বৈশিষ্ট্যপূর্ণ দিশ। এই কাঠৰ মালা সাধাৰণতে তুলসী মালাই বেছি ব্যৱহৃত হয়। তুলসী কাঠৰ গুটিমালাৰ মাজত সোণৰ বা ৰূপৰ মণি আঁৰি লয়। নতুন ভকতৰ ল'ৰা সত্রলৈ অহাৰ লগে লগে সোণৰ বা ৰূপৰ ৰতিযা মণি পিন্ধাৰ নিয়ম। কাণত লংকেৰু পিন্ধে। মালা পৰিধান সত্রীয়া পৰিবেশৰ এক বিশেষ পৰম্পৰা। 'সভা শুৱনি কলা, ভকত শুৱনি মালা'। তুলসীৰ মালা লোৱাৰ তাৎপর্য — পৰিত্রতাৰ মূল কাৰণ। সোণ-ৰূপৰ মণি শৰীৰত স্পর্শ হৈ থকাটো পৰিত্র বুলি গণ্য কৰে। এনে কাৰণতেই ভকতীয়া পৰিবেশ আৰু সংস্কাৰিত ৰূপ পাবৰ বাবে এই পৰম্পৰা বতী আছিল। বর্তমানে দুই এক সত্রত এই পৰম্পৰা আছে যদিও বহু সত্রত লুপ্ত হৈছে।

চিকিৎসা আৰু ঔষধ-পাতি ঃ পুৰণি কালত ঘৰুৱা চিকিৎসা লোকসমাজত অতি সমাদৃত আছিল। কিছুমান প্রাথমিক ঘৰুৱা চিকিৎসা গাঁও সমাজত এতিয়াও প্রচলিত। সত্রতো ঘৰুৱা চিকিৎসাবেই বিশেষ প্রচলন আছিল। আজিও ইয়াৰ ওপৰত ভকত-বৈষ্ণৱসকল অধিক নির্ভৰশীল। শৰীৰ নিৰোগী হৈ থকাৰ বাবে প্রাথমিক সাৱধানতা ল'বলৈ বহুত বিশ্বাস প্রৱণতাৰ ওপৰত ভিত্তি কৰি কার্য কৰা দেখা যায়।

আসন-প্রাণায়াম, শাৰীৰিক পৰিশ্রমৰ লগত কিছুমান ঔষধযুক্ত দ্রব্য খোৱাৰ প্রথা আছে। এনে দ্রব্যসমূহৰ ভিতৰত আমলখি, শিলিখা, ভোমোৰা, মাটিকাঁদুৰি, মানিমুনি, টেঙেচি আদি উল্লেখযোগ্য। এইক্ষেত্রত তলত দিযা ডাকৰ বচন প্রণিধানযোগ্য ঃ

ভাত খাই উঠি খায তিনি শিলিখা,
তাক কি কৰিব ৰোগ পিলিকা[১৬]।

এনে ধৰণৰ স্বাস্থ্যৰ সাৱধান সম্পর্কীয ডাকৰ বচন বহু ধৰণৰ আছে, তাৰ ভিতৰত কেতবোৰ উল্লেখ কৰা হ'ল, যি সত্রীযা জীৱনত অনবৰতে প্রয়োগ কৰা হয ঃ

আঁতত তিতা দাঁতত লোণ,
উদৰ ভৰিবা তিনি কোণ।
চক্ষুত পানী, নাভিত তেল.
ডাকে কয, সিঘৰে বৈদ্যৰ কিহৰ মেল।
আদাযে ভোজন শিলিখাযে মুশুদ্ধি,
তেবেসে জানিবা দেহৰে শুদ্ধি।
মাংসত মাংস বাঢে ঘৃতত বাঢে বল।
আঞা গাখীৰে চন্দ্র বাঢে শাকত বাঢে মল[১৭]।।

ভোজনৰ অন্তত তামোলেৰে যদিও মুখ-শুদ্ধি কৰাৰ মূল ব্যৱস্থা, আদা আৰু শিলিখাও এই কার্যৰ অন্তর্ভুক্ত. লগতে শিলিখা-আদাই শৰীৰ নিৰোগী কৰি ৰখাৰ কথাও ওপৰৰ প্রবচনবিলাকৰ যোগেদি প্রমাণ পোৱা যায। এনে বিশ্বাস সত্রীযা জীৱনত অধিক আছে। কেইটামান বিশেষ অসুখত সত্রীয়া জীৱনত ব্যৱহাৰ কৰা ঔষধ আৰু আনুষঙ্গিক ব্যৱহাৰ কথা উল্লেখ কৰা হ'ল ঃ

তেজগ্রহণী হ'লে কুঁজি ঠেকেৰা ভাজি খাব লাগে।
জ্বৰ হ'লে চিৰতা, পটলৰ পাত আৰু সেত কপৰা কোৱাঠ কৰি খাব লাগে।
মূৰত জ্বৰ উঠিলে চাল কুঁৰৰীৰে ভৰণ দিব লাগে।
নাৰেঙা জ্বৰৰ লক্ষণ হ'লে লেটাগুটিৰে বর্ণ ঔষধ তৈয়াৰ কৰি খাব লাগে।
কাঁহ হ'লে মৌ, তুলসী, আদাৰস খুওৱা হয।
পিত্ত হ'লে বা পেট পকালে এলাঙ্গ, নিমখ পানীৰ লগত মিহলাই খাব লাগে।
মূৰ ঘূৰালে নেমু টেঙাৰ ৰস পানীৰ লগত মিহলাই মূৰত ল'ব লাগে।
বমিভাব হ'লে নেমু টেঙাৰ পাত শুঙিব লাগে।
খোৱাৰ অৰুচি হ'লে আৰু পেট ওফন্দি থাকিলে নেমুটেঙাৰ তিনিটা গুটি পিহি নিমখৰ সৈতে খাব লাগে।

---

[১৬] উল্লিখিত, পৃঃ ৮২
[১৭] উল্লিখিত, পৃঃ ৮৪

এনে ঘৰুৱা ঔষধ ব্যৱহাৰৰ ক্ষেত্রত এই বিশ্বাস আছে যে কোনো ঔষধ খোৱাৰ আগতে শুঙি চাব নাপায় আৰু সন্দেহ কৰি খাব নালাগে তেনে কৰিলে ঔষধে গুণ নিদিয়ে।

বিবিধ বৃক্ষৰোপণৰ ৰীতি ঃ ঔষধযুক্ত গছ — নিম, শিলিখা, আমলখি, নেমুটেঙা আদি বাৰীৰ আগফালে, পিছফালে বোৱা নিয়ম মানি চলা হয়। ভূত-প্রেত আহিব নোৱৰা আৰু ধুমুহা বতাহৰ পৰা ৰক্ষা পাব পৰা দুই এবিধ গছ আছে ঃ ছালকুৰৰী বা সিজু আৰু বহু গছ। ঘৰৰ দুৱাৰমুখত বা বাৰীৰ এচুকত যেনে-তেনে এজোপা বহু বা সিজু গছ ৰোৱাৰ নিয়ম আছে। ডাকৰ ভণিতাত আছে "গৃহ চাবিচুকে দ্বাৰমুখত — বহু, সিজু আনি ৰুইবা শকত।"[১৮]

ঘৰৰ আগফালে পিছফালে ফুল-ফলৰ গছ ৰোৱাৰ লগতে ধর্মীয় কার্যত লগা আম, বট আঁহত, ডিমৰু, পলাশ আদি বিশেষভাৱে ৰোপণ কৰে আৰু সংৰক্ষণ কৰি ৰাখে। কিছুমান গছ ঘৰৰ বাৰীত ৰোৱাৰ বিশেষ স্থান আছে। সেই নিষেধ বচন নামানিলে তাৰ বেয়া ফল লাভ হয়। উদাহৰণ স্বৰূপে প্রবাদ বাক্য আছে — "আগফালে তেঁতেলী পিছফালে ঐ, সেই ঘৰ উছন্ন হ'ৰ হ'লনে নৌ"? গতিকে তেনে বেয়া ফলৰ কথা মনত পেলাই গছ ৰোৱাত সাৱধানতা লয়। প্রত্যেক সত্রৰ বহাবিলাকৰ চোতালৰ আগত এজোপা তুলসী ৰোৱাৰ নিয়ম। মৃত্যুৰ মুহূর্তত মৃত পুৰুষক কলপাতত তুলসীৰ আগত থ'ৰ লাগে। কলগছ ৰোৱাৰ সম্পর্কতো কিছুমান বিশ্বাস আছে। ডাকৰ বচনত সি স্পষ্টকৈ প্রকাশ পাইছে[১৯]।

শুভ যাত্রা আৰু শুভ দিন নিৰূপণ ঃ যাত্রা কার্যকে ধৰি সকলো শুভ কার্য আৰম্ভ কৰাৰ আগত শুভ দিন-বাৰ চোৱাটো সত্রীয়া জীৱন ধাৰাৰ বিশেষ ৰীতি। যিজনে যাত্রা কৰিব বা যিজনৰ নামত শুভ কার্য অনুষ্ঠিত হ'ব তেওঁৰ নামৰ বিপৰীতে থকা চন্দ্র, নক্ষত্রৰ শুদ্ধাশুদ্ধ আৰু যাত্রা বা শুভ ক্ষণ চাই ধার্য কৰি ল'ব লাগে। যাত্রা কার্য হ'লে পঞ্জিকাত যাত্রা আছে নে নাই চাব লাগিব। আন শুভ কার্য হ'লে কি কার্য কৰিব তেনে কার্যৰ দিন জ্যোতিষ মতে সিদ্ধ হয়নে নহয়, তাক চাই ল'ব লাগিব। আন নাথাকিলেও পুণ্যাহ শব্দ থাকিলেও কর্মত আগবাঢ়িব পাৰে। যাত্রাত বিশেষকৈ জ্যোতিষ গণনা চোৱাৰ পূর্বে এইবাধা সকলোৱে মানি চলে। যাত্রাৰ সময়ত দক্ষিণ ভৰি প্রথমতে দিব লাগে। অৱশ্যে যাত্রা ক্ষেত্রতেই নহয় যিকোনো শুভ স্থানলৈ যাওঁতে সত্রীয়া জীৱনত সোঁ ভৰি আগ কৰি যোৱা হয়। বিশেষ

---

১৮ অসমৰ লোক সংস্কৃতি, বিৰিঞ্চি কুমাৰ বৰুৱা, পৃঃ ৯

১৯ "তিনিশ ষাঠি এজোপা ৰুবা কল, মাহিলি চিকোনাবা তল"
"পাত পচলা লাভতে খাবা লঙ্কাৰ বনিজ হাততে পাবা", "আঠিযাত গোবৰ মনোহৰত জাবৰ, পুৰাত খাই, মালাভাগত ছাই, ভাদত কৰিযা কলা ৰোপন সবংশে মৰিলে লঙ্কাৰ ধাৰণ।" সেযে ভাদমাহত কল ৰুব নাপায়।
উল্লিখিত, পৃঃ ৫২

কার্যৰ বাবে দুৱঁলৈ যাব লগা হ'লে যাত্রাৰ দিনা যাত্রাকাৰীয়ে পূর্ণপাত্র ভোজনি দক্ষিণা মন্ত্রোচ্চাৰিত ব্রাহ্মণক দিযা নিযম। যাত্রাৰ সমযত যাত্রাকাৰীযে ব্রাহ্মণ, অগ্নি, দধি আৰু পূর্ণ পাত্রজলত স্পর্শ কৰা নিযম। যাওঁতে হাতত গীতা শাস্ত্র আৰু শ্রীফল লৈ যোৱা নিযম। যাওঁতে লগত কল নিব নাপায, কলে কন্দলি। যাত্রাৰ দিনা ভূমিকম্প হ'লে সেই যাত্রা সাতদিনলৈ স্থগিত ৰখা নিযম। অগত্যা নোৱাৰিলে তিনি দিনৰ পিছত যাত্রা কৰে। আঁউসীৰ প্রতিপদ আৰু তৃতীযা তিথিত যাত্রা কৰা নিষেধ। আঁউসীৰ প্রতিপদ বুলি ক'লে পূর্ণিমাৰ পিছৰ আঁউসীৰ ভিতৰৰ প্রতিপদ তিথিক বুজায। প্রবাদ আছে 'আঁউসীৰ প্রতিপদ পূর্ণিমা তিথিত মাকৰ ঘৰলৈ নাযায জী'। যাত্রা কৰোঁতে পিছলৈ ঘুৰি চাব নাপায, পিছৰ পৰা মাতিব নাপায। যাত্রা কৰি যাওঁতে আগত কুকুৰে আঁচুৰিলে কাজিয়াৰ সৃষ্টি হয বুলি ধাৰণা কৰে। যাওঁতে কুকুৰে চিঞৰিলে অমঙ্গল হয। কুকুৰে মঙ্গহ খাই থাকিলেও শুভ ফল হয বুলি বিশ্বাস। বান্দৰ, মেকুৰী, নেউল, সর্প আদি সন্মুখেদি পাৰ হৈ গ'লে অশুভ বুলি ধৰে। ইযাৰ ভিতৰত যদি সর্প দক্ষিণে যায, ভাল বুলি ধাৰণা আছে[৩০]। যাত্রা কার্যৰ বাহিৰে শুভ কার্য উপলক্ষ্যে তুলসী দিযা, গীতাপাঠ, সহস্র নাম পাঠ, আনুষ্ঠানিক সবাহ বা নাম, বৈৰাগী নাম আদি কর্ম কৰে। মালা-মন্ত্র গ্রহণ কৰা দিনত শ্রাদ্ধ উপনযন, জন্মতিথি, ঘৰলোৱা আদিতো এই শুভ কর্মসমূহ কৰে। শ্রাদ্ধ জন্ম তিথিৰ বাহিৰে অনির্দিষ্ট কর্মবিলাকৰ বাবে শুভ দিন চাই ল'ব লাগে। সত্রীযা যি কোনো শিক্ষাৰ আৰম্ভণি, নাটৰ আখৰা, নির্দিষ্ট কৰা ভাওনাৰ দিন আৰুনাও আদি সজোৱা ক্ষেত্রত শুভদিন, শুভক্ষণ চোৱা সত্রীযা জীৱনৰ বিশেষ পৰম্পৰা আছে। সত্রত যিকোনো আনুষ্ঠানিক পৰিত্র কর্ম উপলক্ষ্যে সামূহিক ভোজনৰ ব্যৱস্থা থাকে।

সাৱধানৰ জাননী আৰু শুভ-অশুভৰ ইঙ্গিত ঃ সাধাৰণতে ডাকৰ বচন, খনাৰ বচন, মৌখিক প্রবাদ বাক্যসমূহে মানুহক কর্মক্ষেত্রত সাৱধান হোৱাৰ জাননী দিযে। সেইদৰে ভৰিষৎ শুভ-অশুভৰ ইঙ্গিত পোৱা যায। কিছুমান অস্বাভাৱিক কর্মৰ যোগেদি। তেনেধৰণৰ বিশ্বাস আমাৰ সমাজত বহুত আছে। সত্রীযা জীৱনত এনে বিশ্বাসসমূহৰ প্রভাৱ পৰা দুই এটা দিশ উল্লেখ কৰা হ'ল, মানুহৰ জীৱনত ধন-ধান, প্রধান ব্যৱহার্য অমূল্য সম্পদ আদি ৰক্ষণাৱেক্ষণৰ ক্ষেত্রত বিশেষ সাৱধানতা ল'ব লাগে। ডাকৰ বচনে সেই সাৱধানতাৰ কথা সোঁৱৰাই দিযে ঃ

বাট বুলিবা দেখি
কডি ল'বা লেখি[৩১]।

যাওঁতে সদায় বাট চাই লোৱা প্রযোজনীয কথা। ধন, টকা-পইচা লেখি পটি লোৱা নিযম। 'কডি' শব্দই ধন, টকা-পইচাক বুজাইছে। তেনেকৈ 'ধনৰ মধ্যত ধান্য শোভন'।[৩২] ইযাৰ দ্বাৰা ধান সাঁচি ৰখাত অত্যাধিক গুৰুত্ব দিযা হৈছে। আকৌ 'যাৰ নাই ধান, তাৰ

৩০ ডাক প্রৱচন, পৃঃ ৭৭
৩১ উল্লিখিত, পৃঃ ২১
৩২ উল্লিখিত, পৃঃ ৪৯

নাই মান'। সেইদৰে 'বাছি খাবা, জাগি শুবা'। খোৱাৰ ক্ষেত্রত বাছি খোৱা প্রয়োজন, শৰীৰ ৰক্ষাৰ বাবে। শোওঁতে জাগৰণী নিদ্রাৰ কথা কোৱা হৈছে, যাতে যি কোনো বিপদৰ আগত আগতীযা সাৱধানতা ল'ব পাৰে। বতৰক লৈ লোৱা আগতীযা সাৱধান আৰু জাননীৰ ক্ষেত্রত লোক-বিশ্বাস আছে। 'দক্ষিণে গাজিলে জানিবা খৰ, উত্তৰে গাজিলে মাৰিবা লৰ, পশ্চিমে গাজিলে জানিবা পানী, পূবে গাজিলে শস্য হয হানি'। আকৌ 'দক্ষিণে গাজে তাকে বোলে খৰ, জেঠ মাহত জাপ ল'লে তাকে বোলে জ্বৰ'। আকৌ আম বেছিকৈ লাগিলে বানপানী, কঁঠাল বেছি লাগিলে ধান হোৱা বিশ্বাস আছে, 'আমে বান কঁঠালে ধান'।

নেদেখা বস্তু দেখিলে, নহ'ব লগা কার্য অস্বাভাৰিকভাৱে হ'লে তাৰ ওপৰত বিবিধ বিশ্বাস জন্মে, তাৰ কিছুমান ভাল, কিছুমান বেযা। যেনে, গৰুৰে নেজ মেৰা দিযা দেখিলে, যুৰীযা সাপ ঘৰৰ ভিতৰত সোমালে, ফেঁচা, বান্দৰ, শিযাল ঘৰত সোমালে দেখাজনৰ বা বহাখনৰ বাবে অমঙ্গল হয বুলি ধাৰণা হয। শগুণ, হুড়ু আদি ঘৰৰ ছালত পৰিলেও অমঙ্গল হয বুলি বিশ্বাস কৰা হয। ঘৰত মৌ, বৰল, কঁদোৱে বাহ ল'লেও বেযা বুলি ধৰা হয। কুকুৰে চোঁচৰা দেখিলে বা ঘৰত গাত খান্দিলে অমঙ্গল হয বুলি বিশ্বাস কৰা হয। গাত জেঠী পৰিলে ভাল আৰু বেযা দুযোটা দিশ আছে। শাস্ত্রীয বচনত আছে, মানুহৰ সোঁফালে যদি জেঠী পৰে বংশৰ কোনো লোক বা ধন হানি হয, বাওঁফালে পৰিলে সদায লাভ হয। উৰু, শিৰ আৰু কণ্ঠত পৰিলে ৰাজ্য লাভ হয, এনে বিশ্বাস আছে। জেঠী গাত পৰিলে গা-ধোৱা আৰু পিন্ধা কানি-কাপোৰ তিওৱা লোক-বিশ্বাস আছে। জেঠীযে টিক্ টিক্ কৰিলে মানুহেও হাতেৰে তিলিকি মাৰি 'সত্য-সত্য' বুলি কৈ কোৱা কথাৰ সঁচা প্রমাণ কৰে।

মানুহৰ শৰীৰৰ বিভিন্ন অংগ কম্পন হ'লে ভাল বা বেযা ফল লাভ হয। সোঁফালে কঁপিলে পুৰুষৰ মঙ্গলসূচক আৰু বাওঁফালে কঁপিলে অমঙ্গলসূচক বুলি ধৰি লয। প্রবাদ বচনত আছে, "শুক্লপক্ষে লৰে বাম লঙ্কা জিনি আহে ৰাম।"

স্বপ্ন ফলাফল সম্পর্কে থকা বিশ্বাসৰ প্রভাৱো জনসমাজত যিদৰে আছে, সত্রীয়া জীৱনতো তেনেদৰে আছে। সত্রীযা জীৱনত শুভফলৰ বাবে বা অমঙ্গল দূৰ কৰিবৰ বাবে আন কোনো বিধান অনুসৰণ নকৰি ভগৱন্তৰ ওচৰত নৈৱেদ্যৰ শৰাই, চাকি, বস্তি, ধূপ, অৰিহণা আদি আগবঢোৱা হয। অত্যন্ত বেযা বুলি ভাবিলে নিজৰ বহাত বা নামঘৰত সুকীযাকৈ নাম কীর্তন কৰায।

পাপ-পুণ্য বা কৰণীয-অকৰণীয কর্মৰ বাবে প্রাযশ্চিত্ত বিধানৰ পৰম্পৰা আছে। এইবিলাক যদিও প্রত্যক্ষ উৎসৱ-পর্বৰ ভিতৰত নপৰে, তথাপি দেখা যায যে লোক-বিশ্বাসৰ প্রভাৱেও আচাৰ-অনুষ্ঠানৰ জন্ম দিছে। এনে আচাৰ-অনুষ্ঠানবিলাকো সত্রীযা জীৱনৰ অবিচ্ছেদ্য অংগত পৰিণত হৈছে। সত্রীযা জীৱন নিযন্ত্রণ কৰাত লোক-বিশ্বাস, লোক-পৰম্পৰা, জ্যোতিষ গণনা আদিৰ প্রভাৱ এৰাব নোৱৰা।

চতুর্থ অধ্যায়

প্রধান সামাজিক উৎসৱসমূহ

১. (ক) জন্মাষ্টমী

সত্রসমূহত পালন কৰা জন্মাষ্টমী উৎসৱ এক গুৰুত্বপূৰ্ণ উৎসৱ।ব্রহ্মা সংহতিৰ সত্রসমূহত এই উৎসৱত কৃষ্ণপূজাত অধিক গুৰুত্ব দিয়া হয। শ্রীমদ্ভগৱদ গীতাত ভগৱান শ্রীকৃষ্ণই কৈছে, তেওঁ পৃথিৱীত অৱতাৰ গ্রহণ কৰে দুষ্টক দমন কৰি সন্তক পালন কৰিবলৈ আৰু ধর্ম সংস্থাপনৰ অর্থে[১], অর্থাৎ ভগৱানৰ এনে আৱির্ভাৱ হ'ল ভগৱানৰ নিজ ইচ্ছা নির্ভৰ কার্য। সেয়ে ভগৱানৰ এই আৱির্ভাৱক অৱতাৰ গ্রহণ কৰা বুলি কোৱা হয়। ভগৱানৰ অৱতাৰ কার্যভেদে ছয় প্রকাৰৰ, অংশাংশাৱতাৰ, অংশাৱতাৰ, আৱেশাৱতাৰ, কলাৱতাৰ, পূর্ণাৱতাৰ আৰু পৰিপূর্ণত্বমাৱতাৰ। জীৱৰ জন্ম কর্মফলত আৰু ভগৱানৰ জন্ম-স্ব-ইচ্ছাৰ ফলত হয়। পিতৃ-মাতৃৰ শুক্র শোণিত সংযোগত মাতৃৰ গর্ভকোষত জীৱৰ দেহ প্রস্তুত হয়[২]। বালক গর্ভস্থ হ'লে মাতৃৰ যেনে গর্ভ লক্ষণ প্রকাশ পায, ভগৱানৰ ক্ষেত্রতো মাতাৰ সেই ৰূপ গর্ভ লক্ষণেই প্রকাশ পায়, কিন্তু সেই গর্ভ লক্ষণ যোগমায়া কল্পিত প্রতীতি মাত্র। ভগৱান হ'ল সচ্ছিদানন্দময় নিত্যবস্তু[৩]। জ্ঞানীসকলে এই পৰমতত্ত্বকে সৎ অর্থাৎ অবিনশ্বৰ ব্রহ্মা বুলি ভাবে। যোগীসকলে চিৎ অর্থাৎ চৈতন্যময পৰমাত্মা বুলি ধ্যান কৰে। ভক্তই আনন্দময বুলি সেৱা কৰে। আকৌ ঐহিক ধন-জন, বিষয়-বিভূতি আৰু পাৰলৌকিক স্বর্গ সুখৰ আকাংক্ষীসকলে এই পৰমতত্ত্বকেই নানা দেৱতাৰূপে উপাসনা কৰে। ভগৱান

---

১ শ্রীমদ্ভগৱত্ গীতা, চতুর্থ অধ্যায়, শ্লোক ৭

২ গর্গ সংহিতা, সম্পা পঞ্চানন তর্কৰত্ন, গোলোকখণ্ড, শ্লোক ১৫, ১৬, ১৭, ১৮, পৃঃ ২

৩ 'সর্ৱে নিত্যাঃ শাশ্বতাশ্চ দেহাস্তস্য পৰাত্মনঃ'
শ্রীমদ্ভাগৱত, অমৃতবর্ষিণী ব্যাখ্যা, অনু ৰাধা বিনোদ গোস্বামী, ১ম স্কন্ধ, ২ অধ্যায়, পৃঃ ১২৩, ১৩৪, ১২৫

জন্মানুকৰণ কৰি জন্মানুকৰণ নকৰি এই দুই প্রকাৰে আৱির্ভূত হয। জন্মানুকৰণ কৰি কৰা আৱির্ভাৱ স্বৰূপে মৎস্য কুর্ম আদি অৱতাৰৰ উদাহৰণ দাঙি ধৰা হয। এনে আৱির্ভাৱৰ কাৰণ ভক্তৰ প্রার্থনা বা একান্ত বাঞ্ছা আৰু সমাজত সৃষ্টি হোৱা অৱস্থাৰ আহ্বান বুলি কোৱা হয। ভক্ত-ভগৱানৰ সম্পর্ক পাঁচ প্রকাৰৰ হ'ব পাৰে — বাৎসল্য, শান্ত, দাস্য, সখ্য আৰু শৃঙ্গাৰাত্মক সম্পর্ক। ভক্তৰ হৃদযত যেতিযাই ভগৱানক পুত্রৰূপে লাভ কৰাৰ বাসনা অদম্য হৈ উঠে তেতিযা তেওঁ "যে যথামাং প্রপদ্যন্তে তাং স্তথৈব ভজাম্যহম্"[৪] এই প্রতিশ্রুতি ৰক্ষা কৰি ভক্তৰ পুত্রৰূপে জন্ম গ্রহণ কৰে। ঐকান্তিক শ্রদ্ধা, ভগৱৎমুখী কর্ম আৰু অগাধ বাৎসল্য প্রেমৰ কাৰণেই বসুদেৱ-দেৱকীযে তিনিজন্মত ক্রমে সুতপা-পৃশ্নি, কাশ্যপ-অদিতি আৰু বসুদেৱ-দেৱকী ৰূপে কৃষ্ণক পুত্রৰূপে লাভ কৰে। এই বাৎসল্য ভক্তিৰ উপৰিও কৃষ্ণ জন্মৰ লগত আন এটি কাহিনীও জড়িত হৈ আছে। পৃথিৱীত দৈত্য-দানৱৰ অত্যাচাৰ বৃদ্ধি পোৱাত পৃথিৱীযে ভাৰ সহিব নোৱাৰি, গো-ৰূপ[৫] ধৰি ব্রহ্মা আদি দেৱতাসকলৰ সহায বিচাৰিলে। ব্রহ্মা আদি দেৱতাসকলে উপাযস্তৰ হৈ শ্রীবিষ্ণুৰ ওচৰ চাপিলে। শ্রীবিষ্ণুৱে এডাল শুক্লবর্ণৰ আৰু এডাল কৃষ্ণবর্ণৰ 'কেশ' দেখুৱাই ক'লে যে তেওঁ দুই বর্ণৰ দুই অৱতাৰ ধৰি দুষ্টক দমন কৰিব। বলৰাম আৰু কৃষ্ণই হ'ল এই দুই অৱতাৰ। পুৰাণত বর্ণিত হৈছে কেনেকৈ কংসই দৈৱবাণী শুনি বসুদেৱ-দৈৱকীক কাৰাৰুদ্ধ কৰিলে আৰু কেনেকৈ দৈৱকীৰ ছটি সন্তানক হত্যা কৰিলে। সপ্ত গর্ভ ৰোহিণীত সংস্থাপিত হোৱাৰ পিছত অষ্টম সন্তান স্বৰূপে কৃষ্ণই জন্মগ্রহণ কৰিলে। মুখ্য চান্দ্র ভাদ, গৌণচান্দ্র শাওণত ৰোহিণীৰ সৈতে দুই প্রহৰ ৰাতি অষ্টমী মিলিলে জযন্তী যোগ লাভ হয[৬]। সৌৰভাদ্রৰ জয়ন্তী যোগতেই শ্রীকৃষ্ণৰ জন্ম হৈছিল। জয়ন্তী যোগৰ তিথি পালন কৰিলে বিষ্ণুলোক লাভ কৰে বুলি ধর্মীয় বিশ্বাস আছে[৭]। এই জযন্তীতিথি স্মৰণ আৰু কীর্তনত সপ্ত জন্মার্জিত পাপ নষ্ট হয[৮], এই ধাৰণাও আছে। অসমৰ লোক-পৰম্পৰাত নাম-কীর্তনত যদিও কৃষ্ণৰ জন্মবাৰ মঙ্গলবাৰ বুলি গোৱা প্রথা আছে, অধিক পুৰাণত বুধবাৰহে উল্লেখ আছে। ব্রহ্মবৈৱর্ত পুৰাণত থকা এই সম্পর্কীয় তথ্য এনেভাৱে ব্যক্ত কৰা হৈছে ঃ

---

৪ গীতা, চতুর্থ অধ্যায, শ্লোক ১১

৫ পূর্বোল্লিখিত, পৃঃ ৪৬

৬ শ্রাৱণে বা নভস্যে বা ৰোহিণী সহিতাষ্টমী
যদা কৃষ্ণেন বৈ লব্ধা জযন্তী পৰিকীর্তিতা।
মূল ঃ ব্রহ্মপুৰাণ, দ্র বাৰহাৰদর্পণ, পৃঃ ১৪৪

৭ জয়ন্ত্যা উপবাসেন বিষ্ণুলোকং স গচ্ছতি।
পদ্মপুৰাণ, স্বর্গখণ্ড, পৃঃ ২১৪

৮ স্মৰণাৎ কীর্ত্তনাৎ পাপং সপ্তজন্মার্জিতং মুনে।
উল্লিখিত, পৃঃ ২১৪

উদযেচ্চাষ্টমী কিঞ্চিন্নৱমী সকলা যদি।
ভৱেত্তু বুধসংযুতা প্রাজাপত্যর্ক্ষসংযুক্তা।[৯]

কৃষ্ণৰ এই জন্ম আছিল অতি ৰহস্যাবৃত্ত। কংসৰ কাৰাগাৰত বিষ্ণুৱে যেতিয়া বসুদেৱ-দৈৱকীক দর্শন দিছিল, বিষ্ণুৰ দর্শন মাত্রে বসুদেৱ-দৈৱকীৰ লোহাৰ শিকলি হাতৰ পৰা সুলকি পৰিল। অতি বিস্ময়াভিভূত চিত্তেৰে তেতিয়া বসুদেৱ-দৈৱকীয়ে বিষ্ণুক সেৱা জনালে আৰু সেই ৰূপত দেখিলে কংসই তেওঁক অনিষ্ট কৰিব এই কথা নিৱেদন কৰিলে। বিষ্ণুৱে সেই ভযৰ যে কোনো কাৰণ নাই, দুষ্টৰ সংহাৰ তথা তেওঁলোক ভক্তৰ মনোবাঞ্ছা পূৰণৰ অর্থেহে যে পৃথিৱীত অৱতাৰ গ্রহণ কৰিছে সেই সকলো কথা বিৱৰি ক'লে আৰু তেওঁক সংগোপনে যশোদাৰ কোলাত থৈ যোগমাযাক লৈ অনাৰ নির্দেশো বসুদেৱক দিলে। লোকবিশ্বাসৰ কাৰণেই যে প্রকৃতি বায়ুৰ দ্বাৰা দৈৱকীৰ গর্ভ অৱস্থা প্রকাশ কৰা হৈছিল সেই কথাও ব্যক্ত কৰিলে, লগে লগে বিষ্ণুৱে বসুদেৱ-দৈৱকীৰ সম্মুখতেই শিশু ৰূপ ধাৰণ কৰিলে। বসুদেৱে বিষ্ণুৰ নির্দেশ অনুসৰিযে সেই ৰাতিয়েই যমুনা পাৰ হৈ নন্দৰ ঘৰত কৃষ্ণক থলেগৈ। লৌহ কাৰাগাৰত থাকোঁতে কৃষ্ণই পূর্ণ অৱতাৰ ৰূপ ধাৰণ কৰিছিল, যমুনাত আৰু যশোদাৰ কাষত কৃষ্ণই ক্রমে পৰিপূর্ণ আৰু পৰিপূর্ণতম অৱতাৰ ৰূপে পৰিচিত হৈছিল। এই সম্পর্কে গর্গসংহিতাত থকা কাহিনীযেও জনসমাজত সমাদৰ লাভ কৰি আহিছে। কৃষ্ণৰ জন্ম ৰহস্যৰ কথা অনুধাৱন কৰিযেই মাধৱদেৱে 'হৰি মোৰ এ দীন দয়াল' ৰগীতটোৰ যোগেদি সেই ৰহস্যৰ কথা সুন্দৰভাৱে প্রকাশ কৰিছে[১০]।

এই জন্মাষ্টমী তিথিকে প্রতিবছৰে ভাৰতীয় জনসাধাৰণে উৎসৱ আকাৰে পালন কৰি আহিছে। অসমৰ প্রাযবিলাক সত্রত এই উৎসৱ বিশেষ ৰীতি-নীতিৰে পালন

---

৯ (ক) ব্রহ্ম বৈৱর্ত্ত পুৰাণ, শ্রীকৃষ্ণ জন্মখণ্ড, শ্লোক ৬২, পৃঃ ৮৬৮
(খ) 'উচ্চস্থাঃ শশিভৌমচন্দ্র শনয়ো লগ্নং বৃষো লাভগো জীবঃ
সিংহাতুলালিষু ক্রমবশাৎ পুষ্যে শনোৰাহবঃ।
নৈশীথঃ সমযো হষ্টমী বুধ দিনং ব্রহ্মার্ক্ষমত্র ক্ষণে
শ্রীকৃষ্ণাভিধমম্বুজেক্ষণমভুদাবিঃ পৰং ব্রহ্ম তৎ"। (খ মাণিক্য)
আশুবোধ অভিধান, প্রথম খণ্ড, পৃঃ ৬৫২

১০ নাহি জন্ম তোমাৰ তথাপি জন্ম ধৰা।
সেহি জন্মে জীৱৰ জনম দূৰ কৰা।।
সহজে অকর্তা কর্ম কৰা অপর্যন্ত।
সোহি কর্মে জীৱৰ কৰম কৰা অন্ত।।
তুমি প্রভু নির্গুণ গুণেৰ সীমা নাই।
নির্গুণ হোৱয় জীৱ সোহি গুণ গাই।। (মাধৱদেৱ, ৰগীত, সম্পা হৰিনাৰাযণ দত্ত ৰৰুৱা, পৃঃ ১১২)

কৰাৰ প্রথা আছে। জন্মাষ্টমী কোনো সত্রত এদিনীযাকৈ আৰু কোনো সত্রত দুদিনীযাকৈ পালন কৰে। মাজুলীৰ দক্ষিণপাট, গড়মুৰ, বেঙেনাআটী আদি সত্রসমূহত জন্মাষ্টমী দুদিনীয়াকৈ অনুষ্ঠিত হয়। সাধাৰণতে সত্রসমূহত জন্মাষ্টমী উৎসৱ উপলক্ষ্যে পূজা, নাম-কীর্তন, অভিনয় আৰু ব্রত পালন কৰা হয়।

পূজা : শ্রীকৃষ্ণৰ পূজা। এই পূজা মণিকূট গৃহত অনুষ্ঠিত হয়। পুৰা নিত্য পূজাৰ অন্তত আৰু ৰাতি জন্মাষ্টমী উপলক্ষ্যে বিশেষ পূজা সম্পাদন হয়। শ্রীকৃষ্ণৰ জন্ম ক্ষণৰ প্রাক্ সোঁৱৰণ এই পূজাৰ মূল উদ্দেশ্য। পূজা ষোড়ষোপচাৰেৰে কৰা হয।

নাম-কীর্তন : নাম-কীর্তন দুই প্রকাৰে হয। নিত্য প্রসঙ্গত বুঢ়া কীর্তন, বুঢ়া ঘোষা আদি অতিৰিক্ত প্রসঙ্গ থাকে, আনহাতে দিনত আৰু ৰাতি বর্ধিত নাম কীর্তন হয। নাম মূলতঃ কৃষ্ণৰ জন্মকেন্দ্রিক। পিছৰ দিনত নন্দোৎসৱ উপলক্ষ্যে বোকা ভাওনা থাকে। এই ভাওনা নামেৰে পাতে।

অভিনয় : ৰাতি মূল জন্মাষ্টমী তিথিৰ দিনা জন্মাষ্টমী নাটকৰ ভাওনা হয। এই জন্মাষ্টমী নাটক সত্রসমূহত সত্রাধিকাৰ সকলে নিজে ৰচনা কৰে। আনহাতে গোপাল আতাৰ জন্ম যাত্রা নাটকো বহু সত্রত অভিনীত হয।

ব্রত পালন : ব্রত পালনৰো কেইবাটাও পর্যায আছে। সম্পূর্ণ ব্রত, অর্ধব্রত আৰু আংশিক ব্রত। অন্ন-পানীয কোনো দ্রব্য সেই দিনত গ্রহণ নকৰা সম্পূর্ণ ব্রত, অন্নৰ পৰিৱর্তে লঘু আহাৰ কৰা অর্ধব্রত আৰু কৃষ্ণ জন্ম সময়ৰ কথা সুঁৱৰি কেৱল ৰাতিহে আহাৰ বর্জন কৰা আংশিক ব্রত।

সত্রত জন্মাষ্টমী উৎসৱ পালন কৰাৰ ক্ষেত্রত ধর্মীয বিশ্বাসেই মূল কথা। অৱশ্যে এই উৎসৱেই নহয সত্রৰ প্রাযবিলাক উৎসৱেই ধর্মীয় তথা আধ্যাত্মিক গুৰুত্বৰ ভিত্তিতহে পালিত হয়। সত্রস্থসকলে জন্মাষ্টমী তিথি পালনত ইযাৰ ফলাফলৰ ওপৰত বিশ্বাস ৰাখি ইয়াৰ উদ্যাপনত গুৰুত্ব দিয়া দেখা যায়। এই ক্ষেত্রত শাস্ত্রীয় নির্দেশ অৱশ্যেইপালিত হয়। উদাহৰণস্বৰূপে, জন্মাষ্টমী পালনৰ ক্ষেত্রত কোৱা হৈছে যে মনন্তৰাদি যিমান পুণ্য তিথি আছে সেই সকলো তিথিত স্নান-পূজা কৰিলে যিমান ফল হয, ভাদ মাহৰ কৃষ্ণাষ্টমীত উপবাসাদি কৰিলে তাতকৈ এককোটি গুণে ফল পায আৰু সেই তিথিত পিতৃলোকৰ তর্পণ কৰিলে এশবাৰ গয়াত পিণ্ড দিয়াৰ ফল পায[১১]। এনে ফল আকাংক্ষাৰ লগত এই

---

[১১] মন্বাদি দিবসে প্রাপ্তে যৎ ফলং স্নানপূজনৈঃ।
ফলং ভাদ্রপদে ২ষ্টম্যাং ভবেৎ কোটিগুণং দ্বিজ।।
তস্যাং তিথৌ বারিমাত্রং পিতৃণাং যঃ প্রযচ্ছতি।
গযা শ্রাদ্ধং কৃতং তেন শতাব্দং নাত্র সংশযঃ।।
(ব্রহ্ম বৈবর্ত্ত পুৰাণ, শ্রীকৃষ্ণ জন্ম খণ্ড, শ্লোক ৬, ৭, পৃঃ ৮৬৪)

তিথি পালন নকৰিলে ইয়াৰ পৰিণতিত যি দোষাদোষৰ আশংকা আহে সেই আশংকাইও ইয়াক পালন কৰাৰ ক্ষেত্রত মনলৈ বাধ্যবাধকতাৰ ভাব আনে। জন্মাষ্টমী তিথি পালনত ব্রত পালনৰ গুৰুত্বই ভৱিষ্যৎ পুৰাণত থকা এই ব্যাখ্যাৰ কথা সোঁৱৰাই দিয়ে। শাওণ কিম্বা ভাদমাহৰ কৃষ্ণৰ জন্ম তিথিত যি লোকে ব্রত নকৰে সেইজনে মৃত্যুৰ পিছত ক্রূৰ ৰাক্ষস হৈ জন্ম গ্রহণ কৰে[১২]। জন্মাষ্টমী তিথিত আহাৰ গ্রহণৰ বিশেষ দোষাদোষৰ কথা ধর্মীয় শাস্ত্রত বহুপ্রকাৰে পোৱা যায়। তাৰ ভিতৰত বিষ্ণু ৰহস্যতব্রহ্ম নাৰদ সংবাদত কৈছে যে, জন্মাষ্টমীত যি ব্যক্তিয়ে আহাৰ কৰে তেওঁৰ সেই আহাৰ গৃধ্র, গর্দভ, বাযস, শোন আৰু মনুষ্যৰ মাংস গ্রহণৰ তুল্য হয়। আকৌ জন্মাষ্টমীৰ দিনত আহাৰ গ্রহণ কৰিলে ত্রিভুৱনস্থ নিখিল পাতক ভক্ষণ কৰা হয়[১৩]। পালনীয় নৈমিত্তিক কর্মত ব্রত পালন বৈষ্ণৱসকলৰ বাবে বিশেষভাৱে কৰণীয় কর্তব্য। ভৱিষ্যৎ পুৰাণে কৈছে, জন্মাষ্টমীৰ ব্রত নকৰিলে চৈধ্য ইন্দ্র ভোগলৈকে নাৰকী হ'ব লাগে[১৪]। গতিকে বৈষ্ণৱসকলে জন্মাষ্টমী তিথি পালনত শুভ-অশুভ পৰিণামৰ কথা চিন্তা কৰি ইয়াক পালন কৰাত বিশেষ গুৰুত্ব দিযে। নিযমেৰে কৰা সকলো ব্রতৰ পিছতেই পাৰণা থাকে। পাৰণা কৰিলেহে ব্রতৰ ফল পায়, এয়ে বিশ্বাস। জন্মাষ্টমী ব্রতৰ পিছদিনা ৰাতিলৈ তিথি থাকিলে দেৱ প্রহৰ ৰাতিৰ আগেযে তিথি ক্ষয হোৱাত পাৰণা কৰা নিযম। তাতকৈ অধিক ৰাতি হ'লে সেইদিনা পাৰণা কৰিব নোৱাৰে। জন্মাষ্টমী ব্রতৰ নিযম আৰু পাৰণা কর্মৰ বিস্তৃত বিৱৰণ ব্রহ্ম বৈৱর্ত পুৰাণত বিবৃত হৈছে ঃ

নৱাত্রৌ পাৰণং কুর্য্যাদর্তেবৈ ৰোহিণীব্রতাৎ
নিশায়াং পাৰণং কুর্য্যাদ্বজয়িত্বা মহা নিশাং
পূর্বাহ্নে পাৰণং শস্তং কৃত্বা বিপ্র সুৰার্চনং
সর্বেষাং সম্মতং কুর্য্যাদ্বর্জাযিত্বা মহানিশাং দতেবৈ ৰোহিণী ব্রতম্।[১৫]

---

[১২] শ্রাৱণে বহুলে পক্ষে কৃষ্ণজন্মাষ্টমী ব্রতম্।
ন কৰোতি নৰো যস্তু স ভৱেৎ ক্রূৰৰাক্ষস ঃ।।
(দ্র ব্যৱহাৰ দর্পণ, পৃঃ ১৪৭)

[১৩] (ক) গৃধ্রমাংসং খৰং কাকং শ্যেনং বা মুনিসত্তম।
মাংসঞ্চ দ্বিপদাং ভুক্তং ভুক্তং জন্মাষ্টমী দিনে।।
(খ) জন্মাষ্টমী দিনে প্রাপ্তে যেন ভুক্তং দ্বিজোত্তম।
ত্রৈলোক্যসম্ভৱং পাপং ভুক্তমেৱ ন সংশয়ঃ।।
(শ্রীশ্রীহৰি ভক্তি বিলাস, দ্বিতীয খণ্ড, সম্পা শ্রীশ্যামচাৰণ বার্মা, পৃঃ ৩৫৯)

[১৪] তৃষ্ট্যর্থং দেৱকীসুনোর্জযন্তী সংজ্ঞাকং ব্রতম
কর্তব্যং চিন্তমানেন ভক্ত্যা ভক্তজনৈৰিহ।।
অকুৰর্বন্ নিৰয়ং যাতি যাৱদিন্দ্রচতুর্দশ।।

[১৫] ব্রহ্ম বৈৱর্ত পুৰাণ, শ্রীকৃষ্ণ জন্মখণ্ড, শ্লোক ৫৬, ৫৭, ৫৮, পৃঃ ৮৬

পূর্বতে সত্রস্থসকলে এনে নীতি সম্পূর্ণ ৰক্ষা কৰি চলিছিল। কিন্তু ক্রমে এনে বিশ্বাসৰ গুৰুত্ব কিছু কমি আহিল। তাৰ ফলত পূর্বৰ ধৰা-বন্ধা লাগন-পাৰণ আদিতকৈ পিছলৈ তিথিৰ পৰম্পৰাগত বিশ্বাসহে বিশেষ ভিত্তি ৰূপে প্রতিষ্ঠিত হ'ল। নির্দিষ্ট তিথিৰ বিষয়বস্তু সোঁৱৰণত ব্রত-উপবাসৰ সাধাৰণ নিয়ম প্রচলিত হ'ল। পূর্বে কোৱাৰ দৰে এনে নিয়মত অর্ধ বা আংশিক ব্রত নিয়মৰ প্রচলন হ'ল। বর্তমান সত্রসমূহত এনে নিয়মৰ অধিক প্রচলন ঘটিলেও কোনো সত্রত সম্পূর্ণ ব্রত পালনৰ নিয়মো অনুসৃত হয়। আনহাতে সাধাৰণ ব্রত উপবাসকাৰীৰ ক্ষেত্রত নিয়ম শিথিলভাৱে পালিত হ'লেও জন্মাষ্টমী পূজাৰ পূজাৰী বা কর্মকর্তাসকলে সম্পূর্ণ নিয়ম এতিয়াও মানি চলে। উৎপত্তিস্থলত নিত্য প্রসঁঙ্গৰ অন্তত গুৰু বৈষ্ণৱসকলে নিজৰ বাসগৃহলৈ নাহি নামঘৰত পুথি -পাঠ-আলোচনাৰে পর্যাপ্ত সময়খিনি কটাই নৈমিত্তিক প্রসঙ্গত অংশ গ্রহণ কৰাৰ নিয়ম আছিল। গধূলি স্নান, সন্ধ্যা উপাসনা আদি কৰাৰ পিছত পুনৰ নামঘৰত উপস্থিত হৈছিলগৈ। গডমূৰ সত্রত উদাস হৈ থকা অৱস্থাত পূর্বতে নিত্য প্রসঙ্গৰ লগতে সংগতি ৰাখি সাঁচিপতীয়া দশম স্কন্ধ পুথি কৃষ্ণ জন্ম সময়লৈকে পাঠ কৰাব নিয়ম আছিল। কিন্তু বর্তমান এনে নীতিৰ সলনি হ'ল। নৈমিত্তিক অনুষ্ঠান আৰম্ভ হোৱাৰ আগৰ সময়খিনি এতিয়া সত্রত হাটীৰ উমৈহতীয়া স্থানত বা কোনো একোখন বহাত পুথি চর্চাৰ নিয়ম আছে।

জন্মাষ্টমী উপলক্ষে৷ বর্তমানে অষ্টমী তিথি লগ্নৰে পৰা সত্রৰ মণিকূট গৃহত পূজাৰ আয়োজন চলে। জন্মাষ্টমী মূল তিথিৰ দিনা মূল পূজা সন্ধ্যা সময়ৰ পৰা অনুষ্ঠিত হয় যদিও সত্র বিশেষে পুৱা নিত্য পূজাৰ অন্ততো জন্মাষ্টমী উপলক্ষ্যে এভাগ বিশেষ পূজা কৰাৰ ব্যবস্থা থাকে। বিশেষকৈ দক্ষিণপাট সত্রত এই ৰীতি আছে। তিথিৰ দিনা পুৱা নামঘৰত নিত্য-প্রসঙ্গৰ লগত শ্রীকৃষ্ণ জন্মখণ্ডৰ কীর্তন আৰু বুঢ়া প্রসঙ্গ গোৱাৰ নিয়ম আছে। নিত্য নাম লোৱাৰ পিছত দক্ষিণপাট সত্রত নামঘৰ মণিকূটত নাম গাই গাই বৈষ্ণৱসকলে প্রদক্ষিণ কৰি, 'আজি নন্দ ঘৰে', 'আজি ৰাত্রি কৃষ্ণ উপজিলে' এনে নাম গায়। পুৱা প্রসঙ্গৰ অন্তত কিছু সময় জিৰণি লোৱাৰ পিছত মধ্যাহ্ন সময়ত উঠা নমা, হিয়ানাম আদিৰে সবাহ আৰম্ভ হয়। ডবাঘৰীযাই ডবাত কোব মাৰে। হিযা নাম বা উঠা নাম আৰম্ভ কৰে সত্রৰ বৰনামলগোৱাই। নামৰ আৰম্ভণি কৰোঁতে নামলগোৱাজনে প্রাণাযাম প্রক্রিয়াৰে বৈকুণ্ঠৰ পৰা নাম আৱাহন কৰি নামৰ্ থলীলৈ নমাই আনে। তেতিয়া নামলগোৱাজনে হৃদয়ত মানসিকভাৱে জপ কৰি আগলৈ পিছলৈ ঘুৰি ঘুৰি নাম গাই নামৰূপী বৈকুণ্ঠস্থল প্রদক্ষিণ কৰে। আৰম্ভণিৰ নামৰ প্রতিটো চাপৰ বা থোকাৰ লগত নামৰূপ পক্ষীৰ ডোকা মৰা আৰু উৰণ প্রক্রিয়াৰ প্রতিৰূপ প্রতিফলিত হয়। নামৰূপী ভকতৰ বিশ্বাস বৈকুণ্ঠৰ নাম সেই প্রক্রিয়াৰে আহি নামঘৰৰ মজিয়াত অৱতৰণ

কৰে। উৎসৱ-পর্ব উপলক্ষ্যে সকলো সবাহ বা গাণিকাৰ সত্রত এইদৰে আৰম্ভণি ঘটে। নামৰ তালৰ চাপৰ শুনি বৈষ্ণৱসকলে তাল হাতত লৈ নামঘৰত প্ৰৱেশ কৰে। বৈষ্ণৱৰ উপস্থিতিৰ সংখ্যা সৰহীয়া হ'লেও নামঘৰত হিয়ানামৰ মূল পৰিক্ৰমা আৰম্ভ হয়। হিয়ানামৰ সামৰণিত দিহানাম গায়। দিহানাম ধৰাৰ লগে লগে সত্রৰ সত্রাধিকাৰ, ডেকা, গোৱিন্দপুৰীয়াই নামঘৰত প্ৰৱেশ কৰে আৰু নিজৰ নিজৰ আসন গ্ৰহণ কৰে। দিহাৰ সামৰণিত হৰিধ্বনিৰ লগে লগে সত্রাধিকাৰ প্ৰমুখ্যে সকলোৱে সেৱা জনায়। আশীৰ্বাদীয়াই সত্রাধিকাৰ প্ৰমুখ্যে বাকী গোসাঁইসকলক, বৈষ্ণৱক আৰু শিষ্য-প্ৰশিষ্য ৰাইজক পৃথকে পৃথকে আশীৰ্বাদ প্ৰদান কৰে। প্ৰতি আশীৰ্বাদৰ অন্তত এক লয়যুক্ত দীঘলীয়া সুৰেৰে নাম লগোৱাসকলে হৰি-ধ্বনি দিয়ে। সবাহৰ প্ৰতি উৎসৱ-পর্বত আৰু নিত্য আশীৰ্বাদত এই নাম থাকে। আশীৰ্বাদৰ সামৰণিত নামঘৰৰ মুখ্য দ্বাৰেদি দিনৰ সবাহৰ সাজ পিন্ধি[১৬] গায়ন-বায়ন প্ৰৱেশ কৰে। গায়ন-বায়ন প্ৰসঙ্গ থলীত নতজানু হৈ সেৱা জনায়। থিয় হৈ খোল তালেৰে আৰম্ভণি ঘাত বজাই নৈমিত্তিক প্ৰসঙ্গৰ খোলৰ বোল আৰম্ভ কৰে। প্ৰসঙ্গৰ মূল আৰম্ভণি বোল শেষ হোৱাৰ লগে লগে গায়নে ৰাগ দিয়ে। ৰাগৰ শেষত গায়নৰ গীত পৰিৱেশন কৰা হয়। দক্ষিণপাট, গড়মুৰ আদি সত্রত গীতৰ আগতে 'নটুৱা নাচ' নাচে। কিন্তু আউনীআটী সত্রত জন্মাষ্টমী, একাদশী আদি পর্বত নটুৱা নাচ নাথাকে। নটুৱা নাচত থকা ৰাজসিকতাকণো এই সাত্ত্বিক দিৱসত বর্জন কৰাটোৱেই ইয়াৰ ঘাই কাৰণ। গায়ন-বায়নৰ সমাপ্তিত ব্যাহ কীর্তনীয়া দলে পূর্বৰ দৰে ওজা নৃত্য-গীত পৰিৱেশন কৰে। গায়ন-বায়ন ওজা আদি সকলোতে কৃষ্ণৰ জন্মসূচক গীত পদ গোৱা হয়। ওজাৰ নৃত্য-গীত সামৰণি পৰাৰ লগে লগে দিনৰ বিশেষ কার্যৰো সমাপ্তি ঘটে। প্ৰত্যেক প্ৰসঙ্গৰ কার্য শেষ হোৱাৰ লগে লগে নাম লগোৱা গায়ন-বায়ন ওজা সকলো প্ৰসঙ্গীয়াকে সত্রাধিকাৰে গুৱা প্ৰদান কৰে। একাদশী তিথিৰ দৰে জন্মাষ্টমী উৎসৱতো দিনৰ ভাগত সবাহত প্ৰসাদ বিতৰণ নহয়। কাৰণ, প্ৰসাদ পাই ভক্ষণ নকৰিলে দোষ হয় আৰু ভক্ষণ কৰিলেও ব্ৰত ভঙ্গ হয়। সেই অর্থত এই সত্রত দিনত প্ৰসাদ নাথাকে। দিনত কেৱল চন্দনযুক্ত তুলসী নির্মালি সকলোকে প্ৰদান কৰা হয়। আন সত্রত এই নিয়মৰ পৃথকতা আছে। দিনৰ কার্য শেষ হোৱাৰ পিছত ৰাতিৰ কার্য আৰম্ভ হয়। সন্ধ্যা আৰতিৰ পিছতে যি নিত্য তাল প্ৰসঙ্গ হয় আৰু অন্যান্য প্ৰসঙ্গ থাকে তাৰ ঠাইত ৰাতি হিয়া নামৰ আৰম্ভণিতে আৱাহন যুক্ত নামৰ তাল প্ৰসঙ্গ একেলগে হয়। দক্ষিণপাট সত্রত নিত্য প্ৰসঙ্গৰ সময়তে নিত্য নামৰ পৰিৱর্তে উঠা নাম লগায়। দিনতে ৰোহিণী মিলিলে সন্ধ্যাৰ আৰতি পিছতে পূজা আৰম্ভ কৰা হয়। আনহাতে ৰাতি ৰোহিণী মিলিলে ৰোহিণীযুক্ত সময়ৰ পৰা

---

[১৬] দ্ৰ নৃত্য ৭০২

মণিকূট গৃহত পূজা আৰম্ভ কৰা হয়। জন্মাষ্টমী পূজাৰ নৈৱেদ্যত বিবিধ উপকৰণৰ লগতে মধুপর্ক আৰু মিঠৈ দিয়াটো উল্লেখযোগ্য কথা। অষ্টমীত নাৰিকল ভক্ষণ নিষেধ, সেয়ে জন্মাষ্টমীৰ নৈৱেদ্যত নাৰিকল দিয়া নহয়[১৭]। পূজা কার্য বাগীশ, ভাগৱতী, বৰপূজাৰী, পালিপূজাৰীৰ সহযোগত সম্পাদিত হয়। মুখ্যতঃ আউনীআটীত জন্মাষ্টমী পূজা কৰে সত্রৰ দুৱৰীয়া পূজাৰীযে। অসুবিধা হ'লে বৰপূজাৰীয়ে কৰে। এই পূজা চলি থকা অৱস্থাত নামঘৰত শ্রীকৃষ্ণ জন্মলীলা ভাওনা অভিনীত হয়। ভাওনা আৰম্ভ হোৱাৰ আগতে দক্ষিণপাট সত্রত নাটকৰ সম্মুখত ঠাই মচাই বৰ ভাণ্ডাৰৰ পৰা পিঠাগুৰি, গাখীৰ, গুৰ, কল, তাম্বোল-পাণ চকুৰে নি দিযেগৈ[১৮]। পূর্বতে উল্লেখ কৰা হৈছে যে সত্রাধিকাৰে ৰচনা কৰা জন্মাষ্টমী নাটকহে ব্রহ্ম সংহতি আৰ্হিৰ সত্রসমূহত অভিনয় কৰে। কৃষ্ণ জন্ম লীলা নাটকত গোলোক ধামৰ বর্ণনা, কৃষ্ণ অৱতাৰ গ্রহণ আলোচনা, বসুদেৱ-দৈৱকীৰ বিযা আৰু শ্রীকৃষ্ণৰ জন্মলৈকে হোৱা কাহিনী সন্নিৱিষ্ট থাকে। গায়ন-বায়নেৰে আৰম্ভ কৰা এই ভাওনা এনে সময়ত আৰম্ভ কৰা হয যাতে নির্দিষ্ট জন্ম লগ্নত ভাওনাৰ মূল কার্য অর্থাৎ কৃষ্ণ জন্ম অভিনয অংশ উত্থাপিত হয। এনে সংযোগ থকাটো অপৰিহার্য বিষয়। এই জন্ম ক্ষণৰ সঠিক বার্তা নামঘৰত ডবা, তাল, শঙ্খ, ঘণ্টা আদি মঙ্গল বাদ্য বজাই জাননী দিযা হয। ঠিক পূজা সমাপ্তিৰ লগে লগে এই মঙ্গল-ধ্বনি বাজি উঠে। মঙ্গল-ধ্বনি বাজি উঠাৰ লগে লগে নামঘৰৰ আসনস্থিত সত্রাধিকাৰ প্রমুখ্যে উপস্থিত সকলোজনেই আসন এৰি থিয় হৈ কৰপুতে ভগৱানৰ প্রতি ভক্তি নিৱেদন কৰি স্তৱস্তুতি পাঠ কৰে। মঙ্গল-ধ্বনিৰ সমাপ্তিত সাষ্টাঙ্গে বা ভূমি স্পর্শেৰে সকলোৱে থকা ঠাইৰ পৰা মহাপ্রভুৰ স্থানলৈ সেৱা জনায। সেৱা জনাই সকলোৱে পুনৰ নিজ নিজ আসন গ্রহণ কৰে। এই সময়তেই পূজা হোমৰ তিলক আৰু নির্মালি আনি বৰপূজাৰী বা পালি পূজাৰীযে সত্রাধিকাৰ প্রমুখ্যে উপস্থিত সকলোকে প্রদান কৰে। সেইমতে সকলোৱে তিলক কপালত আৰু নির্মালি ঘ্রাণ লৈ শিৰত ধাৰণ কৰে। ইয়াৰ পিছত অভিনয় কার্য সমাপ্তিত সকলো নিজ নিজ ঠাইলৈ যায। আসক্তসকলে পূজাৰ অন্তত আৰু সম্পূর্ণ ব্রতকাৰীসকলে পিছদিনা পাৰণা কৰি ব্রত ভঙ্গ কৰে। আগৰ নীতিৰে পাৰণা কৰা সংখ্যা কমিলেও জন্মাষ্টমী তিথিত এতিযাও সত্রৰ মূল প্রসঙ্গীয়া আৰু বিষয়ববীয়াসকলে মূল অন্ন গ্রহণ নকৰে। সেইদিনা নিজৰ থকা বা বাসগৃহ সম্পূর্ণভাৱে

---

১৭ বিশুদ্ধ আহ্নিক কৃত্য, সম্পা ৰামদেৱ স্মৃতি তীর্থ, পৃঃ ১৫১
অষ্টমীত নাৰিকল খালে বিভিন্ন ৰোগ হয বুলি লক্ষী চৰিত্রত উল্লেখ কৰা হৈছে।
শ্রীশ্রীলক্ষ্মী চৰিত্র আৰু পাঁচালী, সম্পা ৰোহিণী বল্লভ গোস্বামী, পৃঃ ৩৫

১৮ বেণুধৰ শর্মা, দক্ষিণপাট সত্র, পৃঃ ২৭
দ্র ৰাৰহাৰ দর্পণ, পৃঃ ১৪৮

মাটিৰে লেপন কৰি চৰু আৰু বাচন-বর্তন ধোৱা-পখলা কৰি শুদ্ধভাৱে থয। এই পর্ব উপলক্ষ্যে আগৰ ৰন্ধনথলী সম্পূর্ণ উচ্ছেদ কৰি আকৌ নতুনকৈ গঢ়ি পাতি লয়।

এই তিথি উপলক্ষ্যে যেতিয়া ৰাতি ভাওনা পতা সত্তৰ নহয় তেতিয়া জন্মাষ্টমী নাটকখনিৰে কথা আৰু গীতসমূহ গাই থোৱা নিয়ম। অৱশ্যে গায়ন-বায়নৰ সহযোগত ইযাতো এক আনুষ্ঠানিক প্রক্রিযা জড়িত হৈ থাকে। এই নিযম বর্তমান দক্ষিণপাট সত্রত আছে। কোনো সত্রত অভিনয় কার্য কৰিব নোৱাৰিলে নাম প্রসঙ্গৰে ৰাতিৰ কার্য সমাপণ কৰে। অভিনয় নহ'লে ৰাতি আউনীআটী, গডমূৰ, কুৰুৱাবাহী, বেঙেনাআটী আদি সত্রত হিযানাম, উঠানাম, দিহানাম আদি গায। প্রায সত্রতে ভাওনা নহ'লে নাম গোৱা প্রথা আছে। নামৰ অন্তত জন্মখণ্ডৰ দশমৰ পদ গায। পূর্বীয নিযমমতে চন্দ্র উদয নোহোৱা পর্যন্ত পদ গাই থাকে। বেঙেনাআটী সত্রত জন্মাষ্টমী মূল তিথিৰ দিনা পুৱা নিত্য প্রসঙ্গৰ অন্তত জন্মাষ্টমী পালা নামৰ গীতাভিনয কৰে। ৰাতি এই সত্রতো কৃষ্ণপূজা থাকে। পূজা চলি থকা সমযত থিয নাম গায। থিয় নামৰ পিছত দিহানাম থাকে। দিহাৰ অন্তত জন্মলীলা নাটকৰ অভিনয কৰা হয। অভিনয নহ'লে নামেৰে সামৰণি মাৰে[১৯]। কমলাবাৰী সত্রকেইখনত অভিনয নহ'লে 'হৰিক বযন হেৰি মাই' গীত বা জন্মখণ্ডৰ ৰজাঘৰীযা গীত গায[২০]। এইখিনিতে উল্লেখ কৰি থোৱা হ'ল যে দিন-ৰাতিৰ নামত একে বিষযবস্তুকে গোৱা হ'লেও আউনীআটী, গডমূৰ আদিত দিন আৰু ৰাতিৰ দিহা, পদ, ঘোষা, কিছু বেলেগ হয। উদাহৰণ স্বৰূপে,

দিনৰ দিহা	-	দৈৱকী উদৰে হৰিহে উদয় বনমালী। শঙ্খ চক্র গদা পদ্ম ধৰিছা মুৰাৰী।।
সেই অনুক্রমে ঝুনা	-	চলে বসুদেৱ ধীৰে ধীৰে গগনে গৰজে ঘন কোলে লৈয়া নাৰাযণ ফণায়ে ধৰিলা ছত্র শিৰে।
ৰাতিৰ দিহা	-	ধীৰে ধীৰে চলি যায় বসুদেৱ কোলে লৈযা শ্যাম ৰায।
ঝুনা	-	গগনে গৰজে ঘন কোলে লৈযা নাৰায়ণ ফণাযে ধৰিলা ছত্র শিৰে হায় ধীৰে ধীৰে চলি যায।

---

১৯ বেঙেনাআটী সত্রৰ মনু হাজৰিকাৰ পৰা এই তথ্য পোৱা গৈছে।

২০ নাৰায়ণ চন্দ্র গোস্বামী, সত্রীযা সংস্কৃতিৰ স্বর্ণৰেখা, পৃঃ ১৩০

ৰাতি গোৱা ওজাপদ

পৃথিবীৰ শ্রেষ্ঠ বর্ষ ভাৰত নামৰ।
তাৰ মধ্যে অতি শ্রেষ্ঠ মথুৰা নগৰ।।
যৈতে পূর্ণতম প্রভু ভগৱান।
দুষ্ট দমি ভূমি ভাৰ কৰিলা হৰণ।।[১১]

প্রথম দিনাৰ কায শেষ হোৱাৰ পিছত দুদিনীযাকৈ এই উৎসৱ অনুষ্ঠিত হোৱা সত্রসমূহত দিনত নন্দোৎসৱ উপলক্ষ্যে বোকা ভাওনা অনুষ্ঠিত হয। দক্ষিণপাট, গডমূৰ, কুৰুৱাবাহী আদি সত্রত এই নন্দোৎসৱ আৰু বোকা ভাওনা একে উদ্দেশ্যৰে পালন কৰা হ'লেও প্রত্যেক সত্রত এই অনুষ্ঠানৰ দুই এক সুকীযা বৈশিষ্ট্য আছে। এই সত্রবিলাকত দ্বিতীয় দিনাৰ দুপৰীযা পূজা-সেৱা আৰু নিত্য প্রসঙ্গৰ পিছতে জন্মাষ্টমী নাটৰ নন্দোৎসৱ অংশ চাহিনী বজাই দিন-ভাওনা কৰে। গডমূৰ সত্রত এই ভাওনা মূলতঃ নামেৰে অর্থাৎ নামৰ মাজেৰে বিষয়বস্তু-কাহিনী প্রকাশ কৰে, নামৰ মাজতে পুষ্পিতা নোহোৱা ছোৱালী গোপীৰ বেশত সজাই তেনেদৰে নাবালিকা কন্যাক কৃষ্ণৰ ৰূপ দি গোপীয়ে কৃষ্ণক কোলাত লৈ শযন কৰোৱা দৃশ্য দেখুৱায। সেই সময়ত আযতীসকলে কৃষ্ণক উদ্দেশ্যি স্তুতি প্রার্থনা কৰে। এই স্তুতি প্রার্থনাৰ শেষত আযতীসকলে নামেৰেই পুতনা বধ আৰু চক্রৱাত বধৰ কাহিনী প্রকাশ কৰে। পুতনা, চক্রৱাতৰ কাহিনী নামেৰে বর্ণনা কৰোঁতে পুতনা আৰু চক্রৱাত অভিনযৰ মাজত প্রৱেশ কৰে। অৱশ্যে চৰিত্র দুটিযে কোনো বচন নকয। দৈত্য বধ হোৱালৈকে গোপিনীযে নাম গাই থাকে। পুতনা আৰু চক্রৱাত বধৰ পিছত গোপিনীসকলে এটি স্তুতি গীতেৰে দধিমথন কৰে। দধিমথনৰ পিছত গোপীসকলে মহাপ্রভুক এটি সংস্কৃত স্তুতিৰে সেৱা জনাই পুনৰ নাম লৈ এই কার্যৰ অন্ত পেলায। নন্দোৎসবৰ নাটক লিখিত নহয। মৌখিক পৰম্পৰাৰে গোৱা নামৰহে নাটক। নন্দোৎসৱ উপলক্ষ্যে অনুষ্ঠিত হোৱা বোকা ভাওনা এই উৎসৱৰ তাৎপর্যপূর্ণ দিশ। বোকা ভাওনাৰ মূল উদ্দেশ্য হ'ল ৰং-আনন্দ কৰা। বৃদ্ধ বয়সত নন্দ যশোদাই কৃষ্ণক পুত্র ৰূপে পাই যি আনন্দ লাভ কৰিছিল তাৰ লগত সঙ্গতি ৰাখিযেই গোপ-গোপিনীসকলে বিভিন্ন ধৰণৰ ধেমালি কৰিছিল। ইজনে সিজনক বোকা সানি মনৰ আনন্দ প্রকাশ কৰিছিল। সত্র অনুষ্ঠানত এই বোকা ভাওনা উপলক্ষ্যে এঠাইত যমুনা পাতি তাৰ পৰা নামেৰে বোকা পানী লয। কুৰুৱাবাহী গডমূৰ আদি সত্রত এই নিযমেৰে বোকা ভাওনা পাতে। দক্ষিণপাট সত্রত বোকা ভাওনা উপলক্ষ্যে ঠাই মচাই বোকা তৈয়াৰ কৰে। সেই স্থান নাম ডাকে[১২]। সেই বোকাৰ ওপৰতে নাম গাই নামেৰে

---

১১ ওজাপদ, হেমচন্দ্র গোস্বামী, আউনীআটীয সত্রাধিকাৰ (অপ্রকাশিত)

১২ বেণুধৰ শর্মা, দক্ষিণপাট সত্র, পৃঃ ২৭

সৈতে সত্রাধিকাৰৰ চ'ৰালৈ গৈ তাতো নাম গায়। নামৰ অন্তত সত্রাধিকাৰ গৰাকীয়ে নামৰ বৈষ্ণৱসকলক লোণ দান কৰে। জন্মাষ্টমী উৎসৱৰ দৰে মহৎ কার্য সম্পন্ন কৰা হেতু লোণ দান সোণ দানৰ সমান, এনে বিশ্বাসত লোণ দান কৰে। চ'ৰাত নাম গোৱা অন্ত হ'লে বৈষ্ণৱসকলে স্নান কৰিবলৈ যায়। স্নানৰ লগে লগে বোকা ভাওনাৰ অন্ত পৰে। বোকা ভাওনাৰ বোকা মৃত্তিকা স্বৰূপে সত্রৰ ভঁৰালত জমা কৰি থয়। কৃষ্ণ জন্মৰ উদ্দেশ্যে ভকতৰ সহযোগত নামেৰে তৈযাৰ হোৱা বোকা পৰিত্র সম্পদ স্বৰূপে গণ্য কৰা হয়। এই বোকা ভাওনাৰ অন্ত পৰাৰ লগে লগে নন্দোৎসৱ কার্য শেষ হয় যদিও গৃহী সত্রসমূহত এই উৎসব তিনিদিনীয়াকৈ পালন কৰাৰ প্রথা আছে। কুৰুৱাবাহী সত্রত এই উৎসৱ বর্তমানেও তিনিদিনীয়াকৈ পালন কৰে। কৃষ্ণ জন্মৰ পিছত পাঁচ দিনৰ দিনা সত্রত পতা অনুষ্ঠানটোক 'পাচতি'[১০] বুলি কোৱা হয়। এই পাচতি অনুষ্ঠান অসমৰ বহু গাঁৱত বহলভাৱে অনুষ্ঠিত হয়। ঠাই বিশেষে সুবিধা অনুসৰি এই অনুষ্ঠান পিছতো পাতে। পঞ্চম দিনৰ লগত জড়িত বাবেই ইযাক লোক সমাজত 'পাচতি' বা 'পাচেতি' নামেৰে জনা যায়।

১. (খ) ৰাস

ৰাসৰ আদি স্থিতি ঃ আদিতে ৰাসৰ পাতনি আছিল গোলোকত। সাত বৈকুণ্ঠৰ[১১] ভিতৰত গোলোক বৈকুণ্ঠ শীর্ষস্থানত। গোলোকত ৰাসৰ নিত্য লীলা চলি থকা অৱস্থাত ভগবান শ্রীকৃষ্ণই যেতিয়া ভূমিভাৰ হৰণৰ নিমিত্তে মর্ত্যলৈ আহিল খোজে তেতিয়া কৃষ্ণ-প্রিয়া আদ্যাশক্তি ৰাধিকায়ো তেওঁৰ লগতে অহাৰ ইচ্ছা প্রকাশ কৰে আৰু ভক্ত পার্ষদ সমন্বিতে গোপীসকলক লৈ আহিবলৈ প্রার্থনা জনায়। ভগবান শ্রীকৃষ্ণই ৰাধাৰ মনোবাঞ্ছা পূৰণৰ অর্থে সকলোকে পৃথিৱীলৈ আহিবলৈ অনুমতি দিলে[১২]। সেই আজ্ঞা অনুসৰিয়েই তেওঁলোক সকলোৱেই দ্বাপৰত সেই ৰূপত আহি পৃথিৱীত জন্মগ্রহণ কৰেহি। কৃষ্ণৰ আদেশ পাই যমুনা-গোৱর্ধনেও মর্ত্যৰ বৃন্দাবন ক্ষেত্রত স্থিতি ল'লেহি। লগে লগে পূর্ণময় পূর্ণকৃষ্ণৰ লীলা গোলোকৰ দৰেই পৃথিৱীতো প্রচলন হ'ল।

ৰাসৰ পৰিচয় আৰু মূল বিষয়বস্তু ঃ ৰাস হৈছে এক নৃত্য বিশেষ। মণ্ডলাকাৰে

---

[১০] পাচতি - দ্র [illegible], অসমীয়া লোক সংস্কৃতিৰ আভাস, পৃঃ ২২৫-২৩৬

[১১] সপ্ত বৈকুণ্ঠ ঃ শ্বেত বিলাস, শান্তানু বিলাস, পঙ্কজ বিলাস, পুষ্প বিলাস, কনকদণ্ড, সনাতন, গোলাক।

[১২] গর্গ সংহিতা, গোলোক খণ্ড, পৃঃ ১১, ১২

নৃত্যপৰাযণা অসংখ্য নর্তকীৰ মাজত যদি কোনোবা নর্তকে নৃত্য কৰে তেতিয়া সেই নৃত্যক হল্লীশক[১৬] নৃত্য বোলা হয়। সেই হল্লীশক নৃত্য যদি বিবিধ তালবদ্ধ আৰু বিবিধ গতি সমন্বিত হয়, তেতিয়া তাক ৰাসনৃত্য বোলা হয়। ৰাস শব্দৰ মূল হৈছে 'ৰস', ৰসো ৱৈ সঃ[১৭]। ৰস শব্দৰ অর্থ পৰমব্রহ্ম। গতিকে ৰসস্যাযং ৰাসঃ অর্থাৎ পৰমব্রহ্ম সহিত জীৱাত্মাৰ সম্বন্ধই হ'ল ৰাস। আকৌ আনপ্রকাৰে এই ৰসৰ কথা এইদৰে চাব পাৰি 'ৰসানাং সমূহো ৰাসঃ' অর্থাৎ সকলো ৰসৰ সমাৱেশ সমন্বিত ব্রহ্মানন্দই ৰাস[১৮]। শৃঙ্গাৰ, ৱীৰ, কৰুণ আদি যি দশপ্রকাৰৰ ৰস, এই দহবিধ কৃষ্ণতে আছে। কংসই কৃষ্ণক মাৰিবলৈ আযোজন কৰা ধনুযজ্ঞলৈ কৃষ্ণ যাওঁতে তেওঁক ভিন ভিন লোকে দহপ্রকাৰে দেখিবলৈ পাইছিল। এই দহপ্রকাৰৰ দৃষ্টিযেই দহ প্রকাৰৰ ৰস। ভাগৱতৰ দশম স্কন্ধত[১৯] ইযাৰ

---

১৬ নর্তকীভিৰনেকাভির্যত্তলে বিচবিষ্ণুভিঃ।
যত্রৈকো নৃত্যতি নটস্তদ্ ৱৈ হল্লীশকং বিদুঃ।।
তদেৱেদং তালবন্ধগতিভেদেন ভূযসা।
ৰাসঃ স্যান্ন সনাকে ২ পি ৱর্ততে কিং পুনর্ভুবি।।
(ৰাধাৱিনোদ গোস্বামী, শ্রীমদ্ভাগৱতম্, বাংলা অনুবাদ, সম্পা কৃষ্ণচন্দ্র স্মৃতি তীর্থ দশম স্কন্ধ (পঞ্চম খণ্ড), ২৯শ অধ্যায, পৃঃ ১৬৯৭)

১৭ উল্লিখিত, পৃঃ ১৬৯৭, মূল ঃ তৈত্তিৰীয উপনিষদ্

১৮ উল্লিখিত, পৃঃ ১৬৯৭

১৯ কৱিলা প্রকাশ ৰামে সমে সমজাত।
দেখে দশ প্রকাৰে কৃষ্ণইক সিৱেলাত।।
মালে বোলে কিনো ইটো তনু ৱজ্র সম।
অন্যজনে বোলে ইটো নৰতে উত্তম।।
মূর্তি মন্ত কাম নাৰী সকলে বখানে।
আমাৰেসে বন্ধু বুলি গোপগণে মানে।।
ৰাজাগণে বোলে এন্তে শাস্তা অদভুত।
বসুদেৱ দৈৱকী বোলন্ত মোৰ পুত্র।।
কংসে বোলে এই মোৰ মৃত্যু ধনমালী।
অজ্ঞানী সকলে বোলে ছোঁত সে ছৱালি।।
যোগীগণে বোলে এহেন্তে সে ব্রজতত্ত্ব।
বৃষ্ণিবংশে বোলে এন্তে কুলৰ দৈৱত।।
এহেন্তে আমাৰ প্রভু পৰম ঈশ্বৰ।
ৰোমাঞ্চিত তনু নীৰ ঝৰে নয়নৰ।।
উপজিল প্রেম অতি ভকতৰ মনে।
এহি দশ প্রকাৰে দেখিল সর্বজনে।।
শ্রীশুকদেৱ, শ্রীমদ্ভাগৱত, প্রকাশক বকুৰা এজেন্সী, পদ ১৯৮৫-৮৮, পৃঃ ১৫৩

স্পষ্ট ব্যাখ্যা পোৱা যায়। যি ক্রীড়াত এই ৰসৰ ভাণ্ডাৰ কৃষ্ণক পাই গোপীসকলে পৰমানন্দ লাভ কৰিছিল সেই ক্রীড়াই ৰাস। এই ৰাসক্রীড়াত জড়িত কৃষ্ণ আৰু গোপীসকলৰ স্বৰূপ জনা আৱশ্যক। কৃষ্ণ শব্দৰ ব্যুৎপত্তিগত অর্থ প্রথমতে চাব খোজা হৈছে। 'কৃষ্' আৰু 'ণ' এই দুটা মিলি কৃষ্ণ শব্দৰ ৰূপ লৈছে। 'কৃষ্' শব্দৰ অর্থ হ'ল ভূ অর্থাৎ সত্তা বা অস্তিত্ব আৰু 'ণ'ৰ অর্থ নিবৃত্তি অর্থাৎ পৰমানন্দ[৩০]। অর্থাৎ যি পৰম বস্তুক পালে পৰমানন্দ লাভ হয় সেই পৰমাত্মাৰ সৈতে সত্তা বা আত্মাৰ যি মিলন সেয়ে কৃষ্ণ 'কৃষ্ণস্তু ভগৱান স্বযম্।' তেওঁ নিজে আদি-অন্ত বিহীন। কিন্তু তেৱেঁই সৃষ্টি, স্থিতি, প্রলয়ৰ গৰাকী।

গোপীসকল ভগৱানৰ পৰম ভক্তা। ৰাম অৱতাৰত দণ্ডকাৰণ্যবাসী ঋষিসকলে শ্রীৰামক দেখি মুগ্ধ হওঁ তে মহাভক্ত ঋষিসকলে নিজে ৰামৰ প্রেযসী হৈ তেওঁৰ সেৱা কৰিবলৈ বাঞ্ছা কৰিছিল[৩১]। তেতিয়া ৰামে কৃষ্ণ অৱতাৰত তেওঁলোকৰ মনোবাঞ্ছা

---

৩০ (ক) কৃষ্ হেন শব্দ ইটো পৃথিৱী বাচক ভৈল
ন আনন্দত প্রৱর্তয।
দুইৱো একপদ ভৈলে পৰমব্রহ্ম ৰূপ কৃষ্ণ
নাম আনন্দক মাত্র কয।।
মাধৱদেৱ, নামঘোষা, ঘোষা ১৪০, পৃঃ ৪৫
(খ) কৃষির্ভূবাচকঃ শব্দো ণশ্চ নিবৃত্তিবাচকঃ।
মহাভাৰতম্, উদ্যোগ পর্ব, ষট্ষষ্টিতম অধ্যায়, প্রকাশক - বিশ্ববাণী প্রকাশনী, পৃঃ ৬৮৩
(গ) কৃশ শব্দঃ সত্তার্থো নশ্চানন্দাত্মকস্ততঃ।
কৃষ্ণো ভক্তাঘকর্ষণাদপি তদ্বর্ণত্বাচ্চ মন্ত্রময়বপুষঃ।।
শ্রীশ্রীনাৰদ পঞ্চৰাত্রম্, তৃতীযৰাত্রম্, শ্লোক ২০, পৃঃ ২৩২

৩১ (ক) পুৰা মহর্যযঃ সর্ৱে দণ্ডকাৰণ্যবাসিনঃ।
দৃষ্ট্বা ৰামং হৰিং তত্র ভুক্তমৈচ্ছৎ সুবিগ্রহম্।।
তে সর্বে স্ত্রীত্বমাপন্নাঃ সমুদ্ভূতাশ্চ গোকুলে।
হৰিং সংপ্রাপ্য কামেন ততো মুক্তা ভৱার্ণৱাৎ।।
পদ্মপুৰাণম, উত্তৰ খণ্ডম্, ১৬৪-১৬৫, পৃঃ ৯৮৭
(খ) তদা শ্রীৰামস্য ৱৰাদ্দণ্ডকাৰণ্যৱাসিনঃ।।
ঋষয়ঃ স্ত্রীত্বমাপন্না রভুবুস্তস্য কন্যকাঃ।।
গর্গ সংহিতা, মাধুর্য্যখণ্ড, শ্লোক ৫, পৃঃ ১৯৫
(গ) শ্রুতিৰূপা ঋষিৰূপা মৈথিলাঃ কোশলাস্তথা।
অযোধ্যাপুৰৱাসিন্যো যত্র সীতা পুলিন্দকাঃ।।
যাসাং মযা ৱৰো দত্তো পূর্ব্বে পূর্ব্বে যুগে যুগে।
তাসাং যূথা ভৱিষ্যন্তি গোপীনাং মদ্ ব্রজে শুভে।।
গর্গ সংহিতা, গোলোক খণ্ড, শ্লোক ১৬, ১৭, পৃঃ ১৪

পূর্ণ হ'ব বুলি বৰ দিছিল। দ্বাপৰ যুগত কৃষ্ণ অৱতাৰত সেই ঋষিসকলেই গোকুলৰ গোপীৰূপে জন্মগ্রহণ কৰিছিল[৩২]।

ভগৱান ভক্তৰ অধীন। পূর্বজন্মত প্রাপ্ত বৰ অনুসৰি আৰু বস্ত্রহৰণ কালত দিয়া প্রতিশ্রুতি মতে গোপীসকলৰ মনোবাঞ্ছা পূৰণ কৰিবলৈ শৰতৰ পূর্ণিমা ৰাতি যমুনা তীৰৰ বৃন্দাবন ক্ষেত্রলৈ গোপীসকলক ভগৱান শ্রীকৃষ্ণই সুমধুৰ বংশী ধ্বনিৰে আহ্বান জনালে। সেই মুৰলীৰ ধ্বনি শুনি গোপীসকলেও য'ৰে কাম ত'তে এৰি থৈ পতি-পুত্র সমন্বিতে সংসাৰৰ অতি স্নেহসিক্ত পৰিবেশক ত্যাগ কৰি বৃন্দাবনলৈ ঢাপলি মেলিলে, প্রাণস্বামী কৃষ্ণৰ কাষ পাবলৈ। কৃষ্ণই তেওঁলোকৰ প্রেমভক্তি পৰীক্ষা কৰিবৰ মনেৰে নানা যুক্তিৰে কুলবধূৰ কর্তব্য সোঁৱৰাই প্রথমতে গৃহলৈ উভতি যাবলৈ অনুৰোধ কৰিলে। শঙ্কৰদেৱে কীর্তনত ইয়াৰ বিষয়ে লিখিছে ঃ

উপপতি সমে ক্রীড়া গৰিহিত কর্ম।
স্বামীৰ শুশ্রূষা কুলস্ত্রী মহাধর্ম[৩৩]।।

কিন্তু গোপীসকলে জন্ম-জন্মান্তৰৰ আৰাধনাৰ পতিৰো পতি স্বয়ং ভগৱানক সাক্ষাতে পোৱাত আন সকলো সুখক তুচ্ছজ্ঞান কৰিলে। সেয়ে তেওঁলোক যাবলৈ মান্তি নহ'ল। কৃষ্ণই তেওঁলোকৰ সর্বস্ব, ইযাকে গোপীসকলৰ উত্তৰ স্বৰূপে শঙ্কৰদেৱে লিখিছে ঃ

জগত বন্ধু আত্মা তুমি।
সমস্ত ধর্মৰ আপুনি ভূমি।।[৩৪]

গোপীসকলৰ এনে দৃঢ় ভক্তি দেখি তেওঁলোকৰ মনোবাঞ্ছা পূৰণার্থে কৃষ্ণই ৰাসক্রীড়া আৰম্ভ কৰিলে[৩৫]। কিন্তু কৃষ্ণৰ আদৰ পাই ক্রমে ক্রমে গোপীসকল গর্বিতা

---

৩২ বস্ত্রহৰণ কালৰ প্রতিশ্রুতি ঃ
কৃষ্ণক প ৰব কাৰণে গোপীসকলে এবছৰ দিন ধৰি কাত্যাযনী পূজাৰে যি ব্রত আৰম্ভ কৰিছিল তাত সন্তুষ্ট হৈ এবছৰ পূর্ণ হওঁতে কৃষ্ণই গোপীসকলক শেষ পৰীক্ষা কৰিবৰ বাবে তেওঁলোকে স্নান কৰা অবস্থাত তেওঁলোকৰ বস্ত্রহৰণ কৰিছিল। সেই সময়ত বস্ত্রৰ চিন্তা পাহৰি গোপীসকলে কৃষ্ণক দেখাৰ লগে লগে কৃষ্ণৰ উপদেশ মতে তেওঁক পাবৰ বাবে যিদৰে আকুল হৈ পাৰলৈ উঠি আগবাঢি গৈছিল, তাত সন্তুষ্ট হৈ কৃষ্ণই শাৰদীয পূর্ণিমাত তেওঁলোকৰ মনোবাঞ্ছা পূৰণ কৰিব বুলি বৰ দিছিল। কৃষ্ণই গোপীসকলৰ অনন্যা ভক্তিৰ উমান পাইছিল।
ভাগৱত (সং), ১০ম স্কন্ধ, ২১ শ অধ্যাযঃ, সম্পা পঞ্চানন তর্কৰত্ন, পৃঃ ৫৯৩, ৫৯৪, ৫৯৫

৩৩ শঙ্কৰদেৱ, কীর্তন, সম্পা যতীন্দ্রনাথ গোস্বামী, ৰাসক্রীড়া, পদ ১৭, পৃঃ ২০২

৩৪ উল্লিখিত, পদ ২৪, পৃঃ ২০৩

৩৫ যমুনা বালি দেখি সুকোমল। পদ্মগন্ধী বাৰে অতি শীতল।।
গোপীগণ লৈযা নামিলা তাত। কৰিলা ক্রীড়া কৃষ্ণে অসংখ্যাত।।
উল্লিখিত, পদ ৩৬, ৩৭, পৃঃ ২০৬

হৈ পৰিল। তেওঁলোকে ভাবিলে, কৃষ্ণ তেওঁলোকৰ অধীন হ'ল। গোপীসকলৰ তেনে অহংকাৰ ভাব দেখি বিৰহ অনলৰ মাজেদি তেওঁলোকৰ অন্তৰ পৰিশুদ্ধ কৰিবলৈ কৃষ্ণ হঠাতে তেওঁলোকৰ মাজৰ পৰা ৰাধাৰ সৈতে অন্তর্ধান হ'ল। কৃষ্ণৰ অন্তর্ধানত কৃষ্ণক বহু প্রকাৰে অন্বেষণ কৰি ভাগৱন্তৰা হৈ অৱশেষত গোপীসকলে নিজৰ ভুল বুজি পালে। কৃষ্ণ যে পূর্ণকাম, জিতেন্দ্রিয় তেওঁলোকে বুজিব পাৰিলে। সমস্ত বন চলাথ কৰি কৃষ্ণক নাপাই গোপীসকলে কৃষ্ণৰ লীলানুকৰণ কৰি কৰুণ স্বৰেৰে আৰু শুদ্ধ একাগ্র চিত্তেৰে স্তুতি কৰিবলৈ ধৰিলে। গর্বাভিমান আঁতৰি গোপীসকলৰ অন্তৰ নির্মল হোৱা জানি ভক্তবৎসল কৃষ্ণই ত্রিভংগ ভঙ্গিমাৰে তেওঁলোকৰ আগত পুনৰ দেখা দিলেহি। কৃষ্ণক পাই গোপীসকলে সকলো দুখ পাহৰি পেলালে যদিও নিজৰ নিজৰ সংশয় নিবৃত্তিৰ বাবে কৃষ্ণক বেঢ়ি বেঢ়ি প্রশ্ন সুধিবলৈ ধৰিলে, কৃষ্ণইও তাৰ যথাযথ উত্তৰ দিলে। ভাগৱততে এই প্রশ্নোত্তৰ বিস্তৃতভাৱে আছে[৩৬]। গোপীসকলৰ সংশয় দূৰ হোৱাৰ

---

[৩৬] গোপী সকলৰ প্রশ্ন :

কৃষ্ণক নিৰেখি পাছে সবে গোপ নাৰী।
সুদিবে লাগিলা অন্যো অন্যো চক্ষু ঠাৰি।
কতো কতো মনুষ্যৰ দেখি ব্যৱহাৰ।
উপকাৰী জনকেসে কৰে উপকাৰ।।
কতো সাধু সবে উপকাৰকো নচাৰে।
কৰে উপকাৰ সমস্তকে সমভাৱে।।
উপকাৰী উদাসীন দুইতো নেদে মতি।
সিটো কোনজন তাক কহিযো সম্প্রতি।।

কৃষ্ণৰ উত্তৰ :

শুনা সখীসৱ আৰে বচন আমাৰ।
যিটো উপকাৰীকেসে কৰে উপকাৰ।।
সুহৃদো নুহিক তাৰ নাহি একো ধর্ম।
আপোনাৰ অর্থে মাত্র কৰে সিটো কর্ম।।
উপকাৰ নচাই সিটো কৰে উপকাৰ।
সিসে সাধুজন মহাধর্ম সিজে তাৰ।।
উপকাৰী উদাসীন দুইতো নেদে মন।
আছে চাৰিবিধ শুনা তাহাৰো লক্ষণ।।
যিটো মহা ব্রহ্মজ্ঞানী দেখে সবে মিছা।
যিজন আপুনি পূর্ণ ভোগে নাহি ইচ্ছা।।
যিটো গুৰুদ্রোহী আউৰ একোৰে নামানে।
যিটো মহামূঢ় দোষ গুণক নাজানে।।
কাহাকো নভজে এহি চাৰিবিধ জন।
কহিলো নিশ্চয় তোমাসাত গোপীগণ।।

শঙ্কৰদেৱ, শ্রীমদ্ভাগৱত, দশম স্কন্ধ, সম্পা বৰুৱা এজেন্সি, প্রকাশক বৰুৱা এজেন্সি, পদ ১৪৪২, পৃঃ ১১১, ১১২

পিছত গোপীসকলে সকলো বুজি পাই কৃষ্ণৰ চৰণত সর্ব অধিকাৰী ৰূপে আত্মসমর্পণ কৰিলে। এইবাৰ গোপীসকলৰ আত্মসমর্পণৰ তেনে চৰম অৱস্থা দেখি কৃষ্ণই 'যত গোপী তত কৃষ্ণ' হৈ পুনৰ ৰাসক্রীড়া আৰম্ভ কৰিলে, এয়ে হ'ল মহাৰাস। গোপীসকলৰ অভিলাস সিদ্ধি হ'ল, তেওঁলোকে মুক্তি লাভ কৰিলে।

ৰাসলীলাৰ তাৎপর্য ঃ ৰাসলীলা আখ্যানৰ আধাৰগ্রন্থ হ'ল শ্রীমদ্ভৰগত মহাপুৰাণ। সমস্ত বেদৰ সাৰ এই শ্রীমদ্ভৰগত পুৰাণ অষ্টাদশ পুৰাণৰ ভিতৰত শ্রেষ্ঠ। এই শ্রীমদ্ভৰগতৰ দশম কথাই হ'ল ইয়াৰ মধ্যমণি স্বৰূপ আৰু দশম স্কন্ধৰ অন্তৰ্গতী কৃষ্ণ আৰু গোপীসকলৰ মাজত হোৱা যি ৰাসবিহাৰ কার্য সেয়া হ'ল মণিৰ ভিতৰৰ মুকুটমণি। ভাগৱতৰ দশম স্কন্ধৰ অন্তর্গত ২৯ অৰ পৰা ৩৩ পর্যন্ত এই পাঁচটা অধ্যায়ক ৰাস পঞ্চাধ্যায় বোলা হয়। শ্রীমদ্ভৰগত তথা ভক্তিতত্ত্বৰ মূল কথা চতুঃশ্লোকেৰে প্রথমে নাৰায়ণে মৌখিক ব্যাখ্যা দিছিল ব্রহ্মাক, সেই ক্রমেৰে ব্রহ্মাৰ পৰা পাইছিল ব্রহ্মাৰ পুত্র নাৰদে। নাৰদৰ পৰা ব্যাসে, ব্যাসৰ পৰা শুকমুনিযে, শুকমুনিৰ পৰা ৰজা পৰীক্ষিতে, তাৰ পৰাই সুতে শুনি নৈমিষাৰণ্যৰ ঋষিসকলৰ মাজত ভাগৱত ব্যাখ্যা কৰিছিল। ভাগৱতৰ বিস্তৃত লিখিত ৰূপ দিছিল ব্যাসে। তেতিযাৰ পৰাই ভাগৱতৰ নিজস্ব ৰূপ নির্ণীত হয। সত্যৱতীৰ পুত্র মহর্ষি ব্যাসেই বেদৰ অনেক শাখা কৰিছিল আৰু তেওঁ আছিল চতুর্বিংশতি অৱতাৰৰ দ্বাবিংশতম অৱতাৰ।

বিস্তৃত শ্রীমদ্ভাৱগত গ্রন্থৰ মূল বক্তা আছিল শুকদেৱ আৰু ইযাৰ মুখ্য শ্রোতা আছিল মহাৰাজ পৰীক্ষিত। এতিয়া এনে কথা মনলৈ আহিব পাৰেনে যে অৱতাৰী পুৰুষ, জ্ঞান-বিজ্ঞানৰ প্রদীপ্ত ভাস্কৰ ব্যাসে কেতিয়াবা অশ্লীল বিষয় লিখিব পাৰে? আনহাতে মৃত্যুৰ মুখত পৰি থকা মহাৰাজ পৰীক্ষিতে মোক্ষদাতা শুকদেৱে এনে শৃংগাৰ ৰস বা বিলাস-পৰায়ণ কথা ভৱতৰণৰ মহৌষধ ৰূপে শ্রৱণ কৰোৱাটো সম্ভৱ হ'ব পাৰেনে? আকৌ, বিপ্রাভিশাপৰ জ্বালাত দগ্ধ হৈ অনুতপ্ত হোৱা মুক্তিকামী পৰীক্ষিতে তত্ত্বকথাৰ বাহিৰে এনে কাম-কথাত কর্ণপাত কৰিবনে? এনে বিশ্বাস হয়নে?[৩৭] গতিকে ৰাসলীলাত যে পৰম গূঢ় তত্ত্ব নিহিত আছে, প্রণেতা, বক্তা আৰু শ্রোতাৰ পৰাই ই প্রতীয়মান হৈ পৰে। ধানৰ বাহিৰ আৱৰণ বাকলি অংশ গুচালেহে আচল বস্তু চাউল পোৱাৰ দৰে শৃংগাৰ কথা পৰম তত্ত্ব ৰাসলীলাৰ ওপৰৰ বাকলিহে। ৰাসলীলাত কৃষ্ণই প্রেমালিঙ্গনেৰে গোপীসকলৰ মনৰ বাঞ্ছিত আশা পূৰণ কৰিলেও তেওঁ কিন্তু সম্পূর্ণ নিৰাসক্ত। তেওঁ

---

৩৭ শ্রীমদ্ভাগৱতম্ (সং), বাংলানুবাদ - ৰাধা বিনোদ গোস্বামী, ১০ম স্কন্ধ, ৩৩ শ অধ্যায়, পৃঃ ২৬০৫, ২৬০৬ সম্পা কৃষ্ণচন্দ্র স্মৃতিতীর্থ।

নিজে গুণাতীত[৩৮]। গতিকে কৃষ্ণ আৰু গোপীৰ মাজৰ এই সম্পর্ক ভক্ত-ভগৱানৰ সম্পর্কহে। গোপী-কৃষ্ণৰ মাজৰ এই সম্পর্কক যাতে জনসাধাৰণে বিকৃতভাবে নলয় তাৰ কাৰণে শঙ্কৰদেৱে একেটা কাহিনীকে ক্রমে ভাগৱত, কীর্তন আৰু কেলি গোপাল নাট, এই তিনি ঠাইত বর্ণনা কৰি গোপী-কৃষ্ণৰ এই সম্পর্কক ভক্ত-ভগৱানৰ সম্পর্ক বুলি বাৰে বাৰে দোহাৰিছে। ভক্ত-ভগৱানৰ সম্পর্ক পাঁচ প্রকাৰৰ হ'ব পাৰে। এই পাঁচ প্রকাৰৰ সম্পর্কত পাঁচ প্রকাৰৰ ভক্তি নিয়োজিত হৈ থাকে। ক্রমে শান্ত ভক্তি, বাৎসল্য ভক্তি, দাস্য ভক্তি, সখ্য ভক্তি আৰু শৃংগাৰাত্মক ভক্তি। শৃংগাৰাত্মক ইয়াৰ বাহ্যিক আৱৰণহে সাংসাৰিক আসক্তিত পৰি সাধাৰণ লোক ভগৱানৰ প্রতি আকৃষ্ট নহ'বও পাৰে, শৃংগাৰ ৰসৰ যোগেদি তত্ত্বপূর্ণ কথাৰ প্রতি বা ভগৱৎ ভক্তিলৈ সাধাৰণ মানুহক আকর্ষিত কৰিবৰ কাৰণে এনে ব্যৱস্থা গ্রহণ কৰা দেখা যায়। সেয়ে সেই অর্থতে শঙ্কৰদেৱে লিখিছে ঃ

'শৃংগাৰ ৰসে আছে যাৰ ৰতি।
আকে শুনি হৌক নির্মল মতি।।'[৩৯]

আকৌ ইয়াক কোৱা হৈছে, 'কামজয় নামে ইটো কেশৱৰ কেলি'[৪০]। কাম আৰু প্রেমৰ মাজত পার্থক্য আছে। শ্রীচৈতন্য চৰিত্রামৃতত কৈছে ঃ

আত্মেন্দ্রিয় প্রীতি বাঞ্ছা তাৰে বলি কাম।
কৃষ্ণেন্দ্রিয় প্রীতি ইচ্ছা ধৰে প্রেম নাম।।[৪১]

অন্য কোনো পার্থিৱ বস্তুত মমতা নাৰাখি যদি একমাত্র কৃষ্ণতহে মমতা ৰাখে তেন্তে সেই কৃষ্ণনিষ্ঠা মমতাক প্রেম বোলা হয়। আনহাতে স্ত্রী-পুত্র, পৰিজন, বিষয়-বৈভৱাদিত নিজৰ সুখ-আকাংক্ষাৰ কাৰণে যি স্পৃহা সি কামৰ লক্ষণ। ৰাসক্রীড়াৰ সময়ত আৱির্ভাৱ হোৱা শংখচূড় যক্ষ হ'ল কামভাৱৰ প্রতীক। আনহাতে এজন কৃষ্ণৰ প্রতি ষোল্লশ গোপীৰ যি প্রীতি সেয়া হ'ল, প্রেমৰ প্রতীক। ৰাসলীলা জীৱাত্মা আৰু পৰমাত্মাৰ মিলনৰ প্রতীক। জীৱাত্মাৰূপী গোপীসকল ঐকান্তিক ভক্তিৰ দ্বাৰা পৰমাত্মাৰূপী কৃষ্ণৰ লগত একীভূত হৈছে।

---

৩৮ আপুনি আনন্দ সিন্ধু জগত নিবাস।
কু-চিত সুখত তান কোন অভিলাষ।।
শ্রীমদ্ভাগৱত, সম্পা. বকুৱা এজেন্সি, দশম স্কন্ধ, পদ ১২৯১, পৃঃ ১০০

৩৯ শঙ্কৰদেৱ, কীর্তন, সম্পা. যতীন্দ্রনাথ গোস্বামী, ৰাসক্রীড়া, পদ ১৬৮, পৃঃ ২৩৬

৪০ শ্রীমদ্ভাগৱত, দশম স্কন্ধ, প্রকাশক-বকুৱা এজেন্সি, পদ ১২০৯, পৃঃ ৯৪,

৪১ (ক) নিজৰ প্রীতিৰ কাৰণে যি ভাব সি কাম আৰু কৃষ্ণৰ প্রীতিৰ কাৰণে যি ভাব সি প্রেম
শ্রীশ্রীচৈতন্য চৰিতামৃত, প্রকাশক- গৌড়ীয় মিশন, পদ ১৬৫, পৃঃ ৭৫

শ্রদ্ধাপূত হৃদয়েৰে এই ৰাসলীলাৰ অমৃত সিন্ধুৰ বিন্দুমাত্রও শ্রৱণ-কীর্তন আৰু অভিনয় লীলাৰ যোগেদি দর্শন লাভ কৰিব পৰাজনৰ কামৰূপ ব্যাধি দূৰ হয় আৰু সেইজন পৰমানন্দত নিমজ্জিত হ'বলৈ সক্ষম হয়। ভগৱন্তৰ এনে লীলাকে অনুকৰণ কৰি প্রতি শাৰদীয় পূর্ণিমাত লোকসমাজে নাম-প্রসঙ্গ আৰু অভিনয়ৰ যোগেদি ৰাস উৎসৱ পালন কৰি আহিছে। জীৱাত্মা-পৰমাত্মাৰ মিলনৰ এনে উদ্দেশ্যকে সাৰোগত কৰি জীৱনৰ চৰম কর্তব্য ভাবি সত্রসমূহত মহাসমাৰোহেৰে ৰাস উৎসৱ পালন কৰা হয়।

সত্রত ৰাস উদ্‌যাপন পদ্ধতি ঃ অসমৰ সত্রসমূহত বৈদিক ক্রিয়াকাণ্ড আৰু নাট্যধর্মী ব্যৱস্থাৰে ৰাস উৎসৱ উদ্‌যাপিত হয়। সত্রীযা আদর্শ ৰক্ষা কৰি থকা প্রায়বোৰ সত্রতেই ৰাস উৎসৱ পালন কৰা হয়। বৈদিক পৰম্পৰা আৰু অভিনয়ৰ দিশত ৰাসৰ প্রাচীনতা দাবী কৰিব পাৰে দক্ষিণপাট সত্রই। সত্রসমূহৰ ভিতৰত প্রথমতে দক্ষিণপাট সত্রতেই ৰাসলীলা উৎসৱ উদ্‌যাপিত হয়। তাৰ পিছতেহে আউনীআটী, গড়মূৰ বেঙেনাআটী, কমলাবাৰী, ভোগপুৰ, পুনিয়া আদি সত্রবোৰলৈ এই ৰাসৰ প্রসাৰ ঘটে। আউনীআটী, দক্ষিণপাট, গডমূৰ, কুৰুৱাবাহী আদি সত্রত ৰাসপূজাৰ বিশেষ প্রাধান্য আছে। আন প্রায়বিলাক সত্রত কেৱল অভিনয় ৰাসৰ ওপৰতহে গুৰুত্ব দিযা হয। অৱশ্যে ৰাস উপলক্ষ্যে দিনৰ ভাগত সত্রত বিশেষ নাম প্রসঙ্গৰ ব্যৱস্থা আছে।

সত্রসমূহত ৰাস অভিনয়ৰ নাটকসমূহক দুই প্রকাৰে বিভক্ত কৰিব পাৰি, (১) মহাপুৰুষ শঙ্কৰ-মাধৱৰ কেলি গোপাল আৰু ৰাস-ঝুমুৰা নাটকেৰে কিছু সত্রত ৰাস অভিনয কৰা দেখা যায়। আনহাতে আউনীআটী, দক্ষিণপাট, গডমূৰ, বেঙেনাআটী আদি সত্রত নিজ নিজ সত্রতে কৰা, ৰাসলীলাৰ বিষয়বস্তুৰ লগত সঙ্গতি থকা নাটকৰহে অভিনয় কৰা হয়। কোনো কোনো সত্রৰ স্ব-ৰচিত নাটকত মূল কাহিনীৰ লগত খাপ খুৱাই বসুদেৱ-দৈৱকীৰ বিয়া বা তাতকৈয়ো আগৰ প্রাসঙ্গিক কথা সন্নিবিষ্ট কৰা দেখা যায়।

সত্রসমূহত ৰাস বুলিলে তিনিটা কথাৰ অঙ্গাঙ্গী সম্বন্ধ থকা বুজায়। এই তিনিটা কথা হ'ল, ৰাস পূজা, ৰাস অভিনয় আৰু ৰাস উপলক্ষ্যে নাম প্রসঙ্গ। অৱশ্যে সকলো সত্রতে ৰাসপূজা নহয় যদিও অভিনয় আৰু নাম-প্রসঙ্গৰ ৰীতি কম-বেছি পৰিমাণে ৰক্ষা কৰা হয়। কেৱল অভিনয়ৰ ওপৰত গুৰুত্ব দিয়া সত্রকেইখনে দুই-তিনিদিন ৰাস অভিনয়কেই প্রদর্শন কৰে। তিনিও কথাত সমানে গুৰুত্ব দিয়া সত্রসমূহত একেদিনাই তিনিওটা কার্য পালন কৰে। এদিনীয়াকৈ ৰাস পালন কৰা সত্রবোৰত দিনত নিত্য প্রসঙ্গৰ অন্তত ৰাস উপলক্ষ্যে হিয়া নাম, দিহা নাম, গায়ন-বাযন, নটুৱা, চালি, ওজাপালি আদি অনুষ্ঠান থাকে। দিনৰ সবাহ আৰু নাম প্রসঙ্গত গুৰুবৈষ্ণৱৰে অংশ লোৱা দিশসমূহ আন উৎসৱৰ দৰেই একে। এই ৰাস-পূর্ণিমাৰ মূল তিথিৰ দিনা নিত্য প্রসঙ্গত অতিৰিক্ত কীর্তন, পদ, ঘোষা আদি পঢ়া প্রসঙ্গ থাকে। দিনৰ ভাগৰ সেই কার্যৰ পিছত সন্ধ্যা নির্দিষ্ট

লগ্নত ৰাস-পূজা চলি থকা অৱস্থাতে নামঘৰত ৰাস-অভিনয় অনুষ্ঠিত হয়। এইদৰেই এদিনীয়া উৎসৱৰ সমাপ্তি ঘটে।

তিনিদিনৰ তিনিটা বিশেষ ভাগেৰে সৈতে বর্তমানেও এই উৎসৱ চলি থকা সত্রখন হ'ল, দক্ষিণপাট সত্র। দক্ষিণপাটত আদিতে ৰাসলীলা আয়োজন হোৱাৰ এক কাহিনী আছে[৪২]। দক্ষিণপাট সত্রৰ অধিকাৰ বাসুদেৱ গোস্বামীৰ দিনত আহোম ৰজাই প্রতিষ্ঠা কৰি দিয়া এই সত্রখনি ব্রহ্মপুত্রই খহাই নিয়াত সত্রাধিকাৰ জনাই অত্যন্ত দুখ পোৱাত সেই দুখৰ মাজতে ৰাতি সপোন দেখিলে ভগৱানৰ আজ্ঞা যে, সত্রত কৃষ্ণ-লীলা কৰিলে সত্রখন আৰু খহনীয়াৰ কবলত নপৰে। সেই সপোন মৰ্মেই বাসুদেৱ গোস্বামীয়ে ১৭৬২ শকত কৃষ্ণজন্মৰ পৰা অৰিষ্টাসুৰ বধ পর্যন্ত ঘটনাৱলী সামৰি 'শ্রীশ্রীকৃষ্ণদেৱৰ ৰাস অভিনয়' নামকৰণেৰে নাটক লিখি উলিয়ায় আৰু সত্রত ৰাসৰ পাতনি মেলে। এই সত্রত ৰাস উৎসৱৰ তিনিদিনৰ তিনিটা নাম প্রয়োগ কৰা হয়। প্রথম দিনা অধিবাস, দ্বিতীযা দিনা ৰাস আৰু তৃতীয় দিনা ইন্দ্রাভিষেক।

অধিবাস ঃ এই দিনত ৰাসপূজাৰ কাৰণে মণ্ডপ তৈয়াৰ কৰি মণ্ডপত কৰিব লগীয়া পূজাৰ আগতীয়া প্রস্তুতি কার্য চলে। মণ্ডপ তৈয়াৰ কৰি মণ্ডপত পূজা কৰাৰ এক বিশেষ পদ্ধতি আছে। এই পদ্ধতিৰে দক্ষিণপাট, কুৱৰীবাহী, আউনীআটী, গডমুৰ আৰু পুনিয়া ৰৱসত্রত ৰাস পূজা কৰে। এই মণ্ডপ নির্মাণৰ পদ্ধতি উল্লেখ কৰা হৈছে। নামঘৰৰ আগভাগত মণিকূটৰ সন্মুখত মণ্ডপ সজোৱা হয়। এই মণ্ডপ বিশেষকৈ কলপুলি ৰুই চিত্র-বিচিত্র কাপোৰেৰে মেৰিয়াই তাত চন্দ্রাতপ, চোঁৰৰ, আম পাত আৰু ফুলৰ মালা আঁৰি সু-সজ্জিত কৰি তোলা হয। আউনীআটীত এই মণ্ডপ আঠকোণীয়া। মণ্ডপৰ মাজত এটা চাৰিকোণীয়া বেদী সাজি সর্বতো-ভদ্রমণ্ডল স্থাপন কৰা হয়। এই বেদীত বৈদিক মন্ত্রেৰে সঞ্চাৰ কৰি এখন পূজাৰ আসন প্রতিষ্ঠা কৰা হয়। দক্ষিণপাট সত্রত এই মণ্ডপক বৃন্দাবন পূজা মণ্ডপ আখ্যা দিয়ে। যিহেতু এই সত্রৰ ৰাস পূজাৰ বিশেষ মূর্তি হ'ল বৃন্দাবন চন্দ্র। এই সত্রৰ পূজা মণ্ডপত চাৰিওফালে চাৰি দ্বাৰ থাকে। প্রত্যেক দ্বাৰত আৰতি চাকি সজোৱা থাকে। এই চাকি পিঠাগুৰিৰে সাজি তাৰ মাজত ঘিউবত্তি জ্বলাই আৰতি কৰে। এখন থালত কমেও ২৫ গছ চাকি থাকে। সন্ধ্যা সময়ত মহাপ্রভু বৃন্দাবন চন্দ্রক সত্রৰ কৰাপাটৰ বাহিৰ পর্যন্ত উলিয়াই নি, ফুৰাই আনি পুনৰ মন্দিৰত প্রৱেশ কৰাই অধিবাসৰ পূজা আৰম্ভ কৰে। নিত্য প্রসঙ্গৰ অন্তত সজোৱা আৰতিৰ চাকিৰে আৰতি কৰি ইয়াৰ লগত ধুৰাপদেৰে আৰতি গীত গায়। ইয়াক প্রস্তাৱনা বুলি কোৱা হয়। প্রস্তাৱনাত গায়ন-বায়ন, ওজাসকলে অংশগ্রহণ কৰে। প্রস্তাৱনাৰ গীতত নাৰদে

---

৪২ ৰমানন্দ দেৱ গোস্বামী, ৰাসোৎসৱৰ ঊনবিংশ ভাষণ, পৃঃ ৪

কেনেকৈ অমৃত সাগৰত বুৰ মাৰি শিৱৰ অনুগ্রহত ৰাসোৎসৱ দেখিবলৈ পাইছিল সেই কাহিনীৰ বর্ণনা থাকে[৩০]। লগতে ৰাধাৰ ইতিবৃত্তও বর্ণিত হয়।[৩১] এই দিনটোতে বৃন্দাবন চন্দ্র মণ্ডপৰ দ্বাৰপালসকলক আৰু মণ্ডপৰ ভিতৰত থকা মূর্তিসমূহকো ধুৱা পদেৰে চলি থকা গানতে আৰতি কৰে[৩২]। এইদৰেই অধিবাসৰ কার্যৰ সামৰণি পৰে। তাৰ পিছৰ দিনটো মূল ৰাসৰ তিথি।

ৰাস ঃ ৰাস উৎসৱৰ ই মূল দিন। এই দিনত পুৱাতে ৰাস পূজাৰ মহাপ্রভু বৃন্দাবন চন্দ্রক মণ্ডপলৈ উলিয়াই অনা হয়। আউনীআটী, গড়মুৰ আদিত অৱশ্যে ৰাধাকৃষ্ণৰ যুগল মূর্তিক সন্ধ্যাহে উলিয়াই পূজা কৰা নিয়ম। প্রতিষ্ঠিত আসনত ৰাসৰ বিশেষ যুগল মূর্তি স্থাপন কৰি বৈদিক মন্ত্রেৰে পূজা কৰা হয়। দক্ষিণপাট সত্রত বৃন্দাবন চন্দ্রৰ পূজাৰ উপৰিও শ্রীকৃষ্ণৰ অর্জুন ভঞ্জন, শকট ভঞ্জন, পুতনা শোষণ আদি যিবোৰ লীলা নাটত সন্নিবিষ্ট সেইবোৰ শাস্ত্রমতে যি সময়ত সংঘটিত হৈছিল সেই সময়মতে সেই লীলাত সহযোগ থকা ভক্ত-পার্ষদ সকলকো পূজা কৰাৰ নিয়ম প্রচলন আছে[৩৩]। এই সত্রত পুৱাৰ পৰাই মহাপূজাৰ লগে লগে গীতা পাঠ, গোপাল নাম আদি চলি থাকে। পুৱা নিত্য প্রসঙ্গৰ অন্তত গাণিকাৰ ক্রম থাকে। ৰাতি পূজা চলি থকা অৱস্থাতে ৰাস অভিনয় আৰম্ভ হয়। অভিনয় কার্যৰ লগত সম্বন্ধ থকা পৰম্পৰাসমূহ নামঘৰৰ ৰাস অভিনয়ত ৰক্ষিত হয়। গায়ন-বায়ন আৰু সূত্রধাৰৰ প্রৱেশ-প্রস্থানৰ পিছত ৰাম-কৃষ্ণ গোপ বালকৰ সৈতে অভিনয় থলীত প্রৱেশ কৰাৰ লগে লগে সকলোৱে থিয় হৈ নমস্কাৰ জনায় আৰু পূজাৰী আহি পঞ্চোপচাৰেৰে পূজা কৰেহি। ইফালে একে সময়তে মণ্ডপতো ৰাম-কৃষ্ণ আৰু গোপ বালকসকলৰ পূজা চলি থাকে[৩৭]। আউনীআটীত এনে এটি পৰম্পৰা আছে যে, ৰাম-কৃষ্ণৰ প্রৱেশ হোৱাৰ লগে লগে সত্রাধিকাৰ জনাও নামঘৰত প্রৱেশ কৰেহি আৰু সত্রাধিকাৰ জনাই ৰাম-কৃষ্ণলৈ সম্মান জনাই নামঘৰৰ আসন গ্রহণ কৰে। এই সত্রত নামঘৰত অভিনয় চলি থাকোঁতে, সত্রাধিকাৰজনা প্রৱেশ কৰোঁতে নামলগোৱাই হৰিধ্বনি কৰা নিয়ম আৰু সেই হৰিধ্বনিৰ লগে লগে সকলোৱে উঠি সত্রাধিকাৰজনাক সম্মান জনায়, কিন্তু ৰাসৰ অভিনয়ৰ দিনা ৰাম-কৃষ্ণক সম্মান জনাওঁতে একেলগে দুই কার্য সমাপণ হয়। দক্ষিণপাট সত্রত অৰিষ্টাসুৰ বধ পর্যন্ত ৰাসৰ নাটক অভিনীত হয় যদিও আউনীআটীত কৃষ্ণৰ মহাৰাসৰ সামৰণিৰ লগে লগেই

---

৩০ বেণুধৰ শর্মা, দক্ষিণপাট সত্র, পৃঃ ২৫, ২৬

৩১ ৰমানন্দ দেৱ গোস্বামী, ৰাসোৎসৱৰ ঊনবিংশ ভাষণ, পৃঃ ৬

৩২ উল্লিখিত

৩৩ বেণুধৰ শর্মা, পূর্বোল্লিখিত, পৃঃ ২৬

৩৭ ৰমানন্দ দেৱগোস্বামী, ৰাসোৎসৱৰ ঊনবিংশ ভাষণ, পৃঃ ৬

ৰাসলীলা নাটকৰ সামৰণি পৰে। আউনীআটীৰ নামঘৰত অভিনয় হোৱা নাটৰ মূল বিষয়বস্তু হ'ল, কৃষ্ণৰ গোষ্ঠলীলা আৰু ৰাসলীলা। অভিনয় কার্য শেষ নহ'লেও ৰাসপূজাৰ নির্মালি আৰু হোমৰ তিলক প্রদান কৰে। গড়মুৰ সত্রত বর্তমানে মঞ্চাভিনয় হয় যদিও পূর্বতে এই সত্রৰ নামঘৰত দিনৰ সবাহৰ ওজা-প্রসঙ্গৰ পিছতেই কালিয় দমন নাট প্রদর্শন কৰাৰ প্রথা আছিল। বর্তমান নামঘৰত এই অভিনয় নাই যদিও ৰাসৰ পূজা পূর্বীয় পৰম্পৰাৰেই চলি আছে। বেঙেনাআটী সত্রত ৰাস উৎসৱৰ মূল তিথিৰ দিনা গোবিন্দ মূর্তিক মহাস্নান কৰাই মহাপূজা কৰাৰ ব্যৱস্থা আছে।

ইন্দ্রাভিষেক : ই ৰাসৰ তৃতীয় দিন। এই নামকৰণৰ তাৎপর্য হ'ল শ্রীকৃষ্ণক ইন্দ্রপদত অভিষেক কৰা উৎসৱ। এই উৎসৱৰ আৰম্ভণি আছিল এনেধৰণৰ, ব্রজধামত কৃষ্ণৰ লীলা কার্য চলি থাকোতে ইন্দ্রৰ মনত গর্বভাব উদয় হোৱাত ইন্দ্রই গোকুলবাসীক তেওঁৰ প্রভাৱ দেখুৱাবৰ বাবে বাত-বৃষ্টি সৃষ্টি কৰি গোকুল প্লাৱিত কৰিছিল। তেতিয়া কৃষ্ণই গোৱর্ধন পর্বত ধাৰণ কৰি গোকুলবাসীক সেই পর্বতৰ তললৈ আনি ইন্দ্রৰ উপদ্রৱৰ পৰা সকলোকে ৰক্ষা কৰিলে। সেই কার্যত ইন্দ্রৰ দর্প চূর্ণ হোৱাত তেওঁ কৃষ্ণৰ শক্তিৰ কথা অনুভৱ কৰিব পাৰি স্তৱ-স্তুতিৰে কৃষ্ণদেৱক তেওঁৰ অপৰাধৰ বাবে ক্ষমা ভিক্ষা কৰিলে আৰু তেতিয়াই কৃষ্ণক সকলো দেৱতাৰ সৈতে ইন্দ্রই ইন্দ্রপদত অভিষেক কৰাই অধিষ্ঠিত কৰালে[৪৮]। এই অভিষেক উৎসৱক ৰাসলীলাৰ এক বিশেষ অঙ্গ স্বৰূপে গ্রহণ কৰি উৎসৱৰ তৃতীয় দিনা এই কার্য সম্পন্ন কৰে। বিশেষকৈ দক্ষিণপাট সত্রতহে এই নামকৰণেৰে এই উৎসৱ উদ্‌যাপিত হয়।

ইন্দ্রাভিষেকৰ দিনা পুৱাতে বৃন্দাবন পূজা মণ্ডপত স্থিত বৃন্দাবন চন্দ্রত সোণ-ৰূপ অষ্টধাতু আৰু মৃন্ময় ঘটৰ জলেৰে স্নান কৰোৱাৰ পিছত বিধিমতে ষোড়শোপচাৰেৰ বৃন্দাবন চন্দ্রৰ পূজা কৰাৰ লগতে দেৱমাতা সুৰভি, ইন্দ্র ঐৰাৱত আদিৰ পূজা-অর্চনা আৰম্ভ হয়। এই পূজাৰ অন্তত শ্রীদাম, সুদাম আৰু অন্যান্য সকলৰ চৰিত্রত অভিনয় কৰা অভিনেতাসকলে নৃত্যগীত পৰিবেশন কৰে। লগে লগে গায়ক-বায়কৰ গীতৰ মাধ্যমেৰে ঐৰাৱতৰ দ্বাৰা অনা সপ্ত সমুদ্রৰ জল, দেৱমাতা সুৰভিৰ দুগ্ধ, পিতৃ আৰু গন্ধর্বসকলৰ স্তৱ আদি বর্ণনা কৰা হয়। নৃত্য-গীত সমাপ্ত হোৱাৰ পিছত বৃন্দাবন চন্দ্রক উদ্দেশ্যি শ্রীদাম-সুদামৰ সাক্ষাতে সত্রৰ অধিকাৰ প্রমুখ্যে বৈষ্ণৱসকলে দক্ষিণা প্রদান কৰি আশিস্ গ্রহণ কৰে। তাৰ পিছতেই সদলবলে ডবা-শংখ, ঢোল-খোলৰ বাদ্যধ্বনিৰে বৃন্দাবন চন্দ্রক মণ্ডপৰ পৰা বাহিৰলৈ উলিয়াই কিছু দূৰ ফুৰাবলৈ লৈ যায়। কিছু দূৰ ফুৰোৱাৰ পিছত পুনৰ নামঘৰলৈ আনি নামঘৰৰ ভিতৰৰ টুপৰ কোঠালিত ৰখা হয়। ইয়াৰ

---

৪৮ ভাগৱত (সং), দশম স্কন্ধ, সপ্তবিংশ অধ্যায়, সম্পা পঞ্চানন তর্করত্ন, পৃঃ ৬০৩, ৬০৪

পিছতে শ্রীদাম আৰু ৰাধাৰ শাপা-শাপি অভিনয় অনুষ্ঠিত হয়। অভিনয়ৰ শেষত বৃন্দাবন চন্দ্রক মণিকূটত পূর্ব্বদৰে স্থাপন কৰি সান্ধ্য আৰতিৰে ইন্দ্রাভিষেকৰ লগতে ৰাসোৎসৱৰ সামৰণি মাৰে।

অভিনয়ৰ নাটত ৰাধা ঃ ই এক উল্লেখযোগ্য দিশ। অভিনয়ৰ নাটত ৰাধাৰ উল্লেখ অৱশ্যে সকলোতে নাই। ভাগৱতত ৰাধাৰ নাম উল্লেখ হোৱা নাই কাৰণেই কোনোৱে ইয়াক প্রক্ষিপ্ত বুলি ক'ব খোজে। কিন্তু ব্রহ্মবৈৱর্ত পুৰাণ, নাৰদ পাঞ্চৰাত্র, গর্গসংহিতা আৰু বিভিন্ন দার্শনিক পণ্ডিতমণ্ডলীৰ দ্বাৰা আলোচিত ভাগৱতৰ টীকাসমূহত ৰাধাৰ কথা বিশেষভাৱে উল্লেখ কৰা দেখা গৈছে[৪৯]। ৰাসলীলা বিশেষকৈ ৰাধাক কেন্দ্র কৰিয়েই হৈছে বুলি এই শাস্ত্রসমূহে জোৰ দি ক'ব খোজে। গর্গ সংহিতাত উল্লেখ আছে যে বিশেষ বিশেষ স্থানসমূহত আৰু ক্রীড়াত যিসকল গোপীৰ নাম উল্লেখ আছে সেইসকলৰ মুখ্য স্বৰূপো ৰাধাহে। এক ৰাধাই গোলোকত কৃষ্ণপ্রিয়া, বৃন্দাবনত বৃন্দা, ৰাসত ৰাসেশ্বৰী, শতশৃংগত সতী, চন্দ্রবনত চন্দ্রাৱলী, নিকুঞ্জবনত ভদ্রা, কৃষ্ণ সৰোবৰত কৃষ্ণা কাম্যবনত কাম্যা, পদ্মবনত পদ্মা, চম্পক বনত চম্পা আদি নাম আৰু ৰূপ গ্রহণ কৰিছে[৫০]। এনে বহু ৰূপৰ স্ত্রীগৰাকীক মূল ভাগৱতত গোপী বুলিয়েই উল্লেখ কৰা হৈছে[৫১]। সি যিকি নহওক, নিজ সত্রত ৰচনা কৰা নাটসমূহত ৰাধাক অস্বীকাৰ কৰা হোৱা নাই। ৰাধাৰ বিশেষ প্রাধান্যহে আছে। আনহাতে যিযে ৰাধাৰ নাম একান্ত উল্লেখ নকৰাকৈ অভিনয় কৰিছে, ৰাধাৰ ঠাইত প্রধান গোপীকা বুলি উল্লেখ কৰিছে।

সত্রসমূহত সাধাৰণতে নামঘৰতে ৰাসলীলাৰ নাটৰ অভিনয় হৈছিল যদিও বর্তমান যুগত স্বাভাৱিক গতিধাৰা লৈ দর্শকৰ মন ধাৰিত হোৱাত সেই ৰুচিৰ প্রতি লক্ষ্য ৰাখি আধুনিক কলা-কৌশল অৱলম্বন কৰি মঞ্চ ব্যৱস্থাৰে কোনো কোনো সত্রই ৰাস অভিনয় কৰা দেখা গৈছে। অৱশ্যে মঞ্চ ব্যৱস্থাৰ নিদর্শন শঙ্কৰদেৱৰ দিনতে চিহ্নযাত্রাৰ জৰিয়তেই পোৱা যায়। বিশেষকৈ তাকে লৈ অসমীয়া সমাজে মঞ্চ ব্যৱস্থাৰ প্রাচীনতাৰ দাবী কৰিব পাৰে। এনে ব্যৱস্থাৰ মূল আকর্ষণ হ'ল, মঞ্চত অভিনয় কার্যত যথাযথ ৰূপ দিবলৈ সহজ। নির্দিষ্ট পৰিৱেশ যথা নিয়মে ৰচনা কৰিব পাৰি। বিশেষকৈ ৰাসত মুখা,

---

৪৯ ব্রহ্মবৈৱর্ত পুৰাণ, ব্রহ্মখণ্ড, শ্রীকৃষ্ণৰ জন্মখণ্ড
নাৰদ পাঞ্চৰাত্র, দ্বিতীয় ৰাত্র, পৃঃ ১৯০, ২০৩
পঞ্চম ৰাত্র, পৃঃ ৮৩৬, ৪৬৯
গর্গ সংহিতা, গোলোকখণ্ড, বৃন্দাবন খণ্ড, গিৰিজাখণ্ড, মাধুর্যখণ্ড, মথুৰাখণ্ড, অশ্বমেধ খণ্ড

৫০ ব্রহ্মবৈৱর্ত পুৰাণ, আর্য্যশাস্ত্র- প্রকৃতি খণ্ড, সপ্তমোহধ্যায়ঃ, শ্লোক ৪৯-৫৩ লৈ, পৃঃ ৪৮৮, ৪৮৯

৫১ ভাগৱত (সং), দশম স্কন্ধ, সম্পা পঞ্চানন তর্কৰত্ন, শ্লোক ৩৬, ৩৭, পৃঃ ৬১১

সঞ্চালন নিখুঁতভাৱে কৰিবলৈ যথার্থতে আবৃত মঞ্চগৃহৰ প্রয়োজন হয়। এনেকুৱা অনেক সা-সুবিধালৈ লক্ষ্য ৰাখি প্রয়াত পীতাম্বৰ দেৱগোস্বামী গড়মুৰীয়া সত্রাধিকাৰে আধুনিক কলা-কৌশলেৰে প্রথমে গড়মুৰ সত্রত এই ব্যৱস্থাৰ প্রচলন কৰি থৈ গ'ল। তাৰ পিছত আন বহুতো সত্রত নামঘৰৰ বাহিৰে আছুতীয়া ঠাইত স্থায়ীভাৱে মঞ্চ তৈয়াৰ কৰি মঞ্চৱাস কৰাৰ ব্যৱস্থা প্রচলন হৈছে। প্রয়াত সেইগৰাকী সত্রাধিকাৰেই পোন-প্রথমবাৰৰ বাবে সত্রৰ মঞ্চত সহ-অভিনয়ৰো প্রৱর্তন কৰে। কিন্তু ই আজিও গৃহস্থী সত্রসমূহতহে প্রচলিত হৈ আছে। অৱশ্যে গৃহী সত্রসমূহতো নামঘৰত সহ-অভিনয় নহয়। নামঘৰত কৰা অভিনয় অংকীয়া ভাওনাৰ আৰ্হিৰে হয়। সেযে আজিও বহু সত্রই আধ্যাত্মিক ভাবধাৰাৰ মূল থলী নামঘৰতেই প্রাচীন পৰম্পৰা ৰক্ষা কৰি আহিছে। আধুনিক কলা-কৌশলৰ হেঁচাত মহাপুৰুষীয়া তথা সত্রীযা আদর্শক আধুনিকতাৰ মাজত বিলীন হ'বলৈ এৰি দিযা নাই।

১. (গ) ফাকুৱা ঃ

পৰিচয় আৰু সাধাৰণ কৰণীয় পদ্ধতি ঃ ফাকুৱা ৰঙৰ প্রতীক, আনন্দ-উলাহৰ এক মাধ্যম। এই ফাকুৱা জনসাধাৰণৰ মাজত অতি পৱিত্র পর্বৰূপে গণ্য হৈ আহিছে। পু�ৰাণৰ মতে ফাকুৱা পোন প্রথমে শ্রীকৃষ্ণ আৰু গোপীসকলৰ মাজত গোলোকত অনুষ্ঠিত হৈছিল। বর্ণিত হৈছে যে গোলোকত সদায়েই উৎসৱৰ পয়োভৰ থাকে। সেই উৎসৱসমূহৰ ভিতৰত যাত্রা উৎসৱ ৰূপে পৰিগণিত ফল্গুৎসৱ গোলোকৰ এক প্রধান উৎসৱ। ইযাৰ বিৱৰণ প্রসঙ্গত শঙ্কৰদেৱে ভাগৱতৰ দ্বিতীয় স্কন্ধত এনে বর্ণনা দাঙি ধৰিছে ঃ

যাত লক্ষ্মী মনোহৰ মুকুতিক ধৰি।
কৃষ্ণৰ উৎসৱ যাত্রা কৰন্ত সাদৰি।
কৃষ্ণক দোলাত কতো দোলাসনে তুলি।
মুখে কৃষ্ণ গুণ গান্ত আনন্দতে ডুলি।।
দণ্ড ছত্র চামৰ ধৰিযা ভক্ত চয়।
জয জয় কৃষ্ণ বুলি ফল্গু সিঞ্চৱয়।।[৫১]

বিভিন্ন ৰঙৰ সমাৰোহেৰে কৰা কৃষ্ণ আৰু গোপীৰ মাজৰ ক্রীড়া-কৌতুকেই

---

৫১ শঙ্কৰদেৱ, শ্রীমদ্ভাগৱত, দ্বিতীয় স্কন্ধ, পদ ৬২৮, ৬২৯, পৃঃ ৫০, ৫১
মূল ঃ শ্রীযত্র রূপিণ্যুরুগায়পাদয়োঃ
করোতি মানং বহুধা বিভূতিভিঃ।
প্রেঙ্খং শ্রিতা যা কুসুমাকরানুগৈ
বর্গীযমানা প্রিয়কর্ম্ম গাযতী।। শ্রীমদ্ভাগৱত (সং), দ্বিতীয় স্কন্ধ, নৱম অধ্যায়, শ্লোক ১৩, পৃঃ ৮৪

হ'ল ফাকুৱা, হলিক্রীড়া — যি ক্রীড়া আছিল জীৱাত্মাৰ পৰমাত্মাত বিলীন হোৱাৰ এক প্রয়াস। ফাকুৱাক আবিৰ[৩৩] আৰু হলি বুলি কোৱা হৈছে যি আবিৰ বিশেষভাৱে প্রস্তুত কৰা ৰং। হলি বা ফাকুৱা উৎসৱক দৌলযাত্রা বুলিও কোৱা হয়। দৌলযাত্রাৰ বিষয়ে স্কন্ধ পুৰাণত বিশেষ উল্লেখ আছে। উক্ত পুৰাণৰ মতে ফাগুণ মাহ ভগৱানৰ দোলাৰোহণৰ সময়। বিষ্ণুৰ প্রতিমা কাঠেৰে নির্মিত আসনত প্রতিষ্ঠা কৰি বিধিৱৎ পূজা-অর্চনাৰে দোলন[৩৪] কৰাব লাগে। ফাগুণ মাহৰ চতুর্দশী তিথিৰ অষ্ট প্রহৰত অথবা প্রতিপদ-পূর্ণিমা সংযুক্ত তিথিত ভগৱানক ভক্তিপূর্বক বিধিৱৎ পূজা কৰিব লাগে। সেই সময়ত শ্বেত, ৰক্ত, গৌৰ আৰু নীল, এই চাৰি বর্ণৰ চূর্ণৰ লগত কর্পূৰ আদি সুগন্ধি দ্রব্য মিহলি কৰি ভগৱানৰ প্রতি অর্পণ কৰিব লাগে। হালধি ৰং মিহলি কৰিলে এই চূর্ণবোৰৰ ৰং আৰু উজ্জ্বল হৈ উঠে। এনে ৰং ভগৱানৰ অতি প্রিয়। একাদশীৰ পৰা পঞ্চমী পর্যন্ত এই ৰঙৰ উৎসৱ পালন কৰিব লাগে, নহ'লে ৫ দিন বা ৩ দিন দৌল উৎসৱ পালন কৰাৰ বিধি[৩৫]। গোপী-কৃষ্ণৰ মাজত অনুষ্ঠিত হোৱা এই ক্রীড়াৰ স্পষ্ট ছবি মহাপুৰুষ মাধৱদেৱে ৰৱগীতৰ যোগেদি সুন্দৰভাৱে দাঙি ধৰিছে। ফাকুৰ লগত কর্পূৰ আৰু কুঙ্কুম মিশ্রিত হ'লেহে ই সুবাসিত হয়। তেনে মিশ্রিত ফাকুহে অর্পিত হ'ব লাগে। ফাকুৰ ৰঙৰ বিষয়ে আৰু এনে অপৰিহার্য দ্রব্য অর্পণৰ কথা ক'বলৈ গৈ মাধৱদেৱে ৰৱগীতৰ যোগেদি ইয়াৰ স্পষ্ট ব্যাখ্যা দাঙি

---

৩৩ আবিৰ, (বি, ক্লীং) ৰঞ্জক দ্রব্যবিশেষ, ফাগু [আ + বি + ঈ + ৰ (গমন কৰা)]
আশুবোধ অভিধান, পৃঃ ৩৩৬

৩৪ দোলন : কাম্পন, ঝুলন, ইতস্ততঃ চলন (দোলি অনটভাৱে)
উল্লিখিত, পৃঃ ১০৩৪

৩৫ ফাল্গুনে চতুর্দশ্যামষ্টমযামসংজ্ঞকে।
অথবা পূর্ণমাস্যাং তু প্রতি পৎ-সন্ধি সংজ্ঞকে।।
পূজয়েদ্ বিধিৱদ্ ভক্ত্যা ফল্গু চূর্ণৈশ্চতুর্বিধৈঃ।
সিতৰক্তৈ গৌৰপীতৈঃ কর্পূৰাদিবিমিশ্রিতৈঃ।।
হৰিদ্রাৰাগযোগাচ্চ ৰঙ্গ - ৰূপৈর্মনোহৱৈঃ।
অন্যৈর্বা ৰঙ্গৰূপৈশ্চ প্রীণয়েৎ পৰমেশ্বৰম্।।
একাদশ্যাং সমাৰভ্য পঞ্চম্যন্তং সমর্পয়েৎ।
পঞ্চাহানি ত্র্যহণী বা দৌলোৎসৱো বিধীয়তে।।
পদ্মপুৰাণম্, পাতালখণ্ডম্, সম্পা. পঞ্চানন তর্কৰত্ন, পৃঃ ৪২৯, ৪৩০

ধৰিছে[৫৬]। ভগৱানৰ এই ক্রীড়াৰ সামগ্রী ৰঙৰ ধূলি পাবলৈ মানুহে কামনা কৰে। এই ধূলি যদি শিৰত পৰে বা গাত পৰে, তেনেহ'লে মানুহৰ তনু-মন পৱিত্র হয় আৰু শাৰীৰিক-মানসিক দুখৰ অৱসান ঘটে। এই বিশ্বাসতেই প্রতি ফাগুণ মাহৰ চতুর্দশীত যি দিনত বৃন্দাবনত ভগৱান কৃষ্ণ আৰু গোপীৰ মাজত এই ক্রীড়া অনুষ্ঠিত হৈছিল, মর্ত্যৰ মানৱে পৱিত্রতা সহকাৰে শ্রীকৃষ্ণ মূর্তি পূজা কৰি ৰঙৰ সামগ্রী উছর্গা কৰি ইজনে সিজনৰ গাত ফাকুণ্ডৰি ছটিয়াই অতি আনন্দ উলাহেৰে ফাকুৱা পালন কৰে। সর্বভাৰতীয় ভিত্তিত এই উৎসৱ হোলি উৎসৱ ৰূপে পৰিচিত। দৌলযাত্রা বা ফল্গুৎসৱ নামেৰে অসমতহে ইয়াৰ বিশেষ পৰিচয় আছে। মূলতঃ দৌল বান্ধি দৌলত বিগ্রহৰ পূজা কৰি সেই দৌলৰপৰা বিগ্রহ বাহিৰলৈ উলিযাই ফুৰোৱা কার্যক কেন্দ্র কৰিয়েই দৌলযাত্রা শব্দৰ ব্যৱহাৰ হৈছে। আনহাতে ফাগুণ মাহত ফাকুৰ পয়োভৰেৰে এই উৎসৱ উদ্‌যাপিত হোৱা কাৰণেই ফল্গুৎসৱ নামে পৰিচয় লাভ কৰে। এই উৎসৱৰ মুখ্য সামগ্রী ফাকুণ্ডৰি। ফাকুৰ গুৰুত্বৰ লগতে দৌল বান্ধি দৌল দর্শন কৰা এক পুণ্যকার্য বুলি লোক সমাজে বিশ্বাস কৰে। বিশেষকৈ এই উৎসৱত অসমৰ বিধৱা আইসকলে দৌল বান্ধি বাৰ দেউল দর্শন কৰা মহাপুণ্য কার্য বুলি গণ্য কৰি আহিছে[৫৭]। দৌলবান্ধি এই উৎসৱ প্রথমে অসমৰ ৱৰদোৱা থানত উদ্‌যাপন কৰাৰ কথা চৰিত

---

৫৬ (ক) একান্ত খেলায কৰুণাময এ নন্দকুমাৰ।
দেৱ দুর্লভ কেলি ফাগুৰ বিহাৰ।।
পদ - ফাগু পৰি শ্যাম তনু কৱে তিৰি মিৰি।
ৰবিৰ কিৰণে যেন মৰকত গিৰি।।
কর্পূৰ কুংকুমে ফাগু অদি সুবাসিত।
গোপ গোপীসমে খেলে হুয়া আনন্দিত।।
আউৰে আউৰে ফাগু মাৰে অঞ্জলি ভৰিয়া।
ফাগুৰসে নাচে হাসে কীর্তন কৰিয়া।।
ৱৰগীত, সম্পা হৰিনাৰায়ণ দত্তৱৰুৱা, পৃঃ ১৫৮, ১৫৯
(খ) ধ্রুং- দোলায় গোবিন্দ পৰম আনন্দে ৱতন সিংহাসনে বসি।
কনক বিৰচিত-দৌলেৰ মণ্ডপ জ্বলয যেন ৰবি শশী।।
পদ- ৱতন ভূষণ জ্বলয় শ্যামল তনু
ফাগুৱে হুৱা উজ্জলিত।
নবীন মেঘে যেন বিজুৰী সঞ্চাৰে
পেখিতে কাম বিমোহিত।।
উল্লিখিত, পৃঃ ১৫৭
বিৰিঞ্চি কুমাৰ বৰুৱা, অসমৰ লোক সংস্কৃতি, পৃঃ ১৮১

পুথিসমূহে প্রমাণ কৰে[৫৮]। বৰদোৱাৰ পিছতেই নামনি অসমৰ বৰপেটা সত্রত এই উৎসৱ পালন কৰে। এই উৎসৱ আর্য আৰু আর্যপূর্বসকলৰ সংমিশ্রণত গঢ়ি উঠিছে বুলি বহুতে ক'ব খোজে। ইয়াক স্বীকাৰ কৰি 'অসমৰ লোক সংস্কৃতি' গ্রন্থত বিৰিঞ্চি কুমাৰ বৰুৱাই এই কথা উল্লেখ কৰিছে[৫৯]। ফাকুৱা উৎসৱৰ বিশেষকৈ মেষদাহ কার্যই এই কথাৰ সংকেত বহন কৰে। অৱশ্যে হিন্দুধর্মী মাত্রেই বিশ্বাস কৰে যে মেষদাহ যজ্ঞ আৱশ্যকীয় কথা। অধিবাসৰ দিনত শঙ্কৰদেৱেও ফল্গুৎসৱ উদ্‌যাপন কৰোঁতে মেষদাহ কার্য সম্পন্ন কৰা কথাই এই নিয়ম এই উৎসৱৰ সংলগ্ন কার্য বুলি প্রমাণ কৰি থৈ গৈছে[৬০]। ফল্গুৎসৱৰ ঘাই কথা চাৰিটা। মেষদাহ, দৌলবন্ধা, দৌলত মহাপ্রভুক প্রতিষ্ঠা কৰি পূজা কৰা, মহাপ্রভুক দোলন কৰা।

সত্রৰ পালনীয় ৰীতি ঃ সত্রীযা পৰিৱেশৰ মাজত বৰদোৱা আৰু বৰপেটা সত্রতে এই উৎসৱৰ প্রথম আৰ্হি পোৱা যায যদিও বিভিন্ন সময়ত সত্তসকলে ফল্গুৎসৱ যথা ৰীতিৰে পালন কৰাৰ কথা চৰিত পুথিসমূহত উল্লেখ আছে[৬১]। উজনি অসমৰ সত্রসমূহত মূল উদ্দেশ্য একে হ'লেও সত্র বিশেষে পালনীয় ৰীতিৰ কিছু পার্থক্য আছে। এই উৎসৱ কোনো সত্রত তিনিদিনীযা, কোনো সত্রত পাঁচ দিনীযা আৰু পূর্বৰ নিযম অনুসৰি

---

৫৮ (ক) বৰদোৱা গুৰু চৰিত, সম্পা মহেশ্বৰ নেওগ, পৃঃ ৬২

(খ) দৌল বান্ধিবাক প্রতি শঙ্কৰৰ ভৈল্যা মতি
ভূএগ্রাগণে হৰিষে বোলয।।
আনিযোক কোড চাঙ্গি ভূএগ্রাগণ লোক দাঙ্গি
বাল্য বৃদ্ধ যুৱা যত মানে।
তাসম্বাৰ আজ্ঞা পাই দূত গণ শীঘ্রে যায়
জান দিযা আনিল তেখনে।।
কোড চাঙ্গি হাতে ধৰি বান্ধিলন্ত ৰঙ্গ কৰি
যত ভূএগ্রাগণে মাটি দিলা।

ৰামচৰণ ঠাকুৰ, গুৰু চৰিত, পদ ১৬৩৬, ১৬৩৭, পৃঃ ৩৪৫

৫৯ বিৰিঞ্চি কুমাৰ বৰুৱা, অসমৰ লোক সংস্কৃতি, পৃঃ ১৮১

৬০ তিনি গোটা দৌল ভৈলা মৃত্তিক দৌলত থৈলা
গন্ধ গাইবে সময মিলিল।
শঙ্কৰে হৰিষ কৰি গুৰু তিল কুশ ধৰি
মেষদাহ যজ্ঞক কৰিল।

ৰামচৰণ ঠাকুৰ, গুৰু চৰিত, পদ ১৬৪২, পৃঃ ৩৫৫, ৩৫৬

৬১ (ক) দ্বিজ ৰামৰায, গুৰুলীলা, পৃঃ ১৬৭, ১৬৮

(খ) বিদ্যানন্দ ওজা, ঠাকুৰচৰিত্ব, পদ ৩১০ ৩১১, পৃঃ ৫৪

(গ) দীননাথ বেজবৰুৱা, বৰচৰিত, পদ ৩৯৪, ৩৯৫, ৩৯৬, পৃঃ ৩৩

কোনো সত্রত একাদশীৰ পৰা পঞ্চমী পর্যন্ত এই দহদিন ধৰি উদ্‌যাপন কৰে। এই উৎসৱ ন্যূনতম তিনিদিন জুৰি উদ্‌যাপিত হয়। কাৰণ অধিবাস, মূল পূজা আৰু মহাপ্রভু ফুৰোৱা — এই তিনিদিনৰ তিনিটা কার্য জড়িত হৈ থাকে। বৰপেটা সত্রত এই উৎসৱ ফাগুণ মাহত হ'লে চাৰিদিনীয়া আৰু কেতিয়াবা ৰোহিণী নক্ষত্র সংযোগ অনুযায়ী পাঁচদিনীয়াকৈও পালন কৰা হয়[৬২]। চাৰিদিনীয়া দৌল উৎসৱক ডেকা দৌল আৰু তিনিদিনীয়া দৌল উৎসৱক বুঢ়াদৌল বোলা হয়। উৎসৱৰ প্রথম দিনটোক এই সত্রত গন্ধ বা বহ্ন্যোৎসৱ বোলে। দ্বিতীয় আৰু তৃতীয় দিনক ভৰ দৌল আৰু চতুর্থ তথা অন্তিম দিনটোক সুৱেৰি বোলা হয়[৬৩]। গন্ধ দিনৰ যি গীত-মাত পৰিবেশন কৰা হয় তাৰ নামো গন্ধগীত। শঙ্কৰদেৱৰ দিনত এই উৎসৱ পালন কৰোঁতে গন্ধ গীত গোৱাৰ কথা চৰিত পুথিত পোৱা যায়[৬৪]। বৰদোৱাৰ প্রথম দিনক গন্ধোৎসৱ বোলা হয় আৰু দ্বিতীয় দিনটোক গোসাঁইৰ মূৱত ফাকু দিয়া দিন বোলে[৬৫]। দক্ষিণপাট, কুৰুৱাবাহী, গডমূৰ আদি সত্রত উদ্‌যাপিত হোৱা উৎসৱৰ দিনবোৰৰ কোনো সুকীয়া পৰিচয় নাই। মূল তিনিদিনক ক্রমে অধিবাস, মূলপূজা আৰু মহাপ্রভু ফুৰোৱা বুলি জনা যায়। শেষৰ দিনটোক সামৰণী উৎসৱ বুলিও কোৱা হয়। এই সত্রকেইখনত এই উৎসৱ তিনিদিনীয়াকৈ পালিত হ'লেও মাজুলীৰ আন এখন ৰাজ অনুগ্রহপুষ্ট সত্র বেঙেনাআটীত এই উৎসৱ চাৰিদিনীয়াকৈ পালন কৰে। এই উৎসৱৰ পূজাৰ বাবে সুকীয়া মূর্তি থাকে, ক্রমে দক্ষিণপাট সত্রৰ ভুৱন মোহন, গডমূৰ সত্রৰ কুৰুৱাবাহী সত্রৰ আৰু বেঙেনাআটী সত্রৰ গোৱিন্দ মূর্তি। পূর্বতে ৰজাঘৰীয়া পৃষ্ঠপোষকতা পোৱা সত্রসমূহত ফল্গুৎসৱ পাতিবৰ কাৰণে ৰজাই বিশেষ উদগণি দিছিল। কুৰুৱাবাহী সত্রৰ ফল্গুৎসৱৰ মূর্তিখন কলীয়া ভোমোৰা বৰফুকনে গঢ়োৱাই দিয়া[৬৬] কথাই তেনে উদগণি তথা উৎসাহৰ প্রমাণ দিয়ে। নাৰায়ণ চন্দ্র গোস্বামীয়ে যদিও 'সত্রীয়া সংস্কৃতিৰ স্বর্ণৰেখা'ত লিখিছে, "ব্রহ্মসংহতিৰ সত্রসমূহত এই উৎসৱৰ বর্তমান পয়োভৰ নাই, মাত্র শৰাই এখনহে দি থয়"[৬৭]। কিন্তু বর্তমানলৈকে

---

৬২ 'অগ্রদূত' ঃ ২৭ ফেব্রুৱাৰী ১৯৯১, পৃঃ ১৩
বৰপেটা সত্রত শ্রীকৃষ্ণৰ দৌলোৎসৱ প্রবন্ধ

৬৩ উল্লিখিত

৬৪ গন্ধৰ গীতক গাই আসিল আপুন ঠাই
মূর্তি আঁকা জাল তৈতে ৰৈল।
ৰামচৰণ ঠাকুৰ, গুৰু চৰিত, পদ ১৬৪২, পৃঃ ৩৫৬

৬৫ শৈলেন শইকীয়া, বৰদোৱাৰ দৌল উৎসৱ, প্রবন্ধ - অগ্রদূত

৬৬ কুৰুৱাবাহী সত্রৰ গোবিন্দ গোস্বামীৰ পৰা পোৱা তথ্য।

৬৭ নাৰায়ণ চন্দ্র গোস্বামী, সত্রীয়া সংস্কৃতিৰ স্বর্ণৰেখা, পৃঃ ১৪২

বিশেষকৈ মাজুলীৰ ব্রহ্ম সংহতিৰ সত্রসমূহত এই উৎসৱৰ বেছ পয়োভৰ আছে। কেৱল আউনীআটী সত্রতহে এই উৎসৱ পালন কৰা নহয়। এই সত্রসমূহৰ এই উৎসৱৰ প্রত্যেক দিনৰ কার্য এনেধৰণৰ ঃ

প্রথম দিন (অধিবাস) ঃ এই দিনটোত গড়মূৰ, কুৰুৱাবাহী, বেঙেনাআটী আদি সত্রত ফল্গুৎসৱৰ মূর্তিক মহাস্নান কৰাই ঢোল-খোল, শংখ-ঘণ্টা, ডবা-কাঁহ, তাল আদি বাদ্যধ্বনিৰে ফল্গুৎসৱৰ জাননী দিয়া হয়। অৱশ্যে দক্ষিণপাট সত্রত দ্বিতীয় দিনাহে মহাস্নান হয়[৮৮]। স্নানান্তত প্রথম দিনা সন্ধিয়া মহাপ্রভুৰ আৱতিৰ পিছত মহাপ্রভুক পর্ণেৰে নির্মিত মেষদাহ ঘৰলৈ নি যথা নিয়মে পূজা, হোম আৰু মেষপূজা কৰি মেষৰ নোম দাহ কৰা হয়। এই পূজা চলি থকাৰ সময়ত ওজা, কীর্তনীয়া আৰু গায়ন-বায়নৰ গীত গোৱা হয় আৰু নটুৱাই নাচ পৰিৱেশন কৰে। মেষপূজাৰ শেষত মেষগৃহত অগ্নি সংযোগ কৰা হয় যদিও মেষদাহ কৰা নহয। সেই মেষৰ নোম দাহ কৰা অগ্নিৰ চৌপাশে মহাপ্রভুক প্রদক্ষিণ কৰাই সুসজ্জিত দৌল মণ্ডপলৈ অনা হয। দৌল মণ্ডপৰ ভিতৰত সর্বতো ভদ্রমণ্ডপ পাতি তাতে সজ্জিত দোলাসনত মহাপ্রভুক স্থাপন কৰি অধিবাস কার্য সম্পন্ন কৰা হয়। ৰৰপেটা সত্রত অধিবাসৰ দিনটোত ৰাতিলৈ নল-খাগৰিৰে মেজি সাজি তাত অগ্নি সংযোগ কৰাৰ পিছত তাত যি আতচবাজীৰ ব্যৱস্থা কৰা হয় সি এক বৈশিষ্ট্যপূর্ণ অনুষ্ঠান আৰু মনোমোহা দৃশ্য।

দ্বিতীয় দিন (মূল পূজা) ঃ দ্বিতীয় দিনা পুৱাতে ফাকুৱাৰ পূজা আৰু হোম আৰম্ভ হয়। পূজাৰ অন্তত মহাপ্রভুক দোলন কৰি ফল্গুদান কৰা হয়। দক্ষিণপাট সত্রত এই দোলনৰ নাম দেৱদোলন[৮৯]। এই দিনত পূর্ণিমা-প্রতিপদৰ দোমোজাত এটি দোলন হয। ইযাৰ নাম ৰাজদোলন। প্রতি দোলনতে শংখ, ঘণ্টা, ডবা, কাঁহ আদি নানা মঙ্গল বাদ্য বজোৱাৰ উপৰিও নামলগোৱাসকলে ভোৰতাল বজাই ঘোষা গায়। এই সময়তো গায়ন-বায়ন, নটুৱাই গীত-বাদ্য কৰে আৰু ওজা কীর্তনীয়াসকলে কীর্তন গায়। সেইদিনা দিনে নিশাই গায়ন-বাযনসহ ওজা কীর্তনীয়াসকলে কীর্তন গায। গাণিকা অর্থাৎ দিনৰ সবাহৰ অন্তত পূজা দৌলৰ সন্মুখত হোলি গীত গায় আৰু সকলো বৈষ্ণৱে মিলি ফাকু খেলে[৯০]। এইদৰে দ্বিতীয় দিনৰ কার্যৰ সামৰণি পৰে।

দ্বিতীয় দিনা গডমূৰ আৰু কুৰুৱাবাহী সত্রত প্রভাতী প্রসঙ্গৰ অন্তত নির্দিষ্ট সময়মতে মন্দিৰৰ চাৰিওফালে প্রদক্ষিণ কৰি গীত-বাদ্যেৰে মহাপ্রভুক দৌললৈ নিযাৰ পিছত

---

[৮৮] বেণুধৰ শর্মা, দক্ষিণপাট সত্র, পৃঃ ১৪২

[৮৯] উল্লিখিত, পৃঃ ২৬

[৯০] উল্লিখিত, পৃঃ ২৬

মহাপূজা আৰম্ভ হয়। লগে লগে প্রসঙ্গীয়া নাম, উঠা নাম আৰু ফাল্গুৎসৱৰ নির্দিষ্ট দিহা নাম গায়। ইয়াৰ পিছত হাজোৱলীয়া চাহিনী বাজনাৰে খোল-তালেৰে গীত গায় আৰু নটুৱা নচুৱায়। সন্ধ্যা আৰতি আৰু পূজা সমাপণৰ পিছত ৰাতি সত্রাধিকাৰসকলে ৰচনা কৰা নাটৰ ভাওনা পৰিৱেশন কৰা হয় নাইবা উঠানাম পৰিৱেশন কৰা হয়।

তৃতীয় দিনা (সামৰণি উৎসৱ) : ফাল্গুৎসৱৰ শেষ দিনা অর্থাৎ তৃতীয় দিনা আগৰ দিনাৰ দৰে পূজা-অর্চনা কৰি আকৌ এটি দোলন আৰম্ভ কৰা হয়। দক্ষিণপাট সত্রত ইয়াক মনুষ্য দোলন বোলে[১১]। সেইদিনাও সেই সময়ত ক্ষন্তেকৰ বাবে ফাল্গুৎসৱৰ গীত গোৱা হয়। তাৰ পিছত দৌল মণ্ডপৰ পৰা মহাপ্রভুক নমাই আনি গীত-বাদ্যৰে গাঁৱে-গাঁৱে মহাপ্রভুক ফুৰোৱা হয়। এনে সময়ত মহাপ্রভুক হাতীত তুলি নিযে। সন্ধ্যাৰ আগে আগে আকৌ মহাপ্রভুক সত্রাধিকাৰৰ ৰৰচ'ৰাৰ ভিতৰ পোৱাবহি লাগে। সেইখিনি পোৱা মাত্রেই বাদ্য-বন্দনা আৰু নটুৱাৰ নৃত্য আৰম্ভ হয়। তাৰ পিছতে ঢুলীয়াই হাতযোৰ কৰি মালিতা গায। মালিতাৰ অন্তত মহাপ্রভুক নামঘৰলৈ নিয়া হয়। নামঘৰৰ ৰৰ দুৱাৰ মুখ পোৱাৰ লগে লগে লক্ষ্মী পক্ষৰ লোকসকলে ভিতৰৰ পৰা আহি ভগৱন্তৰ পক্ষৰ লোকসকলৰ লগত বাদানুবাদ আৰম্ভ কৰে। সেই বাদানুবাদৰ মীমাংসা হোৱাৰ পিছত মহাপ্রভুক মণিকূটত প্রৱেশ কৰাই আৰতি-বন্দনাৰে ফাল্গুৎসৱৰ সামৰণি মাৰে। তৃতীয়দিনা কুৰুৱাবাহী সত্রত আগদিনাৰ দৰে প্রসঙ্গ চলি থকা অৱস্থাতে দুপৰীয়া পূজাৰ অন্তত মহাপ্রভুৰ ওচৰত ভোগ উচর্গা কৰা হয়। বিয়লি বেলাহে মহাপ্রভুক ফুৰাবলৈ নিয়ে। পথাৰৰ মাজত বা আন কোনো মুকলি ঠাইত বিগ্রহ থৈ তিনিটা বা পাঁচোটা বৃন্দাবনীয়া নাম দি বিগ্রহ ফুৰাই আনি নামঘৰত পুনৰ প্রৱেশ কৰোৱায়। এইখিনি সময়ত লক্ষ্মী আৰু ভগৱন্ত দুই পক্ষৰ হৈ বিগ্রহ কোনফালে ফুৰিবলৈ গৈছিল ইত্যাদি কথা সোধা-পোছা কৰি পূর্ব পৰম্পৰা ৰক্ষা কৰি মণিকূটত মহাপ্রভুক স্থাপন কৰা হয়। সন্ধ্যা আৰতি আৰু স্তুতি প্রার্থনাৰে উৎসৱৰ সামৰণি মাৰে। গড়মুৰ সত্রতো তৃতীয় দিনৰ কার্য একেদৰেই সামৰা হয়। বেঙেনাআটী সত্রত তৃতীয় দিনটোক বিসর্জন পূজা বা জিৰণি বুলি কোৱা হয়। ফাল্গুৎসৱৰ পূজা-কর্ম শেষ কৰি ভূজোৎসর্গ আৰু দক্ষিণা কার্য সমাপণ কৰা হয়। তাৰ পিছত সকলোৱে হোমৰ তিলক আৰু নির্মালি গ্রহণ কৰে। নিত্য প্রসঙ্গৰ অন্তত দিনৰ সবাহ উপলক্ষ্যে থিয় নাম, নটুৱা নাচ আৰু ওজাপালি পৰিৱেশন তথা ৰাতিলৈ সত্রৰ শিষ্যসকলে ভাওনা প্রদর্শন কৰে[১২]। বেঙেনাআটী সত্রত চতুর্থদিনাহে মহাপ্রভুক পৰিভ্রমণ কৰোৱা হয়। এই সত্রত সুবিধা অনুসৰি চতুর্থ দিনাও

---

১১ উল্লিখিত, পৃঃ ২৬

১২ বেঙেনাআটী সত্রৰ মনু হাজৰিকাৰ পৰা পোৱা তথ্য।

ৰাতিলৈ ভাওনা অনুষ্ঠিত হয়। এই সত্রত পূর্বতে অধিবাসৰ নিশাৰ বাহিৰে বাকী তিনিও নিশা ভাওনা পৰিৱেশন কৰা হৈছিল। উল্লেখযোগ্য যে, ফল্গুৎসৱ উপলক্ষ্যে ভাওনাৰ যি পয়োভৰ ঘটে, তাৰ মূল কাৰণ আছিল এয়ে যে ভাওনাৰ সৃষ্টি হৈছিল ফল্গুৎসৱক কেন্দ্র কৰিয়েই। বৰদোৱা গুৰু-চৰিত পুথিত এই কথাৰ উল্লেখ আছে যে, শঙ্কৰদেৱে ফল্গুৎসৱৰ উৎসাহতেই ইয়াৰ সামৰণিৰ লগে লগে ৰাইজৰ অনুৰোধত প্রথম চিহ্নযাত্রা ভাওনা সৃষ্টি কৰি প্রদর্শন কৰাইছিল[১৩]। আজিও ফল্গুৎসৱ বুলিলে ভাওনাৰে সামৰণি মৰা বা উৎসৱ উপলক্ষ্যে ভাওনা কৰাটো সত্রৰ ধৰাবন্ধা ৰীতি হৈ আছে।

১. (ঘ) পালনাম

এটা নির্দিষ্ট সময়লৈকে ভগৱানৰ গুণ নাম যি প্রণালীৱদ্ধ ৰীতিৰে পালে পালে গাই এক অখণ্ডতা ৰক্ষা কৰা হয় সেই নামেই পালনাম। বিবিধ পুৰাণে দিয়া সম্ভেদ অনুসৰি পালনামৰ প্রাচীন আর্হি বিচাৰি চালে পোৱা যায় সত্যযুগত শিৱই ব্রহ্মাতত্ত্ব লাভৰ বাবে অবিৰতভাৱে ব্রহ্মমন্ত্র উচ্চাৰণ কৰা যি পদ্ধতি, ব্রহ্মাই পাপ মোচনৰ বাবে শিৱৰ সপ্তনাম নমাই আনি এককভাৱে অখণ্ড চর্চা কৰা যি ব্যৱস্থা আৰু তৃতীয়ত কালীয় হ্রদত কালী আক্রমণৰ পৰা ত্রাণ পাবৰ বাবে গোপ গোপীৰ সমন্বিতে বসুদেৱ দৈৱকীয়ে যি কৃষ্ণ মন্ত্র গান কৰিছিল এয়াই পালনামৰ প্রাক আর্হি বুলি ধাৰণা কৰিব পাৰি।

পালনাম এদিনৰ পৰা সপ্তাহ পর্যন্ত পতাৰ ব্যৱস্থা আছে। এই পালনাম অসমত মহাপুৰুষ শংকৰদেৱৰ দিনতে পোন প্রথমে প্রচলিত হয। কোৱা হয় ভূঞা সকলৰ মাজত হাতী ৰখাক কেন্দ্র কৰিয়েই পালনামৰ সৃষ্টি হয়। আহোম ৰাজশাসনত ভূঞাসকলৰ মাজত হাতী ৰখাৰ দায়িত্ব আৰোপ কৰা হৈছিল। হাতীৰ পালন ব্যৱস্থাত ত্রুটি ঘটাত ভূঞাসকলৰ মাজৰ পৰা হৰি জোঁৱাই আৰু মাধৱদেৱক ৰাজ চ'ৰালৈ ধৰি নিয়া হৈছিল[১৪]। ৰাজ আজ্ঞাপালনত ব্যর্থ হোৱাৰ অপৰাধত তেওঁলোক দুয়োকে বন্দী কৰি থোৱা হ'ল। কিন্তু হৰি জোঁৱাইক মৃত্যুদণ্ড দিলে। সেই সমস্ত বৃত্তান্ত ভূঞাসকলৰ মাজত সদৰি হোৱাত ৰাজৰোষৰ পৰা পৰিত্রাণ পাবলৈ আৰু মাধৱদেৱৰ নিৰাপদ মুক্তি কামনাৰে শংকৰদেৱৰ আজ্ঞাত ভকতসকলে অখণ্ডনাম পালনামৰ দিহা কৰিলে[১৫]।

---

[১৩] বৰদোৱা গুৰু চৰিত, সম্পা মহেশ্বৰ নেওগ, পৃঃ ৬৩-৬৫

[১৪] দীন নাথ বেজবৰুৱা, বৰচৰিত, পৃঃ ৭৭

[১৫] যি দিনত মাধৱক দুতে লৈয়া গৈল। শংকৰ চিন্তিত মনে পথ চাহি ৰৈল।।
অনেক বিলম্ব ভৈল দেখি গুৰু জন। সাত দিন পালনাম গোৱাইযা তেখন।।
উল্লিখিত, পদ ১০৯৮, পৃঃ ৭৯

অখণ্ডভাৱে নাম চলি থকা অৱস্থাতে মাধৱদেৱ নির্দোষী আৰু উদাস জীৱনধাৰী বুলি জানিব পাৰি ৰজাই মাধৱদেৱক মুক্তি দিলে আৰু হাতত একঠা চাউল আৰু নিমখৰ টোপোলা দি মাধৱদেৱক স-সম্মানে বিদায় দিলে। মাধৱদেৱ নাম চলি থাকোঁতেই সাত দিনৰ অন্তত ক্ষেত্রস্থানত উপস্থিত হ'লহি[১৬]। হাতত থকা অন্ন আৰু লোণ তাকেই নামত দান কৰি মাধৱে সেৱা জনালে। নামৰ মহিমাৰ বলেৰে যে মাধৱ মুক্ত হৈ পুনৰ ভূঞাসকলৰ মাজত উপস্থিত হ'লহি এই কথা সকলোৱে উপলব্ধি কৰিলে। মাধৱক পাই ভূঞাসকলে আত্মতৃপ্তি লাভ কৰিলে। সেয়ে আছিল পালনাম আৰু প্রথমতে সেৱা জনাই মাধৱে দিযা অন্ন আৰু লোণ পালনামৰ মুখ্য সেৱাৰ দান ৰূপে পৰিগণিত হ'ল। সেয়ে পালনামত অন্ন আৰু লোণ দানৰ বিশেষ ব্যৱস্থা আছে। তেতিয়াৰ পৰা অসম গাঁৱে-ভূঞে আৰু বিভিন্ন সত্রত পালনাম গোৱাৰ প্রথা আজিও প্রচলিত হৈ আছে। ইয়াৰ ভিতৰত ব্রহ্মসংহতিৰ মূল সত্র সমূহত এদিনীয়া কিন্তু আউনীআটী সত্রত পাঁচ দিনীয়াকৈ পালনাম পতাৰ ব্যৱস্থা আছে। অৱশ্যে আউনীআটী আৰু গডমুৰ সত্রৰ বাহিৰে আন সত্রসমূহৰ এই পালনাম বছৰৰ ধৰা-বন্ধা উৎসৱ নহয়। আন সত্রসমূহত নিত্য প্রসঙ্গত পালনাম অপৰিহার্য। আউনীআটীত এই উৎসৱৰ পৰিসৰ আৰু ব্যাপকতাৰ প্রতি লক্ষ্য ৰাখি সেই বিশিষ্টতাৰ ক্রম অনুসৰণ কৰি আউনীআটীৰ পালনাম উৎসৱৰ কথাকে বিস্তৃতভাৱে প্রথমতে আলোচনা কৰা হৈছে।

পালনাম আউনীআটীৰ এটি প্রধান বাৎসৰিক পর্ব। এই সত্রত এই উৎসৱৰ প্রাথমিক উৎপত্তি আছিল এনে ধৰণৰ, যেতিযা আহোম ৰজা গদাধৰ সিংহৰ অত্যাচাৰত প্রকম্পিত হৈ আউনীআটী সত্রৰ দ্বিতীয় সত্রাধিকাৰ কেশৱ দেৱগোস্বামী প্রভুৱে কেইজনমান বৈষ্ণৱৰ সৈতে শদিয়াৰ হাবিত, কুণ্ডিল নদীৰ পাৱত লুকাই আত্মৰক্ষাৰ কাৰণে কাল অতিবাহিত কৰিছিল, তেতিয়া সত্রত থকা বৈষ্ণৱমণ্ডলীয়ে একত্রিত হৈ তেখেতৰ মংগল আৰু শুভ প্রত্যাৱর্তনৰ কাৰণে দৈনিক নির্দিষ্ট সময় ধার্য কৰি অখণ্ড নামৰ ব্যৱস্থা কৰিছিল। ৰাজৰোষৰ অন্ত পৰাত সত্রাধিকাৰ প্রভু সত্রত প্রৱেশ কৰাতহে সেই নির্দিষ্ট ধাৰাবাহিক নামৰ সামৰণি পৰিছিল সেয়ে আউনীআটী সত্রৰ পাল নামৰ আৰম্ভণি। যদিও নির্দিষ্ট উদ্দেশ্যৰ উপলক্ষ্যে গোৱা সেই নামৰ সিমানতে অন্ত পৰিছিল দিনৰ প্রসঙ্গৰ অন্তত পাঁচ জন বৈষ্ণৱে ক্ষন্তেক সময় সেই আৰ্হিৰে নামগোৱা প্রথা এটা থাকি গ'ল। পাঁচজনে গোৱাৰ কাৰণে এই নামক পাচতিয়া পালনাম বোলা হয়। এই নামৰ ক্রম আজিও ৰক্ষা হৈ আছে যদিও এই নাম আউনীআটী সত্রৰ চৈধ্য প্রসঙ্গৰ অতিৰিক্ত প্রসঙ্গ।

---

[১৬] উল্লিখিত, পৃঃ ৭৮, ৭৯

পালনামে আউনীআটী সত্রত উৎসৱ আকাৰে প্রতিষ্ঠা লাভ কৰে হৰিদেৱ সত্রাধিকাৰৰ দিনত। তেতিয়া প্রথমতে এই নামোৎসৱ আছিল মাসিক উৎসৱ। প্রতি মাহৰ শেষৰ পাঁচ দিন চাৰিও হাটীৰ বৈষ্ণৱসকলে পালপাতি এই নাম গাইছিল। শেষৰ দিনা দিনে-ৰাতিয়ে এই নাম গোৱাৰ প্রথা আছিল। পিছলৈ ব্যয় বহুল কার্যৰ সঘন প্রয়োগৰ অসুবিধাত মাসিক পৰিৱর্তে এই নাম উৎসৱ বার্ষিক উৎসৱলৈ ৰূপান্তৰিত হ'ল। হৰিদেৱ সত্রাধিকাৰেই এই ব্যৱস্থা প্রচলন কৰি থৈ গ'ল। কিন্তু তাৰ মাজতে নিত্য প্রসঙ্গৰ অতিৰিক্ত প্রসঙ্গ ভাগ চলি থাকিল। তেতিয়াৰ পৰাই সেই ক্রম অনুসৰি বছৰৰ কাতি মাহৰ শেষৰ পাঁচ দিনত এই নাম-উৎসৱ একে ধাৰাৰে অনুষ্ঠিত হৈ আহিছে। বছৰৰ আন মাহত নধৰি কাতি মাহত শেষৰ পাঁচদিন নির্দিষ্ট কৰি ধৰি লোৱাৰ বিশেষ তাৎপর্য আছে। মূলতঃ কাতি মাহ অতি পৱিত্র আৰু পুণ্য মাহ বুলি গ্রহণ কৰা হয়। এই পৱিত্র মাহত পুণ্যকর্ম কৰিলে তাৰ ফলো তেনেকৈ দুগুণে লাভ হয় বুলি বিশ্বাস কৰা হয়। পদ্মপুৰাণে কৈছে যে ভগৱানৰ চাৰি বিষয় অতি প্রিয়[৭৭]। সেই চাৰি বিষয় হ'ল, পত্রবিলাকৰ মাজত তুলসী, মাহৰ ভিতৰত কার্তিক, তিথিৰ ভিতৰত একাদশী আৰু ক্ষেত্রৰ ভিতৰত দ্বাৰকা। কাতি মাহ ভগৱানৰ প্রিয় হোৱা কাৰণবিলাকৰ ভিতৰত মুখ্য কাৰণ এই বুলি পদ্মপুৰাণত নির্দেশ কৰা হৈছে যে দেৱতা সকলৰ শক্তিৰ ঘাই আধাৰ বেদ। শংখচুড় দৈত্যই দেৱতাসকলক যুদ্ধত ঘটুৱাই তেওঁলোকক নিজৰ ৰাজ্যলৈ লৈ অহাত দেৱতাসকলে ৰাতিৰ এক প্রহৰলৈকে গীত-বাদ্য কৰি নিদ্রামগ্ন বিষ্ণুৰ জাগৰণ ঘটাই নিজৰ প্রার্থনা নিৱেদন কৰিলে। গীত বাদ্যৰে বিষ্ণুক প্রার্থনা কৰা দিনটো আছিল কাতি মাহৰ একাদশী[৭৮]। যি এই তিথিত ৰাতিৰ এক প্রহৰ পর্যন্ত দেৱতাসকলৰ দৰে গীত-বাদ্যৰে বিষ্ণুৰ আৰাধনা কৰে তেওঁবিলাকে শাশ্বত মুক্তি লাভ কৰে[৭৯]। বিষ্ণুরে প্রার্থনাত সন্তুষ্ট হৈ শংখচুড়ক বধ কৰি মুনিসকলক পঠাই জলৰ পৰা বেদ উদ্ধাৰ কৰি অনালে। কাতি মাহত জলত বেদ থকাৰ বাবে আৰু বিষ্ণু নিজে জলত প্রৱেশ কৰাৰ বাবে কাতি মাহ পৱিত্র মাহ স্বৰূপে গণ্য হ'ল[৮০]।

ভগৱানে নিজে দেৱতাসকলৰ আগত কৈছিল যে মন্ত্রবীজ সমন্বিতে বেদ প্রতি বছৰেই কার্তিক মাহত জলৰ ভিতৰত থাকিব আৰু ভগৱানে নিজেও প্রতি বছৰে কার্তিক মাহত জলৰ ভিতৰত বাস কৰিব[৮১]।

---

৭৭ পদ্মপুৰাণম্, উত্তৰখণ্ড (সং), (চতুর্থভাগ), পৃঃ ৩৬৮

৭৮ উল্লিখিত, পৃঃ ৩১৭

৭৯ উল্লিখিত, পৃঃ ৩১৭

৮০ উল্লিখিত, পৃঃ ৩১৭

৮১ উল্লিখিত, পৃঃ ৩১৭

সেয়ে কাতি মাহৰ জল অতি পবিত্র। পদ্মপুৰাণত এই দৰে প্রকাশ পাইছে, যি মনুষ্যই কাতি মাহত সূর্য তুলা ৰাশিত থকা সময়ত প্রাতঃকালত স্নান কৰে তেওঁ মহাপাপী হ'লেও সেই পাপৰ পৰা মুক্ত হয়[৮২]। কাতি মাহৰ পাঁচোটা নিয়ম নিষ্ঠাৰে আৰু বিধি অনুসাৰে পালন কৰিলে কাতি মাহৰ পূর্ণফল লাভ কৰাৰ লগতে ভক্তি-মুক্তিৰ প্রাপ্তি ঘটে। ব্রতকাৰীসকলৰ কাৰণে মুখ্য প্রয়োজনীয় সেই পাঁচ নিয়ম হ'ল,[৮৩] ৰাতি ভগৱান বিষ্ণুৰ সমীপত জাগৰণে থকা, প্রাতঃসময়ত স্নান কৰা, তুলসীৰ সেৱাত মন সংলগ্ন কৰি ৰখা, কাতিমাহ উদ্‌যাপন কৰা আৰু দীপ দান দিয়া।

কাতি মাহৰ ভিতৰত ভীষ্ম পঞ্চক ব্রত অতি পবিত্র আৰু শ্রেষ্ঠ ব্রত। কাতি মাহৰ শেষৰ পাঁচদিনক ভীষ্ম পঞ্চক ব্রত বুলি কোৱা হয়[৮৪]। ভীষ্মই এই পঞ্চ দিনত ব্রত পালন কৰাৰ কাৰণে সেই ব্রতক ভীষ্ম পঞ্চক ব্রত বুলি কোৱা হৈছে। ভগৱান বাসুদেৱৰ পৰা ভীষ্মই এই ব্রত লাভ কৰি সেই মতে আচৰণ কৰি তেওঁ অতীন্দ্রিয় হ'বলৈ সমর্থ হৈছিল। সাধাৰণ মানুহৰ দুঃসাধ্য কাৰণে ভীষণ অর্থত এই ব্রত ভীষ্ম নামে অভিহিত[৮৫]। প্রথমতে সত্য যুগত বশিষ্ঠ, ভৃগু আৰু গর্গ আদি মুনিসকলে কাতি মাহত এই ব্রতানুষ্ঠান পালন কৰিছিল। তাৰ পিছত ৰজা অম্বৰিষে ত্রেতাৰ আদিতে এই ব্রত পালন কৰিছিল[৮৬]। উৎপত্তিত ভীষ্ম পঞ্চক ব্রত কাতি মাহৰ শেষৰ পাঁচ দিনতেই অনুষ্ঠিত হৈছিল। এই পাঁচ দিনত বিষ্ণুৰ প্রিয় পঞ্চম দিৱস মিলিত হোৱাত ই অধিক তাৎপর্যপূর্ণ হ'ল। বিষ্ণুৰ এই প্রিয় পঞ্চদিৱস হ'ল কাতি মাহৰ শুক্ল পক্ষৰ একাদশীৰ পৰা পূর্ণিমা পর্যন্ত যাক বিষ্ণু পঞ্চক বুলি অভিহিত কৰা হৈছে। লগতে শুক্ল পক্ষৰ এই পঞ্চদিৱসক "বক পঞ্চমী" বুলিও আখ্যা দিয়া হৈছে। কেতিয়াবা কোনো কাৰণত এই পঞ্চ দিৱস কাতি মাহৰ শেষত মিলিত নহ'লেও পূর্বীয় যুক্ত আৰম্ভণি আৰু তেনে তাৎপর্যৰ কাৰণতে শেষৰ পাঁচ দিনক সম-মর্যাদাৰে পৱিত্র ৰূপে গণ্য কৰা হয়। কাতি মাহৰ এনে পুণ্যদায়ক পৱিত্রতা আৰু মহত্ত্বৰ প্রতি লক্ষ্য ৰাখিযেই কাতি মাহৰ যথা সম্ভৱ নিযম পালনেৰে শ্রৱণ, কীর্তন, অর্চন, বন্দন আৰু স্মৰণৰ মাধমেৰে কাৃতি মাহত শ্রীহৰিৰ বিশেষ আৰাধনা কৰা সত্রসমূহৰ পৰম্পৰাগত ৰীতি ৰূপে পৰিগণিত হ'ল। ব্রহ্মচাৰী, গৃহস্থ, বানপ্রস্থ বা

---

৮২ উল্লিখিত, পৃঃ ৩১৪

৮৩ পাঁচ নিযম : হৰি জাগৰণং প্রাতঃস্নানং তুলসী সেৱনম্। উদ্‌যাপনং দীপ দানং ব্রতান্যেতানি কার্তিকে।।

উল্লিখিত, পৃঃ ৩৭৫

৮৪ সংক্ষিপ্ত পদ্ম পুৰাণ (হিন্দী), পৃঃ ৬৯৫, ৬৯৬

৮৫ পূর্বোল্লিখিত, পৃঃ ৪০৫

৮৬ পূর্বোল্লিখিত, পৃঃ ৪০৫

জটী এই সকলৰ ভিতৰত বিষ্ণুপঞ্চক নকৰিলে পৰধাম পাব নোৱাৰে বুলি দৃঢ়তাৰে পদ্মপুৰাণত উল্লেখ কৰিছে। আনহাতে বিষ্ণুপঞ্চক সর্ব পাপ হৰক বুলি পৰিচয় দিছে[৮৭]। বিষ্ণুপঞ্চকৰ সকলো নিয়ম নির্দিষ্টভাৱে পালন কৰিব নোৱাৰিলেও এই দিৱসসমূহত কিঞ্চিৎ নিয়ম[৮৮] পালন কৰিলেও ইয়াৰ ফল লাভ কৰে। সেয়ে আধ্যাত্মিক জীৱন যাপনত গুৰুত্ব দিয়া বিশেষকৈ ব্রতী উদাস জীৱনধাৰীসকলে বিষ্ণুপঞ্চক পালনত অত্যধিক গুৰুত্ব দিয়ে। একে লক্ষ্য প্রয়াসী সামুহিক জীৱন প্রণালীৰে জীৱন-যাপন কৰা সত্রসমূহত সেই অর্থত পাঁচদিনীয়া অখণ্ড পালনাম আয়োজন কৰে। বিষ্ণুপঞ্চক দিৱসত সকলোখিনি নির্দিষ্ট উপাসনাৰ ভিতৰত অখণ্ড নামৰ শ্রেষ্ঠতা প্রতিপাদন কৰি সকলো উপাসনাৰে পূৰ্বিপূৰক ৰূপে এই নাম অনুষ্ঠিত হয়। মাহৰ শ্রেষ্ঠ দিৱসৰ পুণ্যক্ষণ, ভগৱৎ উপাসনাৰ উত্তম সময় স্বৰূপে মান্য কৰি এই কার্য কৰা হয়। তদুপৰি ভক্তসকলৰো উপাসনাত হ'ব পৰা 'অপৰাধ' অনন্য পৰাযণ হৈ ভগৱানৰ নাম শ্রৱণ-কীর্তনেৰে খণ্ডাব পাৰি বুলি দিয়া সনৎ কুমাৰৰ উপদেশ উল্লেখযোগ্য[৮৯]। এই উপদেশ তাৎপর্যপূর্ণ। সেইবাবে এই তাৎপর্যৰ ওপৰত গুৰুত্ব দিয়েই অবিশ্রান্ত নামৰ ব্যৱস্থা কৰা হয়। সত্রস্থসকলৰ ভগৱৎ উপাসনা মুখ্য কর্তব্য যেতিয়া চৈধ্য বা দ্বাদশ প্রসঙ্গত ৰত হৈ থকা বৈষ্ণৱমণ্ডলীৰ সততে হ'ব পৰা এই দোষ নিবৃত্তিৰ অর্থেই আনুষ্ঠানিক বিশেষ নাম কীর্তনৰ ব্যৱস্থা কৰা হয়। তাৰ ভিতৰত পালনাম এক উল্লেখযোগ্য ব্যৱস্থা।

নাম অপৰাধ দশ প্রকাৰে হ'ব পাৰে। সেই দশ অপৰাধ হ'ল, নামৰ ভকত তথা সন্তজনক নিন্দা কৰা, হৰিহৰক ভেদ বুদ্ধি কৰা, গুৰুক অৱজ্ঞা কৰা, বেদক নিন্দা কৰা, নামত বাদ বা তর্ক কৰা, নামৰ বলেৰে পাপ কার্য কৰা, ধর্মৰ আন কর্মপন্থাক এৰি কেৱল নাম গ্রহণ কৰা, শ্রদ্ধাহীন জনক নাম দান কৰা, নামদান কৰোঁতে অহঙ্কাৰ কৰা, নামৰ মহিমা শুনি শ্রদ্ধা নকৰা, এযে হ'ল নামৰ দশ অপৰাধ[৯০]। গুৰু, দেৱ, নাম, ভকত য'ত বিদ্যমান, চৈধ্যপ্রসঙ্গৰ শ্রৱণ-কীর্তন যি মূল মাধ্যম তেনে ক্ষেত্রত দশ অপৰাধৰ

---

৮৭ পদ্মপুৰাণ, স্বর্গখণ্ড, সম্পা পঞ্চানন তর্কৰত্ন, শ্লোক ৫, ৬ পৃঃ ২৬৬

৮৮ পূর্বোল্লিখিত, পৃঃ ৪০৫

৮৯ জাতে নামাপৰাধে তু প্রসাদে তু কথঞ্চন।
সদা সঙ্কীর্তয়েন্নাম তদেকশৰণো ভৱেৎ।।
নামাপৰাধযুক্তানি নামান্যেব হৰন্ত্যেৰম্।।
অভিশ্রান্তিপ্রযুক্তানি তান্যেৰার্থকৰাণি যৎ।।
নামৈকং যস্য, শ্রোত্রমূলং গতং বা শুদ্ধং বা জিহ্মুংস্মৰণপথগতং শুদ্ধবর্ণং ব্যৱহিতৰহিতং তাৰযতোৱ সত্যম্।
পূর্বোল্লিখিত, পৃঃ ২৭০

৯০ কীর্তন ঘোষা আৰু নাম ঘোষা, সম্পা বৰুৱা এজেন্সি, পৃঃ ১৪, ১৫, ১৬

স্পর্শ থকা স্বাভাৱিক। সেই অপৰাধৰ নিবৃত্তি আৰু শিষ্য সমন্বিতে সত্রানুষ্ঠানৰ মাংগলিক কামনা, পালনাম ব্যৱস্থাৰ মুখ্য উদ্দেশ্য। নির্দেশিত হৈ আহিছে যে বিষ্ণুপঞ্চক দিৱসত এনে আয়োজনে ইয়াৰ ফল দ্বিগুণ কৰে।

আউনীআটীৰ পালনাম উৎসৱ সাধাৰণতে কাতি মাহৰ ২৫ তাৰিখৰ পৰা ২৯ তাৰিখলৈকে পাঁচদিনীয়াকৈ অনুষ্ঠিত হয়। ৩০ তাৰিখে সংক্রান্তিৰ দিনা পুৱা বেলাত নামৰ সামৰণি পৰে। সংক্রান্তিৰ দিনা নাম সামৰাটো ধৰা-বন্ধা নিয়ম। যেতিয়া ২৯ দিনীয়া মাহ হয় তেতিয়া এটা দিন আগুৱাই যাব লগা হয়। সেয়ে হ'লে ২৪ তাৰিখে এই নামৰ আৰম্ভণি হ'ব লাগে। প্রকৃতার্থত সংক্রান্তিক লক্ষ্য কৰিহে এই ক্রম ৰক্ষা কৰা হয়। কেতিয়াবা সত্রৰ অপৰিহার্য উৎসৱ উত্থায়ন একাদশী আৰু ৰাস পৰিলেও দিনৰ তাৰতম্য ঘটে। সেই দিনত নাম বন্ধা থাকে। দুটা দিন আগুৱাই সংক্রান্তিত নাম সামৰাঁলৈ লক্ষ্য ৰাখি পাঁচ দিন সম্পূর্ণ কৰা হয়। মুঠতে পালনাম পাঁচদিন চলিবই লাগিব, এয়ে গৃহীত বিধি। নামৰ আৰম্ভণিৰ দিনা নিত্য বৰনামৰ অন্তত সত্রৰ ৬ জন মুখ্য বৈষ্ণৱে সত্রাধিকাৰৰ পৰা অনুমতি আৰু নামৰ দায়িত্ব পালন কৰাৰ কাৰণে সত্রাধিকাৰৰ পূজা গৃহত বৰণ লয়। এই বৰণত অংশ গ্রহণ কৰা বৰ আশীর্বদীযা, বৰ নাম লগোৱা, ব'ৰাগী নাম-লগোৱা নিত্য নামৰ শ্রৱণকাৰী এগৰাকী শ্রৱণী ধূপীয়া আৰু মলিয়াই সত্রাধিকাৰৰ পৰা এখনি খনিয়া নির্মালি আৰু এখনি গুৱা গ্রহণ কৰে। তাতে আশীর্বদীয়াই কর্মৰ শুভাৰম্ভৰ অর্থে আশীর্বাদ প্রদান কৰে। এই বিষয়ববীয়া সকলক সত্রৰ চাউল ভঁৰালীয়ে সাক্ষাৎ কৰাই দিয়াৰ নিয়ম। বৰ নাম লগোৱা আশীর্বদীয়া প্রমুখ্যে বৈষ্ণৱ কেইজনে মণিকূটত বৈকুণ্ঠ কল্পনা কৰি সেই স্থানৰ পৰা পালনামৰ এটি মুখ্য প্রসঙ্গৰে বৈকুণ্ঠৰ নাম নমাই আনে। তাৰ পিছতেই নামঘৰ প্রসঙ্গস্থলীত সেই নাম প্রতিষ্ঠা কৰে। নামৰূপী নৌকাৰ সম্মুখত ভাগৱত স্থাপন কৰা হয়। হৰি নামৰ নৌকা হ'ল ভৱসাগৰ পাৰ হোৱা একমাত্র সম্বল আৰু হৰি নামৰ কাণ্ডাৰী বা গুৰি হ'ল ভাগৱত শাস্ত্র, প্রত্যক্ষ কৃষ্ণ। এই প্রতীকেই যেন নামলুব্ধ সমগ্র বৈষ্ণৱ মণ্ডলীক আকুল কৰিছে ...[১] "পাৰকৰা ৰঘুনাথ সংসাৰ সাগৰে" এই উদ্দেশ্য আগত লৈ নামৰূপী নৌকাৰ দুয়োফালে দুশাৰীকৈ মুখ্য বিষয়ববীয়া আৰু আন আন বৈষ্ণৱসকলে বহি পালে পালে নাম গায়। এই নামত তাল বা চাপৰি নবজায়। কেৱল ক্ষণিক যতি পেলাই সমাহিত আৰু গম্ভীৰ ভাবেৰে সমস্বৰে মাধৱ পুৰুষৰ নাম ঘোষাৰ নির্বাচিত ঘোষা নিজা সুৰেৰে সুৰ লগাই গায় আৰু মাধৱদেৱৰ ঘোষাৰ লগতে এই সত্রৰ সত্রাধিকাৰে ৰচনা কৰা ঘোষা গোৱাৰো প্রথা আছে। এই নাম পাঁচ দিনৰ প্রতিদিনেই পুৱা নিত্য প্রসঙ্গৰ সামৰণিৰ লগে লগেই পাঁচতিয়া পালনামৰ

---

১ তীর্থনাথ শর্মা, আউনীআটী সত্রৰ বুৰঞ্জী, পৃঃ ৩৮৭

যোৱাতে গাই বিয়লা প্রসঙ্গৰ আগে আগে সামৰণি মাৰে। এই নামত পূব, পশ্চিম, উত্তৰ তিনিও হাটীৰ বৈষ্ণৱসকলে আন তিনিও হাটীৰ লগত সহযোগ কৰে। প্রতি হাটীৰ বৈষ্ণৱে পালে পালে গাওঁতে এটা নির্দিষ্ট সময় ৰক্ষা কৰি নির্দিষ্ট পাল, নামেৰে সামৰণি মাৰে। এই নামৰ পাল তিনিটা ভাগত ভগোৱা থাকে। আগপাল, মাজপাল আৰু শেষপাল। এনেধৰণে পাঁচ দিন পৌনঃপুনিকভাৱে প্রতি হাটীয়ে আগ মাজ আৰু শেষপাল অতিক্রমি যাব লাগে। প্রতিপালৰ শেষত গৃহস্থৰ ৰূপত নামৰ আয়োজক সত্রাধিকাৰে আৰু তেখেতৰ সঙ্গানুৱতী হৈ সত্রৰ ডেকা আৰু গোৰিন্দপুৰীয়াই নাম ঘৰত প্রৱেশ কৰি পশ্চিমৰ পৰা অর্থাৎ নামৰ শাৰীৰ অন্তৰ পৰা সেৱা জনায়। আশীর্বদীয়াৰ আশীর্বাদৰ লগে লগে বৈষ্ণৱসকলে হৰিধ্বনি কৰে। সত্রাধিকাৰজনাই আশীর্বাদৰ অন্তত বৰনামলগোৱা, আশীর্বদীযা আদিক গুৱা প্রদান কৰি কৃতজ্ঞতা স্বৰূপ সম্ভাষণ জনায়। আশীর্বাদৰ অন্তত সত্রাধিকাৰ, ডেকা, গোৰিন্দপুৰীয়া, আন বিষয়ববীয়া আৰু সেই পালৰ বৈষ্ণৱ, সকলোৱেই নিজ নিজ স্থানলৈ যায়। সেই পালৰ শেষতে ছেদ নপৰাকৈ পিছৰ পালত মুখ্য বিষয়ববীয়াই আহি নাম ডাকে। তাত সেই পালৰ বৈষ্ণৱসকলে যোগ দিয়েহি। এইদৰে প্রতি পালে পালে নাম আৰু প্রতিপালত সেৱা আশীর্বাদাদিৰ ক্রম পাঁচ দিনত ৰক্ষা হয়। প্রতি পালত ক্ষণিক যতিৰ পৰত ৰাইজৰ সেৱা অব্যাহত থাকে। এই সেৱাৰ এক বিশেষ ৰীতি আছে। শিষ্য-প্রশিষ্য সমন্বিতে প্রতিজন নাম প্রেমী ভক্তই ব্যক্তিগতভাৱে আৰু পৰিয়াল সমন্বিতে ঘৃত প্রদীপ, মলা বা ডোঙাত লোণ লৈ যথা ইচ্ছাৰে দক্ষিণা আগবঢ়াই নামলৈ বুলি নতজানু হৈ সেৱা জনায়। সেৱাৰ লগে লগে সেৱকীৰ মনোভীষ্ট পূৰণৰ অর্থে আশীর্বদীযাৰ পৰা আশীর্বাদ আৰু নাম লগোৱা আৰু শ্রৱণ কীর্তনকাৰী বৈষ্ণৱসকলৰ দ্বাৰা হৰিধ্বনি প্রদান কৰা হয়। সেৱাৰ কার্যত যি লোণ দানৰ ব্যৱস্থা থাকে সেই বিষয়ে আগতে উল্লেখ কৰা হৈছে। তদুপৰি লোণ দানে, সোণ দানে সমান এনে বিশ্বাস মানি চলা হয। ভগৱানক অর্চনা পদ্ধতিৰে সন্তুষ্ট কৰা বিভাগৰ ভিতৰত ধূপ-দীপ, নৈৱেদ্যৰে সেৱা পূজা কৰা অপৰিহার্য বিষয়। দানৰ ভিতৰত ধূপদান, দীপদান সর্বশ্রেষ্ঠ বুলি কোৱা হৈছে। সেয়ে ধূপ, ঘৃত বা তৈলপ্রদীপ এগছিৰে নামত সেৱা লয়।

এইদৰে চাৰিদিন নাম চলাৰ পিছত পঞ্চম দিনা অর্থাৎ সংক্রান্তিৰ আগদিনা দিনে-ৰাতিয়ে অবিৰতভাৱে নাম চলি থাকে। এই দিনৰ ৰাতি, প্রায ছয দণ্ডমান থাকোঁতেই সত্রাধিকাৰ, ডেকা, গোৰিন্দপুৰীযা আৰু সাতমানভগীযা বৈষ্ণৱসকলে স্নান কৰি আহি সমদলে মণিকূট গৃহত প্রৱেশ কৰে আৰু মহাপ্রভুক সেৱা জনায। মণিকূট গৃহৰপৰা ওলাই আহোঁতে সত্রাধিকাৰজনাই কৰণিত অক্ষৰৰূপী পৰমব্রহ্ম সম্পদ বস্তু স্থাপন কৰি শিৰত লৈ ওলাই আহে। পিছে পিছে ডেকা, গোৰিন্দপুৰীয়া আৰু সাতমান

ভগীয়াসকলে ক্রম অনুসৰণ কৰে। সাতমানভগীয়াসকলৰ পিছত জ্যেষ্ঠতা অনুসৰি সত্রৰ আন বৈষ্ণৱসকলে ভাগ লয়। সত্রাধিকাৰজনাৰ আগত মণিকূটীয়া দেউৰীসকলে তাল, ঘণ্টা, ধূপ, দীপৰ দুনৰী লৈ আগে আগে যায়। এইদৰে সমাৰোহেৰে সত্রাধিকাৰ, ডেকা, গোৰিন্দপুৰীয়া প্রমুখ্যে বৈষ্ণৱমণ্ডলীয়ে নামঘৰৰ পালনাম গোৱা ঠাইৰ চাৰিওকাষেৰে চাৰিবাৰ নাম প্রদক্ষিণ কৰে। এই সময়তেই শংখ, শিঙা, ঘণ্টা, কালী, ভেৰী, ঢোল, বৰকাঁহৰ সমৰোল উঠে। প্রত্যেক বাৰৰ প্রদক্ষিণ পূৰ হোৱাৰ সময়ত ডবাঘৰীয়াই ডবা বজাই মঙ্গল ধ্বনি কৰে। এই সময়তেই পালনাম গাই থকা বৈষ্ণৱসকলেও থিয় হৈ "এ প্রাণ হৰি গৈলা এৰি" কীর্তন তাল বজাই সমস্বৰে গায়। ঠিক চাৰিবাৰ প্রদক্ষিণ শেষ হোৱাৰ লগে লগেই কীর্তনৰ সামৰণি পৰে। এইখিনি সময়তেই নামঘৰৰ টুপৰফালে পশ্চিমত প্রদক্ষিণৰত সত্রাধিকাৰ সমন্বিতে সকলোৱেই নিজ ঠাই গ্রহণ কৰে। সোঁ মাজতে সত্রাধিকাৰ, সত্রাধিকাৰৰ দুযো কাষে ডেকা, গোৰিন্দপুৰীযা আৰু সাতমানভগীয়াসকলে অৱস্থান কৰে। এই ঠাইতে নামৰ শাৰীৰ মুৰত নাম, দেৱ, ভকতক আগত ৰাখি পাঁচ দিনৰ বাবদ পাঁচোখনি ৰাঙলী শৰাই সজাই থোৱা হয়। পাঁচখন শৰাইৰ মাজত এখনি সৰু শৰাইত ৫ দিনৰ নামৰ দক্ষিণা স্বৰূপে সোণ, ৰূপ আৰু অৰিহণা আগবঢ়োৱা থাকে। শৰাই সম্মুখতেই 'মহাপ্রভুৰ কৰণি' স্থাপন কৰি থয়। তেতিয়া সত্রাধিকাৰ জনাই সাষ্টাঙ্গে দণ্ডৱত প্রথাৰে সেৱা জনায়। দণ্ডৱতৰ আগে আগেই আশীর্বদীয়াই আশীর্বাদ বর্ষণ কার্যৰ আৰম্ভ কৰে। দণ্ডৱতৰ সামৰণিত আশীর্বাদৰ এক এক খণ্ডৰ অন্তত হৰিধ্বনি আৰু ডবা-কাঁহৰ ৰোল উঠে; লগে লগে সত্রাধিকাৰ, ডেকা আৰু গোৰিন্দপুৰীয়াই সেৱা জনায়। আউনীআটী সত্রৰ পালনামৰ এই আশীর্বাদ সুদীর্ঘ লয়যুক্ত আধ্যাত্মিকতাপূর্ণ আৰু তাৎপর্যপূর্ণ। এই আশীর্বাদত সমগ্র ভাৰতৰ বৈষ্ণৱ, সন্ত-মহন্ত শিৰোমণি সকলৰ নাম লোৱা হয়। সেই সকলৰ আশীর্বাদ কামনা কৰা হয় আৰু এই আশীর্বাদত নদী, পর্বত, সমুদ্র, বৃক্ষ, পশু-পক্ষী, যক্ষ, ৰক্ষ, কিন্নৰ, ঋষি, মুনি, জল-স্থল, আকাশচাৰী সকলোৰে সন্তুষ্টিৰ অর্থে স্তুতিবাক্য বুলি আশীর্বাদ কামনা কৰা হয়। ইয়াৰ পিছতে চাৰি সত্রৰ আউনীআটী, দক্ষিণপাট, গড়মুৰ, কুৰুৱাবাহীৰ প্রয়াত সত্রাধিকাৰসকলৰ নাম উচ্চাৰণ কৰি সেই সকলৰ পৰা আশীর্বাদ কামনা কৰা হয়। তাৰ পিছত উপস্থিত থকা সত্রাধিকাৰৰ হকে দীর্ঘায়ু আৰু মঙ্গল কামনাৰ লগতে সত্রস্থিত ডেকা, গোৰিন্দপুৰীয়াৰ মঙ্গলৰ অর্থেও আশীর্বদীযাই আশীর্বাদ বচন মাতি প্রার্থনা জনায়। শেষত সত্রস্থিত বৈষ্ণৱবৃন্দ আৰু শিষ্য-প্রশিষ্য সমন্বিতে ৰাইজৰ সর্বপ্রকাৰ মংগল আৰু উন্নতি বিধানৰ অর্থে আশীর্বদীয়াই আশীর্বাদ প্রদান কৰে। প্রত্যেক আশীর্বাদত "জয় ৰাম বোলা, জয় হৰি বোলা" ধ্বনি থাকে। এই আশীর্বাদ ধ্বনিৰ চলেৰে বিষ্ণুবুদ্ধিৰ কথা সোঁৱৰাই দিয়া হয়।

এইদৰে আশীর্বাদ-অন্ত পৰাৰ লগে লগে ব্রহ্মমুহূর্তত এই কার্যৰ সামৰণি পৰে। পুনৰ আগৰ দৰে সত্রাধিকাৰ প্রমুখ্যে নির্দিষ্ট বিষয়ববীযাসকল মণিকূট গৃহত প্রৱেশ কৰি কৰণিৰ সৈতে অক্ষৰৰূপী পৰমব্রহ্ম সম্পদ বস্তু থয়গৈ। তাত পুনৰ 'মহাপ্রভু'ক সেৱা জনাই সকলোৱে নিজ নিজ ঠাইলৈ প্রত্যাৱর্তন কৰে।

ইয়াৰ পিছতে নির্দিষ্ট ক্ষণত পুৱা নিত্য প্রসঙ্গ আৰম্ভ হয়। এই নিত্য প্রসঙ্গৰ অন্ততে পালনামৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হয। নামৰ কার্য নামেৰেই অর্থাৎ উৎসৱ প্রসঙ্গৰ অন্তর্ভুক্ত হিয়ানাম, দিহানামেৰে পালনাম সামৰা হয। হিয়ানাম, দিহানামৰ অন্তত পুনঃ নিত্য প্রসঙ্গৰ দৰে আশীর্বাদ হয। তেতিয়াই সত্রাধিকাৰ, ডেকা, গোৱিন্দ পুৰীয়া নামত উপস্থিত থাকি পুনৰ নামত সেৱা জনায়। এই আশীর্বাদ আৰু সেৱা কার্যৰ অন্তত গায়ন-বায়নৰ নিত্য প্রসঙ্গ আৰম্ভ হয়। এইখিনি সময়তে প্রসাদ বিতৰণ কৰা হয। উপস্থিত সকলো ৰাইজেই প্রসাদ আৰু নির্মালি লৈ নিজ নিজ গৃহলৈ প্রত্যাগমন কৰে। এইদৰে মহা সমাৰোহেৰে অনুষ্ঠিত হোৱা ৫ দিনীযা পালনাম উৎসৱৰ সামৰণি পৰে। এই নামৰ সেৱা জনাবলৈ প্রতিদিনেই ৰাইজৰ সমাগম হয় যদিও বিশেষকৈ শেষৰ দিনাহে ৰাইজৰ বেছি পয়োভৰ হয, অৱশ্যে দুৰ-দূৰণিৰ পৰা অহা লোকসকল দুই তিনি দিন (ৰাতি) থকাকৈ সত্রলৈ আহে।

উল্লিখিত আধ্যাত্মিক উদ্দেশ্যসমূহৰ উপৰিও আউনীআটী সত্রৰ পালনামৰ আৰু এক সুকীয়া তাৎপর্য আছে। পাঁচদিনৰ বিশেষ ৰীতি আৰু আনুষ্ঠানিক প্রক্রিয়ালৈ লক্ষ্য কৰিলে এই পালনাম এক যজ্ঞানুষ্ঠানৰ শাৰীত পৰে। দৈনিক পালিব লগীযা বিশেষ কর্তব্যসমূহৰ ভিতৰত পঞ্চ মহাযজ্ঞ বিশেষ উল্লেখযোগ্য। এই পঞ্চ মহাযজ্ঞ হ'ল [১২] ব্রহ্ম যজ্ঞ, পিতৃযজ্ঞ, দেৱ যজ্ঞ, ভূত যজ্ঞ আৰু মনুষ্য যজ্ঞ। অধ্যযন-অধ্যাপনেই হ'ল ব্রহ্ম যজ্ঞ, অন্ন-জলৰ দ্বাৰা পিতৃ তর্পণ কৰা পিতৃ যজ্ঞ, হোম, পূজা আদিৰ দ্বাৰা দেৱতাক উপাসনা কৰা দেৱ যজ্ঞ, পশু-পক্ষীক অন্ন দান কৰা ভূত যজ্ঞ আৰু অতিথি সৎকাৰ কৰা মনুষ্য যজ্ঞ।

এই পঞ্চ মহাযজ্ঞৰ ভিতৰত অতিথি সৎকাৰ ৰূপ মনুষ্য যজ্ঞৰ এক উল্লেখযোগ্য

---

[১২] অধ্যাপনং ব্রহ্মযজ্ঞঃ পিতৃযজ্ঞস্তু তর্পণম্
হোমো দৈৱো বলি ভৌতো নৃযজ্ঞো[১] তিথিপূজনম্।।
মনুসংহিতা, ৩য় অধ্যায়, শ্লোক ৭০, পৃঃ ৬৩
এই পঞ্চযজ্ঞক ক্রমে, অহুত, হুত, প্রহুত, ব্রাহ্মহুত আৰু প্রাশিত বুলি কোৱা হৈছে। ইযাৰ ভিতৰত বেদ জপৰ নাম অহুত, হোমৰ নাম হুত, ভূত বলিৰ নাম প্রহুত, আতিথ্য আৰু ব্রাহ্মণ গণৰ সেৱাৰ নাম ব্রাহ্মহুত আৰু পিতৃ-তর্পণৰ নাম প্রাশিত ।
উল্লিখিত, শ্লোক ৭৩, ৭৪, পৃঃ ৬৩

ব্যৱস্থা। আউনীআটী সত্রৰ পালনাম ব্যৱস্থা মনুষ্য যজ্ঞৰ আন এক ৰূপান্তৰ। অর্থাৎ মনুষ্য যজ্ঞৰ তাৎপর্য হ'ল অতিথি সৎকাৰ বা অতিথি শুশ্রূষা কৰা। পালনামৰ পাঁচ দিনত উপস্থিত হোৱা শিষ্য-প্রশিষ্য সমন্বিতে সকলো ৰাইজকে অতিথি ৰূপে সৎকাৰ কৰা অপৰিহার্য বিষয়। নাম সামৰণিৰ দিনা অন্নদানৰ কথালৈ লক্ষ্য ৰাখি সত্রৰ ৰাজভঁৰালৰ পৰা সকলো ভক্তকে সিধা দিয়াৰ ব্যৱস্থা কৰা হয়।

নির্দিষ্ট দিন নাথাকিলে দক্ষিণপাট সত্রত অনুষ্ঠিত হোৱা উদয়াস্ত পালনামৰ বিশেষ গুৰুত্ব আৰু ব্যয়বহুল উৎসৱপূর্ণ পৰিৱেশ আছে। সার্বজনীন মংগল কামনা এই নামৰ উদ্দেশ্য। ব্রহ্মমুহূর্ত অর্থাৎ সূর্য উদয়ৰ পৰা সূর্য অস্ত যোৱালৈকে এই নাম ধাৰাবাহিকভাৱে চলি থাকে কাৰণেই ইয়াক উদযাস্ত পালনাম আখ্যা দিয়া হৈছে। এই নামৰ দিনত নিত্য ভাগৱত ব্যাখ্যা, পদ পাঠ, প্রসঙ্গ চলিলেও তাল প্রসঙ্গ, খোল প্রসঙ্গ আদি নাথাকে। ভাগৱত, পদপাঠ চলি থাকোঁতে পালনাম সেই সময়ৰ বাবে বন্ধ থাকে। আউনীআটী সত্রৰ দৰে এই নামৰ মাজত আশীর্বাদ নাথাকে। সেৱকীয়ে সেৱা কৰিলেও নামৰ শেষত হে সকলোৰে বাবে আশীর্বাদ দিয়া হয়। এই সত্রৰ উদয়াস্ত পালনামৰ বাহিৰে খণ্ড পালনামো আছে। এই পালনাম কোনো সেৱকীযে আগবঢ়ালে গোৱা নিয়ম। উদযাস্ত পালনামেই এই নামৰ আৰ্হি। উদয়াস্ত পালনাম আৰু এই খণ্ড পালনামত নিত্য প্রসঙ্গৰ পালনাম বন্ধ থাকে।

গডমূৰ সত্রত এদিনীযাকৈ দিনে-ৰাত্রিয়ে অনুষ্ঠিত হোৱা পালনাম আউনীআটী সত্রৰ শেষৰ দিনাৰ আৰ্হিৰ সৈতে একে। এই সত্রৰ পালনামত মাধৱদেৱৰ সম্পূর্ণ এহেজাৰ ঘোষা পাঠ কৰে। দক্ষিণপাটৰ দৰে কুৱৰীবাহী সত্রতো উদয়াস্ত পালনাম অনুষ্ঠিত হয। বেঙেনাআটী সত্রত গোটেই ভাদমাহ জুৰি পালনাম গোৱাৰ ব্যৱস্থা আছে। এই সত্রত এই পালনাম শাওণ মাহৰ সংক্রান্তিতে আৰম্ভ হৈ ভাদমাহ শেষ হোৱাৰ দিনা ৰাতিলৈ সামৰণি পৰে। মাহেক দিন ধৰি পালনাম চলি থাকিলেও নিত্য প্রসঙ্গ, গুৰু তিথি উপলক্ষ্যে থকা বিশেষ নৈমিত্তিক কৃত্য আৰু অনুষ্ঠান, নিয়মিত প্রথাৰে অব্যাহত থাকে। কমলাবাৰী সত্রকেইখনতো এদিনৰ পৰা সাতদিনলৈকে অখণ্ডতাৰে কোনো বছৰত পালনাম অনুষ্ঠিত হয।

মাজুলীৰ পুৰুষ সংহতিৰ বিহিমপুৰ সত্রত এদিনীয়াকৈ পালনামৰ আয়োজন কৰা হয়। এই সত্রৰ পালনামৰ এটি বৈশিষ্ট্যৰ হ'ল যে নামৰ আৰম্ভণিতে নামাচার্য গৰাকীয়ে পালনামৰ উৎপত্তিৰ বিৱৰণ কথাৰে দাঙি ধৰে। পালনামৰ মাজত নিহিত আধ্যাত্মিক তত্ত্ব আৰু ভাৱনাৰ লগত সামাজিক মংগল আৰু সমভাবৰ লক্ষ্যও জড়িত হৈ আছে। পালনীয নীতিসমূহে সত্রৰ আধ্যাত্মিক পৰিৱেশৰ মাজেদি নাম স্বৰূপ ওংকাৰৰ ওচৰলৈ যোৱাৰ পথ উলিয়াই দিয়ে।

২. (ক) ব'হাগ বিহু

এটা বছৰত দুটা অয়ন থাকে। এটা উত্তৰায়ণ আৰু আনটো দক্ষিণায়ন। এটা অয়নত তিনিটা ঋতু থাকে উত্তৰায়ণত হেমন্ত, শীত, বসন্ত আৰু দক্ষিণায়নত গ্রীষ্ম, বর্ষা আৰু শৰৎ ঋতু। শৰৎ, শীত আৰু বসন্ত ঋতুত উদ্‌যাপিত হোৱা তিনি বিহু অসমৰ লোক-জীৱনৰ প্রধান উৎসৱ। (১) চ'ত-ব'হাগৰ দোমাহীত মহাবিষুৱ সংক্রান্তিত ব'হাগ[১৩] বিহু, (২) আহিন-কাতিৰ দোমাহীত জলবিষুৱ সংক্রান্তিত কাতি বিহু আৰু (৩) পুহ-মাঘৰ দোমাহীত মকৰ-বিষুৱ সংক্রান্তিত মাঘ বিহু উদ্‌যাপিত হয়। বিষুৱ সংক্রান্তিত তিনিবিহুৰ উৎপত্তি হোৱা কাৰণে মূল 'বিষুৱ' শব্দৰ পৰাই বিহু শব্দৰ উৎপত্তি হৈছে বুলি ক'ব পাৰি। এই তিনি বিহুৰ লগত জড়িত বিভিন্ন উপাদানেৰে সৈতে সাংস্কৃতিক পৰম্পৰাসমূহ লোক-উৎসৱৰূপে অসমত প্রচলিত হৈ আহিছে। অসমীয়া জাতীয় জীৱন ঘাইকৈ তিনিটা যুগত বিভক্ত কৰা হৈছে। প্রাচীন, মধ্য আৰু আধুনিক[১৪]। খৃঃপূঃ দ্বিতীয়-তৃতীয় শতিকামানৰ পৰা খৃষ্টাব্দ দ্বাদশ শতিকাৰ শেষলৈ অর্থাৎ পাল বংশৰ পতনলৈকে, এই কালছোৱা প্রাচীন যুগ, ত্রয়োদশ শতিকাৰ আৰম্ভণিৰ পৰা অর্থাৎ আহোমসকলৰ প্রৱেশকালৰ পৰা ঊনবিংশ শতিকাৰ আৰম্ভণিলৈ এই সময়ছোৱা মধ্যযুগ আৰু বৃটিছসকলৰ প্রৱেশৰ দিনৰ পৰা বর্তমানলৈ এই সময়ছোৱা আধুনিক যুগ। প্রাচীন যুগৰ প্রাগজ্যোতিষ আৰু কামৰূপত বিহু উৎসৱ যদি আছিল কি ৰূপত আছিল তাৰ কোনো সাক্ষ্য প্রমাণ পোৱা হোৱা নাই। কিন্তু কোনো পণ্ডিতে ব'হাগ বিহুৰ নাচ-গান অষ্ট্রিকসকলৰ পৰা অহা বুলি ক'ব খোজে[১৫]। ত্রয়োদশ শতিকাৰ পৰা বৃটিছ আগমনলৈ এই কালছোৱা মধ্যযুগ। ইয়াৰ ভিতৰত পৰিছে নৱবৈষ্ণৱ আন্দোলন তথা শংকৰদেৱৰ কাল। এই সময়ত জন-জীৱনত বিহু উদ্‌যাপিত হ'লেও শুৱচৰিতসমূহত বিহু বিশেষভাৱে সত্র অনুষ্ঠানত উদ্‌যাপিত হোৱাৰ কথা উল্লেখ হোৱা নাই। কিন্তু শংকৰদেৱৰ

---

[১৩] (ক) ব'হাগ : মূল শব্দ সংস্কৃত - বৈশাখ The first month of the Hindu year, April-May হেমকোষ, পৃঃ ৬৮৯

(খ) বৈশাখ : (বিশাখা নক্ষত্র যুক্ত পৌর্ণমাসী + ষ্ণ তদ্যুক্ত কালার্থে)
আশুবোধ অভিধান, পৃঃ ১৬১৫
বিষুৱ সংক্রান্তি, দ্রষ্টব্য : ২

[১৪] সর্বেশ্বৰ ৰাজগুৰু, ইতিহাসৰ পাত মেলি, পৃঃ ১৬৩

[১৫] R M Nath, The Background of Assamese Culture, p 5

কেলিগোপাল নাটত থকা শ্লোকটিলৈ চাই বিহুৰ জনপ্রিয়তা অনুমান কৰিব পাৰি[১৬]। সত্রসমূহত বিহু আড়ম্বৰপূর্ণভাৱে উদ্‌যাপিত হোৱাৰ সঠিক সময় উলিওৱা টান যদিও ৰজাঘৰীয়া পৃষ্ঠপোষকতা পোৱা দিনৰ পৰা সত্রসমূহত বিহু উৎসৱৰ প্রভাৱ পৰে বুলি ঠাৱৰাব পাৰি। ৰজাঘৰীয়া সত্রসমূহত ৰজাঘৰৰ বহুতো ৰীতি-নীতি আৰু উৎসৱ-পর্ব আহি সোমায়হি, ইয়েই ইয়াৰ মূল ভিত্তি। সেইফালৰ পৰা চালে সপ্তদশ শতিকাৰ মাজভাগৰ পৰা সত্রত বিহু উদ্‌যাপনৰ সময় নিৰূপণ কৰিব পাৰি। অসমৰ লোকজীৱনত পালন কৰা বিহু আৰু সত্র অনুষ্ঠানত পালিত হোৱা বিহু উভয়েৰে পার্থক্য আছে। বিশেষকৈ আধ্যাত্মিক শিক্ষাৰ আধাৰ স্বৰূপেহে বিহুৰ পৰম্পৰা সত্রসমূহত ৰক্ষিত হৈ আহিছে। লোক-সমাজত ব'হাগ বিহু উপলক্ষ্যে বিহু নৃত্য-গীত পৰিৱেশন কৰা অপৰিহার্য কথা। বিহুৰ এই নৃত্য-গীতত সাধাৰণতে ডেকা-গাভৰুৰ প্রণয়ৰ কথাই ঘাই ঠাই দখল কৰে। ইয়াৰ লগতে প্রাকৃতিক বর্ণনা, সামাজিক ৰীতি-নীতিৰ কথা সংযুক্ত হৈ থাকে। বিহু নৃত্য-গীতৰ আৰম্ভণিতে গোৱা হুঁচৰিৰ কথাবস্তু আৰু পৰিৱেশ আধ্যাত্মিক ভাৱযুক্ত। সত্রীয়া জীৱনধাৰাত বিহু নৃত্য-গীতৰ একেবাৰেই সংস্পর্শ নাই যদিও বিশেষকৈ গৃহী সত্রসমূহত স্থানীয় ৰাইজে আহি হুঁচৰি গোৱা প্রথা আছে। উদাসীন সত্রত হুঁচৰি গোৱা প্রথাও নাই। সত্রসমূহত বিহুত নৃত্য-গীতৰ পৰিৱর্তে সত্রৰ মূল উদ্দেশ্যৰ লগত খাপ খোৱা তাত্ত্বিক আৰু আধ্যাত্মিক আদর্শযুক্ত নৃত্য-গীত আৰু নাম প্রসঙ্গ প্রৱর্তিত হ'ল। বিহু উৎসৱৰ দিন কেইটাত অত্যুৎসাহেৰে বিহু নৃত্য-গীতৰ বিপৰীতে এনে অনুষ্ঠান উদ্‌যাপিত হয়। সত্র পৰম্পৰাত তিনিওটি বিহু একোটি উৎসৱ আকাৰে উদ্‌যাপিত হৈ আহিছে। ইয়াৰ ভিতৰত ব'হাগ বিহু সত্রভেদে তিনিদিনীয়া আৰু দুদিনীয়াকৈ আৰু মাঘ আৰু কাতি বিহু সকলো সত্রতে এদিনীয়াকৈ পালন কৰে। অৱশ্যে মাঘ বিহু আৰু কাতি বিহুৰ আগৰ দিনকেইটাত আন আচাৰ-অনুষ্ঠান জড়িত হৈ দিন দীঘলীয়া হৈ পৰে। সত্রত বহাগ বিহুক আৰু দুটা নামেৰে পৰিচয় দিয়া হয়, চ'তৰ বিহু আৰু ৰঙালী বিহু। চ'তৰ সংক্রান্তিত অর্থাৎ চ'তৰ শেষ দিনটোত বিহু আৰম্ভ হয় বাবে এই বিহুক চ'তৰ বিহু বুলি কোৱা হয়। ৰং-আনন্দৰ প্রাচুর্যৰ কাৰণে এই বিহুক ৰঙালী বিহু বোলা হয়। বিহু ঘাইকৈ কৃষিভিত্তিক উৎসৱ স্বৰূপে লোক-সমাজে পালন কৰি আহিছে। ব'হাগ

---

১৬ "কুকুৰা কুকুৰা অজাতি কুকুৰা ভুকুৰাই মাৰি যাওঁ তোফ"।
এই বিহু নামটিৰ ৰূপান্তৰ শংকৰদেৱে সন্নিৱিষ্ট কৰিছে ঃ

কুকুৰা আৰাৰয় জানি ৰজনী শেষ
তাহাকো শপয় পুত মাথে।
আজু বৈৰিণী নিশি নিমিষে পুহাৱল
আমাকো তেজয় প্রাণনাথে।। কেলি গোপাল

বিহু কৃষিৰ আৰম্ভণিৰ লগত, কাতি বিহু কৃষিৰ শ্রীবৃদ্ধি কামনাৰ লগত মাঘ বিহু শস্য সংগ্রহৰ লগত জড়িত, এনে বিশ্বাস আৰু ভাবধাৰা সত্রসমূহতো দেখা যায়। সত্রসমূহ পূর্ণ শতাংশ কৃষিকর্মৰ লগত যুক্ত নহ'লেও কৃষি সম্বন্ধীয় বিশ্বাস এই উৎসৱৰ লগত জড়িত হৈ থাকে। সত্রত ব'হাগ বিহু তিনিদিনীয়াকৈ পালন কৰোঁতে তিনিদিনৰ তিনিটা পৰিচয় সত্রত স্বীকাৰ কৰি লয়, (ক) গৰু বিহু, (খ) মানুহৰ বিহু, (গ) ছেৱা বিহু। গৰু বিহু উপলক্ষ্যে গো-সেৱা, মানুহ বিহু উপলক্ষ্যে নৰৱূপী নাৰায়ণক শ্রদ্ধা-সম্মান জনোৱা মুখ্য কথা। এই দুটা দিনৰ নামকৰণ তেনে অর্থতে হোৱা বুলি কোৱা হয়। আনহাতে ছেৱা বিহু শব্দৰ অর্থ এৱা, অন্ত হোৱা অর্থাৎ মুখ্য বিহু পর্বৰ অন্ত পৰিল, এনে অর্থ কৰা হয়। এই তিনিদিন মুখ্য উৎসৱ স্বৰূপে পালন কৰিলেও বিহুৰ আনুষংগিক ক্রিয়াসমূহ ব'হাগ অর্থাৎ গোটেই মাহ ধৰি চলি থাকে। বিহু উপলক্ষ্যে মূলতঃ নামকীর্তন, বিশেষ সেৱা-পূজা, খোৱা-বোৱা, নৱ-বস্ত্র পৰিধান, ক্রীড়া-কৌতুক অনুষ্ঠান আদি বিশেষভাৱে পালন কৰা হয়। বিহু উৎসৱৰ বাবে সত্রৰ বহাসমূহত ১৫/২০ দিনৰ আগৰ পৰা বিহুৰ প্রস্তুতি-পর্ব আৰম্ভ হয়। ইয়াৰ ভিতৰত গো-পূজাৰ সামগ্রী, নৱবস্ত্রৰ যোগাৰ আৰু চিৰা-পিঠা আদি জলপানৰ ব্যৱস্থা চলে। চ'তৰ সংক্রান্তিৰ আগদিনা উৰুকাত বিহুৰ আৱশ্যকীয় উপাদানসমূহ প্রতি বহাত আৰু সত্রৰ ঘাই স্থানসমূহত গোটোৱা হয়। উৰুকাৰ দিনাই নামঘৰ মণিকূটৰ চৌপাশ, ভঁৰাল ঘৰ, পদশিলা ঘৰ, গুৰুগৃহ, হাটীৰ বহাসমূহ নিজা নিজা দায়িত্বত পৰিষ্কাৰ কৰি মচি থ'ব লাগে। লগতে এই স্থানসমূহত ব্যৱহৃত বাচন-বর্তনসমূহ ধুই পৰিষ্কাৰ কৰিব লাগে। বহাবিলাকত ঠাই মচোঁতে গোৱৰ মাটি ব্যৱহাৰ কৰে। কৃষিজীৱী সমাজত গৰুৰ গুৰুত্ব অনস্বীকার্য। গৰু বিহুৰ লগত পালন কৰা লোকাচাৰসমূহৰ মাজত গৰুৰ প্রতি ল'বলগীয়া যত্নৰ ইংগিত সোমাই আছে। সত্রত এই লোকাচাৰৰ লগত সংগতি ৰাখি ধর্মীয় আচাৰ সংযুক্ত কৰা হৈছে। সত্রত গৰুক দেৱতা জ্ঞান কৰি গো সেৱা-পূজা কৰা দেখা যায়। গৰুৰ শৰীৰত সমস্ত দেৱগণ আৰু তীর্থসমূহ অৱস্থান কৰে। সেযে যি ঠাইত গৰু থাকে সেই ঠাই তীর্থতুল্য বুলি খ্যাত[১১]। এনে বিশ্বাসত সত্রস্থসকলে গো-পালনত অধিক গুৰুত্ব দিয়ে আৰু এনে

---

১১ সর্বে দেবা গৱামঙ্গে তীর্থানি তৎপদেষু চ।
তদ্‌গুহ্যেষু স্বয়ং লক্ষ্মীস্তিষ্ঠতোৱ সদা পিতঃ।।
গোস্পাদাক্তমৃদা যোহি তিলকং কুৰুতে নৰঃ।
তীর্থ স্নানতো ভৱেৎ সদ্যো জযস্তস্য পদে পদে।।
গাৱস্তিষ্ঠন্তি যত্রৈৱ তৎতীর্থং পৰিকীর্ত্তিতম।
প্রাণাংস্ত্যক্ত্বা নৰস্তত্র সদ্যোমুক্তো ভৱেদ্ ধ্রুৱম্।।
শ্রীব্রহ্মবৈৱর্ত পুৰাণম্ (আর্য্যশাস্ত্র), শ্রীকৃষ্ণজন্মখণ্ড ২১/৯৫-৯৬, পৃঃ ১০০৮

অর্থতে নতুন বছৱৰ আৰম্ভণিতে গো-সেৱা কৰি সমস্ত দেৱতা আৰু তীর্থস্থানসমূহক স্মৰণ কৰে। গৰুৰ গোৱৰ আৰু মূত্রই অলক্ষ্মী অর্থাৎ দৰিদ্রতা নাশ কৰে বুলি বিশ্বাস কৰা হয়। আনহাতে গো-মূত্র, গোৱৰ, দুগ্ধ, দধি, ঘৃত এই পঞ্চদ্রব্য সংস্কাৰৰ শ্রেষ্ঠ সামগ্রী স্বৰূপে হিন্দুসকলে ব্যৱহাৰ কৰে। সত্রসমূহত এনে বিশ্বাস অধিক প্রকট হোৱা দেখা যায়। লোক জীৱনত প্রচলিত প্রথা অনুসৰিয়েই গো-সেৱা কৰা নিয়ম। গৰু বিহুৰ দিনা গৰু গোহালিতেই গৰুৰ গাত মাহ-হালধি সানি কপালত মাহ-হালধিৰে ফোঁট দি গৰুক পুখুৰী, নদী, বিল, ডোবা আদিলৈ লৈ গৈ তাতেই সেইদিনা ভালকৈ গা ধুৱায়। লগে লগে আগতে তৈয়াৰ কৰি থোৱা লাও, বেঙেনাৰ ছাত[১৮] গৰুৰ গালৈ মাৰি "লাও খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা" ইত্যাদি বচনেৰে গৰুৰ সুস্বাস্থ্য আৰু আয়ুস বৃদ্ধিৰ কামনা কৰে। অৱশিষ্ট ছাত গৰুৰ গোহালিৰ ওপৰৰ ছালত আঁৰি থয়। ইয়াৰ পিছতে মূল গৰুৰ ঠেঙৰ তলেদি পুৰণা পঘা এবাৰ সৰকাই নিয়ে, এই সমুদায় কার্য বহাই বহাই যুৱক আৰু বালক বৈষ্ণৱসকলে সমাধা কৰে। গৰু ঘৰলৈ সন্ধ্যাৰ সময়ত উভতি আহোঁতে মাখিয়তী, দীঘলতি পাতেৰে গৰুক কোবাই আগবঢ়াই আনে। গোহালি মুখত ধানখেৰ, তুঁহগুড়ি, লাইজাবৰি, ভাঙৰ আগ, বিহ্লঙনি আদিৰে জাগ দি মহ-মাখি খেদোৱাৰ নিমিত্তে 'মাখিয়তী মাখিপাত, মাখি মাৰোঁ জাত জাত' আদি কথাৰে গৰুৰ গাত কোব মাৰে। গৰুৰ গাত মাখিয়তীৰ কোব পৰিলে মহ-ডাঁহ, মাখি আদিৰ উপদ্রৱ কমি থাকে বুলি লোকসমাজত বিশ্বাস আছে। নতুন মৰাপাটৰ পঘাত তৰাপাত সংযুক্ত কৰি দিয়ে। নতুন পঘাৰে গৰুক বন্ধাৰ আগতে পঘাডাল মাহ, হালধি, মিঠাতেল সানি নোৱাই লয়। নতুন পঘাত পঘাৰ পাহে পাহে দুৱৰি, তুলসী আৰু ৰঙা কেঁচা সূতা বান্ধি দিয়ে, তাৰ পিছত গৰুৰ গাত লগায়। গৰুক গোহালিত বন্ধাৰ সময়তে লাৱ-পিঠা আদি গৰুক খুৱায়। গো-কার্যৰ অন্তত গৰুক পিঠা-পনা খুওৱাৰ পিছত এই দিনত সন্ধ্যা সময়ত নাহৰ পাতত বাত-বৃষ্টি নিবাৰণৰ কাৰণে শিৱস্তুতি[১৯] লিখি নাহৰ পাত ঘৰৰ দুৱাৰ দাবৰ ওপৰত আঁৰি থয়। গৰু বিহুৰ মূল কার্যসমূহ সেই মতেই শেষ হয় যদিও পুৱাৰ পৰা সেইদিনা নামঘৰত নাম প্রসঙ্গত সকলো বৈষ্ণৱে ভাগ লয়। প্রসঙ্গৰ

---

১৮ বাঁহৰ শলিত থকা ছাতৰ দ্রব্য হ'ল : জাতি লাও, বেঙেনা, টিয়াঁহ, ৰৰঠেকেৰা, হালধি, কেৰেলা। এই দ্রব্যসমূহ টুকুৰা কৰি বাঁহৰ শালিত চিলাই লোৱা হয়। বাঁহৰ শালি দুডলীয়া, তিনিডলীয়া হ'ব পাৰে। গৰুৰ গাত ছাত মৰা অর্থতেই ছাত শব্দ ব্যৱহাৰ হৈছে।

১৯ নাহৰ পাতত লিখা মন্ত্র :
দেৱ দেৱ মহাদেৱ নীলগ্রীৱ জটাধৰ।
বাতবৃষ্টি হৰং দেৱ মহাদেৱ নমো২ স্তুতে।।
শিৱতন্ত্র, বোহিনীবল্লভ গোস্বামী, পৃঃ ২৬

আৰম্ভণিতে এই দিনত বৈষ্ণৱসকলক ভঁৰালৰ সপর্যা দিয়ে। এই সপর্যা হ'ল, বিহুৰ পিঠা-পনা দ্রব্য আৰু নৈৱেদ্য আদিৰ সামগ্রী। পুৱা নাম প্রসঙ্গৰ মাজতে সকলো বৈষ্ণৱে মহাপ্রভু সেৱা, নাম সেৱা, বৈষ্ণৱ সেৱা আৰু গুৰু সেৱা কৰি নির্মালি গ্রহণ কৰে। কমলাবাৰী সত্রকেইখনত এই দিনত কীর্তনঘৰ, আতাৰ গৃহ, পদশিলা স্থান সত্রাধিকাৰ মুখ্য বুঢ়া ভকতৰ চাৰিখন বহাত সেৱাইত বস্তুত সকলোৱে সেৱা সৎকাৰ জনোৱা নিয়ম[১০০]। বিহু পর্বত এই সত্রৰ সত্রাধিকাৰ গৰাকীয়েও চাৰিখন বহালৈ গৈ সেৱাইত বস্তুত সেৱা লয়। ইয়াৰ উপৰি বৈষ্ণৱসকলে চাৰিও হাটীৰ বহাৰ মুখ্যদ্বাৰত সেৱা কৰা নিয়ম[১০১]। পুৱা প্রসঙ্গত বিহু পর্ব উপলক্ষ্যে বিহুৰ তিনিদিন দুটাকৈ কীর্তন দিয়া নিয়ম। কমলাবাৰী সত্রত বিহু উপলক্ষ্যে তিনিটা কীর্তন দিয়ে। সকলো সত্রতে বিহুত বঢ়া ঘোষা, বঢা প্রসঙ্গ থাকে। সেইদৰে অতিৰিক্ত খোল-তালৰ প্রসঙ্গৰ পৰিৱর্তে মণিকূটত বিশেষ গায়নৰ পালাগীত গায়নসকলে পৰিৱেশন কৰে। দিনৰ সবাহত নৈমিত্তিক গায়ন-বায়নৰ প্রসঙ্গ থাকে কাৰণে নিত্য প্রসঙ্গত গায়ন-বায়ন পূর্বৰ দিনৰ দৰে নাথাকে। তিথি-পর্ব উপলক্ষ্যে বৰ নামত বঢ়াঘোষা আৰু নামৰ অন্তত ভাগৱত পাঠৰ শেষত বঢ়া পদ ঘোষা থাকে। পর্বসমূহত পুৱা পদ প্রসঙ্গ নাথাকে কাৰণে পিছত পদ ঘোষা গোৱা নিয়ম। গড়মূৰ সত্রত গৰু বিহু, মানুহৰ বিহু এই দুই দিনত বিশেষ ঘোষা চাৰিটা বা পাঁচটা গোৱা নিয়ম। এই ঘোষাৰ পিছতে এটা কীর্তন দিয়ে, পুৱা নাম প্রসঙ্গৰ সময়তে মণিকূটত দক্ষিণপাট সত্রত বিহু উপলক্ষ্যে নিত্য পূজাৰ অন্তত বঢা পূজা এভাগ থাকে। এই সত্রত এই দিনত গুৰুৰ পাদুকা পূজা কৰাও বিশেষ ৰীতি আছে। নাম-প্রসঙ্গ চলি থাকোতে বৰনাম আৰম্ভ হোৱাৰ লগে লগে সত্রাধিকাৰ নাম ঘৰত প্রৱেশ কৰে। এই সময়তে পুনৰ বৈষ্ণৱসকলেও আহি নামত অংশ লয়। সত্রাধিকাৰগৰাকীয়ে নামঘৰত প্রৱেশ কৰি প্রথমতে নাম ভূমিলৈ প্রণাম জনায়, তাৰ পিছত মণিকূটত প্রৱেশ কৰি দণ্ডৱতেৰে মহাপ্রভুক সেৱা জনাই নামঘৰত বৈষ্ণৱসকলক পৰিক্রমা কৰি নাম, ভকত একত্র সমূহত সেৱা কৰি লাইখুটাৰ ওচৰত থকা নিজৰ আসন গ্রহণ কৰেহি। সেইদৰে সত্রাধিকাৰৰ পিছত থকা আন আন গোসাঁইসকলেও গুৰু, দেৱ, নাম, ভকতক যথাস্থানত

---

[১০০] (ক) চাৰিখন বহা : দ্র., পৃঃ ৫০৩, ৫০৪
(খ) সেৱাইত বস্তু : দ্র., পৃঃ ৫৫, ১৫০
(গ) আতাৰ গৃহ : দ্র., পৃঃ ৪৯৮
(ঘ) পদশিলা স্থান : দ্র., পৃঃ ৪৯৯
নাৰায়ণ চন্দ্র গোস্বামী, সত্রীয়া সংস্কৃতিৰ স্বর্ণৰেখা।

[১০১] কমলাবাৰী সত্রৰ এই নীতি-কথা হৰি বায়ন আৰু বিশ্ব ফুকনৰ পৰা জনা যায়।

সেৱা জনাই নামঘৰত নিজৰ আসনত বহি নাম প্রসঙ্গৰ ভাগ লয়। বঢ়া ঘোষাৰ পিছতেই বৰনামৰ সামৰণি পৰে। নাম সামৰণিত সত্রাধিকাৰ বৈষ্ণৱ তথা সমূহ শিষ্য-প্রশিষ্যক নতুন বছৰ সর্বপ্রকাৰ শুভ হোৱাৰ নিমিত্তে নিত্য আশীর্বাদৰ লগতে তেনে বিশেষ আশীর্বাদ, বৰ আশীর্বদীয়াই প্রদান কৰে। হৰি-ধ্বনিৰ সমৰোলৰ পিছত ডৱা, তাল বজাই পুৱা নামৰ সামৰণি ঘোষণা কৰে। লগে লগে সত্রাধিকাৰ নিজৰ পূজা গৃহলৈ আৰু বিষয় বাব নথকা বৈষ্ণৱসকল নিজৰ নিজৰ বহালৈ যায়। এইখিনি সময়ত নামঘৰত বাগীশৰ দ্বাৰা ভাগৱত পাঠ আৰম্ভ হয় যদিও ইয়াৰ মাজতে বিষয়-বাব থকা প্রসঙ্গীয়াসকলে গুৰুৰ পূজা গৃহলৈ গৈ নির্মালি আৰু গুৱা গ্রহণ কৰে। বিহু উপলক্ষ্যে ডেকা, গোৰিন্দপুৰীয়া আৰু সত্রৰ মুখ্য বিষয়ৱবীযাসকলেও খনিয়া নির্মালি গুৰুৰ পৰা গ্রহণ কৰে। এনে নীতি আউনীআটী সত্রৰ বিশেষ পৰম্পৰা। দক্ষিণপাট সত্রত নির্মালি লোৱা কার্য নামঘৰত হয়। পুৱা নাম গোৱাৰ লগে লগে সত্রাধিকাৰ আৰু ডেকা দুয়ো গৰাকীকে ভকতসকলে দুখনকৈ নির্মালি শৰাইত লৈ গৈ দিয়া নিয়ম। তাৰে এখন নিজলৈ ৰাখি আনখন সত্রাধিকাৰ আৰু ডেকা উভয়ে নির্মালি দিওঁতা ভকতক প্রদান কৰে। ডেকা গৰাকীয়েও সত্রাধিকাৰক এই ক্রমেৰে নির্মালি দি গ্রহণ কৰা নিয়ম। গড়মূৰ সত্রত নামৰ অন্ততে ভাগৱত পাঠৰ শেষত সত্রাধিকাৰ গৰাকীয়ে নৱবর্ষৰ শুভাশুভ ফল নামঘৰত শুনায়। পুৱা ভাগৱতৰ পিছত হোৱা পাল নামৰ লগে লগেই পুৱাৰ নাম প্রসঙ্গৰ সামৰণি পৰে। এই সময়তে সকলোৱে নিজৰ নিজৰ বহাত লঘু আহাৰ গ্রহণ কৰে। বিহুৰ চিৰা-পিঠা এই আহাৰৰ মুখ্য সামগ্রী। বিহু উপলক্ষ্যে ব্যৱহাৰ কৰা সত্রৰ পিঠা- জলপান এনে ধৰণৰ — দৈ, চিৰা, আখৈ, মুড়ি, পিঠা-গুড়ি, সান্দহ গুড়ি, তিলপিঠা, খোলা চাপৰিয়াপিঠা, ফেনিপিঠা, সুতলিপিঠা, ৰৰপিঠা, ঘিলাপিঠা, নাৰিকল পিঠা, তিলৰ লাডু, নাৰিকলৰ লাডু আদি। গৰুবিহু আৰু মানুহৰ বিহু দুয়োদিনাই পাকপত্র বর্জন কৰি বিহুৰ পিঠা-পনা জলপান আদি সকলোৱে ব্যৱহাৰ কৰে[১০২]। মুখ্য বিহুৰ তিনিদিন আৰু তাৰ পিছতো কেইবা দিনলৈকো ধৰি ইখন-সিখন বহাৰ মাজত নিমন্ত্রণী খোৱা-লোৱাৰ আদান-প্রদান থাকে। গৰু বিহু আৰু মানুহ বিহু দুই দিনতে মান্যজনক সেৱা কৰাৰ নিয়ম আছে। সত্রৰ মান্য ব্যক্তি আৰু ৭/৮ জনেৰে একোখন বহা হৈ থকা বহাৰ মুৰৰীক বহাখনৰ আটায়ে সেৱা সৎকাৰ কৰাৰ বিশেষ নিয়ম আছে। সেইদৰে নাম লগোৱা পাঠক, ওজা, গায়ন-বায়ন আদিৰ মুৰৰবী

---

১০২ সত্রীযা সংস্কৃতিৰ স্বর্ণৰেখাত শ্রীনাৰায়ণ চন্দ্র গোস্বামীয়ে যদিও লিখিছে ব'হাগ বিহুত চুঙা চাউল, পোৱা-পিঠা, আলু আদি খোৱা হয়, কিন্তু সাধাৰণতে মাঘ বিহুতহে চুঙা-চাউল, পোৱা-পিঠা, আলু খোৱা নিয়ম। পৃঃ ১৪৩

শিক্ষাদাতাসকলকো শিকাৰু[১০৩] জনে নিজ নিজ বহালৈ গৈ অন্ততঃ তামোল এখন দি বিহু উপলক্ষ্যে সেৱা সৎকাৰ কৰে। সেই সময়ত শিক্ষাদাতা জনেও শিকাৰুসকলক আশীর্বাদ প্রদান কৰে। সেইমতে পুত্রৱৎ ভাবেৰে সকলোৱে মিলি বহা বিলাকত খোৱা-লোৱাও কৰে। এইদৰে খোৱা-লোৱাৰ পিছত গৰু বিহুৰ দিনাই ৰঙালীৰ ৰঙৰ উপলক্ষ্যে বহাবিলাকৰ পিৰালিত পছিঢাল পাতি পছি খেল আৰম্ভ কৰে। এই খেলত কাঠৰ ৮ টা গুটি আৰু ৬ টা কড়ি মূল সামগ্রী। একোখন খেলত ৩০/৩২ জন পর্যন্ত লোকে একেলগে খেলত অংশ গ্রহণ কৰে। এই পছি খেল গোটেই মাহ জুৰি চলি থাকে[১০৪]। বিহুৰ উপলক্ষ্যে বয়স অনুপাতে বিবিধ খেল খেলা সত্রত ৰীতি আছে। আগতে পছিৰ উপৰিও পাশা, বাঘ-গৰু, মঙ্গলপাত, হৈ-গুদু, ধৰা-গুদু, বৌ-গুদু, ভটাগুটি, টাংগুটি, খলিগুটি, টেকেলী ভঙ্গা, বাঘমণি, ঢোপ খেল আদি খেলৰ ব্যৱহাৰ আছিল। সত্রত খেলা এই খেলসমূহৰ নাম সর্বেশ্বৰ ৰাজগুৰুৱে 'ইতিহাসৰ পাত মেলি' গ্রন্থত উল্লেখ[১০৫] কৰিছে। বর্তমানে সত্রত ওপৰত উল্লেখ কৰা আটাইবোৰ খেলৰ প্রচলন নাই যদিও পছি, পাশা আৰু বাঘ-গৰু, মঙ্গলপাত, গুদু আদি খেলৰ প্রচলন এতিয়াও আছে। এইদৰে খেল খেলি থকাৰ মাজতেই নাম লগোৱাই যেতিয়া নামঘৰত তালেৰে হিয়ানামৰ জাননী দিয়ে, তেতিয়াই সকলোৱে খেল সামৰি শুদ্ধ সত্বভাৱেৰে নামঘৰলৈ গৈ নামত অংশ গ্রহণ কৰে। হিয়ানামৰ অন্তত তালেৰে সৈতে মান দিয়ে। আউনীআটী সত্রত প্রচলিত এই মান বিশেষ উৎসৱ উপলক্ষ্যে দিয়া হয়। কমেও ৫০/৬০ যোৰ তাল লৈ নৃত্য ভঙ্গীযুক্ত হৈ ঘুৰি ঘুৰি এই নাম গায়। এই নামৰ অর্থ হ'ল, সম্মানসূচক বঢ়া প্রসঙ্গ। হিয়ানামৰ শেষত এক বৈশিষ্ট্যপূর্ণ ৰীতিৰে গোৱা প্রথাকে মান বোলে। ই তিথি বা পর্বৰ নির্দিষ্ট উপলক্ষ্যক বিশেষভাৱে চিহ্নিত কৰাৰ ব্যৱস্থা। মান ঘাইকৈ দুবিধ বহা মান আৰু থিয় মান। ব'হাগ বিহুৰ তিনিও দিনতে, মাঘ বিহু আৰু কাতি বিহুত মূল বিহুৰ দিন দুটাত থিয় মান, একাদশী, জন্মাষ্টমী আদি তিথিত ৰাতি বহামান দিয়ে। থিয় মানৰ সুকীয়া-সুকীয়া পৰিচয় আছে। তাৰ ভিতৰত ঔবখলীযা, ঔবুৰি, চিতল মুৰি, শালিকী

---

[১০৩] শিকাৰু জনক আউনীআটী সত্রত 'ছাতৰ' আখ্যা দিয়ে আৰু শিকাওঁতা জনক 'ওষ্টাদ্' বুলি পৰিচয় দিয়া হয়।

[১০৪] দহ বা পছিৰে গুটি গজোৱা নিয়ম। কাৰোবাৰ হাতত খেল শেষ হোৱালৈকে এবাৰো ১০-২৫ নপৰিলে তেওঁক অশুচি বুলি ধৰা হয়। বছৰৰ আৰম্ভণি দিনত খেলত তেনে অৱস্থা হ'লে বছৰটোলৈ তেওঁৰ অশুভ হোৱাৰ ইঙ্গিত দিয়ে বুলি সাধাৰণ বিশ্বাস আছে। পছিখেলত ঘাৰ লাগি থকা অর্থাৎ ঢালৰ শেষ ঘৰত মুৰামুৰি সংখ্যাৰে কড়িৰ সংখ্যা আৱদ্ধ থাকিলে তাক 'ঘাৰ লগা' বুলি কোৱা হয়। এই খেলত খোৱা-লোৱাৰ পণ ৰাখিযো খেল খেলে।

[১০৫] সর্বেশ্বৰ ৰাজগুৰু, ইতিহাসৰ পাতমেলি, পৃঃ ১৭১

জাপ আদি উল্লেখযোগ্য। এই শব্দবিলাকৰ নামকৰণ তেনে ধৰণৰ ভঙ্গী দি নাম গোৱা কাৰণে তেনেদৰে ব্যৱহাৰ হৈছে। ব'হাগ বিহুৰ তিনিদিনত উল্লিখিত দুখন বা তিনিখনঁ থিয়মান দিয়ে। মানৰ পিছতেই দিহা আৰম্ভ হয়। বিহুৰ তিনিদিন ধৰা-বন্ধা দিহা থাকে। এইদৰে দিহাৰ অন্তত সত্রৰ ওপৰ দেউসকলৰ[১০৬] আৰু বর্তমান সত্রৰ সত্রাধিকাৰক আশীর্বদীয়াই আশীর্বাদ দিয়ে। এই আশীর্বাদত সত্রাধিকাৰে সেৱা জনোৱাৰ লগে লগে ডেকা আৰু গোৰিন্দপুৰীয়ায়ো সেৱা জনায়। সত্রাধিকাৰৰ দুবাৰ আৰু ডেকাৰ আশীর্বাদ এবাৰ সুকীয়াকৈ থাকে। বিহু উৎসৱ-পর্ব উপলক্ষ্যে আউনীআটী সত্রৰ গোৰিন্দপুৰীয়াৰো সুকীযা আশীর্বাদ থাকে। তাৰ পিছতে সমুহ বৈষ্ণৱ আৰু ৰাইজৰ আশীর্বাদ থাকে। যি কোনো পর্ব-উৎসৱ উপলক্ষ্যে দিনৰ সবাহত আশীর্বাদ বচনৰ লগে লগে ডবা ঘৰীয়াৰ ডবাৰ বোল বাজি উঠে। হৰিধ্বনিৰ লগে লগে ডবাত কোব পৰা সময়ত নামঘৰত এক গহীন আৰু অতি পৱিত্র ভাবৰ সমাৱেশ ঘটে। ডবা কেৱল প্রয়াত আৰু বর্তমান স্থিত সত্রাধিকাৰৰ আশীর্বাদতহে বজাব পাৰে। আশীর্বাদৰ অন্তত গায়ন-বায়নৰ প্রসঙ্গ আৰম্ভ হয়। গায়নৰ ৰাগৰ অন্তত বৰবাযনে খোলৰ ঘাতেৰে[১০৭] সমজুৱাক দুবাৰ পৰিক্রমা কৰাৰ পিছত গায়ন-বায়ন থকা স্থানৰ পৰা আগলৈ আহি মহাপ্রভুৰ সম্মুখত ঘাত মাৰি বৰবায়নে সেৱা কৰে। সেই অনুক্রমে সত্রাধিকাৰ আৰু ডেকা জনাকো গুৰু ঘাত বজাই এই সম্মান জনায়। আউনীআটী সত্রৰ গোৰিন্দপুৰীয়াকো এই সম্মান জনোৱাৰ ৰীতি আছে। মানুহ বিহুৰ দিনা এই সত্রত সাতমানভগীয়া সকলকো বায়নে খোলৰ চাপৰ বজাই সম্মান জনায়। কোনো কোনো সত্রত গায়ন-বায়ন চলি থাকোঁতেই কোনো সত্রত ওজা প্রসঙ্গৰ শেষত প্রসাদ বিতৰণ কৰে। প্রথমতে সত্রাধিকাৰ, তাৰ পিছতে সম্মানিত ব্যক্তিসকলক আৰু নামঘৰত থকা সকলোকে প্রসাদ বিতৰণ কৰে। গৰু বিহুৰ দিনা গায়ন-বায়নৰ লগত নটুৱা নাচ থাকে। নটুৱা নাচত এটি গীত গোৱা অপৰিহার্য। গায়ন-বায়ন আৰু নটুৱা নাচৰ অন্তত ওজাপালি পৰিৱেশন কৰা হয়। উজনি অসমৰ সত্রীয়া ওজাপালিত মূল ওজাজনেহে অভিনয়-সূচক নৃত্য পৰিৱেশন কৰে। পালিসকলে কেৱল ভৰিৰে তাল ধৰি খুঁটিতাল বজাই ৰাগ, শ্লোক, গীত-পদ আদি দোহাৰি যায়। ওজা প্রসঙ্গৰ পিছতেই গৰু বিহুৰ আনুষ্ঠানিক কার্য শেষ হয়। কমলাবাৰী সত্রত পুন্না নাম প্রসঙ্গৰ অন্তত চৰিত পুথিৰ পিছত বিহু উপলক্ষ্যে বৰ দুহৰীয়া আৰু সৰু দুহৰীয়া গায়ন-বায়নসকলে ধেমালি আৰম্ভ কৰে[১০৮]। তাৰ পিছতে গায়নসকলে 'পৰভাতে

---

১০৬ ওপৰ দেউসকল ঃ প্রয়াত সত্রাধিকাৰক বুজোৱা হয়।

১০৭ ঘাত ঃ এক নির্দিষ্ট খোলৰ বোলেৰে সম্মানার্থ স্থানত বাজনা বজাই সম্মান জনোৱা কার্য।

১০৮ নাৰায়ণচন্দ্র গোস্বামী, সত্রীয়া সংস্কৃতিৰ স্বর্ণৰেখা, তৃতীয় খণ্ড, পৃঃ ১৪৩

শ্যাম কাণু ধেনু লৈয়া সঙ্গে' গীত সম্পূর্ণ কৰাৰ লগে লগে দিনৰ বিহুবৰীয়া কার্য শেষ হয়। গৰু বিহুৰ দিনাৰ গৰুৰ লগত যুক্ত আচাৰ-অনুষ্ঠান বাদ দি বাকীখিনি নিয়ম মানুহ বিহুৰ দিনাও সত্রত একেদৰেই পালিত হয়। এই দিনৰ কেইটামান অৱশ্যে সুকীয়া বৈশিষ্ট্য আছে। মানুহ বিহুৰ দিনা পুৱাতেই বোকাখেল আৰম্ভ হয়। আউনীআটী সত্রত এই বোকা খেলৰ বিশেষ পৰম্পৰা আছে। ল'ৰাৰ পৰা বুঢ়া পর্যন্ত সকলোৱে বোকা খেলত ভাগ লয়। অৱশ্যে বর্তমান বিশেষভাৱে ল'ৰা আৰু ডেকাৰ মাজতহে বোকাখেল আৱদ্ধ থকা দেখা গৈছে। ফাকুৱাৰ দৰেই এই খেল আৰম্ভ হয়। এই বোকা চোতালত আৰু পথাৰত গোবৰপানীৰে সৈতে প্রস্তুত কৰে। প্রথমে এজন বা দুজন বহাৰ পৰা ওলাই ইজনে সিজনক উলিয়াই আনি গাত বোকা সানি দিয়ে। কোনোবাই ইচ্ছা নকৰিলে বলপূর্বক আনি তেওঁক বোকাৰে লুতুৰি-পুতুৰি কৰে। সহজতে নহাজনক বিচাৰি আনি বোকা সনাটোৱেই এই খেলৰ আমোদ। সম্পূর্ণৰূপে বোকাত লুটিওৱাজনক 'নোওৱা' বুলি কোৱা হয়। এই বোকা খেলৰ সৃষ্টি অৱশ্যে কেতিয়া হৈছিল তাৰ সঠিক সময় নিৰূপণ কৰিব পৰা নাই। বোকাখেলৰ সাধাৰণতে দুটা তাৎপর্যৰ কথা পোৱা যায়। ইয়াৰে প্রথমটো হ'ল, প্রবাদ আছে যে মহাবিষুব সংক্রান্তিত বোকাৰ প্রলেপ যদি মানুহৰ গাত পৰে তেন্তে গাৰ চর্ম ৰোগ নাইকিয়া হয়। এই বোকাত গোবৰ মিহলি হৈ থাকে। গোবৰ মিশ্রিত বোকা বীজানুনাশক বুলি লোক-জীৱনত বিশেষকৈ সত্রীয়া জীৱনত বিশেষ বিশ্বাস আছে। গোবৰ মাটিৰে ঠাই মচা কথাই ইয়াৰ প্রায়োগিক বিশ্বাস আনে। ইয়াৰ লগতে আধ্যাত্মিকভাবৰ পৰিত্রতাৰ কথাও জড়িত হৈ আছে। আনটো তাৎপর্য হ'ল বোকা প্রস্তুত কার্যই কৃষিৰ বাবে কৃষি ক্ষেত্র উর্বৰা কৰাৰ আভাস দিয়ে। কৃষি ক্ষেত্র বীজ সিঁচাৰ আগত উর্বৰা কৰি লোৱা হয়। বোকাখেলৰ বর্তমান গুৰুত্ব যিয়েই নাথাকক লোকপৰম্পৰা অনুসৰি বর্তমানো সত্রত বোকা খেলৰ প্রচলন হৈ আছে। গাঁও সমাজতো এই খেলৰ ঠায়ে ঠায়ে এই দিনত প্রভাৱ থকা কথাই লোক জীৱনৰ আচাৰৰ কথাকেই সোঁৱৰাই দিয়ে।

বোকা খেলৰ অন্তত সকলোৱে বোকা ধুই, গাত মাহ-হালধি সানে। কোনো সত্রত এদিন, কোনো সত্রত বিহুৰ তিনিদিনেই সত্রৰ ভঁৰালৰ পৰা মাহ-হালধি গাত সানিবৰ বাবে প্রতি বহাতে যোগান ধৰে। কেঁচা হালধি, মাটিমাহ আগদিনাই তিয়াই থৈ পিছদিনা পটাত পিহি মিঠাতেলৰ লগত মিশ্রণ কৰি সানিবলৈ দিয়া হয়। মাহ-হালধি সানিলেও গাৰ চর্মৰোগ নাশ হয়। এনে বিশ্বাসতে সকলোৱে মূল বিহুৰ তিনিদিন পুৱা গা-ধোৱাৰ আগতে মাহ-হালধি সানে। মাহ-হালধি সনা কার্যই বছৰটোলৈ সংস্কাৰ হোৱাৰ কথাও সূচায়। উপনয়ন, বিবাহ আদিৰ সময়তে সেই দিনা যিদৰে নোওৱা হয় সেইদৰে নতুন বছৰৰ আৰম্ভণিৰ দিনা প্রত্যেকেই এনে

আচাৰ পালন কৰি সংস্কাৰী জীৱনৰ শুভাৰম্ভ কৰে বুলি ভাবিবৰ থল আছে। মাহ-হালধি যোগান ধৰাৰ লগত পূর্বতে সত্রসমূহত সর্বশুদ্ধি দিয়াৰ ব্যৱস্থাও আছিল। এই সর্বশুদ্ধিত হালধি, মিঠাতেল মূল সামগ্রী যদিও আৰু দুই-এপদ সামগ্রী মিহলাই সর্বশুদ্ধি প্রস্তুত কৰে। সর্বশুদ্ধি প্রস্তুত কৰে সত্রৰ নির্দিষ্ট গণকে। বিশেষকৈ ৰজাই পাতি দিয়া সত্রসমূহত নির্দিষ্ট পুৰোহিত আৰু একোঘৰ দৈৱজ্ঞ বা গণকৰ ঘৰ থাকে। দৈৱজ্ঞই বিহুত সর্বশুদ্ধি দিয়াৰ উপৰিও গৰু বিহুৰ দিনা দৈৱজ্ঞই প্রত্যেক বহালৈ গৈ সত্রাধিকাৰ প্রমুখ্যে বৈষ্ণৱ সকলক ভাগ্যচক্র গণনা কৰি শুনায়। গড়মূৰ সত্রত বর্তমান সত্রাধিকাৰগৰাকীয়ে নাম ঘৰতে বর্ষ চক্রৰ কথা শুনায় যদিও পূর্বতে সত্রসমূহত দৈৱজ্ঞই আহি বর্ষচক্র আৰু ভাগ্যচক্র গণনা কৰি শুনোৱাৰ নিয়ম আছিল। কিবা অশুভ সূচনা থাকিলে সামূহিকভাৱে সত্রৰ মঙ্গলৰ অর্থে প্রতিকাৰ কৰিবলৈ দৈৱজ্ঞই সত্রাধিকাৰগৰাকীক বিধান দিয়ে। সেইমতে সত্রাধিকাৰগৰাকীয়ে সামূহিক প্রতিবিধানৰ কার্য কৰে। ব্যক্তিগত কাৰোবাৰ প্রতিবিধান থাকিলে দৈৱজ্ঞৰ নির্দেশ মতে ব্যক্তি বিশেষে কার্য কৰে[১০৯]। এই বিহুৰ দিনা বোকাখেল খেলাৰ পিছত গা-ধুই বিহুৰ দিনাৰ দৰেই নামঘৰলৈ গৈ গুৰু, দেৱ, নাম, ভকতত সেৱা জনাই মহাপ্রভুৰ নির্মালি আৰু পদজল গ্রহণ কৰে। তাৰপিছত বহালৈ আহি জলপান খোৱাৰ আগত মচুৰ মাহ আৰু নিমপাত খায়[১১০]। মচুৰ মাহ আৰু নিমপাত খোৱাৰ বিশ্বাস হ'ল, দুটামান মচুৰ মাহ আৰু তিনিটাকৈ নিমপাত মিহলাই খালে তক্ষকে দংশন কৰিলেও শৰীৰত বিষ প্রৱেশ কৰিব নোৱাৰে। সেয়ে বহুৰৰ আৰম্ভণিতে লোকবিশ্বাস অনুসৰি এই ঔষধ সকলোৱে ব্যৱহাৰ কৰে। কোনো কোনোৱে গৰু বিহু, মানুহৰ বিহু, ছেৱা বিহু তিনিও দিনতেই এই ঔষধ সেৱন কৰে। মানুহ বিহুৰ দিনা পিঠা, পৰমান্ন, ভোগ ঘৰতে তৈয়াৰ কৰি মহাপ্রভুৰ চৰণত নিৱেদন কৰাৰ বিশেষ প্রথা আছে। বিহু উপলক্ষ্যে তিনিদিন মহাপ্রভুৰ নৈৱেদ্য বিশেষভাৱে দিয়া হয়। মহাপ্রভুত উচর্গা কৰাৰ লগতে মণিকূটৰ পৰা পূর্বতে বৈষ্ণৱসকলক বৰপিঠা দিয়া নিয়ম আছিল। এই পিঠা কোনো সত্রত মিঠৈ বন্ধাই তৈয়াৰ কৰি দিয়ে আৰু বৰপূজাৰীয়ে বিলাই দিয়া নিয়ম। এই

---

[১০৯] বর্তমানে সত্রসমূহত গণকীযা ঘৰৰ সম্বন্ধ নোহোৱা হৈ অহাত এনে ৰীতিৰ কিছু পৰিৱর্তন ঘটিছে। কোনো কোনো সত্রত বর্ষচক্র ফল শুনোৱা কর্ম সত্রৰ বিজ্ঞ ব্রাহ্মণ বৈষ্ণৱসকলে কৰা দেখা যায়।

[১১০] মসূৰং নিৰপত্রঞ্চ যো'ত্তি মেষগতে ৰবৌ।
অপি ৰোষান্বিতস্তস্য তক্ষকঃ কিং কৰিষ্যাতি।।
দ্র ব্যৱহাৰ দর্পণ, সংগৃহিত ও অনূদিত, মহীৰাম দেৱৰিদ্যাৰত্ন, পৃঃ ২০৩

বিহুৰ দিনত এটি বিশেষ বৈশিষ্ট্য হ'ল নৱবস্ত্র পৰিধান। বছৰৰ আৰম্ভণিতে প্রকৃতিৰ দৰে মানুহেও ন-সাজ পৰিধান কৰে। সত্রৰ পিন্ধনৰ ক্ষেত্রত চুৰিয়া, কুৰুতা, চেলেং, খনিয়া কাপোৰ আৰু গামোছা আদিয়েই প্রধান। ইয়াৰ বাহিৰেও সত্রৰ মুখ্য স্থানসমূহতো নৱ-বস্ত্র ব্যৱহাৰ কৰা হয়। ইয়াৰ ভিতৰত মণিকূট গৃহত মহাপ্রভুৰ প্রত্যেক আসনতে নতুন বস্ত্র দিয়া হয়। সেইদৰে ভঁৰালত থকা আসন, ভাগৱতৰ স্থান, পদশিলা ঘৰৰ বস্ত্র সকলোতে নতুন বস্ত্র সলনি কৰি দিযা নিযম। সত্রৰ মূল ভঁৰালৰ পৰা এই বস্ত্র যোগান ধৰা হয় যদিও সত্র ভেদে এনে যোগান ব্যৱস্থাৰ কিছু তাৰতম্য আছে। পুৱা নাম প্রসঙ্গত নামত থকা বৈষ্ণৱসকলক গুৱাকটা আৰু বৰ আলধৰা যোগেদি একোখনি গুৱা দিয়াৰ ব্যৱস্থা থাকে। গুৱাৰ এনে গুৰুত্বৰ বাবে সত্রাধিকাৰে প্রসঙ্গীয়াসকলক গুৱা[১১১] দিয়া আৰু বিহু উৎসৱত গুৱাখনেৰে নামঘৰত ভকত বৈষ্ণৱক সম্ভাষণ জনোৱা সত্রৰ বৈশিষ্ট্যপূর্ণ ৰীতি। দুপৰীয়া সবাহত নিত্য প্রসঙ্গৰ পিছত এই দিনত গায়ন-বায়ন আৰু নটুৱা নাচৰ বিশেষ আয়োজন কৰা হয। আউনীআটীত এই দিনত ঢোলকৰ বাজনাৰে বজোৱা অঙ্গৰা নৃত্য সবাহত পৰিৱেশন কৰা হয়। গায়ন বায়নৰ এই ঢোলকৰ নৃত্যত ৪/৫ টাৰ পৰা ১০ টা পর্যন্ত গীত থাকে। ইয়াক পালাৰ গীত বুলি কোৱা হয়। অঙ্গৰা নৃত্যৰ অসুবিধা হ'লে কেতিযাবা এই বিহুত ৰজাঘৰীযা চালি নাচ দেখুওৱাৰ ব্যৱস্থাও আছে। কমলাবাৰী সত্রত পুৱা নাম প্রসঙ্গৰ অন্তত গায়ন-বায়ন আৰম্ভ কৰে আৰু বিহাৰ নাচ নচুৱায়। ইযাৰ পিছত দিনৰ ভাগত আন অনুষ্ঠান নাথাকে। ৰাতি ভাওনা হয, সুবিধা অনুসৰি[১১২]। আউনীআটী, গড়মুৰ আদিত দিনৰ ওজাপালি অনুষ্ঠানৰ লগে লগে নামঘৰত সেইদিনাৰ বিহুৱৰীয়া কার্যৰ অন্ত পৰে। ছেৱা বিহুৰ দিনা বিহু উপলক্ষ্যে নাম প্রসঙ্গ আৰু দিনৰ সবাহৰ ক্রম আগৰ দুদিনৰ দৰে একেদৰেই থাকে। অৱশ্যে যি সত্রত এই উৎসৱ তিনিদিনীয়াকৈ পালিত হয় সেই সত্রত এই নীতি থাকে। মাজুলীৰ আউনীআটী আৰু বেঙেনাআটী সত্রত এই উৎসৱ বর্তমানেও তিনিদিনীয়াকৈ বিশেষ নাম প্রসঙ্গৰে উদ্‌যাপন কৰা হয়। দক্ষিণপাট সত্রত ব'হাগ বিহু এদিনীয়াকৈ অর্থাৎ সংক্রান্তিৰ দিনাই মূলতঃ উৎসৱ

---

[১১১] গুৱা দুবিধ- গোটা গুৱা, খনিয়া গুৱা। সাধাৰণতে শৰাইত কেৱল তামোল-পাণ দি বিশেষ কথা জনাওঁতে বা দায়-দণ্ড ভাঙ্গোতে গোটা তামোল-পাণ দিয়া নিয়ম। ইয়াক গুৱা-পাণৰ শৰাই বুলি কোৱা হয়। কাটি থুৰিযাই দিলে খনিয়া গুৱা বুলি কোৱা হয়। প্রসঙ্গীয়া বৈষ্ণৱক দিওঁতে খনিযা গুৱা ব্যৱহাৰ কৰে।

[১১২] নাৰায়ণ চন্দ্র গোস্বামী, পূর্বোল্লিখিত, পৃঃ ১৫০

আকাৰে পালন কৰা হয। গড়মুৰ সত্রত গৰু বিহু আৰু মানুহৰ বিহু এই দুই দিনত বিহুৰ উৎসৱপূর্ণ অনুষ্ঠান অনুষ্ঠিত হয়। বেঙেনাআটী সত্রত ছেৱা বিহুৰ দিনা সত্রসমূহতো খোৱা-লোৱাৰ ক্ষেত্রত লোক-জীৱনৰ বিশেষ পৰম্পৰা অনুসৰণ কৰা হয়। এই দিনা দুপৰীয়া ৰন্ধা-বঢ়াৰ ব্যৱস্থা কৰা হয়। দুপৰীয়া ভোজনত দৈ-পঁইতা, তিতা-কেৰেলা এই দিনত খালে বছৰেকলৈকে শৰীৰ শীতল পৰি থাকে বুলি লোক-বিশ্বাস আছে। এই বিশ্বাসৰ ভিত্তিতে আৰু এটি কার্য কৰা হয়, খোৱা অৱস্থাত বিচনীৰ বতাহ লোৱা হয়। গৃহস্থীৰ ঘৰত হ'লে মাকে বিচনীৰে খোৱাৰ পাততে থকা সকলোকে বিচি দিয়া নিয়ম। উদাসীন সত্রসমূহত বহাৰ বুঢ়া বা মেধিগৰাকীযে সকলোকে তাল পাতৰ বিচনীৰে বিচি এই ক্রম ৰক্ষা কৰে। অসমীযা লোকে এই দিনটিৰ পৰাহে বিচনীৰ বা ল'ৰলৈ আৰম্ভ কৰে। ইয়াৰ আগত বিচনী ব্যৱহাৰ নকৰে। সত্রসমূহত এতিয়াও এই নিয়ম মানি চলি আহিছে। অৱশ্যে মাজুলীৰ বিহিমপুৰ সত্রত ছেৱা বিহুৰ পিছদিনা গোসাঁই বিহু পালন কৰে; এই সত্রত সেইদিনাহে সন্ধ্যা খোল প্রসঙ্গৰে মহাপ্রভুক বিচনীৰ বা দিয়াৰ পিছত আনসকলে বিচনী ব্যৱহাৰ কৰে। ছেৱা বিহুৰ দিনা গধূলিলৈ এশ সাত শাকৰ আঞ্জা তৈয়াৰ কৰি খোৱাৰ নিয়ম সত্রতো আছে। যিহেতু এই এশ সাতবিধ শাকত তিতা, টেঙা, কেঁহা, জ্বলা আদি ষড়ৰস মিহলি·হৈ থাকে, ই ঔষধি গুণ বিশিষ্ট। লোক পৰম্পৰাত বিশ্বাস যে এশ সাতবিধ শাকৰ আঞ্জা এই দিনত খালে বছৰেকলৈ শৰীৰ ৰোগমুক্ত হৈ থাকে। এইদৰেই সত্রসমূহত বিহুৰ তিনিদিনৰ আনুষ্ঠানিক আৰু মূল আচাৰ-নীতি কার্যৰ অন্ত পৰে।

দেখা গৈছে সত্রত উদ্‌যাপিত বিহু উৎসৱৰ লোকাচাৰসমূহ অসমৰ লোক জীৱনৰ পৰম্পৰা, বিশ্বাস আৰু সংস্কাৰৰ পৰাই উদ্ভৱ হৈছে। অসমৰ লোক-জীৱন কৃষি-ভিত্তিক জীৱন। তদুপৰি বিভিন্ন নৃ-গোষ্ঠীৰ সংমিশ্রণত এক ঐতিহাসিক পৰিক্রমাৰ মাজেদি গঢ় লোৱাৰ ফলত বিশ্বাস আৰু সংস্কাৰৰো মিশ্রণ ঘটিছে। প্রকৃত জীৱন আৰু মানুহৰ ব্যক্তিগত আৰু সামাজিক জীৱন তথা অর্থনৈতিক জীৱনৰ মাজৰ পৰাই মানুহে বিশ্বাস, অভিজ্ঞতা, কামনা আৰু কল্পনাৰে গটি তুলিছে ইয়াৰ মিশ্রিত সংস্কৃতি। বিহু এনে মিশ্রিত সংস্কৃতিৰে প্রতিফলক হৈ পৰিছে। ধর্ম প্রচাৰৰ কেন্দ্রস্থল সত্রসমূহ এই জন-জীৱনৰ পৰা পৃথক নহয়। সেয়েহে সত্রসমূহে জন-বিশ্বাস আৰু লোকাচাৰসমূহকো আধ্যাত্মিক আৰু ধর্মীয় মর্যাদাৰে নতুন মাত্রা দি লৈছে। তাকে কৰোঁতে হোৱা গ্রহণ-বর্জনৰ প্রক্রিয়াই সত্রত উদ্‌যাপিত বিহুক নিজস্ব ৰূপ দিছে।

২. (খ) কাতি বিহু

বছৰৰ বাৰ মাহৰ ভিতৰত কাতি মাহ হ'ল সপ্তম মাহ। 'কাতি' শব্দৰ মূল হ'ল সংস্কৃত কার্তিকিক[১১৩]। কার্তিকিকৰ পৰা উদ্ভৱ হোৱা শব্দটো কার্তিক। কাতি মাহত পূর্ণিমা, কৃত্তিকা নক্ষত্রযুক্ত হোৱাৰ কাৰণে এই পূর্ণিমাক কার্তিকী পূর্ণিমা বুলি কোৱা হয়। কার্তিকী পূর্ণিমাযুক্ত মাহ এই অর্থত কার্তিকিক হৈছে। ভাৰতৰ বিভিন্ন ঠাইত কার্তিকী পূর্ণিমা বিশেষ উৎসৱ আকাৰে পালন কৰাৰ কথা পোৱা যায়। অসমত কাতি মাহত কার্তিকী পূর্ণিমাৰ উপৰিও আৰু কেইটামান পর্বৰ ওপৰত গুৰুত্ব দিয়া হয়। ভূত চতুর্দশী, দীপান্বিতা, ভাতৃ-দ্বিতীয়া আদি। ইয়াৰ ভিতৰত আহিন-কাতিৰ দোমাহীত পালন কৰা কাতি বিহু উল্লেখযোগ্য উৎসৱ। মূলতঃ সংস্কৃত শব্দ কার্তিকৰ পৰা অসমীয়াত ব্যৱহৃত কাতি শব্দ ওলাইছে। যথা, কার্তিক>কাতিক>কাতি। সাধাৰণতে এই বিহু এদিনীয়াকৈ পালন কৰা হয় যদিও কাতি মাহত তুলসী আৰু দীপ দানেৰে বিষ্ণুক পূজা কৰাৰ যি বৈশিষ্ট্য তাৰ প্রতি লক্ষ্য কৰিয়েই অসমৰ কোনো কোনো ঠাইৰ লগতে বিভিন্ন সত্রত এমহীযাকৈ আকাশ বস্তি প্রজ্বলন কৰাৰ প্রথা আছে। সাধাৰণতে এই সময়ত অসমত অনাটনৰ দিন পৰে বাবে এই বিহুত ভোগ বিলাসৰ পৰিৱর্তে সাত্বিক ভাবেৰে চোতালত তুলসী ৰুই দীপ প্রজ্বলনেৰে বিষ্ণুক নমস্কাৰ জনোৱা হয়। অভাব-অনাটনৰ সময়ত পালন হোৱা বাবেই এই বিহুক কঙালী বিহু বুলি কোৱা হয়। এই বিহুত সাত্বিকতাৰ বিশেষ চাপ সর্বত্রতে থকাটো এক লক্ষ্যণীয় বিষয়। মাটিৰে ভেটি সাজি তুলসী ৰুই ইয়াৰ গুৰিত বস্তি প্রজ্বলন আৰু আকাশ বস্তি প্রজ্বলন কৰা এই বিহুৰ অৱশ্যে পালনীয় কার্য বুলি ধৰা হয়। তুলসী পূজা আৰু আকাশ বস্তি প্রজ্বলনৰ ওপৰত সত্রসমূহত অধিক গুৰুত্ব দিয়া হয়। ইয়াৰ মূল কাৰণ হ'ল, ধর্মীয় বিশ্বাস। এই উৎসৱৰ লগত সম্পর্ক থকা এনে বিশ্বাসৰ মূল ভিত্তি কাতি মাহ। কাতিমাহ ভগৱন্তৰ অতি প্রিয় বুলি গণ্য কৰা হয়[১১৪]। মাহৰ ভিতৰত কাতি আৰু দেৱতাৰ ভিতৰত কেশৱ অর্থাৎ বিষ্ণু আটাইতকৈ শ্রেষ্ঠ বুলি পদ্ম-পুৰাণত কোৱা হৈছে[১১৫]। এই মাহত ব্রত পালন কৰি যদি ভগৱানক তুলসীৰে পূজা কৰা হয় তেতিয়া ভগৱান বিষ্ণু অতি শীঘ্রে সন্তুষ্ট হয়।

---

[১১৩] কার্তিকিক : (বি. পুং) কার্তিক ষ্কিক স্বার্থে
স্ত্রীং-কার্তিকিকী-কার্তিক + ষ্কিক সম্বন্ধার্থে
কার্তিকী : কৃত্তিকা নক্ষত্র যুক্তা - পৌর্ণমাসী + ষ্ণ তদ্‌যুক্ত মাসার্থে
আশুবোধ অভিধান, পৃঃ ৫৮৯

[১১৪] দ্র ৪০১ (ঘ)

[১১৫] (ক) ন কার্তিকসমো মাসো ন দৈবং কেশবাৎ পৰম্।

এনে ধর্মীয় কাৰণতে কাতি মাহত নিৰামিষ ভোজন, তুলসী পূজা আৰু দীপ প্রজ্বলনে বিশেষ তাৎপর্য লাভ কৰিছে। পাঁচ প্রকাৰে কাতি মাহত ব্রত পালন কৰাৰ কথা কোৱা হৈছে। এই পাঁচ[১১৬] প্রকাৰ ব্রত, হৰিজাগৰণ, প্রাতঃস্নান, তুলসীসেৱন, উদ্‌যাপন আৰু দীপদান। ইয়াৰ ভিতৰত সত্রসমূহত হৰিজাগৰণ, তুলসী সেৱন আৰু দীপদানত অধিক গুৰুত্ব দিয়া হয়। পদ্মপুৰাণত ইয়াৰ বিস্তৃত বিৱৰণ পোৱা যায়। কাতি মাহত ব্রত পালন কৰাৰ ক্ষেত্রত নিৰামিষ ভোজন আৰু সংযম ৰক্ষা অত্যাবশ্যকীয় কথা। পদ্মপুৰাণত উল্লেখ আছে কাতি মাহত যি মাছ-মাংস, তেল আৰু মৈথুন ত্যাগ কৰে তেওঁ বহু জন্ম পাপৰ পৰা মুক্ত হৈ হৰি গৃহলৈ গমন কৰে[১১৭]। পদ্মপুৰাণতে, এনে নীতি মানি নচলিলে ইযাৰ বিপৰীত ফলপ্রাপ্তিৰ কথাও স্পষ্টকৈ কোৱা হৈছে। যি কাতি মাহত মাছ-মাংস, মৈথুন ত্যাগ নকৰে সি প্রতি জন্মত শূকৰ অর্থাৎ গাহৰি হৈ জন্ম লাভ কৰে[১১৮]। ইয়াৰ উপৰি 'কার্তিকে শূকৰো মৎস্যে বকপঞ্চ ততোধিকঃ'[১১৯] ইয়াৰ লগত স্বাস্থ্য-বিজ্ঞান জড়িত হৈ আছে। সত্রত বৈষ্ণৱসকলৰ মাজত মাছখোৱা প্রচলন থাকিলেও এনে বিশ্বাস আৰু শাস্ত্রীয় নির্দেশৰ বাবে এই মাহত বৈষ্ণৱসকলে গোটেই মাহ মাছ বর্জন কৰে। পূর্বতে এই মাহত সত্রৰ ভঁৰালৰ পৰা বৈষ্ণৱসকলক খাৰলি দিয়া নিযম আছিল। সত্রসমূহত কাতি মাহত ব্রততে থাকি ঈশ্বৰ উপাসনাৰ অর্থে দীপদান আৰু তুলসী পূজা কৰা বিশেষ ৰীতি। কাতি মাহত যি আকাশ মণ্ডলত দীপদান কৰে, তেওঁ ব্রহ্মহত্যা আদিৰ দৰে মহাপাপৰ পৰাও মুক্ত হয়[১২০]। এই দীপদানত তৈল প্রদীপ আৰু ঘৃত

পদ্মপুৰাণম্, উত্তৰখণ্ডম্, সম্পা পঞ্চানন তর্কৰত্ন, পৃঃ ১০৬

(খ) মাসানাং কার্তিকঃ শ্রেষ্ঠো দেবানাং মধুসূদনঃ।

স্কন্দ পুৰাণ, (প্রথম খণ্ড) (হিন্দী), সম্পা বেদমূর্তিঃ তপোনিষ্ঠ, পৃঃ ৩৬৬

(গ) ভগৱানৰ নিজ উক্তি : বনস্পতীনাং তুলসী মাসানাং কার্তিকঃ প্রিয়ঃ।
একাদশী তিথীনাঞ্চ ক্ষেত্রাণাং দ্বাৰকা মম।।

পূর্বোল্লিখিত, সম্পা পঞ্চানন তর্কৰত্ন, শ্লোক ৩, পৃঃ ৩১০

[১১৬] হৰিজাগৰণং প্রাতঃ স্নানং তুলসী সেৱনম্।
উদ্‌যাপনং দীপদানং ব্রতান্যেতানি কার্ত্তিকেঃ।।
উল্লিখিত, শ্লোক ৩, পৃঃ ৩৯৭

[১১৭] (ক) পদ্মপুৰাণম্, স্বর্গখণ্ডম্, সম্পা পঞ্চানন তর্কৰত্ন, শ্লোক ৩, পৃঃ ২১২

(খ) কাতি মাহত সামিষ বিশেষভাৱে বর্জন কথা স্কন্দ পুৰাণত উল্লেখ কৰা হৈছে।
স্কন্দপুৰাণম্, বিষ্ণুখণ্ডম্, পৃঃ ৪৩৮৩

[১১৮] উল্লিখিত, শ্লোক ৪, পৃঃ ২১২

[১১৯] বকপঞ্চ : কাতি মাহৰ শুক্লা একাদশীৰ পৰা পূর্ণিমালৈ এই পাঁচদিন বকপঞ্চ। কাতি মাহত মাছ শূকৰ তুল্য হয। বকপঞ্চত ই ততোধিক দোষযুক্ত খাদ্যৰূপে পৰিগণিত হয়।

[১২০] পূর্বোল্লিখিত, সম্পা পঞ্চানন তর্কৰত্ন, শ্লোক ১২, পৃঃ ২১২

প্রদীপ দুয়োটি ব্যৱহৃত হয়। দুয়োটাই উৎকৃষ্ট ফল প্রদান কৰে। কাতি মাহত মুহূর্তকালো হৰিৰ প্রীতি-কামনাৰে আকাশ মণ্ডলত যি দীপদান কৰে তেওঁৰ প্রতি হৰি সদায় সন্তুষ্ট হৈ থাকে আৰু আকাশ দীপ প্রজ্বলনৰ ফলত তেওঁ কেতিয়াও যমৰ মুখ দেখিব লগা নহয়[১২১]। এই মাহত কৃষ্ণ মন্দিৰত সঘৃত দীপদান কৰিলে দিনে দিনে অশ্বমেধৰ ফল লাভ হয়[১২২]। কাতি মাহত তুলসী সন্মুখত লৈ ইয়াৰে সৈতে যদি দীপ উৰ্দ্ধা কৰা হয় বা তুলসী পূজা কৰি দীপ প্রজ্বলন কৰা হয়, তাৰ সুফল সকলোৱে নিশ্চিতভাৱে লাভ কৰে। ইযাৰ মূল কাৰণ কাতি মাহ যিদৰে ভগৱানৰ প্রিয, সর্বঔষধি বা পুষ্প-পত্রৰ ভিতৰত তুলসীও ভগৱানৰ অত্যন্তপ্রিয[১২৩]। পুৰণি কালত অমৃত মন্থনত জীৱন নির্বাহৰ উপকাৰৰ কাৰণে তুলসীৰ সৃষ্টি হৈছিল[১২৪] বুলি স্কন্ধপুৰাণত কোৱা হৈছে। ধর্মপুৰাণত তুলসীৰ পৰিচয় দি ধর্মদেৱৰ পত্নী বৃন্দা কেনেকৈ তুলসী হ'ল তাৰ আখ্যান সন্নিৱিষ্ট কৰিছে[১২৫]। 'তু' শব্দৰ অর্থ 'শৱ' আৰু 'লসী' শব্দৰ অর্থ কান্তিমতি, অর্থাৎ মৃত্যুৰ পিছতো যি কান্তিমতী হৈ আছিল তেৱেঁই তুলসী[১২৬] বুলি কোৱা হৈছে। তুলসীৰ ৰং কোনো ক্ষেত্রতনো কিয় বগা হ'ল তাৰ আখ্যানো আছে। কৃষ্ণক চিনিব নোৱাৰি প্রথমতে বৃন্দাই যি ক্রোধপূর্ণ বাক্য প্রয়োগ কৰিছিল সেই তমোগুণৰ প্রভাৱত তুলসীৰ এটা ৰৱণ ক'লা হৈছিল। কৃষ্ণক চিনি পোৱাৰ পিছত সত্ত্বগুণৰ বাক্যৰ প্রভাৱত তুলসীৰ আনটো ৰৱণ বগা হৈছিল[১২৭]। এনে কাহিনী বিলাকে তুলসীৰ প্রয়োজনীয় গুৰুত্বকে প্রমাণ কৰে[১২৮]। তুলসী আৰু দীপ দানৰ এনে গুৰুত্বৰ কথা অনুধাৱন কৰিয়েই কাতি মাহত এমাহ পর্যন্ত তুলসী ৰুই অসমৰ সত্রসমূহত আকাশ বস্তি প্রজ্বলনেৰে এই উৎসৱ পালন কৰা হয়। এযোৱৰ পৰা একৈশযোৱ পর্যন্ত আকাশ বস্তি প্রজ্বলন কৰাৰ ব্যৱস্থা আছে। বিশেষকৈ আউনীআটী সত্রত একৈশ যোৱ আকাশ বস্তি প্রজ্বলন কৰা হয়। ইয়াৰ লগত

---

১২১ (ক) উল্লিখিত, শ্লোক ১৩, পৃঃ ২১২
(খ) স্কন্ধপুৰাণম্, বিষ্ণুখণ্ডম্, সম্পা পঞ্চানন তর্কৰত্ন, পৃঃ ১৪৪

১২২ উল্লিখিত, শ্লোক ১৩, পৃঃ ২১২

১২৩ দ্র শ্রীশ্রীহৰিভক্তি বিলাসঃ, প্রথমখণ্ড, সম্পা হৰিদাস গোস্বামী, পৃঃ ৫০৫

১২৪ উল্লিখিত, পৃঃ ৫০৫

১২৫ বৃহদ্ধর্ম পুৰাণম্, পূর্বখণ্ডম্, সম্পা পঞ্চানন তর্কৰত্ন, পৃঃ ২৯-৩৩ লৈ

১২৬ উল্লিখিত, শ্লোক ৬১, পৃঃ ৩৩

১২৭ সত্যং প্রীতিকৰং বাক্যং কোপস্তস্যাস্ত তামসঃ।
ভাবদ্বযং হৰৌ জাতং যৎতদ্বর্ণয়ংহ্যভূৎ।।
পূর্বোল্লিখিত, শ্রীশ্রীহৰি ভক্তি বিলাসঃ পৃঃ ৫০৬

১২৮ দ্র স্কন্ধপুৰাণ, ধর্মপুৰাণ, পদ্মপুৰাণ

কৃষি আৰু প্রকৃতি সম্পর্কীয় তত্ত্বও নিহিত হৈ আছে। আউনীআটী সত্রত পালন কৰা গোটেইকেইটা বিহুৰ ভিতৰত কাতি বিহুটো বিশেষ ৰীতিৰে পালন কৰা উৎসৱ। এই সত্রত পাল নামেই আটাইতকৈ ডাঙৰ উৎসৱ। ইয়াৰ পিছতেই কাতিবিহু লেখত ধৰা হয়। সাধাৰণতে প্রতি বহাৰ সন্মুখত তুলসীভেটি সাজি তুলসী ৰুই বস্তি প্রজ্বলন কৰাৰ উপৰিও সত্রৰ মধ্যৱর্তী স্থানত সামুহিকভাৱে আকাশবস্তি উত্তোলন কৰা হয়। কাতি বিহুত আন উৎসৱৰ দৰে পুৱা প্রসঙ্গত বঢ়া-প্রসঙ্গ, বিশেষ সেৱা-পূজা, দিনৰ সবাহৰ উপৰিও তুলসী ৰোপণ, দীপ উৎসর্গা আৰু আকাশবস্তি প্রজ্বলন অনুষ্ঠানৰ ঘাই কথা। পুৱাতে পুৱা-প্রসঙ্গ চলি থকা অৱস্থাত মণিকূট গৃহত আকাশবস্তি প্রজ্বলনৰ উদ্দেশ্যে মহাপ্রভুৰ চৰণত দীপ উৎসর্গা বিশেষ অনুষ্ঠান অনুষ্ঠিত হয়। ই সম্পূর্ণ বৈদিক প্রথা আৰু অর্চন বন্দনাৰে উৎসর্গীকৃত ব্যৱস্থা। দীপ উৎসর্গা কার্য এই সত্রৰ সত্রাধিকাৰে সম্পন্ন কৰে। মণিকূট গৃহত ৰৱদেউৰী, বাগীশ, ভাগৱতী আৰু পূজাৰীসকলৰ সহযোগত এই কার্য সম্পাদিত হয়। মণিকূটত আভ্যুদয়িক শ্রাদ্ধৰ অনুকল্পিত ভোজনী ৪টা উৎসর্গা কৰি প্রথমতে মহাপ্রভুৰ তাৰ পিছত এই সত্রৰ প্রযাত সত্রাধিকাৰসকলৰ নামত সংকল্পিত নির্দিষ্ট মন্ত্রৰে[১২৯] দীপ উৎসর্গা কৰে। ইযাৰ পিছতেই সত্রস্থিত সত্রাধিকাৰ, ডেকা, গোৰিন্দপুৰীযা বৈষ্ণৱসকল আৰু শিষ্য-প্রশিষ্যসমন্বিতে সমুহ ৰাইজৰ মঙ্গল কামনাৰে উচর্গা কৰা হয়। মহাপ্রভুৰ নামত চাৰিগছ, আনসকলৰ নামত এগছ বস্তি উৎসর্গিত হয়। পুৱা উচর্গা কৰা প্রজ্বলিত বস্তি সন্ধ্যা সময়ত আকাশ বস্তি প্রজ্বলন কৰা সময়লৈকে জ্বলি থাকিব লাগে। সেই বস্তিকেই আকাশ বস্তি ক্ষেত্রলৈ নি বিশেষ নিয়মেৰে উত্তোলন কৰা হয়। এই উৎসর্গিত বস্তিসমুহ দিনৰ বিহুবীয়া হিয়ানাম, দিহানাম, গায়ন-বায়ন, ওজাপালি পৰিৱেশন হোৱাৰ অন্তত দিনৰ শেষ প্রহৰত অতি আডম্বৰেৰে সমুহীয়া আকাশ বস্তিৰ ক্ষেত্রলৈ লৈ যোৱা হয়। বিহুৰ উপলক্ষ্যে এই দিনত পুৱা নিত্য প্রসঙ্গৰ অন্তত আন উৎসৱ পর্বৰ দৰে কিছু সময় জিৰণি লোৱাৰ পিছত দিনৰ সবাহ অনুষ্ঠিত হয়। হিয়ানাম, দিহানাম, গায়ন-বায়ন, নটুৱা ওজাপালি অনুষ্ঠান অনুষ্ঠিত হওঁতে সত্রাধিকাৰ প্রমুখ্যে বৈষ্ণৱসকল নামঘৰত উপস্থিত থাকে। ওজাপালি অনুষ্ঠানৰ লগে লগেই দিনৰ শেষ প্রহৰত ৩/৪ দণ্ড থকাত[১৩০] আকাশবস্তি ক্ষেত্রলৈ যোৱাৰ যো-জা চলে। প্রথম ডবা-তালৰ ধ্বনিৰে ইযাৰ জাননী দিয়া হয়। সত্রাধিকাৰ প্রমুখ্যে ডেকা,

---

[১২৯] দীপ উৎসর্গাৰ মূলমন্ত্র ঃ
দামোদৰায় নভসি তুলায়াং লোলয়া সহ। প্রদীপন্তে প্রযচ্ছামি নমো২নন্তায় বেধসে।
স্কন্দপুৰাণম্ (বিষ্ণুখণ্ড), সম্পা পঞ্চানন তর্কৰত্ন, শ্লোক ১০৬, ১০৭, পৃঃ ১১৪৪

[১৩০] ৩/৪ দণ্ড-সময়-৪ বজাত।

গোৱিন্দপুৰীয়া আৰু মুখ্য বৈষ্ণৱসকল ওজাপালি চলি থকা অৱস্থাত মণিকূট গৃহত প্ৰৱেশ কৰে। নাম ঘৰত সেই সময়ত আকাশবস্তি ক্ষেত্ৰলৈ যাবৰ বাবে কালিয়া ভেৰুৱা, প্ৰত্যেক হাটীৰ সংকীৰ্তনীয়া দল সু-সজ্জিত পৰিৱেশত আহি গোট খায়হি। তাতেই পুনৰ নামলগোৱা, গায়ন-বায়ন, নটুৱা, ওজা সকলো মিলিত হয়। প্ৰত্যেক দলেই নিজৰ নিজৰ বাদ্য ধ্বনিৰে আৰু গীত-মাতেৰে সেই দলৰ উপস্থিতিৰ জাননী দিয়ে। সেই সময়ত মণিকূটৰ পৰা বৰদেউৰীয়ে মহাপ্ৰভুৰ প্ৰতীক শালগ্ৰাম শিৰত লৈ ওলাই আহে, তাৰ আগে আগে পূজাৰী দেউৰীসকলে উৎসর্গিত দীপ লৈ শঙ্খ-ঘণ্টা, কাঁহ, বৰতাল আদি বাদ্য ধ্বনিৰে সমদল যাত্ৰা আৰম্ভ কৰে। এই সমদলৰ যাত্ৰাত নাম লগোৱা ওজা, গায়ন-বায়ন, নটুৱা, সংকীৰ্তনীয়া, ঢুলীয়া, কালিয়া, ভেৰুৱাৰ লগত নামঘৰত উপস্থিত থকা সকলো দলে অংশ লয়। সকলোৱে নিজৰ নিজৰ নির্দিষ্ট বাদ্য, গীত, নাম আদি পৰিৱেশন কৰে। এই সমৰোল প্ৰমুখ্যে ডেকা, গোৱিন্দপুৰীযা সম্মানীয় আৰু বৃদ্ধ বৈষ্ণৱসকলে এই যাত্ৰাত অংশ গ্ৰহণ কৰে। এইদৰে নামঘৰৰ মাজেৰে গৈ মুখ্য দ্বাৰেদি ওলাই শাৰী-শাৰীকৈ থোৱা আকাশ বস্তিৰ ক্ষেত্ৰত উপস্থিত হয়গৈ। ২১ যোৰ আকাশবস্তি ইমুৰৰ পৰা সিমুৰলৈ সকলোৱে সেই বাদ্য আৰু গীত-মাতৰ ধ্বনিৰ মাজেৰে চাৰিবাৰ প্ৰদক্ষিণ কৰে। প্ৰদক্ষিণ কৰি থকা অৱস্থাত সত্ৰত বৰদেউৰীযে মূল মহাপ্ৰভুৰ আকাশবস্তিৰ তলত বৈদিক মন্ত্ৰৰে শালগ্ৰাম স্থাপন কৰি পূজা কৰে। সমযৰ মাপকাঠী এনেদৰে ধৰি ৰখা হৈছে যে পূজা সমাপণৰ লগে লগে প্ৰদক্ষিণৰ ক্ৰমো অন্ত পৰে। সেই সময়ত মাঙ্গলিক বাদ্যধ্বনি, হৰিধ্বনি, জয়ধ্বনিৰ মাজত একৈশ যোৰ আকাশবস্তি সত্ৰৰ সত্ৰাধিকাৰ, ডেকা, গোৱিন্দপুৰীয়া প্ৰমুখ্যে সত্ৰৰ মুখ্য বিষযববীয়াসকলে আকাশবাতিৰ ৰছী টানি ওপৰলৈ তোলে। প্ৰতি তুলসীৰ ওচৰত এযোৰকৈ থকা এই আকাশবস্তি বাঁহেৰে তৈয়াৰী। ধেনু, ডাং, জপতা, ডৰ অদি বান্ধি সু-সজ্জিত কৰি ৰখা বাঁহ দুডালৰ মাজেৰে আগভাগলৈকে তুলিব পৰাকৈ চাকি-বাতি ৰছীৰে সংযোগ কৰি থোৱা থাকে। ডুনৰি সদৃশ চাকি থোৱা পাত্ৰটি চাকি-বাতি বুলি কোৱা হয়। সেই চাকি-বাতি উৎসর্গিত তৈল প্ৰদীপ এনেভাৱে থোৱা হয় যাতে ৰছীৰে দীপ-বাতি টানোতে ওপৰলৈ দীপ প্ৰজ্বলিত ৰূপত উঠি যাব পাৰে। মাটিৰ পৰা দুহাত মানৰ ওপৰত চাকি-বাতি লগোৱা থাকে। মাটিৰ পৰা ওপৰলৈ অর্থাৎ আকাশ মাৰ্গলৈ দীপ তুলি নি থোৱা ব্যৱস্থাকেই আকাশবস্তি বোলা হয়। এইদৰে সমূহীয়াভাৱে বিষ্ণুৰ উদ্দেশ্যে আকাশবস্তি প্ৰজ্বলনেৰে শ্ৰদ্ধা জনোৱাৰ পিছতেই আগৰ ব্যৱস্থাৰে নাম-কীৰ্তন, গায়ন-বাযন, ওজা, সংকীৰ্তনীয়া সমদলেৰে পুনৰ সকলো নামঘৰত প্ৰৱেশ কৰে। সত্ৰাধিকাৰ প্ৰমুখ্যে মুখ্য বিষযববীয়া আৰু মণিকূটীয়াসকল মণিকূটত প্ৰৱেশ কৰে। বৰদেউৰীৰ দ্বাৰা শালগ্ৰাম যথাস্থানত থোৱাৰ লগে লগে সর্বস্ব সমর্পণেৰে সকলোৱে মহাপ্ৰভুলৈ সেৱা জনায়। সেই সময়ত

মণিকূটৰ বাহিৰত থকা নাম লগোৱাই তাল আৰু হৰিধ্বনিৰে আকাশবস্তিৰ আনুষ্ঠানিক কার্যৰ সামৰণি মাৰে। ওজা, গায়ন-বায়ন, সংকীর্তনীয়া আদি সকলোৰে গীত-মাতৰ, ধ্বনি ইয়াৰ পূর্বেই অন্ত পৰে। তাৰ পিছত প্রত্যেক বহাৰ হৈ নিজৰ নিজৰ মঙ্গলৰ উদ্দেশ্যে বৈষ্ণৱসকল আহি নিজহাতে মণিকূটত মহাপ্রভুৰ সম্মুখত বস্তি প্রজ্বলন কৰে। এই সময়ত সত্রাধিকাৰৰ বাসভৱনত, ভঁৰাল ঘৰত, প্রত্যেক হাটীৰ বহাৰ দুৱাৰ মুখত আৰু চোতালত তুলসী ভেটিৰ গুৱিত সকলোৱে চাকি-বস্তি জ্বলায়। বহাৰ সম্মুখত মাটি চাকি ব্যৱহাৰ কৰাৰ উপৰিও অমিতা বা ঔটেঙা দুফাল কৰি তাতো তেল শলিতা লগাই বস্তি জ্বলোৱা প্রথা আছে। তুলসীৰ ভেটিত চাকি জ্বলোৱাৰ পূর্বে তুলসী ভেটি নির্মাণ কৰাৰ পিছত মাটিৰে পুনৰ মচি লোৱা নিয়ম। আউনীআটী সত্রত সমুহীয়া আকাশবস্তি প্রজ্বলনৰ উপৰিও ডেকা, গোৰিন্দপুৰীযা আৰু সাতমানভগীয়া বৈষ্ণৱসকলে নিজৰ চোতালৰ মূৰত তুলসী ৰোপণ কৰি একোযোৰ আকাশবস্তি উত্তোলন কৰা নিয়ম আছে। আন সত্রসমূহত সত্রাধিকাৰৰ বহাৰ সম্মুখত, ডেকাৰ বহাৰ সম্মুখত আকাশবস্তি প্রজ্বলন কৰে। অৱশ্যে আন সত্রসমূহত নামঘৰ প্রাঙ্গণত সমুহীয়াকৈ আকাশবস্তি প্রজ্বলন কৰিলেও বর্তমানে তিনিযোৰৰ অধিক প্রজ্বলন ব্যৱস্থা নাই। আকাশবস্তি প্রজ্বলন কৰাৰ উপৰিও বালক আৰু যুৱ বৈষ্ণৱসকলে বহাৰ সম্মুখত লেম্প-বাতি জ্বলোৱাৰ ব্যৱস্থা আছে। এই লেম্প-বাতি সাধাৰণতে নল-খাগৰিৰে সাজি তাত ৰঙীন কাগজ মেৰিয়াই তাৰ ভিতৰত প্রজ্বলিত চাকি ৰাখি ৰছীৰে টানি বাঁহৰ আগভাগত ওলোমাই ৰখা হয়। এনে বস্তি জ্বলোৱাৰ প্রথা বেনাৰস আৰু মথুৰাতো[১৩১] আছে। গোটেই কাতি মাহত সেই ঠাইৰ লোকসকলে নদীৰ পাৰত বাতি জ্বলায়। আমাৰ সত্রসমূহৰ লগত সেই ব্যৱস্থাৰ সম্পূর্ণ সাদৃশ্য আছে। সত্রসমূহত নদীৰ পৰিৱর্তে সত্রৰ সম্মুখত থকা পুখুৰী বা জলাশযৰ পাৰত বাতি প্রজ্বলন কৰে। সত্রতো গোটেই কাতি মাহ আকাশবাতি আৰু তুলসীৰ গুৱিত চাকি জ্বলোৱাৰ উপৰি বাতি জ্বলাই ৰাখে। বিহুৰ দিনা সন্ধ্যা প্রসঙ্গৰ পিছতেই আউনীআটীত প্রত্যেক হাটীৰ বৈষ্ণৱসকলে সম্মিলিত হৈ নাম বা সংকীর্তনেৰে চাৰিও হাটী প্রদক্ষিণ কৰে। সত্রৰ নামঘৰতে আৰম্ভ কৰি এটা হাটীৰ মধ্যৱর্তী স্থানৰ পৰা ধৰি প্রদক্ষিণৰ ক্রম আৰম্ভ কৰে। এই পৰিক্রমা কৰি যাওঁতে প্রতি বহাৰ মুৰবৰী গৰাকীয়ে সেই বহাৰ সকলো

---

১৩১ *"Lamps are hung in the sky in small baskets from pole tops They rise tier above tier along the banks of rivers with continuous flights of steps as may be seen at Banaras and Mathura The custom is to keep these sky lamps burning all through Kartikka to light the path of departed sprits across the sky"*

The Cultural Hariiage of India, vol iv, Ed Haridas Bhattacharyya, p 488

জনৰ সৈতে নিজৰ দুৱাৰ মুখত গুৱা-পাণ, অৰিহণাৰ শৰাই আগবঢ়াই সর্বাঙ্গীণ মঙ্গল আৰু সর্ব অপৰাধ মৰিষণৰ অর্থে নাম বা সংকীর্তনীয়া দললৈ সেৱা জনায়। এই সেৱাৰত বৈষ্ণৱক সেই নাম সংকীর্তনীয়া দলৰ পৰা আশীর্বাদ প্রদান কৰে। নামেৰে চাৰিও হাঁটী পৰিক্রমা কৰা ব্যৱস্থা বর্তমানে প্রতিবছৰে হোৱাৰ পৰিৱর্তে দুই-চাৰি বছৰৰ মুৰত কোনো এবাৰ হোৱা প্রথাহে প্রচলিত হৈছে। নাম পৰিক্রমা হোৱা বছৰত বিহুৰ পিছত শুভ দিনত নামৰ অছিদ্র ধাৰণ উপলক্ষ্যে নামঘৰত এদিন আৰু এদিন সত্রাধিকাৰৰ চ'ৰাত বৈষ্ণৱসকল সমৱেত হৈ সবহুৱা নাম গোৱাৰ ব্যৱস্থা থাকে। নামৰ ঠাইত সংকীর্তন গালে তেন্নেদৰে সংকীর্তনৰো সামৰণি মাৰে। কাতি বিহুত আকাশবাতিৰ ক্ষেত্রত সংকীর্তন ঘুৰিবৰ বাবে প্রত্যেক হাটীৰ বৈষ্ণৱে ৩/৪ দিন আগৰ পৰা নিজা নিজা হাটীৰ আখৰা কৰা ঘৰত সংকীর্তনৰ আখৰা কৰে। আউনীআটী দক্ষিণপাট, গড়মুৰ, কুৰুৱাবাহী আদি সত্রত সংকীর্তনৰ গুৰুত্ব দেখা যায়। আকাশ বাতি প্রস্তুতিৰ বাবে ১৫/২০ দিনৰ আগৰ পৰা সত্রৰ ভঁৰাল ঘৰত আযোজন চলে। সত্রৰ ভঁৰালৰ মুখ্য বিষয়ববীয়াৰ সহযোগত আকাশবাতিৰ প্রস্তুতি চলে। আকাশবাতি তৈযাৰ কৰোঁতে মূলতঃ দুডাল দীঘল গোটা বাঁহ লাগে। স্কন্ধপুৰাণত উল্লেখ কৰা অনুসৰি বাঁহৰ উচ্চতা ক্রমে উত্তম বিশ হাত, মধ্যম ন হাত আৰু সর্বনিম্ন পাঁচ হাত[১৩২]। সেই বাঁহ চুৰুকি তাত চূণৰ লেপন লগোৱা হয়। বাঁহ দুডালৰ মাজত বাঁহেৰে কামি কৰি তৈয়াৰ কৰা ধেনু, জপতা, ডাং আৰু ডৰ থাকে। বাঁহ দুডালৰ আগ অংশত সোঁমাজতে কাঠৰ ঘুৰঘুৰি লগোৱা হয়। মৰাপাটেৰে কৰা নতুন (ডোল) ৰছী ঘুৰঘুৰিত লগাই থোৱা হয। ধেনু, ডাং, জপতা আদি সকলোতে চূণ লগোৱা থাকে। ৰঙা, বগা আদি কাপোৰ মেৰিয়াই ঘুৰণীয়া চকা সাজি থিয়কৈ যি ডৰ প্রস্তুত কৰা হয়, সেই ডৰ বাঁহ দুডালৰ সোঁমাজেৰে পোনকৈ লগোৱা থাকে। আকাশবাতিৰ প্রত্যেক ভাগৰ কাম আউনীআটী সত্রত ভাগে ভাগে বিশেষ কর্মীয়ে কৰাৰ নিয়ম আছে। আকাশ বাতিৰ বাঁহ চুৰুকি, আকাশ-বাতি সম্পূর্ণ প্রস্তুত কৰাৰ দায়িত্ব চাউল ভঁৰালৰ ৰৰা, চমুৰা আদি কর্মীসকলৰ। এই সত্রৰ পাইকৰ লেখত থকা কৈৱর্তসকলে আকাশ-বাতিৰ স্থান পৰিষ্কাৰ কৰিব লাগে। কুমাৰ পাইকসকলে আকাশ-বাতি পুতিবৰ বাবে গাঁত খান্দিব লাগে। প্রত্যেক আকাশ-বাতিৰ তলত মলিয়াবৰাই তুলসী ৰুব লাগে। গাযন-বায়ন, ওজা আদি প্রসঙ্গীয়া বৈষ্ণৱসকলে আকাশ-বাতিৰ ডৰ নতুনকৈ সাজি দিব লাগে। নতুনকৈ তৈয়াৰ কৰিব লগা নহ'লে আগৰ ডৰতে নতুন কাপোৰ মেৰিয়াই দিয়ে। ডৰৰ কাপোৰ আৰু বাঁহ ভঁৰালৰ পৰা যোগান ধৰে। এই কর্মসমূহ কৰাৰ নির্দিষ্ট কর্মীসকলে ভঁৰালৰ পৰা একোটি ভোজনী

---

[১৩২] স্কন্ধপুৰাণ (বিষ্ণুখণ্ড), সম্পা পঞ্চানন তর্কৰত্ন, পৃঃ ১১৪৪

লাভ কৰে। এদিনীয়াকৈ কাতি বিহু পালন কৰিলেও গোটেই মাহ ধৰি আকাশ-বস্তি প্রজ্বলনৰ যি ব্যৱস্থা থাকে, এই কার্য সম্পাদন কৰে মণিকূটৰ শলা-বস্তি লগোৱা দেউৰীয়ে। বিহুৰ দিনাৰ পৰা গোটেই মাহ পুৱা চাকি-বাতি তলৈলে নমাই, সন্ধ্যা নতুন শলিতা আৰু তেল চাকিত দি চাকি-বাতি ওপৰলৈ উঠাই নির্দিষ্ট কার্য দেউৰীয়ে পালন কৰে। তেল, শলিতা সত্রৰ ভঁৰালৰ পৰা যোগান ধৰে। এনে কর্মৰ বাবে দেউৰীজনে সত্রৰ ভঁৰালৰ পৰা বিশেষ মাননি, ৰোজ, ভাৰ আদি লাভ কৰে। দক্ষিণপাট সত্রত এনে কর্মৰ কর্মীৰ কিছু সাল-সলনি আছে। আৱশ্যে সত্রভেদে প্রায়বিলাক সত্রতে একোটা কর্মৰ কর্মীৰ সাল-সলনি হোৱা দেখা যায়। দক্ষিণপাট সত্রত আকাশবাতি বৰ আলধৰাই বনুৱা ভকতৰ [১৩৩] হতুৱাই তৈযাৰ কৰে। কুমাৰ পাইকে টেকেলি অর্থাৎ চাকি-বাতি যোগান ধৰে। ঠাই মচাই আকাশ-বাতিৰ তলত তুলসী ৰোৱে। মণিকূটৰ কর্মীসকলে শলা লগাব লাগে[১৩৪]। এই সত্রত মুখ্যতঃ দুযোৰ আকাশবাতি থাকে। সাধাৰণতে এযোৰত দুটাকৈ চাকি থাকে। কাতিৰ সংক্রান্তিৰ দিনাই আকাশবাতি প্রজ্বলনৰ কার্যৰ সমাপ্তি ঘটে। তাৰ পিছতে তাৰ পৰা আকাশবাতি উঠাই অনা হয। এই সত্রত মুখ্যতঃ দুযোৰ আকাশবাতি থাকে। এই সত্রৰ আকাশবাতিৰ এক বৈশিষ্ট্যপূর্ণ দিশ হ'ল এযোৰ আকাশবাতিত তিনিটাকৈ চাকি থাকে। সাধাৰণতে এযোৰত দুটাকৈ চাকি থাকে। কাতিৰ সংক্রান্তিৰ দিনাই আকাশবাতি প্রজ্বলনৰ কার্যৰ সমাপ্তি ঘটে। তাৰ পিছতে তাৰ পৰা আকাশবাতি উঠাই অনা হয।

কাতিবিহুৰ লোক-পৰম্পৰা, সত্রত এক ধর্মীয় ৰীতিলৈ উন্নীত হৈছে। আকাশ বস্তি জ্বলোৱা প্রথা, খেতিযকে খেতি-পথাৰত কীট-পতঙ্গৰ পৰা শস্য ৰক্ষাৰ বাবে চাকি দিযা প্রথাৰ লগত মূলত জড়িত হ'লেও সত্রত ই এক ধর্মীয অনুষ্ঠানত পৰিণত হৈছে। তদুপৰি তুলসীৰ ঔষধি গুণৰ লগতো তুলসী পূজাৰ সম্পর্ক থাকিব[১৩৫] পাৰে। আমাৰ লোক-সংস্কৃতি কেনেভাৱে শিষ্ট সংস্কৃতিলৈ ৰূপান্তৰিত হৈছে তাৰ সংকেত এনে উৎসৱ অনুষ্ঠানৰ মাজত পাব পাৰি।

---

১৩৩ বনুৱা ভকত ঃ সত্রত বাৰী-ঘৰৰ কাম কৰা লোকক বনুৱা ভকত আখ্যা দিয়া হয়। বেণুধৰ শর্মা, দক্ষিণপাট সত্রৰ বুৰঞ্জী, পৃঃ ১৮

১৩৪ উল্লিখিত, পৃঃ ২৮

১৩৫ কাতি মাহত তুলসীয়ে অধিক ভাইৰাচ্ নাশ কৰিব পৰা শক্তি অর্জন কৰে বুলি বিজ্ঞানে প্রমাণ কৰিছে।

২. (গ) মাঘ বিহু

অসমৰ লোক জীৱনত শস্য সিঁচা, কঠীয়া ৰোৱা আৰু শস্য সামৰা এই তিনিওটা সময়ত তিনি বিহু পালন কৰা হয়। ইয়াৰ ভিতৰত মাঘৰ বিহু প্রধানতঃ শস্য চপোৱাক কেন্দ্র কৰি উদ্‌যাপিত হোৱা উৎসৱ। বৈদিক যুগৰ শস্য উৎসৱ আগ্রযন ইষ্টিৰ লগত ইয়াৰ কিছু মিল দেখা যায়[১৩৬]। অসমত উজনিতকৈ নামনিত এই উৎসৱৰ বিশেষ পয়োভৰ হয়। নামনি অসমত এই বিহুক 'বৰদোমাহী' বোলা হয়[১৩৭]। সাধাৰণতে এই বিহু মাঘ বিহু বুলি খ্যাত যদিও ভোগৰ প্রাচুর্য আৰু গুৰুত্বৰ বাবে এই বিহুক ভোগালী বিহু বুলিও পৰিচয় দিয়া হয়[১৩৮]। মাঘ বিহু প্রধানতঃ মাঘ মাহক কেন্দ্র কৰিযেই এই নামকৰণ হৈছে। মাঘ বছৰৰ দশম মাহ[১৩৯]। মাঘ বিহুত প্রধানভাৱে অগ্নি পূজা, ভোজ-ভাত, পিঠা-পনা, জা-জলপান খোৱাৰ আয়োজন কৰা হয়। অগ্নি পূজাৰ প্রায সমার্থক হিচাপেই মেজি জ্বলোৱা হয়। কাঠৰ খৰি গোটাই সামুহিকভাৱে মূল বিহুৰ দিনা কাহিলী পুৱাতে যি মেজি জ্বলোৱা প্রথা আছে এই মেজিৰ উপলক্ষ্যে কাঠ, বাঁহ, খেৰ আৰু কল-ঠৰুৱাৰে যি ঘৰ সজা হয়, তাকেই মেজি ঘৰ, ভেলা ঘৰ, হাৰলি ঘৰ বোলা হয। নামনি অসমত খেৰেৰে মেজি সজা হয়। এই মেজি জ্বলোৱা প্রথাৰ লগত সন্নিৱিষ্ট হৈ আছে অগ্নি বন্দনা বা উপাসনা। সত্র সবাহতো অগ্নিবন্দনাৰ ওপৰত গুৰুত্ব দিযা হয়। অগ্নি সকলো দেৱতাৰ মুখ্য বুলি ধৰা হয। অগ্নিৰ লগত প্রকৃত জগতৰ আৰু মানৱ জীৱনৰ বিশেষ সম্পর্ক আছে। মানৱ সমাজৰ যি সামাজিক আৰু ধর্মীয় অনুষ্ঠান আছে তাৰ ভিতৰত জন্ম, মৃত্যু, বিবাহ, উপনয়ন, সংস্কাৰ আদি সকলোতে অগ্নিৰ ব্যৱহাৰ

---

[১৩৬] (ক) বিৰিঞ্চি কুমাৰ বৰুৱা, অসমৰ লোক-সংস্কৃতি, পৃঃ ১৮৪

(খ) এই যজ্ঞৰ উপহাৰ সম্বন্ধে অধ্যাপক কীথে এইদৰে মন্তব্য দিছে ঃ

Before partaking of anv of the fruits of the fields it is necessary for a man who has established fire to make offerings The normal offerings are those of rice in Autumn and barley in spring, alternatives are bamboo seeds in summer of millet in Autumn or the rains

উল্লিখিত, পৃঃ ১৮৪

[১৩৭] সর্বেশ্বৰ ৰাজগুৰু, ইতিহাসৰ পাত মেলি, পৃঃ ১৭৪

[১৩৮] *In Assam it is called Magha Bihu or Bhogali Bihu, the festival of feasts It marks the close of the festive season which starts at Magha Bihu The cultural Heritage of India, iv p 481-482*

[১৩৯] আশুবোধ অভিধান, মাঘঃ মঘ + ক্ত তদ্ যুক্তার্থে স্ত্রীং ঈপং মাঘী নক্ষত্র যুক্তা-পৌর্ণমাসী + ক্ত তদ্যুক্ত কালার্থে। পৃঃ ১৪২২

আছে। দৈনন্দিন জীৱনত অগ্নিৰ অপৰিহার্য ব্যৱহাৰ আছে। শৰীৰৰ সপ্ত ধাতু নির্মাণত অগ্নিয়ে সাত প্রকাৰে কাম কৰে[১৪০]। এই সাতপ্রকাৰৰ কাম এনেধৰণৰ, অগ্নিয়ে উদৰলৈ যোৱা আহাৰক প্রথমতে ৰসলৈ ৰূপান্তৰ ঘটায়, দ্বিতীয়তে সেই ৰসক অগ্নিয়ে তেজৰ ৰূপ প্রদান কৰে, তৃতীয়তে তেজৰ পৰা মাংস, শুক্রৰ উৎপাদন ঘটায়। প্রকাৰ ভেদে অগ্নি তিনি বিধ[১৪১] ঃ (১)ভৌম বা পার্থিৱ, (২) দিব্য আৰু (৩) জঠৰ। এই তিনিবিধ অগ্নিৰে উৎপত্তিমূলক সুকীয়া সুকীযা পৰিচয় আছে[১৪২]।

অগ্নি শব্দৰ বুৎপত্তিগত অর্থ হ'ল, 'অগ্রণীর্ভৱতি' অর্থাৎ যি আগবাঢি যায়। আকৌ 'অগ্রে নয়নি ইতি' অগ্নি যি ওপৰলৈ আগবঢাই লৈ যায। অগ বা অনগ (গমন কৰা) 'নি' কর্তৃবাচ্য[১৪৩]। অগ্নিৰ গুণগত ধর্মৰ লগত মানুহৰ দৈনন্দিন জীৱন আৰু সামাজিক জীৱনৰ বিশেষ সম্বন্ধ থকা হেতু অগ্নিক সন্তুষ্ট কৰিবলৈ লোক সমাজে অগ্নি পূজাৰ ওপৰত গুৰুত্ব দিয়ে। লোক সমাজৰ এনে এটা বিশ্বাস আছে যে যজ্ঞ কর্মৰ মূল প্রতীক অগ্নি। এই অগ্নিক মাধ্যম স্বৰূপে লৈ অগ্নিত ঘৃতাহুতি প্রদান কৰিলে সকলো দেৱতা সন্তুষ্ট হয়। দেৱতা সন্তুষ্ট হ'লে যজ্ঞকর্তাৰ সকলো প্রকাৰ কল্যাণ সাধন কৰে[১৪৪]। সেয়ে অগ্নি তুষ্টিৰ বাবে ভোগৰ উৎসৱ মাঘৰ বিহু পালন কৰোঁতে ন-ধানৰ চিৰা-পিঠা, মাহ-তিল, আনুষ্ঠানিকভাৱে অগ্নিত সমর্পণ কৰি অগ্নিৰ পৰা সর্বপ্রকাৰ কল্যাণ বাঞ্ছা কৰে। ই একপ্রকাৰ নৱান্ন উৎসৱ আৰু ন-অন্ন খোৱা উৎসৱৰ লগতো পৰে[১৪৫]। সকলো যজ্ঞ কর্মৰ আৰম্ভণিতে অগ্নি দেৱতাক স্মৰণ কৰাটো হিন্দুসকলে প্রথম কর্ম বুলি গ্রহণ কৰে[১৪৬]। এনে বিশ্বাসৰ লগতে শীতৰ হাড় কঁপোৱা জাৰৰ পৰা ৰক্ষা পাবলৈ আৰু শৰীৰত তাপ সঞ্চাৰ কৰিবলৈও অগ্নিক সেৱা জনোৱা হয়।

---

১৪০ (মূল) নিৰুক্ত- ৭/৮ - কল্যাণ, দেৱতা অঙ্ক, পৃঃ ২৩৯

১৪১ আশুবোধ অভিধান, পৃঃ ১৭

১৪২ প্রকৃতি জাত বা ভূমি সম্ভূত পদার্থৰ পৰা উৎপন্ন হোৱা অগ্নিক (১) পার্থিৱ অগ্নি বুলি কোৱা হয। যেনে কাঠ, বাঁহ, খেৰ, বন আদি। এই বিলাকত দাহিতা শক্তি আছে, (২) দিব্য অগ্নি হ'ল বায়ু, জল আৰু সূর্যৰ পৰ উৎপন্ন হোৱা অগ্নি। জল আৰু সূর্যৰ পৰা সৃষ্টি হোৱা অগ্নি বিদ্যুৎ অগ্নি বুলিও কোৱা হয়। বায়ু, জল আদিৰ পৰা উল্কাপাত, বজ্রপাত সৃষ্টি হয়। (৩) জঠৰ অগ্নি, উদৰ সম্ভূত, ই জীৱনৰ শৰীৰত উৎপন্ন হয়।
দ্রঃ ঋকবেদ ৪/১/২০

১৪৩ পূর্বোল্লিখিত, পৃঃ ১৭

১৪৪ ইষ্টান্ ভোগান্ হি বো দেৱা দাস্যন্তে যজ্ঞভাবিতাঃ। গীতা, ৩য় অধ্যায়, শ্লোক ১২

১৪৫ বিৰিঞ্চি কুমাৰ বৰুৱা, অসমৰ লোক-সংস্কৃতি, পৃঃ ১৮৪

১৪৬ সর্বতঃ পাণিপাদন্তু সর্বতো ক্ষিশিৰোমুখঃ। বিশ্বৰূপো মহানগ্নিঃ প্রণীতঃ সর্বকর্মসু।।
পুৰোহিত দর্পণ, সংকলন- সুৰেন্দ্র মোহন ভট্টাচার্য, পৃঃ ৭৭

সত্র-সবাহত মাঘ বিহু উপলক্ষ্যে অগ্নি পূজা আৰু খোৱা-লোৱা কার্যতেই বিশেষ গুৰুত্ব দি এই বিহু পালন কৰা হয় যদিও ইয়াৰ আনুষ্ঠানিক পৰিৱেশৰ বিশেষ বৈশিষ্ট্য আছে। লোকসমাজে পালন কৰা এই বিহুৰ বিশেষ স্থান মুকলি পথাৰ নির্ধাৰণ কৰি লয় যদিও, সত্রত নামঘৰেহে এই বিহু পালনৰ মুখ্য স্থান অধিকাৰ কৰে। য'ত অগ্নি পূজা নাম-কীর্তন এক বিশেষ ৰীতিৰে একেলগে সম্পাদিত হয়। অৱশ্যে লোকসমাজৰ লগত খাপ খোৱা মুকলি পথাৰৰ মেজি প্রজ্বলন আৰু ভোজ-ভাত খোৱা প্রথা সত্রতো আছে। সত্রসমূহত মূলতঃ এই বিহু দুদিনীযাকৈ পালন কৰা হয়। প্রথম দিনা উৰুকা অর্থাৎ সংক্রান্তিৰ আগৰ দিনটো আৰু দ্বিতীয় দিনা মূল বিহু। উৰুকাৰ দিনা ভোজ-ভাত খোৱা আৰু মেজি প্রজ্বলনৰ বাবে জন সংখ্যা কম থকা সত্রসমূহত সমূহীযাভাৱে আৰু জনসংখ্যা সৰহীয়াকৈ থকা সত্রসমূহত হাটীযে হাটীয়ে বেলেগে বেলেগে এই দুই কার্যৰ বাবে আনুষ্ঠানিক আযোজন কৰে। সত্রত ভোজ খোৱাৰ ক্ষেত্রত সত্রৰ ভিতৰৰ স্থানহে নির্বাচিত হয়, খোৱা লোৱা সত্রৰ বাহিৰত কৰা নহয়।

ৰন্ধন কার্যতো সত্রীযা নিয়মেৰে নির্দিষ্ট ৰান্ধনিৰ বাৰ থকা বৈষ্ণবেহে ৰন্ধন কার্য কৰিব লাগে। এনে আযোজনৰ বাবে ১০/১২ দিনৰ আগৰ পৰা ইযাৰ প্রস্তুতি চলে। বিশেষকৈ মেজি প্রজ্বলনৰ বাবে গছৰ ডাল কাটি খৰি সংগ্রহ কৰা কার্যত আৰু উৰুকাৰ দিনা সত্রৰ সামূহিক স্থান বা সত্রৰ সমীপতে চাৰিওফালে চাৰি জোপা কল গছ পুতি তাৰ মাজত এক বিশেষ পদ্ধতিৰে খৰি জাপি মেজি নির্মাণ কৰা হয়। মেজিৰ তলত মাটিত গাঁত খান্দি চাৰিওফালে চাৰিদ্বাৰ ৰখা হয়। সত্রত মেজিঘৰ, ভেলাঘৰ বা হাৰলি ঘৰ আদি সজাত গুৰুত্ব দিযা নহয়। এইদৰে মেজি নির্মাণ কৰাৰ পিছত এই দিনা সন্ধ্যাৰ পৰা ভোজৰ আৰম্ভ হয়। অগ্নিক সাক্ষী কৰি অগ্নিৰ প্রতীক মেজি সন্মুখত লৈ ৰন্ধন কার্য আৰম্ভ হয়। ৰন্ধন থলীত জুই জলাওঁতে চাকি এগছ অৰিহণাৰে সৈতে গুৱা-পাণ এটি দি অগ্নিক সম্মান জনোৱা হয়। ন-অন্নৰ তিনি মুঠি অন্ন অগ্নিত প্রথমতে অর্পণ কৰা হয়। ৰন্ধন কার্য সম্পূর্ণ হ'লে বৰা বা হাটীমতা সকলোকে নিমন্ত্রণ কৰি আনিব। হাটীযে হাটীযে পৃথককৈ হ'লে হাটীৰ মুখ্য বৈষ্ণৱ বা নির্দিষ্ট বাৰ থকা লোকে নিমন্ত্রণ কৰা নিয়ম। সকলো মিলিত হৈ যেতিযা খোৱাৰ পাতত বহিব তেতিয়া অন্ন লোৱাৰ আগে আগে হৰি-ধ্বনি কৰিব। ভোজৰ ক্ষেত্রত খোৱাৰ বাবে পাত-পটুৱাৰহে ব্যৱহাৰ কৰা হয়। খোৱা শেষ হ'লে সকলোৱে একেলগে উঠি যোৱা নিয়ম। ভোজৰ অন্তত কোনো কোনো সত্রত মেজি থলীত সংকীর্তন বা সবহুৱা নাম গোৱা প্রথা আছে। পিছদিনা পুৱা বিশেষকৈ যুৱকসকলে ব্রহ্মমুহূর্ততে গা-পা ধুই ধুতি অৱস্থাৰে মেজি প্রজ্বলনৰ দিহা কৰে। এজনে হাতত আম খৰিৰ জোৰ লৈ মেজিৰ মুখ্য দ্বাৰ পুব অংশইদি মেজিত অগ্নি সঞ্চাৰ কৰে। তামোল-পাণ, নৈৱেদ্য আৰু পিঠা-পনা আদি বিহুৰ প্রত্যেক ভোগ্য

সামগ্রী কলপাতৰ সৈতে মেজিৰ জুইলৈ আগবঢ়াই দিয়ে। লগে লগে তাত সমৱেত হোৱা সকলোৱে হৰি-ধ্বনি কৰি অগ্নি দেৱতাক জনোৱা মন্ত্র[১৪৭] উচ্চাৰণ কৰি সেৱা জনায়। মেজি জ্বলাওঁতে কেঁচা বাঁহ আদি জুইত পেলাই হিলৈ[১৪৮] ৰৱটোপৰ দৰে শব্দ উলিযাই ৰং কৰে। এনে মেজি প্রজ্বলনৰ উপৰিও ব্রহ্মা সংহতিৰ প্রায়বিলাক সত্রত পুৱা নাম-প্রসঙ্গৰ সময়ত নামঘৰত বৈদিক প্রথাৰে অগ্নি পূজাৰ আয়োজন কৰা হয়। তিল-হোমেৰে এই অগ্নি পূজা কৰা নিয়ম। সত্রস্থ সকলোৱে সেই দিনা বিহুৱ উপলক্ষ্যে নামঘৰলৈ গৈ অগ্নি পূজাৰ সময়ত নাম-প্রসঙ্গত ভাগ লয়। আউনীআটী সত্রত এই পূজা এনেদৰে কৰা হয, মূল নাম-প্রসঙ্গ চলি থকা অৱস্থাতে অগ্নি পূজাৰ মুখ্য কার্যও চলি থাকে, বৰ নামৰ সামৰণিৰ লগে লগে এই পূজাৰ কার্যৰো অন্ত পৰে। দুয়োটা কার্যৰ সময় অঙ্গাঙ্গীভাৱে সংলগ্ন কৰি থোৱা হৈছে। বৰ নামৰ শেষৰ ফালে বিহুবৰীয়া বঢা ঘোষা আৰম্ভৰ লগে লগে সত্রাধিকাৰ প্রমুখ্যে, সত্রস্থ সকলো বৈষ্ণৱ আহি নামঘৰত উপস্থিত হয। সকলোৱে নির্দিষ্ট নিযমেৰে যথা স্থানত সেৱা সন্মান জনাই নিজ নিজ আসন গ্রহণ কৰে। নাম সামৰণিৰ ফালে আগবঢাৰ লগে লগে, হোমৰ পূর্ণাহুতিও পৰে। এই সত্রত এই অগ্নি পূজা বাগীশে কৰা নিয়ম। নাম সন্মুখত লৈ ভাগৱতৰ স্থানত এই পূজা কৰে। পূজা আৰু হোমৰ শেষত সত্রাধিকাৰ প্রমুখ্যে গোসাঁইসকলক বাগীশে নির্মালি দিয়ে। বৈষ্ণৱসকলেও এই নির্মালি গ্রহণ কৰে। এইদৰে বৈদিক পদ্ধতিৰে অগ্নিপূজা সমাপণ হোৱাৰ পিছত নিত্য প্রসঙ্গৰ অন্তত দুপৰীযা বিহুববীয়া হিয়া নাম, দিহা নাম, গাযন-বাযন, নটুৱা, ওজাপালিৰে দিনৰ সবাহ অনুষ্ঠিত হয়। দিনৰ সবাহ শেষ হোৱাৰ লগে লগেই সত্রত মাঘবিহুৱ আনুষ্ঠানিক পর্বৰ সামৰণি পৰে। কোনো সত্রত অৱশ্যে ৰাতিলৈও বিহুৱ উপলক্ষ্যে বিশেষ নাম-কীর্তনৰ ব্যৱস্থা থাকে। মাঘৰ বিহুত খোৱা-লোৱাৰ ক্ষেত্রত সত্রতো কেইটামান বিশেষ বিশ্বাসৰ ৰীতি আছে। মাঘ বিহুত কাঠআলু আৰু মোৱাআলু খোৱা নিযম। এই আলু পুৰি খালে শূকৰ আদি জনমৰ পৰা হাত সাৰিব পাৰি বুলি বিশ্বাস আৰু প্রবাদ আছে। ইয়াৰ উপৰি গোটকৰাই খোৱা নিয়মো আছে। গোটকৰাই হ'ল নতুন মাটি মাহ, বৰা চাউল আৰু তিল এই তিনিবিধ একেলগে শুকানে ভাজি দিয়ে। এই গোট কৰাই ভোগ-ঘৰত ভাজি মহাপ্রভুৰ ওচৰত উচর্গা কৰা

---

[১৪৭] মন্ত্র- অগ্নিং প্রজ্বলিতং বন্দে চাতুর্বর্ণ্য হুতাশনম্। সুবর্ণবর্ণমমলং জ্যোতিৰূপায় তে নমঃ।। পাঠান্তৰ, অগ্নিং প্রজ্বলিতং বন্দে জাতবেদং হুতাশলম্। সুবর্ণবর্ণমমলং সমিদ্ধং বিশ্বতোমুখম্।। পুৰোহিত দর্পণ, পৃঃ ৭৪, বৃহৎ তন্ত্রসাৰঃ পৃঃ ৫৪৯

[১৪৮] হিলৈ দুই প্রকাৰৰ, এবিধ কেঁচা, বাঁহেৰে হিলৈ তৈয়াৰ কৰে, আনবিধ দুই পিনে গাঁঠি থকা কেঁচা বাঁহৰ চুঙাৰ গাঁঠিত ফুটা কৰি পানী ভৰাই থেলা দি সৃষ্টি কৰা পানী হিলৈ।

হয়। উচর্গা কৰাৰ পিছত সত্রস্থ সকলোকে মণিকূট ঘৰৰ পৰা বিলাই দিয়ে। লোকপৰম্পৰা অনুসৰি সত্রতো এই বিহুত ন-চাউলৰ চুঙা-পিঠা, চুঙা-ধাৰা পালন কৰিলেও বিহুত ব্যৱহৃত খাদ্য-সামগ্রী প্রস্তুতিৰ ক্ষেত্রত সত্রৰ বৈষ্ণৱসকলৰ কর্ম কুশলতা একোগৰাকী সুদক্ষা অসমীয়া গৃহিণীৰ দৰেই।

এহাতে বৈদিক অগ্নিপূজা আৰু আনহাতে লোকবিশ্বাস আৰু লোকপৰম্পৰা এই দুয়োটি ধাৰা সত্রত পালিত মাঘ বিহুৰ মাজত প্রতিফলিত হৈছে। আলু পুৰি খোৱা বা ভোজ-ভাত খোৱাৰ লগত সভ্যতাৰ প্রথম স্তৰৰ চিকাৰী মানুহৰ চিকাৰ বা খাদ্য সামগ্রী সংগ্রহ কৰি আনি সমূহীয়াভাৱে খোৱাৰ ইতিহাস জড়িত হৈ থাকিব পাৰে। জুইৰ ব্যৱহাৰেই মানুহৰ সভ্যতাৰ প্রথম স্তৰ নির্দেশ কৰে। আর্যসকলৰো প্রথম দেৱতা হ'ল অগ্নি[১৪৯]। ঋগ্ বেদৰ প্রথম সূক্তটিযেই অগ্নিবন্দনাৰে[১৫০] আৰম্ভ হোৱাৰ লগতো এনে ইতিহাসৰ ইংগিত জড়িত হৈ থাকিব পাৰে। অসমৰ মাঘবিহুৰ মেজি জ্বলোৱা আৰু ভোজ-ভাত খোৱা প্রথা সেইবাবে এক প্রাচীন পৰম্পৰাৰ লগত জড়িত হৈ থকাৰ সম্ভাৱনা আছে। সত্রত এই উৎসৱৰ লগত বৈদিক আৰু বৈষ্ণৱ পৰম্পৰাও যুক্ত হৈ এই উৎসৱক এটি নতুন আযতন দিছে।

৩. ধর্মৰ অংগ স্বৰূপ উৎসৱসমূহ উদ্‌যাপনৰ লক্ষ্য

অসমীযা সমাজৰ উৎসৱ অনুষ্ঠানসমূহ প্রধানকৈ (১) ধর্ম সম্বন্ধীয, (২) কৃষি সম্বন্ধীয়, (৩) জীৱন সম্বন্ধীয় আৰু (৪) ৰাজকীয় বা প্রশাসনীয[১৫১] এই চাৰিটা ভাগত ভগাব পাৰি। জীৱন সম্বন্ধীয় উৎসৱ বুলিলে জন্ম, মৃত্যু, বিবাহ এই তিনিটাৰ কথাকেই প্রধানকৈ কোৱা হয়। উদাস সত্রসমূহত অৱশ্যে কেৱল মৃত্যু সম্বন্ধীয আনুষ্ঠানিক কার্যহে পালন কৰা হয। জন্ম সম্বন্ধীয ক্ষেত্রতো জন্মকালীন আনুষ্ঠানিকতাৰ সুযোগ নাথাকিলেও সত্রাধিকাৰসকলৰ ক্ষেত্রত জন্ম-তিথি পালনৰ আনুষ্ঠানিকতা তথা উৎসৱ থাকে। ৰাজকীয় বা প্রশাসন সম্বন্ধীয উৎসৱ সত্রত বিশেষভাৱে পালন কৰা প্রথা নাই যদিও সত্রৰ নৱীন সত্রাধিকাৰৰ নির্মালি লোৱা উৎসৱক ৰাজকীয উৎসৱৰ শাৰীতেই পেলাব পাৰি। এই নির্মালি লোৱা উৎসৱৰ 'নির্মালি লোৱা কার্য' সম্পূর্ণ ধর্মীয কার্য। ইয়াৰ লগত অভিষেক সম্বন্ধীয় বাকী কার্যসমূহহে ৰাজকীয় আর্হিৰ। আহোম ৰাজশাসনৰ

---

[১৪৯] দ্র নগেন শইকীযা, ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু অন্যান্য ৰচনা, পৃঃ ১১

[১৫০] ঋক্‌বেদ ১/১

[১৫১] সর্বেশ্বৰ ৰাজগুৰু, ইতিহাসৰ পাতমেলি, পৃঃ ১৬৮

পৃষ্ঠপোষকতা পোৱা সত্রসমূহৰ এই উৎসৱত সম্পূর্ণ ৰাজকীয় আর্হি সোমাই পৰে।

সত্রত যিবিলাক উৎসৱ পালিত হয় এই সকলো উৎসৱেই ধর্মীয় আদর্শৰ দ্বাৰা প্রভাৱিত। উদাহৰণস্বৰূপে ৰাস, পালনাম, জন্মাষ্টমী, একাদশী, ফাকুৱা আৰু শুক্ল তিথিসমূহ সম্পূর্ণ ধর্মীয় উৎসৱ। আনহাতে বিহু লোক-উৎসৱ যদিও এই উৎসৱৰ প্রচলন ঘটাত ইও ধর্মীয় আদর্শৰে প্রভাৱান্বিত হ'ল। লোক-জীৱনৰ উৎসৱবিলাকত ধর্মৰ প্রভাৱ নাই; অনেক ক্ষেত্রত লোক-বিশ্বাসহে আছে। কিন্তু সত্রত নৱ বৈষ্ণৱ আন্দোলনৰ প্রতিফলন আৰু ৰজাঘৰীয়া পৃষ্ঠপোষকতাত লোক জীৱনৰ উৎসৱসমূহে ধর্মীয় ৰূপ লয়। এই প্রসঙ্গত বিহুৰ কথাকে উল্লেখ কৰিব পাৰি। শুঁচৰি প্রথমে বিহুৰ লগত জড়িত নাছিল, ই সম্পূর্ণ লোক-জীৱনৰ ভাৱ-অনুভূতি, আৱেগ-উচ্ছাসৰ লগত জড়িত আছিল। বৈষ্ণৱ ধর্ম প্রচাৰৰ পিছতহে বিহুত শুঁচৰিৰ প্রভাৱ পৰিল। শুঁচৰিত মহাপুৰুষসকলৰ ৰচিত নাম, কীর্তনৰ ঘোষা, পদ[১৫২] সোমাই পৰে। আৰু তেনেভাৱে শুঁচৰিৰ ঘোষা-পদ বিলাকো ধর্মীয় সুৰত আৱদ্ধ হ'ল। কিন্তু পিছলৈ ইয়াৰ ধাৰাবাহিকতা কেৱল ধর্মীয় ঘোষা-পদতে আৱদ্ধ নাথাকিল। শুঁচৰিত লোক-জীৱনৰ লগত খাপ খোৱা বিষয়বস্তুও[১৫৩] সোমাই পৰিল। তথাপি ধর্মীয় আদর্শৰ পৰম্পৰা সম্পূর্ণ আঁতৰি নগ'ল। কিন্তু মন কৰিব লগীযা বিষয় এয়ে যে গৃহী সত্রসমূহত শুঁচৰিৰ প্রভাৱ থাকিলেও উদাস সত্রসমূহত ইযাৰ প্রভাৱ একেবাৰে নাই। কিন্তু লোক-জীৱনৰ আচাৰ-নীতি পৰিশীলিত ৰূপত উদাস সত্রতো পালিত হয়।

সাধাৰণতে সত্রত পালিত হোৱা উৎসৱসমূহৰ দুটা ধাৰা আছে। (১) সর্বভাৰতীয় পটভূমিৰ লগত জড়িত আৰু (২) স্থানীয় জীৱন ধাৰাৰ লগত জড়িত। সর্বভাৰতীয় পটভূমিত উদ্‌যাপিত হোঁৱা উৎসৱ ৰাস, ফাকুৱা, জন্মাষ্টমী। এই উৎসৱসমূহ সর্বভাৰতীয় পটভূমিৰ পৰা অহা হ'লেও সত্রত এই উৎসৱসমূহ পালিত হওঁতে স্থানীয় প্রভাৱো পৰিছে। উদাহৰণস্বৰূপে ৰাস, জন্মাষ্টমী, ফাকুৱা আদিত পৰিৱেশন কৰা নাম-কীর্তন, ভাওনা, ব্রত পালন আদি অনুষ্ঠানসমূহ স্থানীয় প্রভাৱযুক্ত। বিশেষকৈ জন্মাষ্টমীত পালন কৰা বোকা ভাওনাৰ বিষয়বস্তুৱে অসমৰ গ্রাম্য জীৱনৰ প্রতিচ্ছবি দাঙি ধৰে। বোকা ভাওনাত ব্যৱহৃত বোকাপানীয়ে কৃষিৰ লগত থকা সমাজ-জীৱনৰ সম্পর্কৰ কথাকে সূচায়।

---

১৫২ সম্পূর্ণ ধর্মীয় আদর্শৰ শুঁচৰি নামৰ উদাহৰণ : "গোবিন্দাই কৃষ্ণাই ৰাম নাৰায়ণ, হৰি এ-হে জয়" ইত্যাদি।

১৫৩ লোকজীৱনৰ বিষয়বস্তুৰ শুচৰি নাম "দেউতাৰ পদূলিত গোজাইছে মাধুৰী কেতেকী মলেমলায় ঔ গোবিন্দাই ৰাম"

ব'হাগ বিহু, কাতি বিহু, মাঘ বিহু অসমৰ লোকসমাজৰ প্রধান উৎসৱ কেইটাও লোক-জীৱনৰ পৰা সত্রলৈ সোমাই আহিছে। কিন্তু সত্রত ই ধর্মীয় পৰিচ্ছদ গ্রহণ কৰিছে। সত্রত পালিত হোৱা কোনো উৎসৱেই ধর্মীয় আদর্শৰ পৰা বিচ্ছিন্ন কৰি চাব নোৱাৰি। সত্রৰ প্রতিটো উৎসৱৰ লগত আধ্যাত্মিক পৰিৱেশ আৰু ধর্মীয় আচাৰ-অনুষ্ঠানসমূহ জড়িত থাকে। সত্রৰ যিকোনো এটি উৎসৱ বুলি ক'লে দিনৰ সবাহৰ হিযানাম, দিহানাম আদি নির্দিষ্ট নাম-কীর্তন আৰু ভাওনা অন্তর্ভুক্ত হয। সত্রৰ গুৰু তথা সত্রাধিকাৰসকলৰ তিথিত বৈদিক কর্মত গুৰুত্ব দিযা সত্রবিলাকত শ্রাদ্ধ তর্পণ কৰা কার্য আৰু ব্রতপালন মুখ্য আচৰণীয় কর্তব্য। এই আচাৰসমূহ সম্পূর্ণ ধর্মীয় নীতিত প্রতিষ্ঠিত। বিশেষ উৎসৱ-পর্ব উপলক্ষ্যে অন্নদানৰ দৰে ধর্মীয় কর্তব্যৰ কথা সুঁৱৰি সত্রত চাউল সিধা দিযা বিশেষ ৰীতিও আছে। এনে ধর্মীয় আচাৰ-নীতিৰেহে একোটা উৎসৱ সত্রত পালিত হয়। প্রকৃতার্থত একোটা উৎসৱ সত্রীযা জীৱন ধাৰাত সত্রস্থসকলৰ বাবে উপাসনাৰ একোটি উপলক্ষ্য হৈ পৰে। ভগৱানৰ সন্তুষ্টিৰ বাবে উৎসৱ অনুষ্ঠানসমূহ পালন কৰা হয যেতিযা ই সম্পূর্ণ ধর্মৰ লগত জড়িত হৈ পৰে। উৎসৱসমূহ উদ্‌যাপনৰ ঘাই লক্ষ্য হ'ল (১) কৃষ্ণৰ প্রতি ভক্তি গাঢ কৰা, (২) কৃষ্ণস্বৰূপ পৰমাত্মাৰ লগত জীৱাত্মাস্বৰূপ ভক্তৰ সম্পর্ক স্থাপন কৰা, (৩) ধর্মীয় অভ্যাস ৰক্ষা কৰা, (৪) আনন্দ দানৰ যোগেদি ধর্মৰ শিক্ষাদান কৰা (৫) ৰস আস্বাদৰ যোগেদি ইন্দ্রিযাতীত আনন্দ দান কৰা আৰু (৬) সম্প্রীতি ৰক্ষা কৰা।

(১) কৃষ্ণৰ প্রতি ভক্তি ঃ উৎসৱসমূহৰ মুখ্য লক্ষ্য হ'ল আধ্যাত্মিক উৎকর্ষসাধন, আধ্যাত্মিক উৎকর্ষ সাধনৰ বাবে কৃষ্ণভক্তি মূল আশ্রয। কৃষ্ণ ভক্তিৰ ধাৰা হ'ল নটি ঃ নৱধা ভক্তি। প্রত্যেকটো উৎসৱতে থকা নাম-প্রসঙ্গ হ'ল এফালে কীর্তন-ভক্তিৰ মাধ্যম, আনফালে নাম-প্রসঙ্গ, ভাওনা আৰু গীতবাদ্য হ'ল শ্রৱণৰ লক্ষ্য। ৰাস, জন্মাষ্টমী, ফাকুৱা, একাদশী আদিত কৰা কৃষ্ণপূজা আৰু নাম হ'ল অর্চনৰ উদাহৰণ। মন্ত্রপাঠ, ঘোষাপাঠ, পদপাঠ আৰু গীত গোৱা হ'ল বন্দন ভক্তিৰ উদাহৰণ। উৎসৱসমূহৰ মাজেদি বাৰে বাৰে ভগৱানৰ কথা সোঁৱৰণ কৰা আৰু কৰোৱা হয; এযে হ'ল স্মৰণ। যি ব্যৱস্থাৰেই নৈমিত্তিক প্রসঙ্গ কৰা নহওক সিযেই ভগৱৎ স্মৰণৰ একোটি মাধ্যম স্বৰূপে কাম কৰে। তেনেদৰে সকলো উৎসৱৰ উপাসনাধর্মী আনুষ্ঠানিক মাধ্যমেই উপাসকৰ অন্তৰলৈ দাস্য, সখ্যভাৱ আদি কটিয়াই আনে। ভৃত্য বা সখিত্ব স্বীকাৰতহে ভগৱৎ কৰুণা লাভ হয়, বুলি বিশ্বাস কৰা হয়। ধর্মীয় জীৱনত বিশ্বাস আছে যে ভৃত্যৰ আত্ম নিৱেদনতহে পৰমপদ প্রাপ্তি ঘটে। গতিকে আত্ম নিৱেদনৰ পর্যায় পাবলৈ ভৃত্যভাব গ্রহণৰ একান্ত আৱশ্যক আছে। এখন ভাওনাত নৱধা ভক্তিৰ আটাইকেইটা মাধ্যমেই কম-বেছি পৰিমাণে জড়িত হৈ থাকে। মানসিক ভাবনা আৰু শৰীৰৰ ইন্দ্রিয়সমূহ

যোগেদিহে ভক্তিৰ অনুশীলন ঘটে। নিত্য কর্মত কোনো ব্যক্তি নির্দিষ্টভাৱে সংলগ্ন হৈ নাথাকিলেও উৎসৱসমূহত সামূহিকভাৱে আৱদ্ধ হয়।

(২) জীৱাত্মা-পৰমাত্মাৰ সম্পর্ক স্থাপন ঃ উৎসৱ উপলক্ষ্যে আনুষ্ঠানিক নৈমিত্তিক প্রসঙ্গত প্রবৃত্ত হোৱা প্রত্যেকজন ভকত-বৈষ্ণৱেই বা সত্রস্থ সকলোৱেই নিজকে প্রকৃতিস্বৰূপ জীৱাত্মাৰূপে গণ্য কৰে। সংসাৱত থকা সকলোৱে প্রকৃতিস্বৰূপা। মাত্র এগৰাকীহে পুৰুষ, তেওঁ পৰম ব্রহ্ম। এই তত্ত্ব ধর্মীয় বিশ্বাসলৈ ৰূপান্তৰিত হৈছে[১৫৪]। প্রকৃতি স্বৰূপা জীৱজগতৰ প্রকৃত পুৰুষৰ প্রতি আকর্ষণেই জীৱাত্মা পৰমাত্মাত মিলিত হোৱাৰ পথ উলিয়াই দিয়ে। প্রসঙ্গৱত ভকত-বৈষ্ণৱে সামূহিকভাৱে যি গীত-মাত, নাম-কীর্তন, ভাওনা প্রদর্শন কৰি কার্য কৰে, সেই সকলোখিনি, পৰমাত্মাৰূপী পুৰুষ গৰাকীৰ সন্তুষ্টিৰ অর্থে কৰা আৰু তেওঁৰ সন্নিধান কামনা কৰা কার্য। উৎসৱসমূহত সামূহিক সহযোগিতাৰ কথাই সকলো জীৱৰে এক উদ্দেশ্যৰ কথা প্রমাণ কৰিছে।

(৩) ধর্মীয় অভ্যাস ৰক্ষা কৰা ঃ উৎসৱসমূহৰ যোগেদি সামূহিকতাৰ মাধ্যমত কৃষ্ণভক্তি তথা ঈশ্বৰমুখী চিন্তা যাতে অব্যাহত ৰাখিব পাৰি উৎসৱসমূহে তেনে অভ্যাস ৰক্ষা কৰাত সহায কৰে। উৎসৱসমূহৰ পালনীয় ৰীতি-নীতি, আৰ্হি, আনুষ্ঠানিক প্রক্রিয়াই তাৰ স্মৰণ ঘটায। ইয়াৰ বাবে কৰা পুনৰ চর্চা আৰু অনুশীলনে কর্মসমূহৰ মূল অভ্যাস অব্যাহত ৰাখে।

(৪) আনন্দ দানৰ যোগেদি ধর্মৰ শিক্ষাদান ঃ উৎসৱসমূহত সামূহিক আৰু বর্ণাঢ্য পৰিৱেশ থকাৰ কাৰণে সি স্বাভাৱিকতে উৎসাহ আৰু আনন্দৰ ভাৱ কঢ়িয়াই আনে। এই আনন্দৰ যোগেদি কর্ম-কর্তাৰ তথা উপস্থিত থকা দর্শক শ্রোতাৰূপী সকলো ভকত-বৈষ্ণৱেই ধর্মৰ মূল শিক্ষাসমূহ লাভ কৰিব পাৰে। বিশেষকৈ উৎসৱৰ আনুষ্ঠানিক কার্যসমূহৰ প্রত্যেকটোতে আদর্শগত শিক্ষা আছে। উৎসৱসমূহৰ ধর্মীয় আদর্শ ঘাই কথা হোৱা বাবে ভগৱৎ চিন্তামুখী আদর্শ শিক্ষা সকলোৱে লাভ কৰিব পাৰে। ধর্মীয় আনুষ্ঠানিক গীত, পদ, ভাওনা আৰু নাম কীর্তনত মূলতঃ ভগৱানৰ গুণ, লীলা, যশস্যা, অলৌকিক শক্তিৰ মহিমা ৰ বর্ণনা থাকে। ইয়াত ভগৱৎ শক্তিৰ জয়, সতৰ উন্নতি, অসতৰ বিনাশ এই আদর্শসমূহ সন্নিৱিষ্ট হৈ থাকে। এনে শিক্ষা সহজতে লৈ ভক্তসকলে নৈতিক আৰু আধ্যাত্মিক বল লাভ কৰিব পাৰে।

(৫) ৰস আস্বাদনৰ যোগেদি ইন্দ্রিয়াতীত আনন্দ লাভ ঃ উৎসৱসমূহ

---

[১৫৪] এনে বিশ্বাসৰ বাবেই আউনীআটী সত্রৰ গুৰু বৈষ্ণৱসকলে নামঘৰত প্রৱেশ কৰোঁতে এতিয়াও মূৰত কাপোৰৰ ওৰণি লৈ প্রকৃতি স্বৰূপা জ্ঞানৰে সোমোৱাৰ বিশেষ প্রথা আছে। শিখ পন্থাৰ লোকসকলেও মন্দিৰত প্রৱেশ কৰোঁতে এনে বিশ্বাসত এই পৰম্পৰা ৰক্ষা কৰে।

ৰস আস্বাদনৰ মাধ্যম। সত্রসমূহৰ পাৰিবাৰিক চিন্তা নাথাকিলেও গার্হস্থ্য ৰীতিৰে সত্রসমূহ পৰিচালিত হোৱাৰ বাবে এনে জীৱন-যাপনতো সাংসাৰিক আৰু সামাজিক সংঘাত, দুখ-চিন্তা আদি সংযুক্ত থাকে। এনেবোৰ সাংসাৰিক তথা সামাজিক চিন্তা-ভাবনা, দুখ-কষ্টৰ প্রভাৱৰ পৰা মানুহ সম্পূর্ণ মুক্ত হ'ব নোৱাৰে; ভগৱৎ চিন্তাত সম্পূর্ণ ভাৱে আৰু নিৰবচ্ছিন্নভাৱে মন নিমজ্জিত কৰি ৰখা টান হৈ পৰে। উৎসৱসমূহে চিন্তা-ভাৱনা দূৰ কৰি কর্ম প্রেৰণা যোগায়, উৎসাহ যোগোৱাৰ উপৰিও নির্দিষ্ট বিষয়ত মানুহক একাত্ম কৰে। কোনো কোনো লেখকে উৎসৱসমূহ অৱসৰ বিনোদনৰ আহিলা বুলি ক'ব খোজে যদিও সত্রৰ উৎসৱসমূহ অৱসৰ বিনোদনৰ কাৰণে নহয়। সত্রৰ উৎসৱসমূহ নৈমিত্তিক প্রসঙ্গৰ অন্তর্ভুক্তহে। এই উৎসৱসমূহৰ লগত জড়িত পৰিৱেশ্য কলাই সৃষ্টি কৰা ৰসে ভক্তসকলক ইন্দ্রিয়াতীত আনন্দ দান কৰে।

(৬) সম্প্রীতি ৰক্ষা : ধর্মৰ প্রতি আগ্রহ বঢ়োৱাৰ উপৰিও এই উৎসৱসমূহে সমাজ জীৱনৰ সংঘৱদ্ধতাতো সহায় কৰে। বিশেষকৈ সত্রীয়া সমাজৰ লোকসকলক উৎসৱসমূহে সমূহীয়া, ঐক্যভাৱ অনাত বিশেষ অৰিহণা যোগায়। সত্রসমাজৰ সাংগঠনিকতা আৰু সংহতিও দৃঢ় কৰে। কাৰোবাৰ মনত ব্যক্তিগত কিবা অসূয়া, অপ্রীতি থাকিলেও উৎসৱসমূহৰ সামূহিক কর্মৰাজিয়ে সকলোকে ওচৰ চপাই আনে। অন্তৰৰ মলিনতা দূৰ কৰে। উৎসৱ উপলক্ষ্যে অনুষ্ঠিত হোৱা সত্রৰ নৈমিত্তিক প্রসঙ্গত ভাগ ল'ৱৰ বাবে প্রসঙ্গীয়া খেলৰ[১৫৫] মুৱৱবী বা খেলৰ পলিয়াগৰাকীয়ে নিজ খেলৰ প্রসঙ্গীয়াসকলক নির্দিষ্ট কর্মৰ বাবে জাননী দিয়া আৰু নির্দিষ্ট উপলক্ষ্যৰ বাবে সংঘৱদ্ধ হৈ পুনৰ চর্চা বা অনুশীলন কৰা কার্যই সম্প্রীতি আৰু সমন্বযৰ ভাৱ ৰক্ষা কৰাত বিশেষ সহায় কৰে। নির্দিষ্ট দায়িত্ব পালনৰ ক্ষেত্রত সকলোৰে কাষ চাপোঁতে কাৰোবাৰ লগত মনোমালিন্য থাকিলেও উৎসৱে তেনেভাৱ আঁতৰাই সৌহার্দ স্থাপন কৰে। সেয়ে উৎসৱসমূহৰ আয়োজনৰ পৰা সামৰণিলৈকে সমস্ত কার্যই সামূহিক মিলন তথা ঐক্য ৰক্ষাত প্রৱল ইন্ধন যোগায়।

কিন্তু, সত্রীয়া উৎসৱৰ ঘাই লক্ষ্য হ'ল ভকতসকলৰ নৈতিক আৰু আধ্যাত্মিক উৎকর্ষ সাধনত সহায় কৰা। এতেকে সত্রৰ প্রতিটো উৎসৱ আধ্যাত্মিক আৰু নৈতিক ভাৱৰ লগত জড়িত। সেইবাবে লোক-উৎসৱেও সত্রত এটি ধর্মীয় পৰিচ্ছদ লাভ কৰি সত্রীযা উৎসৱৰ অন্তর্ভুক্ত হৈছে।

---

[১৫৫] খেল দ্রষ্টব্য : ৩ ০১ অধ্যায়

পঞ্চম অধ্যায়

মহাপুৰুষসকলৰ বাৎসৰিক তিথি

১. শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, গোপালদেৱ আৰু গোপাল আতাৰ তিথি পালন ঃ অসমৰ সত্রসমূহৰ লগতে গাঁৱে-ভূঞে মহাপুৰুষসকলৰ তিথি অসমীয়া সমাজে বিশেষভাৱে পালন কৰে। বছৰেকীয়া উৎসৱ-পৰ্বসমূহৰ ভিতৰত মহাপুৰুষসকলৰ তিথি পালন এক উল্লেখযোগ্য উৎসৱ। নির্দিষ্টবাচক উৎসৱসমূহৰ ভিতৰত এই উৎসৱ প্রধান। নব্য অসমীয়া জাতীয় সংস্কৃতি তথা উৎসৱসমূহৰ আদর্শ প্রতিষ্ঠাৰ ক্ষেত্রত শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, গোপালদেৱ আৰু হৰিদেৱৰ মুখ্য ভূমিকা থকাৰ বাবে এই সকল মহাপুৰুষক জাতিৰ আদর্শ গুৰু ৰূপে স্বীকাৰ কৰি অসমীয়া সমাজ তথা সত্রসমূহত অতি উৎসাহেৰে সৈতে মহাপুৰুষসকলৰ বাৎসৰিক তিথি পালন কৰে। অৱশ্যে একে লক্ষ্য আৰু উদ্দেশ্য লৈ সত্রসমূহ আগবাঢ়ে যদিও সত্র প্রতিষ্ঠাৰ জন্ম লগ্নত যি গৰাকী মহাপুৰুষৰ আৰ্হিৰে সত্রখনে পৰিচয় লাভ কৰে সেইগৰাকী মহাপুৰুষক সত্রই নিজ পৰম্পৰাৰ গুৰুৰূপে অত্যধিক গুৰুত্ব দিয়ে, সি হ'লেও সার্বজনীনভাৱে সত্রীয়া আদর্শৰ প্রতিষ্ঠাপক সকলো মহাপুৰুষৰ তিথি পালন সত্রসমূহে সত্রীয়া জীৱনৰ মুখ্য কর্তব্য স্বৰূপে গণ্য কৰে।

মহাপুৰুষসকলৰ তিথি পালন কৰোঁতে প্রত্যেক সত্রই নিজৰ নিজৰ পৰম্পৰা অনুসৰি পালন কৰে। মহাপুৰুষসকলৰ তিথি পালনত আউনীআটী সত্রত অন্নদান, নাম-কীর্তন, নটুৱা-নাচ, কীর্তনীয়া-ওজা, পৰিৱেশন, অতিথি শুশ্রূষা আদি মূল পালনীয় কর্তব্য। অন্নদান, ভোজ্য সামগ্রীৰ বিতৰণ আৰু নটুৱা-নাচ কীর্তনীয়া পূর্বৰ পৰা ধৰা-বন্ধা নীতি আকাৰে প্রচলিত হৈ আহিছে[১]। দামোদৰদেৱৰ তিথিত এই কার্যৰ বহল ব্যাখ্যা ৰামাৰায়ে গুৰুলীলাত

---

১ ভক্ষ্য ভোজ্য অন্নপান। দেন্ত কৰি বহুমান।। কীর্তনীয়া নটুৱাই। নানা ৰসে গুণ গায়।। দ্বিজ ৰামৰায়, গুৰুলীলা, পৃঃ ১৬৬

দাঙি ধৰিছে। সাধাৰণতে মহাপুৰুষৰ তিথিসমূহ মহোৎসৱৰূপে পালন কৰা হয়[২]। ইযাৰ বাবে শিষ্য প্রশিষ্য সমন্বিতে সকলোকে নিমন্ত্রণ দিযা নিয়ম। শঙ্কৰদেৱৰ তিথি উপলক্ষ্যে মাধৱদেৱে সেৱকসকলৰ যোগেদি সকলোকে তিথিলৈ নিমন্ত্রণ জনোৱা কথা চৰিত পুথিত উল্লেখ আছে[৩]। এই নীতি আজিও প্রচলিত হৈ আছে। পূর্বতে ৰজা-প্রজা সকলোৰে সহযোগত গুৰু তিথি পালন কৰাৰ কথা চৰিত পুথিসমূহত উল্লেখ আছে। সত্রভেদে মহাপুৰুষসকলৰ তিথি উদ্‌যাপনৰ ব্যৱস্থা সুকীয়া সুকীযা ধৰণৰ। ব্রহ্মাসংহতিৰ সত্রসমূহত ওপৰত উল্লেখ কৰা তিথিসমূহ এদিনীযাকৈ উদ্‌যাপন কৰে। পুৰুষ সংহতি আৰু নিকা সংহতিৰ সত্রসমূহৰ এই উৎসৱ দুদিনৰ পৰা চাৰিদিন পর্যন্ত উদ্‌যাপিত হয়। এদিনীয়াকৈ উদ্‌যাপিত হোৱা সত্রসমূহৰ তিথি পালনৰ ব্যৱস্থা মূলত চাৰি প্রকাৰৰ, (১) নিত্য প্রসঙ্গৰ বৃদ্ধি, (২) দিনৰ সবাহ, (৩) ৰাতি ভাওনা প্রদর্শন, (৪) চাউল সিধা আৰু জলপানৰ ব্যৱস্থা। মাজুলীৰ সত্রসমূহত হৰিদেৱৰ তিথি পালন কৰাৰ ব্যৱস্থা নাই। যিহেতু এই আর্হিৰ সত্র মাজুলীত বর্তমান নাই। অৱশ্যে বৈষ্ণৱ ধর্মৰ এগৰাকী ধর্মগুৰু হিচাপে পালনীয ৰীতিৰে তিথিত কৰণীয় কর্তব্য কৰি সম্মান জনায। সার্বজনীনভাৱে শঙ্কৰদেৱ, দামোদৰদেৱ, মাধৱদেৱ আৰু গোপালদেৱৰ তিথি মাজুলীৰ সত্রসমূহত উলহ-মালহেৰে উদ্‌যাপন কৰে। এই তিথিসমূহত পালন কৰা নির্দিষ্ট কর্মসমূহ এনে ধৰণৰ ঃ

---

২ শুনা যেন কথা আৰো আত অনন্তৰ।
ভৈল মহোৎসৱ তিথি শঙ্কৰদেৱৰ।।
সৱলোক গৈল হৰি কীর্তন চাহিত।
গৈলন্ত মাধৱদেৱ আনন্দিত চিত্ত।।
দৈত্যোৰি ঠাকুৰ, মহাপুৰুষ শ্রীশঙ্কৰদেৱ আৰু মাধৱদেৱ চৰিত, পদ ১৩১৪, ১৩১৫, পৃঃ ২২৯৫

৩ (ক) জগত গুৰুৰ শ্রাদ্ধ উৎসৱক প্রতি।
সকল সেৱক যেন আসয তহিতি।।
নিমন্ত্রণ শুনি পাছে সকলো আসিলা।।
দীননাথ বেজবৰুৱা, ৰৱচৰিত, পদ ২১৪৬, পৃঃ ১৫৪
(খ) বছৰি সপিণ্ডি আসি তাত পাচে ভৈলা।
ভক্তসকলক মাধৱদেৱে জান দিলা।।
কৰিলন্ত শ্রাদ্ধ বিধি ব্রাহ্মণ আসিযা।
দিলন্ত দক্ষিণা দান আনন্দ কৰিযা।
চৌৰাশী লক্ষৰ যত লোক নিৰন্তৰ।
হেন মহোৎসৱ শুনিলন্ত শঙ্কৰৰ।।
বালা বৃদ্ধ সুখী-দুখী লোক তত যত।
নাথাকিলে ঘৰে কেহো সবে আসিলন্ত।।
ৰামচৰণ ঠাকুৰ, গুৰুচৰিত, পদ ৩৯৫৫, ৩৯৫৬
দ্বিজ ৰামাৰায, গুৰুলীলা, পৃঃ ১৮৪, পদ ঃ ৯২৯

(১) নিত্য প্রসঙ্গৰ বৃদ্ধি ঃ মহাপুৰুষৰ তিথিৰ দিনা নিত্য-প্রসঙ্গৰ বৃদ্ধি হয়। এটি কীর্তন, পদ ঘোষা বা ঘোষা কীর্তন তিথি উপলক্ষ্যে বেছিকৈ গোৱা নিয়ম। পুৱাৰ প্রসঙ্গতে অতিৰিক্ত প্রসঙ্গৰ বৃদ্ধি ঘটে। পুৱা গায়ন-বায়নৰ প্রসঙ্গত নির্দিষ্ট তিথি উপলক্ষ্যে মহাপুৰুষ গৰাকীৰ ৰচিত গীত গাব লাগে। আন দিনত সত্রীয়া যিকোনো গীত পৰিৱেশন কৰিব পাৰিলেও এই দিনত মহাপুৰুষ ৰচিত গীত গোৱাটো অপৰিহার্য বিষয়। শঙ্কৰ-মাধৱৰ তিথিত ৰৱগীত পৰিৱেশন কৰিব লাগে। প্রসঙ্গৰ আৰম্ভণিতে মণিকূটত মহাপুৰুষজনাৰ উদ্দেশ্যে সম্মান জনাই মহাপ্রভুৰ সম্মুখত ৰৱশৰাইত নৈৱেদ্য দিয়ে।

(২) দিনৰ সবাহ ঃ তিথিৰ দিনা দিনত সবাহ অনুষ্ঠিত হয়। হিযা নাম, দিহা নাম, গায়ন-বায়ন, নটুৱা আৰু ওজা-কীর্তনীয়াৰ যোগেদি সবাহৰ সামৰণি মাৰে। দামোদৱদেৱ, গোপালদেৱৰ তিথিত গায়ন-বায়নৰ বাজনা আউনীআটী, দক্ষিণপাট, গড়মূৰ আদিত হাজোৱলীযা বাজনা ব্যৱহাৰ কৰে। শঙ্কৰ-মাধৱৰ তিথিত আউনীআটী, গডমূৰ আদিত অঙ্কীযা বাজনা বিশেষভাৱে ব্যৱহাৰ কৰে। ওজাপালি পৰিৱেশন কৰোঁতেও বিশেষকৈ শঙ্কৰদেৱৰ তিথিৰ দিনা সবাহত শঙ্কৰদেৱৰ ৰচিত দশম বা কীর্তনৰ পদ ওজাসকলে গায়। মাধৱদেৱৰ তিথিত দিনৰ সবাহৰ পৰিৱর্তে কেতিয়াবা অর্জুন ভঞ্জন বা দধিমথন নাটৰ ভাওনা অনুষ্ঠিত হয়। দিনৰ সবাহত দিহানামৰ পিছত আশীর্বাদৰ যি ব্যৱস্থা থাকে পৰম্পৰানুসৰি আশীর্বাদ থকাৰ উপৰি যি গৰাকী মহাপুৰুষৰ তিথি, সেই গৰাকীৰ নামত বিশেষ আশীর্বাদ থাকে। প্রকৃতার্থত সেই মহাপুৰুষগৰাকীৰ নামত সেইদিনৰ সবাহ উৎসর্গা কৰা হয়। উৎসৱ-পর্বৰ সবাহৰ যি ক্রম সেয়া সম্পূর্ণ ৰক্ষা কৰা হয। সত্রাধিকাৰ প্রমুখ্যে বৈষ্ণৱসকলে নীতিগতভাৱে সবাহত অংশ গ্রহণ কৰে।

(৩) ৰাতিৰ ভাওনা ঃ তিথি উপলক্ষ্যে ৰাতি ভাওনা অনুষ্ঠিত হয়। দামোদৱদেৱ, গোপালদেৱৰ তিথিত সত্রৰ সত্রাধিকাৰসকলে ৰচনা কৰা যি কোনো এখন মাতৃভাষাৰ নাটক অভিনয় কৰা হয়। শঙ্কৰ-মাধৱৰ তিথিত শঙ্কৰ-মাধৱে ৰচনা কৰা ব্রজাৱলী ভাষাৰ অঙ্কীয়া নাট পৰিৱেশন কৰে। অঙ্কীয়া ভাওনা পৰিৱেশন কৰোঁতে অঙ্কীয়া ভাওনাৰ নির্দিষ্ট পৰিৱেশন ৰীতি সম্পূর্ণ ৰক্ষা কৰা হয। মাতৃভাষাৰ নাটক পৰিৱেশন কৰোঁতে এনে নীতিৰ কিছু সাল-সলনি ঘটে। অৱশ্যে অঙ্কীয়া ভাওনাৰ ৰীতি সংযুক্ত হৈ থাকে। ভাওনাৰ শেষত মহাপুৰুষগৰাকীৰ উদ্দেশ্যে আৰু ভাৱৰীয়াসকলৰ অপৰাধ ভঞ্জন তথা মঙ্গলৰ নিমিত্তে আশীর্বদীয়াই আশীর্বাদ দিয়ে।

(৪) চাউল সিধা আৰু জলপানৰ ব্যৱস্থা ঃ তিথিত অন্নদানৰ ব্যৱস্থা মূল কার্য। মূল তিথিৰ দিনা সত্রৰ ভঁৰালৰ পৰা বৈষ্ণৱসকলক চাউল সিধা দিয়া নিয়ম। বৈষ্ণৱ সকলৰ লগতে সত্রৰ লগত জড়িত পাইক, চমুৱা আদিয়েও ভঁৰালৰ পৰা সিধা সংগ্রহ কৰি নিয়ে। আঁতৰৰ অতিথি সকলোকে চাউল সিধা দিয়াৰ ব্যৱস্থা থাকে যদিও তিথি

উপলক্ষ্যে সত্রত সমৱেত হোৱা ৰাইজক জলপান খুওৱাৰ বিশেষ ব্যৱস্থা থাকে। সত্রত বৈষ্ণৱসকলে তিথি উপলক্ষ্যে চাউল সিধা গ্রহণ কৰে যদিও তিথিৰ দিনা দিনৰ সাজ গুৰু-বৈষ্ণৱ সকলোৱে লঘোণ দিয়ে। মহাপুৰুষৰ তিথি উপলক্ষ্যে সত্রস্থিত সত্রাধিকাৰগৰাকীয়ে ব্রাহ্মণ-সজ্জনক সুৱর্ণ, বস্ত্র আদি দান দিয়াৰ ব্যৱস্থা আছিল। চাৰিবিধ অনুপান ব্রাহ্মণ-সজ্জনক দান দিযা আৰু অভ্যর্থনা কৰা পূর্বৰ বিশেষ প্রথা আছিল। দামোদৰ দেৱৰ তিথি উপলক্ষ্যে ভট্টদেৱে এই নীতি ৰক্ষা কৰাৰ কথা চৰিত পুথিত উল্লেখ কৰিছে ঃ

মেধী মহাজন ব্রাহ্মণ সজ্জন
সবে হোৱে এক স্থান।
প্রভু ভট্টদেৱ সমস্তকে দেন্ত
চাৰিবিধ অনুপান।।[৪]

এই চাৰিবিধ অনুপান ৰজত, কাঞ্চন আৰু অন্ন-বস্ত্রৰ কথা কোৱা হৈছে। বর্তমান এনে নীতি সত্রসমূহে সম্পূর্ণ ৰক্ষা কৰিব নোৱাৰিলেও সিধাৰ যোগেদি অন্নদানৰ ৰীতি ৰক্ষা কৰি চলিছে। ভকত-বৈষ্ণৱ আৰু অতিথি অভ্যাগত সকলক অভ্যর্থনা কৰাৰ উপৰিও ভাওনা কৰা বৈষ্ণৱসকলক পিছদিনা ভাওনাৰ জলপান দিযা সত্রৰ এক বিশেষ কর্তব্য। কোনো সত্রত সত্রাধিকাৰ তিথিপালনৰ মূল আয়োজনকাৰী হোৱা বাবে সত্রাধিকাৰৰ বাসভৱনত ভাওনা কৰা শিল্পীসকলক জলপান খুওৱাৰ ব্যৱস্থা থাকে। কোনো সত্রত সত্রৰ ভঁৰালৰ যোগেদি ভাওনা কৰা শিল্পী বৈষ্ণৱসকলক জলপান দিয়াৰ নিয়ম। সেই জলপান বৈষ্ণৱসকলে নিজৰ নিজৰ স্থানলৈ লৈ যায়।

পূর্বীয় প্রথামতে মূল তিথিৰ শেষত পিছৰ দিনা সত্রৰ লগত জড়িত মেধিসকলৰ পৰীক্ষা লোৱাৰ এক নীতিও প্রচলিত আছিল। ভট্টদেৱে দামোদৰদেৱৰ তিথি কৰা অন্তত এনে পৰীক্ষা লোৱাৰ কথা গুৰুলীলাত উল্লেখ কৰিছে ঃ

---

৪ দমোদৰ দেৱৰ চৰিতত এই কথা এইদৰে উল্লেখ কৰা হৈছে ঃ
(ক) আন মেধি ভকতক বস্ত্র বাটা দিলা।
সুগন্ধ চন্দন পুষ্প তাম্বুলে তুষিলা।।
(খ) দানে-দক্ষিণায়ে ভোজে সবাকে তুষিলা।
সুশীলা স্বামীৰ স্থানে বৈকুণ্ঠক গৈলা।।
নীলকণ্ঠ দাস, শ্রীশ্রীদামোদৰ দেৱ চৰিত্র, পদ ৪৩১, ৪৩২, পৃঃ ১১২, ১১৩

মহোৎসৱ শেষ দিনা যত যত
মেধিৰ মহলা লন্ত।
দুই চাৰি শ্লোক ভাগৱত ব্যাখ্যা
সবেও ক্রম কৰন্ত।।[৫]

এনে পৰীক্ষামূলক ব্যৱস্থা আৰ্হি কোনো কোনো সত্রত এতিয়াও প্রচলন আছে। তিথিত উৎসৱত লোক সমাৱোহ আৰু উৎসৱপূর্ণ পৰিৱেশৰ বাবে ৰভা দিয়াটো উৎসৱৰ মুখ্য আনুষ্ঠানিক পৰিৱেশ। সত্রবিলাকৰ নামঘৰতে উৎসৱৰ মূল কার্যসমূহ অনুষ্ঠিত হয় যদিও তেনে পৰিৱেশ ৰক্ষাৰ বাবে ৰভা-পৰলা দিয়াৰ কার্য আজিও সত্রসমূহত আছে। ৰভা দিয়া কার্যই উৎসাহ আৰু ৰং-আনন্দৰ ভাৱ কঢ়িয়াই আনে এনে অর্থ সূচক গৃহটিক ৰঙ্গীয়াল ঘৰ আখ্যা দিয়া হৈছে। পূর্বতে মাধৱদেৱে শংকৰদেৱৰ তিথি পালনৰ ক্ষেত্রত ৰঙ্গীয়াল ঘৰ ব্যৱহাৰ কৰাৰ কথা চৰিতপুথিত উল্লেখ আছে ঃ

ৰামানন্দ ঠাকুৰ থানত থাকিলন্ত।
শঙ্কৰৰ বাৎসৰিক আসি মিলিলন্ত।।
পোৰাভিঠা স্থানে ৰঙ্গীয়ালক বন্ধাই।
নিলন্ত মাধৱে ৰামানন্দক মতাই।।
ঠাকুৰৰ আগে হেন মাধৱ বদতি।
ঐতে শঙ্কৰৰ কর্ম কৰিয়ো সম্প্রতি।।[৬]

বর্তমানে এনে পৰিৱেশ সত্র সবাহত বিদ্যমান আছে যদিও এদিনীয়াকৈ পতা ব্রহ্ম সংহতিৰ সত্রসমূহত নামঘৰতে তিথিৰ মুখ্য কার্যসমূহ সম্পাদন কৰে। এদিনীয়াকৈ পতা সত্রসমূহত এই উৎসৱৰ দিনটোত দিনে-ৰাতিয়ে গুৰু-বৈষ্ণৱ সত্রত উপস্থিত থাকি নামঘৰৰ সমুদায় কার্যতে অংশ গ্রহণ কৰে। পুৱা উপবাসে থাকি মহাপ্রভুৰ নাম, বৈষ্ণৱ আৰু গুৰু সেৱা কৰা সকলোৰে বাবে অত্যাৱশ্যকীয় কার্য। সেইদৰে ৰৱনামত দিনৰ সবাহত আৰু ভাওনাৰ কার্যত কর্মী আৰু দর্শন শ্রৱণকাৰী দর্শক ৰূপে থাকি তিথিৰ কার্যৰ সমাপ্তি ঘটায়। দিনৰ সাজত লঘু আহাৰ কৰি ৰাতি অন্ন গ্রহণ কৰে। কোনো সত্রত এই তিথিত পূর্বৰ দিনা সত্রস্থ সকলোৱে হৱিষ্যান্ন গ্রহণ কৰাৰ নিযম আছে।

দুদিনীয়াকৈ পালন কৰা বেঙেনাআটী সত্রত শঙ্কৰ-মাধৱৰ তিথিত আগদিনা পুৱতী নিশা মঞ্জিৰা নাম গায়। সেইদিনাই নাম-কীর্তন কৰি কীর্তন-ঘৰ প্রদক্ষিণ কৰে। মূল

---

৫ দ্বিজ ৰামাৰায, গুৰুলীলা, পদ ৯৩০, পৃঃ ১৮৫

৬ নীলকণ্ঠ দাস, শ্রীশ্রীদামোদৰ দেৱ চৰিত্র, পদ ৪৫৭, ৪৫৮, পৃঃ ১২০

তিথিৰ দিনা পুৱা ভাগত সত্রাধিকাৰে গুৰু আসন পূজা কৰে লগতে বৈষ্ণৱসকলে নাম-কীর্তন কৰে। নিত্য প্রসঙ্গত পুৱা শঙ্কৰ-মাধৱৰ ৰচিত দুটি ৰৱগীতেৰে খোল প্রসঙ্গ কৰাৰ পিছত আঠ ফাঁকি ঘোষা আৰু চাৰিটা কীর্তনেৰে নাম শেষ কৰাৰ পিছত ভাগৱত পাঠ আৰু অন্তত পুনৰ এটা ৰৱগীতেৰে প্রসঙ্গ শেষ কৰে। দুপৰীযা দিনৰ সবাহ থাকে। ৰাতিলৈ মহাপুৰুষৰ তিথি উপলক্ষ্যে অঙ্কীয়া নাট পৰিৱেশন কৰে। এই সত্রত মাধৱদেৱৰ তিথিত কীর্তন তিনিটা দিয়াহে নিয়ম।[৭] কমলাবাৰী সত্রকেইখনত আৰু ভোগপুৰ আৰু বেলগুৰি সত্রত শঙ্কৰ-মাধৱৰ তিথি চাৰি দিনীয়াকৈ পালন কৰে। চাৰিটা দিনৰ চাৰিটা নামকৰণেৰে উৎসৱৰ পৰিচয দিযা হয। চাউল ভোজনী, থাপনী, কীর্তন আৰু ভাঙ্গনী। এই চাৰিদিন দিনে-ৰাতিযে অতিৰিক্ত নাম-প্রসঙ্গ, গাযন-বাযন আৰু সত্রীযা নৃত্য পৰিৱেশন কৰে। চাৰিদিনত সাতখন ধেমালি, পাঁচখন নাচ, ৰৱগীত, অঙ্কীযা আৰু মাতৃভাষাৰ দুখন ভাওনা থাকে[৮]। এই সত্রকেইখনত একে ৰীতিৰে মহাপুৰুষৰ তিথি পালন কৰে যদিও ভোগপুৰ, কমলাবাৰী সত্রৰ মাজত দুই এটা কার্যৰ পার্থক্য আৰু অগা-পিছা হোৱা দেখা যায। চাৰিদিনৰ পালনীয ৰীতি ভোগপুৰ সত্রৰ সত্রাধিকাৰৰ পৰা পোৱা তথ্য অনুসৰি ইযাৰ বৈশিষ্ট্যমূলক দিশসমূহ উল্লেখ কৰা হ'লঃ[৯]

তিথিৰ প্রথম দিনা চাউল ভোজনী ঃ এইদিনা পুৱা দুটা ৰৱগীত গায, তাৰ পিছত চাউল ভোজনীৰ সামগ্রী বিতৰণ কৰে। চাউল ভোজনীৰ বিতৰণৰ পিছত নামঘৰত কুলুপীযা ঘোষাৰে প্রসঙ্গ আৰম্ভ কৰে। ঘোষাৰ পিছত তিনিটা কীর্তন দি নাম সামৰে। তাৰ পিছত ভাগৱত পাঠ, দশম, কীর্তন, ৰত্নাৱলী, নাম-মালিকা আদিৰ ভিতৰত কোনো এখন পুথি পাঠ কৰে আৰু লগতে মহাপুৰুষৰ তিথি অনুসৰি সেই মহাপুৰুষৰ চৰিত্র পাঠ কৰে। তাৰ পিছত প্রসাদ বিতৰণ হয। প্রসাদ বিতৰণৰ অন্তত খোল-তালেৰে সৈতে গাযন-বাযন মান-চোকৰ তিনিটা ৰৱগীত গাই গুৰু-বন্দনা, ধেমালি বজায। ইযাৰ লগতে নটুৱা নৃত্য পৰিৱেশন কৰে। তাৰ পিছতে পুনঃ তালেৰে থিয হৈ কীর্তন গায। কীর্তনৰ অন্তত ওজা প্রসঙ্গৰে দিনৰ কার্য সামৰণি মাৰে। বিয়লি প্রসঙ্গত অতিৰিক্ত ঘোষা কীর্তন গায। এই দিনটোৰ ৰাতিৰ কার্যসূচীত গাযন-

---

৭ মনু হাজৰিকাৰ পৰা পোৱা হৈছে, বেঙেনাআটী সত্র।

৮ নাৰাযণ চন্দ্র গোস্বামী, সত্রীযা সংস্কৃতিৰ স্বর্ণৰেখা, পৃঃ ৪২
৭ খন ধেমালি ঃ (১) গুৰু মৃদঙ্গ, (২) চোট ধেমালি, (৩) ৰাম ধেমালি (৪) ৰৱপেটীযা ধেমালি, (৫) ন-ধেমালি ঃ (৬) ঘোষা ধেমালি, (৭) ৰৱ ধেমালি।
৫ খন নাচ ঃ (১) ঝুমুৰা, (২) নাদুভঙ্গী, (৩) চালি, (৪) বিহাৰ নাচ, (৫) প্রৱেশ নাচ ইত্যাদি।

৯ দত্তদেৱ গোস্বামী, ভোগপুৰ সত্র

বায়ন গাই বিশেষ প্রসঙ্গ কৰে, লগে লগে প্রথম দিনৰ কার্যৰ সামৰণি পৰে।

দ্বিতীয় দিনা থাপনি ঃ দ্বিতীয় দিনা পুৱা ভাগত আগৰ দিনাৰ দৰেই প্রসঙ্গৰ ক্রম শেষ হয়। এই দিনৰ গায়ন-বায়নৰ লগত নাদুভঙ্গী নাচ পৰিৱেশন কৰে। নাদুভঙ্গী নাচৰ অন্ততে ঘাইবস্তু বৰতাল, খোল-তাল আদিৰে ঘোষা, খৰমান গীত গাই কীর্তন ঘৰলৈ উলিয়াই আনি স্থাপন কৰে। খোল-তালেৰে ৰাগ-ৰাগিনী দি দিনৰ ভাগতে চালি নাচ নচুৱায়। দিনৰ কার্যৰ পিছত গধূলি পুনৰ গায়ন-বায়নেৰে ৰাম ধেমালি গায়। ধেমালিৰ শেষত বেলোৱাৰ গীত গাই বৰ প্ররেশৰ নাচ নচুৱায়।

তৃতীয় দিনা কীর্তন ঃ কমলাবাৰী সত্রকেইখনত এই দিন কীর্তন বুলি জানিলেও ভোগপুৰ সত্রত এই দিনক মূল তিথি বুলিয়েই পৰিচয় দিয়ে। এই দিনত সূর্য উদয়ৰ পৰা খোল-তালেৰে পুৱাৰ প্রভাতী গীত গায়। বৰগীত, অঙ্কৰগীত, মান-চোকাৰ গীত প্রভাতী গীতৰ অন্তর্ভুক্ত। আন কেইদিনৰ দৰে পুৱাৰ প্রসঙ্গ নিয়মিত ৰূপে চলে। এইদিনত কীর্তন চাৰিটা দিযা নিয়ম। যিজনা মহাপুৰুষৰ তিথি পালন কৰা হয়, সেই জনাৰ চৰিত্র পুথি আন দুদিনৰ দৰে পাঠ কৰা হয যদিও এই দিনৰ জন্মৰ পৰা প্রয়াণলৈকে চৰিত্রপাঠ কৰা ধৰা-বন্ধা কথা। এই দিনত চৰিত্র পাঠকে ধৰি কীর্তনৰ পয়োভৰ যথেষ্ট থাকে বাবে এইদিন কীর্তন নামেৰে পৰিচয লাভ কৰে। দিনৰ ভাগত এই দিনতো গায়ন-বায়নৰ ধেমালি, বিহাৰ নাচ, ওজাপালি আদি পৰিৱেশন কৰে। এই দিনৰ ধেমালি বৰপেটীয়া ধেমালি। ৰাতি মহাপুৰুষ ৰচিত অঙ্কীযা নাটেৰে তৃতীয় দিনৰ কার্য সামৰণি মাৰে।

চতুর্থ দিনা ভাঙনি ঃ এই দিনত আন কেইদিনৰ দৰে প্রসঙ্গ কৰাৰ উপৰিও ঘোষা-কীর্তন, খোলৰ প্রসঙ্গ আৰু যাত্রা ঘোষা থাকে। কীর্তন ঘোষা, চৰিত্র পাঠ আৰু নাম-প্রসঙ্গৰে দিনৰ ভাগতে তিথিৰ উৎসৱৰ সামৰণি মাৰে। চৰিত্র পাঠৰ পিছতে পুনৰ সন্মানেৰে সৈতে আগৰ ক্রমেৰে ঘাইবস্তু বা ঘাইশাস্ত্র কীর্তন ঘৰৰপৰা গুৰু গৃহলৈ লৈ যায়।

কমলাবাৰী সত্রকেইখনত শঙ্কৰ-মাধৱৰ দৰে এই সত্র প্রতিষ্ঠাতা পদ্মআতাৰ তিথিও চাৰিদিনীয়াকৈ পাতে। মন কৰিব লগীয়া যে শঙ্কৰ-মাধৱৰ বাহিৰে পদ্ম-আতা বা আনৰ তিথিত এই সত্রকেইখনত মানচোক নাগায় আৰু ভাওনা নকৰে।

গোপাল আতাৰ তিথি ঃ কালসংহতিৰ সত্রসমূহত গোপাল আতাৰ তিথি মহাপযোভৰেৰে উদ্‌যাপন কৰে। কাৰণ এই সংহতি তথা সত্রসমূহ প্রতিষ্ঠাৰ ক্ষেত্রত গোপাল আতাৰ বিশেষ ভূমিকা আছিল। মাজুলীৰ আঁহতগুৰি সাঁকোপাৰ, গজলা আৰু চকলা সত্র এই আৰ্হিৰ সত্র। এই চাৰিখন সত্রত তিনিদিনীয়াকৈ গোপাল আতাৰ তিথি পালন কৰে। প্রথমটো দিনত তিথি উপলক্ষ্যে ৰাতিপুৱা প্রসঙ্গ, দুপৰীয়া প্রসঙ্গ

আৰু ইয়াৰ লগে লগে খোলৰ চাহিনী বজাই ধুৱা গীত পৰিৱেশন কৰে। ধুৱাৰ পিছতে সোণাৰ ভঙ্গী অর্থাৎ কৃষ্ণভঙ্গী নাচ নাচে। ৩, ৬, ৯ বা ১২ জনলৈকে সমৱেত হৈ এই নৃত্য প্রদর্শন কৰে। ইযাৰ পিছতেই প্রসাদ বিতৰণ হয়। বিয়লি তিথি উপলক্ষ্যে বাসুদেৱ মূর্তি নামঘৰলৈ উলিয়াই বাদ্য-গীতেৰে উপাসনা কৰে। ইয়াত বজোৱা বাজনাক 'বঙলা বাদ্য বাজনা' বুলি কোৱা হয়। বাজনাৰ লগত গীতৰ পয়াৰ থাকে। বিয়লি এই কার্য সমাপ্তিৰ পিছত গোপাল আতাৰ ৰচিত জন্ম যাত্রা নাটক অভিনয় কৰে। ৰাতিলৈ বিশেষকৈ শঙ্কৰদেৱ ৰচিত ৰুক্মিণীহৰণ বা পাৰিজাত হৰণ নাটৰ ভাওনা পুনৰ পৰিৱেশন কৰাৰ নিযম আছে। এইদৰে প্রথম দিনৰ কার্যক্রম শেষ হোৱাৰ পিছত দ্বিতীয় দিনা দিনৰ ভাগত গোপাল আতাৰ চৰিত পুথি পাঠকে পাঠ কৰে আৰু ভকত সকলৰ মাজত ব্যাখ্যা আৰম্ভ হয়। প্রাচীন পৰম্পৰাত এই দিনতো দিনত খোলৰ চাহিনী আৰু ৰাতি ভাওনা কৰা নিযম আছিল। এইদৰে তৃতীয় দিনাও আগদিনাৰ আধৰুৱা অংশৰ পৰা পুনৰ চৰিত্র পাঠ আৰু ব্যাখ্যা অনুষ্ঠিত হয। ৰাতি সত্তৰ অনুযাযী ভাওনা কৰে। এই আর্হিৰ সত্রকেইখনত শংকৰ-মাধৱৰ তিথি এদিনীয়াকৈ অনুষ্ঠিত কৰে যদিও তিথিৰ দিনা দিনে ৰাতিযে দুখনকৈ ভাওনা কৰাটো অনিবার্য বিষয। সাধাৰণতে মহাপুৰুষ দুজনাৰ নাটেই অভিনয কৰে। কিছু এৰাধৰা হ'লেও বর্তমানেও মাজুলীত থকা আঁহতগুৰি আৰু চকলা সত্রত এই তিথিসমূহ এনেদৰে পালিত হৈ আহিছে। আঁহতগুৰি সত্রৱ প্রতিষ্ঠাপক সত্রাধিকাৰ শ্রীৰাম আতাৰ তিথিও আঁহতগুৰি সত্রত এই আর্হিৰে উলহ-মালহেৰে পালন কৰে[১০]। গোপাল আতাক যিদৰে গুৰুত্ব দিয়া হয, সেইদৰে কালসংহতিৰ দিনজয, মাযামৰা আদি সত্রত অনিৰুদ্ধদেৱৰ তিথিও সমান গুৰুত্বৰে পালন কৰে।

কালসংহতিৰ সত্রবিলাকত এটি বৈশিষ্ট্যপূর্ণ দিশ আছে। তিথি পর্বত বস্তি বা চাকি প্রজ্বলন কৰা নহয়। উৎসৱ-পর্বত উপাসনাত যিদৰে নৈৱেদ্য ধূপ, বস্তি উৎসর্গা কৰা এক ধৰা-বন্ধা নিযম, এই আর্হিৰ সত্রত বস্তি উৎসর্গা কৰা নহয়। ইয়াৰ তাৎপর্য হ'ল গুৰুৰ প্রাধান্য। গুৰুক প্রদীপ্তমান সূর্যৰ লগত তুলনা কৰা হয়। সাক্ষাৎ জ্ঞানবস্তি স্বৰূপ গুৰু থকাৰ বাবে আন বস্তিৰ প্রয়োজন বোধ নকৰে। সেয়ে ৰাতি পোহৰৰ বাবে চাকি জ্বলালেও মাঙ্গলিক কর্মত বা উৎসৱ-পর্বত চাকি ব্যৱহাৰ নহয।

এইদৰেই সত্রসমূহত মহাপুৰুষসকলৰ তিথি পৰম্পৰাগতভাৱে চলি অহা নিজ নিজ সত্রৰ নিয়ম অনুসৰি পালন কৰে।

---

[১০] এই সংহতিৰ এনে তথ্য আঁহতগুৰি সত্রৰ অতুলানন্দ গোস্বামীৰ পৰা পোৱা গৈছে।

২. নিজ সত্রৰ সত্রাধিকাৰসকলৰ তিথি পালন ঃ

সত্রাধিকাৰ এগৰাকীৰ প্রয়াণৰ পিছত দাহাদি কর্ম, দহা কর্ম, আদ্যশ্রাদ্ধ পালন প্রাথমিক কার্য যদিও ত্রিপাক্ষিক, ছমহীয়া, বছৰেকীয়া শ্রাদ্ধ পালন কৰা সত্রসমূহৰ পৰম্পৰাগত কর্তব্য। এনে কর্তব্যসমূহৰ লগত প্রযাত সত্রাধিকাৰগৰাকীৰ অস্থি গঙ্গা, প্রয়াগ আদিত তর্পণ কৰা আৰু তীর্থ পিণ্ড প্রদান কৰাও ধৰাবন্ধা বিষয়। গোপালদেৱৰ অস্থি জয়হৰিদেৱে গঙ্গাত লগোৱা আৰু ত্রিপাক্ষিক শ্রাদ্ধ কৰাৰ কথা বংশী গোপালদেৱৰ চৰিত্রত পোৱা যায় ঃ

যথা যোগ্য ত্রিপাক্ষিকো কৰিলা দেৱৰ।
দান পুণ্য সমস্তক কৰিলা বিস্তৰ।।
পাছে দুয়োদেৱে ভক্তসমে আলচিলা।
গঙ্গাৰ তীৰক অস্থি নিবে ইচ্ছা ভৈলা[১১]।।

শংকৰদেৱে তীর্থত পিণ্ডদান কৰা কার্য কেবাখনো চৰিতপুথিত এনেভাৱে উল্লেখ কৰিছে[১২]। এনে কার্যসমূহ নির্ধাৰিতভাৱে পালন কৰাৰ পিছত বছৰৰ মূৰত পৰা একোদিষ্ট শ্রাদ্ধ কৰি প্রতি বছৰে গুৰু তিথি উদ্‌যাপন কৰা সত্রীয়া জীৱনধাৰাৰ বিশেষ ৰীতি। সত্রসমূহত সত্রাধিকাৰ তথা গুৰু তিথি পালন কৰাৰ ক্ষেত্রত প্রতিষ্ঠা দিনৰ পৰা সকলো সত্রাধিকাৰৰ তিথি স্মৰণীয় হ'লেও বর্তমান সত্রাধিকাৰৰ ওপৰত তিনি গৰাকী প্রয়াত সত্রাধিকাৰৰ তিথিহে উৎসৱ আকাৰে পালন কৰে। ওপৰৰ সকলৰ তিথিত উৎসৱপূর্ণ পৰিৱেশ নাথাকিলেও তিথি উপলক্ষ্যে নৈৱেদ্য অর্পণৰ ব্যৱস্থা অতিৰিক্ত পদ-ঘোষাৰ প্রসঙ্গ আৰু বর্ধিত আশীর্বাদ থাকে। সকলো জনৰে তিথি সমানে আয়োজন কৰা সম্ভৱ নহয় বাবে এনে সংকোচনৰ নীতি মানি চলা হয়। উপৰি তিনি পুৰুষৰ তিথি একেদৰে পালন কৰিলেও বর্তমান জনৰ আগৰগৰাকীৰ তিথি বৰ মহোৎসৱ আখ্যাৰে পালন কৰা হয়। বৰ মহোৎসৱত আনুষ্ঠানিক পৰিৱেশ আৰু আচাৰ-নীতি একে থাকিলেও যা-যোগাৰ আৰু আড়ম্বৰ অধিক হয়।

মহাপুৰুষসকলৰ তিথি পালনৰ লগত সত্রাধিকাৰসকলৰ তিথি পালনৰ সাদৃশ্য থাকিলেও এনে তিথি পালনৰ দুই এটা আনুষ্ঠানিকতাৰ পার্থক্য থাকে। মূলতঃ ব্রহ্ম সংহতিৰ সত্রসমূহত সত্রাধিকাৰসকলৰ তিথি পালনত শ্রাদ্ধ পিণ্ড কর্ম, বর্ধিত প্রসঙ্গ,

---

১১ ৰমানন্দ দ্বিজ, শ্রীশ্রীবংশীগোপাল দেৱৰ চৰিত্র, পদ ১০৮৮, পৃঃ ২২৬

১২ গুৰু চৰিত কথা, সম্পা মহেশ্বৰ নেওগ, কথা ৬৪, পৃঃ ২৬
ভূষণদ্বিজ, শ্রীশ্রীশংকৰদেৱ, পদ ১২৯, ১৩০, পৃঃ ৩০
ৰমানন্দ দ্বিজ, শ্রীগুৰু চৰিত, পদ ২৩৩, ২৩৪, পৃঃ ৫৮

দিনৰ সবাহ, ৰাতিৰ ভাওনা, নাম প্রসঙ্গ, চাউল সিধা বিতৰণ আদি ঘাই কার্যসূচী স্বৰূপে পালন কৰা হয়। ইয়াৰ উপৰি অতিথি শুশ্রূষাও এটি মুখ্য কর্তব্য।

সত্রাধিকাৰৰ তিথিত শ্রাদ্ধকর্ম কৰা অপৰিহার্য বিষয়। শ্রাদ্ধ বুলিলে হোম তর্পণ, অন্নদান আৰু অতিথি শুশ্রূষা অন্তর্ভুক্ত হয়। শ্রাদ্ধত কর্ম সাধাৰণতে মণিকূট গৃহতে সম্পন্ন হয়। বর্তমান থকা সত্রাধিকাৰে এই শ্রাদ্ধকর্ম কৰা নিয়ম। সত্রাধিকাৰে আগদিনাই উপবাসে থাকি পুৱা নিত্য প্রসঙ্গৰ সামৰণিৰ লগে লগেই শ্রাদ্ধকার্যত বহে। মহা পূজাৰে শ্রাদ্ধকার্য আৰম্ভ কৰে। শ্রাদ্ধত অন্নদান মূল অঙ্গ যদিও এনে অন্নদানৰ তাৎপর্য অনুসৰণ কৰি বহলভাৱে সত্রস্থিত ভকত বৈষ্ণৱক আৰু অভ্যাগতসকলক চাউল সিধা বিতৰণ কৰে। শ্রাদ্ধত পুৰোহিত আৰু সহযোগকাৰী উপাচাৰ যোগাওঁতাসকলক শুশ্রূষা কৰিলেও শ্রাদ্ধ উপলক্ষ্যে অহা শিষ্য-প্রশিষ্য সমন্বিতে সকলোকে অভ্যর্থনা কৰা মূল শুশ্রূষা। অন্নপিণ্ড[১৩] জলত বা অগ্নিত অর্পণ কৰা নিয়ম। শ্রাদ্ধৰ আৰম্ভণিত ডবা-তাল বজাই ইয়াৰ জাননী দিয়া হয়। ডবা-তালৰ লগত কালীযা, ভেৰুৱা, ঢুলীয়াই ক্রমে কালি, ভেৰু আৰু ঢোল বজাব লাগে। শ্রাদ্ধ অৱস্থাত নামঘৰত অতিৰিক্ত নাম-প্রসঙ্গ চলি থকা নিয়ম। আউনীআটী সত্রত শ্রাদ্ধ চলি থকা অৱস্থাত সবহুৱা বৈৰাগী নাম গায়। এই বৈৰাগীনাম গোৱা সময় সীমা এনেদৰে ধৰি ৰখা হৈছে যাতে শ্রাদ্ধ অন্ত হোৱাৰ লগে লগে বৈৰাগী নামবো সামৰণি পৰে। সত্রীয়া পৰম্পৰাত শ্রাদ্ধ কর্তাক সহায় কৰিবলৈ বিশেষ কর্মী থাকে। মূল পুৰোহিতৰ উপৰি সহায়কাৰী কর্মীসকল হ'ল ৰৱদেউৰী, বাগীশ, ভাগৱতী, দেউৰী, মলীয়া, ধূপীয়া, মিঠৈবন্ধা আদি। শ্রাদ্ধ পূজাৰ অন্ততে অধিকাৰে এইসকলক শ্রাদ্ধৰ অংশ গ্রহণকাৰী ৰূপে খনিয়া নির্মালি প্রদান কৰি ৰৰণ কৰে। সেই সময়তে মলিয়া জনাই মণিকূটৰ বাহিৰত বৈৰাগী নাম গোৱা ভকতসকলক নির্মালি দিয়ে। এই নির্মালি পাওঁতাসকলৰ ভিতৰত বৰ নামলগোৱা, বৈৰাগী নামলগোৱা, পালনমীয়াসকল থাকে। শ্রাদ্ধৰ ঘণ্টা বাদ্যৰ লগে লগে মণিকূটৰ বাহিৰত কালি, ভেৰু আদি ধ্বনি কৰা কালিয়া, ভেৰুৱা আৰু ঢুলীয়াকো মালিয়াই নির্মালি দিয়ে। শ্রাদ্ধৰ অন্তত এই বাদ্যকাৰসকলে সমৰোল বাদ্য ধ্বনি কৰি বাদ্যৰ উৎসৱ পাতে। শ্রাদ্ধৰ অন্তত পুৰোহিতে আশীর্বাদ কৰি অধিকাৰক নির্মালি প্রদান কৰে লগতে ডেকা

---

১৩ পিতৃ শ্রাদ্ধ দিনা আনি বিষ্ণুৰ অন্নক।
ভক্তিভাৱে দেয় যিটো পিতৃ দেৱতাক।।
অন্নবিণ্ডে দেয় যিটো তিল মিহলাই।
কোটি কল্পমানে তৃপ্তি হোৱন্ত পিতৃ খাই।।
শংকৰদেৱ, কীর্তন, সম্পা যতীন্দ্রনাথ গোস্বামী, পদ ২২০, পৃঃ ৫৬০

গোসাঁইসকলো নির্মালি দিয়ে। বাগীশ, ভাগৱতী, ৱৰদেউৰী, ধনডৱালী, চাউল ভৱালী, আলধৰা, গুৱাকটা আদি সত্রৰ প্রধান বিষয় ৱবীয়া সকলকো পুৰোহিতে শ্রাদ্ধৰ নির্মালি দিয়ে। সত্রবিলাকত শ্রাদ্ধ আৰু বৈদিক কর্মৰ বাবে সুকীয়াকৈ পুৰোহিতৰ ঘৰ থাকে। সেই পুৰোহিতে আহি শ্রাদ্ধ কর্ম কৰে। এনে পৰম্পৰাত আউনীআটী সত্রৰ মধুমিশ্র সত্র, দক্ষিণপাট সত্রৰ শিয়ালমৰীয়া সত্রই পুৰোহিত কৰাৰ ধৰাবন্ধা নীতি আছে। আন আন সত্রবিলাকৰ ক্ষেত্রতো পুৰোহিত এঘৰ পৃথকে থকা সম্পর্ক আছিল। অৱশ্যে বর্তমানে এনে নীতিৰ সালসলনি ঘটিছে। পৰম্পৰা সূত্রে থকা পুৰোহিত ঘৰৰ লগতে সম্বন্ধ নোহোৱা হৈছে। ফলত সত্রতে পুৰোহিত কার্যৰ বাবে মূল বিষয়ৱবীয়াক নিয়োগ ক ৰাৰ নিয়ম প্রচলিত হৈছে। ইয়াৰ ভিতৰত সত্র বিশেষে বাগীশ, ভাগৱতী, ৱৰপূজাৰী, পালি পূজাৰী আদি নিয়োগ হয়। শ্রাদ্ধান্তত শ্রাদ্ধত সহযোগ কৰা পুৰোহিতৰ লগতে সকলো কর্মকর্তাই সত্রাধিকাৰৰ পৰা দক্ষিণা লাভ কৰে। এই দক্ষিণাৰ লগত প্রত্যেকেই একোটা ভোজনী পায়। শ্রাদ্ধ ভগাতে মণিকূটত গুৱাকটীয়াই মনুৱাসকলক গুৱাৰ টোপোলা দিয়ে। দক্ষিণাৰ অন্তত সত্রাধিকাৰ জনাই নিজৰ বাসভৱনলৈ আহি শ্রাদ্ধৰ কর্মকর্তাসকলক ভোজন কৰোৱায় আৰু নিজেও ভোজন গৃহলৈ যায়। এই সময়তে ডেকা গোসাঁইসকলেও ইয়াতে আহাৰ গ্রহণ কৰে।

মহোৎসৱ উপলক্ষ্যে নামঘৰত বৃদ্ধিকৃত্য থাকে। মহোৎসৱৰ পূর্ব দিনা আউনীআটীত নিশা ওজা প্রসঙ্গ কৰাৰ পিছত পলীয়া গায়ন-বায়নে গীত এটি গাই তিথি কার্য বা মহোৎসৱৰ জাননী দিয়ে। দক্ষিণপাট সত্রত তিথিৰ আগদিনা ৰাতি থাপনা অর্থাৎ পদ ঘোষা গাই কার্যৰ আৰম্ভণি ঘটায়। বেঙেনাআটী সত্রত এই দিনত ৰাতি থিয়নামৰ দ্বাৰা এই কার্যৰ জাননী দিয়ে। সকলো সত্রতেই মূল তিথিৰ দিনা নিত্য প্রসঙ্গত অতিৰিক্ত প্রসঙ্গ ৰূপে এটা কীর্তন বেছিকৈ গায়। লগতে ৱৰনামত এটা বঢ়া প্রসঙ্গ আৰু ৱৰনামৰ অন্তত পদঘোষা অতিৰিক্ত থাকে। আউনীআটী সত্রত শ্রাদ্ধৰ লগে লগে গোৱা ৰৈৰাগী নামৰ শেষত আৰু দুটা কীর্তন দিয়ে। দিনত তিথিৰ সবাহত হিয়ানাম, দিহানাম, আশীর্বাদ, গায়ন-বায়ন, নটুৱা আৰু ওজা অপৰিহার্য অঙ্গ। আশীর্বাদত তিথি পালন কৰা সত্রাধিকাৰগৰাকীৰ নামত বিশেষ আশীর্বাদ থাকে। ইয়াৰ যোগেদি দিনৰ সবাহ সেই উদ্দেশ্যে উৎসর্গা কৰে। এই তিথি সবাহত ৱৈষ্ণৱসকলক তথা উপস্থিত ৰাইজক নামৰ প্রসাদ দিয়ে যদিও আউনীআটী সত্রত গোসাঁইসকলক প্রসাদৰ শৰাই নিদিয়ে, যিহেতু সেই দিনা গোসাঁইসকল শ্রাদ্ধ কর্তা ৰূপত সেৱকী হৈ থাকে। পিতৃ স্বৰূপ উপৰি সত্রাধিকাৰগৰাকীৰ তিথিৰ দিনা প্রসাদৰ শৰাই খনিৰে যচা যি সম্মান সেই দিনা সত্রাধিকাৰ তথা এই সত্রৰ আন গোসাঁইসকলেও ত্যাগ কৰে। সেইদিনা ব্রতী সেৱক ৰূপে সত্রাধিকাৰসকলে তিথিৰ কর্তব্য পালন কৰে। প্রত্যেক সবাহত নামলগোৱা গায়ন-

বায়ন আৰু ওজাখেলে তামোল-পাণৰ চৰু বা টোপোলা পায়। অৱশ্যে একাদশীৰ সবাহত টোপোলা নাথাকে। নামলগোৱা, গায়ন-বায়ন আৰু ওজাই এনে টোপোলা পোৱাৰ উপৰিও নিজৰ প্রসঙ্গ কার্যৰ অন্তত সত্রাধিকাৰৰ পৰা গুৱা লাভ কৰে। নামলগোৱা আশীর্বদীয়াই খনিয়া নির্মালিও লাভ কৰে। হিয়ানামৰ দিহা গোৱাতে পূজাৰী দুজনে সমূহ বৈষ্ণৱক গুৱা দিয়াৰ নিয়ম। অৱশ্যে বর্তমানে এনে নিয়ম নোহোৱা হৈছে। সবাহৰ অন্তত সময় থাকিলে সকলো উৎসৱতে বিয়লা প্রসঙ্গ কৰে। কিন্তু মহোৎসৱৰ বেলিকা আউনীআটী সত্রত বিয়লা প্রসঙ্গ নাথাকে। ৰাতি ৰৰমহোৎসৱ উপলক্ষ্যে ভাওনা হোৱাটো অপৰিহার্য বিষয়। ভাওনা নাথাকিলে নিশা হিয়ানাম, দিহানাম, পদ আৰু ওজা গায়। ৰাতিএনে কার্য হ'লে সেইদিনা গধূলি নিত্য প্রসঙ্গ নাথাকে। দক্ষিণপাট সত্রতো ভাওনা নাথাকিলে ৰাতি উঠা নাম গায়। এই উঠা নামৰ পিছত মানোৱাইসকলে প্রতিজনে বৈকুণ্ঠগামী গুৰুক স্মৰণ কৰি হৰিধ্বনি দিয়ে। তাৰ পিছত ওজা আৰু গায়ন-বায়নৰ খোলৰ প্রসঙ্গ হয়। ৰাতিৰ কার্য শেষ হোৱাৰ লগে লগে মহোৎসৱৰ সামৰণি পৰে। মহোৎসৱ সামৰণিৰ লগে লগে পুনৰ নাম লগোৱাসকলে ভোজনী একোটাকৈ পায়। লগতে জলপনীয়া চাউল, গুৰ পায়। মহোৎসৱত পুৱাতে বৈষ্ণৱসকলক যি চাউল ভোজনী দিয়ে ৰৰমহোৎসৱৰ এই চাউল সিধাক 'ৰৰ ভোজনী' বুলি কোৱা হয়। ৰৰমহোৎসৱত ঘিউ, চেনী, গুৰ, গাখীৰ কিছু বেছিকৈ দিয়াৰ নিয়ম। আউনীআটী সত্রত প্রয়াত ডেকাধিকাৰসকলৰ তিথিও মহোৎসৱ ৰূপে পালন কৰাৰ বিধি আছে। এই তিথিৰ শ্রাদ্ধাদিৰ মূলকার্য সম্পন্ন কৰে সত্রত থকা ডেকাধিকাৰে। ডেকাৰ তিথি উপলক্ষ্যে সমুদায় দ্রব্য দুই ভঁৰালৰ পৰা গোটাই দিয়াৰ নিয়ম। ডেকাৰ তিথি হ'লে নিত্যনামৰ ভাগৱত থোৱাতে হিয়ানাম, দিহা, গায়ন-বায়ন, ওজা গাই সমাপ্ত কৰে। নিত্য প্রসঙ্গত বৃদ্ধি প্রসঙ্গ নাথাকে। মহোৎসৱ ভাগিলে কেৱল শঙ্খ এটাৰে মঙ্গল ধ্বনি কৰে। ডবা বজোৱা আৰু আন ধ্বনি কৰা নিয়ম নহয়। ইয়াৰ মূল কাৰণ, সত্রাধিকাৰ আৰু ডেকাৰ তিথিৰ মাজৰ পার্থক্য ৰক্ষা কৰে। ডেকাৰ তিথি পালনত আন শ্রাদ্ধৰ দৰে পুৰোহিত প্রমুখ্যে কর্মকর্তাসকলে সহযোগ কৰে। ইয়াৰ অতিৰিক্ত ডেকাৰ আলধৰা দেউৰীজন উপস্থিত থাকিব লাগে। এই দেউৰীজনেই পিণ্ড আদি সজাই দিয়া নিয়ম। শ্রাদ্ধ কর্ম আন শ্রাদ্ধৰ দৰে মণিকূট গৃহত সম্পন্ন হয়। সত্রাধিকাৰসকলৰ তিথি পৰাৰ লগে লগে তিথিৰ মূল প্রস্তুতি কার্য চলে যদিও এমাহ দুমাহমানৰ আগতে মহোৎসৱসমূহৰ আয়োজন হয়। ইয়াৰ বাবে সত্রৰ শিষ্য মণ্ডলীক মেধি মুক্তিয়াৰৰ যোগেদি জাননী দিয়া হয়। সেই জাননী পোৱাৰ লগে লগে শিষ্যসকলে যথা সম্ভৱ দ্রব্য, অৰিহণা সত্রলৈ আগবঢ়ায়। মেধি, মুক্তিয়াৰ আদি বিষয়ববীয়াসকলে এই দ্রব্যসমূহ সংগ্রহ কৰি সত্রত সোধায়। কেতিয়াবা সত্রৰ পৰা পাচনী গৈও ৰাইজে দিয়া দ্রব্যসমূহ সংগ্রহ কৰি সত্রলৈ

আনে। যথা সময়ত মূল তিথিত উপস্থিত হোৱাকৈ আগদিনা শিষ্যসকল সত্রলৈ আহে। শিষ্যসকলৰ লগত সত্র অনুৰাগী শ্রদ্ধা থকা ব্যক্তি সকলেও তিথি উপলক্ষ্যে উপস্থিত হয়হি। এই সমুদায় শিষ্য-প্রশিষ্য, অভ্যাগতসকলক সত্রৰ ভঁৰালৰ পৰা চাউল সিধা আৰু জলপানৰ সামগ্রী দি অভ্যর্থনা জনায়। সত্র বিশেষে বিবিধ কার্যত কায়িকভাৱেও এই শিষ্যসকলে সহায় কৰে। অৱশ্যে বর্তমানে কোনো কোনো সত্রত এনে ৰীতিসমূহৰ কিছু সালসলনি ঘটিছে। এনে অনুষ্ঠানৰ মূল কার্য বৈদিক নিয়মেৰে কৰা হ'লেও বাকী সকলো অনুষ্ঠান স্থানীয় সাংস্কৃতিক পৰম্পৰাৰ লগত ওতঃপ্রোতভাৱে জড়িত।

৩. আদর্শ ৰক্ষাত বাৎসৰিক তিথিসমূহৰ গুৰুত্ব ঃ

সত্রত নিজ সত্রৰ প্রয়াত সত্রাধিকাৰ আৰু অসমীয়া জনসমাজত সর্বজন স্বীকৃত মহাপুৰুষসকলৰ তিৰোভাৱ তিথি প্রতি বছৰে অৱশ্যে পালনীয় কর্ম। সংহতি অনুসৰি এই তিথিসমূহ নিজস্ব ৰীতিৰে পালন কৰা হয়। সত্রীয়া আদর্শসমূহ ৰক্ষাৰ বাবে তিথি পালনে এটি বিশেষ ভূমিকা গ্রহণ কৰি আহিছে। গুৰুসকল সত্রৰ আদর্শৰ ঘাই বাহক। গুৰু তিথি উদ্‌যাপনৰ যোগেদি নিজা নিজা সত্রৰ মূল নীতি আৰু নিয়মৰ পুনৰাবৃত্তি কৰা হয়। (১) গুৰুৰ প্রতি শ্রদ্ধা, (২) বৈদিক শ্রাদ্ধ তর্পণ, (৩) গুৰু তিথিৰ দিনা বিশেষ নামকীর্তন, (৪) গুৰু তিথি উপলক্ষ্যে ভাওনা প্রদর্শন, (৫) গুৰু তিথিৰ দিনা চৰিত তোলা প্রথা, (৬) গুৰু তিথিত সত্রীয়া প্রসঙ্গীয়া বৈষ্ণৱৰ নির্মালি গ্রহণ আৰু (৭) গুৰু তিথি উপলক্ষ্যে ব্রত উপবাস পালন আদি কর্ম কম বেছি সকলোৱে সম্পাদন কৰে। গুৰুতিথি পালন এটি মহোৎসৱ স্বৰূপেও স্বীকৃত হৈ আহিছে[১৪]।

গুৰুৰ প্রতি শ্রদ্ধা ঃ যিসকলৰ আদর্শত এখন সত্র প্রতিষ্ঠা হয় আৰু যি আদর্শ অনুসৰণ কৰি সত্র পৰিচালিত হয় সেই সন্তসকলক সত্রখনৰ আদর্শ গুৰুৰূপে গ্রহণ আৰু মান্য কৰা হয়। এইসকলৰ লগতে সত্রৰ প্রতিজন সত্রাধিকাৰ গুৰু আসনত থকা বাবে সত্রৰ প্রয়াত প্রত্যেকগৰাকী সত্রাধিকাৰ,কুল পৰম্পৰা গুৰুৰূপে স্বীকৃত হয়। প্রকৃতার্থত ভক্ত এগৰাকীৰ ক্ষেত্রত শৰণ বা বৈষ্ণৱ দীক্ষা গ্রহণ কৰোঁতা গৰাকী প্রত্যক্ষ গুৰু হ'লেও সেই গুৰুৰ উপৰিসকল গুৰুৰো গুৰু হোৱা বাবে আৰু সত্রত গুৰুৰ আদর্শ

---

১৪ দামোদৰদেৱৰ তিথিৰ পৰা গুৰুতিথিক মহোৎসৱ আখ্যা দিয়া হয়, এই কথা গুৰুলীলাত বর্ণিত হৈছে।
"তিনিও ভুৱনে মহোৎসৱক কৰিল
সেহি কাল হন্তে মহোৎসৱ প্রৱর্তিল।
ৰামৰায়, গুৰুলীলা, পদ ৮৩০, পৃঃ ১৬৩

ৰক্ষা কৰি যোৱাৰ বাবে সকলোৱে গুৰুৰ সমস্থান লাভ কৰে। উপৰি গুৰুৰ মৃতাহ দিন পৰিলেই গুৰুক বিশেষভাৱে স্মৰণ কৰা সত্রীয়া জীৱন ধাৰাৰ এটি ঘাই আদর্শ। গুৰু তিথি স্মৰণত ভক্তগৰাকী স্বাভাৱিকতে শ্রদ্ধাৱনত হয়। সামূহিক বা ব্যক্তিগত নির্দিষ্ট কর্তব্যসমূহৰ যোগেদি শ্রদ্ধা প্রদর্শিত হয়। গুৰু তিথিত যি উৎসৱপূর্ণ পৰিৱেশ সৃষ্টি হয় তাৰ সকলো অংশতে সম্ভাব্য সহযোগিতা আগবঢ়াই ভক্তসকলে আনন্দ লাভ কৰে আৰু তাক বছৰেকীয়া নির্দিষ্ট কর্তব্য বুলি জ্ঞান কৰে। গুৰুৰ বছৰেকীয়া তিথিত শিষ্য সমন্বিতে ৰজা ঘৰৰ পৰা সহযোগিতা তথা সম্ভাৰ যোগোৱা আগৰ প্রথা[১৫] আছিল। যি প্রথা আজিও ৰাইজে ৰক্ষা কৰি আছে। ঠায়ে ঠায়ে থকা ভক্তসকলক জাননী দি একত্রিত কৰা, উৎসৱৰ দ্রব্য সংগ্রহ কৰা[১৬] প্রথাই আজিৰ শিষ্য সকলোকে তাৰ প্রতি অনুপ্রাণিত কৰে। সামূহিক কর্মৰ উপৰিও ব্যক্তিগতভাৱে তিথিৰ দিনা গুৰু, দেউ, নাম, ভকতৰ স্থানত সেৱা জনোৱা, গুৰুৰ পদশিলা স্থানত আৰু গুৰু স্মৃতি ৰক্ষা থলী থানঘৰত সেৱা জনোৱা সত্রস্থ মাত্রেই অৱশ্যে পালনীয় কর্তব্য বুলি ভাবি সেই সেই ঠাইলৈ গৈ সেৱা জনায়।

বৈদিক শ্রাদ্ধ তর্পণ : যিবিলাক সত্রত মৃতাহ তিথিত শ্রাদ্ধ তর্পণ কৰাৰ নীতি আছে সেই সত্রসমূহত বৈদিক শ্রাদ্ধ তর্পণ কৰা কার্য সম্পন্ন কৰা হয়, প্রকৃতার্থত তিথি বুলিলে শ্রাদ্ধ কৰিহে এই সত্রসমূহত তিথি পালন কৰাৰ কথা বুজোৱা হয়। পিণ্ডদান,

---

১৫ দেৱৰ বৎসৰি কর্ম আসিয়া মিলিলা।
বীৰ নাৰায়ণে পাছে সম্ভাৰক দিলা।।
নীলকণ্ঠ দাস, শ্রীশ্রীদামোদৰ দেৱ চৰিত্র, পৃঃ ১৮০

১৬ (ক) দেৱৰ বৎসৰি কর্ম যেন আসি ভৈলা।
বৈষ্ণৱ মিলাইতে ভক্ত স্থানে স্থানে গৈলা।।
ভক্তসমে যত সাধু সন্ত আনিলন্ত।
পাটবাউসীৰ থানে একত্র ভৈলন্ত।।
উল্লিখিত, পদ ৭৩৮, পৃঃ ১৭৯
(খ) দামোদৰদেৱ তিথি।
শুনিলোক চতুর্ভিতি।।
নানা সম্ভাৰ ধৰি।
আসে লোক বঙ্গ কৰি।।
ৰামৰায়, গুৰুলীলা, পদ ৮৪১, পৃঃ ১৬৫
(গ) বছৰি সপিণ্ডি আসি তাত পাছে ভৈলা।
ভক্তসকলক মাধৱদেৱে জান দিলা।।
ৰামচৰণ ঠাকুৰ, গুৰুচৰিত, পদ ৩৯৫৫, পৃঃ ৮৫৬

হোম, তর্পণ আৰু অতিথি শুশ্রূষা হ'ল শ্রাদ্ধৰ মুখ্য অংগ[১৭]। শ্রাদ্ধপতিত হোৱাটো সত্রস্থসকলৰ বাবে দুর্ভাগ্য বিষয়ৰূপে গণ্য কৰা হয়। গুৰু তিথিত শুশ্রূষাৰ বাবে লঘু আহাৰ আৰু চাউল সিধা দিয়া বিশেষ ৰীতি থাকে[১৮]। উত্তৰাধিকাৰী সূত্রে সত্রৰ সত্রাধিকাৰজনাই প্রয়াত সত্রাধিকাৰ গৰাকীৰ উদ্দেশ্যে শ্রাদ্ধাদি কর্ম সম্পন্ন কৰে।

গুৰু তিথিৰ দিনা বিশেষ নাম কীর্তন : গুৰু তিথিত গুৰুজনাৰ প্রতি বিশেষ নাম প্রসঙ্গ অনুষ্ঠিত হয়। সেই নাম প্রসঙ্গত সত্রস্থ সকলোৱে অংশ লোৱাটো এক পৱিত্র কর্ম ৰূপে গণ্য কৰা হয়। শ্রাদ্ধ কর্মৰ লগে লগে আউনীআটী আদি সত্রত বৈৰাগী নাম গোৱাৰ প্রথাই গুৰু-গম্ভীৰ পৰিৱেশ ৰচনাত সহায় কৰে। গুৰু তিথি উপলক্ষ্যে পুৱা প্রসঙ্গত গুৰুজনাৰ চৰিত্রপাঠ আৰু খোল-তালেৰে প্রসঙ্গ কৰাটো ধৰা-বন্ধা প্রথা।

গুৰু তিথি উপলক্ষ্যে ভাওনা প্রদর্শন : গুৰু তিথি উপলক্ষ্যে নাট মেলা আৰু তিথিৰ দিনা ৰাতিলৈ ভাওনা কৰাৰ নিয়ম নিষ্ঠাৰে পালিত হয়। ভাওনা হ'ল অসমৰ বৈষ্ণৱ ধর্ম্মাচৰণৰ লগত যুক্ত এটি প্রধান অংগ[১৯]। গুৰু তিথিত সাধাৰণতে গুৰুৰ ৰচিত নাটক কৰাত বিশেষ গুৰুত্ব দিয়া হয়।

গুৰু তিথিৰ দিনা চৰিত তোলা প্রথা : গুৰু তিথি উপলক্ষ্যে সংশ্লিষ্ট গুৰুসকলৰ জীৱন কথা স্মৰণ কৰা সত্রীয়া প্রথাক গুৰুচৰিত তোলা বুলি কোৱা হয়। এই চৰিত তোলা প্রথা মুখ্যতঃ শ্রীশ্রীশংকৰদেৱ আৰু মাধৱদেৱৰ তিথি উপলক্ষ্যে প্রচলিত হৈ আছিল। নিকা সংহতিৰ সত্রসমূহত সেই প্রথা নিষ্ঠা আৰু কাষ্ঠা সহকাৰে কৰাৰ প্রথা অদ্যপি চলি আছে।

গুৰু তিথিত সত্রীয়া প্রসঙ্গীয়া বৈষ্ণৱৰ নির্মালি গ্রহণ : তিথি উপলক্ষ্যে সত্রৰ প্রসঙ্গীয়া বৈষ্ণৱসকলক নির্মালি প্রদান কৰাৰো বিশেষ নিয়ম আছে। আউনীআটী, দক্ষিণপাট, গড়মূৰ আদি সত্রত ইয়াৰ বাবে বিশেষ দিন ধার্য কৰা থাকে। বিশেষকৈ কমলাবাৰী থুলৰ সত্রকেইখনত গুৰুৰ তিথিৰ দিনা গায়ন-বায়ন, নামলগোৱা আদি প্রসঙ্গীয়াসকলক নির্মালি দিয়াৰ নিয়ম পালিত হৈ আহিছে। ইয়াৰ মূল তাৎপর্য হ'ল গুৰুৰ আদর্শৰে বর্তি থকা সত্র-সবাহৰ কার্যত অংশ গ্রহণ কৰিবলৈ যাওঁতে গুৰু-নির্মালি

---

১৭ গৰুড় পুৰাণ, সম্পা. পঞ্চানন তর্করত্ন, পৃঃ ৬৬-১৮৮

১৮ দামোদৰদেৱৰ তিথি উপলক্ষ্যে পৰমানন্দ বলদেৱে অন্ন আদি দিয়া আদর্শ :
ভক্ষ্য ভোজ্য অন্নপান
দেন্ত কৰি বহুমান।
গুৰুলীলা, পদ ৮৪২, পৃঃ ১৬৬

১৯. দ্র. ৭.০১ অধ্যায়

গ্রহণ কৰি গুৰুক স্মৰণ আৰু গুৰুৰ আশিস কামনা কৰা। সত্রাধিকাৰ আসনত থকা গুৰু গৰাকীয়েও উপৰি গুৰুক্ স্মৰণ কৰি গুৰু পৰম্পৰা প্রাপ্ত নির্মালি প্রদান কৰে।

গুৰু তিথি উপলক্ষ্যে ব্রত-উপবাস পালন ঃ এজন শিষ্যই যি গুৰুৰ মাধ্যমত আধ্যাত্মিক জীৱন-যাপনৰ পথ লাভ কৰে, সেই শিষ্য গৰাকীয়ে গুৰু তিথিত ব্রত উপবাস কৰি চৰম তৃপ্তি লাভ কৰে আৰু ইযাক সত্রীয়া জীৱনৰ প্রধান নৈতিক কর্তব্য স্বৰূপে জ্ঞান কৰে। নিজৰ আত্মীয় স্বজনৰ বাহিৰে গুৰু ব্যতিত আনৰ ক্ষেত্রত এনে নীতি পালন কৰাৰ আদর্শ নাই। পিতৃ-মাতৃৰ যোগেদি নৰ তনু লাভ হ'লেও আধ্যাত্মিক সংস্কাৰ যুক্ত জীৱন গুৰুৰ যোগেদিহে প্রাপ্ত হয়[২০]। সেয়ে গুৰুসকলৰ তিথিত ব্রত-উপবাস শিষ্য এগৰাকীৰ বাবে বা সত্রস্থসকলৰ বাবে নিতান্ত পালনীয় কর্তব্য। গুৰুৰ মূল প্রয়াণ তিথিত পাক-পাত্র বর্জন কৰা, লঘোণ দিযা, সেইদিনাৰ পৰা সামিষ পর্যন্ত ত্যাগ কৰাৰ উদাহৰণো আছে[২১]।

বাৎসৰিক তিথি উদ্‌যাপনৰ যোগেদি কেৱল সত্রৰ ভকত বৈষ্ণৱৰ বাবেই নহয় শিষ্য-প্রশিষ্য মাত্রেই সত্রৰ অনুৰাগী সকলোৰে মনত শ্রদ্ধাভাৱ জাগৰিত হয়, সত্রীয়া নীতিত পুনৰ বিশ্বাস বা আস্থা স্থাপনৰ সুবিধা পায। মহাপুৰুষসকলৰ বাৎসৰিক তিথি পালনে নির্দিষ্ট আদর্শৰ স্মৰণ ঘটায়। ইয়াৰ ভিতৰত শঙ্কৰদেৱ বৈষ্ণৱ আদর্শ তথা সত্রীয়া সংস্কৃতিৰ ঘাই বাহক। এই তিথি পালনে বৈষ্ণৱ ধর্মৰ আদর্শ মনত পেলাই দিয়ে। শঙ্কৰদেৱৰ কর্মত থকা সম্প্রীতি, ঐক্য, সাম্যবাদ, এক্ ঈশ্বৰৰ উপাসনা আদি আদর্শ মূল স্মৰণীয় বিষয়। তেনেদৰে মাধৱদেৱৰ তিথি পালনে সত্রীয়া জীৱনৰ উদাস আৰ্হিৰ কথা মনত পেলাই দিয়ে। যিহেতু সত্রীয়া জীৱন ধাৰাত উদাস আৰ্হিৰ প্রথম প্রৱর্তক আছিল মাধৱদেৱ। আন এগৰাকী সত্রীয়া সংস্কৃতিৰ ঘাই বাহক দামোদৰদেৱ। এই গৰাকী মহাপুৰুষৰ তিথি পালনে পূজা-সেৱা, শ্রাদ্ধ-পিণ্ড বৈদিক কর্মসমূহৰ গুৰুত্ব

---

২০ দ্র ৩,০১ অধ্যায

২১ (ক) বিজয় নগৰে যত আছয ভকত।
প্রভুৰ বৈকুণ্ঠ যাত্রা শুনিয়া সমস্ত।।
পাগ হাণ্ডী পেলাই সবে লঘনক দিলা।
মাছ মাংস তেল আদি সামিষ তেজিলা।।
গুৰুলীলা, পদ ৮৩০, পৃঃ ১৬২
(খ) শুনিযা সবেও শোক কৰিলা অশেষ
সবস্ত্রে স্নানিয়া সবে ৰৈলা উপবাসে।
নীলকান্ত দাস, শ্রীশ্রীদামোদৰদেৱৰ চৰিত্র, পৃঃ ১৭৭

অনুভৱ কৰোৱায়। শঙ্কৰ-মাধৱে বৈদিক কর্মসমূহ অস্বীকাৰ কৰিছিল যদিও দামোদৰদেৱে এই কর্মসমূহত বিশেষ গুৰুত্ব দিয়ে। সেয়ে দামোদৰদেৱৰ আৰ্হিৰ ব্রহ্মসংহতিৰ সত্রসমূহে এই তিথি পালনৰ যোগেদি এনে আদর্শ গ্রহণ আৰু পালন কৰি আহিছে। গোপালদেৱ আৰু হৰিদেৱৰ তিথি পালনত এনে অনুৰূপ আদর্শ অনুকৰণ কৰাকে প্রকট কৰি দেখুৱায়। আনহাতে কালসংহতিৰ প্রৱর্তক গোপাল আতাৰ তিথি পালনে গুৰু প্রাধান্যৰ কথা, ভকতৰ সংঘবদ্ধতা, সহিষ্ণুতা আৰু কষ্ট স্বীকাৰ কৰাৰ কথা মনত পেলাই দিয়ে। এনেদৰে মহাপুৰুষসকলৰ বাৎসৰিক তিথি পালনে সত্রীয়া আদর্শ অনুসৰণৰ প্রকৃত সুবিধা দিয়ে। গুৰুক ব্রহ্মা, বিষ্ণু, মহেশ্বৰ বুলি জ্ঞান কৰিবলৈ শিকনি দিয়া ভাৰতীয় আদর্শৰ লগত অসমৰ সত্রসমূহত উদ্‌যাপিত গুৰুতিথিৰ অন্তর্নিহিত সম্পর্ক বিদ্যমান[২২]।

---

২২ "গুৰুর্ব্রহ্মা গুৰুর্বিষ্ণু গুৰুর্দেৱো মহেশ্বৰঃ"

গোপাল ভট্ট গোস্বামী, শ্রীশ্রীহৰিভক্তি বিলাসঃ প্রথম খণ্ড, পৃঃ ২৭৮

"শৰণৰ যোগেদি শিষ্যজনৰ এক নতুন সংস্কাৰ কৃত জীৱন আৰম্ভ হয় কাৰণে সেই অর্থত গুৰু সৃষ্টি কর্তা হয় অর্থাৎ ব্রহ্মাৰ ৰূপ পায়। শিষ্যই গুৰুৰ দিব্য উপদেশ মানি চলে কাৰণেই শিষ্যজনৰ ক্ষেত্রত গুৰু পালন কর্তা অর্থাৎ বিষ্ণু ৰূপে অৱতীর্ণ হয়। আনহাতে মহেশ্বৰৰ দুটা ৰূপ ৰৌদ্র আৰু ভদ্র। ৰৌদ্র সংহাৰি মূর্তি আৰু ভদ্র শান্ত মূর্তি। গুৰু উপদেশ অৱমাননা কৰি স্বেচ্ছাই চলিলে সেই শিষ্যৰ ক্ষেত্রত গুৰু ৰৌদ্র হ'ব আৰু সাম্যবাদে উপদেশ, নীতিগতভাৱে মানি চলিলে গুৰু ভদ্র হৈয়ে থাকিব।"

ষষ্ঠ অধ্যায়

আনুষ্ঠানিক উৎসৱ

১. তিনি বৰ একাদশী

(ক) শযন, (খ) পার্শ্বপৰিৱর্তন, (গ) উত্থায়ন

একাদশী প্রতিপক্ষৰ ১৫ তিথিৰ ভিতৰৰ অন্যতম তিথি। আভিধানিক আৰু ব্যাকৰণগত অর্থ অনুসৰি একাদশী হ'ল স্ত্রীলিঙ্গ বাচক শব্দ ঃ একাদশ + ঈশ্ প্রত্যয় = একাদশী[১]। য'ত চন্দ্রৰ একাদশ কলা থাকে। এই তিথি বা দিনটি হৰিবাসৰ নামে পৰিগণিত হৈ আহিছে। একাদশী এগৰাকী মূলতঃ স্ত্রী[২]। মার্গশীর্ষ অর্থাৎ আঘোণ মাহৰ কৃষ্ণ পক্ষত একাদশীৰ সৃষ্টি হয়। এই একাদশীৰ নাম উৎপন্না। একাদশী উৎপত্তিৰ অন্তৰালত এটা কাহিনী আছে। সেই কাহিনী পদ্ম পুৰাণৰ অন্তর্ভুক্ত[৩]। কাহিনী অনুসৰি মুৰ দৈত্যৰ পৰা দেৱতাসকলক ৰক্ষা কৰিবলৈ বিষ্ণুৱে দৈত্যৰ লগত যুদ্ধ কৰি অৱশ হৈ পৰাৰ সময়ত বিষ্ণুৰ শৰীৰৰ পৰা এগৰাকী স্ত্রী আৱির্ভূতা হৈ বিষ্ণুৰ চক্রৰে দৈত্যক বধ কৰে। 'একাকী' অর্থাৎ অকলে দৈত্যক বধ কৰাৰ বাবে বিষ্ণুৱে তেওঁৰ নাম দিলে একাদশী আৰু একাদশ কলা দান কৰি শুক্লপক্ষৰ একাদশ তিথিত তেওঁক থকাৰ নির্দেশ কৰিলে। লগতে বিষ্ণুও এই তিথিত যুক্ত থাকিল। সেই বাবে এই তিথিক একাদশী বা হৰিবাসৰ বুলি কোৱা হয়। অৱশ্যে শুক্লপক্ষৰ একাদশ দিনতহে চন্দ্রৰ একাদশ কলা একাদশীয়ে লাভ কৰে। কৃষ্ণ পক্ষত চন্দ্রৰ সমুদায় কলা শিৰৰ জটাৰ ভিতৰত নিহিত হৈ থাকে। অর্থাৎ শুক্লপত্নী হৰণৰ নিমিত্তে চন্দ্রই কৰা মহাপাপৰ কাৰণে অমা নামৰ

---

[১] আশুবোধ অভিধান, আশুতোষদেৱ সংকলিত, প্রথম খণ্ড, পৃ ৪৬১

[২] পদ্মপুৰাণম্, উত্তৰ খণ্ড (সং), পৃ ১৪৬

[৩] উল্লিখিত, পৃ ১৪৪, ১৪৫, ১৪৬, ১৪৭, ১৪৮

পাপে চন্দ্রক খেদি অহাত তেওঁ শিৱৰ জটাত সোমাই প্রাণ ৰক্ষা কৰিছিল। তাৰ পৰা ক্রমে ক্রমে একলাকৈ ওলাই আহি পূর্ণিমা তিথিত চন্দ্রই পূর্ণতা লাভ কৰে। এটা বছৰত থকা ২৪ টা একাদশীৰ ভিতৰৰে শুক্লপক্ষৰ তিনিটা একাদশী বিশেষ গুৰুত্বপূর্ণ। এই তিনি একাদশী হ'ল শয়ন, পার্শ্বপৰিৱর্তন আৰু উত্থাযন একাদশী। পদ্মপুৰাণৰ মতে প্রতি প্রলয়ৰ অন্তত ভগৱানে ৪ মাহ শযন কৰে। এই দিনতেই ভগৱানে অনন্তশয্যাত শযন কৰে। এই শয়ন অৱস্থাত ভগৱন্তৰ এটা ৰূপ বলিৰ লগত থাকে, আনটো ৰূপ ক্ষীৰ সাগৰৰ শেষ নাগ শয্যাৰ ওপৰত থাকে। আহাৰ মাহৰ একাদশীৰ পৰা কাতিমাহৰ একাদশীলৈকে ভগৱানে শযন কৰে[৪]। আহাৰৰ এই একাদশীৰ নাম শয়ন একাদশী। আনহাতে স্কন্ধ পুৰাণত উল্লেখ কৰা অনুসৰি বৃকাসুৰৰ অত্যাচাৰৰ পৰা দেৱতাসকলক ৰক্ষা কৰিবলৈ এই চাৰি মাহ হৰিয়ে হাটকেশ্বৰ ক্ষেত্রত বৃকৰ ওপৰত শয়ন কৰে[৫]। শয়নৰ পিছত একাদশীৰ অন্তত ভাদমাহৰ শুক্লপক্ষৰ একাদশীতে ভগৱন্তই শয়নৰ বাগৰ সলায়। সেই কাৰণে এই একাদশীৰ নাম পার্শ্বপৰিৱর্তন। সাধাৰণতে এই একাদশী ভাদ মাহত পৰে। কেতিয়াবা মল মাহৰ বাবে এটা মাহৰ পৰিৱর্তন হয়। কিন্তু বিৰিঞ্চি কুমাৰ বৰুৱাই 'অসমৰ লোক-সংস্কৃতি'[৬] গ্রন্থত উল্লেখ কৰা অনুসৰি এই তিথি ব'হাগ মাহত পৰিব নোৱাৰে। সেই গ্রন্থত ব'হাগৰ পার্শ্ব একাদশী বুলি উল্লেখ কৰা হৈছে। তাৰপিছত আকৌ তিনি একাদশীৰ অন্তত অর্থাৎ চাৰিমাহৰ পূর্ণতাত ভগৱানে শয়ন কার্য ত্যাগ কৰে। সেই তিথি শুক্লপক্ষৰ প্ররোধনী একাদশী। এই একাদশীয়ে উত্থায়ন একাদশী ৰূপে পৰিচয় লাভ কৰে। এই তিথিও সচৰাচৰ কাতি মাহত পৰে যদিও কেতিয়াবা মলমাহৰ স্পর্শ হ'লে আঘোণ মাহলৈয়ো যায়।ব্রহ্মা আদি দেৱতাসকলে শঙ্খচুড়ে বেদ হৰণ কৰাৰ পিছত কাতি মাহৰ এই একাদশী তিথিৰ দিনা ভগৱান বিষ্ণুক গীত বাদ্যৰে জাগৰণ কৰাইছিল আৰু ষোড়শোপচাৰেৰে পূজা কৰি সন্তুষ্ট কৰাইছিল। বিষ্ণুৱে দেৱতাসকলৰ প্রতি প্রসন্ন হৈ শঙ্খচুডক বধ কৰা আৰু বেদ উদ্ধাৰ কৰাৰ প্রতিশ্রুতি দিছিল, আনহাতে এই প্ররোধনী একাদশী তিথিত ঘটা এনে কার্যৰ গুৰুত্বতে উত্থায়ন একাদশীয়ে শ্রেষ্ঠ স্থান লাভ কৰিছিল[৭]। ভগৱানে সমস্ত একাদশী তিথিক বৈশিষ্ট্য

---

[৪] পৰিশিষ্ট ঃ আষাৰ শুক্লপক্ষে তু শয়নী হৰিবাসৰঃ।
তস্যামেকা চ মূর্তিমে বলিমাশ্রিত্য তিষ্ঠতি।।
দ্বিতীয়া শেষ পৃষ্ঠে বৈ ক্ষীৰ সাগৰ মধ্যতঃ।
স্বপিতোৰ মহাৰাজ যাবদাগামি কার্তিকিম্।। (পদ্মপুৰাণ, উত্তৰ খণ্ড, পৃ ১৯৩)

[৫] স্কন্ধ পুৰাণম্, নাগৰ খণ্ড, পৃ ৪৩৮১

[৬] বিৰিঞ্চি কুমাৰ বৰুৱা, অসমৰ লোক সংস্কৃতি, পৃ ১৭১

[৭] পদ্মপুৰাণম্, উত্তৰখণ্ডম্, সম্পা — পঞ্চানন তর্ক ৰত্ন, পৃ ৩৩৯, ৩৪০

প্রদান কৰাৰ উপৰিও এই তিনি একাদশীৰ গুৰুত্ব প্রদান কৰিছিল। সেয়ে এই তিনি একাদশীয়ে বৰ একাদশীৰ স্থান লাভ কৰিলে। বছৰত পৰা সৰু বৰ ২৪ টা একাদশীৰ নাম, মাহ অনুপাতে উল্লেখ কৰা হ'ল[৮]।

মার্গশীর্ষ (আঘোণ মাহ)	(ক) কৃষ্ণা একাদশী উৎপন্না
”	(খ) শুক্লা একাদশী মোক্ষা
পুহ মাহ	(ক) কৃষ্ণা একাদশী সফলা
”	(খ) শুক্লা একাদশী পুত্রদা
মাঘ মাহ	(ক) কৃষ্ণা একাদশী ষটতিলা
”	(খ) শুক্লা একাদশী জযা
ফাগুণ মাহ	(ক) কৃষ্ণা একাদশী বিজয়া
”	(খ) শুক্লা একাদশী আমলকী
চ'ত মাহ	(ক) কৃষ্ণা একাদশী পাপমোচনী
”	(খ) শুক্লা একাদশী কামদা
ব'হাগ মাহ	(ক) কৃষ্ণা একাদশী বৰূথিনী
”	(খ) শুক্লা একাদশী মোহিনী
জেঠ মাহ	(ক) কৃষ্ণা একাদশী অপৰা
”	(খ) শুক্লা একাদশী নির্জলা
আহাৰ মাহ	(ক) কৃষ্ণা একাদশী যোগিনী
”	(খ) শুক্লা একাদশী শয়নী
শাওণ মাহ	(ক) কৃষ্ণা একাদশী কামিকা
”	(খ) শুক্লা একাদশী পুত্রদা
ভাদ মাহ	(ক) কৃষ্ণা একাদশী অজা
”	(খ) শুক্লা একাদশী পদ্মা
আহিন মাহ	(ক) কৃষ্ণা একাদশী ইন্দিৰা
”	(খ) শুক্লা একাদশী পাপঙ্কুশা

---

[৮] (ক) উল্লিখিত, পৃ ১৫৫—২৩১
(খ) আশুবোধ অভিধান, পৃ ৪৬১
এই অভিধান মতে আহাৰৰ আমলকীৰ ঠাইত আমর্দকী, শযনীৰ ঠাইত পদ্মা আৰু ভাদ্রৰ পদ্মাৰ ঠাইত বামণা বুলি উল্লেখ আছে। মলমাহ পৰিলে সুভদ্রা আৰু কমলা নামেৰে দুটা একাদশী বাঢে। মলমাহ— দ্রষ্টব্য— ৬০৫

কাতি মাহ (ক) কৃষ্ণা একাদশী ৰমা
" (খ) শুক্লা একাদশী প্রবোধিনী

পূর্বতে দেৱগণে অসুৰগণৰ বিনাশ আৰু ভ্রষ্টৰাজ্য লাভৰ কাৰণে একাদশী ব্রত পালন কৰিছিল[৯]। একাদশীক প্রদান কৰা ভগৱানৰ ইচ্ছানুৰূপ বৰ অনুযায়ীয়েই একাদশী তিথিত উপবাস আৰু দিনে-ৰাতিয়ে ব্রত কৰি হৰিৰ গুণ নাম-কীর্তন কৰি ৰাতি জাগৰণে থাকিলে সকলো লোক পুণ্যৱন্ত হয়[১০]। পদ্মপুৰাণৰ নির্দেশাত্মক এনে উক্তি মন কৰিব লগীয়া বিষয়। সাধাৰণতে গ্রাম্য সমাজত তথা সত্র সৱাহত একাদশী ব্রতৰ কেইটামান কথাত বিশেষ বিশ্বাস আৰোপিত হোৱা আৰু ফল লাভত গুৰুত্ব দিয়া পৰিলক্ষিত হয়। ইয়াৰ ভিতৰত একাদশী ব্রতৰ ফলত পাপ নিঃশেষ কৰা, পুণ্য অর্জন কৰা, মোক্ষ বা মুক্তি লাভ কৰা, স্বর্গ লাভ কৰা আদি উল্লেখযোগ্য। এই সম্বন্ধে একাদশী ব্রতৰ ফল আৰু পালনৰ বহু উদাহৰণ পুৰাণসমূহত পোৱা যায়। পদ্মপুৰাণৰ স্বর্গ খণ্ডত কোৱা হৈছে; যাৰ একাদশী ব্রতত মন লীন হয় তেওঁৰ স্বর্গত বাস হয় আৰু সেইজন হৰি সদনলৈ যায়। একাদশী ব্যতিত শ্রেষ্ঠ পৰলোক সাধন আৰু একো নাই[১১]। পানীও নোখোৱাকৈ কৰা উপবাসত যি ফল লাভ হয় সি সকলোতকৈ উর্দ্ধত। ফলাহাৰত তাৰ অর্দ্ধফল পায়, গর্গঋষিয়ে ব্রজনাভক একাদশী ব্রত পালনৰ সম্পর্কত কওঁতে এই কথা উল্লেখ কৰিছে[১২]। পদ্মপুৰাণতে কোৱা হৈছে, একাদশী পালন কৰিলে কেৱল ব্যক্তিগত লাভালাভেই নহয় সামূহিক লাভালাভো আছে। যি ৰাজ্যত একাদশী মহোৎসৱ হয় সেই জনপদ ধন্য, প্রজাবর্গ ধন্য, সেই ৰাজ্যও ধন্য হয়[১৩]। একাদশীসমূহৰ ভিতৰত বিষয়বস্তুৰ মহত্ব অনুসৰি তিনি বৰ একাদশী পালনত ধর্ম শাস্ত্রসমূহে অত্যধিক গুৰুত্ব দিছে। যি একাদশীত নিৰাহাৰে থাকে তেওঁলোকক যমে স্পর্শ কৰিব নোৱাৰে। তেনে পুণ্যৱান লোকক যমৰজাই দূতসকলক যমলোকলৈ অনাত বাধা আৰোপ কৰিছে[১৪]। এনে ধর্মীয় বিশ্বাস আছে যে একাদশ ইন্দ্রিয়ৰ দ্বাৰা জ্ঞাতে বা অজ্ঞাতে যি পাপ কৰা হয়, এটা এটা ইন্দ্রিয়ৰ একাদশ পাপ একাদশী তিথি পালনত সমস্তখিনি নাইকিয়া হৈ যায়। একাদশী

---

[৯] গর্গসংহিতা, সম্পা পঞ্চানন তর্কৰত্ন, শ্লোক ৩, পৃ. ২১০

[১০] পদ্মপুৰাণম্, স্বর্গখণ্ডম্, শ্লোক ৩৮, পৃ ২৪৮

[১১] উল্লিখিত, শ্লোক ৭৩,৭৪ পৃ ২৫০

[১২] গর্গসংহিতা, অশ্বমেধ খণ্ড, পৃ ৮০৪। উপবাস প্রক্রিয়া দ্রষ্টব্য ৪০১

[১৩] পূর্বোল্লিখিত, স্বর্গ খণ্ড, শ্লোক ৪২, পৃ ২৪৮

[১৪] নাৰায়ণস্য শয়নে পার্শ্বস্য পৰিবর্তনে।
বিশেষেণ প্রবোধিন্যাং নিৰাহাৰা ভৱন্তি যে।
মদন্তিকং নানয়ধবং প্রাগিনঃ পুণ্য ভগিনঃ।। (পদ্মপুৰাণম্, স্বর্গখণ্ডম্, শ্লোক ৪৩, পৃ. ২৪৮)

ব্রততে অন্নভোজন প্রধান নিষেধ। ব্রহ্মহত্যাকে ধৰি পৃথিৱীত যিমান পাপ আছে সকলো পাপেই অন্নত আশ্রয় কৰে; যি লোকে একাদশীত অন্ন খায় সেই লোকক সমস্ত পাপে আগুৰি ধৰে[১৫] ই সম্পূর্ণ ধর্মীয় বিশ্বাস। ইয়াৰ বিপৰীতে যি এই দিনত অন্ন ভক্ষণ কৰে সেইসকলে উদৰ, কুষ্ঠাদি ৰোগগ্রস্ত হয়, গ্রাম্য শূকৰতা আৰু দৰিদ্রতা প্রাপ্ত হয়[১৬]। একাদশী ব্রতৰ ওপৰত ইমানেই গুৰুত্ব দিযা হৈছে যে যি অনিচ্ছাৰেও হৰিদিনত উপবাস কৰে তেওঁ হৰি মন্দিৰলৈ গতি কৰে। অজ্ঞাতভাৰেই তাৰ ফল লাভ কৰে। এই ক্ষেত্রত ইয়াৰ লগত সংগতি থকা পদ্মপুৰাণৰ হেমপ্রভা আখ্যানটি উল্লেখযোগ্য[১৭]।

পুৰণি পৰম্পৰাত মহাপুৰুষসকলে সম্পূর্ণ ব্রতেৰে সৈতে একাদশী পালন কৰা আৰু ইয়াত অন্ন বর্জন কৰা কথা চৰিত পুথিসমূহত বিস্তৃতভাৱে পোৱা যায়। এদিন মাধৱদেৱক একাদশীৰ দিনা মুখ পুৱঠ হৈ থকা দেখি শংকৱদেৱে সেই বিষযে সোধাত মাধৱদেৱে উত্তৰত আগদিনা হেলাতে ভোজন নকৰাত পিছদিনা অষ্ঠ-কণ্ঠ শুকাই যোৱাত পানীৰে সৈতে মিহলাই কেইটামান চাউল খোৱাৰ কথা ক'লে। সেই কথা জানি শঙ্কৱদেৱে অত্যন্ত খং কৰি মাধৱক ভর্ৎসনা কৰিলে আৰু একাদশী দিনত কিয় অন্ন খাব নেপায়, অন্ন খালে কি ফল লাভ হয় তাৰ উদাহৰণেৰে সৈতে বুজাই দিলে। শুক্লা, কৃষ্ণা দুই একাদশী যে সমান আৰু ইয়াক যে ভিন্ন কৰিব নালাগে এই কথাও শঙ্কৱদেৱে মাধৱক স্পষ্টকৈ কৈ গৈছে[১৮]। চৰিত পুথিসমূহৰ পৰা এই কথা বুজা যায যে নিৰাহাৰে একাদশী পালন কৰাত শঙ্কৱদেৱে অত্যাধিক গুৰুত্ব দিছে। আনহাতে একাদশীত অন্ন ভোজন কিমান দোষণীয় সেই কথা বুজাবৰ বাবে বিবিধ উদাহৰণ আৰু পুৰাণসমূহত থকা ইয়াৰ ব্যাখ্যা সম্পর্কে প্রামাণিক বিচাৰৰ বাবে শঙ্কৱদেৱে পুৰাণসমূহৰ নাম স্পষ্টকৈ উল্লেখ কৰিছে; ইয়াৰ দ্বাৰা একাদশী পালনৰ গুৰুত্বৰ কথাকেই বুজোৱা হৈছে।

সত্রৰ উৎপত্তিৰ সময়ৰ পৰা প্রতি একাদশীত যথাযথভাৱে নিয়ম ৰক্ষা কৰাৰ উপৰিও তিনি বৰ একাদশী পর্ব বা উৎসৱ স্বৰূপে সত্রসমূহে পালন কৰি আহিছে। সত্রসমূহত তিনি বৰ একাদশীৰ বাহিৰে আন একাদশীবিলাকত নিত্য নৈমিত্তিক প্রসঙ্গৰ লগত কীর্তন এটি বেছিকৈ দি অধিক প্রসঙ্গ কৰি উপবাসেৰে একাদশী তিথিৰ সামৰণি মাৰে।

---

[১৫] যানি কানি চ পাপানি ব্রহ্মহত্যাদিকানি চ।
অন্নমাশ্রিতা তিষ্ঠতি সম্প্রাপ্তে হৰিবাসৱে।। (বৃহন্নাৰদীয পুৰাণ, একবিংশ অধ্যায়, শ্লোক ৮, পৃ ১৪৩)

[১৬] পদ্মপুৰাণম্, স্বর্গখণ্ডম্, শ্লোক ৪৯, পৃ ২৪৮

[১৭] উল্লিখিত, স্বর্গখণ্ডম্, পৃ ২৫০

[১৮] (ক) ভূষণ দ্বিজ, শ্রীশ্রীশংকৱদেৱ, পদ ৫২৬, ৫২৭, ৫২৮, ৫২৯, ৫৩০, পৃ ১২৪, ১২৫
(খ) দৈত্যাৰি ঠাকুৰ, মহাপুৰুষ শ্রীশংকৱদেৱ আৰু শ্রীমাধৱদেৱৰ চৰিত, পৃ ১০৫, ১১৭
(গ) গুৰুচৰিত কথা, সম্পা মহেশ্বৰ নেওগ, পৃ ৯৫, ৯৬

কিন্তু বৰ একাদশী তিথি কেইটাত নিত্য চৈধ্য প্রসংগৰ বাহিৰেও মধ্যাহ্ন ভাগত হিয়ানাম বা উঠানাম, কোনো সত্রত সবহুৱা নাম পৰিৱেশন কৰে। শয়ন পার্শ্বপৰিৱর্তন আৰু উত্থায়ন একাদশী একেধাৰাৰেই পালন কৰা হয়। মাত্র একাদশী ভেদে সেই সেই উপলক্ষ্যলৈ নামকীর্তন পদ আদি পৃথক হয়। কুৰুৱাবাহী সত্রত উত্থায়ন একাদশীৰ নামকীর্তনৰ প্রণালী কিছু সুকীয়া ধৰণৰ। এই একাদশীত কুৰুৱাবাহী সত্রত পুৱা প্রসঙ্গৰ অন্তত মহাপুৰুষ শঙ্কৰদেৱৰ বিৰচিত কীর্তন পুথিৰ অখণ্ডপাঠ আৰম্ভ হয়। সেইদিনা গোটেই কীর্তন পাঠ কৰি সমাপ্ত কৰে। পুৱাতে আৰম্ভ হৈ ৰাতি মাজ প্রহৰতহে এই কার্য সমাপ্তি ঘটে। সকলো বৈষ্ণৱে মূল পাঠকক আগত লৈ এই কীর্তনত অংশ গ্রহণ কৰে। এই কীর্তন পাঠক উদয় অস্ত কীর্তন পাঠ বুলি কোৱা হয়। ইয়াৰ বিষয় ক্রমণিকাই এই উদয-অস্ত কীর্তন পাঠ নামকৰণৰ অর্থ সূচিত কৰিছে[১৯]।

বেঙেনাআটী সত্রত পুৱা নিত্য প্রসংগৰ পিছত নামাচার্যৰ দ্বাৰা পালনাম চর্চন হয়[২০]। বিযলি প্রসঙ্গৰ পিছত এই পালনামৰ সামৰণি পৰে।

এই একাদশী তিনিটাত সকলো বৈষ্ণৱে সম্পূর্ণভাৱে ব্রত পালন কৰিব লাগে। পুৱাতেই সকলোৱে স্নানআহ্নিক সমাপণ কৰি নামঘৰৰ নামকীর্তনত ভাগ লয়গৈ। কীর্তনৰ অন্ততে সকলোৱে নির্দিষ্ট স্থানত গুৰু, দেৱ, নাম ভকতত সেৱা জনায়। একাদশী তিথিত পুৰণা কমলাবাৰী, নতুন কমলাবাৰী, উত্তৰ কমলাবাৰী আদি সত্রত আতাৰ গৃহ, পদশিলা আদিতো ভকতসকলৰ সেৱা জনোৱাৰ নিয়ম আছে। কমলাবাৰী সত্রকেইখনত সেইকেইদিন গুৰু আসনৰ সম্মুখত এগছি বস্তি অতিৰিক্তকৈ প্রজ্বলন কৰে। দিনত অতিৰিক্ত প্রসঙ্গৰ উপৰি ৰাতিলৈ নামত এটি দীঘলীযা কুলুপীয়া ঘোষা গায়।

আউনীআটী, দক্ষিণপাট, গড়মূৰ, কুৰুৱাবাহী আদি সত্রত দিনত বৰ একাদশী উপলক্ষ্যে বিশেষ অনুষ্ঠান থাকে। পুৱা প্রসঙ্গৰ অন্তত সকলোৱে নিজৰ বহালৈ গৈ জিৰণি লোৱাৰ পিছত মধ্যাহ্ন বেলাত নামঘৰত নামলগোৱাই তালেৰে হিয়ানামৰ আগজাননী দিয়াৰ লগে লগে সকলোৱে তাল লৈ নামঘৰলৈ আহে। হিয়ানামৰ অন্তত ক্রমে দিহানাম, গায়ন-বায়ন, ওজা আদি পৰিৱেশন কৰা হয়। হিয়ানাম, দিহানামৰ অন্ততে আশীর্বাদ কার্য থাকে। গায়ন-বায়নত ব্যৱহৃত হোৱা একাদশী সৰাহৰ গীত আৰু বাদ্যবোল সচৰাচৰ আন পর্ববিলাকত ব্যৱহাৰ হোৱাতকৈ কিছু পৃথক। সাধাৰণতে দিনৰ সবাহৰ গায়ন-বায়নৰ লগত পৰিৱেশন কৰা নটুৱা নৃত্য একাদশী সবাহৰ দিনা আউনীআটী

---

[১৯] কুৰুৱাবাহী সত্রৰ গোবিন্দ গোস্বামীৰ পৰা পোৱা তথ্য।

[২০] বেঙেনাআটী সত্রৰ মনু হাজৰিকাৰ পৰা এই নিয়মৰ কথা জনা হৈছে।

সত্রত পৰিৱেশন কৰা নহয়। ইয়াৰ মূল কাৰণ —' সাত্বিকতা। গায়ন-বায়নৰ নৃত্যগীত চলি থকা অৱস্থাতেই বৰপূজাৰীয়ে চন্দনযুক্ত তুলসী নির্মালি প্রদান কৰে। সেই ক্রমে মণিকূটৰ সৰু পূজাৰীয়ে ডেকা আৰু পালি পূজাৰীয়ে নামঘৰত থকা মান্যানুসৰি গোৱিন্দপুৰীয়া, বৈষ্ণৱ বৃন্দ সমন্বিতে ৰাইজক চন্দনযুক্ত তুলসী নির্মালি প্রদান কৰে। এনে প্রথা আউনীআটী সত্রত এতিয়াও চলি আছে। সকলো পত্রতকৈ তুলসী পত্রক কেশৱৰ অতি প্রিয় বুলি কোৱা হৈছে। তুলসী পত্রক সকলো পত্রপুষ্পতকৈ শ্রেষ্ঠ বুলি বিশ্বাস কৰা হয়[২১]। তুলসীৰে বিষ্ণুক পূজা কৰিলে বিষ্ণু অতি সোনকালে সন্তুষ্ট হয়, এনে ধর্মীয় বিশ্বাসে বৈষ্ণৱৰ অন্তৰ বিশেষভাৱে স্পর্শ কৰে। সেয়ে এই হৰিবাসৰ দিনত ভগৱান বিষ্ণুক তুলসীৰে বিশেষভাৱে পূজা কৰা হয়। আন সবাহৰ দৰে একাদশী সবাহত আউনীআটীত দিনত প্রসাদ নাথাকে। প্রসাদত অন্ন মিশ্রিত হৈ থাকে। সকলোৱে ব্রত পালন কৰাৰ বাবে প্রসাদো গ্রহণ নকৰে। দিনৰ গায়ন-বায়নৰ সমাপ্তিৰ পিছত ওজা কীর্তনীয়াই ওজাপালি নৃত্য-গীত পৰিৱেশন কৰে। মূল ওজাই তা-না-না ৰে ৰাগ আৰম্ভ কৰি ভগৱৎ বন্দনাৰে শ্লোক গায়। তাৰ পিছত ভগৱৎ বন্দনাৰ গীত আৰম্ভ হয়। একাদশীত ঘাইকৈ মহাপুৰুষ শঙ্কৰদেৱ বিৰচিত দশম আৰু কীর্তনৰ গীত-পদ বহুলভাৱে গোৱা হয়। ওজাৰ নৃত্য-গীতৰ সামৰণিৰ লগে লগে দিনৰ কার্যক্রমৰ অন্ত পৰে। দক্ষিণপাট সত্রত একাদশী উৎসৱৰ দিনা ওজাৰ প্রসঙ্গ আগত আৰু গায়ন-বায়নৰ প্রসঙ্গ পিছত হয়।

ৰাতিৰ কার্যক্রমত একাদশী উপলক্ষ্যে ভগৱন্তৰ[২২] চৰণত এভাগ বিশেষ পূজা কৰা হয়। ঠিক গধূলিৰ নিত্য-প্রসঙ্গৰ পিছতেই এই পূজা আৰম্ভ হয় আৰু লগে লগে পুনৰ হিয়ানাম আৰম্ভ হয়। তেতিয়াই সকলোৱে হাতত তাল লৈ পুনৰ নামঘৰলৈ যায় আৰু হিয়ানামত যোগ দিয়ে। হিয়ানামৰ অন্তত দিহা, দিহাৰ অন্তত নির্দিষ্ট দিনৰ বিষয়বস্তুৰে পদ পাঠ আৰম্ভ কৰা হয়। পদৰ পিছতে নামলগোৱাসকলে বহি সমাহিত চিত্তৰে নামৰ সামৰণি মাৰে। ইয়াৰ পিছতে প্রসাদ বিতৰণ কৰা হয়। এই সময়তে কোনো সত্রত ওজাৰ প্রসঙ্গৰ ঠাইত খোল প্রসঙ্গ কৰে। দক্ষিণপাট সত্রত ৰাতি হিয়ানাম, ওজা, গায়ন-বায়ন আদি প্রসঙ্গ হয় যদিও সকলো প্রসঙ্গ বহিহে কৰে। ইয়াৰ উপৰি সন্ধ্যা সত্রাধিকাৰৰ চ'ৰাত নিত্য প্রসঙ্গৰ অন্তত বৈষ্ণৱসকলে তালেৰে পদ মিহলি নাম গায়। এইদৰে একাদশীৰ দিন-ৰাতিৰ নৃত্য-গীত, নাম-কীর্তনৰ সমাপ্তি ঘটে। পদ্মপুৰাণত কৈছে

---

[২১] দ্রষ্টব্য, ৪ ০২

[২২] সত্রত প্রতিষ্ঠিত বিষ্ণু বিগ্রহৰ পৃথক নাম আছে। সত্র ভেদে বিগ্রহক মহাপ্রভু বুলিও উল্লেখ কৰা হয়। এই শব্দৰ লগত পুৰীৰ 'জগন্নাথ মহাপ্রভু'ৰ সম্পর্ক থাকিব পাৰে।

একাদশীত গীত, বাদ্য, নৃত্যৰে হৰি-আৰাধনা কৰিলে সর্বপ্রকাৰে শুভ আৰু মঙ্গল সাধিত হয়[২৩]। একাদশী উপলক্ষ্যে গোৱা নাম-কীর্তন, গীত-মাত সত্রভেদে কিছু পৃথক। অৱশ্যে সকলো সত্রতে নির্দিষ্ট বিষয়ৰ লগত সম্বন্ধ থকা গীত-মাত, নাম-কীর্তনহে গায়, যি গীত বা নাম শুনিলে বিষযবস্তুৰ পৰিচয পোৱা যায।

শযন, পার্শ্বপৰিৱর্তন আৰু উত্থায়ন একাদশীৰ বাহিৰেও আৰু এটি একাদশী সত্রসমূহত পালন কৰা হয। এই একাদশী হ'ল ভীম একাদশী। এই একাদশী সাধাৰণতে ফাগুণ মাহত পৰে। এই একাদশীত আগৰ কেইটাতকৈ নাম-কীর্তন, নৃত্য-গীতৰ প্রভাৱ কিছু কম। কিন্তু কুৰুৱাবাহী সত্রত এই একাদশী কিছু বহলভাৱে পালন কৰে। এই একাদশীত কুৰুৱাবাহী সত্রত দিন-ৰাতি বিয়পা অখণ্ড পালনাম থাকে।

একাদশী তিথিত কিছুমান সাধাৰণ নীতি-নিয়ম সকলোতে পালন কৰা হয। যি সাধাৰণভাৱেহে উপবাস কৰিবলৈ সমর্থ হয তেওঁৰ ব্রতৰ বিশেষ নিযম নাথাকে। যি সম্পূর্ণ উপবাস ব্রত পালন কৰে তেওঁ লগনৰ পৰা পাৰণলৈকে সম্পূর্ণ নিৰাহাৰে থাকে। পাৰণৰ সমযত ব্রাহ্মণক ভোজন কৰাইহে ব্রত ভঙ্গ কৰে। একাদশী উপলক্ষ্যে অন্নত্যাগ আৰু হালখতি কৰা গাঁওসমূহত বিশেষ ৰীতি আজিও পালিত হৈ আহিছে। হৰি বাসৰত হিংসা-দ্বেষ পৰিত্যজ্য। হলাকর্ষণত যাতে ক্ষুদ্র প্রাণীসমূহৰো হানি-বিঘিনি নঘটে তাৰ বাবে এই দিনত হলাকর্ষণো পৰিত্যজ্য। অৱশ্যে হৰিবাসৰ দিনা উপবাসে যিহেতু থাকিব লাগে সেই বাবেও হলাকর্ষণৰ দৰে কর্ম পৰিত্যজ্য হ'ব পাৰে। হলাকর্ষণৰ ক্ষেত্রত একাদশীকে ধৰি কিছু দিনত আৰু দুপৰ পাৰ হোৱা পিছত থকা নিষেধৰ লগত কিছু লোক-বিশ্বাসো যুক্ত হৈ আছে। গো-জাতিক হিন্দুসকলে পূজ্য প্রাণী স্বৰূপে গ্রহণ কৰি আহিছে। এতেকে এই প্রাণীকো জিৰণি দিয়াৰ উদ্দেশ্যে আৰু অতিৰিক্ত কষ্ট নিদিয়াৰ উদ্দেশ্যও যুক্ত হৈ থাকিব পাৰে। প্রসঙ্গ ক্রমে উল্লেখযোগ্য যে প্রতিদিনে হলাকর্ষণৰ বাবে হোৱা ক্ষুদ্র জীৱহত্যা পাপ মোচনার্থে গুৰু, দেৱ, নাম, ভকতক উদ্দেশ্যি সত্রলৈ শিষ্যসকলে এমুঠি কৰ দিযাৰো প্রথা আছে। এনে প্রথাই সত্র পৰিচালনাতো সহায় কৰি আহিছে।

মন কৰিব লগীযা যে একাদশী পালনৰ ক্ষেত্রত দশমী-সংযুক্ত একাদশী তিথি বর্জনৰ নির্দেশ কঠোৰভাৱে মানি অহা হৈছে। দশমী যুক্ত একাদশী পালন কৰিলে ব্রহ্মহত্যা পাপৰ সমভাগী হ'ব লাগে বুলি নাৰদপুৰাণ আৰু পদ্মপুৰাণত কোৱা হৈছে। এই নিষেধাজ্ঞাৰ লগত সংযুক্ত এটি বিশেষ কাহিনী আছে। কাহিনীত কোৱা হৈছে যে ৰুক্মাঙ্গদ ৰজাৰ আজ্ঞাত ৰাজ্যত সকলোৱে একাদশী ব্রত পালন কৰাত সকলোৰেই

---

[২৩] পদ্মপুৰাণম্, উত্তৰখণ্ডম্, সম্পা পঞ্চানন তর্কৰত্ন, পৃ ৩২৫

শেষত স্বর্গবাসী হোৱাত যমৰজাই তেওঁৰ ৰাজ্যলৈ কোনো পাপী তাপী নহাত ব্রহ্মাৰ সহায় ভিক্ষা কৰিলে আৰু ব্রহ্মায়ো তেওঁৰ কথামতে মোহিনীক সৃষ্টি কৰি ৰুক্মাঙ্গদৰ ৰাজ্যলৈ পঠালে। মোহিনীকো ৰজাই পত্নীৰূপে গ্রহণ কৰাৰ পিছত হোৱা পৰিৱর্তন, ৰুক্মাঙ্গদ আৰু তেওঁৰ পূর্বৰ পুত্রৰ বৈকুণ্ঠ গমন আৰু মোহিনীৰ শাসনত একাদশী ব্রত বন্ধ কৰি ঘটোৱা পাপকর্মৰ ফলত ৰাজ্যত অশান্তিৰ সৃষ্টি হ'ল। এই অৱস্থাত ৰজাৰ গুৰু গৌতম আহি মোহিনীক শাপি ভস্ম কৰিলে। ব্রহ্মাৰ অনুৰোধত শেষত গৌতমে দশমী আৰু একাদশী তিথিৰ মাজৰ অপৰিত্র সময়ছোৱাত মোহিনীক থাকিবলৈ দিলে। সেয়ে দশমী সংযুক্ত একাদশী সর্বদাই বর্জনীয় হৈ থাকিল। লগতে গৌতমে এই কথাও প্রকাশ কৰিলে যি দশমী যুক্ত একাদশী পালন কৰিব সেই ব্যক্তি ব্রহ্ম হত্যা পাপৰ সমভাগী হ'ব। যদি অৰুণোদয় কালত ক্ষন্তেক সময়ো দশমী স্পর্শ হয় তেতিয়া সেই দিনত একাদশী পালন কৰিব নালাগে। কাৰণ ই ধর্ম কামার্থনাশিনী[২৪]। যেনেকৈ অমৃতৰ পাত্র বা ঘৃত পাত্রত এক বিন্দু সুৰা থাকিলে সি বিষতুল্য বা অভক্ষণীয় ৰূপে গণ্য হয় তেনেদৰে দশমী-বিদ্ধ একাদশী সদায় দোষযুক্ত হয়। উল্লেখ আছে দশমী-সংযুক্ত একাদশী পালন কৰা ফলতেই গান্ধাৰীয়ে এশ পুত্র নিধনৰ শোক পাব লগা হৈছিল[২৫]।

একাদশী ব্রতৰ শ্রেষ্ঠতা আৰু ইয়াৰ সমতুল্য আন কার্যসমূহৰ গুৰুত্বৰ বিষয়ে পুৰাণসমূহত থকা তথ্যই সত্রস্থসকলক একাদশী পালনত বিশেষ প্রেৰণা যোগায়[২৬]। একাদশী, সংক্রান্তি আদি তিথিত ব্রত উপবাসৰ আধ্যাত্মিক তাৎপর্যৰ উপৰিও মহাজাগতিক সক্তি বা সৌৰ শক্তিৰ প্রভাৱো সংযুক্ত হৈ থাকিব পাৰে। জ্যোতির্বিজ্ঞানৰ গৱেষণাইহে এনে বিষয়ত আলোকপাত কৰিব পাৰি। সত্রসমূহত একাদশী ব্রত আস্থা সহকাৰে আৰু বিশ্বাসেৰে পালন কৰি অহা হৈছে আৰু এনেভাৱে পালন কৰি অহাৰ গুৰুত্বও সমধিক প্রণিধানযোগ্য।

২. সত্রাধিকাৰৰ নির্মালি লোৱা উৎসৱ

এখন সত্র পূর্ণাঙ্গ অৱস্থাপ্রাপ্ত হ'বলৈ গুৰু, দেৱ, নাম আৰু ভকত, এই চাৰিটি পদৰ আৱশ্যক। গুৰুক সত্রখনিত সত্রাধিকাৰ নামেৰে অভিহিত কৰা হয়। ৰজাৰ পৃষ্ঠপোষকতা আৰু সংহতি বিভাজন অনুসৰি সত্রাধিকাৰ পদবীটো বিভিন্ন সত্রত বিভিন্ন নামেৰে জনা

---

[২৪] পদ্মপুৰাণম্, স্বর্গখণ্ডম্, শ্লোক ৬৭, পৃ ২৪৯

[২৫] গৰুড় পুৰাণম্, পূর্বখণ্ডম্, সম্পা পঞ্চানন তর্কৰত্ন, শ্লোক ২, পৃ ৪০৪

[২৬] (ক) বৃহন্নাৰদীয় পুৰাণম্, সম্পা পঞ্চানন তর্কৰত্ন, পৃ ১৪৫

(খ) পদ্মপুৰাণম্, উত্তৰখণ্ডম্, সম্পা পঞ্চানন তর্কৰত্ন, শ্লোক ১১৫, ১১৬, ১১৭, ১১৮, পৃ ১৬৩

যায়। সত্রৰ অধিকাৰজনক সতৰীযা, সত্রীযা, মহন্ত, বাপ, আতা, বাপু আদি নামেৰেও সময বিশেষে পৰিচয দিয়া হৈছে। সাধাৰণতে ৱৰপেটা আৰু ৱৰদোৱা সত্রত আৰু নিকা সংহতিৰ সত্রসমূহত সতৰীয়া, সত্রীযা, বাপ, আতা আদি ব্যৱহাৰ হ'লেও মাজুলীৰ সত্রসমূহত সত্রাধিকাৰ শব্দহে বিশেষভাৱে প্রচলিত হৈ আহিছে। আহোম শাসনত ৰজাঘৰৰ চাৰি সত্রৰ অধিকাৰক বাপু, দিহিং, চেঁচা, চলিহা আদি সত্রৰ অধিকাৰক 'বাপ' আৰু নৱোৱা, কোৱামৰা, দীঘলী, চামগুৰি আদি সত্রৰ অধিকাৰক 'আতা' বুলি সম্বোধন ধৰিছিল[২৭]। মোৱামৰীযা সত্রসমূহৰ অধিকাৰক 'ঠাকুৰ' সম্বোধন কৰা প্রথা আছিল[২৮]। সাধাৰণতে সত্রৰ অধিকাৰক গোসাঁই, মহন্ত আদি শব্দৰে অভিহিত কৰা দেখা যায[২৯]। এই গোঁসাই, মহন্তসকলক 'মহাজন' আখ্যা দিযাৰ কথাও পোৱা যায[৩০]।

এগৰাকী সত্রাধিকাৰক আনুষ্ঠানিকতাৰ মাজেৰে, বৈদিক নিযমেৰে নির্মালি প্রদান কৰি অভিষেক কৰাই সামাজিক স্বীকৃতি দিয়া পদ্ধতি সত্রৰ প্রতিষ্ঠাকালৰ পৰাই প্রচলিত হৈ আহিছে। বিশেষকৈ আহোম ৰজাৰ শাসন কালৰ পৰা ৰাজ-অভিষেকৰ আৰ্হিৰে নির্মালি লোৱা উৎসৱ আযোজন কৰাৰ পৰম্পৰা গঢ় লৈ উঠে। সত্র প্রতিষ্ঠাৰ আৰম্ভণিৰ সময়ত ৰাজ-অভিষেকৰ আৰ্হিৰে নির্মালি লোৱা অনুষ্ঠান অনুষ্ঠিত হোৱা নাছিল যদিও সাধাৰণ নীতি-নিযমেৰে তেতিযাও নির্মালি লোৱা কার্য সম্পন্ন কৰাৰ কথা পোৱা যায। ধর্মাধিকাৰৰ ভাৰ অর্পণ কৰাৰ পিছত মাধৱদেৱক সামাজিক আৰু ধর্মীয নিয়মেৰে অভিষেক কৰাৰ কথা চৰিত পুথিত উল্লেখ আছে[৩১]। সামাজিক আৰু ৰাজকীয় স্বীকৃতিৰ বাবে অভিষেক কার্য যে ধৰাবন্ধা বিষয এই কথা প্রাচীন কালৰে পৰা ভাৰতবর্ষত পৰম্পৰাৰূপে প্রচলিত হৈ আহিছে। তাৰে ভিতৰত কেইটামান সময়ৰ বিশেষ পৰম্পৰাৰ কথা উল্লেখ কৰিব পাৰি।

বনবাস আৰু লংকাবিজযৰ পিছত পত্নী সীতাৰে সৈতে যেতিয়া ৰামচন্দ্র অযোধ্যালৈ

---

[২৭] মণিৰাম দেৱান, বুৰঞ্জি বিবেক-ৰত্ন, পৃ ১৩৭

[২৮] উল্লিখিত, পৃ ১৩৭

[২৯] উল্লিখিত, পৃ ১৩৭

[৩০] উল্লিখিত, পৃ ১৩৬। মণিৰাম দেৱানে মহন্ত শব্দটোৰেই ব্রহ্ম সংহতিৰ সত্রাধিকাৰসকললকো বুজাইছিল। মহাপুৰুষসকলৰ পথ অনুসৰণ কৰা ক্ষেত্রত মহাপুৰুষ শব্দক 'মহাজন' শব্দলৈ ৰূপান্তৰিত কৰা হৈছে। উদাহৰণ স্বৰূপে "মহাজনো যেন গতঃ স পন্থা"। মহাভাৰত, বন পর্ব, হৰিদাস সিদ্ধান্ত বাগীশ সংস্কৰণ, ২৬৭ অঃ, শ্লোক ৮৪, পৃ ২৫৭৫

[৩১] হৰিধ্বনি কৰি তথা।
বাদ্য সব বজাই যথা।।
অধিকাৰী মাধৱক।
কৰিলন্ত অভিষেক।। (দীননাথ বেজবৰুৱা, ৱৰচৰিত, পদ ২১৪২—২১৪৩, পৃ ১৫৪)

ঘূৰি আহে, তেতিয়া ৰাম-সীতাক অভিষেক কৰাই ৰাজপাটত বহুৱাৰ কথা ৰামাযণত উল্লেখ আছে[৩২]। সেইদৰে কিষ্কিন্ধ্যাৰ ৰাজ সিংহাসনত সুগ্রীৱক আৰু লঙ্কাৰ ৰাজ সিংহাসনত বিভীষণক বহুৱাওঁতেও অভিষেক কৰাৰ কথা পোৱা যায[৩৩]। দ্বাপৰ যুগত ইন্দ্রৰ দর্পচূর্ণ হোৱাত কৃষ্ণক ইন্দ্রপদত বহুৱাওঁতে কৰা অভিষেক কার্যৰ কথা ভাগৱততে বর্ণিত হৈছে[৩৪]। গর্গসংহিতাতো এই বিষয়ে বিশদভাৱে পোৱা যায[৩৫]।

এই প্রাচীন নিদর্শন সমূহৰ উপৰিও আহোম ৰাজশাসনত ৰজাসকলক অভিষিক্ত কৰাৰ যি প্রথা আছিল, সিবিলাকৰ বিৱৰণ প্রাযবোৰ বুৰঞ্জীতেই স্পষ্টকৈ আছে। আহোম ৰজাৰ অভিষেকৰ আৰ্হি সত্রসমূহতো সোমাই পৰে। ৰাজপাটত বহি অভিষেক উৎসৱ পালন নকৰা ৰজা যিদৰে পূর্ণপর্যাযৰ ৰজা বুলি বিবেচিত নহয, সেইদৰে অভিষেক কার্য নোহোৱা বা সমসত্রৰ অধিকাৰৰ পৰা নির্মালি নোলোৱাকৈ সত্রাধিকাৰ হ'লেও সেইজন সত্রাধিকাৰ পূর্ণমর্যাদাৰ সত্রাধিকাৰ নহয বুলি সত্রসমূহৰ মাজত এটা ধাৰণা আছে। সেযে সত্রাধিকাৰ গৰাকীক অভিষেকৰ মাধ্যমেৰে নির্মালি প্রদান কৰাটো এতিযাও সত্রসমূহৰ ধৰা-বন্ধা কার্য। ৰাজশাসন নাথাকিলেও প্রজাতন্ত্রৰ ওপৰত সর্বাধিক গুৰুত্ব প্রদান কৰি বর্তমানেও এই অনুষ্ঠান উৎসৱ আকাৰে আডম্বৰেৰে সৈতে উদ্‌যাপিত হৈ আছে। মন কৰিব লগীযা কথা যে বিশ্বৰ প্রায আটাইবোৰ ধর্মতে ধর্মগুৰুসকলক এনেভাৱে উৎসৱ অনুষ্ঠানৰ যোগেদি দাযিত্ব অর্পণৰ ৰীতি প্রচলিত হৈ আহিছে। অসমৰ সত্রসমূহত নির্মালি দিযা উৎসৱ, অভিষেক উৎসৱলৈ ৰূপান্তৰিত হৈছে। সত্রৰ মূল সত্রাধিকাৰৰ আসন পাবলৈ নির্দিষ্ট যোগ্যতা আৰু প্রণালীবদ্ধ জীৱন-পদ্ধতিৰ প্রযোজন। উদাস সত্রসমূহলৈ আন সত্রৰ পৰা গোসাঁই অনাৰ নিযম থাকিলেও কম আযাসতে বা চমু দিনৰ ভিতৰতে তেওঁ সেই আসন লাভ কৰিব নোৱাৰে। তাৰ বাবে দীর্ঘদিনৰ সাধনা আৰু অনুশীলনৰ প্রযোজন। সেযে গোসাঁইসকলে প্রথমতে সত্রীযা জীৱনৰ আৰু গুৰু আসনৰ সম্পূর্ণ প্রশিক্ষণ লোৱাটো একান্ত আৱশ্যকীয় দিশ। তাৰ কাৰণে অতি কম বযসতে সত্রলৈ আহি সেই শিক্ষাৰ অনুশীলন আৰম্ভ কৰিব লাগে। সত্রীযা প্রশিক্ষণ সম্পূর্ণ হ'লেহে ক্রম অনুসাৰে উত্তৰাধিকাৰৰ নির্মালি লাভ কৰে। আউনীআটী সত্রত গোৰিন্দপুৰীয়া আসন লাভ কৰাৰ পিছতহে ডেকাৰ আসনলৈ যাব পাৰে। সর্বতোপ্রকাৰে সত্রীযা ৰীতি-নীতি, আদর্শ আৰু জীৱন-যাপনৰ পদ্ধতিৰ লগত একাত্ম

---

৩২ মাধৱ কন্দলি, ৰামাযণ, লঙ্কাকাণ্ড, পৃ ৪১৬, সম্পা হৰিনাৰাযণ দত্তবৰুৱা

৩৩ উল্লিখিত, কিষ্কিন্ধ্যা কাণ্ড, পৃ ২৫২, ২৫৩, লঙ্কাকাণ্ড, পৃ ৪৪৪, ৪৪৫

৩৪ শ্রীমদ্ভাগৱত, দশম স্কন্ধ, সম্পা হৰিনাৰাযণ দত্তবৰুৱা, পৃ ৮৮৯, ৮৯০

৩৫ গর্গসংহিতা, গিৰিৰাজ সংঘ, পৃ ১৭০, ১৭১, ১৭২

কৰি তোলাটোৱেই গোৰিন্দপুৰীয়া ৰূপে ৰখাৰ মূল লক্ষ্য। সত্রাধিকাৰগৰাকীৰ আসন শূন্য হ'লে ডেকা সেই স্থানলৈ আৰু গোৰিন্দপুৰীয়া ডেকাৰ স্থানলৈ আহে। এনে সত্রীয়া যোগ্যতা ক্রম অনুসাৰে লাভ কৰে। যি কোনো পদৰ নির্মালি গ্রহণ কৰাৰ পিছত যোগ্যা-যোগ্য বিচাৰৰ কথা থাকিব নোৱাৰে। তাৰ বিচাৰ থাকিলে নির্মালি গ্রহণৰ আগতেই হ'ব লাগিব। সাধাৰণতে সত্রলৈ অনাৰ আগতে অত্যন্ত সতর্কতাৰে কৰা বাছনিৰ মাজেৰেহে গোসাঁইগৰাকী অনা হয়। সত্রলৈ অহাৰ পিছত সেই যোগ্যতা লাভৰ পথ প্রশস্ত হয়। সত্রাধিকাৰগৰাকীৰ পঞ্চভৌতিক দেহাৰ অৱসান আসন্ন হ'লে সত্রাধিকাৰ গৰাকীয়ে মুমূর্ষু অৱস্থাত স্ব-জ্ঞানেৰে সত্রৰ মুখ্য বৈষ্ণৱসকলক মাতি আনি নিজৰ ৱস্থাৰ কথা অৱগত কৰায় আৰু ডেকাৰ শিৰত নির্মালি দিযাৰ কথা জনায়। আন প্রকাৰে সত্রাধিকাৰ গৰাকীৰ সন্নিকট অৱস্থা দেখিলে সত্রৰ বাগীশ, বৰদেউৰী, ভাগৱতী আদি মুখ্য বৈষ্ণৱসকলেও সত্রাধিকাৰ গৰাকীৰ ওচৰলৈ গৈ সত্রাধিকাৰ গৰাকীৰ শেষ সময়ৰ অৱস্থা দেখি সকলো বিৱৰি জনায়[৩৬]। সত্রৰ ক্রম ৰক্ষার্থে ডেকাৰ শিৰত নির্মালি দিবলৈ কৰপুতে প্রার্থনা জনায। সত্রাধিকাৰ গৰাকীয়ে সকলো কথা উপলব্ধি কৰি বৈষ্ণৱসকলক নির্মালি আনয়ন কৰিবলৈ কয় আৰু ডেকাক সেই ঠাইত অর্থাৎ সত্রাধিকাৰৰ বাসভৱনত উপস্থিত কৰাবলৈ অনুমতি প্রদান কৰে। তেতিয়া মণিকূট গৃহৰ মুখ্য বৰদেউৰী (বৰপূজাৰী) গৰাকীয়ে শৰাইত নির্মালি লৈ আহে আৰু সমূহৰ সন্মতিক্রমে বাগীশ দেউৰীযে শৰাই আগবঢাই নির্মালি প্রার্থনা কৰে। এই কার্য সত্রাধিকাৰৰ বাসভৱনত আৰু কোনো সত্রত নামঘৰতো কৰে। খনিযা শিৰ নির্মালি হাতত লৈ সত্রাধিকাৰগৰাকীযে ওচৰতে থকা ভাগৱত প্রত্যক্ষমূর্তিত স্পর্শ কৰাই চন্দ্র, সূর্য, বায়ু, বৰুণ আদি দশ দিক্‌পাল, সনাতন ধর্ম আৰু ঈশ্বৰ গোৰিন্দক সাক্ষী কৰি ওপৰৰ দেউসকলকো স্মৰণ কৰি ডেকাৰ শিৰত নির্মালি প্রদান কৰে। লগতে গোৰিন্দপুৰীয়া থাকিলে তেওঁক ডেকাৰ নির্মালি দিযে। লগে লগে ডেকা, গোৰিন্দপুৰীয়াই সেৱা কৰে। তেতিয়া সত্রাধিকাৰে আশীর্বাদ দি ঈশ্বৰসেৱা, নামধর্ম প্রৱর্তোৱা আৰু বৈষ্ণৱ প্রতিপালন কৰা আদি উপদেশ প্রদান কৰে। ইমানতেই সত্রাধিকাৰৰ সত্রীয়া পৰম্পৰা ৰক্ষা কৰি নির্মালি প্রদান কৰা কার্যসূচীৰ সামৰণি মাৰে। ইযাৰ পিছত সত্রাধিকাৰগৰাকীৰ

---

[৩৬] মহন্তসকল মৃত্যু সন্নিহিত হ'লে সেই সময়ত বৃদ্ধতৰ মান্যৱন্ত ভক্তসকলে ধর্মাধিকাৰৰ শৰীৰ বিয়োগ সময় দেখি জনায, "হে প্রভু, মর্ত্য লোকত জন্মি মৰে, এই ধর্ম অস্মাদাদিৰ প্রভুসকলৰ জন্ম জীৱ তাৰিবৰ নিমিত্তক কালৰ সংখ্যা কৰি অৱতাৰ হই, সেই সংখ্যাতে পুনৰ বৈকুণ্ঠ বাসক ইচ্ছা কৰি এই মাযা শৰীৰ এৰি নিজ ধামক ইচ্ছা কৰে। এই সময়তে পূর্বীয় মহা পৌৰুষিক এক নীতি ধর্ম আছে। এক জনত সত্র সভা বৈষ্ণৱ নামধর্ম ৰ মূর্তি সমর্পি অন্তকালত দি যায। আমি ইদানিক ধর্ম সমর্পণৰ কাল যেন দেখো। আজ্ঞা হ'লে নির্মালি অনাব পাৰি।" (মণিৰাম দেৱান, পূর্বোল্লিখিত, পৃ ১৩৭, ১৩৮)

যেতিয়া মহাপ্রয়াণ ঘটে তেতিয়া ঔর্ধদৈহিক কার্যৰ সকলোখিনি নতুন অধিকাৰে যথা নিয়মেৰে যথাসময়ত সম্পন্ন কৰে। আদ্য শ্রাদ্ধসমূহ বৈদিক নিযমেৰে যথাৱৎ সম্পন্ন কৰা হয়[৩৭]। পূর্বতে আদ্যশ্রাদ্ধৰ দিনাই [৩৮] অভিষেক সম্পন্ন কৰাৰ ৰীতি আছিল যদিও পিছলৈ যিকোনো সময়ত সুবিধা অনুযাযী শুভদিন চাই নির্মালি লোৱা উৎসৱ অনুষ্ঠিত কৰাৰ প্রথা গঢ় লৈ উঠে। অৱশ্যে এই কার্যৰ আগত সপিণ্ডীকৰণ বা ছমহীযা, বছৰেকীযা কর্ম সম্পন্ন কৰি লোৱাটো একান্ত কর্তব্য। এই ছমহীযা, বছৰেকীযা কর্ম হয আদ্যশ্রাদ্ধৰ পিচদিনা, নহ'লে ত্রিপক্ষত অর্থাৎ পঞ্চত্রিংশ দিনত সম্পন্ন কৰা যুগুত। এবছৰৰ মূৰত নির্ধাৰিত সপিণ্ডীকৰণৰ কর্ম কৰিলে তাৰ পিছতহে নির্মালি লোৱা উৎসৱ পতা হয।

সত্রাধিকাৰৰ অভিষেক পতাৰ লগে লগে স্ব-শাৰীৰ সত্রসমূহক জাননী দিযা হ আৰু নতুন অধিকাৰৰ পৰিচয দিযা হয। সেই ক্ষেত্রত চাৰিসত্রৰ বেলিকা ক্রম অনুসা প্রথম সত্রৰ অধিকাৰে বাকী তিনিখনক নির্মালি প্রদান কৰিব লাগে। দ্বিতীযখনে প্রথমখনৰ সত্রাধিকাৰক নির্মালি প্রদান কৰিব লগা হ'লে তৃতীয আৰু চতুর্থখনৰ লগ লাগি নির্মালি দিব লাগে। যদি দ্বিতীযখনৰ অসুবিধা হয, নিমন্ত্রণ পালে তৃতীয, চতুর্থখনেও দিব পাৰে। আগতীয়াকৈ সত্রৰ মুখ্য বৈষ্ণৱ পঠাই এই কার্য কৰিবলৈ নির্দিষ্ট সত্রকেইখনৰ সত্রাধিকাৰক জাননী দিব লাগে। স্ব-শাৰীৰ সত্র কেইখনক নিমন্ত্রণ কৰাৰ পিছত আন আন সত্রসমূহলৈও বৈষ্ণৱ পঠাই নিমন্ত্রণ জনায়। শিষ্য-প্রশিষ্যসমূহকো সত্রৰ বৈষ্ণৱ পঠাই নিমন্ত্রণ জনায়।

যথা সময়ত অভিষেক কর্মৰ প্রস্তুতি চলে। নামঘৰৰ কাষত আৰু সত্রাধিকাৰৰ বাসভৱনৰ ওচৰত স্ব-শাৰীৰ সত্রসমূহৰ অধিকাৰসকলৰ কাৰণে বাহৰ তৈয়াৰ কৰে। আগৰ কালত এনে বাহৰ নদীৰ কাষত পতা হৈছিল। এতিযা নদীৰে চলাচলৰ সুবিধা নথকাত সত্রৰ ভিতৰতে সত্রাধিকাৰসকলৰ সুবিধার্থে বাহৰ সজা হয। তেনেকৈ বাকী সত্রৰ সত্রাধিকাৰসকলৰ কাৰণেও সত্রৰ সুবিধা অনুযাযী থকা ঠাইৰ ব্যৱস্থা কৰা হয। প্রস্তুতি কার্যত সত্রৰ পাইক, চমুৰা আৰু স্থানীয় ৰাইজে আহি সত্রৰ বৈষ্ণৱসকলৰ লগত বিভিন্ন প্রকাৰে সহায় কৰে। পূর্বতে স্ব-শাৰীৰ সত্রাধিকাৰসকল কর্মৰ আগদিনাই আহি অস্থাযী বাহৰত থাকেহি কিন্তু বর্তমান প্রায় কর্মৰ দিনাহে আহে।

অভিষেক কর্মৰ উপলক্ষ্যে নামঘৰটি উত্তমৰূপে সজাই তোলা হয়। নামঘৰত চিত্র-বিচিত্র কাপোৰৰ চন্দ্রাতপ তৰে, প্রত্যেক দুৱাৰমুখত আমপাত আঁৰে। ৰাঙলী চ'ৰাত, নামঘৰৰ মুখ্য দ্বাৰত, ভিতৰ কৰাপাট আৰু বাহিৰ কৰাপাটৰ সম্মুখত কলপুলি

---

[৩৭] উল্লিখিত, পৃ ১৪০

[৩৮] দ্রষ্টব্য, অধ্যায় ৫ ০২, উল্লিখিত, ১৪০

পুতি; তাতো আমপাত অঁৰা হয। নামঘৰৰ মূল দ্বাৰত দুযোকাষে মাটিৰ জলপূর্ণ ঘট ৰখা হয। ঘটৰ ওপৰত আমপাত আৰু ঘটৰ কাষত মাটি-চাকি জ্বলাই থোৱা হয়। মণিকূটৰ সম্মুখত একোঠালি এৰি দ্বিতীয কোঠালিত এটি আঠকোণীয়া যজ্ঞমণ্ডপ তৈযাৰ কৰি প্রতি কোণত কলপুলি কাপোৰেৰে মেৰিয়াই থোৱা হয। মণ্ডপৰ ওপৰভাগ বনকৰা কাপোৰেৰে কলপাতৰ সৈতে মেৰিয়াই আঁৰি দিয়ে। মণ্ডপৰ গোটেই ওপৰ-ভাগত ফুলৰ মালা, আমপাত, দূর্বা আৰু তুলসীৰ মালা মণ্ডলাকাৰে আঁৰি দিযা হয়। মণ্ডপৰ ওপৰ ভাগত তিনিখলপীয়া সুন্দৰ বনকৰা চন্দ্রাতপ আঁৰি শুকুলা চোঁৱৰ আঁৰি দিয়া থাকে। মণ্ডপৰ তলত ছহাত বহল আঠআঙুল ওখকৈ আঠকোণীযা এটি ভেটি বান্ধি তাৰ ওপৰত চাউলগুৰি, সেন্দুৰ, কলপতীযা, সেউজীযা আদি বৰণৰ ৰ্ঙালিৰে সর্বতো ভদ্রমণ্ডল পাতি, আঠকোণে আঠটি ৰূপৰ ঘট, সোঁমাজত এটি সোণৰ ঘট প্রতিষ্ঠা কৰে। মণ্ডলৰ চাৰিওকাষে সোণ-ৰূপৰ ফুলবছা তামৰ কলহ, সোণ-ৰূপৰ সহিতে মুঠ এশ আঠোটা ঘট স্থাপন কৰা হয়। প্রত্যেকটি কলহ জলপূর্ণ কৰি কলহৰ মুখত পঞ্চ পল্লৱ দি কলহৰ আগভাগত পঞ্চৰত্নৰ সৈতে বগা কাপোৰেৰে বান্ধি দিযা হয। বর্তমানে ইমান সৰহীযাকৈ সোণ, ৰূপ আৰু তামৰ কলহ যোগাৰ কৰাত অসুবিধা কাৰণে এশটা মাটিৰ ঘট ব্যৱহাৰ কৰি তাৰ লগত সোণৰ এটা আৰু ৰূপৰ সাতটা ঘট স্থাপন কৰাৰ নিযম প্রচলিত হৈছে। প্রত্যেক ঘটৰ কাষে কাষে এশ আঠ গছ প্রদীপ থাকে, মণ্ডলৰ কাষত গন্ধ, চন্দন, তুলসী, ফুল, দূর্বা আদি মাঙ্গলিক দ্রব্যৰে ভৰপূৰ কৰি পুষ্পাসনৰ ওচৰত শঙ্খ, ঘণ্টা, কোষা, অর্ঘা, তামী সজাই থোৱা হয়। মণ্ডপৰ কাষত সত্রৰ মূল পুৰোহিত বাগীশ, বৰপূজাৰী, ভাগৱতী আদি বৈষ্ণৱসকল যোগ্যানুৰূপে বহি ক্রমানুসাৰে ব্রতী হয। অভিষেকৰ পূর্বতে নৱাভিষিক্ত অধিকাৰে সর্বশুদ্ধিৰে স্নান কৰি সেইদিনা নির্দিষ্ট সত্রৰ সৈতে নান্দিমুখৰ শ্রাদ্ধ কৰা বিশেষ প্রযোজনীয় কর্তব্য। এই কার্য সম্পাদনৰ পিছতেই মূল অভিষেক কার্য আৰম্ভ হয়। প্রাৰম্ভিক শান্তি কর্মৰে শুভাৰম্ভ কৰি থোৱা অৱস্থাতে বিশেষভাৰে নিমন্ত্রিত স্ব-শাৰীৰ সত্রৰ অধিকাৰসকল সত্রত প্রৱেশ কৰেহি। সময় মিলাই এজন এজনকৈ অধিকাৰসকলক স-বৈষ্ণৱে বাহিৰ কৰাপাটৰ পৰা আদৰি আনে। সত্রৰ গায়ন-বায়ন, ওজা আদি কীর্তনীয়াসকলে গীত-বাদ্যৰে সমদলেৰে আদৰি আনি সত্রাধিকাৰসকলক ভিতৰ কৰাপাট পোৱাইহি। তাতেই গায়ন-বায়ন, ওজাৰ কাম শেষ হয়। ভিতৰ কৰাপাটত বৰপূজাৰীয়ে চন্দনৰ তিলক আৰু নির্মালি দি সত্রাধিকাৰক সম্ভাষণ জনায়। এইখিনিতে ধন-ভঁৰাল আৰু চাউল-ভঁৰালৰ কর্মকর্তাসকলে গুৱা-পাণ, বস্ত্র-অৰিহণাৰে শৰাই দি আদৰণি জনায়। এইদৰে সমদলেৰে ভিতৰ কৰাপাটৰ পৰা আহি নিমন্ত্রিত সত্রাধিকাৰ নামঘৰৰ ৰাঙলী-চ'ৰা পাওঁতেই সত্রৰ ডেকা গোঁসাই আৰু আন বৈষ্ণৱসকলে আগবঢ়াই আনে। লগে লগে

নৱীন সত্রাধিকাৰে নামঘৰৰ মূল দ্বাৰৰ পৰা আগবঢ়াই আনি নির্দিষ্ট স্থানত পাতি থোৱা মণ্ডলৰ কাষৰ যথা আসনত বহুৱায়। অৱশ্যে সময়ৰ ব্যৱধান ঘটিলে সাজি থোৱা অস্থায়ী বাহৱত সত্রাধিকাৰসকলক বহুওৱাৰ ব্যৱস্থা কৰে। সত্রাধিকাৰসকলে মণ্ডপৰ কাষত আসন গ্রহণ কৰাৰ লগে লগে সত্রৰ নবীন অধিকাৰেও যুগ্মবস্ত্র পৰিধান কৰি নিৰাভৰণেৰে শুদ্ধ চিত্তেৰে গৈ যজ্ঞ মণ্ডপৰ বেদীৰ পশ্চিমফালে পাৰি থোৱা আসনত[৩৯] পূর্বাভিমুখী হৈ বহে। নিমন্ত্রিত অভ্যাগত শিষ্য-প্রশিষ্য সকলোৱে নামঘৰত আসন লয়। সেই সময়তে পূর্বে ৰজাৰ শাসন কালত ৰজাঘৰৰ প্রতিনিধি ৰাজখাটনিয়াৰ অর্থাৎ ফুকন ৰৰুৱা আহি ৰজাৰ আজ্ঞা শুনাইছিলহি[৪০]। সেই আজ্ঞাৰ পিছত অভিষেকৰ মূল কার্য আৰম্ভ হৈছিল। বর্তমান সেই প্রথা নাই।

তাৰ পিছতে স্ব-শাৰীৰ নিমন্ত্রিত সত্রাধিকাৰে সম্মুখত থকা কলসীৰ জল সুবর্ণৰ কোষাত একত্রিত কৰি শান্তিকূশৰ লগত আমপাত লৈ বেদ মন্ত্রৰে নবীন অধিকাৰক শান্তি কৰে। সত্রৰ বাগীশ আৰু পুৰোহিত গৰাকীযেও এই সময়তে শান্তি কৰে। শান্তিমন্ত্র সম্পূর্ণ পাঠ হোৱাৰ পিছত অক্ষত দূর্বাদিৰে সত্রাধিকাৰসকলে নবীন সত্রাধিকাৰক অভিসিঞ্চন কৰে। ইয়াৰ পিছতে প্রথমতে সত্রৰ বৰপূজাৰীয়ে ৰূপৰ মাইহাং বা ৰূপৰ শৰাইত মহাপ্রভুৰ তুলসীমালা আনি নবীন সত্রাধিকাৰৰ শিৰত দিয়ে। তাৰ পিছতেই ক্রমানুসাৰে সত্রাধিকাৰসকলে নবীন অধিকাৰৰ শিৰত নির্মালি প্রদান কৰে লগতে ক্রমানুসাৰে প্রথম বা দ্বিতীয় সত্রাধিকাৰে ডিঙিৰ গল মালা পিন্ধায়। শিৰমালা আৰু গলমালা উভয় মালাই তুলসী পত্রৰ। মালা দিয়াৰ লগে লগে বৈষ্ণৱসকলে হৰিধ্বনি দিয়ে; উপস্থিত ৰাইজেও হৰিধ্বনি, জয়ধ্বনি কৰে। ডবা, কাঁহ, শঙ্খ, বৰতাল আদি মাঙ্গলিক ধ্বনি বাজি উঠে। ইযাৰ পিছতে অভিষিক্ত সত্রাধিকাৰক লগত লৈ অভিষেক কৰা সত্রাধিকাৰসকলে মহাপ্রভুৰ স্থান মণিকূটলৈ গৈ মহাপ্রভুক সকলোৱে সেৱা জনায়। তাতে তেতিয়া নবীন সত্রাধিকাৰক ভাগৱতী ধর্মৰ মূল তাৎপর্যৰ বিষয়ে সত্রাধিকাৰসকলে ব্যাখ্যাৰে সৈতে উপদেশ দিয়ে। এইখিনিতে বৈষ্ণৱ সেৱা, সত্রৰ শিষ্য পুত্রক আত্মবোধ কৰা, সোণ অথবা কচু অনা সকলো শিষ্যকে সমান দেখা, ভূতদয়াক মূল ধর্ম স্বৰূপে লোৱা, যাবাৎদ্বিভূতি, ধন, ৰত্নাদি সকলো 'মহাপ্রভুৰ' সম্পত্তি ৰূপে গণ্য কৰা, এনে মূল উপদেশসমূহ নবীন অধিকাৰক প্রদান কৰে[৪১], এনে বোধদানৰ অন্তত বৰ পূজাৰীয়ে অধিকাৰসকলক

---

[৩৯] নবীন অধিকাৰৰ এই আসন বগা কম্বলৰ আসন, যাক ঠণ্ডা বুলি কোৱা হয়। নির্মালি দিয়া অধিকাৰসকলেও এনে ঠণ্ডাত বহিব লাগে।

[৪০] মণিৰাম দেৱান, পূর্বোল্লিখিত, পৃ ১৪১

মহাপ্রভুৰ নির্মালি প্রদান কৰে। মহাপ্রভুৰ নির্মালি লোৱাৰ পিছতেই সত্রাধিকাৰসকলে মহাপ্রভুত সেৱা জনাই মণিকূটৰ পৰা ওলাই আহে আৰু নৱাভিষিক্ত অধিকাৰক নামঘৰৰ লাইখুঁটাত নিজ আসনত বহুৱায়। লগে লগে সত্রাধিকাৰ সকলেও দক্ষিণ ফালে ক্রম অনুসৰি নিজ নিজ আসন গ্রহণ কৰে। এইখিনিতে সত্রাধিকাৰসকলে পৰস্পৰে ইখনে সিখন সত্রক আশীর্বাদ প্রদান কৰে। আশীর্বাদ কৰাৰ সময়ত প্রথম অভিষেক কৰা সত্রই অভিষিক্ত সত্রৰ ওপৰৰ দেউসকলৰ নাম উচ্চাৰণ কৰি এবাৰ, নৱাভিষিক্ত সত্রাধিকাৰক দুবাৰ, ডেকা, সমূহ বৈষ্ণৱ আৰু ৰাইজক এবাৰকৈ আশীর্বাদ দিয়ে। তাৰ পিছত অভিষিক্ত সত্রাধিকাৰে তদনুসাৰে সেই সেই সত্রৰ নামত আশীর্বাদ প্রদান কৰে। আশীর্বাদ কৰা সত্রাধিকাৰসকলৰ নিজ নিজ সত্রৰ নাম লগোৱা আৰু বৈষ্ণৱ সকলে হৰিধ্বনি কৰে। লগত শঙ্খ, কালি, ভেৰী আদি মাঙ্গলিক বাদ্য বাজি উঠে। এই কার্যৰ পিছতে সত্রাধিকাৰসকলক অভিষিক্ত সত্রাধিকাৰে নিজৰ বাসভৱনলৈ আনি ভোজন কৰোৱায়। তাৰ পিছত সত্রাধিকাৰ সকল নিজ নিজ বাহৰলৈ যায়। এইখিনি সময়তে বৈষ্ণৱ সকলে নিমন্ত্রিত অভ্যাগত শিষ্যসকলক অভ্যর্থনা জনায়। ইয়াৰ পিছতে সম্পূর্ণ সত্রাধিকাৰৰ পৰিচ্ছদেৰে নৱাভিষিক্ত সত্রাধিকাৰে স্ব-শাৰীৰ সত্রাধিকাৰসকলৰ লগত হাতত ধৰাধৰি কৰি পুনৰ নামঘৰত প্রৱেশ কৰেহি। সত্রাধিকাৰৰ পৰিচ্ছদৰ ভিতৰত পাটৰ ধুতি, পাটৰ চোলা, খনীয়া কাপোৰ, শিৰত শুভ্র পাগ, শিৰমালা, গলত গলমালা আদি। নামঘৰত সত্রাধিকাৰসকল প্রৱেশ কৰাৰ লগে লগে ইতিমধ্যে উৎসৱ উপলক্ষ্যে আৰম্ভ হৈ থকা হিয়ানাম আৰু দিহানামৰ সামৰণি পৰে। তেতিয়া পুনৰ সত্রৰ আশীর্বাদৰ লগে লগে সেৱা কৰে। এই সময়ত সত্রাধিকাৰে সেৱা কৰোঁতে পুনৰ ডবা বাজে। আশীর্বাদৰ অন্তত গায়ন-বায়নৰ গীত-বাদ্য আৰু নটুৱা নাচ আৰম্ভ হয়। এই সময়তেই প্রসাদ বিতৰণ কৰা হয়। সত্রাধিকাৰসকলক বৰপূজাৰীয়ে শৰাইৰে সৈতে সম্মান সহকাৰে প্রসাদ দিয়ে। চাৰিসত্রৰ ডেকা গোঁসাইসকলক আৰু বৈষ্ণৱ সমন্বিতে ৰাইজক পালি পূজাৰীসকলে প্রসাদ দিয়ে। গায়ন-বায়নৰ অন্তত ওজা-কীর্তনীয়া দল নামঘৰত প্রৱেশ কৰি ওজাপালি, নৃত্য-গীত আৰম্ভ কৰে। সেই সকলোখিনি কর্ম সেই দিনটোৰ উপলক্ষ্যে অভিষেক কার্য কৰা নিমন্ত্রিত সত্রৰ সত্রাধিকাৰ এজন হ'লে সেই সত্রৰ পৰা আৰু দুজন হ'লে আলোচনাৰ যোগেদি সেই সেই সত্রৰ পৰা কার্যসমূহ সম্পন্ন কৰে। ওজাপালি শেষ পোৱাৰ লগে লগে দিনটোৰ কার্যৰ সমাপ্তি ঘটে।

অভিষেক কার্য উপলক্ষ্যে অনুষ্ঠিত বৈদিক কর্মসমূহ আৰু নাম-কীর্তন, নৃত্য-গীত

---

[৩১] উল্লিখিত, পৃ. ১৪২, ১৪৩

আদি সকলো অনুষ্ঠান প্রাচীন আদর্শ সম্বলিত[৪২]। পঞ্চপল্লৱ থকা ঘটৰ পৰা যি জলেৰে নবীন সত্রাধিকাৰক শান্তি কৰে সি গঙ্গা স্বৰূপ জল। শিৰত দুর্বাদি শুভসূচনা কৰা আৰ্হিও সেই আদর্শৰ। আনহাতে গন্ধর্ব, অপ্সৰাসকলে কৃষ্ণৰ অভিষেকত যি নৃত্য-গীত কৰিছিল তাৰ আৰ্হিতে সত্রাধিকাৰৰ অভিষেক উপলক্ষ্যে সভাগৃহত, গাযন-বাযন, নটুৱা, ওজা আদি অনুষ্ঠান অনুষ্ঠিত হয।

দিনৰ অনুষ্ঠানৰ পিছতেই সত্রাধিকাৰসকল নিজ নিজ জিৰণিৰ ঠাইলৈ যায। তাতে নবীন সত্রাধিকাৰে সত্রাধিকাৰসকলক সুৱর্ণ, ৰজত, সাজ-শয্যা আদি উপঢৌকন আৰু সিধা-পাতি দি বিদায দিযে। লগে লগে নৱাভিষিক্ত সত্রাধিকাৰে নামঘৰৰ ৰাঙলী-চ'ৰাত আগবঢাই থযগৈ। তাৰ পিছত নবীন সত্রাধিকাৰে নিজৰ বাসভৱনলৈ আহি আন আন সত্রৰ অধিকাৰসকলক যথাসম্ভ্রমেৰে বিদায দিয়ে আৰু ব্রাহ্মণমণ্ডলীক দক্ষিণা প্রদান কৰে। একে সমযতে অতিথিৰ আদৰ-অভ্যর্থনা চলি থাকে। সন্ধ্যা হোৱাৰ লগে লগে আৰতি আৰম্ভ হয, তাৰ পিছতে নির্ধাৰিত নিত্য-প্রসঙ্গ সমাপনান্তত ভোজন সমাপণৰ পিছত নামঘৰত উৎসৱ উপলক্ষ্যে ভাওনা আৰম্ভ হয। অৱশ্যে পূর্বতে নিশাৰ কর্মলৈও সত্রাধিকাৰসকল আছিল। কোনো কোনো সত্রত বর্তমানেও এই প্রথা চলি আছে। সত্রাধিকাৰসকল গাযন-বাযন শেষ হোৱাৰ সমযতে নামঘৰত প্রৱেশ কৰেহি। লগে লগে সকলোৱে বহা আসনৰ পৰা উঠি "জয ৰাম বোলা, জয হৰি বোলা" ধ্বনি কৰে। এই হৰিধ্বনি নামলগোৱাই আৰম্ভ কৰি দিযে। সত্রাধিকাৰসকল আসনত বহাৰ লগে লগে নামঘৰত থকা সকলোৱে নিজ নিজ ঠাইত বহে। সেই সমযতে ভাওনাৰ সূত্রধাৰ প্রৱেশ কৰে। এই ভাওনা সাধাৰণতে নিজ সত্রৰপৰা নকৰে। অভিষেকৰ মূল দায়িত্ব লোৱা সত্রৰপৰাই এই ভাওনা কৰা নিযম। অসুবিধা হ'লে আন সত্রৰ পৰা

---

[৪২] কৃষ্ণৰ অভিষেক এই আৰ্হিৰ মূল উৎস আছিল।

"ইন্দ্রে সমে উঠি দেৱ ঋষি সব যত।
আকাশী গঙ্গাৰ জল সিঞ্চিলা শিৰত।।
অদিতি প্রমুখো দেৱমাতা সব শিৰে।
উৎসুকে সিঞ্চিলা দুর্বাক্ষত দধি ক্ষীৰে।।
অশেষে সুৰভি পুষ্প সততে ৰৰিষে।
সমস্তে গোবিন্দ নাম থৈলন্ত হৰিষে।।
নাৰদ, তুম্বৰু আদি কৰি বিদ্যাধৰ।
তাল ধৰি গাৱে গুণ গীত মাধৱৰ।।
সিদ্ধ মুনি কৈৰে তুতি নাচে অপ্সৰা।
পুষ্প বৃষ্টি কৈৰে কতো আকাশৰ পৰা।।

শ্রীমদ্ভাগৱত, সম্পা হৰিনাৰাযণ দত্তবৰুৱা, পদ ১১৮১০, ১১৮১১, ১১৮১২, পৃ ৮৮৯, ৮৯০

আহিও ভাওনা পৰিৱেশন কৰে। পূর্ব প্রথা মতে সত্রাধিকাৰ হোৱাৰ লগে লগে অভিনযৰ কাৰণে এখনি নাট লিখি উলিওৱা বিশেষ নিযম। সেই ৰাতিত সত্রাধিকাৰ ৰচিত নাটৰ ভাওনাহে কৰিব লাগে। বর্তমানে সত্রাধিকাৰে নাট আগতেই ৰচনা কৰি উলিয়ায় আৰু সেই নাটৰ ভাওনা আগতে কৰে বাবে যথাসমযত নতুন নাট লিখাৰ ৰীতি সম্প্রতি শিথিল হৈছে। ভাওনাৰ অন্তত সকলো নিজ নিজ ঠাইলৈ আহে। পিছদিনা নবীন সত্রাধিকাৰে বিভিন্ন ঠাইৰ পৰা অহা অতিথিসকলক বিদায দিযে। শিষ্য-প্রশিষ্য, পাইক চমুৱা আদি সকলোকে নির্মালি দি বিদায় দিযে। এনে প্রকাৰেই পূর্বজসকলৰ দৰে ঈশ্বৰ সেৱা, নামধর্ম, ভাগৱত চর্চা আৰু বৈষ্ণৱ প্রতিপালন কৰি নবীন সত্রাধিকাৰে সত্র পৰিচালনা কৰে। কর্মান্তত যথাসম্ভৱ সম্বৎসৰৰ ভিতৰত নৱাভিষিক্ত সত্রাধিকাৰে বাকী সত্রকেইখনিলৈ গৈ মহাপ্রভুৰ সেৱা সৎকাৰ কৰে আৰু নিজ সত্রত চাউল-সিধা আগবঢায।

এইদৰে পূর্বতে চাৰি সংহতিৰ সত্রৰ অধিকাৰৰ অভিষেক কার্য সম্পন্ন হোৱা প্রথা আছিল[৪০]। বর্তমানে অৱশ্যে সকলো সংহতিৰ সত্রতে নির্মালি দিযাৰ এনে ৰাজকীয আর্হিৰ প্রচলন নাই। আদর্শ আৰু পৰিৱেশ প্রধান সত্রসমূহত এনে নীতিৰ প্রচলন আছে।

ব্রহ্ম সংহতিৰ সত্রসমূহৰ ডেকা, গোৱিন্দপুৰীযাই নির্মালি লোৱাৰ কোনো আনুষ্ঠানিকতা নাথাকে। সত্রৰ অধিকাৰে এই দুযোকে নির্মালি প্রদান কৰে সেই সেই আসন পূৰণৰ সমযত। সত্রাধিকাৰৰ পূজা গৃহ বা কোনো সত্রৰ নামঘৰতে এই নির্মালি প্রদান কৰা হয়। সত্রাধিকাৰে নিজে শাস্তি কৰি নির্মালি দিয়ে। অৱশ্যে ডেকা আৰু গোৱিন্দপুৰীয়াই নির্মালি লোৱাৰ আগত হবিষ্যান্ন গ্রহণ কৰি গুৱা-পাণৰ শৰাই সত্রৰ বাগীশ, বৰদেউৰীৰ যোগেদি আগবঢ়াই সত্রাধিকাৰক জনাই আজ্ঞা লোৱা নিয়ম। পুৱাৰ প্রসঙ্গ চলি থকা অৱস্থাতে নির্মালি লোৱা কার্য সম্পন্ন হয। নির্মালি লোৱাৰ দিনা ৰাতিলৈ নিজ বহাত নাম কীর্তন কৰে।

সত্রাধিকাৰৰ নির্মালি লোৱা উৎসৱ সত্রীযা পৰম্পৰাত আজিও গুৰুত্বপূর্ণ উৎসৱ ৰূপে গৃহীত আৰু সম্পাদিত হৈ আহিছে।

৩. চাউল সিধা আৰু হৰি কীর্তন

তিনি প্রকাৰে চাউল সিধা দিয়া নিয়ম আছে, গুৰুক সেৱা জনাওঁতে, সত্রত নতুন ৰান্ধনিয়ে মান্যজনক অন্ন ৰান্ধি দিওঁতে আৰু সমূহীয়াভাৱে গুৰু-ভকত সেৱাৰ উপলক্ষ্যে

---

[৪০] মণিৰাম দেৱান, পূর্বোল্লিখিত, পৃ ১৪৫

সিধা দিয়াটো নিয়ম। ৰান্ধনিৰ উপৰি গুৰু বা মান্যৱস্তু গৰাকীয়ে কোনোবা এজন পোষ্য পুত্ৰৰ যোগেদি অন্ন গ্ৰহণ কৰিব খুজিলে চাৰিজন ভকত গোটাই ভোজনি দি অন্ন লোৱা প্ৰথাও আছে। এনে আৰ্হি মাধৱদেৱৰ দিনতে দেখুৱাই থৈ গৈছে[৪৪]। যি উদ্দেশ্য লৈয়ে নহওক চাউল সিধাৰ মূল উদ্দেশ্য হ'ল, শ্ৰদ্ধা আৰু পৱিত্ৰতাৰ সংস্কাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰা। সমাজ জীৱনত গার্হস্থ্য পদ্ধতিত বিবিধ সংস্কাৰ আছে, বিশেষকৈ বৈবাহিক সংস্কাৰ আদি। উদাস জীৱনত এনে সেৱা কর্মৰ যোগেদি সামাজিক সংস্কাৰ কার্য সম্পন্ন কৰা হয়। তদুপৰি, এনে কর্মৰ লগত 'সেৱকী'ৰ 'বহা'ৰ[৪৫] সকলোটি জড়িত হৈ পৰে। অসমৰ জনসাধাৰণৰ ঘাই আহাৰ 'চাউল সিজোৱা'। এতেকে, এনে ঘাই আহাৰ আগবঢ়াওঁতেও যাতে আধ্যাত্মিক সংস্কাৰ অনুসৃত হয, এই উদ্দেশ্য 'চাউল সিধা' আৰু 'হৱিকীর্তন'ৰ লগত জড়িত হৈ আছে। সেৱকীৰ সেৱাত অন্ন-বস্ত্ৰ প্ৰদান সত্রীযা পৰম্পৰাত এক গুৰুত্বপূর্ণ কর্তব্য ৰূপে নির্ধাৰণ কৰা হয। অন্ন ব্ৰহ্মপ্ৰাপ্তিৰ আন এক লক্ষ্য। পৰৱর্তী কালত গঢ় লৈ উঠা আনুষ্ঠানিকতা নাথাকিলেও চাউল সিধাৰ প্ৰথম আৰ্হি চিৰাম আতাৰ পৰাই প্ৰচলিত হয়। চিৰাম আতাই ভিক্ষা কৰি পেট প্ৰৱর্তোৱাৰ কথা জানি নাৰায়ণ ঠাকুৰে চিৰাম আতাক খোৱাৰ যোগান ধৰি দিযে, ইযাকে দেখি-শুনি চিৰাম আতাক আনসকলেও চাউল-পাতৰ যোগান ধৰে। এনেদৰে চিৰাম আতাই নিজক লগাতকৈ দ্ৰব্য-সম্ভাৰ অত্যধিক পোৱাত বর্ধিতখিনি ঠাকুৰ আতাৰ পৰামর্শ মতে ভকত সকলক বিলাই দিয়ে। এযে চাউল সিধাৰ প্ৰথম আৰ্হি। কথা গুৰু চৰিত্ৰত উল্লেখ আছে যে আনুষ্ঠানিকতাৰ মাধ্যমত মাধৱদেৱে পোন প্ৰথমে চাউল সিধা সেৱা প্ৰচলন কৰে[৪৬]। এই চাউল বা চাউল ভোজনী দিযা ব্যৱস্থাই হৱিকীর্তন আখ্যাও পায়। কোনো সত্রত বর্তমানেও চাউল সিধা আৰু কোনো সত্রত হৱিকীর্তন নামেৰে এই অনুষ্ঠানৰ প্ৰচলন আছে। সাধাৰণতে চাউল সিধা শব্দ প্ৰযোগ হোৱা সত্রবিলাকত ই এদিনীযা অনুষ্ঠান আৰু হৱিকীর্তন নামেৰে উদ্‌যাপিত হোৱা সত্রত দুদিনৰ পৰা সাতদিন পর্যন্ত এই অনুষ্ঠান পালন কৰা হয। একে ধর্মী উৎসৱ হ'লেও পালনীয নীতি অনুযায়ী সত্রভেদে কিছু পার্থক্য আছে। ব্ৰহ্ম সংহতিৰ সত্রসমূহত প্ৰধানতঃ এই অনুষ্ঠান চাউল সিধা নামেৰেই পৰিচিত হৈ আহিছে। এই সত্রবিলাকত বিশেষ বিষযবাব পাওঁতাসকলে চাউল সিধা দিযাটো ধৰাবন্ধা নিযম আনহাতে কেৱল সেৱাৰ উদ্দেশ্যে সেৱকী ৰূপে

---

[৪৪] উল্লিখিত পৃঃ

[৪৫] সত্রৰ হাটীৰ ভকত থকা খোটালীসমূহক 'বহা' বুলি কোৱা হয। বহা শব্দৰ অর্থ থকা ঠাই। ইযাত অস্থাযী থকা ঠাই শব্দটিৰ প্ৰয়োগতো আধ্যাত্মিক তত্ত্ব জড়িত। দ্ৰষ্টব্য ২ ০

[৪৬] কথা গুৰুচৰিত, সম্পা উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, পৃ ১৪৬, ২৭৬, ৩০২, ৩৮৬

সকলোৱে চাউলসিধা আগবঢাব পাৰে। ব্রহ্মসংহতিৰ সত্রসমূহত সত্রাধিকাৰ ডেকা আৰু মনুৱা বা সাতমানভগীযাসকলে নির্দিষ্ট বিষয়ৰ নির্মালি লোৱাৰ পিছত সময় সুবিধা অনুসৰি চাউল সিধা আগবঢাই নিজৰ নির্মালি কার্য সম্পূর্ণ কৰিব লাগে। দক্ষিণপাট সত্রত বৰমেধিজনেও নির্মালি লোৱাৰ পিছত চাউল সিধা দিব লাগে। নির্দিষ্ট বিষয়ববীয়া বা সাধাৰণ সেৱক এগৰাকীযে চাউল সিধা দিয়াৰ মনোভাব প্রকাশ কৰিলে সত্রৰ সত্রাধিকাৰ তথা গুৰুক জনাই অনুমতি ল'ব লাগে। অনুমতি পোৱাৰ পিছত এক নির্দিষ্ট শুভদিন চাই গুৰুক জনাই সেই উপলক্ষ্যে যথাৱৎ আযোজন কৰে। গুৰুৰ অনুমতি পোৱাৰ পিচতে সমূহ বৈষ্ণৱক নির্দিষ্ট সেৱাৰ কথা সেৱক গৰাকীযে জনাব লাগে। চাউল সিধাৰ অনুষ্ঠান সমূহীযাভাৱে পালন কৰিব লাগে। সাধাৰণতে চাউল সিধা উপলক্ষ্যে দিনত সবাহ আৰু ৰাতি এখনি নাটৰ ভাওনা পতাটো অপৰিহার্য বিষয। নির্দিষ্ট কর্মসমূহ কৰিবৰ বাবে সমূহ বৈষ্ণৱক ভাগে ভাগে কর্মত গুৰুৱে নিযোগ কৰে। গুৰুৰ আজ্ঞা অনুসৰিহে কার্য সম্পাদন হ'ব পাৰে। চাউল সিধাৰ মূল কার্য অন্ন-বস্ত্র দান। ইযাৰ লগত দক্ষিণা আৰু সাধ্য অনুসৰি 'স্বর্ণ দান' কার্যও সংযুক্ত হোৱা দেখা যায়। সত্রত থকা গুৰু, দেউ, নাম, ভকত এই চাৰি বস্তুলৈকে পৃথকে পৃথকে অন্নবস্ত্র অৰিহণা আগবঢাব লাগে, চাউলসিধাৰ সেৱামূলক কার্য তেতিযাহে সম্পূর্ণ হয। গুৰুৰ অনুমতি লৈ হৰিকীর্তন পতা আৰু এই কার্যত সুৱর্ণ, বস্ত্র দান দিযা প্রথা ৰৰচৰিতত বিশদভাৱে উল্লেখ আছে[৪৭]। এদিনীযা চাউল সিধা উপলক্ষ্যে দিন ৰাতিৰ ক্রম এনেধৰণৰ, যি গৰাকী সেৱকীয়ে চাউল সিধাৰ আযোজন কৰে, সেই সেৱকীগৰাকীযে নিজৰ বহাতে চাউল সিধাৰ সমগ্র সামগ্রী প্রস্তুত কৰি লয। চাউল সিধাৰ পূর্বৰ দিনা সেৱকীয়ে সত্রৰ মুখ্য বৈষ্ণৱ দুজন বা এজনক লগত লৈ নামঘৰ, মণিকূট আৰু ভঁৰাল দুখনৰ

---

[৪৭] (ক) কিছুদিন পৰে অমৃতৰ জ্যেষ্ঠ ভাই।
মাধৱ কোঁৱৰ নামে প্রধান দলই।।
হৰিকীর্তনক প্রতি গুৰুক জনাইল।
পূর্বমতে গুৰুজনে তৈকে লাগি গৈল।।
হৰি কীর্তন কৈলা অতি ৰঙ্গমনে।
সুৱর্ণ ৰজত বস্ত্র দিযা তাৰে ক্ষণে।। (ৰৰচৰিত, পদ ২৫১৩, পৃ ১৭৫)

(খ) ভৱানীপুৰীযা আতা একদিনা আইল।
হৰিকীর্তনক প্রতি গুৰুক জনাইল।।
টকা বস্ত্রী শৰাইত কৰিযা আনি ভাগ।
গুৰু সেৱকৰ বার্তা সোধে মহাভাগ।।
হেন মনে সেৱা ভক্তি কৰি আস বিষ।
স্তুতি নতি কৰি পাছে বঢাইল হৰিষ।। (উল্লিখিত, পদ ২৩৪৯, ২৩৫০, ২৩৫১, পৃ ১৬৬)

বিষয়ববীয়াসকলক তামোল-পাণৰ টোপোলা আগবঢ়াই নিজ নিজ দায়িত্ব পালনৰ প্রতি অনুৰোধ কৰে। সেই অনুক্রমেই পূজাৰী, দেউৰী, নামলগোৱা, পাঠক, গায়ন-বায়ন, ওজা, ভঁৱালী, ভেটিধৰাই আগদিনাৰ পৰাই নিজ নিজ কার্যত ব্রতী হয়। সত্রৰ গুৰুসকলক আগদিনাই থকা স্থানত সেৱকীয়ে গৈ অন্ন-বস্ত্র আগবঢ়াব লাগে। গুৰুৰ সাজ, নামঘৰত বহা আসন, গুৰুৰ ব্যৱহাৰৰ বাবে পাদুকা সকলো শ্রদ্ধাৰে আগবঢ়োৱা নিয়ম। গুৰুৰ ব্যৱহাৰৰ বাবে দিয়া সামগ্রী আৰু সিধাৰ লগত মূল গুৱা-পাণৰ শৰাইখনি থাকে। সেৱকীযে শৰাইখনিৰ সৈতে সমস্ত দ্রব্য আগবঢ়াই সাষ্টাঙ্গে সেৱা জনায়। গুৰুৱেও আশীর্বাদ আৰু নির্মালি প্রদান কৰে। মূল গুৰু সত্রাধিকাৰগৰাকীৰ পিছতে ডেকা, গোৰিন্দপুৰীয়া আদি গোসাঁইসকলকো মান্যানুসৰি এনে প্রথাৰে অন্ন-বস্ত্র আগবঢ়োৱা নিযম। এই দিনটোতেই অর্থাৎ সিধা ভোজনীৰ আগদিনা মহাপ্রভুৰ স্থানলৈ মহাপ্রভুৰ ব্যৱহাৰৰ বাবে বস্ত্র আৰু নৈৱেদ্যাদি আগবঢ়াব লাগে। নামঘৰত থকা ভাগৱত পদৰ আসন সকলো স্থানলৈকে নৱবস্ত্র এইদিনাই আগবঢ়োৱা নিয়ম। কেৱল বৈষ্ণৱসকলক সেৱকী গৰাকীয়ে নিজৰ বহালৈ নিমন্ত্রণ কৰি নিজ হাতেৰে বৈষ্ণৱসকলক চাউল সিধা অর্পণ কৰে। চাউল সিধাৰ দিনা পুৱা প্রসঙ্গৰ লগে লগে হাতত পাত্রলৈ বৈষ্ণৱসকলে সেৱকীৰ বহাৰ পৰা চাউল সিধা নিযে। বৈষ্ণৱসকলক আগদিনা প্রতি বহাই বহাই গৈ সেৱকীযে নিমন্ত্রণ জনায। পূর্বতে চাউল সিধা মলা চৱত দিযাৰ ব্যৱস্থা আছিল যদিও বর্তমানে এই পাত্রৰ ব্যৱহাৰ নোহোৱা হৈছে। সত্রাধিকাৰে চাউল সিধা দিলে নামঘৰত বা ভঁৱালত বিতৰণ হয। সিধা-পত্র নিযাৰ পিছত পুৱা প্রসঙ্গৰ অন্তত সেৱকগৰাকীযে প্রত্যেক বহাই বহাই গৈ বৈষ্ণৱসকলক বস্ত্র দান কৰে। লগতে ব্রাহ্মণমণ্ডলীক দক্ষিণাও দিয়ে। পুৱাতে প্রসঙ্গ চলি থাকোঁতে মণিকূট গৃহত আৰু গুৰুস্থানত চাউল সিধা উপলক্ষ্যে দক্ষিণাৰে কর্মৰ মূল সেৱা জনোৱা হয। এই সময়ৰ পৰা সত্রৰ শিষ্য, শৰণীযা আৰু অতিথিসকলক সিধা আৰু জলপান আদিৰে শুশ্রূষা কৰা নিযম। সেৱকীৰ উদ্দেশ্যে পুৱা প্রসঙ্গত অতিৰিক্ত কীর্তন বা অতিৰিক্ত প্রসঙ্গ থাকে। পুৱা প্রসঙ্গৰ অন্তত চাউল সিধা উপলক্ষ্যে সমূহ বৈষ্ণৱে নিজ নিজ আসন গ্রহণ কৰে আৰু নির্দিষ্ট কার্যত অংশ লয়। হিযানাম, দিহানাম, গায়ন-বাযন, নটুৱা, ওজাপালিৰে সবাহৰ সামৰণি মাৰে। দিহানামৰ অন্তত মূল আশীর্বাদৰ পিছত সেৱকীযে গুৰু, দেউ, নাম, ভকত এই চাৰি বস্তু একত্রিত হৈ থকা মুহূর্ততে সমূহলৈ সেৱা আগবঢায। গুৱা-পাণ দক্ষিণাৰ মূল শৰাই নামৰ ক্ষেত্রত আগতে আগবঢাই থয। আশীর্বদীযাই সেৱকীৰ মনোবাঞ্ছা পূৰণৰ অর্থে ভগৱন্তক প্রার্থনা জনাই আশীর্বাদ প্রদান কৰে। আশীর্বাদ লোৱাৰ পিছত মূল সেৱকীযে নির্দিষ্ট নামঘৰত স্থান গ্রহণ কৰে। তেনে মুহূর্তত খোলৰ ঘাত মাৰি সকলোকে সম্মান জনোৱাৰ পিছত সেৱকগৰাকীকো সেইদিনা বায়নে খোলৰ

ঘাতেৰে সন্মান জনায়। দিনৰ সবাহৰ অন্তত ৰাতি এই সেৱাৰ উপলক্ষ্যে ভাওনা অনুষ্ঠিত হয়। ৰাতি ভাওনাৰ বাবেও সুকীয়া সুকীয়াকৈ গুৰু বৈষ্ণৱক নিমন্ত্রণ জনাব লাগে। গুৰুৰ বাসগৃহত আৰু বৈষ্ণৱসকলক নামঘৰত নামৰ সামৰণিত নিমন্ত্রণ জনোৱা নিযম। সেই অনুক্রমেই গাযন-বাযন আৰম্ভ হোৱাৰ পিছত গুৰু বৈষ্ণৱ সমন্বিতে অতিথিবর্গ নামঘৰত উপস্থিত হযগৈ। এই সময়তেই ভাওনাত প্রৱেশ কৰা কৃষ্ণকে মুখ্য কৰি মূল চৰিত্রসমূহক বস্ত্র বা গুৱা-পাণ আদি দি সন্মান জনোৱাৰ নিয়ম আছে। ভাওনাৰ অন্তত পিছদিনা ভাৰৰীযা আৰু নাট-পৰিচালনা কৰা গাযন-বাযন, ওজা সকলোকে সেৱকগৰাকীযে জলপান আগবঢ়ায়, লগতে অভিনয কর্তা বৈষ্ণৱসকলক দক্ষিণা দি সেৱা জনায। এই কার্যৰ পিছত সেৱকীৰ কার্য সমাধা হয যদিও আৰম্ভণিৰ দৰে সামৰণিতো গুৱা-পাণৰ শৰাই দি গুৰুক সেৱা জনাইহে কার্যৰ সমাপ্তি ঘটোৱা হয়।

এই উৎসৱ হৰি কীর্তন নামে উদ্‌যাপিত কৰা সত্রবিলাকত ইয়াৰ দুই-এটা বিশেষ বৈশিষ্ট্য আছে। প্রধানতঃ কমলাবাৰী সত্রকেইখনত হৰিকীর্তন মাঘ, ফাগুণ আৰু চ'ত মাহতহে পালন কৰা হয[৪৮]। এই সত্রত হৰি কীর্তন কৰিলে সেৱকী বৈষ্ণৱ গৰাকীযে বৰবুঢ়াৰ মান পায[৪৯]। সেই অনুপাতে সত্রীযা মর্যাদা অনুসৰি বৈষ্ণৱ গৰাকীযে নির্দিষ্ট স্থান লাভ কৰে। কমলাবাৰী সত্রত হৰিকীর্তন দুদিনৰ পৰা সাতদিন পর্যন্ত পতাৰ নিযম আছে। অৱশ্যে বর্তমানে সাধাৰণ ভকতসকলে দুদিনীযাকৈ এই উৎসৱ পালন কৰে। দুদিনৰ প্রথম দিনা চাউলভোজনী আৰু দ্বিতীয় দিনা মূল হৰিকীর্তন। চাউল ভোজনী দিনা এই আর্হিৰ সত্র কেইখনলৈ চাউল সিধা আগবঢায। কীর্তন ঘৰত নৈৱেদ্যৰ শৰাই আসনসমূহত বস্ত্র দিযাৰ উপৰিও ঘোষা-কীর্তন পাঠ কৰা আৰু পাঠকৰ ওচৰত এটা কাঁহৰ বা পিতলৰ লোটা, কীর্তন ঘৰ মচাৰ বাবে এটা কলহ উচৰ্গা কৰে। সেইদিনা সেৱকীৰ উদ্দেশ্যে পুৱা প্রসঙ্গতে পুৱাৰ গীত গাই নাম আৰম্ভ কৰে। নামৰ শেষত সেৱকীযে আশীর্বাদ লয়। তাৰ পিছত প্রসাদ বিতৰণ হয়। প্রসাদ বিতৰণৰ শেষত খোল-তালেৰে প্রসঙ্গ কৰে। তাৰ পিছত পুনৰ কীর্তন আৰম্ভ হয়। কীর্তনৰ সামৰণিৰ লগে লগে সেইদিনা কার্যৰ সামৰণি পৰে। দ্বিতীয় দিনা মূল হৰিকীর্তন। এইদিনা সত্রাধিকাৰৰ গৃহত জলপান সিধা দিয়া আৰু দণ্ড-খৰছা দি ঘাই বস্তুৰ আগত অর্চনা কৰি সেৱকীযে আশীর্বাদ লয়। কীর্তন ঘৰত নিত্য প্রসঙ্গত প্রসাদৰ ব্যৱস্থা থাকে। এইদিনা নিত্য প্রসঙ্গতে সেৱকীৰ উদ্দেশ্যে কুলুপীয়া ঘোষা এটি বেছিকৈ গায। প্রসাদ বিতৰণৰ পিছত গাযন-বাযন, বেহাৰ নাচ, ওজাপালি আৰু চালি নৃত্য প্রদর্শন কৰে। এই

---

[৪৮] নাৰাযণ চন্দ্র গোস্বামী, সত্রীযা সংস্কৃতিৰ স্বর্ণৰেখা, পৃ ১৬৭

[৪৯] উল্লিখিত, পৃ ১৬৮

সত্রকেইখনত গধূলি হোৱাৰ লগে লগে সেৱকীয়ে প্রতি বহাত বস্ত্র দান কৰাৰ নিযম। দ্বিতীয দিনা ৰাতি এই সত্রকেইখনতো ভাওনা অনুষ্ঠিত হয। কমলাবাৰী সত্রকেইখনিত সত্রাধিকাৰে প্রযাত সত্রাধিকাৰৰ হৈ হৰি কীর্তন পতা নিযম[৫০]। আন সত্রসমূহত জীৱিত দশাত সত্রাধিকাৰে নির্মালি লোৱাৰ লগে লগে নিজৰ ফালৰ পৰা চাউল সিধা আগবঢোৱাটো এটি ধৰা-বন্ধা ৰীতি। চাউল সিধা আৰু হৰিকীর্তন পতাৰ ক্ষেত্রত আৰম্ভণিৰ পৰা সামৰণিলৈকে যাৱতীয খৰছ সেৱকীৰ নিজৰ। সেৱকীৰ কার্য সম্পাদনৰ ক্ষেত্রত সত্রৰ বৈষ্ণৱসকলে আৱশ্যকীয দিহা-পৰামর্শ দি কায-ক্লেশেৰে সহায কৰাটোও এটি ধর্মীয নিযম। এই উৎসৱ-অনুষ্ঠানে এহাতে আধ্যাত্মিক বিশ্বাস আৰু আনহাতে সামাজিক দাযিত্ববোধ দুযোটি সুদৃঢ কৰাত সহায কৰে। সশ্রদ্ধ নিবেদন হ'ল ভক্তিৰ প্রধান লক্ষণ। চাউল সিধা আৰু হৰিকীর্তন মেইফালৰ পৰাও এটি গুৰুত্বপূর্ণ অনুষ্ঠান। এই উৎসৱৰ লগত জডিত নীতি-নিযম সমূহ নিষ্ঠাৰে পালন কৰাটোও ধর্মাচৰণৰ বিশেষ অংগস্বৰূপে গৃহীত হৈ আহিছে।

৪. বৈৰাগী নাম

আউনীআটী, দক্ষিণপাট, গডমূৰ, কুৰুৱাবাহী আদি সত্রত নিত্য প্রসঙ্গত ব্যৱহৃত বৈৰাগী নাম[৫১] চৈধ্য প্রসঙ্গৰ অন্তর্ভুক্ত নাম। এই নিত্য বৈৰাগী নামৰ উপৰিও আউনীআটী সত্রত সবহুৱা বৈৰাগী নামৰ এক বিশেষ অনুষ্ঠান আছে। সত্রসমূহত পূর্বতে এই বৈৰাগী নাম প্রচলিত হোৱাৰ বহুতো প্রাসঙ্গিক কথা পোৱা যায়। পূর্বতে গুৰুসকলৰ অস্থি গঙ্গা, গয়া, প্রযাগ, বৃন্দাবন, মথুৰা আদিত লগাবলৈ সত্রৰ বৈষ্ণৱসকল পৰম্পৰাগতভাৱে যোৱাৰ ব্যৱস্থা আছিল। কিন্তু সেই সমযত বৈষ্ণৱসকলে পোনপটীয়াকৈ যোৱাৰ সাহস গোটাব নোৱাৰি ৰজাই পঠোৱা বৈৰাগী বেশধাৰী কটকীৰ লগত গৈ কর্ম সমাধা কৰি আহিছিল। সেই কালতো অসমৰ বাহিৰ হ'ব লগা হ'লে ৰজাৰ অনুমতি লোৱাৰ প্রয়োজন আছিল। তেতিযা অসমৰ বাহিৰলৈ যোৱাকে বিদেশ যাত্রা বুলি গণ্য কৰা হৈছিল। সেই সমযত সত্রৰ গুৰু বৈষ্ণৱসকল তীর্থ ফুৰাৰ উদ্দেশ্যে যাব লগা হ'লে কেৱল অনুমতিযেই নহয ৰজাৰ ফালৰ পৰাও লগত কটকী নিযোগ কৰি দিছিল। বর্তমানৰ চৰকাৰৰ যেনে

---

[৫০] উল্লিখিত, পৃ ১৬৭

[৫১] অসমীযা সমাজত শিৱৰ গুণ বর্ণোৱা নামক বৈৰাগী নাম বুলি কোৱা হয।

—হেমচন্দ্র বৰুৱা, হেমকোষ, পৃ ৬৮২

সাধাৰণতে শিৱৰ চাল-চলন আৰু ভাবগতিক লৈ তেওঁক 'বৰাগী' আখ্যা দিযা হয।

চোৱাংচোৱা বিভাগৰ নির্দিষ্ট কর্মচাৰী আছে তেতিয়াৰ দিনত ৰজাই পঠোৱা এই বৈৰাগী[৫২] লোকসকলেই চোৱাংচোৱাৰ কামো কৰিছিল। অসমৰ বাহিৰলৈ যাওঁতে দেশ-বিদেশৰ আৰু ৰজাক জনাবলগীযা সকলো তথ্য সংগ্রহ কৰি আনে। অসমৰ বাহিৰ হোৱাৰ লগে লগে এই লোকসকলে বৈৰাগী সাজত নিজকে সজাই লোৱাৰ বাবে এওঁলোকে এই নামেৰে পৰিচয় লাভ কৰে। মূলতঃ তেওঁলোক অনুসন্ধানকাৰী কটকী লোকহে। সত্রৰ বৈষ্ণৱসকলেও গুৰুৰ অস্থি তীর্থত লগাবলৈ যাওঁতে এওঁলোকৰ দৰেই নিজৰ বেশভূষা সজাই লয। সেই অর্থত এই বৈষ্ণৱসকলে বৈৰাগী ভকতৰ পৰিচয় লাভ কৰে। সেই সময়ত বিশেষকৈ আউনীআটী সত্রত দামোদৰদেৱ সত্রাধিকাৰৰ পৃষ্ঠপোষকতাত উপৰি গুৰু কেশৱদেৱ সত্রাধিকাৰৰ অস্থি সত্রৰ বৈষ্ণৱসকলে তীর্থ সমূহত লগাবলৈ যাওঁতে ভকতসকলে সেই বেশ ধাৰণ কৰিছিল[৫৩] আৰু সেই বৈৰাগী বৈষ্ণৱসকলে তীর্থ পর্যটন কৰি ঘুৰি আহোঁতে বৃন্দাবন মথুৰা আদিত যি কৃষ্ণ লীলাৰ গীত-মাত মুখে মুখে আওৰাই আহিছিল সেই গীতমাতসমূহ বৈষ্ণৱসকলে যি ৰূপত প্রকাশ কৰিলে সেয়ে আছিল সত্রত বৈৰাগী নাম উৎপত্তি হোৱাৰ আদি পৰিচয়[৫৪]। দামোদৰদেৱ সত্রাধিকাৰে ইযাক নিত্য প্রসঙ্গৰ এক মূল অঙ্গ ৰূপে চিহ্নিত কৰিলে। পিছত হৰিদেৱ সত্রাধিকাৰে পুৱা আৰু গধূলি দুই প্রসঙ্গতে বৈৰাগী নাম বিভাগ কৰি দিলে। এই বৈৰাগী নামসমূহৰ মূল উৎপত্তি স্থল বৃন্দাবন ক্ষেত্র আৰু বিষয়বস্তুৰ আধাৰ বৃন্দাবন লীলাক্ষেত্র হোৱাৰ বাবে বৃন্দাবনীয়া নামেৰেও ইয়াৰ পৰিচয় দিয়া হয়। পুৱা প্রসঙ্গত এই বৃন্দাবনীয়া বৰাগী নামসমূহত কৃষ্ণ জাগৰণৰ পৰা গো-চাৰণৰ যাত্রা আৰু তাত কৰা লীলাসমূহৰ বর্ণনা থাকে। আনহাতে গধূলিৰ প্রসঙ্গত ব্যৱহৃত বৈৰাগী নামত গো-চাৰণৰ সামৰণি, গৃহ অভিমুখী হোৱা আৰু গৃহত প্রৱেশ কৰা কার্যসমূহৰ বিৱৰণ থাকে। আউনীআটীৰ লগতে দক্ষিণপাট, গডমূৰ আৰু কুৱৰীবাহী সত্রত নিত্য প্রসঙ্গৰ অন্তর্ভুক্ত ৰূপে এই নামৰ প্রচলন আছে। সাধাৰণতে নিত্য প্রসঙ্গৰ অন্তর্ভুক্ত বৈৰাগীনামত বিশেষ বাদ্য বা হাত-চাপৰিৰ ব্যৱহাৰ নাথাকে। এই নাম নিবিড় প্রসঙ্গৰ অন্তর্ভুক্ত। প্রশান্ত মনৰ অধিকাৰী কৰা আৰু সাংসাৰিক নিস্পৃহতাৰ বাবে বৈৰাগ্য ভাৱ আনয়ন কৰা এই নামৰ ঘাই উদ্দেশ্য। দক্ষিণপাট সত্রত বৈৰাগী নাম কৰ-তাল লৈ গোৱাৰ প্রথা

---

৫২ বৈৰাগী হ'ল সন্ন্যাসীৰ বেশেৰে বিদেশী ৰজাৰ আচাৰ-ব্যৱহাৰ চাই ফুৰা অসমৰ ৰজাৰ এজন দূত। হেমচন্দ্র বৰুৱা, হেমকোষ, পৃঃ ৬৮২
মূল শব্দৰ বৰাগী একে অর্থত বৈৰাগী শব্দ ব্যৱহাৰ কৰিলেও বৰাগী শব্দৰ ৰূপান্তৰহে

৫৩ তীর্থনাথ শর্মা, আউনীআটী সত্রৰ বুৰঞ্জী, পৃঃ ১৭২

৫৪ উল্লিখিত, পৃঃ ১৭২, ১৭৩

আছে[৫৫]। সত্রবিলাকত বৈৰাগী নামৰ বাবে নির্দিষ্ট নাম লগোৱা আৰু আশীর্বদীযা থাকে। এই কেইজনক ক্রমে বৈৰাগী নাম লগোৱা আৰু বৈৰাগী নামৰ আশীর্বদীযা নামেৰে পৰিচয দিয়া হয।

নিত্য প্রসঙ্গৰ উপৰি বিশেষ আনুষ্ঠানিক পৰিৱেশৰ মাজত অনুষ্ঠিত নামক বৈৰাগী নাম বোলা হয। পালনাম, চাউলসিধা আদি কর্মৰ কিবা উদ্দেশ্য থাকিলেও সবহুৱা বৈৰাগী নাম পতাৰ তেনে বিশেষ উদ্দেশ্য নাথাকে। এই নামৰ মূল উদ্দেশ্য হ'ল, সাত্ত্বিক ভাবেৰে ভগৱানৰ গুণ-নাম আনুষ্ঠানিকতাৰ মাধ্যমত গাই মানসিক শান্তি লোৱা। সবহুৱা বৈৰাগী নাম কোনো এজন লোকে নিজে সেৱকী হৈ গোৱাব পাৰে নাইবা সমূহীয়াভাৰেও এই অনুষ্ঠান পাতে। এনে বৈৰাগী নাম গোৱাৰ বাবে কোনো নির্দিষ্ট মাহ-দিন নাথাকে। মাথোঁ শুভ দিন-বাৰ চাই এই অনুষ্ঠানৰ আযোজন কৰে। অৱশ্যে দক্ষিণপাট সত্রত কোনো এবছৰত বহুৰৰ প্রথমতে সমূহীযাকৈ বৈৰাগী নাম পাতে। সবহুৱা বৈৰাগী নাম গধূলিহে গোৱা নিযম। সন্ধ্যা সমযত এই নাম পতাৰ বাবে দক্ষিণপাট সত্রত 'সন্ধ্যা সেৱা নাম' বুলি পৰিচিত। আউনীআটী সত্রত সবহুৱা বৈৰাগী নাম নির্দিষ্ট নিযমেৰে গোৱা হয।

পালনীয় ৰীতি আৰু আনুষ্ঠানিকতা ঃ কোনো লোকে বৈৰাগী নাম গোওৱাৰ ইচ্ছা কৰিলে এটা নির্দিষ্ট শুভ দিন স্থিৰ কৰি সত্রৰ সত্রাধিকাৰ তথা গুৰুক অৰিহণাসহ গুৱা-পাণৰ শৰাইৰে জনাই আজ্ঞা ল'ব লাগে। গুৰুৰ অনুমতি পোৱাৰ লগে লগে কর্মকর্তাগৰাকীযে নামৰ যোগাৰ কৰে। নামৰ পূর্বদিনা বৈৰাগী নাম লগোৱা আৰু এই নামৰ আশীর্বদীয়াক সেৱকীযে প্রথমে তামোল-পাণৰ টোপোলা আগবঢাই জাননী দিয়ে। ইযাৰ পিছতে সেইদিনাই মণিকূটৰ বৰদেউৰী প্রমুখ্যে পূজাৰী, দেউৰী, বাগীশ, সকলোকে এই ক্রমে জাননী দিয়ে। ভঁৰাল দুখনতো টোপোলা দি জাননী দিযাৰ নিয়ম আছে। এই জাননী পোৱাৰ লগে লগে নির্দিষ্ট বিভাগৰ লোকসকলে আগভাগ লৈ দাযিত্ব সমূহ পালন কৰে। এই সবহুৱা বৈৰাগী নাম দুই প্রকাৰে অনুষ্ঠিত; নামঘৰত আৰু নিজৰ বহাত। নিজৰ বহাত হ'লে আগফালৰ চোতালত ৰভা দি পতাৰ ব্যৱস্থা থাকে। তাতে নামৰ আসন প্রতিষ্ঠা কৰি লয। অৱশ্যে নামঘৰত অনুষ্ঠিত হ'লেও নামৰ নামৰ আসন পাতি লোৱা নিয়ম। বহাত হ'লে সমস্ত আযোজন তাতেই হয। নামঘৰত হ'লে সমুদায় কর্ম নামঘৰতে কৰে। নামঘৰৰ আৰ্হিৰে বহাত কৰা নিয়ম। সেই হেতু নামঘৰৰ নিযম আৰ্হিৰ প্রথাই ইযাত উল্লেখ কৰা হ'ল।

মূলনামৰ দিনা নিত্য-প্রসঙ্গৰ অন্তত নামঘৰত আনুষ্ঠানিক পৰিৱেশ ৰচনা কৰা

---

[৫৫] বেণুধৰ শর্মা দক্ষিণপাট সত্র, পৃঃ ২৪

হয়। প্রথমতে নামঘৰৰ বাহিৰ-ভিতৰ সকলোতে মাটিৰে ঠাই মচি পৰিষ্কাৰ কৰা হয়। মণিকূটৰ সন্মুখত, ৰাঙলী চ'ৰাত আৰু কৰাপাটত কলপুলি পুতি কেইবাগছো মাটিচাকি জ্বলোৱা হয়। নামঘৰৰ ভিতৰত আৰু পিৰালিত শাৰী শাৰীকৈ চাৰিওফালে চাকি জ্বলোৱাৰ ব্যৱস্থা থাকে। এই চাকি-বস্তি কেৱল মিঠাতেলৰ চাকি-বস্তিহে ব্যৱহাৰ কৰা হয়। এই নামৰ মূল আদর্শ সাত্ত্বিকতা। সকলোতে সাত্ত্বিকতা সংযোগ হোৱাটো লক্ষণীয় বিষয়। সন্ধ্যা হোৱাৰ লগে লগে চাকি-বস্তিসমূহ জ্বলোৱা হয়। ইয়াত আন পোহৰৰ প্রয়োজন নাথাকে। এই নামৰ বৈশিষ্ট্যপূর্ণ উপকৰণ কেঁচা মিঠৈ। দিনৰ ভাগতে নামঘৰত উৰালমাৰী গোটাই ব্যৱহাৰী[৫৬] বৈষ্ণৱসকলে উৰালত পিঠাগুৰি খুন্দি মিঠৈ প্রস্তুত কৰে। একোটা বৈৰাগী নামত পঁচিশ পূৰা চাউলৰ মিঠৈ বন্ধোৱা দৃষ্টান্ত আছে। মাহ-প্রসাদ কল, নাৰিকল আৰু মিঠৈ আদি উপকৰণ সকলো প্রস্তুত হোৱাৰ পিছত বিযলি বেলা সন্ধ্যাৰ আগে আগে মহাপ্রভুৰ চৰণত নৈৱেদ্যৰ শৰাইৰে দ্রব্য উচর্গা কৰা হয়। সন্ধ্যাৰ লগে লগে বিযলি ভাগৱত থোৱাৰ পিছতে নামঘৰৰ মাজ ঠাইত নামৰ আসন স্থাপন কৰি লোৱা হয়, লগে লগে বৈৰাগী নাম আৰম্ভ কৰে। এই দিনা বিযলি নিত্য প্রসঙ্গত বৈৰাগী নাম নাথাকে। অৱশ্যে সন্ধ্যাৰ আৰতি কার্য সমাপণৰ পিছতহে মূল নাম আৰম্ভ কৰে। বৈষ্ণৱ বা এগৰাকী সেৱকীয়ে এই নাম পাতিলে সেইদিনা প্রতি বহাই বহাই সকলোকে নিমন্ত্রণ জনায়। আনহাতে সত্রাধিকাৰে বা বৈষ্ণৱসকলে সমূহীয়াকৈ পাতিলে চাউল ভঁৰালীৰ যোগেদি ঘৰাসকলে হাটীযে-হাটীযে নিমন্ত্রণ দিয়ে। সন্ধ্যা আৰতিৰ পিছত মূল নাম ডকাৰ লগে লগে বৈষ্ণৱসকল আহি নামঘৰত উপস্থিত হয়। নামৰ আসন সন্মুখত লৈ দুই কাষে উত্তৰা-দক্ষিণাহৈ নামৰ ভকতসকলে আসন গ্রহণ কৰে। এইযা মূল নামৰ স্থান। এই নামৰ মূলত থকা বৈৰাগী নাম লগোৱাই নাম আৰম্ভণি কৰে। লগে লগে সকলোৱে সমূহীয়াভাৱে নাম গায। মূল স্থানক কেন্দ্র কৰি নামঘৰৰ দুয়োফালে ভকত বৈষ্ণৱসকলে স্থান লৈ নামত অংশগ্রহণ কৰে। নামে গভীৰতা পোৱাৰ লগে লগে সত্রাধিকাৰ প্রমুখ্যে ডেকা আৰু গোৱিন্দপুৰীয়া আহি নিজ নিজ আসন গ্রহণ কৰে। আউনীআটীত নামৰ পৰিৱেশ গধুৰ হোৱাৰ লগে লগে গোসাঁইসকলে নামঘৰত প্রৱেশ কৰে। ইয়াত এক আনুষ্ঠানিক সংকেত আছে, বৈৰাগী নামেই সেই সংকেত দিয়ে। সেই নামফাঁকি হ'ল ঃ

"শ্যামকানু বৃন্দাবনলৈ নাহা জানো,

---

৫৬ ব্যৱহাৰী = যি সংযম ৰক্ষা কৰি সদাচাৰ পালনত আগভাগ লৈ মাহ-প্রসাদ, জা-জলপান আদি সজোৱা বিলোৱা কামৰ যোগ্যতা অর্জন কৰে।

হামাক তেজিয়া কগৈলা কগৈলা হৰি হে।"

সত্রাধিকাৰ প্রমুখ্যে সকলো ভকত বৈষ্ণৱেই ধুতি হৈ এই নামত অংশ গ্রহণ কৰা নিয়ম। আন নামত চোলা-কাপোৰ লৈ বহাৰ ব্যৱস্থা থাকিলেও ইযাত সম্পূর্ণ ধুতি পৰিৱেশ ৰক্ষা কৰা ধৰা-বন্ধা কথা। সত্রাধিকাৰ জনাযো দিনৰ সভা বা আনুষ্ঠানিক আন নামত নির্দিষ্ট আসনৰ ৰাজকীয় পৰিৱেশ গ্রহণ কৰিলেও এই নামত কেৱল বগা ঠঙা আৰু আন গোসাঁইসকলে চেলেং কাপোৰ এখন পাৰিহে বহা নিযম। সবহুৰা বৈৰাগী নামত কৃষ্ণৰ গুণ-লীলা প্রকাশক বৃন্দাবনৰ গীত-মাত আৰু নামসমূহেই ইয়াৰ মূল আধাৰ যদিও সত্রত এই নাম পৰিৱেশন কৰোঁতে ইযাত মূল ঘোষা স্বৰূপে ব্যৱহাৰ কৰি পদৰ অংশত বিশেষকৈ মহাপুৰুষ শংকৰ-মাধৱৰ পদ ঘোষাহে সংযোগ কৰি গোৱা হয। উদাহৰণ স্বৰূপে, এনে সবহুৰা নাম এফাঁকি দাঙি ধৰা হ'ল ঃ

ঘোষা ঃ "গোৱিন্দ গোৱিন্দ হে গোৱিন্দ হে গোৱিন্দ ৰাম"

পদ ঃ গোৱিন্দৰ প্রেম অমৃতৰ নদী
বহে বৈকুণ্ঠৰ পৰা,
চাৰি পুৰুষার্থ তাহাৰ নিজৰা
হৰি নামে মূল ধৰা।
হৰিনাম ৰসে বৈকুণ্ঠ প্রকাশে
প্রেম অমৃতৰ নদী,
শ্রীমন্ত শংকৰে পাৰ ভাঙ্গি দিলে
বহে ব্রহ্মাণ্ডক ভেদি।"[২৭]

ইযাত "গোৱিন্দ গোৱিন্দ হে" মূল ৰৰাগী নামৰ ঘোষা। পিছৰখিনি পদ ৰূপে ব্যৱহাৰ কৰা হৈছে। অৱশ্যে এনে পদ ঘোষাসমূহ সত্রত সত্রাধিকাৰ আৰু বৈৰাগীসকলে সংযোগ কৰাও আছে। মূল বৈৰাগী নামৰ ঘোষা বিলাকে ভকতসকলক এনেদৰে আকুল কৰে যে সেই সমযত আন সকলো চিন্তা মনৰ পৰা দূৰ হয। মথুৰালৈ যোৱাৰ পিছত গোপীসকলৰ, কৃষ্ণক নেদেখি যি অৱস্থা হৈছিল, পৰমাত্মাক বিচাৰি জীৱাত্মাৰূপী ভকতসকলে তেনে অভিব্যক্তি প্রকাশ কৰে বৈৰাগী নামৰ যোগেদি। তেনেভাৱৰ এফাঁকি বৈৰাগী নাম হ'ল ঃ

"গ'লগৈ গ'লগৈ নন্দৰ কানাই হে মথুৰাক লাগি

---

[২৭] মাধৱদেৱ, নামঘোষা, সম্পা হৰিনাৰাযণ দত্তবৰুৱা, ঘোষা, ৩৭১, ৩৭২, পৃঃ ১০৩

আমাৰ জীৱন দহে কানাইকেসে লাগি হে।"

নামসমূহৰ মাজেদি বৃন্দাবনৰ প্রতি ধূলিকণাক ইমানেই পৱিত্র ৰূপে গণ্য কৰা হয় যে কৃষ্ণৰ লীলাভূমি সেই বৃন্দাবনত এডাল তৃণ হৈ গজিব পাৰিলেও যেন জীৱন কৃতার্থ হয়, এনেভাৱ সেই নামেৰে ভকতসকলে প্রকাশ কৰে ঃ

এক গছি তৃণ হৈ উৰিয়া পৰিম গৈ
সেই বৃন্দাবনৰ মাজত,
গকুলৰ শ্রীকৃষ্ণে ৰাসলীলা কৰোঁতে
হৰি হৰি পদধূলা লাগিব শিৰত।

বৈৰাগী নামৰ চাৰিটা মূল ভাগ। প্রথম, বৈৰাগী নামৰ ডাকনি, দ্বিতীয, মূল বৈৰাগী নাম, তৃতীয়, বৈৰাগী নামৰ দিহা আৰু চতুর্থত কীর্তন। শংকৰদেৱ ৰচিত কীর্তনৰেই বৈৰাগী নামৰ সামৰণি মাৰে। নাম সামৰণিৰ লগে লগে নাম পাতোঁতা সেৱকীয়ে নামৰ থলীৰ শেষ অংশলৈ গৈ পঞ্চাংগ বা অষ্টাংগ প্রণামেৰে সেৱা জনায়। এই সেৱাত কর্মকর্তাই যথাশক্তিৰে গুৱা-পাণ, দক্ষিণাৰে সেৱা আগবঢায। তেতিয়া প্রথমতে সত্রৰ ওপৰদেউ[৫৮] সকলৰ আৰু উপস্থিত থকা সত্রাধিকাৰ ডেকা বৈষ্ণৱসকলৰ তথা ৰাইজৰ আশীর্বাদ হোৱাৰ পিছতে কর্তাগৰাকীক আশীর্বাদ দিযে। কর্তাগৰাকীযে সেইদিনা নিজৰ পিতৃ-মাতৃ সমন্বিতে আশীর্বাদ লাভ কৰে। আশীর্বাদৰ লগে লগে নাম লগোৱাসকলে হৰিধ্বনি কৰে। আন নামত "জয় ৰাম বোলা জয় হৰি বোলা" যি আঠ ফাঁকি হৰিধ্বনি থাকে বৈৰাগী নামত মাথোঁ প্রতিবাৰত চাৰিফাঁকি ধ্বনিহে থাকে। আন নামত আশীর্বদীয়াই আশীর্বাদ থিয় হৈ দিয়া নিয়ম যদিও বৈৰাগী নামত আশীর্বদীযাই নামৰ ঠাইৰ নিজ আসনত বহিয়েই আশীর্বাদ দিয়ে। এনে আৰ্হিৰ মূল কাৰণো সাত্ত্বিকতা। আশীর্বাদৰ অন্তত মান্য-অনুসাৰে গুৰু বৈষ্ণৱ আৰু উপস্থিত ৰাইজ সকলোকে পূজাৰী, দেউৰীসকলে প্রসাদ বিতৰণ কৰে। প্রসাদ বিলোৱাৰ অন্তত সকলো নিজৰ স্থানলৈ যায। ইমানতেই আনুষ্ঠানিক সবহুৰা বৈৰাগী নামৰ অন্ত পৰে। অৱশ্যে কর্মকর্তাৰ অপৰাধ মার্জনাৰ বাবে সামৰণি সেৱা বাকী থাকে। গুৰুৰ ওচৰত পুনৰ গুৱা শৰাই আগবঢাই সেৱকীযে সেৱা কার্যৰ সামৰণি মাৰে।

৫. নৱান্ন, শিৱৰাত্রি, ভাদমহীয়া নাম, কৃষ্ণাই সবাহ, ৰাস

[৫৮] ওপদেউ = দ্র ৪ ০১ (ক)

কীর্তন আদি অনুষ্ঠান ঃ

নৱান্ন ঃ কাতি-আঘোণত ধান পকাৰ লগে লগে খেতিয়কসকলে ধান দাই আনে। আঘোণ মাহত প্রতি গৃহস্থই ঘৰৱা উৎসৱৰ আয়োজন কৰি নতুন ধানৰ চাউল ব্যৱহাৰ কৰে[৫১]। ইয়াকে ন-খোৱা বোলা হয। স্বাভাৱিকতে কৃষিজীৱী অসমীয়া সমাজৰ এই লোক-উৎসৱ সত্রীয়া জীৱনলৈও সম্প্রসাৰিত হ'ল। সত্রসমূহত ইযাক নৱান্ন বুলি কোৱা হয়। খেতিয়কসকলে নিজে ন-খোৱাৰ আগতে গুৰুঘৰত ন-চাউল আৰু সিধা দি লয। তাৰ পিছতহে নিজে খায।

সত্র-সমাজত দেৱতাৰ উদ্দেশ্যে উৎসর্গিত অন্নক লৈ নৱান্ন উৎসৱ পালন কৰে। সত্রত পালন কৰা নৱান্ন উৎসৱৰ নির্দিষ্ট আনুষ্ঠানিক নীতি-নিযম আছে। ইয়াৰ বাবে নির্ধাৰিত সময় আৰু দিন থাকে। নৱান্ন উৎসৱ কেতিয়া কোন মাহত পালন কৰিব লাগে তাক স্মৃতিত স্পষ্টভাৱে কোৱা হৈছে।

আশ্বিন শুক্লপক্ষে ব্রীহি-নৱান্নেন শ্রাদ্ধং কর্ত্তব্য আশ্বিনাধিকাৰে
শুক্লপক্ষে নব্যং ধান্যং পক্কং জ্ঞাতাশোভনম্
গচ্ছেৎ ক্ষেত্রী'বিধানেন গীত বাদ্য পুৰঃ সৰঃ।।
ইত্যভিধায় তেন দেৱান পিতৃং শ্বৈব তর্পয়েদর্চ্চত্তথা — ইতি
ব্রহ্মাপুৰাণে শ্রাদ্ধ বিধানাৎ তদ্ভাৱে বৃশ্চিক শুক্লপক্ষে শালিনৱান্নেন।

---

[৫১] বঙালী সমাজত নৱান্ন উৎসৱৰ দিনত গৃহিণীসকলে মনৰ আনন্দত এনে কল্পনাৰাশি প্রকাশ কৰে আৰু গীতৰ যোগেদি মনৰ আশা আৰু বিশ্বাস প্রকাশ কৰে ঃ

(ক) ঢেক কুৰাকুৰ ঢেক কুৰাকুৰ
ধান ভানি ৰে
ধান ভানিৰে সোণাৰ ঢেঁকি দিযা
ধানেৰে ববে গাই কিনিমু
দিমু পুতেৰ বিযা
ও ধান ভানিৰে।

(খ) ধান কুটি পৰি পাটি
ধান আমাদেৰ লক্ষী মাটি
ধান মাডিলে থাকে খেড
সেই খেডেতে ছাইব ঘৰ।
লক্ষী এলো লক্ষী এলো
এমনি যেন সাৰাকাল
দেশতে নাহয আকাল।

যথা ব্রহ্মা পুৰাণেন বৰাহঃ বৃশ্চিকে শুক্লপক্ষে তু নৱান্নং শস্যতে বুধৈঃ[৬০]।

স্মৃতি-মত অনুসৰি আহিন, আঘোণ দুই মাহতে নৱান্ন কৰিবলৈ কোৱা হৈছে যদিও সত্রসমূহত সাধাৰণতে আঘোণ মাহতহে নৱান্ন উৎসৱ পালন কৰে[৬১]। নৱান্নৰ নিষিদ্ধৰ দিনো উল্লেখ কৰা হৈছে — প্রতিপদ, ষষ্ঠী, একাদশীত নৱান্ন কৰিব নেপায় আৰু উত্থাযন একাদশী নোযোৱাকৈও নৱান্ন কৰা নিষেধ, কৃষ্ণ পক্ষত, পুহমাহত আৰু কাতি মাহত নৱান্ন কৰিব নেলাগে[৬২]। বিশেষকৈ সত্রত এই নিষেধৰ ওপৰত গুৰুত্ব দি আঘোণ মাহত নৱান্ন পালন কৰে। কেতিয়াবা অসমর্থ হ'লে বিশেষ কাৰণত শুভ দিন নোলালে মাঘ-ফাগুণলৈকে এই উৎসৱ পিছুৱাই দিয়া হয়। ইয়াৰ কাৰণ হৈছে, এটা মাহ নির্দিষ্ট কৰা থাকিলেও তাৰ ভিতৰতে নিজা সত্রৰ নামত এটা শুভ দিন বিচাৰি উলিওৱাটো এটা কর্তব্য, লগতে নৱান্ন দিন থকাটো যুগুত[৬৩]। নির্দিষ্ট দিন নোলালে বা চন্দ্র, তাৰা আদি নিমিলিলে সেই দিন পিছলৈ যায়। পূর্বতে শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱৰ দিনত ধান পকাৰ সময়ত নৱান্ন উৎসৱ পতাৰ কথা উল্লেখ আছে। সেই সময়ৰ পৰা সত্রত নৱান্ন উৎসৱ পালন কৰাৰ ৰীতি প্রচলিত হৈ আহিছে। সেই সময়ৰ সত্র-অনুষ্ঠান কৃষি প্রধান আছিল। কৃষি-ক্ষেত্রলৈ শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱে নিজে গৈ নৱান্ন দিন ধার্য কৰাৰ কথা গুৰু লীলাত উল্লেখ কৰা হৈছে[৬৪]। বিশেষকৈ ব্রহ্মাসংহতি কৃষি প্রধান নোহোৱাৰ কাৰণে শস্য পথাৰৰ পৰা শস্য অনাৰ ব্যৱস্থা নাথাকে। সত্রৰ খাতপামৰ

---

৬০ লোক ধর্ম ঃ অতীত ও বর্তমান, সম্পা ইন্দ্রভূষণ, অধিকাৰী, পৃঃ ১৯০-১৯২
"আহিনমাহৰ শুক্লপক্ষত পথাৰত ধান পকা গম পালে গীত-বাদ্যৰে পথাৰলৈ গৈ ধান দাব। সেই ধানৰ চাউল দেৱতা আৰু পিতৃলোকৰ প্রতি অর্পণ কৰিব অর্থাৎ নৱান্ন শ্রাদ্ধ কৰিব। সেই সময়ত অসমর্থ হ'লে আঘোণ মাহৰ শুক্ল পক্ষত নতুন শালি ধানৰ চাউলৰ দ্বাৰা শ্রাদ্ধ কৰিব।"
নীলকমল বিদ্যানিধি, স্মৃতি সংগ্রহ (সংগৃহীত), পৃঃ ৭৬, ৭৭

৬১ আহিনতো আগতীযা ধান পকে, সেয়েহে নৱান্ন আহিনতো হ'ব পাৰে।

৬২ অষ্টাবিংশতি তত্ত্ব (শ্রাদ্ধতত্ত্ব) প্রকাশক-বেণীমাধৱ দে এণ্ড কোং, পৃঃ ১২২

৬৩ নৱান্ন উৎসৱৰ দিন পঞ্জিকাতো নির্দিষ্ট কৰা থাকে। সত্রত পালন কৰোঁতে নৱান্ন দিন পঞ্জিকাত চাই লোৱা হয়।

৬৪ শুনা দামোদৰ বুলি শঙ্কৰে মাতিলা।।
নৱান্ন কৰিবো আনা ধান্য পকা চাওঁ।
উঠিযোক সত্বৰে ক্ষেত্রক লাগি যাওঁ।।
এহি বুলি তিনিজনে উঠিযা গৈলন্ত।
ক্ষেত্রৰ চাৰিওপাশে চাযা ফুৰিলন্ত।।
দামোদৰে হেন পাছে বুলিলা বচন।
তিনি দিন অন্তৰে সুপক্ক হৈবে ধান।।
দ্বিজ ৰামৰায়, গুৰুলীলা, পদ ১৫৯, ১৬০, ১৬১, পৃঃ ২৯

পৰা এই নৱ শস্য অনাৰ নিয়ম। খাত-পামৰ মাটি ভোগ কৰা সত্রৰ শিষ্য তথা ৰখীয়া কর্মীসকলে আঘোণ মাহত নৱান্নৰ বাবে সত্রত দ্রব্য শোধাযহি। সত্রত নৱান্ন বুলিলে কেৱল অন্নকেই বুজোৱা নহয়, ন-অন্নৰ লগত এইখিনি দ্রব্যৰ মিশ্রণ হ'লেহে নৱান্ন সম্পূর্ণ হয়, যেনে — ন-চাউল, নতুন মাটিমাহ, নতুন মগুমাহ, নতুন গুৰ, নতুন তিল, দৈ, এৰাঁ, ঘিউ, মৌ আদি দ্রব্যৰ মিশ্রণ হ'লেহে নৱান্ন সম্পূর্ণ হয়।

সত্রত নৱান্ন উৎসৱৰ দিনা সকলো দ্রব্য ভঁৰালৰ পৰা আগতীযাকৈ মণিকূট ঘৰত জমা দিযে। বিশেষকৈ পুৱা নিত্যপ্রসঙ্গ চলি থকা অৱস্থাতে নিত্য পূজাৰ অন্তত নৱান্ন দ্রব্যসমূহ মহাপ্রভুৰ চৰণত উচর্গা কৰা হয। ইযাৰ আগতে সত্রাধিকাৰে পূজা গৃহত নিজে শ্রাদ্ধ প্রতিকল্প ছোজ্যোৎসর্গ কর্ম সম্পন্ন কৰে। প্রয়াত সত্রাধিকাৰ গুৰুসকলৰ নামত সত্রাধিকাৰে একোটা ভোজনী উৎসর্গা কৰে। বিশেষ পূজা সেৱাৰে যি নৱান্নৰ দ্রব্য মহাপ্রভুৰ প্রতি আগবঢ়াই দিযা হয়, উৎসর্গা হোৱাৰ পিছতে সেই দ্রব্য প্রথমতে সত্রাধিকাৰ, ডেকা, গোৱিন্দপুৰীযাক দিয়ে। সকলো দ্রব্য পৃথকে পৃথকে দিযাৰ নিযম। নির্দিষ্ট কর্মকর্তাই মণিকূট গৃহৰ পৰা দ্রব্যসমূহ নির্দিষ্ট স্থানলৈ লৈ যায। ইযাৰ পিছতে সত্রৰ সমূহ বৈষ্ণৱে বৰাৰ পৰা জাননী পোৱাৰ লগে লগে মণিকূট গৃহৰ পৰা নৱান্ন সংগ্রহ কৰি আনে। দক্ষিণপাট সত্রৰ অধিকাৰে নিজ হাতে সকলোকে নৱান্ন-সামগ্রী বিতৰণ কৰি দিযে। সেইদিনা নৱান্নৰ দ্রব্য গ্রহণ কৰিহে আন আহাৰ কৰা নিযম। সেই দ্রব্যৰাশি একেলগে মিহলাই বহাৰ সকলোৱেই পৰম তৃপ্তিৰে ভাগ কৰি খায। সত্রত এই নৱান্ন গ্রহণৰ পিছৰ পৰাহে ন-চাউল ব্যৱহাৰ কৰা নিযম। তাৰ আগতে ন-চাউল, ন-মাহ পালেও খোৱাৰ নিয়ম নহয়। নৱান্ন উৎসৱ উপলক্ষ্যে কোনো কোনো সত্রত দিনৰ সবাহ অনুষ্ঠিত হয়। দক্ষিণপাট সত্রত এই উপলক্ষ্যে দিনত উঠানাম, গায়ন-বাযন, ওজাপালি পৰিৱেশন কৰে, ৰাতি পদ-ঘোষা গায। সত্রীযা জীৱন যে অসমৰ কৃষিজীৱী জীৱনৰ লগত অবিচ্ছেদ্য হৈ আছে, এই উৎসৱসমূহেই তাৰ প্রমাণ ধৰি ৰাখিছে। সমাজ অধ্যয়নে এই কথা প্রমাণ কৰিব যে, কেনেকৈ লোক-উৎসৱ একোটি শিষ্ট উৎসৱলৈ ৰূপান্তৰিত হয।

শিৱৰাত্রি ঃ পুৰাণত কোৱা অনুসৰি কৈলাস শিখৰ সর্বৰত্ন বিভূষিত এখনি মনোমোহা স্থান। য'ত দেৱ গন্ধর্বসিদ্ধচাৰণ সকলে স্তুতি গীত আৰু অপ্সৰাসকলে নৃত্য কৰি সুন্দৰ পৰিৱেশ ৰচনা কৰিছে, যাৰ ফুলৰ শোভাই চাৰিও দিশ সুশোভিত কৰি তুলিছে, আকাশী গঙ্গাৰ জল তৰঙ্গই কুলু কুলু ধ্বনিৰে আৰু ব্রহ্মার্ষিসকলৰ বেদ ধ্বনিয়ে যি স্থান অহর্নিশে মুখৰিত কৰি তুলিছে, এনে পৰিৱেশৰ মাজত গিৰিজাৰ সহিতে শঙ্কৰে অধিস্থান কৰি থকা এটি শুভ মুহূর্তত গিৰিজাই প্রশ্ন কৰিছিল শঙ্কৰক যে, "ধর্ম অর্থ কাম মোক্ষ সাধনৰ অর্থে তোমাক পৰিতুষ্ট কৰিবলৈ মানৱে যি কর্ম ব্রত তপস্যাৰ

আশ্রয় লয় সেইবিলাকৰ ভিতৰত কোন কার্যত তুমি শীঘ্রে সন্তুষ্ট হোৱা?" সেই প্রশ্নৰ উত্তৰত ভগৱান শঙ্কৰে ক'লে, "ফাগুণ মাহৰ কৃষ্ণপক্ষৰ যি চতুর্দশী তিথি সেই তামসী ৰাতিযেই শিৱৰাত্রি। এই ৰাত্রি যি উপবাসেৰে সৈতে আমাক আৰাধনা কৰে তেওঁ নিশ্চযকৈ আমাৰ কৃপা লাভ কৰে। তেওঁৰ প্রতি আমি শীঘ্রে সন্তুষ্ট হওঁ।" এই সন্দর্ভত শিৱই ব্যক্ত কৰা শিৱপুৰাণৰ নির্দিষ্ট উক্তি বিশেষ উল্লেখযোগ্য[৫৫]। শিৱপুৰাণৰ মতে যি লোকে মুক্তি অভিলাষ কৰে তেওঁলোকে শিৱৰাত্রি ব্রত কৰা কর্তব্য। এই ব্রততকৈ আন কোনো হিতজনক ব্রত নাই[৬৬]। এই শিৱৰাত্রি উদ্‌যাপনৰ বিশেষ বিধি আছে[৬৭]।

ৰাতি কালত জাগৰণ কৰি চাৰি প্রহৰত স্থাপিত লিঙ্গ অথবা পার্থিৱ লিঙ্গত বিধি পূর্বক শিৱৰ পূজা কৰিব লাগে লগতে ব্রত পৰাযণৰে ৰাতি জাগৰণ কালত নৃত্য-গীতৰ মাজেৰে প্রহৰে-প্রহৰে পূজা কৰি শিৱৰাত্রি উদ্‌যাপন কৰিব লাগে।

এনে তাৎপর্যৰ প্রতি লক্ষ্য ৰাখিযেই ভুক্তি মুক্তি প্রদানিব পৰা শিৱৰাত্রি দামোদৰ দেৱৰ আজ্ঞাপৰ সত্রসমূহত পালন কৰে। অৱশ্যে সকলো সত্রতেই পালনীয ৰীতি একে নহয। শিৱৰাত্রিত 'ব্রত'ৰ ওপৰত যি গুৰুত্ব দিযে সেইসকলে শিৱৰাত্রি উপলক্ষ্যে সম্পূর্ণ ব্রত-উপবাস কৰি বিধি নির্দিষ্ট শিৱপূজাৰে শিৱৰাত্রি পালন কৰে। ব্রত-উপবাসত গুৰুত্ব নথকাসকলৰ পক্ষে ৰাতি কেৱল নাম-কীর্তন কৰাই একমাত্র ব্যৱস্থা। কিন্তু মন কৰিব লগীযা বিষয যিকোনো ব্যৱস্থাৰ যোগেদি ৰাতি জাগৰণ সকলোৰে পক্ষেই পালনীয। ৰাতিৰ জাগৰণত নৃত্য-গীতৰ ঠাইত নাম-কীর্তনতহে সত্রসমূহত অধিক গুৰুত্ব দিয়া হয। ব্রতীসকলেও ৰাতি পূজাৰ লগে লগে নাম-কীর্তনৰ যোগেদিহে উজাগৰী নিশা কটায়। অৱশ্যে কোনো সত্রত শিৱৰাত্রি উৎসৱ উপলক্ষ্যে দিনৰ প্রসঙ্গৰ লগত নৃত্য-গীত পৰিৱেশন কৰা ৰীতি আছে। ইয়াৰ ভিতৰত আউনীআটী সত্রত শিৱ চতুর্দশীৰ দিনা পুৱা প্রসঙ্গৰ গাযন-বাযনৰ লগত ব্যৱহৃত হোৱা স্তুতি সূচক নির্দিষ্ট ১১টা গীত বিশেষ উল্লেখযোগ্য। এই গীতসমূহ বিশেষকৈ শিৱৰ গুণ-ৰূপ আৰু লীলাবিভূতিৰ বিষয়ে বর্ণনা কৰি ৰচনা কৰা গীত। গাযন-বাযন সকলে শিৱৰাত্রিৰ দিনা এই গীতসমূহ একেধাৰে পৰিৱেশন কৰে। সেই গীতৰ বিষযবস্তু আৰু বর্ণনা এনেধৰণৰ ঃ

উমকি উমকি শঙ্কৰ
নাছত দৃমিকি-দৃমিকি। এ' উমকি
মাত- হৈএ' হৰে নাছত হৈএ' শিৱে নাছত

---

৬৫ শিৱপুৰাণম, জ্ঞান সংহিতা, সম্পা পঞ্চানন তর্কৰত্ন, শ্লোক ১২, ১৩, ১৪ পৃঃ ২৮৪

৬৬ উল্লিখিত, শ্লোক ৫, পৃঃ ২৯১

৬৭ উল্লিখিত, শ্লোক ৫, ৩২, পৃঃ ২৯

দৃমিকি দৃমিকি দৃমিকি দৃমিকি -
নাছত দৃমিকি দৃমিকি।। এ উমকি
হৈএ' ফনন ননন ফণী ফোকাৰয়
অঙ্গ ভূষণ ভূষিত
থমকি থমকি আই আই
এৰে-থমকি থমকি পদ চলাৱত
গাৱত গুমুকি গুমুকি এই উমকি।

শিৱ বিষ্ণু যে অভেদ আত্মা আৰু শিৱ বিষ্ণুত যে ভিন্নভাৱ কৰা দোষণীয়[৬৮ক], সেই কথা স্মৰণত ৰাখি সূত্রস্থসকলে শিৱদেৱক সন্মান জনাই শিৱৰাত্রি উলাহেৰে সৈতে পালন কৰে।

"শিৱায় বিষ্ণুৰূপায় বিষ্ণুৱে শিৱৰূপিণে অনাদি জগদীশায়
নমো হৰি হৰাত্মনে।"[৬৮খ]

শিৱ-বিষ্ণু-ভেদত্ব জ্ঞান যে মূঢতাৰ পৰিচায়ক, অপৰাধমূলক এই কথা সত্রত ব্যৱহৃত শিৱৰাত্রিৰ নির্দিষ্ট গীতত স্পষ্টকৈ ব্যাখ্যা দাঙি ধৰিছে ঃ

জ্ঞান ভেদ কৰে ভেদ কৰে ভেদ কৰে হৰি হৰে নুবুজে
যেই ত্রিপুৰাৰী সেই মুৰাৰী অন্তকে বুজিতে নাপাৰি
কৃষ্ণদাসে বোলে শুনহি নৰ একহি বস্তু হৰিহৰ। ইত্যাদি

সেয়ে শিৱৰাত্রি বৈষ্ণৱ মার্গত এক পৱিত্র উৎসৱ ৰূপে গণ্য হৈ আহিছে। শিৱৰাত্রিত ব্যৱহৃত নামকীর্তন বিলাকত লোক-সাহিত্যৰ মৌখিক পৰম্পৰাগত আৰ্হি বেছিকৈ পোৱা যায়। সাধাৰণতে শিৱৰ ৰূপ-গুণৰ বর্ণনা, স্থান, ভূষণ, বসন আৰু বিভূতিসমূহৰ পৰিচয় নামসমূহৰ মূল বিষয়বস্তু। ইয়াৰ উপৰিও শিৱপুৰাণ, স্কন্ধ পুৰাণ আদিৰ স্তোত্র আৰু কীর্তনত থকা নির্দিষ্ট অধ্যযৰ ঘোষা আৰু পদ এই নামত ব্যৱহাৰ কৰা হয়। নাম সাধাৰণতে দুই প্রকাৰৰ, সবহুৱা নাম আৰু দিহা নাম। কোনো কোনো সত্রত এই নাম-কীর্তনৰ ব্যৱস্থা বা শিৱৰাত্রিৰ আনুষ্ঠানিক কর্মসমূহ নামঘৰত নকৰি সত্রৰ হাটীসমূহত পালন কৰা দেখা যায়। ইযাৰো এক সুকীয়া তাৎপর্য আছে। সেই তাৎপর্য এনেধৰণৰ, ঘৰৰ দ্বাৰমুখত শিৱৰ স্থান বুলি থকা বিশ্বাস আৰু ঘৰখনৰ গৃহস্থৰ মূল প্রতীক ৰূপে শিৱদেৱে আস্থান কৰি ঘৰখনৰ মঙ্গল সূচনা কৰে, এনে লোক-বিশ্বাসতেই বৈষ্ণৱৰ

---

৬৮ (ক) কীর্তনৰ নামাপৰাধত শংকৰদেৱেও এই কথা উল্লেখ কৰিছে। সাত্বত তন্ত্রৰ ৭ ৩৭ শ্লোকতো এই কথা কোৱা হৈছে।
(খ) দ্র গোলাপ চন্দ্র শাস্ত্রী, বিপ্র সর্বস্ব, পৃঃ ৮০

বহাসমূহৰ সার্বজনীন মঙ্গল কামনাৰে সমূহীয়াকৈ হাটীসমূহত শিৱৰাত্রিৰ অনুষ্ঠান পাতে। শিৱৰাত্রি উৎসৱত ব্যৱহৃত হোৱা মাহ-প্রসাদ এই অনুষ্ঠানৰ মূল উপাদান। মাহ-প্রসাদৰ লগত কেঁচা মিঠৈৰ ব্যৱহাৰ উল্লেখযোগ্য কথা। অৱশ্যে এই মিঠৈত কোনোৱে মাদক দ্রব্য জাতীয় সামগ্রী ব্যৱহাৰ কৰিলেও ই শাস্ত্রসম্মত নহয়। এই উপলক্ষ্যে কোনো শাস্ত্রই এনে যুক্তি আগবঢোৱা বর্তমানলৈকে পৰিলক্ষিত হোৱা নাই। কেৱল শালি চাউলৰ চূর্ণ, দুগ্ধ, ঘৃত, শর্কৰা মিশ্রিত কেঁচা মিঠৈৰ নৈৱেদ্য দিয়াৰ কথা শিৱপুৰাণত উল্লেখ আছে[৬৯]।

সেয়ে শিৱৰাত্রিৰ প্রসাদত মিষ্টান্ন লাড়ু দিয়া প্রথা ধৰাবন্ধা কথা। সত্রস্থসকলে এই বিশেষ ৰীতি পালন কৰে। এইদৰেই শুদ্ধ সত্ত্বভাৱে সত্রস্থসকলে দিনৰ ভাগতে সকলো প্রস্তুতি কৰি দিনৰ নিত্য প্রসঙ্গৰ ক্রম ৰক্ষা কৰি ৰাতিৰ চাৰি প্রহৰত শিৱৰাত্রি উৎসৱ পালন কৰে।

ভাদমহীয়া নাম ঃ ভাদ মাহত বিশেষকৈ জন্মাষ্টমী আৰু শঙ্কৰ-মাধৱৰ তিথি পৰা বাবে অসমৰ জনসাধাৰণে এই মাহ অতি পৱিত্র মাহ স্বৰূপে গণ্য কৰে। অসমৰ গাঁৱে-ভূঞে এই তিনি তিথি উলহ-মালহেৰে পালন কৰাৰ উপৰি গোটেই ভাদ মাহ জুৰি নাম-কীর্তন গায়। প্রতি বছৰেই ভাদ মাহ পৰাৰ লগে লগে নামকীর্তনৰ আয়োজন কৰে; সেয়ে ভাদমাহৰ গুৰুত্বত গোটেই মাহ নাম গোৱাৰ বাবে ইয়াক ভাদমহীয়া নাম বুলি বিশেষভাৱে চিহ্নিত কৰা হয়। গাঁৱৰ নামঘৰসমূহত দিনত আযতীসকলে আৰু ৰাতি পুৰুষসকলে নাম-কীর্তন কৰে। কোনো ঠাইত সকলোৱে মিলি একেলগে নাম গায়। উজনি অসমৰ ঢেকীয়া খোৱা বৰনামঘৰ আৰু গোলাঘাটৰ আঠখেলীয়া বৰনামঘৰত ভাদমহীয়া নাম বিশেষভাৱে অনুষ্ঠিত হয়। সত্রসমূহতো ভাদমাহত বিশেষ প্রসঙ্গ আৰু নাম-কীর্তনৰ ব্যৱস্থা আছে। নিকা সংহতি আৰু পুৰুষ সংহতি থূলৰ সত্রবিলাকত গোটেই ভাদ মাহত নাম গোৱাৰ বিশেষ গুৰুত্ব দেখা যায়। কমলাবাৰী থূলৰ সত্র কেইখনত এই মাহত নাম-কীর্তনত বিশেষ গুৰুত্ব দিয়ে, তিনি মহাপুৰুষৰ তিথি পালন কৰা অর্থত। শঙ্কৰ-মাধৱ আৰু পদ্ম আতাৰ তিথি পালনত এই সত্র কেইখনে এক সুকীয়া পৰিৱেশ সৃষ্টি কৰে। এই তিনি তিথি কমলাবাৰী সত্র কেইখনত প্রত্যেকটোৱেই চাৰিদিনীযাকৈ অনুষ্ঠিত হয়। চাৰিদিনৰ চাৰিটা বিশেষ কার্যৰে এই তিথি পালন কৰাৰ উপৰি দিন আৰু ৰাতি ভাদ মাহটোত বিশেষ খোল প্রসঙ্গ থাকে[৭০]।

---

৬৯ নৈৱেদ্যং লড্ডু কানাং বৈ কর্ত্তব্যং পৱমাত্মনে
এবং কৃত্যং যেন তজন্ম সফলং ভবেৎ।
শিৱপুৰাণম্, জ্ঞান সংহিতা, শ্লোক ৭১, পৃঃ ২৮৯

ধেমালিসমূহ বজাই ভাদমাহত খোল প্রসঙ্গ কৰা কমলাবাৰী সত্রৰ এক বৈশিষ্ট্যপূর্ণ দিশ। ভাদমাহৰ কীর্তন উপলক্ষ্যে আৱাহন-বিসর্জন অর্থাৎ স্থাপনী আৰু সমাপ্তিৰ নাম প্রসঙ্গ থাকে[১১]। মাজুলীৰ বিহিমপুৰ সত্রত শাওণৰ সংক্রান্তিত নাম স্থাপন কৰা উপলক্ষ্যে কীর্তন, খোল-প্রসঙ্গ, দুপৰীয়া প্রসঙ্গ, চৰিত্রপাঠ, ৰাতি পুনৰ খোল-প্রসঙ্গ অনুষ্ঠিত হয় আৰু দিহানাম পৰিৱেশন কৰে। এনেদৰে ভাদৰ সংক্রান্তিৰ দিনাও এই পদ্ধতিৰে ভাদমহীযা নামৰ সামৰণি মাৰে। উল্লেখনীয় বিষয় যে আৰম্ভণি আৰু সামৰণি নামৰ 'দিহা' নির্দিষ্ট কৰা থাকে। আৰম্ভণি দিহা হ'ল, "বৈকুণ্ঠৰ পৰা গোসাঁই নামি আহে মুখে হৰি নাম লৈ, দুহাতে দুমুঠি হৰি নাম আনিলে যাই সংসাৰলৈ বৈ" সেইদৰে সামৰণিৰ দিহা, "অশ্বত্থৰ তলে প্রভু আছে ৰৈ, গ'ল প্রভু বৈকুণ্ঠলৈ উদ্ধৰকে থৈ।"[১২] আন বহুতো সত্রত গোটেই ভাদ মাহত উঠা নাম, দিহা নাম, সবহুৰা নাম বিশেষভাৱে পৰিৱেশন কৰে।

কৃষ্ণাই সবাহ ঃ সত্রৰ ওজাপালি অনুষ্ঠানত ৰাগ শ্লোকৰ শিক্ষা কৰিবলৈ যাওঁতে এটি সবাহ দিহে শিকাৰুজনে ইয়াৰ চর্চা কৰা নিযম। এই সবাহক কৃষ্ণাই সবাহ বোলে। শিকাৰুজনক শিক্ষক ওজাগৰাকীযে ওজাপালি অনুষ্ঠানৰ নৃত্য-গীত-পদৰ সকলো শিক্ষা নির্দিষ্ট শুভ দিন চাই যিকোনো সময়তে প্রদান কৰিলেও ৰাগৰ শিক্ষা সকলো সময়তে আৰম্ভণি কৰিব নোৱাৰে। মূল ওজাসকলৰ অনুমতি সাপেক্ষে শিকাৰু জনে যেতিযা কৃষ্ণাই সবাহ পাতিব সেই দিনাহে শিকাৰুগৰাকীক সেই সবাহতে শিক্ষক ওজাগৰাকীযে ৰাগ শ্লোক শিকোৱাৰ নিযম। ওজাপালি অনুষ্ঠানৰ মূল ৰাগ তা-না-নাৰ লগত 'কৃষ্ণায় বাসুদেৱায' শ্লোক আৰম্ভণিতে গোৱা বিশেষ প্রথা। ৰাগৰ সৈতে এই শ্লোক গোৱাৰ বাবেই ইয়াৰ নাম হ'ল কৃষ্ণাই সবাহ। কৃষ্ণাই সবাহ সন্ধ্যা নিত্য প্রসঙ্গ থোৱাৰ পিছত নিজৰ হাটীত শিকাৰুজনৰ বহাত অনুষ্ঠিত কৰে। এই সবাহত মাহ-প্রসাদৰ লগত কেঁচা মিঠৈ দিযাটো ধৰা-বন্ধা নিযম। এই সবাহলৈ ওজাৰ মূল প্রসঙ্গীযা, দুহৰীযা, শিকাৰু সকলোকে মতা নিযম। লগতে গাযন-বাযন এই সকলৰো মূল প্রসঙ্গীযা, দুহৰীযা সকলোকে মাতিব লাগে। সত্রৰ মুখ্য বৈষ্ণৱসকলকো এই সবাহলৈ নিমন্ত্রণ জনায। এই সবাহ পতাৰ পূর্বে শিকাৰুজনৰ আংশিক যোগ্যতাৰ পৰিচয় দি শিক্ষক ওজাজনে সত্রাধিকাৰ গৰাকীক কৃষ্ণাই সবাহ পতাৰ অনুমতি বিচাৰে। সত্রাধিকাৰৰ আজ্ঞা লোৱাৰ পিছতেই নির্দিষ্ট শুভ দিনত কৃষ্ণাই সবাহ অনুষ্ঠিত হয। কৃষ্ণাই সবাহ অনুষ্ঠিত হৈ যোৱাৰ পিছত ৰাগ-শ্লোকৰ পূর্ণ শিক্ষা লৈহে শিকাৰুজনে নামঘৰত নির্দিষ্ট তিথি-পর্বত, সবাহত

---

১১ দ্র নাৰাযণ চন্দ্র গোস্বামী, সত্রীযা সংস্কৃতিৰ স্বর্ণৰেখা, পৃঃ ৩৮, ৩৯

১২ দ্র উল্লিখিত

১৩ বিহিমপুৰ সত্রৰ অতুল মহন্তৰ পৰা পোৱা তথ্য অনুসৰি।

ওজা পৰিৱেশন কৰিব পাৰে। স্বৰূপত কৃষ্ণাই সবাহ সত্রীযা নির্দিষ্ট গুণ বিদ্যা যোগ্যতা আহৰণৰ প্রাথমিক পৰীক্ষামূলক পৰিচয।

ৰাস-কীর্তন ঃ দক্ষিণপাট সত্রৰ সত্রাধিকাৰ বাসুদেৱ গোস্বামীয়ে ৰাসৰ নাটখন এটি অনুষ্ঠানৰ আযোজন কৰি গীত আকাৰে গাব পৰাকৈও ৰচনা কৰিছিল। দক্ষিণপাটত চলি অহা এই প্রথাক ৰাস-কীর্তন বোলা হয়[১৩]।

৬. সত্রীয়া পৰম্পৰাৰ লগত পালিত কিছুমান আচাৰ-অনুষ্ঠান ঃ

যিবিলাক কার্যৰ উৎসৱ পর্বৰ দৰে বিশেষ আনুষ্ঠানিক ৰীতি-নীতি নাথাকে অথচ নির্দিষ্ট উপলক্ষ্যৰ বাবে বিশেষ ব্রত-উপবাস আৰু পালনীয় আচাৰ-ক্রিযা থাকে, তেনে ধৰণৰ তিথি-পর্বসমূহ সত্রত পালন কৰা হয়। ইযাৰ ভিতৰত, (১) অম্বুবাচী বা ষাঁঠ, (২) চন্দ্রগ্রহণ, সূর্যগ্রহণ, (৩) অশোকাষ্টমী, (৪) মহাষ্টমী, (৫) মহালয়া, (৬) দীপান্বিতা, (৭) লক্ষ্মীপূজা আদি উল্লেখযোগ্য।

(১) অম্বুবাচী ঃ অসম আৰু বঙ্গদেশত অম্বুবাচীৰ বিশেষ প্রচলন আছে। অসমত অম্বুবাচীক ষাঁঠ, আমতি আদি নামেৰেও বুজোৱা হয। মূলতঃ অম্বু শব্দৰ অর্থ জল, বাচী শব্দই অশুচিৰ কথা বুজায। অর্থাৎ অম্বুবাচী মানে জল অশুচি হোৱা কাল। এই জল অশুচি হোৱা কাল আহাৰ মাহৰ ৭ তাৰিখে আৰম্ভ হয় বুলি জনসাধাৰণৰ বিশ্বাস। সাত তাৰিখে আৰম্ভ হোৱা কাৰণে ইয়াৰ সাত নামেৰেও পৰিচয় আছে। কিন্তু প্রকৃত শব্দটো হ'ল ষাঁঠহে। সাত শব্দটো পিছৰ ব্যৱহাৰিক বা অপভ্রংশ ৰূপহে। আহাৰ মাহত যি সময়ত ৰবি মিথুন ৰাশিলৈ যায সেই সময়তেই সাত লাগে[১৪]। সাধাৰণতে আহাৰ মাহৰ আদ্রা নক্ষত্রৰ প্রথম পাদত সূর্যৰ অৱস্থিতি কাল ধৰা হয[১৫]। ইযাৰ পৰাই আহাৰ মাহৰ ৭ তাৰিখটো আনুমানিক দিন বুলি ধৰিব পাৰি।

বর্ষা ঋতুৰ আগমনৰ লগে লগে পৃথিৱী ৰসসিক্তা হয়। অর্থাৎ বর্ষাৰ আগমনত পৃথিৱীযে শস্য উৎপাদন ক্ষমতা লাভ কৰে। এনে ভিত্তিৰ পৰাই পৃথিৱী ৰজস্বলা হোৱাৰ ধাৰণা হ'ব পাৰে। সাধাৰণতে হিন্দু পৰম্পৰাত ৰজস্বলা অৱস্থাক অশুচি স্বৰূপে গণ্য কৰা হয। পৃথিৱীক যিহেতু স্ত্রী বুলি ধৰা হয, গতিকে সাতৰ দিনকেইটাত

---

১৩ বেণুধৰ শর্মা, দক্ষিণপাট সত্রৰ বুৰঞ্জী

১৪ যস্মিন বারে সহস্র্যাংশুর্যৎ কালে মিথুনং ব্রজেৎ।
অম্বুবাচী ভবেন্নিত্যং পুনস্তৎকাল বারযোঃ।।
শব্দ কল্পদ্রুম, ১ম কাণ্ড, পৃঃ ১৬৪

১৫ আধুনিক অসমীযা শব্দকোষ, বাণীমন্দিৰ, পৃঃ ৫২৪

পৃথিৱী বা ভূমি অশুচি হৈ থাকে বুলি মানুহে বিশ্বাস কৰে। স্থানভেদে বিশ্বাস আছে যে, তিনিদিন বা সাত দিন পৃথিৱী ঋতুমতী হৈ থাকে। এই দিনকেইটাত হলাকর্ষণ, ভূমিখনন বন্ধ ৰখা হয়[১৬]। এই দিনকেইটাৰ বাহিৰে প্রকৃতপক্ষে বীজ ৰোপণৰ বাবে এই সময়তে ভূমিক চাহোপযোগীহে কৰা হয। সেযে অম্বুবাচী মূলতঃ শস্য উৎসৱ[১৭]। সত্রসমূহত ইযাক শস্য-উৎসৱৰূপে পালন নকৰিলেও এই দিনৰ অশুচি আৰু অপৰিত্রতাক কেন্দ্র কৰি সকলো শুভকর্ম আনুষ্ঠানিকভাৱে বর্জন কৰে। এই অৱস্থাত ব্রত-উপবাস আৰু সংযম ৰক্ষাতহে অধিক গুৰুত্ব দিয়া হয। ভূমিৰ লগত জলৰ সম্পর্ক আছে আৰু ভূমি ভেদ কৰিহে জল উৎপন্ন হোৱা বাবে জলক অশুচি ৰূপে গণ্য কৰা হয। পানী অবিহনে সিদ্ধান্ন সম্ভৱ নহয় বাবে এই সময়ত ব্রহ্ম সংহতিৰ সত্রসমূহৰ মূল দীক্ষিত লোকসকলে অন্ন বর্জন কৰে। ফলাহাৰহে এই সময়ৰ খাদ্য দ্রব্য। যতি, ব্রতী, বিধৱা আৰু দ্বিজসকলে ইযাক পালন কৰাটো বিশেষ কর্তব্য ৰূপে গণ্য কৰা হয। কাৰণ, অম্বুবাচী দিনকেইটাত এইসকলে অন্ন ভক্ষণ কৰা কার্যক শাস্ত্রই চণ্ডাল অন্নৰ লগত তুলনা কৰিছে[১৮]। অম্বুবাচীৰ কেইদিনত সত্রসমূহত স্পর্শাস্পর্শৰ ওপৰত অত্যধিক সতর্কতা অৱলম্বন কৰা দেখা যায। সাধাৰণতে ব্যৱহাৰ কৰি থকা বস্ত্রসমূহ শুদ্ধিৰ দিনা তিওৱাৰ নিযম। কেবল বস্ত্রই নহয, ব্যৱহার্য সকলো সামগ্রী তিওৱা-বুৰোৱাৰ নিযম আছে। শুদ্ধিৰ দিনা পৰিধান কৰিব লগা শুদ্ধ বস্ত্র সাত লগাৰ আগতেই আঁতৰাই থোৱা হয। ব্যৱহাৰ নকৰা সকলো সামগ্রী আছুতীযাকৈ থোৱা হয। এই কেইদিনত কোনো শুভকর্ম আৰম্ভ নহয। নিত্য নৈমিত্তিক দেৱকর্ম, সন্ধ্যা-পূজা, শ্রাদ্ধ, পার্বণ শ্রাদ্ধ, সপিণ্ডীকৰণ শ্রাদ্ধ আদি সকলো বর্জন কৰা নিয়ম[১৯]।

---

১৬ লোকধর্ম, ইন্দ্রভূষণ অধিকাৰী, চতুর্থ অধ্যায, পৃঃ ১৮০

১৭ বিৰিঞ্চি কুমাৰ বৰুৱা, অসমৰ লোক সংস্কৃতি, পৃঃ ১৭৪
জেঠৰ তিনি, আহাৰৰ তিনি, সংক্রান্তিৰ মধ্যৱর্তিনী দিনকেইটাক অসমৰ লোক পৰম্পৰাত ধুলিযা সাত বোলে। পবিত্র কর্মৰ বাবে এই সাত নিষিদ্ধ।

১৮ যতিনো ব্রতিনশ্চৈব বিধাৱ চ দ্বিজস্তেথা।
অম্বুবাচী দিনে চৈব পাকংকৃত্বা ন ভক্ষযেৎ।।
স্বপাকং পৰপাকম্বা অম্বুবাচী দিনে তথা।
ভোজনং নৈব কর্ত্তব্যং চাণ্ডালান্নং সমং স্মৃতম।।

গঙ্গাজলম্, দ্বিতীযখণ্ডম পৃঃ ৩৩, শব্দ কল্পদ্রুম, ১ম কাণ্ড, পৃঃ ১৬৫

অম্বুবাচী কেইদিনত মূর্তি পূজাৰ পৰম্পৰা থকা সত্রসমূহত মূল বিগ্রহৰ পূজা বন্ধ থাকে যদিও পূজাৰ ব্যৱস্থা একেবাৰে নোহোৱা নহয। অম্বুবাচীৰ দিনকেইটাত আউনীআটীত অর্থপাত্র স্থাপন কৰি তাত পূজা আৰু দক্ষিণপাট সত্রত মূর্তি আৰু শালগ্রামৰ ঠাইত সাঁচিপতীযা ভাগৱত স্থাপন কৰি পূজা কৰা নিয়ম[৮০]। অম্বুবাচী শুদ্ধিৰ দিনাহে মূল বিগ্রহৰ পূজা-সেৱা পুনৰ আৰম্ভ হয়। অশুদ্ধি কালত অৱশ্যে চৈধ্য প্রসঙ্গৰ ধাৰাবাহিকতা ৰক্ষিত হয। নাম-কীর্তন, ভাগৱত পাঠ, পদ পাঠ, ঘোষা-কীর্তন, ওজা-কীর্তনীযা নিযম মতে চলি থাকে। শুদ্ধিৰ দিনা গোবৰ মাটিৰে সামূহিক স্থান আৰু বহাসমূহ মচি পঞ্চগব্য[৮১] ছটিযাই শুদ্ধ কৰা হয। ব্রাহ্মণ বা দীক্ষিতসকলে প্রাযশ্চিত্ত হৈহে নিজৰ নিত্য-নৈমিত্তিক সেৱাত ব্রতী হয।

(২) চন্দ্রগ্রহণ, সূর্যগ্রহণ ঃ ধর্মীয শাস্ত্রমতে জমদগ্নিৰ ৰেণুকাৰ সৈতে হোৱা দিবা-মৈথুন কার্য দেখি কর্মসাক্ষী সূর্যই তেওঁক নিন্দা কৰাৰ বাবে জমদগ্নিয়ে ক্রোধৰ বশৱর্তী হৈ সূর্যক ৰাহুগ্রস্ত হ'বলৈ যি শাপ দিছিল সিযেই সূর্যগ্রহণ। আনহাতে গুৰুপত্নী তাৰাক চন্দ্রই বলপূর্বক অপহৰণ কৰি কাম-সম্ভোগ কৰাৰ অপৰাধত তাৰাই চন্দ্রক ৰাহুগ্রস্ত হ'বলৈ যি শাপ দিছিল সিযে চন্দ্রগ্রহণ[৮২]। সেযে বছৰত যিদিনাই চন্দ্রগ্রহণ আৰু সূর্যগ্রহণ হয, সেইদিনত সত্রসমাজত পাকপত্র বর্জন আৰু স্নানাদি কার্য সম্পন্ন কৰাৰ বিশেষ ৰীতি আছে। সাধাৰণতে সূর্যগ্রহণত সূর্য্যোদয়ৰ পৰা অস্ত যোৱালৈকে আৰু চন্দ্রগ্রহণত সন্ধ্যা লগাৰ পৰা পুৱালৈকে অন্ন-জল গ্রহণ কৰা নহয। যি এই নিযম পালন

---

৮০ (ক) অষ্টাবিংশতি যামানি ভবেৎ পৃথ্বীৰাজস্বলা।
ন কুর্য্যান্নিত্য নৈমিত্যমেকোদিষ্টং তথৈবচ।।
গোপিকা বল্লভ গোস্বামী, অম্বুবাচী, পৃঃ ৩
(খ) ন স্বাধ্যাযো বষৎ কাৰো নদেৱ পিতৃতপর্ণম্।
বর্জযেৎ সর্বকর্মাণি শ্রাদ্ধমেকাদশীং বিনা।।
উল্লিখিত
(গ) সপিণ্ডীকৰণং শ্রাদ্ধং তথৈব পার্বণং সুত।
ঋতুমত্যাং ন কুর্বীত সন্ধাঞ্চ ত্রিদিনন্ত্যজেৎ।।
দ্র ব্যৱস্থাসংগ্রহ, গঙ্গানাথ শাস্ত্রী, পৃঃ ১০৭
(ঘ) ন দদ্যাদন্য দানঞ্চ অম্বুবাচ্যাস্তথা বুধঃ।
দ্র ব্যৱস্থাসংগ্রহ, গঙ্গানাথ শাস্ত্রী, পৃঃ ১০৭ (মূল, কামৰূপ স্মৃতি)

৮১ বেণুধৰ শর্মা, দক্ষিণপাট সত্র, পৃঃ ২৩

৮২ পঞ্চগব্যঃ গোমূত্র, গোময়, দুগ্ধ, দধি, ঘৃত। ইযাৰ লগত কুশোদক মিশ্রণ কৰি প্রণৱ মন্ত্র উচ্চাৰণ কৰিলেহে প্রকৃতার্থত পঞ্চগব্য হয।

৮৩ ব্রহ্মবৈর্বত পুৰাণ, শ্রীকৃষ্ণ জন্মখণ্ড, বাংলা অনু পঞ্চানন তর্কৰত্ন, পৃঃ ৫৩০-৫৩২

কৰিব নোৱাৰে সেইসকলে এবাৰ মাত্র ফল-মূল গ্রহণ কৰি সেই নিয়ম ৰক্ষা কৰে। চন্দ্রগ্রহণ, সূর্যগ্রহণকালত পাকপত্র বর্জনৰ লগতে বাচনবর্তন ধুই নিকা কৰা, ঠাই মচি পৰিষ্কাৰ কৰা আদি কার্য বিশেষ কর্তব্যৰূপে গণ্য কৰা হয। বিজ্ঞানসম্মত চিন্তাধাৰাৰে এই কথা প্রমাণযোগ্য যে চন্দ্রগ্রহণ, সূর্যগ্রহণ আৰু একাদশী, আঁউসী, পূর্ণিমা তিথিত পৃথিৱীৰ অভ্যন্তৰভাগ তেজস্ক্রিয পদার্থৰ দ্বাৰা আলোড়িত হয়। তাৰ প্রমাণ সাগৰৰ জোৱাৰ-ভাটা। সেয়ে এই কেইদিনত পৃথিৱী দোষযুক্ত হয় কাৰণেই হাল বোৱা, বীজ ৰোৱা আদি কাম কৃষক সমাজে বন্ধ কৰি ৰাখে।

(৩) অশোকাষ্টমী ঃ চ'ত মাহৰ শুক্লপক্ষৰ অষ্টমীক অশোকাষ্টমী বোলা হয। কিন্তু ইযাক সিতাষ্টমী বুলিও কোৱা হয। এই তিথিত বিশেষকৈ পুনর্বসু নক্ষত্রত অশোকফুলৰ আটা কলিকা পানীৰে সৈতে পান কৰিলে বছৰলৈ শোকৰ ভয় নাথাকে[৮৩]। এনে বিশ্বাসতে জনসাধাৰণে প্রতিবছৰে এই তিথিত অশোকৰ ক'লি খায়। এই তিথিত ব্রহ্মপুত্রত স্নান কৰাতো বিশেষ গুৰুত্ব আছে। তদুপৰি ধর্মীয বিশ্বাস মতে পৃথিৱীত যিমানবোৰ নদ-নদী, সাগৰ প্রভৃতি তীর্থ আছে সেই সকলোৱেই চ'ত মাহৰ শুক্লাষ্টমীত ব্রহ্মপুত্রত মিলিত হয়। আনহাতে শাপভ্রষ্টা ব্রহ্মপুত্র নদী পৰশুৰামৰ বৰত এই তিথিতে উত্তৰ বাহিনী অৱস্থাত পৰিত্র হোৱা কাহিনীও জড়িত হৈ আছে। আত্মসংযমেৰে সৈতে উক্ত তিথিত ব্রহ্মপুত্রত স্নান কৰোঁতাজনৰ অশ্বমেধ যজ্ঞৰ ফল লাভ হয়[৮৪]। সত্রস্থসকলে এই তিথি পৰিত্র স্বৰূপে গণ্য কৰি অশোক ক'লি ভক্ষণ আৰু ব্রহ্মপুত্রত স্নান কৰাত অত্যাধিক গুৰুত্ব দিযে। স্নান কৰোঁতে গাত মাটি লেপন কৰি মন্ত্র উচ্চাৰণেৰে ব্রহ্মপুত্রক প্রণাম কৰি স্নান কৰে[৮৫]।

(৪) মহাষ্টমী ঃ আহিন বা কাতি মাহৰ পৰা দুর্গোৎসৱৰ আযোজন সত্রানুষ্ঠানত

---

৮৩ অশোক কালিকাশ্চাষ্টৌ যে পিবন্তি পুর্ণর্বসৌ।
চৈত্রে মাসি সিতাষ্টম্যাং ন তে শোকমৱাপ্নুযাৎ।।
গৰুড় পুৰাণ, পৃঃ ৪২৩
The Cultural Heritage of India, p 184

৮৪ পৃথিব্যাং যানি তীর্থানি সৰিতঃ সাগৰাদযঃ।
সর্বে লৌহিত্যমাযান্তি চৈত্রে মাসি সিতাষ্টমী।।
পুনর্বসু বৃষে লগ্নে চৈত্র মাসি সিতাষ্টমী।
লৌহিত্যে বিধিৱৎ স্নাত্বা অশ্বমেধফলং লভেৎ।।
গঙ্গাজলম্, দ্বিতীয খণ্ডম্, পৃঃ ১৯। ব্রহ্মপুত্রৰ আন এটা নাম লৌহিত্য

৮৫ ব্রহ্মপুত্র মহাবাহো শান্তনু কুলনন্দন।
অমোঘা গর্ভসম্ভুত পাপং লৌহিত্য মে হৰ।।
গঙ্গাজলম্, দ্বিতীযখণ্ডম্, পৃঃ ১৯, মৎস্যপুৰাণ, পৃঃ ৩০৭, পদ্মপুৰাণ, উত্তৰখণ্ড (সং), পৃঃ ১৭১

কৰা নহয় যদিও মহাষ্টমী তিথিৰ দিনা সত্রৰ বৈষ্ণৱসকলে দিনৰ সাজ অন্ন বর্জন কৰাৰ নিয়ম আছে। এই তিথিত অন্ন বর্জনৰ মূল ভিত্তি জনপ্রবাদ[৮৯]। শাক্তসকলে দুর্গাষ্টমীৰ দিনা সকলো খাদ্য-দ্রব্যক বলিৰ লেখত ধৰে কাৰণে সেইদিনা বৈষ্ণৱসকলে সেই বলিৰ দ্রব্য-সামগ্রী পৰিত্যাগ কৰে। এই দিনটোত উপবাসে থাকিলে ব্রহ্মস্থান লাভ কৰে বাবে বৈষ্ণৱসকলে সেইদিনা উপবাসে থকাত গুৰুত্ব দিয়ে।

(৫) মহালয়া ঃ আহিন মাহৰ কৃষ্ণা প্রতিপদৰ পৰা আঁউসীলৈকে এই পোন্ধৰটা দিনক প্রেতপক্ষ বোলে। জনবিশ্বাস আৰু ধর্মীয় বিশ্বাস আছে যে প্রেতত্বপ্রাপ্ত লোকসকলে যমৰ স্থান এৰি এই দিনকেইটাত মর্ত্যলৈ আহি মর্ত্যত বাস কৰে। ইয়াৰে আঁউসীৰ দিনটোক তেওঁলোকৰ বিশেষ নিবাসৰ স্থানৰূপে গণ্য কৰা হয়। আঁউসীৰ দিনটো সেই প্রেতাত্মাসকলৰ বাবে অতি পৱিত্র দিন। নির্ধাৰিত শ্রাদ্ধাদি কৰিলে প্রেতপ্রাপ্তসকলে মুক্তিও লাভ কৰিব পাৰে। সেয়ে এই পক্ষৰ আঁউসী তিথিক মহালয়া আখ্যা দিয়া হয়, প্রেতত্ব মুক্তৰ, নিবাসৰ মূল স্থান মহালয় শব্দৰ পৰা মহালয়া[৯০] শব্দৰ উৎপত্তি আৰু প্রচলন ঘটিছে। গোটেই প্রেতপক্ষৰ গুৰুত্বত প্রতিদিনে যি শ্রাদ্ধ কৰা বিধি সেয়ে পার্বণ শ্রাদ্ধ। প্রত্যেক দিনৰ শ্রাদ্ধ নকৰিলে আঁউসীৰ দিনা গোটেই পক্ষৰ হৈ শ্রাদ্ধ কৰাৰ ব্যৱস্থা আছে। ব্রহ্ম সংহতিৰ সত্রসমূহত এই পার্বণ শ্রাদ্ধ কৰাৰ ৰীতি আছে। শ্রাদ্ধ নকৰিলে মূল আঁউসী তিথিৰ দিনা ভোজ্যোৎসর্গ কৰিও এই পর্বৰ সামৰণি মৰা হয়। সত্রৰ অধিকাৰে এই পার্বণ শ্রাদ্ধ বা ভোজ্যোৎসর্গ কর্ম সম্পাদন কৰে।

(৬) দীপান্বিতা ঃ সাধাৰণতে কাতি মাহত পৰা আঁউসী তিথিতে দীপান্বিতা পালন কৰা হয়। এই দিনত ভগৱান ৰামচন্দ্রই বনবাস কার্য শেষ কৰি অযোধ্যালৈ ঘূৰি আহোঁতে অযোধ্যাৰ প্রজাবর্গই দীপ জ্বলাই অভিবাদন জনাই তেওঁক আদৰি আনিছিল। দীপান্বিতাৰ লগত শাক্তসকলে কালী পূজাৰ সম্পর্ক ৰাখিলেও সত্রত ৰামচন্দ্রৰ গৃহাগমনৰ কথা সুঁৰৰিহে চাকি-বস্তি জ্বলাই দীপান্বিতা পালন কৰা হয়।

---

৮৯ পগলাৰ চৈধ্য পাগলীৰ আঠ
ইয়াক যি নামানে জনম কাঠ।
চৈধ্য = শিৱচতুর্দশী , আঠ = দুর্গাষ্টমী
সোপবাসং নিশার্দ্ধঃতু মহাবিভাৱে বিস্তৰৈঃ
মূল ঃ দেৱী পুৰাণ, দ্র ব্যৱহাৰ দর্পণ, পৃঃ ১৫৫

৯০. সৌৰআশ্বিনীয় কৃষ্ণপক্ষ। যেয়ং দীপান্বিতা ৰাজন্ খ্যাতা পঞ্চদশী ভুৰি।
তস্যাং দদ্যান্ন চেদ্দত্তং পিতৃণাং ৱৈ মহালয়ে। মহালয়ে কন্যাগতাপৰ পক্ষে।
শব্দ কল্পদ্রুম, পৃঃ ৩৩৫১ , Name of a festival, the day of the month change in the month Bhadra and the last day of the Hindu Luner year - M M. Williams, A Sanskrit English Dictionary, p 800

পোহৰৰ উৎসৱ দীপান্বিতা পালনত এনে বিশ্বাসো আছে যে অশুভ আঁতৰি সেইদিনাৰ পৰা ৰামচন্দ্ৰৰ বনবাসৰ অন্ত পৰাৰ দৰে শুভদিনৰ যেন সূচনা হয়। নামঘৰ, মণিকূট আৰু বহাসমূহত দুৱাৰমুখত চাকি-বস্তি জ্বলাই পোহৰৰ উৎসৱ পালন কৰে। এই দিনত মণিকূট গৃহত মৃত লোকৰ বাবে চাকি দিয়া আৰু পুখুৰী পাৰত মৃত লোকৰ বাবে জুইৰ উল্কা দেখুওৱা নিয়ম আছে। দীপান্বিতা উপলক্ষ্যে নামঘৰত, সত্রাধিকাৰৰ বাসভৱনত নাম আৰু সংকীর্তন গায়। দীপান্বিতা উপলক্ষ্যে পাশা, ডবা আদি খেল খেলি ৰাতি উজাগৰে কটোৱাও নিয়মত পৰিণত হোৱাৰ দৰে হৈছে।

(৭) লক্ষ্মীপূজা : আহিন বা কাতি মাহত লক্ষ্মী পূর্ণিমা পৰে। শস্যৰ অধিষ্ঠাত্রী, ঐশ্বর্যৰ প্রতীক লক্ষ্মীদেৱী। লক্ষ্মী পূর্ণিমাত লক্ষ্মীৰ উদ্দেশ্যে শস্যৰ পথাৰত, ভঁৰাল গৃহত আৰু ঘৰৰ দুৱাৰমুখত চাকি-বস্তি জ্বলোৱা আৰু নৈৱেদ্য আদি দি নামকীর্তন কৰাটো সাধাৰণ লোকপৰম্পৰা। এই নিয়ম সত্রতো পালন কৰা হয়। লক্ষ্মীপূর্ণিমা উপলক্ষ্যে সত্রবিশেষত পূজা-অর্চনাৰে বিশেষ সমাৰোহেৰে এই তিথি, উৎসৱ আকাৰে পালন কৰাৰ ব্যৱস্থা আছে। দক্ষিণপাট সত্রত বর্তমানেও ব্যয়বহুল পৰিৱেশত লক্ষ্মীপূর্ণিমা উদ্‌যাপিত হয়। এই সত্রত এই উৎসৱৰ দিনা সত্রাধিকাৰৰ্ বাসগৃহত লক্ষ্মীপূজা পতাৰ উপৰি বৰ ভঁৰালত নৈৱেদ্য শলা-বস্তি দিয়াৰ নিয়ম[৮৮]। লক্ষ্মীপূর্ণিমা উপলক্ষ্যে এই দিনত সত্রখনত অধিকাৰৰ বাসভৱনত, ভঁৰালগৃহত আৰু সত্রৰ ভিতৰৰ পথসমূহত আলিয়না[৮৯] দি চাৰিওফালে জার্তিষ্কাৰ কৰি ৰখা হয়। সত্রাধিকাৰৰ চ'ৰাত এই দিনত বিশেষ গায়ন-বায়নৰ প্রসঙ্গ থাকে।

এই পর্ব, আচাৰ-অনুষ্ঠানসমূহৰ লগতে শ্রীপঞ্চমী অর্থাৎ সৰস্বতী পূজাত বিদ্যাকাংক্ষী শিক্ষার্থী যুৱবৈষ্ণৱসকলে দিনটো উপবাসে কটায়। অৱশ্যে, আন অনুষ্ঠান নাথাকে।

দশমী যাত্রা সর্বকার্য সিদ্ধি এনে বিশ্বাসত সেই দিনত কোনোবা এফালে যাত্রা কৰাৰ জনবিশ্বাস সত্রত আছে। এই দিনত যাত্রা কৰিলে বছৰটোৰ আন যাত্রাৰ সি সহায়ক হয় বুলি বিশ্বাস।

অকাল প্রবৃত্তি[৯০] আৰু মলমাসত[৯১] ক্ষাম্য বা নতুন শুভকর্ম কৰা নিষিদ্ধ। এই সময়খিনি নতুন শুভকর্মৰ বাবে অপৱিত্র বুলি গণ্য কৰা হয়।

---

৮৮ বেণুধৰ শর্মা, দক্ষিণপাট সত্র, পৃঃ

৮৯ আলিযনা শব্দটো আলপনা শব্দৰ পৰা ওলাইছে। দক্ষিণপাট সত্রত, এডাল বাঁহত পদুম ফুলৰ নক্সাৰে ফুটা উলিযাই, তাৰ ভিতৰত পিঠা গুৰি ভৰাই লৈ মাটিত পদুমৰ নক্সাৰে আলপনা কৰা হয়।

প্রতিমাহৰ দুই সৰু একাদশী, আঁউসী, পূর্ণিমা আৰু সংক্রান্তিত এসন্ধ্যা লঘোণ দিয়া বা উপবাসে থকা সত্রৰ নৈমিত্তিক কর্তব্য। কোনো কোনো সত্রত সৰু একাদশীতো দুই সন্ধ্যা লঘোণে থকাৰ নিয়ম আছে। লক্ষ্মী পূর্ণিমা, বুদ্ধপূর্ণিমাৰ বাহিৰে সকলো পূর্ণিমাতে সত্রত লঘোণে থকা নিয়ম নাই।

দক্ষিণপাট সত্রত ৰথযাত্রা পালন কৰে। পালনৰ ৰীতি ফল্গুৎসৱৰ সৈতে কিছু পৰিমাণে একে। দক্ষিণপাট সত্রৰ বাহিৰে মাজুলীৰ আন সত্রত ৰথযাত্রা উৎসৱ পতাৰ আৰ্হি নাই।

---

১০ নাকালে ক্রিয়তে কাম্যং নৈমিত্তিকং ন বর্জ্জয়েৎ।।

১১ একেটা মাহত দুটা আঁউসী পৰিলে তাকে মলমাস বা মলমাহ বোলে। "এক ৰাশিস্থিতে সূর্য্যে যদি দর্শ দ্বয়ং ভবেৎ।" ব্যৱহাৰ দর্পণ, পৃঃ ১৯৮
মলমাস (বি পুঃ) অধিমাস মাসবৃদ্ধি অমাৱস্যাদ্বয়যুক্ত ৰবি সংক্রান্তিৰহিত মাস। মল যুক্ত মাস। আশুবোধ, পৃঃ ১৪০৯

সপ্তম অধ্যায়

সাংস্কৃতিক কর্ম

১. ভাওনা

ভাওনা সত্রৰ এটি গুৰুত্বপূর্ণ কার্যসূচী আৰু ই এটি ডাঙৰ উৎসৱো। আনন্দ আৰু ভগৱৎ ভক্তি তথা নৈতিকতাৰ শিক্ষাদানত শ্রব্য-দৃশ্য দুয়োটা দিশ জড়িত হৈ থকা এই কলাৰ চর্চা আৰু অনুশীলনো সত্রত বাধ্যতামূলক। শৰীৰৰ অঙ্গ-প্রত্যঙ্গ বিক্ষেপাত্মক ব্যৱস্থাও এটা ভাষা। নাট্যশাস্ত্রৰ মতে এই মূক ভাষাৰ নাম নটন[১]। নটন তিনিপ্রকাৰে বিভক্ত — নাট্য, নৃত্য আৰু নৃত্ত। অভিনয়েই নাট্য। আঙ্গিক, বাচিক, আহার্য আৰু সাত্ত্বিক অভিনয়ৰ এই চতুৰাংগৰ যোগেদি নাটক উপস্থাপিত হয়[২]। অঙ্গ-প্রত্যঙ্গ আৰু উপাংগৰ দ্বাৰা নির্দেশিত অভিনয় আংগিক। নাট্য শাস্ত্রৰ মতে আংগিক তিনিপ্রকাৰৰ — শৰীৰ, মুখজ, অঙ্গ। উপাংগৰ দ্বাৰা কৰা চেষ্টাক আংগিক বুলি কোৱা হৈছে[৩]। শিৰ, হস্ত, বক্ষোদেশ, পার্শ্বদ্বয়, কটিতক আৰু পদদ্বয় এই ছটাক অংগ বোলে। নেত্র, ভ্রূ, নাসিকা, অধৰ, কপোল আৰু চিবুক এই ছটা হ'ল উপাঙ্গ।

---

১ শ্রীহস্ত মুক্তাৱলী, শুভঙ্কৰ ৰচিত, সম্পা মহেশ্বৰ নেওগ, আগকথা, বিষ্ণনাৰায়ণ শাস্ত্রী, পৃঃ ০৩

২ আঙ্গিকো ৱাচিকশ্চৈৱ আহার্য্যঃ সাত্ত্বিকস্তথা।
চত্ৱাৰো২ ভিনয়া হ্যেতে বিজ্ঞেযা নাট্য সংশ্রযাঃ।।
ভৰতৰ নাট্যশাস্ত্র, প্রথমখণ্ড, অনু নিত্যানন্দ শাস্ত্রী, পৃঃ ১১২

৩ ত্রিবিধস্ত্বাঙ্গিক ইষ্টঃ শাৱীৰো মুখজস্তথা।
তথা চেষ্টা কৃতশ্চৈৱ শাখাঙ্গোপাঙ্গ সংযুতঃ।।
উল্লিখিত, পৃঃ ১৬০

গ্রীৱা, বাহুদ্বয়, পৃষ্ঠ, উদৰ, উৰুদ্বয় আৰু জংঘাদ্বয়, এই ছটা হ'ল প্রত্যঙ্গ[৪]। সংগীত ৰত্নাকৰত প্রত্যঙ্গৰ বিশেষ উল্লেখ কৰা হৈছে। আংগিক অভিনয়ত অংগ-প্রত্যঙ্গ, উপাংগৰ সুৰুচিপূর্ণ সুকুমাৰ চালনাৰ বিশেষ ভাবানুভূতি প্রকাশ কৰা হয়। আংগিকৰ পিছতে বাচিক অভিনয়, অর্থাৎ বাক্যৰ সহায়ত যি অভিনয় কৰা হয়, সেয়ে বাচিক। আ-অলঙ্কাৰ, ৰং, বেশভূষা আদিৰে সজ্জিত কৰা অলংকৰণ কার্যক আহার্য বোলা হয়। সাত্ত্বিকভাৱেৰে সৈতে ভাবজাত পাত্রৰদ্বাৰা প্রকাশিত অভিনয়ক সাত্ত্বিক অভিনয় বোলে। সাত্ত্বিক ভাব ৮ প্রকাৰৰ — স্তম্ভ, স্বেদ, বেপথু, অশ্রু, বিৱর্ণ, ৰোমাঞ্চ, স্বৰসাদ, প্রলয়[৫]।

সাধাৰণতে অভিনয় শব্দৰ অর্থ কার্য চলাই নিয়া। 'অভি' শব্দৰ অর্থ কার্য, 'নয়' শব্দৰ অর্থ নিয়া বা গতি কৰা। নাট্যশাস্ত্রত মুখ্যার্থ নির্ণয় কৰা ক্ষেত্রত 'অভি' পূর্বক 'নী'

---

৪ শ্রীহস্ত মুক্তাৱলী, ভূমিকা, পৃঃ ১৭
ভৰতৰ নাট্যশাস্ত্রত কেৱল অঙ্গ-উপাংগৰ কথাহে উল্লেখ কৰিছে ঃ
তস্য শিৰো২ ভোৱঃ পার্শ্বকটিপাদতঃ ষডঙ্গানি।
নেত্র ভ্রূণাসাধৰকপোল চিবুকান্যুপাঙ্গানি।।
ভৰতৰ নাট্য শাস্ত্র, পৃঃ ১৬০

৫ স্তম্ভঃ স্বেদো২থ ৰোমাঞ্চঃ স্বৰসাদো২থ বেপথুঃ।
বৈৱর্ণ্যমশ্রু প্রলয় ইত্যষ্টৌ সাত্ত্বিকাঃ স্মৃতাঃ।।
ভৰতৰ নাট্যশাস্ত্র, পৃঃ ১১২
সাত্ত্বিকভাৱসমূহৰ উৎপত্তিৰ কাৰণঃ
স্তম্ভ (গা গেৰেঙা লগা অৱস্থা) ঃ হর্ষ, ভয়, ৰোগ, বিস্ময়, বিষাদ, মত্ততা আৰু ক্রোধৰ পৰা স্তম্ভ অর্থাৎ অৱশ ভাব জন্মে।
স্বেদ (ঘাম ওলোৱা) ঃ ক্রোধ, ভয়, হর্ষ, লজ্জা, দুঃখ, শ্রম, ৰোগ, তাপ, ব্যায়াম, ক্লান্তি আৰু সংপীডনৰ ফলত ঘাম ওলায়।
ৰোমাঞ্চ (উত্তেজনা) ঃ স্পর্শ, ভয়, শীত, হর্ষ, ক্রোধ আৰু ৰোগৰপৰা উৎপত্তি হয় ৰোমাঞ্চ।
স্বৰস্বাদ (স্বৰ ভঙ্গ) ঃ ভয়, হর্ষ, ক্রোধ, জ্বৰ, ৰোগ আৰু মত্ততাৰ ফলত স্বৰ ভঙ্গ হয়।
বেপথু (কঁপনি) ঃ শীত, ভয়, হর্ষ, কোপ, স্পর্শ আদিৰ পৰা কম্প হয়।
বৈৱর্ণ্য (মুখ, গাৰ ৰং সলনি হোৱা) ঃ শীত, ক্রোধ, ভয়, ৰোগ, ক্লান্তি আৰু তাপৰ পৰা বিৱর্ণ ভাব আহে।
অশ্রু (চকুৰ পানী ওলোৱা) ঃ আনন্দ, ক্রোধ, ধোঁৱা, কাজল, হাঁসি, ভয়, শোক, অনিমেষ দৃষ্টি, শীত আৰু ৰোগৰ ফলত অশ্রু নির্গত হয়।
প্রলয় (মূর্চ্ছা যোৱা) ঃ শ্রম, মূর্চ্ছা, মত্ততা, নিদ্রা, আঘাত আৰু মোহ প্রভৃতিৰ পৰা মূর্চ্ছা, সংজ্ঞাহীনতা আহে।
উল্লিখিত, সপ্তম অধ্যায়, পৃঃ ১৫৪

ধাতুৰ প্রয়োগ হোৱা বুলি কোৱা হৈছে[৬]। আংগিক, বাচিক, আহার্য আৰু সাত্ত্বিক এই ক্রিয়াৰ যোগেদি যি এক নির্ধাৰিত বিষয়বস্তু প্রকাশ মান কৰি তোলা হয়, সেযে অভিনয়। নাট্যশাস্ত্রত এই অভিনয় উৎপত্তিৰ প্রাসঙ্গিক কথা এইদৰে উল্লেখ কৰিছে — ইন্দ্রাদি দেৱতাসকলে সমৱেত হৈ এদিন ব্রহ্মাক জনালেগৈ যে তেওঁলোকে এনে এটি আমোদ লাভ কৰিব পৰা বস্তু বিচাৰে যিটো একেলগে দৃশ্য আৰু শ্রব্যযুক্ত হয়[৭]। দেৱতাসকলৰ মনোবাঞ্ছা পূৰণার্থে ব্রহ্মাই ঋক্‌বেদৰ পৰা পাঠ্যবস্তু, সামবেদৰ পৰা গীত, যজুর্বেদৰ পৰা অভিনয়, অথর্ব বেদৰপৰা ৰস সংগ্রহ কৰি বেদ আৰু উপবেদৰ লগত জড়িত কৰি নাট্যবেদৰ সৃষ্টি কৰিলে,[৮] যি আছিল অভিনয় কলাৰ মূল উৎস। ব্রহ্মাৰ আদেশ লাভ কৰি, ব্রহ্মাৰ মুখৰ পৰা নাট্যশাস্ত্র বিষযক জ্ঞান লৈ ভৰত মুনিয়ে তেওঁৰ শত পুত্রক প্রথমতে নাট্যবেদৰ শিক্ষা দিলে আৰু যথাযথ প্রয়োগ কৌশলো শিকালে[৯]। অসুৰ আৰু দানৱবিলাক নিহত হোৱাৰ পিছত ইন্দ্রধ্বজ নামৰ বিজয় উৎসৱত প্রথমতে নাট্যশাস্ত্রৰ প্রযোগ ঘটে। অর্থাৎ অভিনয় কার্যৰ প্রথম আৰম্ভণি হয[১০]।

ভাৰতীয় সমাজত অভিনয় কলাৰ বিশেষ গুৰুত্ব আছে। জাতীয় সংস্কৃতিৰ বিকাশৰ ক্ষেত্রত অভিনয় কলাই প্রাচীন কালৰ পৰা শ্রেষ্ঠ স্থান অধিকাৰ কৰি আহিছে। সমগ্র ভাৰতবর্ষতে প্রাচীন নাট্যানুষ্ঠান সমূহে নিজ নিজ প্রান্তীয় ভাষা আৰু সাহিত্য-সংস্কৃতিক চহকী কৰি আহিছে। যাৰ যোগেদি ভাৰতীয নাট্যানুষ্ঠানসমূহৰ এক বিশেষ পৰিচয পোৱা যায়[১১]। সেইবিলাকৰ ভিতৰত উত্তৰভাৰতৰ ৰামলীলা, ৰাসলীলা, নৌটাংকী,

---

৬ অভিপূর্বস্তু নীঞ্ ধাতুৰাভিমুখ্যার্থ নির্ণযে।
যস্মাৎ প্রয়োগং নয়তি তস্মাদভিনয়ঃ স্মৃতঃ।
উল্লিখিত, অষ্টম অধ্যায, পৃঃ ১৫৯

৭ মহেন্দ্র প্রমুখে দেৱৈৰুক্তঃ কিল পিতামহঃ
ক্রীডাণীয়ক মিচ্ছামো দৃশ্যাং শ্রব্যং চ যদ্ভৱেৎ।।
উল্লিখিত, প্রথম অধ্যায়, পৃঃ ২

৮ জগ্রাহ পাঠ্যমৃগ্বেদাৎসামেভ্যো গীতমেৱ চ।
যজুর্ৱেদাদভিনয়াঃ ৰাসনাথ র্ৱণাদপি।।
ৱেদোপৱেদ সংবদ্ধো নাটৱেদো মহাত্মনা।
এবং ভগৱতা সৃষ্টো ব্রহ্মণা সর্ৱৱেদিনা।।
উল্লিখিত, পৃঃ ৩

৯ আজ্ঞাপিতো বিদিত্ৱাহং নাট্যৱেদং পিতামহাৎ।
পুত্রানধ্যাপয়ামাস প্রয়োগং চাস্য তত্ত্বতঃ।।
উল্লিখিত, প্রথম অধ্যায়, পৃঃ ৪

১০ উল্লিখিত, পৃঃ ২৭

১১ ড° প্রহ্লাদ কুমাৰ বৰুৱা, সম্পা ভাওনা সমীক্ষা, প্রবন্ধ-ভাওনা জনপ্রিযতাৰ কাৰণ, পৃঃ ৯০

তুৰকীলঙ্গী, কাঠপুতলী, ভবাই, গৌৰী, ৰাসধাৰী, ভাওয়াই, তামাশ, দক্ষিণভাৰতৰ কুখু, কুট্টীয়াটিম্, কথাকলি, যক্ষগান, তীৰু কুথু, নান্দী নাটকম্, পাল্লুকথা, ভাৰতনাট্যম, কুচৱাণী, কলাপ, ভাগৱতমেলা, পূৰভাৰতৰ যাত্রা, যাত্রাগান, অংকীয়া নাট, কৃষ্ণলীলা, গম্ভীৰা, পাঁচালী, কীর্তনীয়া, পুতলা নাচ, ঢুলীয়া নাচ ইত্যাদি। নাট্যশাস্ত্রত কোৱা হৈছে,

নতজ্ঞানং নতৎশিল্পং ন সা ৱিদ্যা নতে কলা
নতৎ যোগে নতৎকর্মো নাট্যোস্মিল যন্নদৃশ্যতে।।

নাটকে সেইবাবে যুগে যুগে জনসমাজত কোনো আদর্শ, লক্ষ্য বা আর্হি স্থাপনত লৈ আহিছে বিশিষ্ট ভূমিকা। অসমত মহাপুৰুষ শ্রীমন্ত শংকৰদেৱে বৈষ্ণৱ ধর্ম প্রচাৰৰ উদ্দেশ্যে নাট্যকলাকো এটি মাধ্যম স্বৰূপে গঢ়ি তুলিলে। ভাৰতৰ প্রাচীন নাট্যকলা ওজাপালি, ঢুলীয়া নাচ, পুতলা নাচ আদি লোক অনুষ্ঠানসমূহৰ উপাদান লৈ মহাপুৰুষে নতুন সাজত সৃষ্টি কৰা অভিনয় কলা অঙ্কীয়া ভাওনা[১২] নামেৰে পৰৱর্তী কালত পৰিচিত হ'ল। অঙ্কীয়া নাটৰ প্রাক্ আৰম্ভণি ঘটে চিহ্নযাত্রাৰ যোগেদি। চিহ্নযাত্রাই অসমীয়া ভাওনাৰ সূচনা কৰিলে। শঙ্কৰদেৱে জনসাধাৰণৰ আগত ভক্তসকলৰ অনুৰোধ ক্রমে চিহ্নযাত্রা কেনেকৈ দাঙি ধৰিছিল ৰামচৰণ ঠাকুৰে তেওঁ ৰচনা কৰা চৰিত পুথিত ইয়াৰ বিৱৰণ দিছে[১৩]। চিহ্নযাত্রাৰ আধাৰ হ'ল ভাগৱত পুৰাণ। জগদীশ মিশ্রই পশ্চিমৰ পৰা

---

১২ ড° হৰিশ্চন্দ্র ভট্টাচার্যাই অঙ্কীযা নাট ৰচনাৰ উৎসসমূহ এনেদৰে অহাৰ সম্ভাৱনাৰ কথা উল্লেখ কৰিছে ঃ

(১) ঋক্ বেদ আৰু সামবেদত থকা নাটকীয আভাস সম্পন্ন কথোপকথন আর্হি।
(২) সংস্কৃত শিক্ষাৰ অন্তর্ভুক্ত নাটক পাঠ্য। সংস্কৃতটোলৰ জৰিযতে দিয়া ব্যৱস্থা।
(৩) সংস্কৃত নাটকৰ প্রচলন। ইযাৰ পোনপটীয়া প্রভাৱ।
(৪) জযদেৱৰ গীত গোৰিন্দত অঙ্কীযা নাটৰ গীতৰ প্রকাশভঙ্গী বর্ণনা আদিৰ মিল আছে।
(৫) চতুর্দশ শতিকাত বিদ্যাপতি ৰচিত মৈথিলী গীতসমূহত ব্রজাৱলী ভাষাৰ চাব সু-স্পষ্ট।
(৬) প্রাক্ শঙ্কৰী যুগৰ কামৰূপী ঢুলীয়া নাচ, ওজাপালি, পুতলা নাচৰ আর্হি।

হৰিশ্চন্দ্র ভট্টাচার্য, অসমীযা নাট্য সাহিত্যৰ জিলিঙনি, ২য পট, পৃঃ ৯, ১০, ১১, ১২

১৩ তোমাসাৰ বাক্যে সন্যাসীত শিকি
দেখাইবো বৈকুণ্ঠ পুৰ।
চিহ্ন নামে যাত্রা কৰিবো বিদিত
হৰিষ পাইবা প্রচুৰ।।
০০০ ০০০ ০০০
সাত বৈকুণ্ঠৰ সাত গোটা নাথ
সবাকে তাত নির্মিলা
গীত নাট সূত্র সমস্তে কৰিযা
যেবে সাঙ্গ কৰিলন্ত।
ভূঞা সরে ৰভা ঘৰ সাজি যেৱে
শঙ্কৰত জনাইলন্ত।।

ৰামচৰণ ঠাকুৰ, শুৰু চৰিত, পদ ১৪৫৩, ১৪৫৯

আহি শংকৰদেৱক যি বাৰ স্কন্ধ ভাগৱত দান কৰিলে তাক সকলোৱে বুজিব পৰাকৈ শংকৰদেৱে পদ ভাগৱত ৰচনা কৰিলে আৰু সেই পদ ভকতসকলক পঢ়ি শুনালে। পদ ভাগৱত পঢ়োতে ওলাল ব্রজবাসীৰ বৈকুণ্ঠ দর্শনৰ কথা। গোপ-গোপীৰ অনুৰোধত কৃষ্ণই ব্রজবাসী সকলোকে বৈকুণ্ঠ দেখুৱাইছিল। সেই আসক্তিতে বাৰভূঞাৰ লগত ভক্তসকলে শংকৰদেৱক তেনে অনুৰোধ জনাইছিল যে শংকৰদেৱেও ভক্তসকলক বৈকুণ্ঠ দেখুৱাব লাগে[১৪]। ভক্তসকলৰ অনুৰোধ ৰক্ষা কৰি ভাগৱত বর্ণনা অনুসৰি অভিনয় কল্পনাৰে চিত্রপটত বৈকুণ্ঠ চিত্রিত কৰি চিহ্নযাত্রাৰ অভিনয় প্রদর্শন কৰিলে। মন কৰিব লগীয়া বিষয় চিহ্নযাত্রা প্রথম ভাওনাৰ আৰম্ভণি যদিও সম্পূর্ণ নাট্যৰূপ ইয়াৰ মাজত নাছিল। চিহ্নযাত্রাত গায়ন-বায়ন আৰু নাট্য চৰিত্রৰ উপস্থাপন থাকিলেও চিহ্নযাত্রা মূলতঃ চিত্রিত প্রকাশী চিত্রপটৰ যোগেদি বিষয়বস্তুৰ পৰিচয় দিয়া হৈছিল। সেই অর্থতে 'চিহ্ন' শব্দটো প্রয়োগ কৰা হৈছে বুলি ধাৰণা কৰিব পাৰি। শংকৰদেৱে উল্লেখ কৰা, "চিহ্ন নামে যাত্রা কৰিবো বিদিত[১৫]" এই বাক্য ফাঁকিয়ে এনেধৰণৰ পৰিচয় দিয়ে। শংকৰদেৱে অভিনয় প্রচলন কৰাৰ সময়ত প্রধানতঃ যাত্রা, অঙ্ক আদি শব্দহে ব্যৱহাৰ কৰিছিল। প্রকৃতার্থত গোটেই অভিনয় শৈলীকে অঙ্ক বা যাত্রা বুলি পৰিচয় দিয়া হৈছিল। ৰামচৰণ ঠাকুৰ, ৰমানন্দ দ্বিজ আৰু দৈত্যাৰি ঠাকুৰৰ চৰিত পুথিত এই দুই

---

[১৪] হিঙ্গুল হাত্যাল তেতিক্ষণে আনিলন্ত।
যত্ন কৰি পটে বৈকুণ্ঠক লেখিলন্ত।।

০০০ ০০০ ০০০

এহিমতে পটে যেবে নাট লেখিলন্ত।
নটুৱা শিখাযা যেবে সাঙ্গ কৰিলন্ত।।

০০০ ০০০ ০০০

উদাৰ সহিতে বৰ গোৰিন্দ উঠিল।
প্রথমতে শঙ্কৰে ৰাগত তুলি দিল।।

৮০০ ০০০ ০০০

এহিমতে ৰাগ যেবে সাঙ্গ কৰিলন্ত।
পট মেলি বৈকুণ্ঠক আগত থৈলন্ত।।
সাত ঈশ্বৰ সাত প্রৱেশ লাগয।
পাঞ্চ নটুৱাক চাহ আচন্ত বিস্ময।।

ৰামচৰণ ঠাকুৰ, গুৰু চৰিত, পদ ১৪৬৭, ১৪৭৪, ১৪৮৩, ১৪৮৫, ১৪৮৬, পৃঃ ৩১৭, ৩২০, ৩২২, ৩২৩, ৩২৫

[১৫] উল্লিখিত পৃঃ ৩১৭

শব্দৰ ব্যৱহাৰ একেলগে কৰা দেখা গৈছে[১৬]। অঙ্ক আৰু যাত্রাৰ লগতে নাট শব্দৰ ব্যৱহাৰ কৰা হৈছে যদিও গোটেই ভাওনা 'নাট' শব্দৰে বুজাব খোজা নাই। 'ভাৱনা' শব্দটো শংকৰদেৱৰ কালত ব্যৱহাৰ হোৱা নাছিল। সেইসময়ত মাধৱদেৱেও নাট লিখা সময়ত অঙ্ক, যাত্রা আৰু ঝুমুৰা শব্দ ব্যৱহাৰ কৰিছিল[১৭]। শংকৰ-মাধৱৰ পিছতহে ভাৱনা শব্দটো প্রচলন হৈছিল। মহাপুৰুষৰ অভিনয় শৈলীক যি অঙ্কীয়া ভাওনা বুলি পৰিচয় দিয়া হয়, এই দুয়োটা শব্দই কালৰ শব্দ। আনকি, অঙ্কীয়া শব্দটোও শংকৰ-মাধৱৰ পিছৰ কালৰপৰাহে ব্যৱহৃত হ'বলৈ ধৰিলে। সংস্কৃততে যদিও 'দশৰূপক'ত অংক নামৰ একপ্রকাৰ ৰূপক আছে, অসমৰ অংকীয়া নাটৰ লগত সেই ৰূপকৰ কোনো সম্পর্ক নাই। অৱশ্যে অঙ্ক শব্দৰ পৰাই যে এক অঙ্কযুক্ত নাটক অর্থত অংকীয়া শব্দৰ উৎপত্তি হৈছে, সেই সম্পর্কে সন্দেহৰ অৱকাশ নাই। এই অংকীয়া নাটৰ অভিনয়ক বোলা হ'ল, অংকীয়া ভাওনা। অংকীয়া নাট ৰচনা কৰা আৰু এই নাটৰ ভাওনা কৰা সত্রীয়া কর্তব্য আৰু উৎসৱাদিৰ ভিতৰুৱা হৈ পৰিল। যদিও প্রথম অৱস্থাত ব্রজবুলি ভাষাত নাট ৰচিত হৈছিল, পিছলৈ উজনি অসমত আধুনিক ভাষাতো নাট ৰচিত হ'বলৈ ধৰিলে। প্রথমতে জন্মাষ্টমী, ৰাস, ফাকুৱা আৰু মহাপুৰুষৰ তিথিত অঙ্কীযা ভাওনা কৰা হৈছিল

---

১৬ (ক) পাৰিজাত হেন নাম অঙ্ক মহা অনুপাম
কৰিলা শঙ্কৰ তাত পাচে।।
ৰচিলন্ত অঙ্ক যেবে লোকৰ আনন্দ তেবে
মিলি গৈল দেখন্তে বিস্ময়।
ৰামচৰণ ঠাকুৰ, গুৰু চৰিত, পদ ৩৪৩৬, পৃঃ ৭৩৯,

(খ) ৰামৰ বিবাহ কথা সীতা সযম্বৰ।
অঙ্কক লিখিলা তৈত শ্রীমন্ত শঙ্কৰ।।

(গ) সমীপতে শুক্রধ্বজে সজাইলেক ঘৰ।
কৰাইলন্ত যাত্রা গৈয়া শ্রীমন্ত শঙ্কৰ।।
ৰমানন্দ দ্বিজ, শ্রীগুৰু চৰিত, পদ ১৫৪১, ১৫৪৪, পৃঃ ৩৮৯, ৩৯০

(ঘ) দেৱানৰ বাণী শুনি সীতা সয়ম্বৰ।
ৰামায়ণ অঙ্ক কৰি দিলন্ত শঙ্কৰ।।
দৈত্যাৰি ঠাকুৰ, মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱ আৰু শ্রীমাধৱদেৱ চৰিত, পদ ৫২৮, পৃঃ ১১৪

১৭ (ক) কৰিলা ঝুমুৰা দধিমথন তহিত।
নানা ৰসে কৰিলন্ত আৰু নানা গীত।।
উল্লিখিত, পদ ১২৮৬, পৃঃ ২৯০

(খ) পাচে ৰাম যাত্রা কৰাইলন্ত আনন্দত।
যাত্রা দেখি সমস্তৰে হৰিষ মনত।।
উল্লিখিত, পদ ১৩০৮, পৃঃ ২৯৪

যদিও ক্রমে ধর্মৰ অংগ হিচাপে নাটৰ এনে প্রয়োগ বিশেষভাৱে মন কৰিব লগীয়া। অসমত অভিনয়ৰ বাবে নাটমেলা, নাটৰ আখৰা কৰা, ভাওনা কৰা, নাট সামৰা আদি প্রতিটো কর্মই ধর্মীয় লক্ষ্য আৰু উদ্দেশ্যৰ লগত জড়িত। যিকোনো উৎসৱ উপলক্ষ্যে ভাওনা কৰাৰ ৰীতি প্রচলিত হ'ল। সত্রসবাহ, ৰজাঘৰ, প্রজাঘৰ সকলোতে অংকীয়া ভাওনাৰ ব্যাপক প্রচলন ঘটিল। নাট লিখি সেই নাটৰ অভিনয় কৰোৱাটো সত্রাধিকাৰৰ অর্হতাৰো পৰিচায়ক হৈ পৰিল। ধর্মীয ভাৱনাৰ লগত সংযুক্ত কৰি আধ্যাত্মিক আৰু নৈতিক শিক্ষাদান কৰাই ভাওনাৰ ঘাই উদ্দেশ্যে। আহার্য, বাচিক, সাত্ত্বিক আৰু আংগিক অভিনয কলাৰ এই চাৰিটা অংগৰ প্রশিক্ষণৰ উপৰিও ভাওনাৰ বাবে, (১) নাটঘৰ, (২) নাটঘৰত ধর্মীয় পৰিৱেশ সৃষ্টিৰ বাবে আৱশ্যকীয সামগ্রী আৰু আয়োজন, (৩) নৃত্য-গীতৰ বাবে বাদ্যযন্ত্রাদি, (৪) আলোক সম্পত্তিৰ ব্যৱস্থা এইকেইটা বিষযৰ ওপৰত বিশেষ চকু দিয়াৰ প্রযোজন আছে। এলানি ভাওনাৰ বাবে এইবিলাকক অত্যাৱশ্যকীয বিষযৰূপে সামৰি ল'ব লাগিব ঃ

(১) ভাওনাৰ পৰিৱেশ,

(২) ভাওনাৰ মূল উপাদান আৰু ইযাৰ পৰিৱেশনৰ ৰীতি,

(৩) ভাওনাৰ ব্যৱহৃত আহার্য সামগ্রী,

(৪) ভাওনাত আলোক ব্যৱস্থা,

(৫) ভাওনাৰ মূল বাদ্যযন্ত্র।

ভাওনাৰ পৰিৱেশ ঃ এখনি নাট অভিনীত হ'বলৈ প্রথমতে আৱশ্যক অভিনযৰ পৰিৱেশ। ভাওনাৰ পৰিৱেশ ৰচনাত, (ক) অভিনয় থলী, (খ) গুৰু আসন, (গ) আচাৰ বা দোহাৰ থলী, (ঘ) ছোঁ ঘৰ আদি অপৰিহার্য।

নাটশালা বা অভিনয় থলী ঃ ভাওনা পৰিৱেশন কৰিবলৈ মূলতে লাগিব এখন স্থান, য'ত গায়ন-বাযন আৰু সূত্রনাট্য চৰিত্রই বিষয়বস্তুৰ সম্যক প্রতিফলন ঘটাব পাৰে। ভাওনাৰ বাবে নামঘৰেই হ'ল নাটশালা বা অভিনয়ৰ থলী। নামঘৰৰ বাহিৰেও মুকলি স্থানতো নামঘৰৰ আর্হি প্রতিষ্ঠা কৰি ভাওনা কৰা হয়। এনে ৰীতি পূর্বতে প্রচলিত আছিল বাবেই ৰভাঘৰ বা ৰঙ্গীয়ালঘৰ তৈয়াৰ কৰা হৈছিল[১৮]। নামঘৰেই হওক বা

---

১৮ চিহ্নযাত্রা কৰোঁতে ভূঞাসকলে ৰভাঘৰ কৰা নিদর্শন ঃ

(ক) ভূঞাসরে ৰভাঘৰ সাজি যেৱে
শঙ্কৰক জনাইলন্ত

ৰামচৰণ ঠাকুৰ, গুৰু চৰিত, পৃঃ ৩২০

(খ) মাধৱদেৱৰ দ্বাৰা ৰৱপেটাত ৰঙ্গীযাল ঘৰ নির্মাণ (ৰঙ্গাৱন গৃহ)

গুৰু চৰিত কথা, সম্পা মহেশ্বৰ নেওগ, পৃঃ ২৮৯, ২৯০, ২৯১

ৰভাঘৰেই হওক মূল অভিনয় থলী ভাওনাৰ আগে আগে মাটিৰে লেপন কৰি দীঘে-বাণিয়ে চাৰিওফালে মাটিত সাঁচ বহুৱাই চিহ্নিত কৰা হয়। অভিনয়ৰ মূল স্থান প্রস্তুত কৰি তোলাৰ পিছত গুৰুৰ আসন প্রতিষ্ঠা কৰা হয়। সাধাৰণতে সত্রসমূহত গুৰু আসন উত্তৰ ফালৰ লাই খুঁটাতে স্থায়ীভাৱেই প্রতিষ্ঠিত হৈ থাকে। সেই স্থানতেই সত্রৰ সত্রাধিকাৰে আসন গ্রহণ কৰে। সত্রসমূহত গুৰু আসনৰ কাষতেই ভাগৱতৰ আসন থাকে। এই দুই সঙ্গমস্থলত অভিনযৰ মূল নাট স্থাপন কৰি থোৱা হয়। গায়ন-বায়নৰ লগত সূত্রধাৰে অতি শ্রদ্ধাৰে গীত-বাদ্যৰ মাজেৰে সেই নাট আচাৰ থলীলৈ নিয়ে। ইয়াৰ মূল তাৎপর্য নাট কার্যৰ মূল সাক্ষী প্রত্যক্ষ গুৰু আৰু দেউ অর্থাৎ অক্ষৰ স্বৰূপ ভাগৱত মূর্তি। গায়ন-বায়নে অভিনয় কার্যৰ বাবে গুৰু আসন স্থিত গুৰুৰ পৰা নির্মালি আৰু অনুমতি গ্রহণ কৰে। প্রতিদানত গায়ন-বায়নে গুৰুঘাতেৰে গুৰুক সম্মান জনাই অভিনয় আৰম্ভ কৰে। সেয়ে গুৰু আসন ভাওনাৰ প্রযোজনীয় কথা। য'ত আসন প্রতিষ্ঠিত হৈ নাথাকে, সেই স্থানত গুৰু আসন নতুনকৈ স্থাপন কৰি লোৱা হয। অৱশ্যে কোনো সত্রত মণিকূট গৃহত নাট থোৱাৰ প্রথাও আছে। সেই মণিকূট গৃহৰ পৰা গায়ন-বাযনে নাট আদৰি আনে।

গুৰু আসনৰ পিছত আন এখনি উল্লেখযোগ্য স্থান হ'ল আচাৰ থলী য'ত ভাওনাৰ সমগ্র ক্রিয়া-কার্য পৰিচালনা কৰা হয়। মূলতঃ নাট্য বস্তুৰ প্রতিটো বিষয় আচৰণ কৰা হয় বাবেই এই স্থানক আচাৰ বোলা হয়। এই আচাৰ স্থানক দোহাৰ বুলিও কোৱা হয। দর্শকৰ স্পষ্ট বোধগম্য আৰু নাট্য চৰিত্রৰ প্রকাশভঙ্গীক অধিক স্পষ্ট কৰি তোলা দোহাৰ বা আচাৰৰ মূল কাম। অঙ্কীয়া নাটৰ সূত্রধাৰে গায়ন-বায়নৰ সৈতে এই দোহাৰ থলীতেই বহি নাট সম্মুখত লৈ নাট পৰিচালনা কৰে। এই আচাৰ বা দোহাৰ থলী অভিনয়ৰ থলীৰ শেষত ভাৱৰীয়া প্ররেশৰ আগঠাইত নির্দিষ্ট কৰা থাকে। আচাৰ থলী সুন্দৰকৈ ভাওনাৰ আগতে সজাই তোলা হয়। চাৰিওপিনে কমেও চাৰিটা কলপুলি পুতি, আমপাত আৰু ফুলৰ মালাৰে ওপৰত চাৰিওফালে আঁৰি আচাৰ থলী নির্মাণ কৰা হয়। বর্তমান আধুনিক নাট মঞ্চস্থৰ ক্ষেত্রত বাদ্য যন্ত্রৰ সৈতে নাট পৰিচালনাৰ যি অন্তঃবিভাগ নির্দিষ্ট কৰা থাকে তাৰ কাম অংকীয়া ভাওনাৰ আচাৰতেই মুকলিকৈ সম্পাদিত হয়। আচাৰ থলীৰ সম্মুখতেই থাকে ন গছি বস্তিৰে সৈতে অগ্নিগড়। যাৰ তলেদি প্রথমতে সূত্রধাৰ আৰু পিছত ভাৱৰীয়া সকল সোমাই অভিনয় থলীত প্রৱেশ কৰে। ইয়াৰ পিছতে আহিল ছোঁ-ঘৰ। ছোঁ-ঘৰত ভাৱৰীয়াৰ সাজ-পোছাক পিন্ধোৱা, ৰং সনা কার্য শৃংখলিতভাৱে কৰা হয়। দর্শকৰ আগত ওলোৱাৰ আগমুহূর্তত নাট্য চৰিত্রক ইয়াতেই নাট্যৰূপত সম্পূর্ণকৈ সজাই উলিওৱা হয়। এই ছোঁ-ঘৰ সাধাৰণতে নামঘৰৰ একাষত চাৰিফালে আঁৰ কাপোৰেৰে বেৰ দি লোৱা হয়। ভাওনাৰ সা-সঁজুলি, ৰং পোছাককে ধৰি আহৰণীয় সকলো সামগ্রী আগতীয়াকৈ

আনি ইয়াত জমা কৰি থ'ব লাগে। অৱশ্যে কোনো স্থানত এই সামগ্রীবিলাক সমুহীয়াকৈ আগতে জমা কৰি থোৱাৰ পৰিৱর্তে দায়িত্ব অনুপাতে ব্যক্তিসকলে নিজৰ নিজৰ সাজ-সজ্জা কৰিবলৈ আহোঁতে লগত লৈ আহে। ছোঁ-ঘৰ নামঘৰৰ বাহিৰত অথবা ওচৰৰ আন ঠাইতো প্রস্তুত কৰি লোৱাৰ ৰীতি আছে। ভৰতৰ নাট্য শাস্ত্রত 'ছোঁ' শব্দক পুস্ত[১৯] বুলি ব্যৱহাৰ কৰিছে। নেপথ্যৰ চাৰিবিধ মূল ভাগ আছে, পুস্ত বা ছোঁ, অলঙ্কাৰ, অঙ্গৰচল, সঞ্জীৱ[২০]। ইয়াৰ ভিতৰত ছোঁ প্রথম আৱশ্যকীয় অঙ্গ। ছোঁ তিনিপ্রকাৰৰ — সন্ধিম, ব্যাজিম আৰু চেষ্টিম[২১]। ভাওনাৰ ছোঁ ব্যৱহাৰ কৰা সম্পর্কত তুংখুঙ্গীয়া বুৰঞ্জীত আছে যে যেতিয়া কমলেশ্বৰ সিংহৰ দিনত বাৰেঘৰীয়া মহন্তৰ ফালৰপৰা দোলা কাষৰীয়া চ'ৰাৰ কোষত চাৰিদিনীয়াকৈ ৰুক্মিণীহৰণ অনুষ্ঠিত হৈছিল সেই ভাওনাৰ বাবে প্রয়োজনীয় ছোঁ, মুখা আৰু আৱশ্যকীয় আচবাব গোটাই লোৱা হৈছিল। বুৰঞ্জীত ছোঁ-মুখাৰ সম্পর্কত উল্লেখ কৰা হৈছে যে বিভিন্ন জীৱ-জন্তুৰ প্রতীক আৰু বিভিন্ন ভাৱ প্রকাশ কৰা ছোঁ[২২] মুখা ওলাইছিল।

ভাওনাৰ মূল উপাদান ঃ ভাওনাৰ মূল সমল হ'ল এখন পূর্ণাঙ্গ নাট। নাটকৰ ঘাই উপাদানসমূহ হ'ল, নাট্যতত্ত্ব বা নাট্যবস্তু, কাহিনী, সূত্রধাৰ সমন্বিতে চৰিত্র, ঘটনা, সংলাপ, শ্লোকসহ গীত, ঘটনাৰ স্থান। অংকীযা ভাওনাত গীত আৰু নৃত্যৰ প্রয়োগ বিশেষভাৱে সংযুক্ত। সেইবাবে গায়ন-বায়নৰ দ্বাৰা পৰিৱেশ ৰচনাত আৰু সূত্রধাৰৰ যোগে নাটকৰ কাহিনী আগবঢ়াই নিয়াত বিশেষ গুৰুত্ব প্রদান কৰা হ'য়।

সংস্কৃত নাটকৰ আৰম্ভণি কার্য সম্পাদিত হয় 'পূর্বৰংগৰ যোগেদি। অংকীয়া ভাওনাৰ এই কার্য কৰে গায়ন-বায়নে। গায়ন-বায়নে বাৰখন ধেমালি বজাই অংকীযা নাটৰ আৰম্ভণি কৰে। এই ধেমালিবোৰ হ'ল, বৰ ধেমালি, সৰু ধেমালি, নাট ধেমালি, চোৰ ধেমালি, ৰাগ ধেমালি, ন ধেমালি, বৰপেটীয়া ধেমালি, ঘোষা ধেমালি, দেউ ধেমালি। গায়ন-বায়নে ধেমালি বিলাকৰ যোগেদি অভিনয় কার্যৰ মঙ্গল কামনা কৰে আৰু

---

১৯ যানি ক্রিয়ন্তে নাট্যং হি চ পুস্ত ইতি সংজ্ঞিতঃ।
ভৰতৰ নাট্যশাস্ত্র, ত্রয়োবিংশ অধ্যায় - ৮

২০. উল্লিখিত, পৃঃ ত্রয়োবিংশ অধ্যায় - ৪

২১ সন্ধিম (ঢৰা, ছাল কাপোৰ আদি মেৰিয়াই বা জোৰা লগাই গাঁঠি দি কৰা)
ব্যাজিম (যন্ত্র বা কল কব্জা লগোৱা)
চেষ্টিম (লৰচৰ কৰি যাব পৰা)
নৰেন কলিতা, 'আহার্য অভিনয় আৰু অঙ্কীয়া ভাওনা', ভাওনা সমীক্ষা, পৃঃ ৪৬, ৪৭

২২ কালী সর্প এটা, ভালুক ১টা, হাতী ১যোৰ উলিযাইছিল, আনো ছোঁ ভাৱৰ দৰে ওলাইছিল।
তুংখুঙ্গীযা বুৰঞ্জী, সম্পা সূর্য্য কুমাৰ ভূঞা, পৃঃ ১৭৭

আধ্যাত্মিক ভাৱনাৰ পৰিৱেশ ৰচনা কৰি মূল নাট্যভাৱৰ সূচনা কৰে। ঘোষা ধেমালি গুৰু ঘাত বজোৱাৰ পিছতেই গায়ন-বায়নৰ দলে আচাৰ থলীত পৰিৱেশন কৰে। সূত্রধাৰৰ লগত বহি গায়ন-বাযনৰ দলে অঙ্কীয়া ভাওনা পৰিচালনা কৰে। গায়ন-বায়নৰ নিজস্ব কার্য শেষ হোৱাৰ লগে লগেই অভিনয়থলীত সূত্রধাৰ প্রৱেশ কৰে। সূত্রধাৰে মাঙ্গলিক নৃত্য পৰিৱেশন কৰে। নৃত্যৰ অন্তত নান্দীশ্লোক, নান্দীগীত, ভটিমা, প্রস্তাৱনা, প্রৰোচনা আগবঢ়ায়। সূত্রধাৰৰ যি নান্দী শ্লোক আৰু গীত থাকে ইয়াৰ উদ্দেশ্য দেৱতাৰ আশিস্[২৩] প্রার্থনা কৰা। সেয়ে শ্লোক আৰু গীত স্তুতিসূচক। 'নান্দী' শব্দৰ মূল অর্থ মঙ্গল[২৪]। ইয়াত নান্দী মাঙ্গলিক আশীর্বাদ অর্থত ব্যৱহৃত হৈছে। নান্দী শ্লোকৰ দৰে নান্দীগীত আৰু ভটিমাও প্রার্থনাসূচক। নান্দীগীত আৰু ভটিমাৰ পিছত প্রস্তাৱনা আৰু প্রৰোচনা। সংস্কৃতত প্রস্তাৱনাকে আমুখ বুলিও কোৱা হয়[২৫]। সংস্কৃত নাটত সূত্রধাৰে নর্তক-নর্তকী বা বিদূষক আদি চৰিত্রৰ সৈতে আলোচনা কৰি নাটকৰ মূল চৰিত্র প্রৱেশৰ যি ইঙ্গিত দিযে সেয়ে প্রস্তাৱনা[২৬]। অংকীয়া নাটতো সূত্রধাৰে সংগীসকলৰ সৈতে আলোচনা কৰি ৰাম বা কৃষ্ণৰ প্রৱেশ কৰোৱায়[২৭]। আনহাতে ভাওনাত কি নাট পৰিৱেশন কৰিব, সেই নাটৰ নাম উল্লেখ কৰি সভাসদ বা দর্শকসকলক নাট আৰম্ভ হোৱাৰ কথা জনাই দিয়ে এয়ে প্রৰোচনা[২৮]। নান্দীগীত বা ভটিমা গীতৰ আগে আগে প্রৰোচনা বাক্য গায়।

---

২৩ আশীর্বচন সংযুক্তা নিত্যং যস্মাৎ প্রৱর্ত্ততে।
দেৱদ্বিজ নৃপাদীনাং তস্মান্ নান্দীতি সংজ্ঞিতা।।
ভৰতৰ নাট্যশাস্ত্র, পঞ্চম অধ্যায়, পৃঃ ৮৯

২৪ মাঙ্গল্য শঙ্খ চন্দ্রাব্জ কোক কৈৱৰংশসিনী।
পদৈর্যুক্তা দ্বাদশভিৰষ্টাভির্বা পদৈৰুত।
সাহিত্য দর্পণ, ষষ্ঠ পৰিচ্ছেদ, শ্লোক ১১, পৃঃ ২৯৩,

২৫. নটী বিদূষকো বাপি পাৰিপার্শ্বিক এৱ বা। সূত্রধাৰেণ সহিতঃ সংলাপং যত্র কুর্বতে। চিত্রৰ্বাক্যৈঃ স্বকার্য্যোত্থৈঃ প্রস্তুতাক্ষেপিভির্মিথঃ। আমুখং তত্তু বিজ্ঞেয়ং নাম্না প্রস্তাৱনাপি বা।
উল্লিখিত, ষষ্ঠ পৰিচ্ছেদ, পৃঃ ২৯৯

২৬ সত্যেন্দ্রনাথ শর্মা, অসমীয়া নাট্য সাহিত্য, পৃঃ ২৬

২৭ অঙ্কীয়া নাটৰ প্রস্তাৱনা -
সূত্রধাৰ - আহে সঙ্গী আকাশে কি বাদ্য বাজত?
সঙ্গী - আকাশে দেৱ দুন্দুভি বাজত
সূত্রধাৰ - আঃ পৰম ঈশ্বৰ কৃষ্ণ মিলল মিলল।

২৮ প্রৰোচনা - ভো ভো সভাসদা যূয়ং শৃণুত সাৱধানতঃ।
কেলি গোপাল নামেদং নাটকং মুক্তি সাধকম্।
কার্য সিদ্ধিৰ উদ্দেশ্যে যুক্তি তর্কৰ দ্বাৰা যি আবেদনে দর্শকৰ দৃষ্টি আকর্ষণ কৰে তাকে প্রৰোচনা বোলে। সত্যেন্দ্রনাথ শর্মা, ভাওনা সমীক্ষা (প্রৱন্ধ), পৃঃ ২২

কৃষ্ণ বা ৰামৰ প্ৰৱেশ হোৱাৰ পিছতে সূত্রধাৰ আচাৰ থলীলৈ যায়। তাত বহি নাট পৰিচালনা কৰে। অংকীয়া ভাওনাত সূত্রধাৰ একেৰাহে নর্তক, গায়ক, অভিনেতা পৰিচালক, উপস্থাপক আৰু ঘোষক। নাট্যবস্তুৰ পৰিৱেশ ৰচনা, চৰিত্রৰ মনৰ ভাব প্রকাশ, প্রৱেশ-প্রস্থানৰ সময় জ্ঞাপন, কাহিনীৰ ধাৰাবাহিকতা আদি সকলো বিষয়ৰ টিপ্পনিৰসহ পৰিচয় দিয়ে সূত্রধাৰে। সেয়ে নাট্য চৰিত্রৰে প্রধান অঙ্গ সূত্রধাৰ অংকীয়া নাটত দর্শক-শ্রোতাৰ বাবে অন্তৰঙ্গ ব্যক্তি। নাট্য চৰিত্র বুলিলে প্রথমতে সূত্রধাৰৰ কথাই আহে। সূত্রধাৰ ভাওনাৰ প্রধান অঙ্গ চৰিত্র। যি নাটেই নহওক অংকীয়া ভাওনাত কৃষ্ণ বা ৰামৰ চৰিত্র থাকিবই লাগিব। এই দুই চৰিত্রৰ লগত নাটৰ বিষয়বস্তুৰ সৈতে সঙ্গতি থকা ৰজা, মন্ত্রী, সেনাপতি, বীৰ সৈন্য, দেৱতা, গন্ধর্ব, ঋষি-মুনি আদি চৰিত্র থাকে। পুৰুষ চৰিত্রৰ দৰে স্ত্রী চৰিত্রও থাকে। প্রথমতে অংকীয়া ভাওনাৰ পৰম্পৰাত সকলো চৰিত্রকে 'নটুৱা' বুলি পৰিচয় দিয়া হৈছিল[২৯]। পিছলৈ ভাৱৰীয়া বুলি কোৱা হয়। অংকীয়া ভাওনাত সকলো চৰিত্রই নৃত্যৰ ভঙ্গীৰে প্রৱেশ আৰু প্রস্থান কৰিব লাগে।

অংকীয়া নাট্য চৰিত্রৰ বচন মূলতঃ ব্রজাৱলী ভাষা। ই অতি শুৱলা আৰু লয়যুক্ত। যি বচন পঢ়িলে বা শুনিলে গ্রাম্য জনতাৰ বাবে সহজ বোধগম্য হ'ব পাৰে। শংকৰদেৱে অতি কৌশলেৰে এই ভাষাৰে সৃষ্টি কৰি অংকীয়া নাটত ব্যৱহাৰ কৰিলে। ব্রজাৱলী ভাষা মূলতঃ মৈথিলী, প্রাচীন অসমীয়া আৰু সংস্কৃত ভাষাৰ মিশ্রিত ৰূপ। মৈথিলী ভাষা ব্রজধামত ব্যৱহাৰ হোৱাৰ কাৰণে আৰু এই ভাষাই সর্বাধিক অংশ দখল কৰাত এই মিশ্রিত ভাষা অসমত ব্রজাৱলী ৰূপে চিহ্নিত হ'ল। এই নামকৰণৰ অন্তর্নিহিত তাৎপর্য হ'ল, যি ভাষা ব্রজধামত প্রযোগ কৰা হৈছিল, সেই ভাষা আছিল কৃষ্ণই কোৱা ভাষা[৩০]। এতেকে, এই ভাষাৰ প্রয়োগে স্বাভাৱিকতে দর্শক-শ্রোতাৰ অন্তৰত ভক্তিভাব সঞ্চাৰিত কৰে।

অংকীয়া নাট গীত প্রধান। নাটৰ বিষয়বস্তু সংলাপেৰে বুজোৱা হ'লেও গীতৰ যোগেদি তাৰ প্রকৃত পৰিচয় দাঙি ধৰা হয়। নাটৰ দৃশ্যৰাজিৰ বর্ণনা, চৰিত্রৰ মনৰ ভাৱগতি আৰু মূলকার্যৰ পৰিচয় গীতত সন্নিৱিষ্ট থাকে। অংকীয়া নাটৰ গীত বুলি ক'লে নান্দী গীত, ভটিমা, প্রৱেশ-প্রস্থানৰ গীত পৰিৱেশন, বর্ণনাৰ গীত, বিলাপ,

---

২৯ (ক) ৰামচৰণ ঠাকুৰ, শুক্ল চৰিত, পৃঃ ৩২০
(খ) The actors is Assamese are called Natuas This word is derived from Vedic 'nrtu' (From nrt = to dence) S -nartaka কালিৰাম মেধি, অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব, "Introduction", পৃঃ ৮৪

৩০ ব্রজাৱলী = ব্রজত কোৱা ভাষা।

পয়াৰ, স্তুতিগীত আদিৰ কথা বুজায়। গীতৰ ভাষা ব্রজাৱলী। ৰৱগীতৰ আৰ্হিৰ দৰেই ইয়াৰ ভাষা। গীতসমূহ নির্দিষ্ট ৰাগ-তালত বন্ধা থাকে। প্রতি গীতৰ লগত সংযোগ হৈ থাকে শ্লোক। সংস্কৃত শ্লোক অংকীয়া নাটৰ অন্যতম এটি অংগ। যি বিষযবস্তু গীতেৰে বুজোৱা হয় আৰু কথাৰে বুজোৱা হয়, তাক শ্লোকত সংক্ষেপতে বর্ণনা দাঙি ধৰা হয়।

মন কৰিব লগীযা বিষয় যে অসমৰ ভাওনা পৰম্পৰাত অংকীয়া ভাওনাৰে সর্বাধিক প্রচলন থাকিলেও মহাপুৰুষসকলৰ পিছত সত্রানুষ্ঠানত কথিত ভাষা বা পদ্যধর্মী অমিত্রাক্ষৰ ছন্দ প্রয়োগ হ'বলৈ ধৰিলে। কিন্তু অসমৰ নগাঁও অঞ্চলত ব্রজাৱলী ভাষাৰ প্রচলনেই হৈ থাকিল। এই পৃথকতাৰ বাবে উজনি অসমৰ অভিনয় অংকীয়া ভাওনাৰ পৰিৱর্তে ভাওনা স্বৰূপেই পিছলৈ চিহ্নিত হ'ল। ফলত অংকীযা ভাওনাৰ কিছু পৰিৱর্তিত ৰূপ এটিও উজনি অসমত গঢ় লৈ উঠিল। নাটকত আদ্যান্ত সূত্রধাৰৰ প্রয়োজনো নোহোৱা হ'ল। নৃত্য পৰিৱেশন আৰু নান্দী শ্লোক-গীত গোৱাৰ পিছতেই অভিনয় ক্ষেত্রৰ পৰা সূত্রধাৰ একেবাৰে আঁতৰি যায়। প্রস্তাৱনা-প্রৰোচনাৰ ঠাইত সূত্রধাৰৰ দীঘলীয়া কথা সংযোজিত হ'ল। অংকীয়া ভাওনাৰ গাযন-বায়নৰ ধেমালি এনে অভিনযত থাকিলেও আটাইকেইখন ধেমালিৰ প্রয়োগ নঘটে। ইয়াৰ ঠাইত গায়ন-বায়নৰ আৰম্ভণি ধৰণ, গুৰুঘাত, ৰাগ-ৰাগিনী, গুৰু বন্দনা আৰু ঈশ বন্দনা থাকে। আটাইখিনি কার্য গায়ন-বায়নৰ দ্বাৰা হয় যদিও ইশ বন্দনা সূত্রধাৰে নৃত্য কৰাৰ পিছতহে গায়ন-বায়নৰ লগত সমস্বৰে গায়। সূত্রধাৰে কথাৰে ভাওনাৰ সামগ্রিক পৰিচয দাঙি ধৰে। সূত্রধাৰৰ কথাত ভাওনাৰ নামকৰণ আৰু বিষয়বস্তুৰ চমু পৰিচয় প্রকাশ পায়। অংকীয়া ভাওনাৰ প্রস্তাৱনাৰ দৰেই সূত্রধাৰে নিজৰ কথাৰে ভাওনাৰ আৰম্ভণিতে চৰিত্র প্রৱেশৰ ঘোষণা কৰি প্রস্থান কৰে। আউনীআটী সত্রৰ এনে ভাওনা মুখ্যতঃ সংলাপ প্রধান। নাট্যকাৰে সংলাপ ৰচনাত অত্যধিক গুৰুত্ব দিয়ে। চৰিত্রৰ বচন সাধাৰণতে অমিত্রাক্ষৰ ছন্দত লিখা আৰু আলংকাৰিক সংস্কৃত শব্দ ব্যৱহৃত কথিত ভাষাৰ বচন। এনে পদ্ধতিৰ ভাওনাক ফৌজীয়া[৩১] নামেৰে কোনো সত্রত পৰিচয় দিলেও ব্রহ্ম সংহতিৰ আটাইবিলাক সত্রতে এই অভিনয়ক ভাওনা নামেৰেহে পৰিচয় দিয়া হয়। গীতৰ ভাষা মুল অসমীয়া ভাষা যদিও এনে ভাওনাৰ আৰ্হি আউনীআটী সত্রত এই সত্রৰ প্রথম সত্রাধিকাৰ

---

৩১ কীর্তনীয়া ফৌজ সমে সম্বৰে আসোক
নেউক ৰৱপেটাক লাগিয়া শিঘ্রে মোক।
দৈত্যাৰি ঠাকুৰ, শ্রীশঙ্কৰদেৱ মাধৱদেৱ চৰিত, পৃঃ ২৯০
উক্ত ফৌজ শব্দৰপৰাই ফৌজীয়া নামকৰণ অহা বুলি ধাৰণা কৰিব পাৰি। নাট্য দলক ফৌজ বুলি মাধৱদেৱে ব্যৱহাৰ কৰিছে।

নিৰঞ্জনদেৱৰ দিনত·প্রচলন হোৱাৰ কথা পোৱা যায়। এনে অভিনয়ত যে অংকীয়া ভাওনাৰ ৰীতিসমূহ সংযোজিত হৈ আছিল সেই বিষয়ে সন্দেহ নাই। সংস্কৃত 'প্রবোধ চন্দ্রোদয়' নাটৰ অসমীয়া ৰূপান্তৰ কৰাই অংকীয়াৰূপত নিৰঞ্জনদেৱে এই ভাওনা কৰাইছিল। এই অনুবাদ আছিল কাব্যধর্মী। কামৰূপত কাকতী নামঘৰত এই ভাওনা কৰাই ৰাইজৰ ভূয়সী প্রশংসা লাভ কৰিছিল। অঙ্কমালাৰ পাতনিত সত্যেন্দ্রনাথ শর্মাই এই কথা উল্লেখ কৰিছে[৩২]। অসমীয়া ৰূপান্তৰিত নাটকখনত অঙ্কীয়া ৰূপ সন্নিবিষ্ট হৈ থকাৰ কাৰণে তীর্থনাথ শর্মাই এই অনুবাদ নাটখনিৰ গৌৰৱময় স্থানৰ কথা উল্লেখ কৰিছে[৩৩]। ক্রমে ক্রমে অৱশ্যে এই আর্হিৰ সত্রসমূহত অংকীয়া নাটৰ উপাদানসমূহৰ প্রভাৱ কিছু সংকুচিত হৈ অহাৰ পূর্বে উল্লিখিত অভিনযৰ ৰূপ ললে। স্মৰণীয় বিষয় যে সংস্কৃত নাটকৰ কাব্যধর্মী অনুবাদ এই নাটকখনিত থকা সেই নাটকৰ প্রভাৱ এটি পৰৱর্তী কাললৈও বৈ গ'ল। আউনীআটী সত্রত ৰচিত ভাওনাৰ নাটসমূহ সেইবাবে কার্যপ্রধান নহৈ সংলাপ প্রধান হ'বলৈ ধৰিলে। অসমৰ নাট্যকলা তথা অভিনয় কলাত প্রবোধ চন্দ্রোদয় নাটকৰ অনুবাদ আৰু অভিনয়ে এটি নতুন মাত্রা সংযোগ কৰিলে।

কোনো উপলক্ষ্য লৈ যেতিয়া এখনি ভাওনা কৰাৰ কথা ওলায়, সত্রাধিকাৰ তথা গুৰুৰ অনুমতি সাপেক্ষে ভাওনাৰ লগত জড়িত গাযন-বায়ন তথা খেলৰ লোকসকলে ভাৱৰীয়া নির্বাচন কৰি এটি শুভ দিনত নৈৱেদ্যৰ সৈতে নাটৰ আখৰা আৰম্ভ কৰে। লগে লগে গায়ন-বায়নৰ আখৰাও বেলেগে আৰম্ভ হয়। নতুন সূত্রধাৰ বা নাটৰ মূল ভাৱৰীযা আদিয়ে আখৰাত নৈৱেদ্যৰ শৰাই আগবঢ়ায়। আখৰা পূর্ণ পর্যায় পোৱাৰ পিছত নির্দিষ্ট দিনৰ আগদিনা বৰ আখৰা পাতি আখৰাৰ সামৰণি মাৰে। ভাওনাৰ দিনা সন্ধ্যা নিত্য প্রসঙ্গৰ অন্তত "জযৰাম বোলা, জয়হৰি বোলা" ধ্বনিৰে গাযন-বায়ন আৰম্ভ কৰে। ইযাৰ লগে লগে ডবা-কাঁহ বাজি উঠে। গায়ন-বাযনৰ কার্যৰ অন্তত সূত্রধাৰ প্রৱেশ কৰে। এই সময়তে সত্রাধিকাৰ নামঘৰত উপস্থিত হয়হি। সত্রাধিকাৰ নামঘৰত সোমোৱাৰ লগে লগে নাম লগোৱাসকলে হৰিধ্বনি কৰে আৰু নামঘৰত থকা বৈষ্ণৱ সমন্বিতে সকলো উপস্থিত ৰাইজে থিয় হৈ সত্রাধিকাৰক সম্মান জনায়। সত্রাধিকাৰ নিজৰ আসনত বহাৰ লগে লগে সকলোৱে নিজ আসন গ্রহণ কৰে। এনে আর্হি ভাওনা পৰম্পৰাত গায়ন-বায়ন গোৱাৰ আগে আগে সত্রাধিকাৰৰ বাসভৱনলৈ গৈ গায়ন-বায়নসকলে ভাওনা ধৰাৰ অনুমতি আৰু নির্মালি গ্রহণ কৰে। সূত্রৰ নৃত্য, শ্লোক, গীত আৰু কথাৰ অন্তত ভাৱৰীয়া প্রৱেশ কৰে। কৃষ্ণ, ৰামৰ প্রৱেশ থাকিলে আৰম্ভণিতে ভগৱানৰ ৰূপ বর্ণনাৰ গীত থাকে।

---

৩২ সত্যেন্দ্রনাথ শর্মা, অঙ্কমালা, পাতনি, পৃঃ ১৩

৩৩ তীর্থনাথ শর্মা, আউনীআটী সত্রৰ বুৰঞ্জী, ১৩৫

এইদৰে আন ভাৱৰীযা সকলো প্ৰৱেশ কৰে। ভাওনাৰ সামৰণি পর্যায়ত নিৱেদন গীতেৰে ভাওনাৰ সমাপ্তি ঘটায। নিৱেদনী গীতৰ পিছতে গুৰুৰ বাবে নির্দিষ্ট উপলক্ষ্যৰ উদ্দেশ্যে ভাও-ভাৱৰীযা সমন্বিতে অভিনয় কর্তাসকলোৰে বাবে আশীর্বদীয়াইআশীর্বাদ দিয়ে। লগতে ভাওনাৰ ত্রুটি মার্জনাৰ অর্থেও পৰমেশ্বৰৰ আশীর্বাদ প্রার্থনা কৰে। এইদৰে ভাওনাৰ কার্যক্রমৰ অন্ত পৰে। আউনীআটী, গডমুৰ আদি ব্রহ্মসংহতিৰ সত্রসমূহত মহাপুৰুষ শঙ্কৰ-মাধৱৰ তিথি উপলক্ষ্যে যি ভাওনা অনুষ্ঠিত হয ই সম্পূর্ণ অংকীয়া পদ্ধতিৰে কৰে। অংকীযা পৰম্পৰাত গায়ন-বাযন আৰম্ভণিতে আঁৰিযা, জোৰ, মহতা লগোৱা যি অপৰিহার্য বিষয, এনে প্রথা সকলো ভাওনাতে ৰক্ষা কৰা হয। নাট্যশাস্ত্রত উল্লেখ আছে যে দেবতাসকলে দৈত্যৰ বধ বিষযক অভিনয কৰাৰ বাবে দৈত্যসকল ক্ষুব্ধ হৈ বিঘ্নকাৰকসকলৰ যোগেদি অভিনযৰ বিঘিনি ঘটাইছিল। ইন্দ্রই তেতিযা দিব্যাস্ত্রৰে বিঘিনি কাৰকসকলক জর্জৰিত কৰি পুনৰ অভিনযৰ পৰিৱেশ সৃষ্টি কৰিছিল। ইন্দ্রৰ সেই দিব্যাস্ত্রক জর্জৰ[২৪] বুলি কোৱা হৈছিল। তেনে আদর্শতে জর্জৰ স্বৰূপ আঁৰিযা, ভোটা ভাওনাৰ আৰম্ভণিতে দেখুৱাই অভিনযৰ বিঘিনি আঁতৰোৱা হয বুলি ধাৰণা কৰিব পাৰি। নতজানু হৈ যি স্তুতি সূচক বন্দনাৰে গাযন-বাযনে প্রাক্ আৰম্ভণি ঘটায, ইযেই হ'ল অভিনযৰ আদি প্রার্থনা[২৫]। ভাওনাৰ অংগস্বৰূপ চাৰিটা প্রধান অনুষ্ঠান[২৬] নাটমেলা, গন্ধ গোৱা, জোৰা উঠা আৰু নাট সামৰণি এই অনুষ্ঠান দুই পদ্ধতিৰ ভাওনাতেই নিয়মেৰে পালন কৰা হয। অৱশ্যে নাট সামৰণি ভাওনাৰ শেষত এটা দিনত এই অনুষ্ঠান অনুষ্ঠিত হয যদিও কোনো সত্রত বৰ আখৰাতেই নাট সামৰণি সংযুক্ত হৈ থাকে। নাট বাছনি কৰা আৰু নাটমেলাৰপৰা নাট সামৰালৈকে প্রতিটো স্তৰ ধর্মীয় ভাৱনা আৰু ধর্মীয় লক্ষ্যৰ লগত যুক্ত হৈ থাকে। সত্রীযা উৎসৱৰ এটি প্রধান অংগ 'ভাওনা'ৰ গুৰুত্ব সত্রীযা জীৱনত বিশেষভাৱে প্রণিধানযোগ্য।

ভাওনাত ব্যৱহৃত আহার্য সামগ্রী ঃ ভাওনাত বিবিধ সামগ্রীৰ প্রযোজন আছে। ইযাৰ ভিতৰত ভাৱৰীযাৰ সাজ-পোছাক, ৰং, অস্ত্র-শস্ত্র, বহা আসন, মুখা আদিয়েই প্রধান। আহৰণ কৰা অর্থত এই সামগ্রী সমূহক আহার্য বুলি কোৱা হৈছে[২৭]। নাট্য

---

২৪ ভৰতৰ নাট্য শাস্ত্র, প্রথম অধ্যায, পৃঃ ৯

২৫ যেষাং শ্রীমদ্ যশোদা সুত পদ কমলে নাস্তি ভক্তি র্নৰাণাং,
যেষামাভিৰ কন্যা প্রিয় গুণ কথনে নানুৰক্তা ৰসজ্ঞা।
বাণেশ্বৰ বিদ্যালঙ্কাৰ, উদ্ভূত্ সাগৰ, পৃঃ ৩৬

২৬ শঙ্কৰদেৱৰ নাট, অসম প্রকাশন পৰিষদ, মুখবন্ধ, পৃঃ ৭

২৭ নৰেন কলিতা, ভাওনা সমীক্ষা, 'আহার্য্যাভিনয় আৰু অঙ্কীযা ভাওনা', ভাওনা সমীক্ষা, পৃঃ ৪৪, ৭২ আহার্য্যো হাৰ কেযূৰ বেশাদিভিৰলঙ্কৃতিঃ অভিনয দর্পণ, সম্পা গৌৰীনাথ শাস্ত্রী, পৃঃ ২৫

শাস্ত্রমতে ইয়াক নেপথ্য[৩৮] বুলি কোৱা হৈছে। আহার্য সামগ্রীৰ বিশদ বিৱৰণ নৱেন কলিতাই দাঙি ধৰিছে আহার্য অভিনয আৰু অংকীযা ভাওনাৰ লেখত[৩৯]। ভাওনাৰ প্রাচীন আর্হিমতে ভাৱৰীযাৰ সাজ-পোছাকৰ ক্ষেত্রত প্রধানকৈ পুৰুষ চৰিত্রৰ ধুতি, চাপকন চোলা, বনকৰা চোলা, টঙালি, চাদৰ, পাগ আৰু স্ত্রী চৰিত্রৰ পাট বা মুগাৰ মেখেলা চাদৰ, ৰিহা আদি ব্যৱহাৰ হয। সিংখাপ কাপোৰ আদিও ব্যৱহাৰ কৰে। পুৰুষ চৰিত্রৰ সাজ-পোছাকৰ কাপোৰৰ এনে ব্যৱহাৰৰ লগত পিছলৈ কামকৰা মখমল কাপোৰ আদিৰ পোছাক প্রচলন হ'বলৈ ধৰিলে। ইযাৰ ভিতৰত অঙ্কীযা ভাওনাৰ গাযন-বাযন আৰু সূত্রধাৰ চৰিত্রৰ পোছাক সম্পূর্ণ পৃথক আৰু বৈশিষ্ট্যপূর্ণ। গাযন-বাযনৰ পোছাক গন্ধর্ব বিদ্যাধৰৰ বেশত কল্পনা কৰি সজোৱা হয। গাযন-বাযনৰ মূৰত উষ্ণিৰ থাকে যাক পাগুৰি বুলি কোৱা হয। এইখিনিতে উল্লেখনীয যে পাগুৰি তিনি প্রকাৰৰ, বৰ পাগ, মথুৰা পাগ আৰু তেৰীযা পাগ। গাযন-বাযনৰ পাগ বৰপাগৰ অন্তর্ভুক্ত। আগলৈ জোঙা, শঙ্খ আকৃতি হোৱা বাবে যাক শঙ্খপাগ বুলিও কোৱা হয। মথুৰাপাগ ৰজা বা ৰাজকীযা সন্মানৰ অধিকাৰীসকলে ব্যৱহাৰ কৰে। তেৰীযা পাগ সাধাৰণতে ৰাজশাসনৰ তলতীযা কর্মচাৰী সকলে ব্যৱহাৰ কৰে। ৰজাৰ লগত সমানে ফেৰ মৰা যাতে নহয তালৈ লক্ষ্য ৰাখি কর্মচাৰীসকলে এই পাগ মূৰত অলপ বেঁকাকৈ মাৰে। গাযন-বাযনে ব্যৱহাৰ কৰা বৰপাগ পাতল কপাহী কাপোৰেৰে আগফালে জোঙা কৰি বন্ধোৱা হয। পাগৰ ওপৰত গুৰু প্রদত্ত তুলসীৰ খনিযা মালা, কপালত চন্দনৰ তিলক, কাণত লংকেৰু, ডিঙিত মতামণি আৰু কাঠৰ গুটিমালা থাকে। গাত মুগাৰ বা পাটৰ চাপকন, পাটৰ বা মুগাৰ ধুতি আৰু চেলেং চাদৰ থাকে। পাটৰ বা মুগাৰ পৰিৱর্তে কপাহী কাপোৰৰ চোলা-ধুতিও পিছলৈ ব্যৱহাৰ হোৱা দেখা যায। সত্রীযা ভাওনাৰ পৰম্পৰাত গাযন-বাযনৰ এনে পোছাকেই ব্যৱহৃত হয। গাযন-বাযনৰ পিছতে আহিল সূত্রধাৰ। সূত্রধাৰৰ শিৰত এটি পাগ থাকে। এই পাগ পূর্বতে সাঁচি গছৰ ছালেৰে তৈয়াৰ কৰা হৈছিল। বর্তমানে অৱশ্যে মাটিৰ সাঁচ থকা ডাঠ কাপোৰ আৰু কাগজ ব্যৱহাৰ কৰি সজা হয়। পাগৰ ওপৰভাগত পাতলকৈ কুমাৰ মাটি লেপন কৰি তাৰ ওপৰত হেঙ্গুল হাইতাল আৰু নীলেৰে চিত্রিত কৰা হয়। ইয়াৰ উপৰি বিভিন্ন ধৰণৰ বালিছন্দাৰে উজ্জ্বল কৰি পাগ আকর্ষণীয় কৰি তোলা হয। সূত্রধাৰৰ পাগত মোগলাই পাগৰ আর্হি লক্ষ্য কৰা হয়[৪০]। মুগাৰ বা পাটৰ ফুলবছা এখনি সমান বহল

---

৩৮ আহার্য্যাভিনযো নাম জ্ঞেযো নেপথ্যজো বিধিঃ। ভৰতৰ নাট্যশাস্ত্র, ত্রযোবিংশ অধ্যায - ২

৩৯ দ্র আহার্য্য অভিনয আৰু অঙ্কীযা ভাওনা, ভাওনা সমীক্ষা, পৃঃ ৪৪-৭২ লৈ।

৪০ এই আর্হি কেনেকৈ সোমাল তাক ঠাৱৰোৱা টান। এনে আর্হি মীৰজুমলাৰ অসম আক্রমণৰ পিছত ঘাইকৈ উজনিত সোমোৱাৰ সম্ভাৱনাই অধিক।

পুতলৰ হাঁচটি পাগৰ তলত ওলোমাই লোৱা হয়। গাত পিন্ধা চোলাক আচকন বোলা হয়। চাপকন চোলাৰ মাজত চিলাই থাকে। আচকন চোলাৰ জোৱা নাই; দুই খণ্ড দীঘল হাত। ডিঙিত মতামণি, বুকুত বুকালি। বুকালি কাপোৰেৰে তৈয়াৰ কৰা হয় আৰু ইয়াত ফুল বছা থাকে। হাতত গামখাৰু, কাণত লংকেৰু, কঁকালত টঙালি থাকে। লগতে কঁকালত কৰধ্বনি, কিঙ্কিনি ব্যৱহাৰ কৰে। সূত্রধাৰৰ তলৰ অংশত কঁকালৰ পৰা ভৰিৰ গোৰোহালৈকে পৰা ঘূৰি ব্যৱহৃত হয়। সূত্রধাৰৰ পাগৰ দৰে কৃষ্ণ-বলোৰামৰ মুকুটো সাঁচি ছালেৰে তৈয়াৰ কৰা হয় যদিও আজিকালি মণিৰ কপালি বা মুকুট, কৃষ্ণ-বলোৰামৰ ক্ষেত্রতো ব্যৱহাৰ কৰে। ৰজা-মহাৰজা সকলৰ মুকুট পহুৰ ছালেৰে তৈযাৰ কৰি তাত মণি-বাখৰ লগাই লৈছিল। স্ত্রী চৰিত্রত ৰাণীৰ বাহিৰে আন ভাৰৰীযাসকল মূৰত কিৰীটি বা কপালী ব্যৱহাৰ কৰে। সাধাৰণতে কিৰীটিবিলাক মণিৰে তৈয়াৰী। আ-অলংকাৰ পৰিধানৰ ক্ষেত্রত বীৰে মতামণি, কৃষ্ণ-বলোৰামে গামখাৰু, চৰতীয়া, কৰধ্বনি, মণিৰমালা, স্ত্রী ভাৰৰীয়াই দুগদুগী, গেজেৰা, লংকেৰু আদি ব্যৱহাৰ কৰে। লগতে ভাৰৰীযাসকলে মণিৰ কুণ্ডল আৰু বাজু পৰিধান কৰে। দেখা যায, অসমীযা মানুহৰ সাজপাৰ, আ-অলংকাৰৰ আৰ্হিৰেই ভাওনাৰ চৰিত্রৰ সাজপাৰ তৈযাৰ কৰা হৈছিল।

ভাওনাত ব্যৱহৃত এটি অন্যতম সামগ্রী ৰং। ভাৰৰীয়াই মুখত বিলেপন তথা প্রসাধন সামগ্রী ব্যৱহাৰ কৰে। চৰিত্রৰ গাৰ বৰণ একে কৰি দেখুৱাবলৈ মুখৰ বাহিৰে ওলাই থকা গাৰ বিভিন্ন অংশত সেই ৰং সানে। সাধাৰণতে মুখত সনা ৰং হেঙুল, হাইতাল, ধলমাটি, সেন্দুৰ, নীল ব্যৱহাৰ কৰিছিল। এই কেইবিধ উপাদানৰ নির্দিষ্ট সংমিশ্রণত বিবিধ ৰং প্রস্তুত কৰা হয়। বিভিন্ন প্রকাৰে ৰঙৰ সংযোগ ঘটাই অভিনেতাৰ দেহাৱয়বত ঘঁহা কার্যক বর্তনা বোলা হয়[৪১]। হাইতালৰ লগত ধলমাটি দিলে বগা ৰং, হাইতালৰ লগত নীল দিলে সেউজীযা ৰং (যি ৰং কৃষ্ণ বা ৰামৰ ক্ষেত্রত ব্যৱহাৰ কৰা হয়) তৈয়াৰ হয়। হাইতালৰ লগত হেঙুল, ধলমাটি থাকিলে উজ্জ্বল বগা, হাইতালৰ লগত সেন্দুৰ থাকিলে ৰঙা বৰণ পোৱা যায়। ক'লা ৰঙৰ বাবে নাৰিকলৰ বাকলি পুৰি, বেলৰ আঠা দি ক'লা ৰং প্রস্তুত কৰা হয়। প্রত্যেক ৰঙতে বেলৰ আঠা লগোৱা হয়। সেইমতে দেৱতা, গন্ধর্ব, ঋষিমুণিৰ আৰু মানৱ চৰিত্রৰ ক্ষেত্রত ৰঙা আৰু বগা ৰ ব্যৱহাৰ কৰা হয়। দৈত্য, দানৱ, ৰাক্ষস আদিৰ বাবে ক'লা ৰং সনা হয়। নাৰিকলৰ বাকলি পুৰি বেলৰ আঠাৰে যি ক'লা ৰং প্রস্তুত কৰা হৈছিল, তাক বর্তমানৰ কাজলৰ দৰেও ব্যৱহাৰ কৰা হৈছিল। দাড়ি-চুলিৰ ক্ষেত্রত চোঁৱৰী পহুৰ নোম, কপাহ আৰু

---

৪১ নৱেন কলিতা, 'আহার্য আৰু অঙ্গীয়া ভাওনা' ভাওনা সমীক্ষা, পৃঃ ৬০
মূল নাট্যশাস্ত্র, ত্রয়োবিংশ অধ্যায - ৮২

মৰাপাট ব্যৱহাৰ কৰা হৈছিল। বগা দাড়ি-গোঁফৰ বাবে কপাহ বা চোঁৱৰী পহুৰ নোমৰ লগত বেলৰ আঠা লগোৱা হয়। আনহাতে ক'লা-দাড়ি আৰু চুলিৰ বাবে মৰাপাট আৰু চোঁৱৰী পহুৰ নোমৰ লগত নাৰিকলৰ বাকলিৰে প্রস্তুত কৰা ক'লা ৰং আৰু ক'লা ছাই সংমিশ্রণ কৰি ল'ব লাগে। ৰং উজ্জ্বল কৰিবলৈ মিঠাতেল ব্যৱহাৰ কৰা হয়।

ভাওনাৰ সামগ্রীৰ ভিতৰত অস্ত্র-শস্ত্র প্রয়োজনীয় সামগ্রী। ৰজা-মন্ত্রী, সেনাপতি, সৈন্য আদিৰ ক্ষেত্রত স্তৰ আৰু মান অনুসৰি অস্ত্রৰ ব্যৱহাৰ কৰা হয়। সেইদৰে দেৱতা, দানব, ৰাক্ষসৰ চৰিত্রই নিজ নিজ প্রতীক স্বৰূপ বিবিধ অস্ত্র হাতত লয়। এই অস্ত্রবিলাকৰ ভিতৰত ভাওনাত ধনু-শৰ, তূণ, গদা, মূদগড তৰোৱাল, ঢাল, পাশা, বজ্র, শূল, শেল, ত্রিশূল আদি ব্যৱহাৰ কৰে। ধনু, গদা, শৰ, শূল আদি অস্ত্রসমূহ বাঁহ-বেত, কাঠেৰে প্রস্তুত কৰি লয়। ইযাৰ লগত বিবিধ ৰং আৰু কাপোৰ ব্যৱহাৰ কৰা হয়।

ভাওনাত ব্যৱহাৰ কৰা অত্যাৱশ্যকীয় সামগ্রী মুখা। ছোঁ-মুখাৰ কথা আগতে উল্লেখ কৰা হৈছে। মুখা তিনিপ্রকাৰৰ, সম্পূর্ণ শৰীৰ আবৃত কৰা, অর্ধাবৃত কৰা আৰু অংশাবৃত কৰা। সাধাৰণতে বন্যজন্তু, পক্ষী আৰু সৰীসৃপৰ ক্ষেত্রত সম্পূর্ণ শৰীৰ আবৃত কৰা মুখা থাকে। উদাহৰণ স্বৰূপে, সম্পূর্ণ আবৃত মুখা কালিনাগ, অর্ধাবৃত মুখা গৰুড, অংশাবৃত মুখাৰ ভিতৰত দশমুণ্ডযুক্ত ৰাৱণ আৰু ৰাক্ষসৰ চৰিত্র উল্লেখযোগ্য। মাজুলীৰ চামগুৰি সত্রত এই মুখাৰ ভাগ এনেদৰে কৰা দেখা যায মুখমুখা (এফলিযা আৰু সম্পূর্ণ), লোটোকৰি মুখা (হাতভৰি চকু, কাণ, মুখ আদি লৰাব পৰা মুখা) আৰু ৰৰমুখা। বিভিন্ন তিথি মহোৎসৱত ভাওনাত ব্যৱহৃত হোৱা মুখা তথা কাৰু শিল্প বিলাকৰ ভিতৰত কালিয দমন নাটৰ কালিমুখা নাগ পত্নীৰ মুখা, কেলি গোপাল নাটৰ শংখচূডৰ মুখা, ৰামবিজয় নাটৰ তাৰকা মাৰীচ সুবাহু আদি ৰাক্ষস-ৰাক্ষসীৰ মুখা, নৃসিংহ যাত্রাৰ নৰসিংহৰ মুখা, ৰৰাহৰ মুখা, ভোজন বিহাৰ নাটৰ চতুর্মুখী ব্রহ্মাৰ মুখা, হাঁহৰ সম্পূর্ণ মুখা বিশেষ উল্লেখযোগ্য। সত্রত ৰাস উৎসৱৰ ৰাসলীলা অভিনযত অনন্ত নাগ কালি নাগ আৰু বিভিন্ন অসুৰৰ মুখা সঞ্চালন তথা ব্যৱহাৰ কৰা কার্য অতি চমকপ্রদ। ভাওনাত মুখাৰ বাহিৰেও নাটকৰ বিষয়বস্তুৰ লগত সম্পূর্ণ থকা বহুতো সামগ্রী ব্যৱহাৰ কৰা হয়, কাৰুকলা যুক্ত এই সামগ্রীবোৰ হ'ল পাৰিজাত বৃক্ষ, বৃন্দাবনৰ ফুল গছ, যমলার্জুন বৃক্ষ, হৰধনু আদি। বিভিন্ন সত্রত এইবিলাকৰ চর্চা তথা প্রচলন আছে যদিও পুৰণা আৰু নতুন দুই চামগুৰি সত্রত ওপৰত উল্লেখ কৰা অনুসৰি ছোঁ-মুখা তথা কাৰু শিল্পসমূহৰ বিশেষ নির্মাণ দক্ষতা আৰু ব্যৱহাৰ আছে[৪২]। মুখাসমূহ নির্মাণ কৰা হয় বাঁহ, কাঠ, বেত, মাটিৰ সাচ, ৰং-বিৰঙৰ কাপোৰ, কপাহ, মৰাপাট, পহুৰ নোম আৰু কাগজ আদিৰে।

---

৪২ চামগুৰি সত্রৰ ভৰত মহন্তৰ পৰা পোৱা তথ্য অনুসৰি।

ভাৱৰীয়াৰ বহাৰ আসনৰ ক্ষেত্রতো চৰিত্র অনুপাতে পৃথক পৃথক ব্যৱস্থা কৰা থাকে। ৰজাৰ ক্ষেত্রত জাক-জমকতাপূর্ণ সিংহাসন, দেৱতাৰ ক্ষেত্রত দেৱ আসন, আন ভাৱৰীয়াসমূহৰ ক্ষেত্রত সেইদৰে প্রভেদ অনুসাৰে উচ্চ-নিম্ন ক্রমেৰে আসনৰ ব্যৱস্থা কৰা হয়। এই আসনসমূহো কাঠ-বাঁহেৰে সত্রতে নির্মাণ কৰি উলিয়ায়। প্রয়োজন স্থলত ঢাৰি, কঠ আৰু কাপোৰ ব্যৱহাৰ কৰা হয়[৪৩]।.

ভাওনাত পোহৰৰ ব্যৱস্থা ঃ আজিৰ দৰে বিজুলীবাতি বা তেনে কোনো পোহৰৰ সুবিধা নথকাত পূর্বতে পোহৰৰ বাবে মিঠাতেলৰ মাটি চাকি, খাৰ প্রস্তুত কৰি জ্বলোৱা ভোটা, নাহৰগুটি ইত্যাদিয়েই ব্যৱহাৰ কৰা হৈছিল। ইয়াৰ ভিতৰত,

(১) স্পষ্ট দর্শনৰ বাবে — আঁৰিয়া, চৌতাৰা, ডলা চাকি

(২) পোহৰ তথা পৰিত্রতাৰ বাবে — ভোটা চাকি, মাটি চাকি, অগ্নিগড়

(৩) সৌন্দর্য সৃষ্টিৰ বাবে — মহতা, ফিৰফিৰি, ফুলজাৰি ব্যৱহাৰ কৰা হয়।

মূলতঃ পোহৰ সৃষ্টি কৰাই উদ্দেশ্য হ'লেও আধ্যাত্মিক পৰিৱেশ ৰচনাৰ প্রতিও চকু দি পোহৰৰ ব্যৱস্থা কৰা হয।

আঁৰিয়া ঃ সংস্কৃত 'আণ্ডিকা' শব্দৰ পৰা আঁৰিয়া শব্দ ওলাইছে[৪৪]। আঁৰিয়া তিনিপ্রকাৰে প্রস্তুত হয। গোটা বাঁহৰ মুৰত মৰাপাট বা ফটাকানি মেৰিযাই, সৰুসুতা মেৰিয়াই আৰু বাঁহৰ মুৰত নাহৰ গুটি ভৰাই লৈ, এই তিনিপ্রকাৰে জুই লগাই আঁৰিয়া জ্বলোৱা হয়। কাপোৰ, সুতা আৰু মৰাপাট ব্যৱহাৰ কৰোঁতে মিঠাতেলত সেই মেৰিওৱা অংশ জুবুৰিয়াই লোৱা হয়। আঁৰিযা এযোৰ থাকে। গায়ন-বাযনৰ আৰম্ভণিতে দুজন লোকে মুৰত তেৰীযা পাগ মাৰি হাতত আঁৰিয়া লৈ পৰিত্র সহকাৰে থাপনালৈ সেৱা জনাই গায়ন-বাযনৰ চেৰে-চেৰে নাচি অভিনয়ৰ শুভাৰম্ভ কৰে, লগতে অভিনয় থলী পোহৰ কৰি তোলে। বৰ ধেমালি আৰম্ভ হোৱাৰ লগে লগে আঁৰিয়া ধৰা লোক দুজন অভিনয় থলীৰ পৰা আঁতৰি যায়।

চৌতাৰা ঃ চৌতাৰা হ'ল এৰিধ ডাঙৰ আলোক শিখা। অভিনয় থলী পোহৰ কৰাকৈ নামঘৰৰ চাৰিওফালে এই শিখা আঁৰি থোৱা হয়। তৰাৰ দৰে চাৰিওফালে পোহৰ পৰে বাবে ইয়াক চৌতাৰা বোলে।

ডলাচাকি ঃ মিঠাতেলৰ সৰু সৰু চাকি জ্বলাই বৰ ডলাত থৈ নামঘৰৰ ওখ ঠাইত আঁৰি থোৱা হয।

---

৪৩ বর্তমান সত্রতো আমদানিকৃত সামগ্রী আৰু উপকৰণৰ ব্যৱহাৰ সোমাইছে যদিও প্রাচীন পদ্ধতি সম্পূর্ণ ৰূপে প্রত্যাহৃত হোৱা নাই।

৪৪ দ্র অঙ্কীযা ভাওনাৰ আলোক ব্যৱস্থা, হেমন্ত কুমাৰ শর্মাৰ পৰা পোৱা তথ্য অনুসৰি।

ভোটাচাকি ঃ কলগছৰ কমেও ডেৰ দুইহাত গুৰি এটুকুৰা গুৰু আসনৰ ওচৰত গুৰি অংশ ওপৰলৈ ৰাখি, পুতি থৈ তাতে মিঠাতেল ভৰাই কেবাডালো শলিতা এক কৰি বস্তি জ্বলোৱা হয়, সেয়ে ভোটা চাকি। এনে কলগছ আৰু মিঠাতেলৰ বস্তি ধর্মপ্রাণ ভক্তসকলে ব্রহ্মৰ প্রতীক ৰূপে বিশ্বাস কৰে। ডাঙৰ মলাতো মিঠাতেল আৰু শলিতা দি নামঘৰৰ মুখ্যস্থানত থৈ ভোটাচাকি জ্বলোৱা হয়।

মাটি চাকি ঃ মাটিৰ চাকি দুবিধ, বৰ চাকি আৰু সৰু চাকি। ডাঙৰ চাকিত তেল আৰু শলিতা দি এগছিকৈ এটা গছাত থৈ চাকি জ্বলোৱা হয়। সৰু চাকি হ'লে কেইবাগছো মাটিৰ চাকি লোৰ বা পিতলৰ খাৰু লগা গছাত থৈ জ্বলোৱা হয়। এই গছা সাধাৰণতে নামঘৰৰ খুঁটাৰ কাষতে থোৱা হয়। তেনে চাকি প্রজ্বলন কৰি নামঘৰত থকা সকলোৰে মঙ্গল কামনা কৰা অন্যতম উদ্দেশ্য।

অগ্নিগড় ঃ অভিনয় থলীৰ পশ্চিম মুৰত আচাৰ বা দোহাৰৰ কাযতে ধেনুভিৰীযাকৈ দুডাল কাঠেৰে অগ্নিগড় তৈয়াৰ কৰা হয়। কোনো কোনো স্থানত গাযন-বায়নৰ সন্মুখত ৰাখি অগ্নিগড় সজোৱা হয়। এনে অগ্নিগড পিছত তাৰপৰা আঁতৰাই নিযা হয়। আচাৰৰ কাষত থকা অগ্নিগড ভাওনাৰ আৰম্ভণিৰ পৰা শেষলৈকে থাকে। হেঙুল-হাইতাল বোলোৱা কাঠ দুডাল তোৰণ আকাৰে পুতি তাত ন-গছ মিঠাতেলৰ বস্তি প্রজ্বলন কৰা হয়। ওপৰৰ মাজ অংশত এগছ দি দুয়োফালে চাৰিগছকৈ বস্তি জ্বলোৱা হয়। ন-গছ বস্তি প্রদীপ নৱধা ভক্তিৰ প্রতীক ৰূপে ধাৰণা কৰা হয়। নাটকৰ চৰিত্রক তাৰ ভিতৰেৰে প্রৱেশ কৰোৱাটো সেইবাবে মন কৰিব লগীযা। এই কার্যৰ লগতো ভক্তিতত্ত্বৰ ধাৰণা সংযোগ কৰিব পাৰি।

মহতা ঃ যখাৰ, গন্ধক আদি সামগ্রী জ্বলাই মহতা তৈযাৰ কৰা হৈছিল। ইয়াৰ উদ্দেশ্য হ'ল, পোহৰৰ উজ্জ্বলতা আৰু চমক দুয়োটা সৃষ্টি কৰা। ভাৱৰীয়া মঞ্চত প্রৱেশ কৰাৰ লগে লগে ভাৱৰীযাৰ সন্মুখত মহতা জ্বলাই তেওঁলোকৰ মুখ ৰং-বিৰং কৰি তোলা হৈছিল।

ফিৰফিৰি ঃ বাঁহৰ চুঙাত সৰু সৰু লোৰ জোঙা কাঠি ভৰাই জুই লগাই ফিৰফিৰি জ্বলোৱা হৈছিল। ফিৰফিৰিত প্রধানকৈ জুইৰ ফিৰিঙতি ওলায। সংঘাতপূর্ণ ভয়ানক আৰু বিস্ময়কৰ পৰিৱেশ সৃষ্টি কৰিবলৈ ফিৰফিৰি ব্যৱহাৰ কৰা হৈছিল।

ফুলজাৰি ঃ সাধাৰণতে যখাৰেৰে ফুলজাৰি তৈয়াৰ কৰা হৈছিল। কথিত আছে যে মুল নাট আৰম্ভ হোৱাৰ আগত বৈকুণ্ঠ কল্পনা কৰি ফুলজাৰি জ্বলাই অভিনয় থলী পোহৰাই তোলা হৈছিল[৫৫]। ৰাম-কৃষ্ণ প্রৱেশৰ সময়ত ফুলজাৰি জ্বলোৱা অপৰিহার্য

---

৫৫ উল্লিখিত

বিষয় আছিল। ৰঙীন ফুলজাৰি সৃষ্টি কৰিবৰ বাবে মিঠা তেলৰ ডাঙৰ চাকিত হেঙুল-হাইতাল দি এই পোহৰ উলিওৱা হয়। এইদৰেই প্রাচীন পৰম্পৰাত ভাওনাৰ পোহৰৰ ব্যৱস্থা কৰা হৈছিল[৪৬]। বর্তমানে বিজুলী-বাতিৰ সুবিধা হোৱাত কেইটামান অতি প্রয়োজনীয় পুৰণি ব্যৱস্থা ৰাখি সৌন্দর্য, সংঘাত সৃষ্টি আদিৰ বাবে বিজুলী-বাতিৰ পোহৰৰ ব্যৱস্থা গ্রহণ কৰা হয়।

ভাওনাৰ বাদ্যযন্ত্র : নৃত্য-গীতৰ স্বাভাৰিক গতি অনাত বাদ্য-যন্ত্রৰ ব্যৱহাৰ প্রয়োজনীয় কথা। অংকীযা ভাওনা নৃত্য-গীতপ্রধান। নৃত্য-গীতৰ মাজেৰেহে নাটকৰ বিষয়বস্তু আগবাঢ়ে। সেয়ে অংকীয়া নাটৰ গতি ৰক্ষাত বাদ্যযন্ত্রৰ বিশেষ ভূমিকা আছে। সাধাৰণতে অংকীয়া ভাওনাত খোল-তালৰহে প্রধান ব্যৱহাৰ আছে যদিও চৰিত্রৰ বিবিধ ভাব প্রকাশৰ বাবে আৰু সংঘাত, বিস্ময, কৌতুহলপূর্ণ পৰিৱেশ সৃষ্টি কৰিবলৈ ডবা শঙ্খ, কাঁহ, বৰতাল, পাতিতাল, খেৰেঙি তাল, খুটিতাল, মঞ্জিৰা, বাঁহী, মুৰলী আদি বাদ্যৰ প্রযোগ কৰা হয। কিন্তু ভাওনাৰ প্রৱেশৰ বাজনা নৃত্য-গীতৰ বোল কেৱল খোল-তালেৰেহে সঙ্গত কৰা হয। প্রৱেশ, যুদ্ধ আদি বাজনাত অৱশ্যে ডবা, বৰতাল আদিৰো ব্যৱহাৰ কেতিয়াবা কৰা হয। গাযন-বায়নৰ আৰম্ভণিতে ডবা, কৃষ্ণ প্রৱেশৰ সময়ত ডবা, কাঁহ আৰু শঙ্খধ্বনি কৰাটো বিশেষ নিযমস্বৰূপে পালিত হৈ আহিছে। ৰাম-কৃষ্ণ প্রৱেশত, কৃষ্ণ নৃত্যত মুৰলী, বাঁহী বজোৱা হয। নাটৰ চৰিত্রৰ নৃত্যত বাঁহী বা মুৰলীও বজোৱা হয। ভাওনাত ব্যৱহৃত বাদ্যসমূহ সত্রসমূহে তৈযাৰ কৰি লোৱা ব্যৱস্থা আছিল যদিও লাহে লাহে এই শিল্পসমূহ লোপ পাবলৈ ধৰিছে। অৱশ্যে কাঠৰ বা মাটিৰ খোল নির্মাণ প্রথা সত্রসমূহত এতিয়াও চলি আছে। খোলৰ খোলা তৈয়াৰ কৰি তাত হেঙুল হাইতালৰ বোল সানি খোল চোৱাবলৈ দিয়াৰ পিছত পুনৰ খোলৰ ঘূণ লগোৱা কামো সত্রতে বৈষ্ণৱ শিল্পীসকলে নিজে কৰি লয়।

সত্রৰ ভাওনা সাধাৰণতে ৰাস, জন্মাষ্টমী, ফাকুৱা, মহাপুৰুষৰ তিথি আৰু সত্রাধিকাৰৰ তিথিত পতা নিয়ম। কোনোবাই চাউল-সিধা আগবঢ়ালে বা পালনাম-ভাওনা আগবঢ়ালেও ভাওনা অনুষ্ঠিত হয়। কোনো সত্রত চলিত সত্রাধিকাৰৰ জন্ম তিথি আৰু সত্রাধিকাৰৰ নির্মালি লোৱা উৎসৱত ভাওনা অনুষ্ঠিত হয়। সত্রত বৰসবাহ ভাওনাৰ প্রচলন নাই যদিও বর্তমানে কোনো সত্রত এনে নিয়ম প্রচলিত হৈছে।

২. নৃত্য

গীতবাদ্য নৃত্যৰ সমষ্টিগত কার্যক সঙ্গীত বোলা হয়। গীত, বাদ্য, নৃত্য আনন্দ প্রবাহক, বনৰ পশু-পক্ষীয়েও সংগীত শুনিলে হাবিৰ পৰা ওলাই আহে আৰু সংগীতৰ লহৰত

---

৪৬ দ্র উল্লিখিত

নাচে। কেঁচুৱা ল'ৰায়ো সংগীত শুনিলে কান্দোন এৰি আনন্দ ভাব প্রকাশ কৰে[৪৭]। গতিকে দেখা গ'ল যে, পৃথিৱীৰ প্রত্যেক প্রাণীতে জন্মগত নৃত্যৰ অভ্যাস আছে। হাঁহি-কান্দোনত, ভয় বিহ্বলত শৰীৰৰ অংগ-প্রত্যংগ সঞ্চালন কৰা প্রাণী মাত্রেই স্বাভাৱিক ৰীতি। অঙ্গসঞ্চালনৰ প্রণালীবদ্ধ ক্রিয়াকে নৃত্য বুলি কোৱা হয়। দেৱতাৰ ৰুচি জন্মোৱা তাল-মান, ৰসযুক্ত সুন্দৰ অঙ্গ সঞ্চালনেই নৃত্য[৪৮]। যদিও ৰস-ব্যঞ্জনা আৰু ভাব-ব্যঞ্জনা যুক্ত নৃত্যইহে ইয়াৰ প্রকৃত স্বৰূপ দাঙি ধৰে। নৃত্যত হাতেৰে অর্থ প্রদর্শন, চকু দুটাৰে মনৰ ভাব প্রকাশ আৰু ভৰিৰে তাল ৰাখিব লাগিব। য'ত হস্তৰ কাম তাতে দৃষ্টি, লগে লগে তাত মনৰ গতি, য'ত মন সংযোগ হয় তাতে থাকে ভাব, য'ত ভাব থাকে তাতে ৰস উৎপত্তি হয়। আনহাতে কেৱল তাল আৰু লয় ৰাখি অঙ্গ সঞ্চালন কৰাকে নৃত্ত বোলা হয়। কোনো বিশেষ নৃত্যৰ অর্থ বুজাবলৈ নৃত্ত কৰা নহয়। শোভা সৃষ্টিৰ বাবেই নৃত্তৰ প্রৱর্তন[৪৯]। সাধাৰণতে নৃত্য মার্গ আৰু নৃত্ত দেশী নামে প্রসিদ্ধ। হাতৰ বিবিধ ভঙ্গিমাক হস্ত, হস্তকর্ম আৰু মুদ্রা বোলা হয়। মুদ্রা শব্দৰ অর্থ কোৰক বা কলিকা, পার্চি ভাষাত মুহৰ নামে এটি শব্দ থকা পোৱা যায়। তাৰ অর্থ চিন বা চিহ্ন। হিন্দুৰ তন্ত্র শাস্ত্রতো মুদ্রা শব্দ পোৱা যায়। যাৰ অর্থ আমোদ-প্রমোদ। মুঠতে মুদ্রাৰ অর্থ হৈছে মনৰ ভাব-আনন্দ প্রকাশক ৰূপকাত্মক চিন। দেৱতাৰ পূজা-অর্চনাতো মুদ্রাৰ ব্যৱহাৰ আছে। অৱশ্যে নৃত্যত থকা তালমানৰ অপৰিহার্যতা পূজাৰ মুদ্রা ব্যৱহাৰত প্রযোজ্য নহয়। নৃত্যত ব্যৱহাৰ হোৱা হস্ত মুদ্রা তিনি প্রকাৰৰ, অসংযুক্তহস্ত, সংযুক্ত হস্ত আৰু নৃত্তহস্ত। এক হস্তৰ দ্বাৰা যি কার্যৰ অর্থ সূচিত কৰা হয় তাক অসংযুক্ত হস্ত, যিবিলাক কার্য দুই হস্তৰ দ্বাৰা সম্পাদিত হয় সেইবিলাকক সংযুক্ত হস্ত বুলি কোৱা হয়[৫০]। কিন্তু যিবিলাক হস্তৰদ্বাৰা অংগৰ লয় লাস ভাব মার্থো প্রকাশ কৰা হয়,

---

৪৭ গীতং বাদ্যং তথা নৃত্যং তৌর্য্যত্রিকমিদং মতম্।
১১০ ৩০০ ৩৩০
গীতেন হৰিণা ৰঙ্গং প্রাপুবন্ত্যপি পক্ষিণঃ।
বনাদায়ান্তি ফনিনঃ শিসরে ন ৰুদন্তি চ।।
শব্দ কল্পদ্রুম, পৃঃ ১০০১, দ্র নৃত্য, কুমুদ গোস্বামী, পৃঃ ৯

৪৮ দেৱৰুচ্যা প্রতীতো যস্তালমান ৰসাশ্রযাঃ।
সবিলসস্যো২ঙ্গ বিক্ষেপো নৃত্যমিতি উচ্যতে বুধৈঃ।।
উল্লিখিত, পৃঃ ১১

৪৯ অত্রোচ্যতে ন খল্বর্থং নৃত্তং কঞ্চিদপেক্ষতে।
কিন্তু শোভাং জনয়তীত্যতো নৃত্তং প্রৱর্তিতম্।।
ভৰতৰ নাট্য শাস্ত্র, চতুর্থ অঃ, পৃঃ ৭৬

৫০ হস্তেনৈকেন কর্মাণি যেষান্তে স্যুৰসংযুতাঃ।
যেষাং হস্তদ্বযেনৈব কর্মাণি তে তু সংযুতাঃ।
শ্রীহস্ত মুক্তাৱলী, শুভঙ্কৰ, সম্পা মহেশ্বৰ নেওগ, শ্লোক ১৩, পৃঃ ৫

আনহাতে কোনো বস্তু বাচক অর্থ প্রকাশ কৰা নহয়, তাক নৃত্ত হস্ত বুলি কোৱা হয়[৫১]। নৃত্যত হস্তপাদৰ মিলিত সঞ্চালনক কৰণ বোলে। সাধাৰণতে দুটা ভৰিৰ চালনাকে কৰণ বোলে[৫২]। দুটা কৰণ গোটাই এক নৃত্যমাতৃকা, দুই-তিনি বা চাৰিটা নৃত্যমাতৃকাত এক অঙ্গহাৰ হয। আন প্রকাৰে ছয সাত আঠ বা নটা কৰণ যুক্ত হ'লে সি হয় অঙ্গহাৰ[৫৩]। নাট্য শাস্ত্রমতে মুঠ কৰণৰ সংখ্যা ১০৮ টা আৰু অঙ্গহাৰ ৩২ বিধ। কৰণৰ লগত চাৰি প্রকাৰ ৰেচক থাকে। পাদৰেচক, কটি ৰেচক, কৰ ৰেচক আৰু কণ্ঠ ৰেচক[৫৪]। ৰেচক শব্দৰ অর্থ চলন, শৰীৰৰ অঙ্গসমূহক চলোৱা যি প্রক্রিযা। তাল-মান-লয় সঠিকভাৱে সংযুক্ত হ'লেহে নৃত্যৰ স্বৰূপ প্রকাশ পাব পাৰে।

ভাৰতীয় পুৰণি কাহিনীৰ মতে জগতৰ সৃষ্টি আৰু জগতৰ সংহাৰত কার্যভেদে শিৱই আদিতে নৃত্য কৰিছিল। শিৱৰ নৃত্যত সৃষ্টিৰ বিৰাট শক্তি, প্রলয কার্যৰ বিবিধ কার্য ভিন্ ভিন্ প্রকাৰে প্রকাশ কৰা হৈছিল। নৃত্যৰ সর্বোচ্চ গৰাকী হোৱাৰ বাবে শিৱক নটৰাজ আখ্যা দিযা হৈছে। নটৰাজ শিৱৰ যোগেদি দুই প্রকাৰ নৃত্যৰ ধাৰা প্রৱাহিত হৈছে। ক্রমে তাণ্ডৱ আৰু লাস্য। তাণ্ডব পুৰুষৰ দ্বাৰা কৰা উগ্রভাৱৰ নৃত্য আৰু লাস্য স্ত্রীৰ দ্বাৰা কৰা মৃদুভাবৰ নৃত্য। শিৱই নিজে কৰা নৃত্যৰ পৰা তাণ্ডৱ আৰু শিৱৰ লগত পার্বতীযে কৰা নৃত্যৰ পৰা লাস্যভাবৰ সৃষ্টি হয। মূলতঃ শিৱৰ পৰা তাণ্ডৱ সৃষ্টি হ'লেও শিৱই ৰেচক, অঙ্গহৰি আৰু পিণ্ডীৱদ্ধ অর্থাৎ দলৱদ্ধতা সৃষ্টি কৰি তণ্ডু মুনিক যি শিক্ষা দিলে তণ্ডুৱে ইয়াৰ সহায়ত সৃষ্টি কৰা যি গীত বাদ্যযুক্ত নৃত্য, সেইবোৰেই তাণ্ডৱ নামে অভিহিত হ'ল[৫৫]। নটৰাজ শিৱৰ তাণ্ডৱ নৃত্য ৭ প্রকাৰে বিভাজন কৰা হৈছে[৫৬]। যেনে, (১) আনন্দ তাণ্ডৱ, (২) সন্ধ্যা তাণ্ডৱ, (৩) ত্রিপূৰ তাণ্ডৱ, (৪) কালিকা তাণ্ডৱ, (৫) সংহাৰ তাণ্ডৱ, (৬) গৌৰী তাণ্ডৱ আৰু (৭) উমা তাণ্ডৱ।

আখ্যান অনুসৰি মর্ত্যত মহাদেৱে প্রথমতে তেওঁৰ প্রিয শিষ্য তণ্ডু মুনিক নৃত্য

---

৫১ নৃত্তমাত্রস্থিতা যেতুন কিঞ্চিদ্বস্তু বাচকাঃ।।
অঙ্গহাৰেণ সহিতা নৃত্তহস্তাস্তু তেমতাঃ।।
উল্লিখিত, শ্লোক ১৪, পৃঃ ৫

৫২ হস্তপাদ সমাযোগো নৃত্তস্য কৰণং ভবেৎ। দ্বিপাদ ক্রমেণ যত্তু কৰণং নাম তদ্ভৱেৎ।
ভৰতৰ নাট্যশাস্ত্র, চতুর্থ অধ্যায-একাদশ অধ্যায, পৃঃ ৪৭

৫৩ উল্লিখিত, পৃঃ ৪৭, ৪৮

৫৪ পাদৰেচক একঃ স্যাৎ দ্বিতীয কটিৰেচকঃ
কৰৰেচক স্তৃতীয়স্তু চতুর্থঃ কণ্ঠ ৰেচকঃ।।
উল্লিখিত, পৃঃ ৭৪

৫৫ উল্লিখিত, পৃঃ ৭৬

৫৬ নৃত্য, কুমুদ গোস্বামী, পৃঃ ১৩

শিক্ষাৰে শিক্ষিত কৰি তুলিলে। তণ্ডু মুনিৰ পৰা ভৰতাদি মুনিযে তাণ্ডৱ নৃত্য শিকিলে। ভৰত মুনিযেই গীত-নৃত্য সম্বলিত অভিনযৰ বিষয়ে নাট্যবেদ ৰচনা কৰিলে। আনহাতে পার্বতীয়ে বাণৰ জীযাৰী,উষাক লাস্য নৃত্যৰ প্রথম শিক্ষা দিয়ে। ইয়াৰ উপৰিও শ্রীকৃষ্ণৰ ৰাসনৃত্য আৰু বৃন্দাবনত গোচাৰণৰ কালত কৰা বিবিধ নৃত্যৰ প্রসংগও ভাৰতীয নৃত্য পৰম্পৰাৰ লগত সংযুক্ত কৰা হয়। ভাগৱত পুৰাণত কৃষ্ণই উদ্ধৱক কৈছে ঃ

মজ্জন্মকর্মকথনং মম পর্বানুমোদনম্।
গীত তাণ্ডৱাদিত্র গোষ্ঠীভিঃ মৎ গৃহোসৱঃ[৫৭]।।

অর্থাৎ মোৰ জন্ম-কর্মাদিৰ লীলা কথন, মোৰ পর্বদিনত শ্রদ্ধা প্রদর্শন কৰিবলৈ সপৰিয়ালে গীত, বাদ্য, নৃত্যাদিৰে মোৰ মন্দিৰত উৎসৱ কৰিব।

ধর্মৰ লগত নৃত্যৰ ওতঃপ্রোত সম্বন্ধ আছে। এই কথা ৰামাযণ, মহাভাৰত, ভাগৱত পুৰাণ আদি গ্রন্থ আৰু ভাৰতীয প্রাচীন মঠ-মন্দিৰবোৰে পৰিচয দি আহিছে। ভাৰতীয সংস্কৃতিৰ আকৰ স্বৰূপ বিবিধ ধর্মীয় মন্দিৰৰ বেৰত শিৱৰ নটৰাজ মূর্তি, শ্রীকৃষ্ণৰ দশাৱতাৰ মূর্তি, ৰাধাকৃষ্ণৰ যুগল মূর্তি আদি অংকন কৰা দেখিবলৈ পোৱা যায়। নৃত্যৰ ভঙ্গিমাত থকা এই মূর্তিবিলাকৰ উপৰিও গন্ধর্ব-অপ্সৰাসকলে কৰা বিবিধ ভঙ্গিমা মন্দিৰৰ গাঁঠনিবিলাকত অংকন কৰা দেখা যায়। উদ্ধাৰ হোৱা শিলালিপিবোৰেও ইযাৰ পৰিচয দাঙি ধৰে। একোটা ধর্ম মন্দিৰত এনে প্রতিচ্ছবি থকাৰ উপৰিও ধর্ম মন্দিৰৰ উপাসনাত নর্তক-নর্তকীসকল প্রত্যক্ষভাৱে জড়িত থকাৰ প্রাচীন ইতিহাস আছে। দেৱতাৰ সন্তুষ্টিৰ বাবে উপাসনাত নৃত্য-গীত প্রধান মাধ্যমৰূপে লোৱা হৈছিল। সেই কর্মত নিয়োগ কৰিবলৈ আৱশ্যকীয় শিক্ষাদান কৰা হৈছিল। দেৱতাৰ উদ্দেশ্যে নিজৰ জীৱন উৎসর্গা কৰি সেই কর্মত নিয়োজিত হোৱা কুমাৰী সকলক দেৱদাসী আখ্যা দিয়া হৈছিল। মন্দিৰৰ উপাসনাত উৎপত্তি হোৱা এই দেৱদাসী নৃত্যৰ পৰাই ভাৰত নাট্যম নৃত্যৰ বিকাশ ঘটিছিল। এনেদৰে ধর্মীয অনুষ্ঠানৰ লগত জড়িত ভাৰতীয় অনেক নৃত্য অনুষ্ঠানৰ কথা পোৱা যায়। তাৰ পিছত উত্তৰ ভাৰতৰ কথক, জগন্নাথ ক্ষেত্রৰ ওদিছি, দক্ষিণ ভাৰতৰ কথাকলি, ভাগৱত মেল, যক্ষগান, কুট্টু আদি উল্লেখযোগ্য নৃত্য-নাট্য অনুষ্ঠান। ভাৰতীয সংস্কৃতিৰ বুকুত থকা অসম বর্ণাঢ্য নৃত্য-গীতৰ ভঁৰাল স্বৰূপ। অসমৰ নৃত্য পৰম্পৰাৰ কথা ক'বলৈ যাওঁতে আদিতে লোক নৃত্যৰ কথাই উল্লেখ কৰিব লাগিব। সেই নৃত্যবোৰ হ'ল বিহু নৃত্য, কামৰূপী ঢুলীয়া নাচ, দেওধ্বনি নৃত্য ইত্যাদি। অভিনয় ধর্মী নৃত্য হ'ল শুকনাম্নী ওজা, ব্যাহৰ ওজা আৰু দেৱদাসী নৃত্য।

নৃত্যসম্বলিত নাট্য ধর্মী অনুষ্ঠানৰ ভিতৰত আৰু দুটি অনুষ্ঠানৰ কথা পোৱা যায়।

---

[৫৭] শ্রীমদ্ভাগৱতম্ (সং), সম্পা পঞ্চানন তর্কৰত্ন ১১/১১/৩৬

সেয়া হ'ল গোৱালপাৰৰ কুশাণ গান আৰু ভাৰী গান। অসমৰ আটাইতকৈ প্রাচীন নাট্য অনুষ্ঠান হ'ল পুতলা নাচ। ওজাপালি কোনো বিশেষ উপলক্ষ্যত আয়োজিত হয়। দেৱদাসী নৃত্য মন্দিৰৰ পূজা উপাসনাৰ লগত জড়িত। অসমৰ চাৰিঠাইৰ মন্দিৰৰ লগত এই নৃত্যৰ সম্বন্ধ আৰু প্রাক আৰ্হি পোৱা যায়। শোণিতপুৰৰ বিশ্বনাথ শিৱ মন্দিৰ, দেৱগাঁৱৰ নেঘেৰিটিং শিৱমন্দিৰ, কামৰূপৰ ডুবিৰ শিৱমন্দিৰ হাজোৰ মাধৱ মন্দিৰত দেৱদাসী নৃত্যৰ প্রচলন আছিল। এই নৃত্য পটিয়সীসকলে দেৱতাৰ নামত জীৱন উৎসর্গা কৰি সংসাৰ জীৱন যাত্রাৰ পূর্ণ মর্যাদাৰ পৰা বঞ্চিত হ'ব লগা হৈছিল। এই দেৱদাসী নৃত্য বর্তমানে লোপ পাইছে। বৈষ্ণৱ ভক্তি আন্দোলনৰ পটভূমিত সৃষ্টি হ'ল সত্রীয়া নৃত্য।

মানৱ জীৱন সফল কৰাৰ উদ্দেশ্যে ইষ্ট দেৱতাৰ সন্মুখত নৱধা ভক্তিৰ আচৰণ কৰা যি উপাসনাৰ ক্রম তাৰ ভিতৰত দেৱতাৰ প্রিয় আঙ্গিক আৰাধনাই ঠাই পালে সত্রৰ নামঘৰত। আঙ্গিক আৰাধনাৰ ভিতৰত সত্রীয়া ভাওনা আৰু নৃত্য-গীত উল্লেখনীয়। ভাৰতীয় শাস্ত্রীয় নৃত্যৰ চানেকি শাস্ত্রীয় হস্ত মুদ্রা বিবিধ অঙ্গচালনাৰ ৰীতি আৰু থলুৱা নৃত্যৰ উপাদানসমূহ আগত লৈ মহাপুৰুষ শ্রীমন্তশঙ্কৰদেৱে মৌলিক সৃষ্টিৰে অসমত সত্রীযা নৃত্যৰ পাতনি মেলিলে। এই সৃষ্টিত পূর্ণ সঁহাৰি জনাই মহাপুৰুষ শ্রীশ্রীদামোদৰদেৱ আৰু শ্রীশ্রীমাধৱদেৱে সত্রীযা নৃত্যৰ সংখ্যা পৰিৱর্ধন ঘটালে।

সত্রীযা নৃত্য ঘাইকৈ দুইপ্রকাৰৰ, প্রথমটি হ'ল, সত্রৰ নিত্য প্রসঙ্গত ব্যৱহৃত আৰু দ্বিতীয়টি হ'ল নৈমিত্তিক পর্ব-উৎসৱ উপলক্ষ্যে ব্যৱহৃত নৃত্য। এই উভয় নৃত্যৰে মূল উদ্দেশ্য হ'ল ভগৱানৰ গুণ, লীলা, নৃত্যৰ মাধ্যমেৰে ভগৱানৰ উদ্দেশ্যে নিৱেদন কৰা। একোখনি সত্রত ভগৱত উপাসনাৰ বাবে পূজা অর্চনাৰ বাহিৰেও আৰু ছয় প্রকাৰৰ ব্যৱস্থা গ্রহণ কৰা হয়। সেয়া হ'ল কীর্তন, পদ পাঠ, ব্যাখ্যা, নৃত্য-গীত, বাদ্য ধ্বনি আৰু অভিনয়। ইয়াৰ ভিতৰত আঙ্গিকাভিনয় যুক্ত হৈ থকা নৃত্য-গীত সত্রীয়া সংস্কৃতিৰ অত্যাৱশ্যকীয় অঙ্গ। আধ্যাত্মিকভাবক মূল সম্বল স্বৰূপে লৈ সত্রতে চর্চা আৰু অনুশীলন কৰি ভগৱৎ সন্তুষ্টিৰ অর্থে সত্রৰ নিত্য-নৈমিত্তিক অনুষ্ঠানৰ অংগ হিচাপে যি নৃত্য পৰিৱেশন কৰা হয়, বুৎপত্তিগত অর্থত তাকেই সত্রীযা নৃত্য বোলা হৈছে। ব্যুৎপত্তিগত অর্থ আৰু ব্যৱহাৰিক দিশৰ প্রতি লক্ষ্য ৰাখি গায়ন-বায়ন, ওজাপালি, নটুৱা, ঝুমুৰা, চালি অঙ্গৰা, নাদুভঙ্গি, মানচোক, ভোৰ তাল নৃত্য আদি ইয়াৰ অন্তর্ভুক্ত নৃত্যস্বৰূপে চিহ্নিত হৈছে। ইয়াৰ লগতে অংকীয়া ভাওনাৰ পৰা উলিযাই আনি পৰিৱেশন কৰা সূত্রধাৰ নৃত্য, বেহাৰ নাচ, গোসাঁই প্রৱেশৰ নাচ, গোপী প্রৱেশৰ নাচ সন্নিৱিষ্ট হৈছে। ইয়াৰ উপৰিও ভাওনাত ব্যৱহৃত ভাৰৰীযাৰ প্রৱেশ, যুদ্ধৰ নাচ আদিও সত্রীয়া নাচৰ অন্তর্ভুক্ত। ইয়াৰ ভিতৰত সত্রত প্রধানতঃ নিত্য প্রসঙ্গত গায়ন-বায়ন আৰু ওজাপালিহে

ব্যৱহৃত হয়। বাকী সমুদায় নৃত্য নৈমিত্তিক পর্ব বা উৎসৱ উপলক্ষ্যেহে পৰিৱেশন কৰা হয়। প্রসঙ্গত ব্যৱহৃত গায়ন-বায়ন আৰু ওজাপালি অৱশ্যে গীতৰ প্রাধান্যৰেহে প্রসঙ্গৰ কার্য সম্পন্ন হয়। সাধাৰণেত দুজন এজন ব্যক্তিয়েই ভক্তিভাৱেৰে গায়ন-বায়ন, ওজা আদিৰে নিত্য প্রসঙ্গ সমাপণ কৰি নৱধা ভক্তিৰ অন্তর্গত উপাসনাৰ বন্দন পর্ব সম্পন্ন কৰে। আনুষ্ঠানিক পৰিৱেশৰ মাজত বিভিন্ন উৎসৱত উত্থাপিত হোৱা নৃত্যসমূহ কেৱল ভক্তি ৰসতেই সীমাৱদ্ধ হৈ নাথাকে। বিষয় বস্তু প্রকৃত সাজত সজাবলৈ নৱৰসৰ সমাৱেশ ঘটে। প্রত্যেক সত্রীয়া নৃত্যৰ লগত গীতৰ সম্পর্ক থাকে। কৃষ্ণৰ গুণলীলা বর্ণনা সত্রীয়া গীতৰ মূল বিষযবস্তু।

ওজাপালি ঃ ওজাপালি দুটা শব্দৰ সমষ্টি, ওজা আৰু পালি। ওজা শব্দটো সংস্কৃত উপাধ্যায় শব্দৰ পৰা ওলাইছে। ওজা শব্দৰ অর্থ ব্যাপক। ওজা বুলি ক'লে শিক্ষক-আচার্য্য, পটুকর্মী আবৃত্তিকাৰক, প্রধানলোক, গ্রাম্য চিকিৎসক, নির্দিষ্ট বাদ্যপটুলোক, সত্রীয়া সঙ্গীতৰ সুদক্ষ সঙ্গীতজ্ঞৰ কথা বুজায। অসমৰ ওজাপালি অনুষ্ঠানৰ ওজাজন প্রধান দলপতি। ওজাপালি দলটোৰ ওজা হ'ল প্রধান গাযক বা আবৃত্তিকাৰক। পালি শব্দটো সংস্কৃত পালিত বা পালি শব্দৰ পৰা অহা। অসমৰ ওজাপালি কথাশৈলীত যিসকলে প্রধান গায়ক অর্থাৎ ওজাৰ সহায়ক বা সহকাৰী হিচাপে কাম কৰে সেই সকলক পালি বোলা হয। এই দুটা শব্দই ওজাপালি শৈলীৰ মূলৰূপ দাঙি ধৰে[৫৮]। ওজাপালি দৃশ্য আৰু শ্রব্য মূলক অনুষ্ঠান। ওজাপালিত তিনিজনৰ পৰা সাতজনলৈকে গাযক থাকে। প্রধান গায়ক অর্থাৎ ওজাই নৃত্যগীত আৰু মুদ্রাৰে পৌৰাণিক কথাৰ আবৃত্তি কৰে আৰু পালিসকলে খুটিতাল বজাই ভৰিৰে তাল ধৰি গীতৰ ধুৰাটো দোহাৰি যায়। ওজাপালিত পাঁচোটা অঙ্গ থাকে। যেনে, মালিতা, ৰাগ, দিহা, বাণী আৰু থোকা। সেইদৰে তালৰো পাঁচটা ভাগ আছে। সেয়া হ'ল, চাবতাল (একতাল), জিকৰি তাল, চৌতাল, লেছাৰি তাল আৰু থোকা তাল। এইকেইখন তালকেই ওজাপালি অনুষ্ঠানৰ নৃত্য-গীতত ব্যৱহাৰ কৰা হয়। ওজাপালিৰ সাজ-পোছাক হ'ল এনে ধৰণৰ, ওজাৰ ধূতী পাট বা মুগাৰ, চোলা সিংখাপ, পাটৰ আৰু জালিকটা কাপোৰৰ। গুণাফুলীয়া পাটৰ চাদৰ, মূৰত বগা কাপোৰৰ জোঙা পাগ। পাগৰ মাজত খোপা। কাণত উণ্টি, ডিঙিত মতা মণি, হাতত গামখাৰু (শিৰ উঠা মতা গামখাৰু)।

ওজাপালি অনুষ্ঠান অসমত আনুমানিক দ্বাদশ শতিকাৰ পৰাই প্রচলিত হৈ আহিছে। বিশেষকৈ চতুর্দশ শতিকাত কমতা আৰু কোঁচ ৰজাৰ পৃষ্ঠপোষকতাত ইয়াৰ ব্যাপক

---

[৫৮] Bhrigu Mohan Goswami, A Study of the Ojapali Art form of Assamese, p 12-13

প্রচাৰ ঘটে। ৰজাসকলে মনসা পূজা পাতোঁতে ওজাসকলৰ যোগেদি মনসা মাহাত্ম্যৰ নৃত্য-গীত পৰিৱেশন কৰায। আনটো ভাগ ব্যাহৰ ওজাপালি পঞ্চদশ শতিকাৰ পৰা সত্রত মহাপুৰুষসকলৰ প্রচেষ্টাত প্রসাৰ লাভ কৰে। শঙ্কৰদেৱৰ সময়তে ব্যাহ গোৱা ওজা প্রচলন হোৱা আৰু ৰামৰাম গুৰুৱে কংস বধ পদ গোৱাৰ কথা গুৰু চৰিত কথাত উল্লেখ আছে[৫৯]। ব্যাহৰ ওজাপালিত আৰু দুটি ভাগ আছে, (১) ওজা পাঞ্চালী আৰু (২) ওজা দুলডীৰ গান।

সমালোচকসকলে পাঞ্চালী শব্দৰ অর্থ বিভিন্ন প্রকাৰে কৰিছে যদিও সত্রত ব্যৱহৃত পাঞ্চালী কার্যৰ যোগেদি এই অর্থ বুজোৱাৰ প্রযাস কৰা হয। পাঞ্চ আৰু চালি এই দুই শব্দৰ পৃথক পৃথক অর্থ আছে। পাঞ্চ (পাঁচ) প্রকাৰৰ নৃত্যগীত, চালি উলহ-মালহৰ পৰিৱেশ। অর্থাৎ ময়ূৰে চালি ধৰি আনন্দ কৰাৰ দৰে গাযক-বাযকে উলাহ উদ্দীপনাৰে কৰা বিবিধ চালনৰ নৃত্য। এই অনুষ্ঠানত বিশেষকৈ পঞ্চ শব্দৰ তিনি প্রকাৰৰ সমাহাৰ ঘটিছে। প্রথম পাঁচ অধ্যাযৰ গীত গোৱা প্রথা, দ্বিতীযতে পঞ্চতাল যুক্ত গীত পাঞ্চালিত পৰিৱেশন কৰা হয, তৃতীযতে পাঁচ প্রকাৰৰ চালি থাকে। পাঁচ প্রকাৰৰ চালি হ'ল, (১) আৱাহনী চালি (ধৰণ) — য'ত গাযক-বাযকে আৰম্ভণি ঘাতেৰে অনুষ্ঠানৰ পাতনি মেলে, (২) ৰাগৰ চালি — গাযকে ৰাগ-শ্লোকেৰে ইষ্ট দেৱতাক প্রণাম জনাই গীতৰ পৰিৱেশ সৃষ্টি কৰে, (৩) গীতৰ চালি-উলাহ নৃত্যগীত আৰম্ভ হয। (৪) উদা চালি-মন্থৰ গতি। (৫) খৰ চালি — নৃত্য-গীতৰ তীব্র গতি। পাঞ্চালী অনুষ্ঠানত এজন শিৰগাযক থাকে, বাকীসকল সহাযক। পাঁচোটা অধ্যায় বা পাঁচটা গীত গোৱাৰ কাৰণে দুজনো শিৰগাযক হ'ব পাৰে, কিন্তু তেওঁবিলাকে পৃথকে (অকলশৰীযাকৈ) গীত পৰিৱেশন কৰা নিযম। এজনে এটা গীত শেষ কৰাৰ পিছত আনজন সেই স্থানলৈ আহে। এনেকৈ গীত পৰিৱেশন কৰোঁতে বাকীসকল ওজা গাযকে দোহাৰত থাকি সহায কৰে। পাঞ্চালী অনুষ্ঠানত ওজাসকলৰ ভিতৰতেই চাৰি জন বাযন সৃষ্টি কৰা হয়। আৰম্ভণিতে সকলো থিয়হৈ আৱাহনী ধৰণ আৰু ৰাগ সম্পন্ন কৰে। গীত আৰম্ভৰ লগে লগে মূল গাযকৰ বাহিৰে সকলো বহি গীত পদ দোহাৰি যায়। গীতত দুজন বাযন থিয় হৈ থাকে। বিশেষকৈ থিয় হৈ থকা গাযক বাযকেহে চালিৰ পৰিৱেশ (উলাহ উদ্দীপক ভঙ্গী) সৃষ্টি কৰে। ওড়া চালি পৰাৰ লগে লগে মুখ্য গাযকে বাওঁহাতত বগা চোঁৱৰ আৰু সোঁ হাতত মঞ্জিৰা লৈ এহাতেই মঞ্জিৰা বজাই নৃত্য কৰি গীত গায়। সাধাৰণতে তাল ব্যৱহাৰ কৰা হয়, একতাল, মগলু, চুতা যৌতি, পৰিতাল। হাতত চোঁৱৰ

---

[৫৯] মহেশ্বৰ নেওগ, গুৰু চৰিত কথা, পৃঃ ৬২

লোৱাৰ এক আধ্যাত্মিক তাৎপর্য আছে। চোঁৱৰৰ আন এটি শব্দ চামৰ। আধ্যাত্মিকভাবত চামৰ শব্দত যশস্যা অর্থাৎ ভগৱানৰ যশস্যা বিয়পোৱা ভাব আৰোপ কৰা হয়। এই অর্থতেই পাঞ্চালীৰ ওজাসকলে নৃত্য-গীতত চোঁৱৰ ব্যৱহাৰ কৰি ভগৱৎ বন্দনাৰে গুণ-যশৰাশি প্রচাৰ কৰাৰ চেষ্টা কৰে। ইষাৰ বাবে চুঁৱৰী পহুৰ চোঁৱৰহে পৱিত্র বুলি গণ্য কৰা হয। এই উদ্দেশ্যে চুঁৱৰী পহু নিধন কৰাৰ কথা পোৱা যায়[৬০]। সুশীতল বায়ু প্রৱাহক, যশস্যা বর্দ্ধক চোঁৱৰ ওজাসকলে ব্যৱহাৰ কৰি এক পৱিত্র অনুষ্ঠানৰ কার্য সম্পাদন কৰে। এই অনুষ্ঠান আউনীআটী সত্রত বিশেষভাৱে প্রচলিত। বিশেষ নৈমিত্তিক পর্ব উপলক্ষ্যে এই অনুষ্ঠান অনুষ্ঠিত হয়। পাঞ্চালীত ওজাৰ সাজ-পোছাক গায়ন-বায়নৰ সাজ-পোছাকৰ দৰে। ওজাৰ দুলড়ী গান, ব্যাহৰ ওজা পালি অনুষ্ঠানৰ দৰে একেই। ইয়াত ওজাৰ সৈতে পালিসকলেও ওজাক আগত লৈ নৃত্য কৰে। ঘাইকৈ এই অনুষ্ঠানৰ গীত দুলডী ছন্দত গোৱাৰ কাৰণে এই অনুষ্ঠানক ওজাৰ দুলডী বোলা হয। মূল ওজাৰ সাজ-সজ্জা ব্যাহৰ ওজাপালিৰ দৰে। বাকী পালিসকলৰ সজ্জা গায়ন-বায়নৰ সাজ-পোছাকৰ দৰে।

গায়ন-বায়ন ঃ মূল খোল আৰু তাল বাদ্যক লৈ গঠিত গায়ন-বাযনৰ দলটি। খোলেৰে বিভিন্ন বোল পৰিৱেশন কৰাজনক বায়ন আৰু বোলৰ লগত তাল-মান ৰক্ষা কৰি গীত পৰিৱেশন কৰা জনক গায়ন আখ্যা দিয়া হয়। গায়ন-বাযন দুই প্রকাৰৰ। নিত্য-নৈমিত্তিক প্রসঙ্গৰ লগত যুক্ত আৰু অঙ্কীয়া ভাওনাত থকা গায়ন-বায়ন। গায়ন-বায়নৰ অন্তর্ভুক্ত ধেমালি সাধাৰণতে ভাওনাৰ পূর্ব কার্য হ'লেও বিহু পর্ব, ফাকুৱা, ৰাস, মহাপুৰুষসকলৰ তিথি, সত্রাধিকাৰৰ তিথিত, দুই এখন ধেমালি পৰিৱেশন কৰে। কমলাবাৰী সত্রকেইখনত এই ৰীতি বিশেষভাৱে প্রচলিত। ওপৰত উল্লেখ কৰা এনে উৎসৱ পর্বত দিনৰ সবাহ উপলক্ষ্যে আউনীআটী, দক্ষিণপাট, গড়মূৰ, কুৰুৱাবাহী আদি সত্রত নির্দিষ্ট প্রসঙ্গীয়া বাজনা ব্যৱহাৰ কৰে। গায়ন-বাযনৰো আন এটি ভাগ আছে, গায়নৰ পাঞ্চালী, ওজা পাঞ্চালীৰ সৈতে গঠন পদ্ধতি একে।

সাধাৰণতে গাযন-বায়নৰ সাজ গন্ধর্ব বিদ্যাধৰ বেশত কল্পনা কৰি সজোৱা হয[৬১]।

---

৬০ চর্ম্মণি দ্বীপিনং হন্তি
দন্তযোর্হন্তি কুঞ্জরম্।
কেশেষু চমরীং হন্তি।
সীম্নি পুন্নলকো হতঃ।।
মহাভাষ্য, ২/৩/৩৬

৬১ দ্র ভাওনা ৭০১

আউনীআটী সত্রৰ দিনৰ সবাহত পৰিৱেশন কৰা গাযন-বায়নৰ সাজ হ'ল এনে ধৰণৰ, মুগা পাটৰ বা কপাহী ধুতি, হাতকটা বুকুফলা চোলা, গুণা ফুলীয়া চেলেং চাদৰ, মুৰত কেৱল বগা পাগ।

গাযন-বায়নৰ বাজনা (বোল) কিছু সত্র ভেদে পৃথক পৃথক। কমলাবাৰী সত্র কেইখনত গাযন-বাযনৰ বাজনা অংকীযা বাজনা ভিত্তিক। ৰজাৰ পৃষ্ঠপোষকতা পোৱা সত্রবিলাকত অঙ্কীয়া বাজনাৰ উপৰিও হাজোৱলীযা, বঙলুৱা বাজনা ৰজাৰ আগ্রহত সোমাই পৰে। প্রধানতঃ হাজোৰ পৰা অহাৰ কাৰণে হাজোৱলীযা, অংকীযা আৰু হাজোৱলীয়া বাজনাত আন বাজনাৰ প্রভাৱ পৰাৰ ফলত বিবিধ সংমিশ্রণ ঘটি হোৱা অর্থত বঙলুৱা শব্দ প্রযোজিত হৈ আহিছে।

নটুৱা নৃত্য ঃ সাধাৰণ অর্থত সত্রীযা নৃত্যৰ প্রাযবোৰ নর্তককে নটুৱা আখ্যা দিয়া হয় যদিও আউনীআটী সত্র আদিত বিশেষভাৱে প্রচলিত এবিধ নটুৱা নৃত্য আছে। এই নটুৱা নৃত্যৰ আর্হি হাজোৰ হযগ্রীৱমাধৱ মন্দিৰত থকা দেৱদাসী নৃত্যৰ পৰাই অহা। নির্দিষ্ট তিথিৰ উৎসৱ পর্ব উপলক্ষ্যে দিনৰ গাযন-বায়ন অনুষ্ঠানৰ মাজত এই নৃত্য পৰিৱেশন কৰা হয। দেৱদাসীৰ আর্হিৰ এই নৃত্য পোন প্রথমে দামোদৰদেৱে প্রৱর্তন কৰি সত্রত বিশেষভাৱে প্রচলন কৰাইছিল। কথা গুৰু চৰিতৰ মতে[৬২] মাধৱদেৱে এদিন উদাসীন বৈষ্ণৱৰ দ্বাৰা এনে আর্হিৰ নৃত্য পৰিৱেশন কৰাওঁতে স্ত্রী-পুৰুষ প্রমাণত বাক-বিতণ্ডাৰ সৃষ্টি হয। মাধৱদেৱে স্ত্রীৰ দ্বাৰা নৃত্য নচুৱাই'ব্যভিচাৰ আনিছে বুলি ঈর্ষা পৰাযণ লোকে ৰজাৰ ওচৰত অভিযোগ অনাত পুৰুষৰ দ্বাৰা নৃত্য কৰোৱাৰ প্রমাণ কৰি মাধৱদেৱে তেতিয়াৰ পৰাই সেই নৃত্যৰ বাবে সুকীয়া সাজ সৃষ্টি কৰিলে। প্রকৃতিৰ সাজত নটুৱাৰ ৰূপ দিলেও ওপৰলৈ চুলি বান্ধি বুকুত পেটা বান্ধনী মাৰি নটুৱাক পুৰুষ নৃত্যকাৰক বুলি চিনাকী কৰি দিযা হ'ল। কৃতাঞ্জলি পুতেৰে সংযুক্তহস্তমুদ্রা প্রযোগ কৰি নটুৱা নাচৰ আৰম্ভণি কৰা হয আৰু উৰা চালিৰে এই নাচৰ সামৰণি ঘটোৱা হয়। এই নাচত চালনি সৰকা আঁঠুলন, ঠিয়লন, চিৎখৰ, ওলোটাখৰ, কাতিখৰ আদি বিশেষ আলঙ্কাৰিক দিশ। নটুৱা নাচত ব্যৱহাৰ কৰা সাজ হ'ল এনে ধৰণৰ, ওপৰলৈ বন্ধা চুলিৰ ওপৰত মুখ মণ্ডল ঢকা ওৰণা, বগা বুকু চোলা, বুকুত কপাহী কাপোৰৰ পেটা বান্ধনী, বান্ধনীৰ

---

৬২ গৈ ৰজাত খল দিলে বোলে বাউসীত এজন মহাজন আছে। নামত মাধও ৰূপে সুৱর্ণে এটা গৃহ কৰি জৌৱন স্ত্রীনচাই সাৱটি সভাতে লয।

০০০ ০০০ ০০০

গুৰুজনে বাধা নাচ নাচিব দিলে নাচিচেহি তাৰে এটি ধৰা আনি চালে। দেখে কাঠৰ তন খোপা গমচাৰ, স্ত্রী নহই। কথা গুৰু চৰিত, পৃঃ ৩৫৪, ৩৫৫

ওপৰত বুকুবৰী[৬৩] সৰু গাঁঠিলৈকে পৰা ঘুৰি, কঁকালত মেখলা, হাতত গামখাৰু, মণি-মালা আদি। নটুৱা নৃত্যত ভগৱত বন্দনাসূচক নির্দিষ্ট গীত আৰু বৰগীত পৰিৱেশন কৰা হয।

ঝুমুৰা ঃ এই শব্দটিৰ মূল হিচাপে নির্দিষ্টকৈ ঠাৱঁৰোৱা টান। তথাপি উত্তৰ ভাৰতৰ চাওঁতালী নাৰীয়ে মণ্ডলাকাৰে কৰা নৃত্য গীতক ঝুমুৰা বোলা হৈছিল। আনফালে প্রাচীন অসমীযাত ঝুমুৰী নামৰ এটা অষ্টাক্ষৰী ছন্দৰ প্রযোগ দেখা যায। মুঠতে ঝুমুৰ বুলি ক'লে বিশেষকৈ জুম বান্ধি মণ্ডল আকাৰে কৰা নৃত্য-গীতকে বুজোৱা হৈছিল। উত্তৰ ভাৰতত সংলিনিকৈ থকা এই নৃত্য বিশেষকৈ স্ত্রী প্রধান আৰু আদি ৰসাত্মক, কিন্তু ঝুমুৰ শব্দৰ উৎপত্তি সেইবিলাকৰ পৰাই হ'লেও অসমৰ সত্রীযা ঝুমুৰা এই নাচৰ স্রষ্টা মাধৱদেৱ। মাধৱদেবৰ ৰাস ঝুমুৰা আৰু চোৰধৰা ঝুমুৰাৰ পৰাই এই নৃত্য ওলাই আহিছে। ঝুমুৰা নাচৰ পাত্র বিশেষকৈ বালক নর্তক, যাক নটুৱা আখ্যা দিযা হৈছে। ঝুমুৰা নাচৰ সাজ-পাৰত নটুৱাই গাযনৰ দৰে মূৰত জোঙা কাপোৰৰ পাগুৰি মাৰে।

শিৰৰ ওপৰত পাগুৰিৰ মাজত চুলিৰ খোপা থাকে। গাত জালি কটা ফুলৰ বুকুচোলা, কঁকালত বগা কাপোৰৰ লহঙা তাৰ ওপৰত ফুলাম টঙালি, ডিঙিত মতামণি, হাতৰ মুঠিত আৰু বাউসীত বাজু, ভৰিত নূপুৰ। ঘাইকৈ ঝুমুৰা নাচত বৰগীত পৰিৱেশন কৰা হয়। ঝুমুৰা নাচৰ মূল উদ্দেশ্য ভগৱানক নৃত্যৰ মাধ্যমেৰে উপাসনা কৰা। এই নৃত্য নৈমিত্তিক নির্দিষ্ট পর্বত পৰিৱেশন কৰা হয'। যেনে, শঙ্কৰ-মাধৱৰ তিথি উপলক্ষ্যে।

চালি ঃ সত্রীযা নৃত্যৰ এটি বৈশিষ্ট্যপূর্ণ নৃত্য হ'ল চালি নৃত্য। নাচৰ মূল উদ্দেশ্য মোহনীয ৰূপৰ সাজেৰে আনন্দোৎসাহ সঞ্চাৰ কৰোৱা। স্ত্রীৰ ভূমিকাত এই নৃত্যৰ উদ্দেশ্য প্রকাশ কৰা হয। ই শৃঙ্গাৰ ৰসৰ অন্তর্ভুক্ত লাস্য প্রধান নৃত্য বিশেষ। নাচৰ বিষয বস্তু আৰু চালি শব্দৰ ব্যুৎপত্তিগত অর্থই ইযাৰ আঁত মযূৰৰ চালি ধৰাৰ পৰাই আহিছে বুলি ধৰিব পাৰি। যি নাচৰ চানেকি আনন্দোৎসাহৰে বৈকুণ্ঠলৈ যাওঁতে নাৰদে কৰা নৃত্যত, হৰক মুহিবৰ সমযত মোহিনীৰ নৃত্যত আৰু বৃন্দাবনত শ্রীকৃষ্ণৰ দ্বাৰা গোচাৰণৰ মুহূর্তত কৰা নৃত্যত পোৱা যায। এই উচ্চ নির্দেশৰ সমন্বযতে শঙ্কৰদেৱে সত্রীযা চালি নাচৰ জন্ম দিলে। চালি নাচ সত্রত মহাপুৰুষৰ বিশেষ তিথি উপলক্ষ্যে পৰিৱেশন কৰা হয।

চালি নাচৰ সাজ-পোছাক গোপীৰ সাজ। চুলি মূৰৰ ওপৰত বান্ধি ওৰোণাৰে ঢাকি মুখখন উলিযাই ৰখা হয। গাত বুকু ফলা চোলা, এই চোলা সিংখাপৰ, মখমলৰ

---

৬৩ আদিতে বুকুত ৰূপৰ চিতি-পাতি ব্যৱহাৰ কৰিছিল। চিতি পাতিৰ অভাৱত বুকুবৰী ব্যৱহাৰ হ'ল। বুকুবৰী মখমল কাপোৰত গুণা চমকীৰ কাম কৰা দুগ্‌দুগী আকৃতিৰ।

কাপোৰেৰে তৈয়াৰী। কঁকালত ৰঙা বুটা তোলা আৰু মুৰত ৰঙা ফুলবচা বগা টঙালি। তলত বগা লহঙা। লহঙাৰ ওপৰত বনকৰা আঁচল বা ৰিহা দুচলা। ডিঙিত মণি আৰু ফুলৰ মালা। হাতৰ মুঠিত খাৰু আৰু বাহুত বাজু। কমলাবাৰী সত্রত চালি নাচ ১২ খন, তাৰ ভিতৰত ৪ খন ৰজাঘৰীয়া চালি নাচ। চালি নাচ এখনৰ তিনিটা ভাগ আছে। ক্রমে গীত নোহোৱা ৰামদানি, এটা গীতৰ ঘাতৰ নাচ আৰু মেলা নাচ। আৰম্ভণিৰ বাজনা আৰু নাচক ৰামদানি বোলা হয়। ৰামদানি আঠখন[৪৪]। ৰজাঘৰীয়া চালি নাচৰ বাজনাৰ কিছু পার্থক্য থাকিলেও সাজপাৰ একে। চালি নাচত ৰৰগীত পৰিৱেশন কৰিলেও কোনো সত্রত ৰজাঘৰীয়া চালি নাচত জয়ধ্বজ সিংহৰ গীতো গোৱা হয়। সাধাৰণতে ৰজা ঘৰত দেখুওৱা নাচৰ পৰাই ৰজাঘৰীয়া শব্দ ব্যৱহৃত হোৱা বুলি কোৱা হৈছে।

অঙ্কৰা নৃত্য ঃ অঙ্কৰা নৃত্য এটি উল্লেখযোগ্য নৃত্য। এই নৃত্যৰ আধাৰ আখ্যানটি কৃষ্ণই গোৱর্ধন পর্বত দাঙি ধৰাৰ লগত সংযুক্ত। শ্রীকৃষ্ণই গোবর্ধন পর্বত দাঙি ধৰি বাত-বৃষ্টিৰ পৰা সমগ্র গোকুলবাসীক ৰক্ষা কৰি ইন্দ্রৰ দর্পচুর্ণ কৰাৰ সময়ত শ্রীকৃষ্ণৰ অতুল শক্তি বুজিব পাৰি ইন্দ্রই আত্ম অনুশোচনাত দগ্ধ হৈ শ্রীকৃষ্ণক সর্ব শক্তি সম্পন্ন পদত অভিষিক্ত কৰি সন্মান জনালে। এই সন্মান প্রদর্শনৰ সময়ত শ্রীকৃষ্ণৰ সন্তুষ্টিৰ কাৰণে ইন্দ্রই অঙ্গৰাসকলক স্বর্গৰ[৪৫] পৰা নমাই আনি তেওঁলোকৰ দ্বাৰা নৃত্য-গীত পৰিৱেশন কৰাইছিল। এনে আর্হিতে মহাপুৰুষ দামোদৰদেৱৰ প্রচেষ্টাত এই নৃত্য পৰিকল্পিত আৰু প্রচলিত হোৱা বুলি কোৱা হয়। এই নৃত্যই গাম্ভীর্যপূর্ণ পৰিৱেশেৰে সত্রীয়া উৎসৱ-পর্বত বিশেষ স্থান অধিকাৰ কৰি ল'লে। এই নৃত্যই দক্ষিণপাট সত্রত ইন্দ্রাভিষেক আৰু আউনীআটী সত্রত অঙ্গৰা নৃত্যৰূপে খ্যাতি লাভ কৰে। এই নৃত্যৰ সাজপাৰৰ নৃত্যৰ পৰিচয় দিয়া নামৰ লগত সম্পূর্ণ মিল আছে। স্বর্গৰ অঙ্গৰাৰ ৰূপত এই নৃত্যৰ সাজ-সজ্জা কৰা হয়। মুৰত বেণী গোঁঠা চুলি; মুৰত ওৰোণা কিৰীটি, বুকু ঢকা চোলা, চাদৰ, কঁকালত কিঙ্কিনী ভৰিৰ তললৈকে পৰা ঘুৰি। অঙ্গৰা নৃত্য আউনীআটী সত্রত ব'হাগৰ বিহু আৰু মাঘৰ বিহুৰ দিনৰ সবাহত পৰিৱেশন কৰা হয়। এই নৃত্য পৰিৱেশন কৰোঁতে ঢোলক বাদ্যত নচুওৱা হয়। ঢোলকৰ বাজনা তিনি ভাগ — প্রথম ধৰণ, দ্বিতীয় প্রৱেশৰ নাচ, তৃতীয় গীতৰ নাচ। এই নৃত্য হাজোৱলীয়া বাজনাত বজোৱা হয়। এই নৃত্যত বিশেষকৈ একতাল, মগলু চুতা আৰু যৌতি, চাৰি তালৰ যি কোনো এটিৰ ব্যৱহাৰ কৰা হয়। গীতৰ বিষয়বস্তুত ইষ্ট দেৱতাৰ বর্ণনা বা ঋতুৰাজ বসন্তৰ বর্ণনা আদি থাকে। অঙ্গৰা নৃত্য ৰজাৰ ঘৰত বিশেষভাৱে সমাদৃত হোৱাৰ কথা পোৱা

---

৪৪ হৰি বাযন আৰু বিশ্ব ফুকনৰ পৰা পোৱা তথ্য অনুসৰি

৪৫ দ্র নির্মালি লোৱা উৎসৱ, ৬ ০২ অধ্যায়

যায়। হাজোৱলীযা বাজনাৰ ব্যৱহাৰলৈ চাই দেওধ্বনি নৃত্যৰ উপাদান, যুক্ত হোৱাৰ সম্ভাৱনাও নোহোৱা নহয়।

নাদুভঙ্গী ঃ নাদুভঙ্গী শ্রীকৃষ্ণ বাল্যকালৰ এক নৃত্য বিশেষ। এই নৃত্য বৃন্দাবনত শ্রীকৃষ্ণই গোপীৰ সৈতে আৰু যমুনাৰ বালিত গোপ শিশুসকলৰ সৈতে কৰা ক্রিযাৰ এক প্রকাশ মাত্র। নাদু শব্দ নট-নটুৱা শব্দৰ পৰা উদ্ভৱ হোৱাৰ সম্ভাৱনাই অধিক। নাচ আৰু ভঙ্গী এই দুই শব্দৰ সংযুক্তিও থাকিব পাৰে। উল্লাস-উদ্দীপক নৃত্য বুলি নাদুভঙ্গীৰ পৰিচয় থাকিলেও বৃন্দাবন-যমুনাৰ চিত্রময ৰূপো সন্নিৱিষ্ট হৈছে। বহলভাবে এই নাচক দুটা ভাগত ভগাব পাৰি, ৰামদানি আৰু গীতৰ নাচ। মাধৱদেৱৰ ৰাস ঝুমুৰাৰ পাঁচোটি গীত আৰু "সখিহে চলে কানু বিৰিন্দাবনে" আদি গীত নাচৰ লগত গায। গীতৰ নাচ ৰক্ততাল বা পৰিতালত আৰম্ভ কৰে। কমলাবাৰী সত্রত মহাপুৰুষসকলৰ তিথিৰ থাপনি দিনা আৰু সত্রৰ ভকতসকলৰ মৃত্যুৰ পিছত দশম দিনা নাম প্রসঙ্গ আৰু গায়ন-বাযনৰ পিছত দুপৰীযা নাদুভঙ্গী পৰিৱেশন কৰে[৬৬]। সাধাৰণতে নাদুভঙ্গীৰ চাৰিওজন নটুৱা শ্রীকৃষ্ণৰ সাজেৰে সজোৱা হয়।

বেহাৰ নাচ ঃ বেহাৰ নাচ (বিহাৰ নাচ) মাধৱদেৱৰ ভোজন ব্যৱহাৰ নাটৰ নামৰ পৰা এই নাচৰ সেই নামকৰণ হোৱা বুলি কোৱা হৈছে। গোচাৰণত শ্রীকৃষ্ণ আৰু গোপ বালকসকলৰ উলহ-মালহেৰে ভোজন কার্য আৰু বিবিধ ধেমালি কৰা ভাবৰ আধাৰতেই এই নাচ নচুৱা হয়। কমেও ২৫-৩০ জন নটুৱাই শ্রীকৃষ্ণৰ সাজ পিন্ধি এই নাচ পৰিৱেশন কৰে। নাচৰ লগত শ্রীকৃষ্ণ আৰু গোপ বালকসকলৰ খেল বর্ণোৱা ববগীত গায়। নাচৰ ভাগ দুটা, ৰামদানি আৰু গীতৰ নাচ। বিশেষকৈ নৈমিত্তিক প্রসঙ্গত এই নাচ ব্যৱহাৰ কৰা হয়।

মানচোক নাচ ঃ মানচোক নাচ, মানচোক তালত গায়ন-বায়নে কৰা নৃত্য। ঘাইকৈ কমলাবাৰী সত্রসমূহৰ শঙ্কৰ-মাধৱৰ তিথি উপলক্ষ্যে চাউল ভোজনীৰ দিনা পুৱা নাম-প্রসঙ্গৰ অন্তত এই নৃত্য পৰিৱেশন কৰে। মানচোক নাচত "গোৱিন্দ গুণ মন লাগি, উদ্ধৱ মধুপুৰী, কহ মোৰে উদ্ধৱ জীউ" আদি গীত পৰিৱেশন কৰে[৬৭]। গীত গোৱাৰ লগে লগে সমস্ত গায়ন-বায়নৰ নৃত্য হয়। এই মানচোক নাচৰ সম্পর্কে এনেদৰে পোৱা যায় যে, শ্রীকৃষ্ণৰ আদেশত উদ্ধৱ গোপীসকলৰ ওচৰলৈ আহোঁতে গোপীসকলে কৃষ্ণ বান্ধৱক পাই শ্রীকৃষ্ণৰ বার্তা শুনাৰ উলাহত উদ্ধৱক প্রথমতে উৎফুল্লিত চিত্তেৰে গীত গাই মান জনাইছিল। সিয়ে মানচোক নাচৰ আর্হি বুলি

---

৬৬ হৰি বাযন আৰু বিশ্ব ফুকনৰ পৰা পোৱা তথ্য মতে

৬৭ নাৰায়ণ চন্দ্র গোস্বামী, সত্রীযা সংস্কৃতিৰ স্বর্ণৰেখা, পৃঃ ৪৭

ঠাঁৱৰাব পাৰি। মানচোক নাচত ব্যৱহাৰ কৰা গীতৰ বিষয় বস্তুৱেও সেই কথাৰ ইঙ্গিত দিযে।

সূত্রধাৰী নৃত্য ঃ সূত্রধাৰী অংকীযা ভাৱনাৰ এক অপৰিহার্য অঙ্গ। সূত্রধাৰৰ পৰম্পৰা সংস্কৃত নাটক, পুতলা নাচ আৰু ওজাপালি শৈলীত থাকিলেও মহাপুৰুষ শঙ্কৰদেৱৰ প্রচেষ্টাত অংকীযা নাটকৰ সূত্রধাৰে এক বিশেষ আসন দখল কৰি ল'লে। বর্তমান কালত গাম্ভীর্যপূর্ণ তথা সাংস্কৃতিক পৰিৱেশ থকা অনুষ্ঠানত সূত্রধাৰ নৃত্য অকলে পৰিৱেশন কৰা সত্রীয়া ৰীতিও প্রচলিত হৈছে। এনে পৰিৱেশনত সূত্রধাৰ নাচ নচাৰ মূল উদ্দেশ্য হ'ল অনুষ্ঠানৰ মঙ্গল কামনা আৰু সৌষ্ঠৱ বৃদ্ধি কৰা। এই পৰিৱেশত মাঙ্গলিক নৃত্যৰ দিশ প্রদর্শন কৰাৰ উপৰিও সমাজক সম্মান জনোৱা হস্ত মুদ্রাও প্রদর্শন কৰা হয। এই হস্ত মুদ্রা অৱশ্যে অংকীয়া ভাওনাতো ব্যৱহাৰ হয়। সাধাৰণতে সূত্রধাৰ নৃত্য অকলে প্রদর্শন হ'লে কেৱল নৃত্যতহে গুৰুত্ব ৰখা হয়। ভাওনাৰ অপৰিহার্য গীত-শ্লোক নাথাকে। ভাওনাত আঁৰ কাপোৰ ধৰি সূত্রধাৰ উলিওৱা প্রথা আৰু আঁঠু কাটি প্রণতি জনোৱা মুদ্রাৰ ক্রম এনে পৰিৱেশতো ৰক্ষা কৰা হয।

গোসাঁই আৰু গোপী প্ররেশৰ নাচ ঃ ভাওনাৰ মাজৰ পৰা উলিযাই আনি সুকীয়া নৃত্য আকাৰত শ্রীকৃষ্ণ বা গোপীসকলৰ যি প্ররেশ দেখুওৱা হয় সেয়ে গোঁসাই প্ররেশ বা গোপী প্ররেশৰ নাচ। এনে ধৰণৰ পৃথক পৰিৱেশত নচা কালীয দমন আৰু কৃষ্ণ গোপীৰ ৰাস নৃত্য উল্লেখনীয়।

কৃষ্ণৰ সাজ সাধাৰণতে পীত বস্ত্র হ'ব লাগে যদিও ধৃতিখনৰ বাহিৰে সত্রৰ কৃষ্ণৰ সাজ-সজ্জাত গুণা চুমকীৰ কাম কৰা মখমল কাপোৰৰ বুকুৱালী আৰু ধাৰাৰ ব্যৱহাৰ থাকে। আউনীআটী সত্রত ব্যৱহৃত বৃন্দাবনীযা কৃষ্ণৰ সাজ কেৱল পীত বস্ত্রৰ। শিৰত মণিৰ কিৰীটি, কিৰীটিত মৈৰা পাখি থাকে। কঁকালত কিঙ্কিনী, বক্ষত বনমালা, মণিমালা, হাতৰ মুঠি আৰু বাহুত বাজু, ভৰিত নূপুৰ। হাতত শঙ্খ, প্রয়োজন সাপেক্ষে মুৰলী আৰু চক্র ব্যৱহাৰ কৰে। ৰামচন্দ্রৰ সাজ একে, মাত্র মৈৰা পাখি আৰু শঙ্খ চক্র বা মুৰলী আৰু ধাৰা নাথাকে। দক্ষিণপাট সত্রৰ কৃষ্ণৰ মুকুট পিতলৰ সাজেৰে তৈয়াৰী।

বিভিন্ন প্ররেশ ঃ ভাওনাত ভাৱৰীয়াৰ প্ররেশ থাকে। পাত্রভেদে প্ররেশৰ বাজনা পৃথক। যেনে, ৰজাৰ প্ররেশ, বীৰৰ প্ররেশ, দৈত্যৰ প্ররেশ, দেৱতাৰ প্ররেশ, ঋষি-মুনিৰ প্ররেশ, বান্দৰৰ প্ররেশ, স্ত্রী-চৰিত্রৰ প্ররেশ, ৰাক্ষস-ভূত-প্রেত আদিৰ প্ররেশ। তেনেকৈ প্রত্যেক ভাৱৰীয়াৰ যুদ্ধৰ বাজনাও ধনু, গদা, তৰোৱাল, শূল, শেল আদি অস্ত্র অনুসৰি বেলেগ বেলেগ হয়।

ভোৱতালৰ নৃত্য ঃ এই নৃত্যৰ উৎপত্তি ৰৰপেটা সত্রত। নৰহৰি বুঢ়া ভকত আৰু

বাসুদেৱ বায়নে এই নৃত্যৰ প্রথম প্রচলন ঘটায় বুলি জনা যায়[৬৮]। মাজুলীৰ ভোগপুৰ সত্র আৰু চামগুৰি সত্রত এই নৃত্যৰ ব্যৱহাৰ আছে। মূলতঃ হাতত ভোৱতাল লৈ ৪ জনৰ পৰা ১০-১২ জনলৈকে থিয় হৈ এই নৃত্য পৰিৱেশন কৰে। কেতিয়াবা সমূহীযা নৃত্যৰ উপৰিও এজন দুজনেও অকলে এই নৃত্য পৰিৱেশন কৰে। নৃত্যৰ লগত ভোৱতাল আৰু নেগেৰাৰে ৱৰগীত আৰু ঘোষা গোৱা হয়। নৃত্যৰ সাজ সত্রীয়া পাগুৰি, ধুতি, চৌকন চোলা, ৰিহাৰ আৰ্হিৰ চাদৰ, কাণত মণি-কুণ্ডল আদি পিন্ধে।

দশাৱতাৰ নৃত্য ঃ উল্লিখিত নৃত্য বিলাকৰ উপৰিও সত্রানুষ্ঠানত দশাৱতাৰ নৃত্যৰ প্রচলন আছে। ভাৰতীয় শাস্ত্রীয নৃত্য দশাৱতাৰৰ আৰ্হিৰে জয়দেৱৰ সংস্কৃত স্তোত্রৰ দশাৱতাৰ আৰু মহাপুৰুষ শঙ্কৰদেৱৰ কীর্তনত উল্লিখিত চতুর্বিংশতি অৱতাৰৰ বর্ণনা আৰু সত্রৰ সত্রাধিকাৰে ৰচনা কৰা গীত সংগত কৰি দশাৱতাৰ নৃত্য সত্রত চর্চা আৰু পৰিৱেশন কৰাৰ ৰীতি আছে। দশাৱতাৰ নৃত্যৰ সাজ গন্ধৰ্বীয় নৃত্যকাৰৰ বেশত হ'ব লাগে। মূৰত কিৰীটি, কঁকালত পীত বস্ত্রৰ ধুতি, কিঙ্কিনী আৰু চাদৰৰ কমৰ। গাত ঘাগৰী কতিয়াকৈ চাদৰ, কাণত কুণ্ডল, বাহুত আৰু হাতত বাজু। কৃষ্ণৰ চৰিত্রৰ লগত সাদৃশ্য ৰাখি এনে সাজ-পাৰ ব্যৱহাৰ কৰা হয। মাথোঁ শ্যাম ৱৰণ আৰু মূৰত মৈৰা পাখি নাথাকে।

মাটি আখৰা ঃ প্রকৃত সাঁচত সত্রীযা নৃত্য সজাবলৈ আৰু চালনা সুন্দৰ-সুঠাম কৰি তুলিবলৈ মাটি আখৰা শিক্ষা কৰা অপৰিহার্য বিষয়। প্রাথমিক অভ্যাস, মাটিৰ কার্য আৰম্ভণিৰ কর্ম আদিৰ পৰাই মাটি আখৰা নামকৰণ হোৱা বুলি কোৱা হৈছে। এই মাটি আখৰাতেই মূলতঃ প্রয়োজনীয় হস্তৰো শিক্ষা দিয়া হয। অর্থপূর্ণ হস্ত আৰু পদ সঞ্চালনেৰেহে এটা নির্দিষ্ট নৃত্যৰ সৃষ্টি হ'ব পাৰে। সত্রত শিকোৱা মাটি আখৰাৰ নির্দিষ্ট ভাগ আৰু ইযাৰ পৰিচয় আছে। মাটি আখৰাৰ সকলো ভঙ্গী নাচত ব্যৱহাৰ কৰা নহয়। নাচৰ লয-লাস, হস্ত পদ সঞ্চালনৰ সঠিক ব্যৱহাৰৰ বাবে এনে ভঙ্গী শিকোৱা হয। ইযাৰ ভিতৰত কাছ বান্ধ, ধেনুভঙা, আঁঠু-ভৰি শুঙা, হাড় মোচৰা, অঙঠা সৰকোৱা, মৈৰাই পানী খোৱা, কেঁচু সূৰীয়া, তেলটুপী, দুই হাতে খোজকঢা, ভৰি সৰকোৱা, পৃথিৱী ঘ্রাণ, বেং জাপ, হনুমান লন আদি ৬৪ প্রকাৰৰ মাটি আখৰা আছে। আউনীআটী সত্রত ৪৭ প্রকাৰৰ মাটি আখৰাৰ প্রচলন আছে। এই মাটি আখৰা সত্রীয়া নাচৰ ঘাই আধাৰ[৬৯]। নাচত ব্যৱহাৰ হোৱা মাটি আখৰাৰ নির্দিষ্ট ভাগ আছে। যাক মূলতঃ

---

৬৮ ভোগপুৰ সত্রৰ সত্রাধিকাৰ দত্তদেৱ গোস্বামীৰ পৰা পোৱা তথ্য অনুসৰি

৬৯ দ্র মহেশ্বৰ নেওগ, কেশৰ চাংকাকতি, সত্রীয়া নৃত্য আৰু সত্রীয়া নৃত্যৰ তাল, পৃঃ ৬৬, ৬৭, ৬৮, ৬৯

ভৰিমান বুলি কোৱা হয়। জুতি, তেৱাই, পাক, খোজ, জাপ, চোচা, ওৱা ইত্যাদি।

জুতি ঃ সম্পূর্ণ জুতি, ওৱাৰ জুতি, কাতি জুতি, অর্ধচন্দ্রজুতি, চতুৰ জুতি, আকোৱাল জুতি, ঘূৰা জুতি।

তেৱাই ঃ সম্পূর্ণতেৱাই, অর্ধতেৱাই, ওৱাত চলন্দ খোজৰ তেৱাই।

চটা ঃ সমান চটা, কাতি চটা, অর্ধচটা।

পাক ঃ ওৱা পাক, আকোৱাল পাক, উঠাল পাক, উষা পাক, কাঁড় পাক, জোলা পাক, টুকুৰা পাক, সোঁফালে বাওঁফালে ঘূৰাপাক, সম্মুখ পাক, পাচৰ পাক।

খোজ ঃ বহামান খোজ, সচাৰ ভাঙনি খোজ, ৰাজখোজ, (মুষ্টিহস্ত) বংশীবদন, ওৱা খোজ, কাতি ওৱা খোজ, শামুকীযা খোজ, মেকুৰী খোজ, কেঁকোৱা খোজ, কালি খোজ, ঔবাগৱা খোজ।

জাপ ঃ টুকুৰা জাপ, উঠাল জাপ, বাঘজাপ।

চোচা ঃ সমান চোচা, কাতি চোচা, সম্মুখ চোচা।

ওৱা ঃ সমান ওৱা, কাতি ওৱা।

ইয়াৰ লগতে নাচৰ ভিতৰৰ কেইটামান বিশেষ মাটি আখৱা আছে। যি বিশেষকৈ নটুৱা নাচত নির্দিষ্ট ভাৱে ব্যৱহৃত হয। থিয় লন, আঁঠু লন, ভূমি লন, চিত খৰ, ওলোটা খৰ, কাতি খৰ, চালনি সৰকা আদি।

ভৰি মান তথা পদ চালনৰ লগত হস্ত চালনৰ প্রক্রিয়াও মাটি আখৱাৰ অন্যতম দিশ। এই হস্ত চালনাবোৰ হ'ল, হাতৰ চমক, হাতৰ কঁপনি, সমান হাতৰ ওৱা, হাতৰ ফুল ওৱা, হাত পকোৱা আদি[১০]। সত্রভেদে দুই এখন অতিৰিক্ত মাটি আখৱাৰ প্রয়োগ থাকিলেও সাধাৰণতে উল্লেখ কৰা মাটি আখৱাখিনি মূলতঃ ব্যৱহৃত হয়। মাথোঁ প্রয়োগৰ ক্ষেত্রত নামকৰণ বেলেগ বেলেগ হোৱা দেখা যায়।ব্রহ্ম সংহতিৰ সত্রসমূহত শ্রীহস্ত মুক্তাৱলীত উল্লিখিত হস্তৰ প্রযোগ আছে যদিও সত্রৰ নৃত্যসমূহত তলত উল্লেখ কৰা হস্তৰহে প্রচলন আছে। যেনে, (১) পতাক, (২) ত্রিপতাক, (৩) অর্ধপতাক, (৪) পদ্মকোষ, (৫) অলপদ্ম, (৬) কর্তৰীমুখ, (৭) মুষ্টক, (৮) শিখৰ হস্ত, (৯) অর্ধচন্দ্র, (১০) শর্পশিৰা, (১১) খটকামুখ, (১২) সূচিমুখ, (১৩) চতুৰ, (১৮) মুকুল, (১৯) ভ্রমৰ আৰু (২০) চলন্ত মধুকৰ।

সত্রৰ নৃত্য চর্চা হ'ল ধর্মাচৰণৰ এক বিশিষ্ট অংগবিশেষ। এতেকে সত্রীয়া উৎসৱ-পর্বৰো নৃত্য বিশিষ্ট অংগ স্বৰূপে ব্যৱহৃত হয়। অনুষ্ঠানভেদে নৃত্য ব্যৱহাৰৰ প্রকাৰভেদ অৱশ্যেই আছে। সেয়া হ'লেও গীত, নৃত্য, বাদ্য এই তিনিওটিৰ কোনোটি নোহোৱাকৈ সত্রীয়া উৎসৱ-পর্ব সম্পন্ন কৰিব নোৱাৰি।

---

[১০] দ্র উল্লিখিত, পৃঃ

৩. সত্রয়ী গীত ঃ

গীত হ'ল সুৰৰ মাধ্যমেৰে প্রকাশ কৰা অন্তৰৰ ভাবানুভূতি। আত্মাই যেতিয়া কথা ক'বলৈ বিচাৰে, তেতিয়া মনে আত্মাৰ দ্বাৰা প্রেৰিত হৈ দেহৰ অনলক আহত কৰে। সেই অনলে ব্রহ্ম গ্রন্থি স্থিত বায়ুত উর্ধপথলৈ সঞ্চালন কৰে। সেই বায়ুৱে ক্রমে নাভি, হৃদয়, কণ্ঠ, মস্তক আৰু মুখত ধ্বনি উৎপাদন কৰে। সেই ধ্বনি উচ্চাৰণ প্রক্রিযাত সৃষ্টি হয় গীত। নাক, ডিঙি, শিৰ, জিহ্বা, দাঁত আৰু ওঁঠ এই ছয স্থানৰ পৰা ছয়প্রকাৰে ধ্বনি উচ্চাৰিত হোৱাৰ ফলত ছয প্রকাৰৰ সুৰ বাহিৰ হয়, এই ছয় সুৰকে ষড়জ বোলে[১১]। ষড়জ সংগীতৰ প্রাণ। প্রথমতে মহাদেৱে তেওঁৰ সমস্ত সংগীত বিদ্যা ব্রহ্মাক শিকায। ব্রহ্মা তেওঁৰ মূল শিষ্য। ব্রহ্মাই পাঁচজন শিষ্যক শিকাই সংগীত বিদ্যা প্রচাৰ কৰিবলৈ আদেশ কৰে। এই পাঁচজন শিষ্য হ'ল, নাৰদ, ভৰত, তুম্বৰু, হুহু আৰু ৰম্ভা। ৰম্ভা আৰু হুহু দেৱতাসকলৰ সংগীত বিদ্যাৰ গুৰু আছিল। তুম্বৰুদেৱ সভাৰ এজন গায়ক আছিল। দেৱতাসকলৰ ভিতৰত বিশেষ সংগীত চর্চা কৰা এক জাতিৰ সৃষ্টি হৈছিল, সেয়ে হ'ল গন্ধর্ব। 'গো' মানে গীত, 'ধয়ন' মানে উচ্চাৰণ কৰা, অর্থাৎ এই জাতিযে জন্ম হওঁতেই গীত গাই আহিছিল[১২]। গীত সাধাৰণতে দুবিধ — যন্ত্র আৰু গাত্র। বেণু-বীণাদিৰে যি গীত গোৱা হয়, সি যন্ত্র আৰু কেৱল মুখেৰে গোৱা গীত গাত্র[১৩]। গীতৰ আৰু দুটা ভাগ আছে নিবদ্ধ আৰু অনিবদ্ধ। বর্ণাদিৰ নির্দিষ্ট নিয়ম নথকাকৈ যি গীত গায় সি অনিবদ্ধ, অন্যহাতে তাল-মান ৰক্ষা কৰি গোৱা নিবদ্ধ[১৪]। শাস্ত্রীয় পর্যাযৰ গীত নিবদ্ধ আৰু লোক পৰম্পৰাত চলি অহা গীতসমূহ অনিবদ্ধ পর্যায়ভুক্ত। লিখিত ৰূপ পোৱাৰ

---

১১ (ক) নাসাং কণ্ঠ মুৰস্তালুজিহ্বাং দন্তাশ্চ সংশ্রিতঃ।
ষডজঃ সংজাযতে যস্মাৎ তস্মাৎ ষডজ ইতি স্মৃতঃ।।
শব্দ কল্পদ্রুম, সপ্তমঃ কাণ্ডঃ, পৃঃ ৫১১১
(খ) সঙ্গীত উপক্রমণিকা (প্রথম ভাগ), দেৱেন্দ্র চন্দ্র চাংকাকতি, পৃঃ ১

১২ উল্লিখিত, পৃঃ ৩-৪

১৩. ধাতু মাতু সমাযুক্তং গীতমিতি উচ্যতে বুধৈঃ।
০০০ ০০০ ০০০
গীতঞ্চ দ্বিবিধং প্রোক্তং যন্ত্র গাত্র বিভাগতঃ
যন্ত্রং স্যাৎ বেণুবীণাদি গাত্রন্তু মুখজং মতম্।
শব্দ কল্পদ্রুম, পৃঃ ১০০০, ১০০১

১৪ নিবদ্ধ মণিবদ্ধঞ্চ গীতং দ্বিবিধমুচ্যতে।
অনিবদ্ধং ভৱেৎ গীতং বর্ণাদি নিয়মংবিনা।
নিবদ্ধঞ্চ ভৱেৎ গীতং তাল মানৱসাঞ্চিতম্।
উল্লিখিত, পৃঃ ১০০১

পিছত লোক জীৱনৰ গীতসমূহে নিবদ্ধ পর্যায়লৈ আহিছে। প্রণালীবদ্ধ শাস্ত্রীয় সংগীতৰ ৰাগ তাল-মান, মাত্রা অপৰিহার্য অংগ। সত্রীয়া সমুদায় গীত শাস্ত্রীয় পর্যায়ৰ আৰু ই ৰাগযুক্ত। ৰাগৰ শিক্ষা কৰিহে সত্রীয়া গীতলৈ যাব পাৰে। মানসিক পৰিৱেশ আৰু গীতৰ সফল প্রয়োগৰ বাবে ৰাগৰ আৱশ্যক। মনোৰঞ্জনৰ মূল কাৰণ ৰাগ[১৫]। মূল ৰাগ ৬ বিধ; ৩৬ ৰাগিণী। ছটা সুৰৰ পৰা ছয় ৰাগৰ সৃষ্টি হৈছে। শিৱৰ মুখৰ পৰা ৫ ৰাগৰ গৌৰীৰ মুখৰ পৰা ১ ৰাগৰ সৃষ্টি হৈছে। ধর্মীয় শাস্ত্র আৰু সংগীত সম্বন্ধীয় সকলো পুথিয়েই ৬ ৰাগৰ কথাই কৈছে যদিও ইয়াৰ নামকৰণ বেলেগে বেলেগে পোৱা যায়। উদাহৰণস্বৰূপে, ধর্ম পুৰাণত বিষ্ণুৰ উক্তিত ৬ ৰাগৰ উল্লেখ আছে। যথা, কামদ, বসন্ত, মল্লাৰ, বিভাষ, গান্ধাৰ আৰু দীপক[১৬]। ভৰতমুনি আৰু হনুমন্ত্য ঋষিৰমতে, ভৈৰৱ, কৌশিক, হিন্দোল, দীপক, শ্রী, মেঘ আদি। বর্তমানৰ পৰিচয়ত ৰাগৰ শ্রেণী তিনিপ্রকাৰ বুলি সংগীত উপক্রমণিকাত[১৭] উল্লেখ কৰা হৈছে — সম্পূর্ণ, ষাড়ৱ আৰু ঔড়ৱ। যি ৰাগত গোটেইকেইটা সুৰৰ ব্যৱহাৰ হয় তাক সম্পূর্ণ ৰাগ বোলে। উদাহৰণ, ভৈৰৱ আৰু শ্রীৰাগ। যি ৰাগত সাত সুৰৰ ভিতৰত ছয়টা ব্যৱহাৰ হয়, এটা উহ্য হৈ থাকে, তাক ষাড়ৱ বোলে। উদাহৰণ, দীপক, মেঘ। যি ৰাগত পাঁচটা সুৰৰ ব্যৱহাৰ হয়, তাক ওড়ৱ বোলে। উদাহৰণ, মালকোষ, হিন্দোল। ৰাগবিলাকে ৰাগিণীৰ সৃষ্টি কৰি তাৰ সহায়ত পুনৰ ৰাগৰ পৰিচয় দিযে। যি ৰাগে দুটা ৰাগৰ সংমিশ্রণত নিজৰ পৰিচয় দাঙি ধৰে সি সালঙ্কাৰ ৰাগ; আনহাতে যি ৰাগত বহুতো ৰাগৰ সুৰ মিহলি হৈ থাকে সি সংকীর্ণ ৰাগ। যি ৰাগত আন কোনো ৰাগ-ৰাগিণীৰ সংযোগ নঘটে তাকেই শুদ্ধ ৰাগ বুলি কোৱা হয়[১৮]। ৰাগ-ৰাগিণীৰ সংমিশ্রণত সৃষ্টি হোৱা বহুতো ৰাগ সত্রীয়া গীত মাতত ব্যৱহাৰ হৈছে। সত্রৰ প্রসঙ্গৰ গীতত, অংকীয়া নাটত ব্যৱহৃত হোৱা এনে ৰাগৰ বিস্তৃত পৰিচয় পোৱা যায়। অংকীয়া নাটৰ পাতনিত কালিৰাম মেধিয়ে সত্রত ব্যৱহৃত ৰাগৰ তালিকা দিছে[১৯]। সত্রত ব্যৱহৃত এই ৰাগবোৰ হ'ল, অহিৰ, অশোৱাৰী, বেলোৱাৰ, ভাটিয়ালী, ভূপালী, ধনশ্রী, গৌৰী, গান্ধাৰ, দেৱগান্ধাৰ, কৌ, কল্যাণ, কানাড়া, কামোদ, কেদাৰ, ললিতা, মল্লাৰ, মাহুৰ, পূৰৱী, ৰামগিৰি, শ্যাম, শ্যামগড়া, শ্রী, শ্রীগৌৰী,

---

১৫ যস্য শ্রবণমাত্রেণ ৰঞ্জন্তে সকলাঃপ্রজাঃ। সর্বাঘৰাঞ্জনাদ্ধেতোস্তেন ৰাগ ইতি স্মৃতঃ।।
শব্দ কল্পদ্রুম, পৃঃ ৩৭৬৮

১৬ (ক) বৃহদ্ধর্ম পুৰাণ, পৃঃ ১৯২
(খ) শব্দকল্পদ্রুম, পৃঃ ৩৭৬৮

১৭ দেবেন্দ্র চন্দ্র চাংকাকতি, সঙ্গীত উপক্রমণিকা (প্রথম ভাগ), পৃঃ ৫২

১৮ উল্লিখিত, পৃঃ ৫৩

১৯ কালিৰাম মেধি, অঙ্কীয়া নাটৰ পাতনি, পৃঃ xiii

শ্রীগান্ধাৰ, সিন্ধুৰা, সুহাই, তুড়, তুড় ভাটিয়ালী, তুৰ বসন্ত, বৰাৰী আৰু বসন্ত। প্রসঙ্গৰ গীতত ব্যৱহাৰ হোৱা ৰাগৰ, বেলা অনুসৰি পার্থক্য থাকে। উদাহৰণস্বৰূপে পুৱা আৰু বিয়লিৰ বেলোৱাৰ ৰাগৰ মাজতো পার্থক্য আছে।

ৰাগযুক্ত সত্রীয়া গীতসমূহ হ'ল, নিত্য নৈমিত্তিক প্রসঙ্গৰ গীত, ভাওনাৰ গীত আৰু বৰগীতসমূহ। বিবিধ শ্রেণীৰ সত্রীয়াগীত আছে। ইয়াৰ ভিতৰত নিত্য প্রসঙ্গত ব্যৱহৃত গীত আৰু নৈমিত্তিক আনুষ্ঠানিক গীত পোৱা যায়। নিত্য প্রসঙ্গত ব্যৱহৃত গীত হ'ল — বৰগীত, ভটিমা, তোটয়[৮০], চপয়, গায়নৰ গীত, ওজাৰ গীত, প্রভাতী গীত, আৰতি আৰু সংকীর্তন। প্রসঙ্গৰ আৰম্ভণিতে কোনো সত্রত বৰগীত, ভটিমা, তোটয়, চপয আদি পৰিৱেশন কৰিলেও ব্রহ্ম-সংহতিৰ সত্রসমূহত এনে ৰীতি নাই কিন্তু বৰগীত নিত্য প্রসঙ্গত কেইবাঠাইতো ব্যৱহাৰ হয়। পুৱা প্রভাতী গীতত, গায়নৰ প্রসঙ্গত, সন্ধ্যা আৰতি গীতত, বৰগীত ব্যৱহাৰ কৰা হয়। সন্ধ্যা আৰতিত সংকীর্তন গোৱাৰো নিয়ম আছে। সংকীর্তন বিবিধ উৎসৱ-পর্বতো ব্যৱহাৰ হয়। বৰগীতৰ বাহিৰে নিত্যপ্রসঙ্গত ব্যৱহৃত সমুদায় গীত এই আৰ্হিৰ সত্রৰ সত্রাধিকাৰসকলে নিজে ৰচনা কৰা।

নৈমিত্তিক আনুষ্ঠানিক গীতসমূহ হ'ল, জন্মাষ্টমী গীত, ৰাসৰ গীত, একাদশীৰ গীত, ফাকুৱাৰ গীত, কালীয দমনৰ গীত, গায়নৰ পাঞ্চালী, ওজাৰ পাঞ্চালী, ওজাৰ দুলডী, গোপাল বৈৰাগ্য গীত, গীত-গোবিন্দ, নাটকৰ গীত আৰু গুৰু-বন্দনাসমূহ। জন্মাষ্টমী, ৰাস বৰ একাদশী আৰু ফাকুৱা উৎসৱত, দিনৰ সবাহত, গাযন-বায়ন, ওজা, উভয় প্রসঙ্গতে আৰু নির্দিষ্ট আনুষ্ঠানিক পৰিৱেশত, সেই সেই উৎসৱৰ গীত গায়। এই উৎসৱৰ গীতসমূহ, ভগৱৎ বন্দনা আৰু লীলাসূচক। এই গীতবিলাকৰ একোটা পালা থাকে। পালা অর্থাৎ কেইবাটাও নির্দিষ্ট গীতৰ সমষ্টি। উল্লেখনীয় দিশ যে বিবিধ নৈমিত্তিক উৎসৱ পর্বত বিশেষকৈ মহাপুৰুষসকলৰ তিথিসমূহত বৰগীত বিশেষভাৱে ব্যৱহৃত হয়। বৰগীত শংকৰ-মাধৱৰ এক অনবদ্য সৃষ্টি, বিষয়ৰ মহত্বভাৱৰ গাম্ভীর্য হেতু ইযাক বৰ আখ্যা দিছে, যথার্থতে বৰগীতসমূহৰ পৰিৱেশনে উৎসৱ অনুষ্ঠানৰ সুকীয়া গাম্ভীর্যও আনে। গায়নৰ পাঞ্চালী, ওজাৰ পাঞ্চালী আৰু ওজাৰ দুলড়ী, বিষ্ণু-উৎসৱ, জন্মাষ্টমী আদিত দিনৰ সবাহত কেতিয়াবা পৰিৱেশন কৰে। সাধাৰণতে ব'হাগ, মাঘ আৰু কাতি বিহুত, দিনৰ সবাহত গায়নে গোৱা

---

৮০ তোটয় ঃ বাৰটা স্বৰযুক্ত আখৰৰ এবিধ ছন্দ, শংকৰ-মাধৱে তোটক ছন্দেৰে কৰা বিষ্ণুস্তৱ। উদাহৰণ -

"মধুদানৱ দাৰণ দেৱ ববং
বৰ ৰাৰিজ লোচন চক্রধৱং "

চপয় ঃ সং চতুষ্পদী। চাৰিফাঁকি থকা, পৰস্পৰে মিল হোৱা চাৰি ফাঁকিৰ এবিধ ছন্দৰে ৰচনা কৰা বিষ্ণুস্তৱ। (শংকৰ-মাধৱে ৰচনাত ব্যৱহাৰ কৰিছিল। হেমকোষ, পৃঃ ৩৩৬, ৪৭৬)

গীত ভগৱৎ বন্দনা। ওজাসকলে এই উৎসৱৰ সবাহত ৰামাযণ, মহাভাৰত, ভাগৱত, কীর্তন, দশমৰ পদ গায। গোপাল বৈৰাগ্য গীত আৰু গীতগোৱিন্দ আদি নির্দিষ্ট কোনো উৎসৱ পর্বত পৰিৱেশন কৰা নহয। কিন্তু ধর্মীয় আনুষ্ঠানিক পৰিৱেশত এই গীতসমূহ সত্রৰ বৈষ্ণৱসকলে পৰিৱেশন কৰে। অৱশ্যে গীতগোৱিন্দ কাতিমাহৰ প্রভাতী গীতত আৰু গোপাল বৈৰাগী গীত মহোৎসৱত দিনৰ সবাহত ওজাসকলে গোৱাৰ ৰীতি আছে। গীত গোৱিন্দ, জয়দেৱৰ ৰচিত সংস্কৃত গীত স্তোত্র সমূহহে সত্রত গোৱা নিয়ম। কোনো অনুবাদ গীত গোৱা নহয়। এই গীতত খোল-তালৰ ব্যৱহাৰ আছে। গোপাল বৈৰাগ্য গীত বিশেষকৈ আউনীআটী সত্রত প্রচলিত এক ভক্তিভাৱাপন্ন গীত। এই সত্রৰ প্রয়াত শ্রীধৰ ওজা নামৰ এগৰাকী বৈষ্ণৱে এই গীতৰ এটি পালা লিখি থৈ যায। মুখ্যতঃ ভগৱানৰ প্রতি ভক্তি নিৱেদন, সাংসাৰিক নিস্পৃহতা, বৈৰাগ্যভাৱ আনয়ন এই গীতসমূহৰ ঘাই বিষয়বস্তু। সেয়ে এই গীতসমূহ গোপাল বৈৰাগ্য নামেৰে পৰিচয় দিয়া হয। নাটৰ বিষয়বস্তুৰ লগত সম্পর্ক থকা হ'লেও গড়মুৰ সত্রত বিশেষভাৱে কালীয় দমনত গোৱা গীতৰ পালা বৈশিষ্ট্যপূর্ণ গীত। কোনো সেৱকীয়ে মনোবাঞ্ছা পূৰণৰ অর্থে নির্দিষ্টকৈ এই কালীয়দমনৰ গীত গোৱায। এনেদৰে দক্ষিণপাট সত্রত থকা ৰাস-মঙ্গল গীত সত্রৰ নির্দিষ্ট অনুষ্ঠানত পৰিৱেশন কৰাৰ উপৰিও কোনো সেৱকৰ আহ্বানক্রমে গৃহীঘৰতো বৈষ্ণৱসকলে গৈ এই গীতৰ পালা গোৱা নিয়ম আছে। সত্রাধিকাৰসকলৰ তিথি মহোৎসৱত দিনৰ সবাহত গায়নৰ প্রসঙ্গীয়া গীতত গুৰুস্তুতি বা প্রশস্তিসূচক গুৰুবন্দনা গীত গায। যি গৰাকীৰ তিথিপালন কৰা হয়, সেইগৰাকীৰ নির্দিষ্ট নামত সত্রৰ পিছৰ সত্রাধিকাৰে ৰচনা কৰা গুৰু-বন্দনা গোৱা হয়।

এনে গীতসমূহৰ লগতে সত্রত প্রচলিত ভাওনাত ব্যৱহৃত বিবিধ গীত আছে। ভাওনাৰ অধ্যাযত এই বিষয়ে উল্লেখ কৰা হৈছে। ভাওনাত ব্যৱহৃত গীতসমূহৰ বিবিধ শ্রেণী আছে, তাৰ ভিতৰত গুৰু-বন্দনা, দেৱ বন্দনা বা ঈশবন্দনা, ৰূপবর্ণনা, গীত, স্তুতি গীত, দৃশ্য বর্ণনা গীত, যুদ্ধযাত্রা গীত, পয়াৰ, যুদ্ধপয়াৰ, চৰিত্রৰ উক্তি গীত আৰু নিৱেদনী। অংকীযা নাটত ব্যৱহৃত ভটিমাসমূহ এক উল্লেখযোগ্য গীত। ভটিমা মূলতঃ চাৰিপ্রকাৰৰ দেৱ ভটিমা, গুৰু ভটিমা, নাটভটিমা (অর্থাৎ নাট্য চৰিত্রই গোৱা) আৰু মুক্তি মঙ্গল ভটিমা। এই ভটিমাসমূহ এফালে স্তুতিসূচক আনফালে বর্ণনাসূচক। ভাওনাৰ মাজত যি নৃত্য পৰিৱেশন কৰা হয় সেই নৃত্যৰ লগত নির্দিষ্ট গীত থাকে। ইয়াৰ ভিতৰত কৃষ্ণ নৃত্য, শিৱৰ তাণ্ডৱ নৃত্য, অপ্সৰা বা নর্তকী নৃত্য, গোপী নৃত্য, ভূত-প্রেতৰ নৃত্য উল্লেখযোগ্য। এই প্রত্যেক নৃত্যতে নির্দিষ্ট পৰিৱেশৰ গীত থাকে। দিনৰ সবাহত আৰু যি কোনো ধর্মীয় অনুষ্ঠানত পৰিৱেশন কৰা সত্রীয়া নৃত্যসমূহত নৃত্যৰ সম্বন্ধসূচক গীত থাকে।

দিনৰ সবাহত পৰিৱেশন কৰা ওজাপালিৰ গীতৰ কেইবাটাও ভাগ আছে, সেই

ভাগ অনুপাতে গীতৰ প্রকাৰ হ'ল — পাতনিকা গীত, মূল বর্ণনা গীত, চাৰণৰ গীত, খেয়ালী গীত। ওজাৰ গীতত বহুতো সংস্কৃতৰ গীত আছে। সত্রত সংস্কৃতত ৰচনা কৰা বহুতো গীতৰ প্রায়োগিক ব্যৱহাৰ আছে। সংস্কৃতত ৰচনা কৰা এই গীতসমূহ সাধাৰণতে মঙ্গলাচৰণ, বন্দনা, স্তুতি গীত আদি নামেৰে পৰিচয় দিযা হয। ওজাপালি গীতৰ বাহিৰে এই গীতসমূহ সত্রৰ ভাওনাত বিভিন্ন স্থানত ব্যৱহাৰ কৰা হয।

৪. সত্রীয়াবাদ্য

কথিত আছে যে দেৱতাসকলৰ অনুৰোধ ক্রমে শিৱই ত্রিপুৰাসুৰক বধ কৰাৰ লগে লগে আনন্দত যি নৃত্য কৰিছিল তাতেই বাদ্যৰ প্রথম প্রচলন হৈছিল। ত্রিপুৰাসুৰৰ শৰীৰৰ পৰাই বাদ্য সৃষ্টি হৈছিল। শিৱৰ আদেশত দেৱতাসকলে ত্রিপুৰাসুৰৰ তেজ মিশ্রিত মাটিৰে মৃদঙ্গ সাজি তাৰ দুই মুৱত অসুৰৰ ছালেৰে চাই মাজৰ অংশত সেই ছালেৰেই বৰটি কৰি বান্ধিলে। দুই মুৱত অসুৰৰ মুৰৰ টান অংশ ঘূণ কৰি লগালে। সেই মৃদঙ্গ দেৱতাসকলে শিৱৰ নৃত্যত বজাই আনন্দ কৰিলে। এই মৃদঙ্গ সৃষ্টিৰ পিছতেই পার্বতীযে কৰা লাস্য নৃত্যত বিবিধ তালৰ সৃষ্টি হৈছিল। ভৰতৰ নাট্য শাস্ত্রত উল্লেখ আছে যে পারতীয়ে কৰা লাস্য নৃত্যৰ লগে লগে মৃগঙ্গ, ভেৰী, পটহ ঝঞ্জাতা, ডিণ্ডিম, গোমুখ, পনৱ আৰু দর্দুৰ প্রভৃতি বাদ্য বাজি উঠিছিল[৮১]। ই প্রমাণ কৰে যে নাট্য শাস্ত্র ৰচনা কৰাৰ সময়ত এই বাদ্যবোৰৰ প্রচলন আছিল। তাৰ পিছত ই ক্রমে প্রসাৰ লাভ কৰে। বাদ্য সাধাৰণতে চাৰি প্রকাৰৰ, তত, অৱনদ্ধ, ঘন আৰু সুষিৰ[৮২]। তাঁৰেৰে নির্মিত বাদ্য তত, যেনে — বীণা। চামৰাযুক্ত বাদ্য অৱনদ্ধ, যেনে — মৃদঙ্গ, খোল। ঘন শ্রেণীৰ বাদ্য তাল জাতীয় আৰু সুষিৰ শ্রেণী হ'ল, বাঁহী জাতীয় বাদ্য। প্রাচীন কালৰ পৰা এই চাৰি জাতীয় বাদ্য অসমত প্রচলন আছিল। প্রাচীন অসমীয়া সাহিত্যত মঠ-মন্দিৰৰ গাত খোদিত শিলালিপিসমূহৰ পৰা এইবাদ্য যন্ত্রসমূহৰ ব্যৱহাৰৰ কথা পোৱা যায়। তত বাদ্য শ্রেণীত বিশেষকৈ বীণ বা বীণা, বিপঞ্চি, দোতাৰা,

---

৮১ (ক) মৃদঙ্গভেৰী পটহৈঃ ঝঞ্ঝাভিণ্ডিমগোমুখৈঃ।
পনৱৈ দর্দুৰাদ্যৈশ্চ্য নানাতোদ্যৈঃ প্রৱাদিতৈঃ।।
ভৰতৰ নাট্য শাস্ত্র, চতুর্থ অঃ, পৃঃ ৭৫
(খ) কালিকা পুৰাণতো এনে বাদ্যৰ উল্লেখ কৰা হৈছে -
অবাদযন্ত তে শঙ্খান্ পটহান্ পৰিবাদিনঃ।
মৃদঙ্গান্ ডিণ্ডিমাংশ্চৈ গোমুখান পনৱাংস্তথা।।
কালিকা পুৰাণ, ষষ্ঠোঽধ্যায় সম্পা পঞ্চানন তর্কৰত্ন, পৃঃ ৩৯

৮২ ততং চৈৱাৱনদ্ধং চ ঘনং সুষিৰমেৱ চ।
চতুর্বিধং চ বিজ্ঞেয়মাতোদং ক্ষশাম্বিতম্।
ততং তন্ত্রীগতং জ্ঞেয়মৱনদ্ধংতু পৌষ্কৰম্।
ঘনস্তু তালো বিজ্ঞেযঃ সুষিৱো ৱংশ এৱ চ।।
ভৰতৰ নাট্য শাস্ত্র, চতুর্থ অধ্যায়, পৃঃ ১১৩

বিলাস, কবিলাস, ৰুদ্রবিলাস, ৰবাব, স্বৰমণ্ডল, চাৰিন্দা, চোকাৰী আদি তাঁৰ জাতীয় বাদ্যৰ কথা পোৱা যায়। বীণা আকৌ তিনি প্রকাৰৰ, বীণা, ৰুদ্রবীণা, ৰামবীণা; টোকাৰীও তিনিবিধ, টোকাৰী, লাও টোকাৰী। তাঁৰ জাতীয় আৰু এবিধ বাদ্য হ'ল আনন্দ লহৰি।

অৱনদ্ধ শ্রেণীৰ বাদ্য প্রধানকৈ দামা বা দামাখ, গোমুখ, কহালা, নাগাৰা, পটহ, ডঙ্কা, ডিণ্ডিম, দুন্দুভি, জয়ঢোল, ডবা, মৃদঙ্গ, খোল, ঢোল, ঢোলক, দগৰ, খুমুচি মাদল আৰু ডম্বৰু আদি।

ঘন শ্রেণীৰ বাদ্য প্রধানকৈ তালজাতীয়। তাল প্রধানকৈ ভোৰতাল, পাটিতাল, খেৰেঙীতাল, খুটিতাল। এই জাতীয় বাদ্যত ৰামতাল, কলতাল, কাঁহ-ঘণ্টা, মঞ্জিৰা, ঝিঞ্জিৰিকা আদিও অন্তর্ভুক্ত হয়।

সুষিৰ শ্রেণী বাদ্য মূলত মুখেৰে ফু-দি বজোৱা হয়। এই শ্রেণীৰ বাদ্যৰ ভিতৰত শঙ্খ, শিঙা, বাঁহী, বেণু বা মুৰলী, পেঁপা, গগনা, মহৰী, কালি, ভেৰী আদি উল্লেখযোগ্য। ইয়াৰ ভিতৰত শিঙা তিনিবিধ — ৰামশিঙা, খংশিঙা আৰু ৰণশিঙা। কালী প্রধানকৈ দুবিধ — জযকালী, বীৰ কালী। ভেৰীও দুবিধ ৰামভেৰী আৰু ৰণভেৰী। বিৰিঞ্চি কুমাৰ বৰুৱাই অৱশ্যে ৰামভেৰীকে ৰণভেৰী বুলিছে[৮৩]। সত্রত এই দুবিধ ভেৰীৰ প্রচলন পোৱা যায়। সাধাৰণতে ৰণ ভেৰী সত্রত ব্যৱহাৰ কৰে। "অসমৰ লোক সংস্কৃতি" গ্রন্থত বিৰিঞ্চি কুমাৰ বৰুৱাই ধর্মীয বাদ্যযন্ত্র সমূহৰ বিস্তৃত বিৱৰণ আৰু ইয়াৰ ব্যৱহাৰৰ কথা উল্লেখ কৰিছে। প্রাচীন পৰম্পৰাত অসমীয়া সমাজত ব্যৱহাৰ হোৱা বাদ্য যন্ত্রৰ বিষয়ে সূর্যখৰি দৈৱজ্ঞই দৰং ৰাজবংশাৱলীত উল্লেখ কৰিছে[৮৪]।

---

৮৩ বিৰিঞ্চি কুমাৰ বৰুৱা, অসমৰ লোক সংস্কৃতি, পৃঃ ২০৩, ২০৪, ২০৬, ২০৭

৮৪. (ক) শঙ্খ ঘণ্টা কৰতাল দুন্দুভি বজাৱে ভাল
ঢাক ঢোল ডগৰা নাগাৰা।
ৰামবেনা কবিলাস যাহাৰা মধুৰভাষ
খঞ্জৰীক মোহৰী দোতাৰা।।
ৰবাব সাৰিগু বাংশী ঝিলি ঝিঞ্জিৰিকা ৰাশি
ৰুদ্র টোকাৰী বাৱে তুডি।
মৃদঙ্গ মন্দিৰা খোল ধোমচিৰ শুনি ৰোল,
গোগানো যে বজাৱে মুৰুৰী।।
উপাঙ্গ যে বৰকাঙ্খ মচুৰাই বাৱে জম্ফ,
জযকালি বজাৱয় ভেৰী।
ৰামশিঙা ৰামতাল ঝোঞ্জৰা বজাৱে ভাল
গোমুখ বজাৱে উচ্চ কৰি।।
ৰীৰকালি সিংঘবান তৰল বজাৱে ঘন
পূৰয় অম্বৰ বাদ্য চয়।
পালি ৰণ শব্দ অতি দোচৰি ঢোলোক জাতি
আনো বাদ্য অসংখ্য বজায়।। উল্লিখিত পৃঃ ২০৭, ২০৮

(খ) কালিৰাম মেধি, অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব, অসম প্রকাশন পৰিষদ, Introduction III, p 89

অসমৰ লোক পৰম্পৰাত এই বাদ্যসমূহৰ প্রচলন থাকিলেও সত্রসমূহত এই সকলো বাদ্যৰ প্রচলন নাই। যিবোৰ বাদ্য আৱেগপূর্ণ লোক নৃত্যত আৰু ৰণস্থলীত ব্যৱহাৰ কৰা হৈছিল তেনে বাদ্য যন্ত্র সত্রত ব্যৱহৃত নহয়। সত্রত ব্যৱহৃত বাদ্য যন্ত্র মূলতঃ ধর্মীয় অনুষ্ঠান আৰু মাঙ্গলিক কর্মত ব্যৱহাৰ হোৱা বাদ্য। ৰমানন্দ দ্বিজৰ চৰিত পুথিত সেই সময়ত ডেবেৰাপাৰ সত্রত ব্যৱহাৰ হোৱা বাদ্য যন্ত্রৰ উল্লেখ পোৱা যায়। গোৱিন্দ মূর্তি আৰু মদন গোপাল উভয় মূর্তিকে একেলগে আদৰণি জনোৱাত যি বাদ্যৰ ব্যৱহাৰ কৰিছিল তাৰ বিস্তৃত পৰিচয় এই চৰিত পুথিত আছে[৮৫]। এই বিৱৰণৰ পৰা সত্রত উপাসনাৰ ক্ষেত্রত দগল, ঢোল, মৃদঙ্গ, শিঙ্গা, বংশী, বৰকাঁহ, মাদল, কেৰেলি, শঙ্খ, ঘণ্টা, কাহাল, মহৰী, বীণা, দলবেণু, পাককালি বাদ্যৰ ব্যৱহাৰ সম্বন্ধে জানিব পাৰি। 'চিহ্নযাত্রা' কৰাৰ সময়ত শঙ্কৰদেৱে যি খোল[৮৬] সাজি উলিয়ালে, এই খোল সত্রীয়া নৃত্য-

---

৮৫ 'অনেক দগল ঢোল বারে ঠাই ঠাই।
ঠারে ঠারে গীত বাদ্য মৃদঙ্গ বজাই।।
বহুতৰ লোকে যাই শিঙ্গা বংশী বাই।
কতো কতো চলে বৰকাংসক কোবাই।।
মাদল কেৰেলি বারে নাচে ঠাই ঠাই।
তাৰ ছেরে নট নটী নৃত্য কৰে যাই।।
ঠাযে ঠাযে বৈষ্ণৱসকলে নাম গারে।
কতো কতো শঙ্খধ্বনি কতো ঘণ্টা বাই।
গোৱিন্দ গোপাল দুইকো আৱৰিযা যাই।।
অধিকাৰী সরে চলে হয হস্তী যানে।
কাহাল মহৰী বীণা বারে স্থানে স্থানে।।
দলবেণু পাতকালি বারে কতো ঘনে।
ঝুমাঝুমি উৰুলি দিৱয নাৰীগণে।।
ৰমানন্দ দ্বিজ, শ্রীশ্রীবংশী গোপাল দেৱৰ চৰিত্র, পৃঃ ১০৫

৮৬ (ক) এহি বুলি পাছে যেবে সবে আছে
শঙ্কৰে গুণিলা মনে।
কপিলী মুখত কুমাৰ আছয
শুনো করে সর্বজনে।।
খোল গটিবাক বোলো শুনা তাক
চাল কিনি পঠাই দিযা।
তেতিক্ষণে কাষ্ঠ এক ডাল আনি
সাজিল আনন্দ হযা।।
ৰামচৰণ ঠাকুৰ, গুৰু চৰিত, পৃঃ ৩১৭, ৩১৮
(খ) গুৰু চৰিত কথাতো এই বিষযে বিৱৰি লিখিছে। সম্পা মহেশ্বৰ নেওগ, পৃঃ ৩১

গীতৰ মূল বাদ্য। অসমীয়া সমাজত মৃদঙ্গৰ ব্যৱহাৰ থাকিলেও বর্তমান ব্রহ্মসংহতিৰ সত্রসমূহত এই বাদ্যৰ ব্যৱহাৰ নাই। অৱশ্যে শঙ্কৰ মাধৱৰ সময়ত মৃদঙ্গৰো যে ব্যৱহাৰ আছিল সেই কথা মাধৱদেৱৰ বৰগীতৰ যোগেদি জানিব পৰা যায়। বৰগীতৰ সেই পদ ফাঁকিতেই তাঁৰ জাতীয় বাদ্য আৰু মন্দিৰাৰ ব্যৱহাৰৰ কথাও জানিব পাৰি। সেই পদফাঁকি হ'ল ঃ

ৰুদ্রক বিলাস বিপঞ্চীৰবাব
শাৱোদ স্বৰ মণ্ডলে।
মধুৰ মৃদঙ্গ মন্দিৰা উপাঙ্গ
বহু বাদ্য সুমঙ্গলে।।[৮৭]

সত্রত বাদ্য ব্যৱহাৰৰ বিভিন্ন ভাগ আছে। ইযাৰ ভিতৰত নিত্য প্রসঙ্গ আৰু নৈমিত্তিক প্রসঙ্গত, ভাওনাত, পূজা-সেৱাত, শ্রাদ্ধ অনুষ্ঠানত, বিবিধ জাননী দিযা মুহূর্তত বাদ্যৰ ব্যৱহাৰ থাকে। সত্রত সততে খোল, তাল, মঞ্জিৰা আৰু ডবাৰ ব্যৱহাৰেই অধিক। বিবিধ অনুষ্ঠানত আৰু ভাওনাত শংখ, ঘণ্টা, ঢোলক, বীণা, কৰতাল আদি বাদ্য যন্ত্রও ব্যৱহৃত হয। সত্রীযা বাদ্যৰ নিৰূপিত তাল বন্ধা থাকে আৰু অনুষ্ঠানৰ প্রকৃতি অনুসৰি বাদ্যৰ ব্যৱহাৰ আৰু তালৰ পৃথকতাও ঘটে।

৫. আধ্যাত্মিক লক্ষ্যৰ লগত সাংস্কৃতিক কর্মসমূহৰ সম্পর্ক

সত্রত যিকোনো উপলক্ষ্য লৈ পতা সাংস্কৃতিক অনুষ্ঠানসমূহ আধ্যাত্মিক লক্ষ্যৰ লগত জড়িত। সাধাৰণতে উৎসৱ পর্বত ভাওনা, নৃত্য, গীত আৰু বাদ্য অপৰিহার্য। এই সকলো কর্মতে মূলতঃ আধ্যাত্মিক চিন্তা অনুৰণিত হৈ থাকে। এখনি ভাওনা কোনো উদ্দেশ্য লৈ পাতিলেও ভাওনাৰ মূল শিক্ষা ভগৱৎ ভক্তিৰ মহিমা প্রকাশ কৰা। ভাওনাৰ বিষয়বস্তু কৃষ্ণ-কেন্দ্রিক। ভগৱৎ ভক্তি প্রকাশৰ বাবেই ভাওনাৰ বিবিধ চৰিত্রৰ কার্য, ঘটনা, সংলাপ, নৃত্য, গীত, বাদ্য আদি উপাদান সংযোগ কৰা হয। তদুপৰি একেখিনি কথাকেই বিবিধ মাধ্যমেৰে বুজাবলৈ চেষ্টা কৰা হয। ইয়াৰ ঘাই কাৰণ হ'ল, সমাজত বিবিধ শ্রেণীৰ দর্শক থাকে সেই দর্শকসকলক তেওঁবিলাকৰ নিজৰ ৰুচি অনুযাযী ৰসোপভোগ কৰিবলৈ সুবিধা দিয়া। অংকীয়া নাটৰ বিবিধ

---

৮৭ মাধৱদেৱ, বৰগীত, সম্পা হৰিনাৰায়ণ দত্তবৰুৱা, পৃঃ ১০৯

ৰসৰ বিষয়ে সন্তাৱলীত যি বিৱৰণ দাঙি ধৰা হৈছে, ইযেই তাৰ সাক্ষ্য বহন কৰে[৮৮]। অংকীয়া নাটৰ প্রথম ৰস গায়ন-বায়ন। গাযন-বাযনে যি ধেমালি পৰিৱেশন কৰে, তাৰ পৰাই সাধাৰণ শ্রেণীৰ দর্শকে সেই ৰসত আপ্লুত হৈ অংকীয়া ভাওনা দর্শন কৰে। গায়ন-বায়ন পৰিৱেশন কৰোঁতে যি পৰিৱেশ ৰচনা কৰি লোৱা হয, সিযে দর্শক আৰু শ্রোতাক আধ্যাত্মিক ভাবত নিমজ্জিত কৰায়। তেনেদৰে সূত্রধাৰ আৰু অন্যান্য নাট্য-চৰিত্রই অংগ সঞ্চালনৰ যোগেদি যি অভিনয প্রদর্শন কৰে তাতেই দর্শক আকৃষ্ট হৈ ভাওনাৰ মূল আদর্শ ভক্তি তত্ত্ব গ্রহণ কৰে, অংকীযা নাটত থকা শ্লোকৰ মাধ্যম, পণ্ডিত শ্রেণী আকর্ষণ কৰাৰ উপায, যি শ্লোক শুনিলে পণ্ডিতে সহজে তাৰ অর্থ হৃদযঙ্গম কৰি মূল ভক্তি ৰসত মন সংযোগ কৰিব পাৰে। শ্লোকৰ দৰে অংকীযা নাটৰ গীত বিশেষ শ্রেণীৰ দর্শকৰ বাবে। সেই সমযত দ্বিজ অর্থাৎ ব্রাহ্মণসকলৰ গীতৰ প্রতি ধাউতি আছিল। গীতৰ বিষযবস্তুৱে সেই শ্রেণীৰ দর্শককো মূল ৰসলৈ লৈ যায। কেৱল ব্রাহ্মণ কিয, গীতৰ প্রতি এক সুকীযা আকর্ষণ থকা শ্রোতা সমাজত নিশ্চয থাকে। সেইসকলে গীতত গভীৰ আস্থা ৰাখি অংকীযা নাট উপভোগ কৰে। অংকীযা নাটৰ ভাষা আৰু ছোঁ-মুখা এনে এটি মাধ্যম যে নিৰক্ষৰ লোকেও এই দুই মাধ্যমৰ যোগেদি ভাওনাৰ মূল বিষয়বস্তুত প্রৱেশ কৰে। দহ শিৰৰ ভাৱৰীযা বা বান্দৰৰ মুখা পিন্ধি প্রৱেশ কৰা ভাৱৰীযাৰ ক্ষেত্রত ল'ৰাৰ পৰা বুঢ়ালৈকে, সাক্ষৰ অথবা নিৰক্ষৰলোকেও ভাৱৰীযাৰ নামকৰণ নিঃসন্দেহে কৰিব পাৰে। সমাজত এনে বৃদ্ধ শ্রেণীৰ দর্শকো থাকে, যিসকলে ভাওনাৰ অন্য উপাদানৰ প্রতি আকৃষ্ট নহ'লেও কেৱল কৃষ্ণ নামৰ ৰস পান কৰি পৰম তৃপ্তি লাভ কৰে। প্রাকৃতিক দুর্যোগকো আওকাণ কৰি বহুতো বৃদ্ধ দর্শক বাটকুৰি বাই এখন গাঁৱৰ পৰা অন্য এখন গাঁৱলৈ ভাওনা চাবলৈ যায। এই হেঁপাহ কেৱল কৃষ্ণ নামৰ ধ্বনি শ্রৱণ।

---

৮৮ সপ্তৰসে নাটক ৰচনা কৰয।
শুনিযোক সপ্তবিধ ৰসৰ অন্বয।।
গাযন-বাযন সবে সভা জয কৰে।
সূত্রনাটাগণে ৰসিকৰ মন হৰে।।
পণ্ডিতে বুজিবে শ্লোক কৰিলা ৰচন।
গীত অর্থ বুজিবেক দ্বিজ সভ্যগণ।।
ব্রজাৱলী ভাষাক বুজিবে গ্রামী লোক।
ছোঁ-মুখা দেখিবাক অজ্ঞ মূঢ লোক।।
শুদ্ধ বা অশুদ্ধ তথাপিতো কৃষ্ণ নাম।
এই সপ্তৰস নাটকৰ অনুপাম।।
দ্র হৰিশ্চন্দ্র ভট্টাচার্য, অঙ্কীযা নাট্য সাহিত্যৰ জিলিঙনি, পৃঃ ১৯

ভাৱৰীয়াৰ প্ৰৱেশ আৰু দৃশ্যৰ আৰম্ভণি বা কার্য সামৰণিত অংকীয়া নাটত থকা 'নিৰন্তৰে হৰি বোল হৰি' আদি ধ্বনিয়ে অভিনয় থলীৰ সকলোকে কৃষ্ণ নাম ল'বলৈ প্ৰেৰণা যোগায় আৰু মনলৈ পৱিত্রতা আনে। গতিকে দেখা যায় যে একেখিনি বিষয়বস্তুকে বিভিন্ন মাধ্যমেৰে দর্শকক বুজোৱাৰ মূল উদ্দেশ্য হ'ল কৃষ্ণময় ভাৱনা বা আধ্যাত্মিক চিন্তাত সকলোকে নিমজ্জিত কৰা। এনে উপাদানসমূহে কেৱল আধ্যাত্মিক চিন্তাই আনযন কৰে এনে নহয়, সমাজৰ সমন্বয় আৰু সম্প্রীতিও ৰক্ষা কৰে। য'ত সকলো শ্রেণীৰ দর্শক একেলগে, একে ঠাইতে বহি ভাওনা উপভোগ কৰে আৰু সামূহিকভাৱে আধ্যাত্মিকভাবত নিমগ্ন হয়। ভাওনাত থকা সত্য, অহিংসা, দযা, প্রেম আদি নৈতিক গুণসমূহে জনসাধাৰণক আকর্ষিত কৰি আধ্যাত্মিক স্তৰত প্ৰৱেশ কৰাত সুবিধা দিযে।

ভাওনাৰ দৰে সত্রীযা নৃত্যই সমাজত বিশেষ প্রভাৱ পেলায়। নৃত্যৰ মুদ্রা প্রযোগ আৰু ভাব প্রকাশত আধ্যাত্মিক চিন্তা জডিত হৈ আছে। সত্রীযা নৃত্যত শুচি-সংযম ৰক্ষা কৰা, সদাচাৰী জীৱন পালন কৰা মুখ্য কর্তব্য। সাধাৰণতে সত্রীযা নৃত্যৰ ৰূপ কৃষ্ণ চৰিত্র বা ভক্তচৰিত্রৰ। তেনে চৰিত্রত অৱতীর্ণ হ'লেই নৃত্যকাৰে শুচি সংযম ৰক্ষা কৰিহে সেই ৰূপত ভাব-ভঙ্গী প্রকাশ কৰিব পাৰে। তেনে ৰূপৰ সাজ-সজ্জাই সকলোকে সহজতে ভক্তিসূচক ভাব আনি দিযে। সত্রীযা নৃত্য সাধাৰণতে ধর্মীয় স্থানত বা ধর্মীয পৰিৱেশ থকা ক্ষেত্রতহে পৰিৱেশন কৰে। সেয়ে নৃত্য পৰিৱেশনৰ, প্রাক্-পদ্ধতি, পৰিৱেশনৰ স্থান আদিযে নৃত্যকাৰক আধ্যাত্মিকভাবলৈ স্বাভাৱিকতে লৈ যায়। কেৱল নৃত্যকাৰৰ ক্ষেত্রতেই নহয পৰিৱেশন কৰোঁতা আৰু উপস্থিত থকা দর্শক শ্রোতাইও তেনে ভাবত সোমাই পৰে। সত্রীয়া নৈমিত্তিক প্রসঙ্গৰ অন্তর্ভুক্ত গাযন-বাযন আৰু ওজাপালি, এই দুই অনুষ্ঠান ভগৱৎ আৰাধনাৰ অন্যতম মাধ্যম। এই দুই অনুষ্ঠানৰ সাজ-সজ্জা আৰু পৰিৱেশন পদ্ধতিযে আধ্যাত্মিক লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্রত সম্পর্ক স্থাপন কৰে। গাযন-বাযনৰ যি ভৱিমান আৰু চালন প্রক্রিয়া ইযাৰ পৰিপাটি পৰিৱেশে গধু�ৰ ভাবৰ উন্মেষ ঘটায। গাযন-বাযনৰ পদ চালনাৰ লগত যি ৰাগ সঞ্চাৰিত হয় আৰু প্রসঙ্গত যি গীত পৰিৱেশন কৰা হয়, সিযে বিষয়বস্তুক গধুৰভাবলৈ লৈ যায়। ঠিক সেইদৰে ওজাপালি অনুষ্ঠানত ৰাগ শ্লোকৰ যি আৰম্ভণি, বন্দনা বা প্রার্থনা সূচক গীত গোৱা হয় আৰু যি ভগৱৎ লীলা কাহিনী বর্ণোৱা থাকে, সেই কার্যসমূহে প্রসঙ্গীয়াসকলৰ লগতে নামঘৰত উপস্থিত থকা সকলো জনৰে অন্তৰত পৱিত্রভাবৰ উদয় কৰাই আধ্যাত্মিকভাবলৈ লৈ যায়। উৎসৱ-পর্বত দিনৰ সবাহত বা ৰাতিৰ অনুষ্ঠানত পৰিৱেশন কৰা নৃত্যসমূহে একে ভাবৰেই সূচনা কৰে, যিহেতু সত্রীযা সকলো নৃত্যই ধর্মীয ভাবযুক্ত। সত্রীয়া নৃত্যত সকলো নৃত্যকাৰেই নতজানু হৈ সেৱা কৰা ভঙ্গী, কৃতাঞ্জলী

পূতহস্ত, মুদ্রা প্রয়োগ আদিয়ে ধর্মীয় ভাব সহজতে মনলৈ আনে। দর্শক শ্রোতাই তাক আন্তৰিক সমর্থন জনাই অন্তৰলৈ সহজ উপলব্ধি আনে।

সত্রত প্রযোগ হোৱা আটাইবোৰ গীতেই ভগৱৎ গুণলীলা প্রকাশক হোৱাৰ বাবে নিত্য-নৈমিত্তিক প্রসঙ্গৰ গীতসমূহে পৰিৱেশন কৰোঁতা আৰু শ্রৱণ কৰোঁতাসকলোকে ভগৱৎ ভাৱনাত উদ্বুদ্ধ কৰি তোলে। সত্রত ব্যৱহাৰ হোৱা পুৱা-প্রভাতী গীতে, সত্রস্থসকলক ভগৱৎনিষ্ঠ কৰি তোলাৰ লগতে সত্রীয়া জীৱনধাৰাত পালিব লগা কর্তব্যসমূহত কর্মমুখী কৰি তোলে। 'উঠা উঠা নন্দলাল নিশি পৰভাত ভৈল'[৮৯] এই প্রভাতী গীতৰ কথাখিনিয়ে কৃষ্ণক জাগৰণ কৰাৰ ছলেৰে ভক্ত সকলকো নিদ্রা ত্যাগ আৰু দিনৰ কর্তব্যৰ কথা সোঁৱৰাই দিযা হৈছে। ভক্ত আৰু ভগৱানৰ মাজত মধুৰ সম্পর্ক আছে, তেনে সম্পর্কত ভগৱানৰ জাগৰণী গীত ভক্তসকলৰ কাৰণে কর্তব্য সোঁৱৰণ আৰু অনুপ্রেৰণা। সেইদৰে সন্ধ্যাৰ আৰতি গীত আৰু আন প্রসঙ্গৰ গীতসমূহে ভক্তিৰ অন্যতম স্তৰ অর্চন-বন্দন প্রক্রিযা সম্পূর্ণ কৰে। যাৰ যোগেদি সত্রস্থসকলে অহর্নিশে ভগৱৎ সন্নিধান বা ভগৱৎ প্রাপ্তিৰ কামনা কৰে। সত্রৰ প্রসঙ্গীযা বা নির্দিষ্ট কর্মীসকলে নিত্য নৈমিত্তিক প্রসঙ্গসমূহ সম্পাদন কৰোঁতে নিজে তাৰ ভাগ লোৱাৰ লগতে নাম-কীর্তন আৰু গীত বাদ্যৰ ধ্বনি উৎপাদন কৰি সত্রস্থ সকলোকে শ্রৱণ-কীর্তনৰ সুযোগ দিযে। সেয়ে ভগৱৎ প্রেমীসকলে সত্রীয়া জীৱন-যাপনৰ হেঁপাহ লৈ সত্রত বাস কৰাৰ ইচ্ছা কৰে। যিহেতু সত্রধাৰ্মত বাস কৰিলে শ্রৱণ-কীর্তনৰ অংশ পোৱাটো নিশ্চিত। লগতে সত্রৰ পৰিত্র পৰিৱেশে আধ্যাত্মিক ভাবত অগ্রসৰ হ'বলৈ মানসিক উৎসাহ যোগায়। সংগীতে মাধুর্য আৰু সৌন্দর্যৰ সন্মিলন ঘটায়। সত্র অনুষ্ঠান সাংগীতিক পৰিৱেশৰ অনুষ্ঠান। দৈনন্দিন জীৱন সংগীতৰ মাধ্যমেৰে সত্রস্থজনে ভগৱৎ উপাসনা কৰে। নৃত্য-গীতৰ উপৰিও নাম-প্রসঙ্গ, ভাগৱত পাঠ এই সকলোতে সাংগীতিক পৰিৱেশ আনি ব্যক্তিক তন্ময় কৰি তোলে। তেনে তন্ময় তথা একনিষ্ঠ ভাবত নিজৰ চৰম উদ্দেশ্য সম্পন্ন কৰিব পাৰে। সত্রস্থসকল যিহেতু মোক্ষকামী, ভগৱৎ সন্নিধান প্রযাসী, সেযে সত্রৰ জীৱনধাৰাত সোমাই আধ্যাত্মিক লক্ষ্যত উপনীত হোৱাৰ বাবে সত্রীযা জীৱনধাৰাৰ সাংস্কৃতিক কর্তব্যসমূহ পালন কৰে।

সত্রত ব্যৱহৃত হোৱা বিবিধ বাদ্য এনে লক্ষ্যৰ আন এক মাধ্যম। সত্রত ব্যৱহৃত হোৱা বাদ্য সাধাৰণতে মাঙ্গলিক বাদ্য। বিবিধ কার্যত বাদ্য ব্যৱহাৰ হয়। পূজা-সেৱাত *ঘণ্টা, কাঁহ, শঙ্খ, ৰৱতাল, নামপ্রসঙ্গত ৰৱতাল, গায়ন-বায়নৰ প্রসঙ্গত খোল-তাল,* আৰতিগীত, প্রভাতী গীতত খোল-তাল আৰু ওজাপালি গীতত মঞ্জিৰা ব্যৱহাৰ কৰে। পূজা-সেৱাত ব্যৱহাৰ কৰা শঙ্খ-ঘণ্টাৰ ধ্বনিযে মনত যথার্থতে ধর্মীয়ভাব জগাই তোলে, যিহেতু এনে বাদ্য এক নির্দিষ্ট মাঙ্গলিক কর্মত ব্যৱহাৰ হয় বুলি সকলোৱে জানে। শঙ্খ-

ঘণ্টাৰ ধ্বনি শুনিলেই পূজা সেৱাৰ কার্য চলিছে বুলি ধাৰণা কৰি অন্তৰলৈ পৱিত্র ভাব গোটাই আনে। সেইদৰে নাম প্রসঙ্গৰ সামৰণিত আৰু সন্ধ্যাৰ আৰতিত ডবাৰ মাত শুনাৰ লগে লগে যি য'তেই নাথাকক কিয, ধর্মীয় ভাৱাপন্ন সকলো ব্যক্তিয়ে থকা ঠাইৰপৰাই মহাপ্রভুলৈ শ্রদ্ধাৰে সেৱা জনায়। নামৰ আৰম্ভণিৰ কাঁহৰ ধ্বনিয়েও বৈষ্ণৱসকলক অর্চন-বন্দন, শ্রৱণ-কীর্তনৰূপ নাম-প্রসঙ্গত ব্রতী হ'বলৈ সজাগ্ কৰে। এনে সজাগতাত ভগৱৎ ভাৱনা সংলগ্ন হৈ পৰে। তেনেদৰে ভাওনাৰ গায়ন-বায়ন, নিত্য-নৈমিত্তিক গাযন-বাযনৰ প্রসঙ্গত খোল-তালৰ ধ্বনিযে সকলোকে পৱিত্র কার্যৰ সন্ধান দিয়ে আৰু অন্তৰত পৱিত্র ভাবৰ উদ্রেক কৰে। সত্রাধিকাৰৰ প্রযাণ কালত, অম্বুবাচী নিবৃত্তিৰ সমযত ডবা বজোৱাৰ যি ৰীতি সি সাংকেতিক ধ্বনিৰূপে প্রতীযমান হ'লেও সেই সমযৰ এই বাদ্য-ধ্বনিযে অন্তৰত পৱিত্রতাৰ ভাব জগাই তোলে। বিভিন্ন উৎসৱত ব্যৱহাৰ কৰা কালী, ভেৰীৰ ধ্বনিয়ে এক গাম্ভীর্যভাবৰ উদয় কৰে। এনেভাবে ধর্মীয় চিন্তালৈ লৈ যোৱাত সহায় কৰে। নিত্য-নৈমিত্তিক প্রসঙ্গ আৰু সাংস্কৃতিক অনুষ্ঠানত ব্যৱহাৰ কৰা বাদ্য-ধ্বনিয়ে আধ্যাত্মিকভাব আনয়নত মুখ্য ইন্ধন যোগায়। নৃত্য, গীত, বাদ্য, ভাওনা আদিৰ প্রতিটো অংগৰ প্রাথমিক চর্চা কৰিবলৈ যাওঁতে ইয়াৰ প্রতি থকা আন্তৰিক শ্রদ্ধা আৰু ব্যৱহাৰিক ৰীতিসমূহে প্রথমতেই মনটোক ঈশ্বৰমুখী কৰি তোলে।

০০০

অষ্টম অধ্যায়

উপসংহাৰ

একাদশ শতিকাৰ পৰা চতুৰ্দশ শতিকাৰ ভিতৰত ভাৰতবৰ্ষত জন্ম আৰু বিকাশ লাভ কৰা নৱবৈষ্ণৱ আন্দোলনে ভক্তি ধৰ্ম স্থাপন কৰিলে। ভক্তি ধৰ্মৰ ঘাই আধাৰ হ'ল ভাগৱত পু�ৰাণ। ভাগৱত পুৰাণ ৰচিত হৈছিল নৱম শতিকাত দক্ষিণ ভাৰততে। দক্ষিণ ভাৰতৰ তামিলসকলৰ মাজত আলৱাৰ সকলেই কৃষ্ণক উপাস্য দেৱতা হিচাপে গ্ৰহণ কৰি ভক্তিধৰ্ম আৰম্ভ কৰাৰ বাবে প্ৰেৰণা লাভৰো এয়ে উৎস বুলিব পাৰি।

অসমলৈ শংকৰদেৱেই ভক্তি ধৰ্মৰ সোঁতটি বোৱাই আনিলে। তেওঁৰ লগত মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ, বংশী গোপালদেৱ আৰু গোপালআতাই এই সোঁতটি চাৰিওফালে বোৱাই নিয়াত গ্ৰহণ কৰা ভূমিকাই অসমৰ সামাজিক সাংস্কৃতিক জীৱনৰ নতুন অধ্যায় আৰম্ভ কৰিলে। অসমৰ সত্ৰানুষ্ঠান এই সন্তসকলৰ যত্নতে গঢ লৈ উঠিল। বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে প্ৰতিষ্ঠিত অসমৰ সত্ৰসমূহ সমগ্ৰ ভাৰতবৰ্ষতে আনকি সমগ্ৰ বিশ্বতে একক অনুষ্ঠান। অনেকে বৌদ্ধ সংঘাৰামসমূহৰ লগত তুলনা কৰিব খুজিলেও বৌদ্ধ সংঘাৰাম আৰু অসমৰ সত্ৰানুষ্ঠানৰ মাজত দুস্তৰ পাৰ্থক্য আছে। তদুপৰি ভাৰতবৰ্ষৰ আন কোনো ধৰ্ম পদ্ধতিত গুৰু, দেৱ, নাম, ভকত এই চাৰি বস্তুৰ একত্ৰ আৰু সংযুক্ত অৱস্থান নাই।

অসমৰ সত্ৰানুষ্ঠানসমূহে সংগঠিত আৰু শৃংখলিত ৰূপত ব্যক্তি ধৰ্মৰ আন্দোলন গটি তুলিলে। তদুপৰি সত্ৰসমূহ ধৰ্মপ্ৰচাৰৰ কেন্দ্ৰ হৈ উঠাৰ উপৰিও অসমৰ সমাজ-জীৱনৰ বিদ্যায়তনিক আৰু সাহিত্য সংগীতকে ধৰি চৰ্চাৰ কেন্দ্ৰ হৈয়ো উঠিল, আৰু অনেক বিৱৰ্তন ঘটিলেও এতিয়াও সত্ৰসমূহে সেই ভূমিকা পালন কৰি আহিছে। সত্ৰসমূহে অসমৰ সমাজ জীৱনৰো নতুন সংগঠন সম্ভৱপৰ কৰি তুলিলে। সেইবাবে কেৱল আধ্যাত্মিক, বিদ্যায়তনিক আৰু শৈল্পিক-চৰ্চা আৰু অনুশীলনৰ কেন্দ্ৰ হিচাপেই নহয়, সমাজ-সংগঠনৰ কেন্দ্ৰ হিচাপে সত্ৰসমূহে গ্ৰহণ কৰি অহা ভূমিকাও বিশেষভাৱে

প্রণিধানযোগ্য। সত্রসমূহে আধ্যাত্মিক, নৈতিক সামাজিক আৰু সাংস্কৃতিক মূল্যবোধ সৃষ্টি কৰাত আৰু বিকশাই তোলাত গ্রহণ কৰা ভূমিকা সমাজ বিজ্ঞানৰ ফালৰ পৰাও অত্যন্ত গুৰুত্বপূর্ণ। সমাজৰ তৃণমূল পর্যায়ৰ লোকসমষ্টিক ভক্তিধর্মৰ বৃত্তৰ মাজলৈ সুমুৱাই আনি সত্রসমূহে অসমৰ সামাজিক সাংস্কৃতিক ইতিহাসৰ নতুন অধ্যায় ৰচনা কৰিলে। শংকৰদেৱ-মাধৱদেৱ, দামোদৰদেৱ আৰু হৰিদেৱ এই চাৰিগৰাকী সন্ত প্রমুখ্যে মহাপুৰুষসকলৰ জীৱনবৃত্তৰ লগত ভক্তিধর্ম আন্দোলনৰ আৰু সত্রৰ ইতিহাস অবিশ্লিষ্ট হৈ আছে। একেদৰে সত্রৰ ইতিহাসৰ লগত অবিচ্ছেদ্য ভাৱে সংযুক্ত হৈ আছে অসমৰ যোৱা পাঁচশ বছৰৰ সামাজিক আৰু সাংস্কৃতিক ইতিহাস। এই ফালৰ পৰাও সত্রসমূহৰ ভূমিকা এতিয়াও বিস্তৃত অধ্যয়নৰ বিষয় হৈ আছে।

শংকৰদেৱৰ তিৰোভাৱৰ পিছত সত্রসমূহ চাৰিটা সংহতিত বিভাজিত হ'লেও সংহতি আৰু অঞ্চলভেদে বাহিৰৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰৰ কিছু পৃথকতা ঘটিলেও মূল লক্ষ্য আৰু উদ্দেশ্য আৰু মূল গাঁঠনিৰ কোনো মৌলিক পৃথকতা ঘটা নাই। চাৰিও সংহতিৰ মূল আধাৰ ভাগৱত-পুৰাণ, মূল উপাস্য দেৱতা ৰাধাবিহীন কৃষ্ণ; ভক্তিৰ মূল ভাৱধাৰা হ'ল দাস্যভক্তি, মাধ্যম হ'ল শ্রৱণ আৰু কীর্তন। শ্রৱণ-কীর্তনৰ লগত সংযুক্ত হ'ল নৃত্য-গীত সমন্বিতে কৃষ্ণলীলাৰ অভিনয় দর্শন।

ধর্মৰ তিনিটা ঘাই উপাদান হ'ল, ধর্মৰ তত্ত্ব, প্রকাশ কৰা আখ্যান আৰু ধর্মৰ পালনীয় আচাৰ নীতি। তত্ত্ব জ্ঞানৰ বস্তু। আখ্যানসমূহে তত্ত্বক জ্ঞানৰ বিচাৰৰ বস্তু কৰি নাৰাখি ভক্তিৰ বিশ্বাসৰ বস্তুলৈ ৰূপান্তৰ কৰিছে আৰু আচৰণীয় আৰু পালনীয় নীতি, নিয়ম তথা অনুষ্ঠানসমূহে ধর্মৰ বিশ্বাসৰ পথটি আটিল আৰু সুগম কৰি তুলিছে। ধর্মত প্রৱেশৰ এয়ে পথ। নিত্য আৰু নৈমিত্তিক কর্ম আৰু উদ্‌যাপিত উৎসৱ-পর্বসমূহৰ সেই ৰাবে ব্যৱহাৰিক আৰু মানসিক দুয়োটি ভূমিকা আছে। অর্থাৎ নিত্য-নৈমিত্তিক কর্ম আৰু অনুষ্ঠানসমূহে এহাতে ভক্তসকলক মানসিক ভাৱে ভক্তিৰ প্রতি দায়বদ্ধ দায়িত্বশীল কৰি তোলে আৰু আনহাতে পালনীয় আচৰণৰ যোগেদি ব্যৱহাৰিক শিক্ষা প্রদান কৰে। নির্দিষ্ট পর্বৰ উদ্দেশ্য যিয়েই নহওক সত্রত অনুষ্ঠিত হোৱা নৈমিত্তিক যিকোনো অনুষ্ঠানতেই সামূহিক মঙ্গলৰ অর্থে প্রার্থনা থাকে। এই প্রার্থনাৰ জৰিয়তে বিশেষকৈ পালনামৰ সুদীর্ঘ আশীর্বাদৰ চলেৰে সবাতো বিষ্ণু বুদ্ধিৰ উপদেশ দিয়া হয়। তিথি পর্ব উপলক্ষ্যে অনুষ্ঠিত হোৱা নৈমিত্তিক যিকোনো অনুষ্ঠানতেই সামূহিক মঙ্গলৰ অর্থে প্রার্থনা থাকে। এই প্রার্থনাৰ জৰিয়তে বিশেষকৈ পালনামৰ সুদীর্ঘ আশীর্বাদৰ চলেৰে সবাতো বিষ্ণুবুদ্ধিৰ উপদেশ দিয়া হয়। তিথি পর্ব উপলক্ষ্যে অনুষ্ঠিত হোৱা অংকীয়া ভাওনাৰ সূত্রধাৰৰ বচনত দর্শক শ্রোতাক সম্বোধি যি বচন কোৱা হয় 'শ্রৱণে মুক্তি সাধকম্', 'নিৰন্তৰে হৰি বোল হৰি' ইত্যাদি বচন প্রয়োগৰে ভাওনাৰ কথা বস্তু শ্রৱণত সকলোৰে মুক্তি কামনা

কৰা আৰু এই সাধনা পৰিপূর্ণৰ বাবে তৈলবৎ অর্থাৎ মাজত ব্যৱধান নথকাকৈ নিৰন্তৰ হৰি নামৰ ধ্বনি উচ্চাৰণ কৰিবলৈ কোৱা হৈছে। এই কথা প্রমাণিত হৈছে যে সত্রীয়া জীৱনত নিত্য-নৈমিত্তিক কর্ম আৰু উৎসৱ-পর্বত অনুষ্ঠানসমূহে অত্যন্ত গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰিছে। এইখিনি আঁতৰাই থৈ সত্রীয়া জীৱন-যাপন আৰু ধর্মপালনৰ কথা বিচাৰ কৰা সম্ভৱপৰ নহয়। সত্রসমূহত পালিত উৎসৱ-পর্বসমূহৰ প্রত্যেকৰে একোটি নিহিত তাৎপর্য আছে। মুখ্যতঃ নিজস্ব সংহতিৰ ধাৰাৰে ভক্তি ধর্মৰ শিক্ষা প্রদানেই ইবিলাকৰ ঘাই লক্ষ্য। অসমৰ সত্রসমূহৰ ঘাই শিক্ষা একে। কিন্তু সংহতিৰ ভেদে উৎসৱ অনুষ্ঠানসমূহৰ প্রকাৰগত, ৰীতিগত আৰু গুণগত পৃথকতা আছে। যিহেতু এই উৎসৱ অনুষ্ঠানসমূহ সম্পূর্ণভাৱে ধর্ম-কেন্দ্রিক এতেকে সর্বভাৰতীয় স্তৰৰ পৰা অহা উৎসৱ অনুষ্ঠানেই হওক বা স্থানীয় লোক জীৱনৰ পৰা গৃহীত উৎসৱ অনুষ্ঠানেই হওক সিবিলাকৰ প্রাথমিক উৎস আৰু তাৎপর্যৰ বিচাৰৰ পৰিৱর্তে সত্রত এনে উৎসৱ অনুষ্ঠানসমূহ উদ্‌যাপন কৰোঁতে কি দৃষ্টিৰে কৰা হয় আৰু ইবিলাকত কি তাৎপর্য আৰোপ কৰা হয় সিহে সত্রৰ বাবে গুৰুত্বপূর্ণ। সকলো কর্মতে যাতে আধ্যাত্মিক, নৈতিক, আৰু সামাজিক মঙ্গলৰ ভাব জড়িত হৈ থাকে তাৰ প্রতি সততে চকু ৰখা হয়। সত্রৰ জীৱন-যাত্রাৰ পদ্ধতি সত্রৰ সাংস্কৃতিক সকলো কর্ম, এনে লক্ষ্য-কেন্দ্রিক। তদুপৰি সকলো কর্মতে জড়িতসকলৰ সার্বিক মঙ্গলৰ বাঞ্ছা জড়িত হৈ থাকে। এক কথাত ক'বলৈ গ'লে সত্রীয়া উৎসৱ-পর্বসমূহৰ বিচাৰ বিশ্লেষণেই সত্রীযা জীৱনচর্যাৰ পৰিচয় দাঙি ধৰিছে। তদুপৰি উৎসৱ-পর্বসমূহত নিহিত তাৎপর্যই দেখুৱাইছে ইবিলাকৰ লগত কেনেভাৱে আধ্যাত্মিক, নৈতিক আৰু সামাজিক লক্ষ্য জড়িত হৈ আছে।

এই অধ্যয়নে এই কথা প্রতীয়মান কৰিছে যে সত্রীয়া জীৱন-যাত্রাৰ পদ্ধতিৰ লগত অসমৰ বৈষ্ণৱ ধর্মৰ তত্ত্ব আৰু লক্ষ্য নিহিত হৈ আছে। পুৱা শয্যা ত্যাগ কৰাৰ পৰা ৰাতি শয্যা গ্রহণ কৰালৈকে সত্রীয়া জীৱন যে নির্দিষ্ট নীতি-নিয়মৰ দ্বাৰা নিয়ন্ত্রিত আৰু শৃংখলিত সেই বিষয়টো তর্কাতীতভাৱে প্রমাণিত হৈছে। মন কৰিব লগীয়া এয়ে যে সত্রৰ ভক্তসকলৰ জীৱন পাৰিবাৰিক বন্ধনৰ পৰা মুকলি হ'লেও সামাজিক জীৱনৰ বন্ধনৰ পৰা মুক্ত নহয়। সত্রীয়া জীৱন ব্রহ্মচর্য ব্রতীৰ জীৱন; কিন্তু এই জীৱন যোগী তপস্বী বা সন্ন্যাসীৰ জীৱন নহয়। ই এক সাধনা লব্ধ জীৱন। সত্রীয়া জীৱন ধাৰাতো এখনি সংসাৰ আছে। কিন্তু ই আধ্যাত্মিক সংসাৰ। এই সংসাৰৰ পত্নীৰ নাম সাধনা। দুটা ল'ৰা-ছোৱালীৰ কল্পনাৰে সাধনাৰ গর্ভত জ্ঞান আৰু ভক্তিৰ অংকুৰণ কৰি ইয়াৰ পূর্ণ বিকাশ কৰাৰ যি প্রয়াস ইয়েই হ'ল সত্র-সংসাৰৰ মূল লক্ষ্য। সত্রস্থসকলে নিজে ইয়াৰ আত্মস্বাদ লোৱাৰ উপৰিও আনকো ইয়াৰ সমভাগী কৰা এই জীৱন-ধাৰাৰ অন্যতম উদ্দেশ্য। হাটীত থকা ভক্তসকলৰ জীৱন এটি বৃহৎ সংঘবদ্ধ জীৱন আৰু এই জীৱন

সমষ্টিগত নীতি আৰু মূল্যবোধৰ দ্বাৰা কঠোৰভাৱে নিয়ন্ত্রিত আৰু পৰিচালিত। সত্রৰ হাটীৰ ভকতসকলে পোষ্যপুত্র গ্রহণ কৰা, পোষ্যপুত্রই পোষক পিতৃৰ মৃত্যুত সংস্কাৰৰ সকলো কর্ম কৰা আদিৰ মাজত পাৰিবাৰিক জীৱনৰ দায়িত্বৰ শিক্ষাও জড়িত হৈ আছে। ইয়াৰো এটি সামাজিক তাৎপর্য আছে। সমাজ বিজ্ঞানে প্রাথমিক স্তৱতে ব্যাখ্যা কৰি দেখুৱাইছে যে পৰিয়ালেই হ'ল সামাজিক গাঁথনিৰ প্রথম স্তৱ। মানুহক দৰাচলতে তাৰ সামাজিক জীৱনৰ পৃষ্ঠভূমিৰ পৰা বিচ্ছিন্ন কৰি চাব নোৱাৰি। তদুপৰি মানুহৰ জন্মৰ পৰা মৃত্যুলৈকে সকলো অভিজ্ঞতাই সামাজিক। সত্রৰ হাটীৰ ভকতসকলৰ জীৱন যাত্রাৰ পদ্ধতিৰ মাজত এহাতে সাংসাৰিক জীৱনৰ প্রতি নির্লিপ্ত-হোৱাৰ আৰু অন্যহাতে সামাজিকভাৱে দায়বদ্ধ হোৱাৰ দুইটা শিক্ষা দান কৰা হৈছে। প্রত্যেক হাটীত থকা যি অনুশাসন, হাটীৰ প্রাথমিক যি বিচাৰ-ব্যৱস্থা, হাটীত বসবাস কৰোঁতে যি সংঘবদ্ধতা আৰু হাটীৰ ভিতৰত বাস কৰোঁতে এটা গোটৰ যি ঐক্য, ই সত্রৰ প্রাথমিক সাংগঠনিক ৰূপ। ই সত্রীয়া সামূহিক সাংগঠনিকতাৰ প্রধান সহায়ক। হাটীয়ে হাটীয়ে যেতিয়া ভাওনা সবাহ পাতে ইয়াতেই ঐক্য-সম্প্রীতি বিশেষভাৱে গঢ় লয়। চাৰিও হাটীৰ এই সম্প্রীতিয়েই একীকৰণ হৈ সংহতিৰ ৰূপ দিয়ে। তাৎপর্যপূর্ণ বিষয় নিজাববীয়া কার্য এটা হাটীয়ে কৰিলেও সেই কার্য সম্পন্ন হয় সত্রৰ সামূহিক স্থান নামঘৰত। নামঘৰত গুৰু, দেৱ, নাম, ভকতৰ সামূহিক আশ্রয়তহে নির্দিষ্ট কার্য সম্পাদিত হয়, তেতিয়া এটা গোটৰ কর্ম হৈ নাথাকে। সেই সময়ত গোটসমূহ এটা কেন্দ্রীয় গোটত লীন হয়। সত্রীয়া জীৱন-যাত্রাই এটা সামূহিক জীৱনবোধ গঢ়ি তোলাত যে বিশেষ ভূমিকা গ্রহণ কৰি আহিছে এনে কার্যপদ্ধতিসমূহ ইয়াৰ প্রকৃষ্ট নিদর্শন।

মন কৰিব লগীয়া বিষয় সত্রৰ নিত্য-নৈমিত্তিক কার্যত ভাগ লওঁতে নামঘৰত ধ্বনিত হোৱা কাঁহ, ডবা, খোল, বৰতালৰ নির্দিষ্ট ধ্বনি অনুসৰণ কৰি বৈষ্ণৱসকলে কর্ম সম্পাদন কৰে যাৰ যোগেদি চৈধ্য প্রসঙ্গৰ নিৰবচ্ছিন্ন ক্রম অক্ষুণ্ণ ৰখা হয়। প্রসঙ্গসমূহৰ এনে ধাৰাবাহিকতাই বৈষ্ণৱ সমাজৰ সাংগঠনিকতাৰ কথা সোঁৱৰাই দিয়ে। নিগুণ ব্রহ্ম নামৰ উপাসনা সবার্থ সাধক হোৱাৰ বাবে তেনে ক্ষেত্রত সকলোৰে অংশ গ্রহণৰ প্রয়োজনীয়তাত সত্রস্থ সকলোকে ইয়াৰ অংশীদাৰ কৰিবলৈ নৈমিত্তিক বিশেষ প্রসঙ্গত 'হৰি হৰি' কৰি হাটী মতা বা বৰাৰ যোগেদি জনোৱা বিনীত সামূহিক আৱেদন সত্রৰ কর্তব্য আৰু আধ্যাত্মিক জীৱন-যাপনৰ বাবে জনোৱা ই চৰম নির্দেশনা। ভাৰতবর্ষৰ আন কোনো মঠ, মন্দিৰ বা ধর্মানুষ্ঠানৰ জীৱন-যাত্রাৰ পদ্ধতিৰ মাজত এনে তত্ত্ব বা শিক্ষা এনেভাৱে নিহিত হৈ থকাৰ কথা জনা নাযায়।

এই কথাও সমানেই গুৰুত্ব সহকাৰে বিচার্য যে অসমৰ সত্রীয়া কর্ম আৰু উৎসৱ-পর্ব বিলাক যেনেভাৱে কোনো সংঘাত নোহোৱাকৈ ব্যক্তি আৰু সমষ্টিৰ জীৱনৰ লগত

সংযুক্ত হৈ আছে, তেনেভাৱে সমানে সংযুক্ত হৈ থকাৰ নিদর্শন একে ৰূপত ক'তো দেখা নেযায়। সত্রীয়া-উৎসৱ-পর্বসমূহক, (১) নিত্য আৰু নৈমিত্তিক কর্ম, (২) সামাজিক উৎসৱ, (৩) বাৎসৰিক তিথি আৰু (৪) আনুষ্ঠানিক উৎসৱ — এই চাৰিটা ভাগত ভগাই লৈ বিশ্লেষণ কৰি দেখা গ'ল, প্রতিটো ভাগ এহাতে স্বয়ং সম্পূর্ণ অথচ আনহাতে ইটোৰ লগত সিটো অবিচ্ছেদ্যভাৱে সম্পর্কিত। তদুপৰি, নিত্য-নৈমিত্তিক কর্ম আৰু উৎসৱ-পর্ব বিলাকক ব্যৱহাৰিক দৃষ্টিকোণৰ পৰা দুই ভাগত ভগাব পাৰি: (১) ব্যক্তিগত নিত্য-নৈমিত্তিক কর্ম আৰু (২) সমষ্টিগত কর্ম আৰু উৎসৱাদি। কিন্তু এনে বিভাজনো পানী নসৰকা নহয়; বৰং ইটোৰ লগত সিটো সংযুক্ত হৈ থাকে। তিথি, বাৰ, নক্ষত্রাদি অনুসৰি পালিত ব্রত-উপবাসাদি যিদৰে ব্যক্তিগত, তেনেভাৱে সমষ্টিগতও। তিথি-বাৰ, নক্ষত্রাদি পালনৰ ক্ষেত্রত যিদৰে আধ্যাত্মিক আৰু শাৰীৰিক তথা মানসিক বিষয জড়িত, তেনেদৰে ইবিলাকৰ গুৰুত্ব আৰু প্রয়োজনীয়তা পূৰণৰ কাহিনীৰ লগত দেখুওৱা সম্পর্কৰ সৈতে উত্থাপিত। অর্থাৎ মন আৰু শৰীৰ দুয়োটাকে ধর্মাচৰণৰ বাবে উপযুক্ত কৰি তোলাৰ লক্ষ্য আগত ৰাখি এনে নিত্য আৰু নৈমিত্তিক কর্মসমূহ পৰিকল্পিত হৈছে আৰু উদ্‌যাপিত হৈ আহিছে। লগতে আধ্যাত্মিক, আদিদৈৱিক, আদিভৌতিক তাপৰ পৰা শৰীৰ আৰু মনক ৰক্ষা কৰিবলৈ আনুষ্ঠানিক কর্মত গুৰুত্ব দিয়া হৈছে। এনে কর্মসমূহৰ লগত যুক্ত হৈছে স্থানীয় প্রাকৃতিক, ভৌগোলিক লোক-পৰম্পৰাগত বৈশিষ্ট্য অনুসৰি পালনীয় ৰীতি অথবা নীতি। সামাজিক মাংগলিক ভাব ইয়াৰ মাজত সদাজাগ্রত হৈ থাকে।

অসমৰ সমাজ জীৱন এক মিশ্রিত সমাজ-জীৱন। কিৰাত, নিষাদ, আল্‌পাইন আদি বিভিন্ন নৃ-গোষ্ঠীৰ সংমিশ্রণত হাজাৰ হাজাৰ বছৰৰ ঐতিহাসিক প্রক্রিয়াৰ মাজেদি গঢ লৈ উঠিছে অসমৰ সমাজ জীৱন। এতেকে ইতিহাসৰ বেলেগ বেলেগ সময়ত প্রব্রজন কৰি অহা বিভিন্ন নৃ-গোষ্ঠী আৰু ভাষা গোষ্ঠীয়ে লৈ অহা বিভিন্ন সামাজিক, সাংস্কৃতিক, অর্থনৈতিক উপাদান, বিভিন্ন বিশ্বাস আৰু সংস্কাৰৰ উপাদানো উমৈহতীয়া জীৱনত আহি স্বাভাৱিকভাৱেই সোমাইছেহি। অসমৰ লোক-জীৱন আৰু লোক-সংস্কৃতিৰ অধ্যয়নে এনে উপাদান সমূহৰ পৰিচয দিয়ে। বাণীকান্ত কাকতি, বিৰিঞ্চি কুমাৰ বৰুৱা, মহেশ্বৰ নেওগ প্রমুখ্যে পণ্ডিতসকলৰ অধ্যয়নে এই বিষযে সন্ধেদ দিছে।

অসমৰ লোক-জীৱনৰ উৎসৱ-পর্বাদিও সত্রীয়া জীৱনলৈ সোমাই আহিছে। বিহু, ন-খোৱা, ফাকুৱা, বৈৰাগী নাম, চাউল সিধা আদি সত্রীযা পৰম্পৰাৰ মাজত লোক-উৎসৱ আৰু লোকপৰম্পৰাৰ প্রভাৱ দেখা যায়। তদুপৰি খাদ্য, পৰিচ্ছদ আৰু অন্যান্য ব্যৱহার্য সামগ্রীসমূহো লোক-জীৱনৰ লগত গভীৰভাৱে সম্পৃক্ত হৈ আছে। কাঠ, বাঁহ, বেত, কপাহ, কলগছ, পাটীদৈ, কুঁহিলা, গুণা, কাঁহ, পিতল, হাতী দাঁত আদি যিবিলাক

সামগ্রী নির্দিষ্ট ভৌগোলিক আৰু প্রাকৃতিক পৰিৱেশত পোৱা যায়, তেনে সামগ্রীসমূহৰ পৰা বিভিন্ন সঁজুলি নির্মাণ কৰি লোৱা হয়।

কৃষিজীৱী সমাজৰ লগত জড়িত বিহু, ন-খোৱা আদি উৎসৱৰ ক্ষেত্রত দেখা যায় কেনেকৈ অর্থনীতিয়ে জীৱন যাপনৰ পদ্ধতি আৰু সংস্কৃতি দুয়োটাৰ জন্ম আৰু বিকাশত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। এনে লোক-উৎসৱবিলাকৰ লগত ইতিহাসে ঢুকি পোৱা কালৰ আগতে অহা কোনো কোনো নৃ-গোষ্ঠীৰ সম্পর্কও আন এটি অধ্যয়নৰ বিষয় হ'ব পাৰে। মন কৰিব লগীয়া যে, বাঁহৰ গাজ, বেতৰ গাজ, কলগছৰ বিভিন্ন অংশ খাদ্য হিচাপে ব্যৱহাৰ কৰা ৰীতি অসমৰ বাহিৰে ভাৰতৰ বাকী অংশত নাই। এই ৰীতিৰ লগত দক্ষিণ-পূব এছিয়াৰ লোক-খাদ্যৰ সম্পর্ক আছে। অসমৰ সমাজ জীৱনত তথা সাংস্কৃতিক জীৱনত প্রাচীন নৃ-গোষ্ঠীসমূহৰ পৰা পৰিৱর্তিত হৈ আহি সোমোৱা অনেক উপাদান ক্রিয়াশীল হৈ আছে। আমাৰ সত্রীয়া জীৱন-যাত্রাতো ইবিলাক সোমাই পৰিশীলতা আৰু সত্র-উপযোগী ৰূপ গ্রহণ কৰিছে। এই দিশৰ পৰা বিচাৰ কৰিলে, সত্রীয়া জীৱন-যাত্রাৰ লগত লোক সমাজ-জীৱনৰ সম্পর্ক অবিচ্ছেদ্য হৈ আছে। ইয়াৰ উপৰিও সত্রীয়া উৎসৱ-পর্বসমূহৰ মাজত সত্রীয়া সমাজৰ সংঘবদ্ধ ৰূপৰ প্রকাশ ঘটিছে। কোনো উৎসৱ অকলশৰীয়া এজন মানুহে পালন কৰিব নোৱাৰে। উৎসৱ সদায় ৰাজহুৱা বা সামাজিক। সত্রত আনকি পূর্বে উল্লেখ কৰি অহাৰ দৰে ব্যক্তিৰ দৰে ব্যক্তিগত নিত্য-কর্মসমূহকো সত্রীয়া সামাজিক জীৱনৰ পৰা পৃথক কৰি চাব নোৱাৰি। ইয়াৰ ভিতৰত বিশেষকৈ উল্লেখ কৰিব পাৰি আউনীআটী সত্রৰ পালনাম। এই সত্রত অনুষ্ঠিত হোৱা বাৎসৰিক পালনাম মূলতঃ সত্রাধিকাৰে আয়োজন কৰিলেও নাম গোৱা আৰু নাম পৰিৱেশ সৃষ্টি কৰে ভকতসকলেহে। এফালে নামৰ মুল বিষয়বস্তু সৃষ্টি কৰাত সত্রৰ বৈষ্ণৱসকল ভকত সংজ্ঞালৈ ৰূপান্তৰিত হয়, আনহাতে প্রত্যেক বহাতে নামৰ সমস্ত আতিথ্যৰ আযোজন কৰি নিজকে গৃহকর্মী ৰূপে পৰিচয় দিয়ে। এই আৰ্হিয়ে এনে কথা সোঁৱৰাই দিয়ে যে প্রত্যেক বহাতে নিজাকৈ প্রস্তুতি চলালেও মূলতঃ ই পালনামৰ সামূহিক আয়োজনহে। আনহাতে নাম প্রেমী ৰাইজে প্রতি বছৰে নিজ অভিৰুচিৰে 'নিমখ' আৰু অৰিহণা দি জনোৱা সেৱা আৰু সেই সেৱাত দিয়া আশীর্বাদে পালনামক সামূহিক অনুষ্ঠানলৈ ৰূপান্তৰ কৰিছে। 'নিমখ' দানৰ লগত একালত নিমখ মহার্ঘ হৈ থকাৰ সাক্ষী বহন কৰিছে। পালনামৰ দৰে অনুষ্ঠানত সংহতিৰ ভিন্নতাও নাথাকে। শিষ্য-প্রশিষ্য সমন্বিতে নামলৈ আহি যেতিয়া সত্রৰ বহাসমূহত একত্রে সমৱেত হয়, তেতিয়া তেওঁলোকৰ নিজ নিজ এলেকাৰ স্বতন্ত্র পৰিচয়ৰ পৰিৱর্তে নামপ্রেমী এক ভক্তৰ সংজ্ঞালৈ ৰূপান্তৰ ঘটে। সেই সময়ত কোনো সংহতি বা কোনো সত্রৰ শিষ্য বুলি পৃথক গুৰুত্ব নাথাকে; ৰৰং মৈত্রীসূত্রে বান্ধ খোৱা ধর্মীয় আদর্শৰ একে মার্গীয়

জনগোটে বুলি সকলোৰে ভাব হয়। ই এক বহল সংহতিৰ পৰিচয় প্রদান কৰে। কেৱল পালনামতে নহয় ৰাস, ফাকুৱা, মহাপুৰুষৰ তিথি আদি উৎসৱ-অনুষ্ঠানত সত্রৰ সামূহিক ৰূপটি ফুটি উঠে। এনে অনুষ্ঠানত যি দৰে ধর্মীয় আৰু আধ্যাত্মিক তাৎপর্য আৰোপিত, তেনেদৰে সামাজিক মঙ্গল আৰু সম্প্রীতিৰ উদ্দেশ্যও জড়িত।

সত্রৰ সত্রাধিকাৰসকলৰ তিথি সত্রৰ গুৰু-শিষ্য সকলোৰে এটি অৱশ্যে পালনীয় কর্ম। এনে অনুষ্ঠান সত্রীযা পৰিয়ালৰ সামূহিক কর্মলৈ ৰূপান্তৰিত হয়। সত্রক কেন্দ্র কৰি সামাজিক বন্ধন অচ্ছেদ্য কৰি ৰখাত এনে অনুষ্ঠানৰ বিশিষ্ট ভূমিকা আছে। এনে অনুষ্ঠানসমূহৰ মাজেদি সত্রৰ সাংগঠনিক ৰীতি আৰু শক্তিও ফুটি উঠে।

যি চাৰিভাগত সত্রীয়া উৎসৱ-পর্বসমূহ ভাগ কৰি লোৱা হৈছে, সেই চাৰিওভাগৰ উৎসৱ-পর্বসমূহ উদ্‌যাপনৰ মাজত সামূহিক দায়িত্ব প্রতিফলিত হয়। বিভিন্ন বিষয়ত উদ্যোগী, কর্মপটু আৰু অর্হতাসম্পন্ন উপযুক্ত সকলে নিজৰ নিজৰ দায়িত্ব পালনেৰে সত্রীয়া উৎসৱসমূহ আয়োজন আৰু পালন কৰে। জন্মাষ্টমী, ৰাস, ফাকুৱা, পালনাম, বিহু, তিনি বৰ একাদশী আদি বাৎসৰিক তিথিসমূহ আৰু সত্রাধিকাৰৰ নির্মালি লোৱা উৎসৱ, চাউল সিধা, বৈৰাগী নাম, নৱান্ন, কৃষ্ণাই সবাহ আদিত পুৱাৰে পৰা পালিত প্রসংগ সমূহত নৃত্য-গীত আৰু ভাওনাত সত্র-সমাজৰ প্রত্যেকেই ঘনিষ্ঠভাৰে জড়িত হৈ নিজৰ নিজৰ দাযিত্ব পালন কৰে। ই সত্রীয়া জীৱনক অধিক সংঘবদ্ধ কৰি তোলে।

সত্রীযা উৎসৱ-পর্বসমূহৰ মাজেদি নৈতিক-মূল্যবোধৰ প্রচাৰ আৰু প্রসাৰ ঘটিছে। নিত্য-নৈমিত্তিক কর্মৰ পৰা আৰম্ভ কৰি সামাজিক, আনুষ্ঠানিক, বাৎসৰিক সকলো উৎসৱৰ বিভিন্ন কর্ম সম্পাদন বিশ্লেষণে দেখুৱাইছে ঔচিত্য, অনৌচিত্য, শুচিতা, অশুচিতা, পাপ-পুণ্য, ধর্ম-অধর্ম আৰু কর্তব্য-অকর্তব্যৰ বিচাৰ। এনে বিচাৰৰ ভিত্তিত সত্রীয়া নীতি নিয়ম, সদাচাৰসমূহ গঢ লৈ উঠিছে। ব্যক্তি আৰু সমষ্টিৰ অপায় অমঙ্গল সাধন কৰিব পৰা কোনো কাম কৰাৰ সুৰুঙা যাতে নাথাকে তাৰ প্রতি সত্রীযা জীৱন অত্যন্ত সতর্ক। জ্যেষ্ঠৰ প্রতি শ্রদ্ধা আৰু কনিষ্ঠৰ প্রতি স্নেহ সত্রীযা জীৱনৰ এৰাব নোৱৰা আচৰণ। সত্রৰ আধ্যাত্মিক আৰু সমূহীযা জীৱনৰ কাণ্ডাৰীস্বৰূপ গুৰুৰ প্রতি কৰা আৰু কৰিব লগীযা আচৰণৰ মাজত শ্রদ্ধা আৰু ভক্তিৰ পূর্ণ প্রকাশ ঘটে। যিকোনো বস্তু গ্রহণ কৰোঁতে গুৰুৰ পৰা আঞ্চল পাতি লোৱা, গুৰুৰ ওচৰত আঁঠুকাঢ়ি বার্তালাপ কৰা, আহোঁতে-যাওঁতে গুৰুক সেৱা জনোৱা আদি বিনয সূচক আচৰণে গুৰুৰ প্রতি থকা শ্রদ্ধাৰ প্রকৃত পৰিচয় দিয়ে।

সত্রীযা উৎসৱ আৰু পর্বসমূহৰ ঘাই লক্ষ্য হ'ল আধ্যাত্মিক শিক্ষা। আধ্যাত্মিক জ্ঞানৰ তত্ত্ব আৰু প্রযোগ দুযোটি সত্রীযা উৎসৱ-পর্বসমূহৰ মাজত নিহিত হৈ আছে। বেদৰ যি তত্ত্ব বেদান্ততে প্রকাশ লাভ কৰিছে, সেই তত্ত্বই ভাগৱত পুৰাণত কৃষ্ণ ৰূপত আত্মপ্রকাশ

কৰিছে। শ্রীমদ্ভগৱদ গীতা আৰু ভাগৱত পুৰাণত কৃষ্ণৰ তত্ত্ব আৰু লীলাৰ প্রকাশ ঘটিছে। জ্ঞান, ভক্তি লৈ ৰূপান্তৰিত হৈছে।

সত্রৰ নিত্য কর্মসমূহে শৰীৰ আৰু মন দুযোটিকে এই তত্ত্ব আৰু ভক্তি গ্রহণ কৰিবৰ বাবে উপযোগী কৰি তোলে। সেইবাবে নিত্য আৰু নৈমিত্তিক প্রত্যেকটি কর্মৰ লগত গভীৰ বিশ্বাস সংযুক্ত হৈ আছে। বিশ্বাসেই ভক্তিৰ ভেটি স্থাপন কৰে। সত্রত পালিত নিত্য-নৈমিত্তিক কর্ম আৰু তিথি, নক্ষত্রাদি অনুসৰি পালনীয় ব্রত-উপবাসে ভক্তিৰ ভেটি স্থাপন কৰি মন আৰু শৰীৰক লক্ষ্যযোগ্য কৰি তোলে। এতেকে এনে কর্মসমূহৰ মাজত আধ্যাত্মিক লক্ষ্য নিহিত হৈ আছে। সত্রীয়া জীৱন-পদ্ধতিযে শৰীৰ আৰু মনৰ শুচিতাৰ ওপৰত সর্বাধিক গুৰুত্ব আৰোপ কৰে। নিত্য-নৈমিত্তিক কর্মৰ লগত আচৰণীয মাধ্যম স্বৰূপে প্রথমতে অভ্যাসধর্মী ব্যৱস্থাৰ পাতনি মেলা হয়। অভ্যাস-ধর্মী ব্যৱস্থাই কালত মনক দৃঢমনা কৰি তোলে। এনে প্রাথমিক অভ্যাসৰ বাবে যম, নিয়ম, আসন, প্রাণায়াম, প্রত্যাহাৰ, ধ্যান-ধাৰণা, সমাধিত প্রথমতে গুৰুত্ব দিয়া হয়। অষ্টাংগ যোগৰ অভ্যাসে ব্রহ্মচর্য ধাৰণত সহায় কৰে, কার্যৰ সুফল প্রদান কৰে। বিহু, ফাকুৱা, নৱান্নকে ধৰি সামাজিক উৎসৱসমূহতো একেই লক্ষ্যৰে সত্র-উপযোগী আধ্যাত্মিক গুৰুত্ব আৰোপ কৰা হৈছে। শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, গোপালদেৱ, হৰিদেৱ, গোপালআতা আৰু নিজৰ নিজৰ সত্রৰ সত্রাধিকাৰসকলৰ তিথি উদ্‌যাপনৰ লগত আধ্যাত্মিক আদর্শ ৰক্ষাৰ গুৰুত্ব নিহিত হৈ আছে। সেইবাবে তিথিসমূহ পৰম ভক্তিভাৱে উদ্‌যাপিত হয।

সত্রাধিকাৰৰ নির্মালি উৎসৱ সত্রৰ এটি গুৰুত্বপূর্ণ উৎসৱ। সত্রাধিকাৰ এগৰাকীক নির্মালি দান কৰাৰ মাজেদি সত্রত অত্যন্ত গুৰুত্বপূর্ণ আৰু গধুৰ আধ্যাত্মিক দায়িত্ব অর্পিত হয, লগতে অর্পিত হয় সত্র পৰিচালনাৰ ব্যৱহাৰিক দায়িত্বও। সত্রাধিকাৰৰ নির্মালি প্রদান অনুষ্ঠানৰ প্রতিটো কর্ম আধ্যাত্মিক ভাবনাৰ ভেটিত প্রতিষ্ঠিত। তদুপৰি এই অনুষ্ঠান পৰম শুদ্ধ আৰু সাত্বিকভাৱে পালন কৰাৰ ৰীতি-নীতিৰ মাজেদি সত্রৰ ধর্মীয় তাৎপর্যযো প্রকাশ লাভ কৰিছে।

সত্রীযা উৎসৱ-পর্বৰ লগত যুক্ত হৈ আছে আন দুটি গুৰুত্বপূর্ণ দিশ ঃ সাত্বিকতা আৰু সৌন্দর্যবোধ। সকলো কর্ম সাত্বিকভাৱে কৰাই নহয় মনকো সম্পূর্ণ সাত্বিক কৰি লোৱাৰ বাবে সত্রীযা জীৱনে শৃংখলা লগাই দিযে। খাদ্য, পৰিচ্ছদ, ব্যৱহার্য সামগ্রী, আচাৰ-ব্যৱহাৰ সকলোতে এই সাত্বিকতাৰ ভাব সংযুক্ত হৈ থকাৰ লগতে সৌন্দর্যবোধো জড়িত হৈ আছে।

সত্রসমূহে নৃত্য, গীত, বাদ্য আৰু অভিনয়ক ধর্মৰ অবিচ্ছেদ্য অংগ স্বৰূপে চর্চা কৰি আহিছে। কেৱল মনোৰঞ্জনৰ বাবে নহয়, বৰং সুকুমাৰ কলাক ধর্মৰ অংগ স্বৰূপে ব্যৱহাৰ কৰি কলাকো এক উন্নততৰ লক্ষ্য আৰু উদ্দেশ্যৰ লগত সংযুক্ত কৰা হৈছে।

মহাপুৰুষ শংকৰদেৱে সংগীত আৰু অভিনয় শিক্ষাত শাস্ত্রসম্মতভাৱে অথচ স্থানীয় উপাদান সংযোগ কৰি দি অসমত এক বিশিষ্ট সাংগীতিক শৈলীৰ আৰম্ভ আৰু প্রয়োগ কৰিলে। শংকৰদেৱৰ পৰৱর্তী সন্তসকলে আৰু সত্রসমূহে এই ধাৰাক নিজৰ নিজৰ অৱদানেৰে সমৃদ্ধ কৰি তুলিলে। সত্রীযা নৃত্য-গীতে অসমত ভাৰতীয় শাস্ত্রীয় সংগীতৰ এটা স্বকীয় শৈলী প্রতিষ্ঠা কৰে। মন কৰিব লগীয়া কথা যে অসমৰ বৈষ্ণৱ ধর্মৰ সকলো কর্মতে সংগীতে এটি গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰি আহিছে। নৃত্য, গীত ৱাদ্যৰ প্রতিটো অংগৰ লগত আধ্যাত্মিক তাৎপর্য সংযুক্ত হৈ এই শৈলীয়ে লাভ কৰিছে নিজৰ বিশিষ্টতা।

সত্রসমূহত ভাওনা আৰু অন্য অনুষ্ঠানক কেন্দ্র কৰি সজা মুখা, কাঠৰ ভাস্কর্য আৰু বাঁহ-বেতৰ কর্মসমূহে শিল্পানুৰাগ আৰু শিল্প-প্রতিভাৰ পৰিচয় কটিয়াই আনে। একোটি উৎসৱৰ বিশেষ অংগ ভাওনাৰ সা-সঁজুলি, ৰং, পোছাক, বাদ্যযন্ত্র বৈষ্ণৱসকলে নিজে তৈযাৰ কৰি আনুষ্ঠানিক কার্যৰূপ দিযাৰ লগতে নৈপুণ্যৰ পৰিচয দিয়ে। কেৱল ভাওনাৰ সা-সঁজুলিতেই নহয় উৎসৱ কেন্দ্রিক অনুষ্ঠানসমূহত ব্যৱহৃত হোৱা শৰাই, জপা, কৰণি, গচা, ধূপধৰা, দীপদানী এই সকলো কাঠৰ সামগ্রী কুণ্ডত কাটি, হেঙুল-হাইতাল বোলাই কৰা কর্ম উৎকৃষ্ট ভাস্কৰ শিল্প কর্ম। তদুপৰি সত্রত ৰচিত আৰু লিখিত সাঁচিপতীয়া পুথিসমূহত বিভিন্ন অর্থবহ মূর্তিৰ চিত্রৰূপ দিয়া আৰু ফুল লতাৰে সজ্জিত কৰি কৰা অলংকৰণ কার্য কেৱল আকর্ষণীযই নহয়, সৃজনীশীল উদ্ভাৱনী শক্তিৰো পৰিচায়ক। ব্যৱহার্য প্রতিটো সামগ্রী যাতে এহাতে দৃষ্টিনন্দন, হয়, আনহাতে তাত ধর্মীয় ভাব আৰু লক্ষ্যও যাতে পৰিস্ফুট হয তাৰ প্রতিও সকলো সময়তে চকু দিয়াটো এটি উল্লেখযোগ্য দিশ।

সত্রীযা উৎসৱ-পর্বসমূহৰ মাজত নিহিত হৈ থকা আধ্যাত্মিক, নৈতিক আৰু সামাজিক তাৎপর্য বিচাৰ নকৰিলে এই উৎসৱ-পর্বসমূহৰ প্রকৃত অর্থ আৰু মূল্য বুজা নাযায়। আধ্যাত্মিক তত্ত্ব আৰু ভক্তি হ'ল উৎসৱ-পর্বসমূহৰ আত্মা স্বৰূপ, বাহিৰৰ ৰূপ হ'ল শৰীৰ। সত্রীয়া উৎসৱ-পর্বসমূহক আধ্যাত্মিক তত্ত্ব সমন্বিতে ভক্তিক ধৰি ৰাখিব পৰাকৈ ৰূপ দিয়া হৈছে। সত্রভেদে, অঞ্চলভেদে আৰু কালভেদে বাহিৰৰ ৰূপত পৰিৱর্তন ঘটিলেও অন্তর্নিহিত লক্ষ্য আৰু উদ্দেশ্যৰ পৰা সত্রীয়া উৎসৱ-পর্বসমূহ বিচ্যুত হোৱা নাই। আউনীআটী সত্রৰ উৎসৱ-পর্বসমূহ অসমৰ বৃহত্তৰ সত্রীয়া জীৱনৰ অতি গুৰুত্বপূর্ণ অংশ। যি লক্ষ্যৰে শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, গোপালদেৱ, হৰিদেৱ আৰু গোপাল আতাই অসমত সত্রানুষ্ঠান প্রতিষ্ঠা কৰিছিল, পাঁচশ বছৰৰ পিছতো সত্রানুষ্ঠান আৰু সত্রীযা উৎসৱ-পর্বসমূহ সেই লক্ষ্য লাভৰ সাধনাৰে আত্মনিয়োজিত হৈ আহিছে। আউনীআটী সত্রৰ বিশেষ উল্লিখনসহ অসমৰ সত্রীয়া উৎসৱ-পর্বসমূহৰ উৎপত্তি আৰু

বিকাশৰ ঐতিহাসিক বিচাৰে আৰু তাৎপর্য বিচাৰে প্রমাণ কৰিছে যে এহাতে সর্ব ভাৰতীয নৱবৈষ্ণৱ ভক্তি আন্দোলনৰ পটভূমিত ভাৰতীয় চিন্তা আৰু সাধনাৰ লগত আৰু আনহাতে ভৌগোলিক, সামাজিক আৰু পৰম্পৰাগত সাংস্কৃতিক পটভূমিৰ লগত অসমৰ সত্রীয়া জীৱন আৰু সত্রীযা উৎসৱ-পর্ব সমূহ অবিচ্ছেদ্যভাৱে যুক্ত হৈ আছে। ভাৰতীয় সাধনাৰ লগত অসমৰ লোক-জীৱন, লোকমন আৰু নৈসর্গিক জীৱনৰ একাত্মীয়তা অসমৰ সত্রৰ উৎসৱ-অনুষ্ঠানসমূহে স্থাপন কৰি এটি পৰিশীলিত জীৱন-পদ্ধতি গঢ়ি তুলিছে।

সত্রসমূহৰ তালিকা

অকযা সত্র	বৰপেটা	উল্কাবাৰী সত্র	নলবাৰী
অগ্নিশালা সত্র	(বাঁহজানী) নলবাৰী	উলুতলী সত্র	শিৱসাগৰ, গোলাঘাট
অনন্তগোসাঁই সত্র	নলবাৰী	উলুতলীয়া সত্র	যোৰহাট
অভযপুৰীয়া সত্র	নলবাৰী	উলুবডি সত্র	কামৰূপ
আইভেটী ন সত্র	নগাঁও	উল্টা পানী সত্র	গোৱালপাৰা
আউনীআটী সত্র	মাজুলী (যোৰহাট)	এৰা সত্র	নলবাৰী
	কামৰূপ	এলেঙ্গি সত্র	যোৰহাট, নগাঁও
আগতোলা সত্র	কামৰূপ		গোলাঘাট
আদি এলেঙ্গি সত্র	লখিমপুৰ (লালুক)	ঔগুৰি সত্র	শিৱসাগৰ, গোলাঘাট
আধাৰ সত্র	যোৰহাট, গোলাঘাট	ঔতলা সত্র	দৰং
আন সত্র	ডিব্রুগড়	ঔৰা সত্র	যোৰহাট
আনন্দপুৰ সত্র	বৰপেটা	কচুৰা সত্র	নলবাৰী
আমগুৰি সত্র	লখিমপুৰ, নগাঁও	কছাৰিপাৰ সত্র	শিৱসাগৰ
আমৰাঙা সত্র	কামৰূপ	কটাহ সত্র	নলবাৰী
আম্রিখোৱা সত্র	বৰপেটা	কটাহবাৰী সত্র	নলবাৰী
আলগা সত্র	কামৰূপ	কঠালমুৰি সত্র	গোৱালপাৰা
আল্লিবাৰী সত্র	নলবাৰী	কঠিয়াতলী সত্র	যোৰহাট
আঁহত গুৰি	যোৰহাট	কণৰাপাৰা সত্র	বৰপেটা
আঁহতগুৰি,			
বগাবুঢা সত্র	শোণিতপুৰ	কন্দলি সত্র	গোলাঘাট
ইকৰাজান সত্র	শিৱসাগৰ	কপাহনৰা সত্র	নগাঁও
ইটাখুলি সত্র	মৰিগাঁও	কপিলী সত্র	দৰং
উজনিয়াল সত্র	শিৱসাগৰ, যোৰহাট	কমলাবাৰী সত্র(তিনিখন)	যোৰহাট
উপবাপু সত্র	কামৰূপ	কমাৰ সত্র	যোৰহাট
উৰপোত সত্র	কামৰূপ	কৰতিপাৰ সত্র	শোণিতপুৰ, যোৰহাট
উলাবাৰী সত্র	নলবাৰী	কৰদৈগুৰি সত্র	যোৰহাট

কৰুবাহা সত্র	কামৰূপ	কালজাৰ সত্র	ৰৱপেটা
কলাকটা সত্র	যোৰহাট, নগাঁও	কালজিৰা সত্র	মৰাণ, নগাঁও
কলাখোৱা সত্র	কামৰূপ	কালশিলা সত্র.	মৰাণ, নগাঁও
ক'লাচুপহা সত্র	কাকজান (যোৰহাট)	কালশিলীয়া সত্র	নগাঁও
কলাবাৰী সত্র	শোণিতপুৰ, যোৰহাট	কাহিকুছি সত্র	কামৰূপ, লখিমপুৰ
ক'লিয়া গোসাঁই সত্র	শোণিতপুৰ, যোৰহাট	কাৰৈমাৰি সত্র	শোণিতপুৰ, শিৱসাগৰ
কলিয়াবৰ			
সৰুভগীয়া সত্র	নগাঁও	কাংসপাৰ সত্র	লখিমপুৰ, যোৰহাট
কহৰা সত্র	কামৰূপ		শিৱসাগৰ
কহিনা সত্র	গোৱালপাৰা	কুচিমাৰি সত্র	ৰৱপেটা
কহুৰাতলী সত্র	নগাঁও	কুজী সত্র	নগাঁও
কাকৰি কটা সত্র	যোৰহাট	কুঠিবাৰী সত্র	উত্তৰবঙ্গ
কাটনী নমাটি সত্র	শিৱসাগৰ	কুণ্ডাৰবাৰী সত্র	তেজপুৰ
কাঠনিপাৰ সত্র	যোৰহাট, শিৱসাগৰ	কুমতি সত্র	নলবাৰী
কাঠপাৰ সত্র	লখিমপুৰ, শিৱসাগৰ (বৰভাগ, সৰুভাগ দুখন)	কুৰচোং সত্র	নগাঁও, যোৰহাট
		কুৰুৱাবাহী সত্র	গোলাঘাট, নগাঁও
কাঠমহন্ত ন সত্র	নগাঁও	কুৰোৱাহা সত্র	ৰৱপেটা
কাথবাপু সত্র	গোলাঘাট, শিৱসাগৰ	কুলবিল সত্র	নলবাৰী
কানুআতাৰ সত্র	তিনিচুকীয়া	কুশাকাটি সত্র	গোৱালপাৰা
কান্দুপুৰ সত্র	কামৰূপ	কুঢ়িমাৰি সত্র	নগাঁও
কাম্ধুলিমাৰি সত্র	নগাঁও	কেওঁটকুছি সত্র	ৰৱপেটা
কাপলা সত্র	কামৰূপ	কেচাপতীয়া সত্র	যোৰহাট
কাপলা সত্র	ৰৱপেটা	কেন্দুকুছি সত্র	নলবাৰী
কামজনীয়া সত্র	শিৱসাগৰ	কেৱলীয়াহাটী সত্র	দৰং
কামদেৱাল সত্র	শোণিতপুৰ	কৈচুঙীয়া সত্র	যোৰহাট
কামপুৰ সত্র	নগাঁও	কৈমাৰী সত্র	কামৰূপ
কাৰসাত্নী সত্র	কামৰূপ	কৈৰাৰা সত্র	নলবাৰী
কাৰাকুছি সত্র	নলবাৰী	কৈহাটী সত্র	নলবাৰী
কোদোবাহী সত্র	যোৰহাট	গজলা সত্র	যোৰহাট, নগাঁও
কোৰেখন্দা সত্র	যোৰহাট	গজলা সত্র	গোলাঘাট,

			তিনিচুকীয়া, ডিব্রুগড়
কোৱামৰা সত্র	শিৱসাগৰ		
খকৰা সত্র	নলবাৰী	গজিয়া সত্র	লখিমপুৰ
খটৰা সত্র	মঙ্গলদৈ, শিৱসাগৰ	গটঙা সত্র	তেজপুৰ
খটিয়ামাৰি সত্র	কামৰূপ	গণককুছি সত্র	বৰপেটা
খনা সত্র	নলবাৰী	গদাপাণি সত্র	তেজপুৰ
খৰঙিয়াল সত্র	গোলাঘাট	গদাধৰপাৰ সত্র	গোৱালপাৰা
খৰমুজা সত্র	গোৱালপাৰা	গমিৰি সত্র	তেজপুৰ
খলামৰাবাৰী সত্র	উত্তৰবঙ্গ (কোচবিহাৰ)	গৰৈমাৰী সত্র	কামৰূপ
খাটপাৰ সত্র	ডিব্রুগড়, শিৱসাগৰ, তিনিচুকীয়া, লখিমপুৰ	গডমূৰ সত্র	যোৰহাট
		গাৰোভিঠি সত্র	গোৱালপাৰা
খাটিকুচি সত্র	দৰং	গুইমাৰী সত্র	কামৰূপ
খাটীবাৰী সত্র	কামৰূপ	গুইযা সত্র	কমলপুৰ (কামৰূপ)
খামুচীয়া সত্র	নগাঁও	গুৱাগাছ্য সত্র	বৰপেটা
খিদিৰপুখুৰী সত্র	নলবাৰী	গুৱাধৰা সত্র	শোণিতপুৰ
খুটাবাৰী সত্র	কামৰূপ	গুৱালহাটী সত্র	নলবাৰী
খুটাৰগুৰি সত্র	শোণিতপুৰ	গোণামৰা সত্র	শোণিতপুৰ
খুটিয়াপোতা সত্র	যোৰহাট	গোপালপুৰ সত্র	নলবাৰী, উত্তৰবঙ্গ
খুদিয়া সত্র	নলবাৰী	গোপীনাথ সত্র	গোৱালপাৰা
খুন্দামৰা সত্র	নগাঁও	গোৰিন্দ এলেঙি সত্র	শোণিতপুৰ
খেকাপাৰা সত্র	গোৱালপাৰা	গোৰিন্দপুৰ সত্র	লখিমপুৰ
খেৰকটীয়া সত্র	যোৰহাট	গোৰিন্দমিশ্র সত্র	কলীয়াবৰ(নগাঁও)
খৈৰাবাৰী সত্র	দৰং	গোমূৰা সত্র	বৰপেটা
খোলাগাঁও সত্র	নগাঁও	গোমোঠা মাহৰা সত্র	যোৰহাট, শিৱসাগৰ
খোহেনিপাৰা সত্র	কামৰূপ	গোসাঁইভেটী সত্র	যোৰহাট
খৌৰামোচৰ সত্র	নগাঁও	গৌৰাঙ্গ সত্র	গোলাঘাট
ঘাৰমৰা সত্র	লখিমপুৰ	চাৰাচাৰি সত্র	নলবাৰী
ঘিলাজাৰি সত্র	গোৱালপাৰা	চাৰিকৃষ্ণ সত্র	তেজপুৰ
ঘুগুমাৰী সত্র	উত্তৰ বঙ্গ	চাৰিঙিয়াল সত্র	যোৰহাট
ঘুৰীযাগঞা সত্র	যোৰহাট	চিকাৰপুৰ সত্র	কামৰূপ
চকটা সত্র	গোলাঘাট	চিকাৰহাটী সত্র	কামৰূপ

চকলা সত্র	যোৰহাট
চক্রৱর্ত্তীনাথ সত্র	কামৰূপ
চটমিয়া সত্র	নগাঁও
চটাৰি সত্র	উত্তৰবঙ্গ
চঙিয়লগোনামৰা সত্র	নগাঁও
চপতলা সত্র	কামৰূপ
চমৰিযা সত্র	কামৰূপ
চমাৰকুছি সত্র	নলবাৰী
চৰাইখোৱোং সত্র	নগাঁও
চৰাইবাহী সত্র	যোৰহাট
চ'ৰাসত্র	উত্তৰবঙ্গ
চৰিপোতা সত্র	উঃ লখিমপুৰ
চৰুপতা সত্র	তেজপুৰ
চলিহা সত্র	শিৱসাগৰ
চাওখাটসত্র(আখৰ)	যোৰহাট
চাচনি সত্র	শিৱসাগৰ
চাপৰি সত্র	গোলাঘাট
চাপাতল সত্র	নলবাৰী
চাপাথুৰি সত্র	কামৰূপ
চামগুৰি সত্র	নগাঁও, যোৰহাট
চামৰাদ্বাৰ সত্র	কামৰূপ
চামেৰি সত্র	কামৰূপ
ছত্রশাল সত্র	গোৱালপাৰা
ছবুৰীয়া সত্র	কামৰূপ
ছয়গাঁও সত্র	উঃ বঙ্গ
জকাই সত্র	শিৱসাগৰ, গোলাঘাট
জখলাবন্ধা সত্র	নগাঁও
জটি সত্র	বৰপেটা
জটীয়াজটি সত্র	কামৰূপ
জনিয়া সত্র	বৰপেটা
চিনাতলী সত্র	শিৱসাগৰ
চিন্তামণি সত্র	দৰং, কামৰূপ
চিপহা সত্র	তেজপুৰ, শিৱসাগৰ, যোৰহাট, মৰিগাঁও, নগাঁও
চিৰাজুলি সত্র	দৰং
চিলাসত্র সত্র	বৰপেটা
চিয়াআটিযা সূত্র	শিৱসাগৰ
চুপহা সত্র	ডিব্রুগড়
চুপহা সত্র	দৰং, গোলাঘাট, শোণিতপুৰ, শিৱসাগৰ
চুপাবৰ সত্র	শোণিতপুৰ
চূণপোৰাভিঠি সত্র	বৰপেটা
চেউনীবৰদোৱা সত্র	শোণিতপুৰ
চেকেৰাতলী সত্র	শিৱসাগৰ
চেঙা সত্র	কামৰূপ
চেঙাপৰীয়া সত্র	গোলাঘাট
চেঁচাসত্র	ডিব্রুগড়, শিৱসাগৰ, নগাঁও, যোৰহাট, গোলাঘাট
চেপেটিমৰা সত্র	নগাঁও
চেংলাই সত্র	নগাঁও
ছত্রকাৰ সত্র	কামৰূপ
ছত্রপুৰ সত্র	কামৰূপ
ঠাকুৰপাৰা সত্র	কামৰূপ, যোৰহাট
ডবামৰা সত্র	যোৰহাট
ডাংধৰা সত্র	যোৰহাট
ডিফলু সত্র	নগাঁও, শোণিতপুৰ
ডেকাবাপু সত্র	কামৰূপ
ডেবেৰাপাৰ সত্র	লখিমপুৰ
ডোখৰামুখ সত্র	শিৱসাগৰ, নগাঁও
ডৌকাচাপৰি সত্র	লখিমপুৰ, নগাঁও,

জৰাবাৰী সত্র	শিৱসাগৰ, তিনিচুকীয়া		তেজপুৰ
জাগৰা সত্র	নলবাৰী	ঢকুৱাখনা সত্র	লখিমপুৰ
জাঁজী সত্র	কামৰূপ	ঢকুৱাপাৰ সত্র	লখিমপুৰ
জামলাই সত্র	গোৱালপাৰা	ঢকুৱাবাৰী সত্র	কামৰূপ
জাৰবাৰদি সত্র	কামৰূপ	ঢাপকটা সত্র	যোৰহাট
জালকুৰিযা সত্র	যোৰহাট	ঢাপকটা সত্র	যোৰহাট
জিনকাটা সত্র	গোৱালপাৰা	ঢাপলি সত্র	শিৱসাগৰ
জুতকটা সত্র	শোণিতপুৰ	ঢাপলিয়া সত্র	শিৱসাগৰ
জোৱাৰদী সত্র	নলবাৰী	ঢোলমি সত্র	যোৰহাট
ঝাউবাৰী সত্র	গোৱালপাৰা	তন্দ্রশঙ্কৰা সত্র	কামৰূপ
ঝাৰানিয়াল সত্র	শোণিতপুৰ	তৰাবৰি সত্র	মৰিগাঁও
ঝাৰাবাৰী সত্র	বৰপেটা	তলিবল সত্র	নগাঁও
ঝিঙাপুৰ্ণি সত্র	উত্তৰবঙ্গ	তামোলপুৰ সত্র	কামৰূপ
টকৌবাৰী সত্র	শিৱসাগৰ, কামৰূপ	তামোলবাৰী সত্র	কামৰূপ
টঙৰা সত্র	কামৰূপ	তামোলবাৰী সত্র	নগাঁও
টিপলাই সত্র	গোৱালপাৰা	তেতেলিগুৰি সত্র	শোণিতপুৰ
টিপাম সত্র	তিনিচুকীয়া	তেলপানী সত্র	শিৱসাগৰ
টেঙাবৰীয়া সত্র	শোণিতপুৰ	ত্রিলোচন সত্র	কামৰূপ
ঠকৰিয়াল সত্র	শিৱসাগৰ, গোলাঘাট	থুকুবনীয়া সত্র	যোৰহাট
থুকুবিল সত্র	শিৱসাগৰ	দিফলু সত্র	শিৱসাগৰ, শোণিতপুৰ
থুৰহাবাৰী সত্র	উত্তৰবঙ্গ	দিহিং সত্র	শিৱসাগৰ, কামৰূপ
দধি সত্র (ৰৰআৰুসত্র)	কামৰূপ	দিহিং ন মাটি সত্র	তিনিচুকীয়া
দবামৰা সত্র	শিৱসাগৰ	দীঘলকুচি সত্র	কামৰূপ
দমদমা সত্র	কামৰূপ	দীঘলী সত্র	কামৰূপ, যোৰহাট
দলবাৰ সত্র	কামৰূপ	দীঘলী বৰপথাৰ সত্র	নগাঁও
দৰাগুৰি সত্র.	কামৰূপ	দুৰামৰা সত্র	শিৱসাগৰ
দলৈগুৰি সত্র	নগাঁও	দুৰামাৰি সত্র	শিৱসাগৰ
দলৈচুৱা সত্র	গোৱালপাৰা	দুৰামাৰি ডিৰাক সত্র	তিনিচুকীয়া
দহঘৰীযা সত্র	লখিমপুৰ, যোৰহাট	দুমদুমিয়া সত্র	নগাঁও
দক্ষিণপাট সত্র	যোৰহাট	দেওপানী সত্র	শিৱসাগৰ
দক্ষিণশিঙৰা সত্র	নলবাৰী	দেকা চাপৰি সত্র	নগাঁও

দামোদৰধাম সত্র	কামৰূপ
দামোলচোচ সত্র	কামৰূপ
দাৰকিয়াল সত্র	লখিমপুৰ
দাৰাখাট সত্র	যোৰহাট
দাড়ি সত্র	কামৰূপ
দাংধৰা সত্র	শিৱসাগৰ, যোৰহাট
দাংধৰীয়া সত্র	লখিমপুৰ
দিক্কু তেলিয়াল সত্র	চাৰিং, শিৱসাগৰ
দিঙানগৰ সত্র	গোৱালপাৰা
দিখৌমুখ সত্র	শিৱসাগৰ
দিখৌমুখীয়া এলেঙি সত্র	যোৰহাট
দিচিৰিগএগা সত্র	কার্বিআংলং
দিছিয়াল সত্র	গোলাঘাট, নগাঁও, লখিমপুৰ
দিনজয় মায়ামৰা	ডিব্রুগড়
নগৰীয়া সত্র	যোৰহাট
নগাঁও সত্র	ৰৰপেটা
ন-গোঁসাই সত্র	গোলাঘাট
নটখেতিয়া সত্র	যোৰহাট
নদুৱাৰ সত্র	শোণিতপুৰ
ননৰা সত্র	কামৰূপ
নৈচাৰিগাঁও সত্র	নগাঁও
নপৰা সত্র	কামৰূপ
নপ্তিপাৰা সত্র	নলবাৰী
নমাটি সত্র	নলবাৰী, শিৱসাগৰ, শোণিতপুৰ
নৰসিংহ সত্র	যোৰহাট
নৰাবাৰী সত্র	নলবাৰী
নৰোৱা বালি সত্র	নগাঁও
নৰোৱা বাসুদেৱ থান সত্র	লখিমপুৰ
দেবেৰাপাৰা সত্র	লখিমপুৰ
দেৱানন্দ সত্র	দৰং
দৈপাৰা সত্র	নগাঁও
দোখোৰামুখ সত্র	নগাঁও
দৌকাচাপৰি সত্র	নগাঁও
ধৰমপুৰ সত্র	গোৱালপাৰা
ধর্মপুৰ সত্র	গোৱালপাৰা
ধলৰসত্র সত্র	যোৰহাট, গোলাঘাট
ধুন্দুল সত্র	যোৰহাট
ধুঁৱলী সত্র	নগাঁও
ধোপগুৰি সত্র	উত্তৰবঙ্গ
ধোপৰগুৰি সত্র	কামৰূপ
ধোপাবৰ সত্র	শোণিতপুৰ
ধোঁৱাপণ্ডীয়া সত্র	লখিমপুৰ
নকাৰী সত্র	কামৰূপ, পশ্চিমবঙ্গ
নাকাৰখানা সত্র	গোৱালপাৰা, পশ্চিমবঙ্গ
নাচনীপাৰ সত্র	লখিমপুৰ, যোৰহাট
নাচনীপাৰ সত্র(২)	নগাঁও
নাজিৰা সত্র	শিৱসাগৰ
নাফুক সত্র	ডিব্রুগড়
নাৰায়ণপুৰ সত্র	লখিমপুৰ, কামৰূপ
নাহমবাপু সত্র	নলবাৰী, শিৱসাগৰ
নাহমবাপু সত্র	শিৱসাগৰ
নাহৰকটীয়া সত্র	যোৰহাট
নাহৰখাত সত্র	লখিমপুৰ, শোণিতপুৰ
নাহৰণি সত্র	লখিমপুৰ
নিকামূল সত্র	নগাঁও, শোণিতপুৰ
নিত্যানন্দ গোসাঁই সত্র	নলবাৰী

নৰাসত্র	শিৱসাগৰ, কামৰূপ	নীলপুৰ সত্র	নলবাৰী
নলনা সত্র	গোৱালপাৰা	নেপালী সত্র	নগাঁও, যোৰহাট
নলতিয়াল সত্র	যোৰহাট	পকোৱা সত্র	কামৰূপ
নলবাৰী সত্র	নলবাৰী	পখোৱা সত্র	কামৰূপ
ন-সত্র	বৰপেটা	পটীয়ৰি সত্র	যোৰহাট
নহাটী সত্র	কামৰূপ	পথৰুৱা সত্র	দৰং
নহিৰা সত্র	কামৰূপ	পথৰুৱাঘাট সত্র	দৰং
নহীৰা সত্র	কামৰূপ	পদুমপুখুৰী সত্র	মঙ্গলদৈ
নাওকটা সত্র	গোলাঘাট	পদুমপুখুৰী সত্র	দৰং
নাওকটা সত্র	গোৱালপাৰা	পলাভিঠা সত্র	উত্তৰবঙ্গ
নাওকাটা সত্র	নগাঁও	পলাভিঠা সত্র	মঙ্গলদৈ, (দৰং)
নাওখাত সত্র	গোৱালপাৰা	পলাশগুৰি সত্র	যোৰহাট
পলাশগুৰি সত্র	কামৰূপ	ফইলামাৰী সত্র	গোৱালপাৰা
পলাশবাৰী সত্র	কামৰূপ	ফৰিং মিশ্র সত্র	নগাঁও
পলাশৰ তল সত্র	কামৰূপ	ফুটকি বাড়া সত্র	গোৱালপাৰা
পল্লা সত্র	নলবাৰী	ফুলগুৰি সত্র	গোৱালপাৰা
পহুমৰীয়া সত্র	গোলাঘাট	ফুলবাৰী সত্র	নগাঁও, উত্তৰবঙ্গ,
পাইকাৰকুছি সত্র	কামৰূপ		শিৱসাগৰ, গোলাঘাট
পাটবাউসী সত্র	বৰপেটা	বকুলগুৰি সত্র	গোলাঘাট
পাটা সত্র	বৰপেটা	বগৰীতলীয়া সত্র	শিৱসাগৰ
পাথৰিঘাট সত্র	দৰং	বগৰীতলীয়া সত্র	তিনিচুকীয়া
পালভিঠা সত্র	দৰং	বগাকুঢ়া সত্র	শোণিতপুৰ
পালোৱা সত্র	দৰং	বগাজান সত্র	নগাঁও
পাহুৰিকুৰিয়া গাঁও	কামৰূপ	বগাজান সত্র	শিৱসাগৰ
পিৰলা সত্র	কামৰূপ	বগীআই সত্র	শিৱসাগৰ
পুখুৰীপাৰ সত্র	নলবাৰী, গোলাঘাট	বগুনিবাৰী সত্র	শিৱসাগৰ
পুঠিমাৰি সত্র	শোণিতপুৰ	বঘৰা সত্র	মৰিগাঁও
পুতমিয়া সত্র	যোৰহাট	বটৰ গঞা সত্র	গোলাঘাট
পুথি পঢ়া সত্র	শিৱসাগৰ	বটৰ গঞা সত্র	নগাঁও
পুনিযা সত্র	যোৰহাট, শিৱসাগৰ	বঁটাকুছি সত্র	কামৰূপ
পুৰণি ঘৰ সত্র	নগাঁও	বনগঞা সত্র	শিৱসাগৰ

পুৱণিমাটি সত্র	যোৱহাট, গোলাঘাট	বনমাজা সত্র	দৱং
পুৰুষোত্তম সত্র	গোলাঘাট	বনমালী ঠাকুৰৱ সত্র	কামৰূপ
পোতনি সত্র	কামৰূপ, নলবাৰী	বন সত্র	মৰিগাঁও
পোমাৰা সত্র	কামৰূপ	বদুলা আতাৰ সত্র	লখিমপুৰ
পোৱাভঁৰাল সত্র	বৰপেটা	বনিয়াকুছি সত্র	কামৰূপ
পোৱাভিটা সত্র	গোৱালপাৰা	বৰএলেঙ্গি সত্র	লখিমপুৰ
পোহাৰ দিয়া সত্র	যোৱহাট	বৰএলেঙ্গি সত্র(৪খন)	নগাঁও
পোৱালি সত্র	লখিমপুৰ	বৰকটীয়া সত্র	যোৱহাট
বৰক·'লা সত্র	কামৰূপ	বৰহাই পুখুৰী সত্র	যোৱহাট
বৰকলীয়া সত্র	যোৱহাট	বৰহেমদৈ সত্র	কামৰূপ
বৰগাঁও সত্র	শোণিতপুৰ	বৰহেৰেমদৈ সত্র	কামৰূপ
বৰগোমুৰা সত্র	বৰপেটা	বৰশুকদল সত্র	নগাঁও
বৰঘোলা সত্র	গোৱালপাৰা	বৰসত্র সত্র	কামৰূপ
বৰঙাজুলি সত্র	দৱং	বৰ সাকোঁপাৰা সত্র	যোৱহাট
বৰঙাবাৰী সত্র	শোণিতপুৰ	বৰাগী সত্র	শোণিতপুৰ
বৰজহা সত্র	দৱং, নগাঁও	বৰাচুকসৰুএলেঙিসত্র	নগাঁও
বৰটকৌবাৰী সত্র	কামৰূপ	বলাকুছি সত্র	নলবাৰী
বৰঢাপকটা সত্র	যোৱহাট	বহৰি সত্র	কামৰূপ
বৰণ সত্র	নগাঁও	বঢ়মপুৰ সত্র	নগাঁও
বৰদৰি সত্র	কামৰূপ	বংশৰসত্র	কামৰূপ
বৰদোৱা সত্র	নগাঁও	বংশীবাদন সত্র	কামৰূপ
বৰবেটা সত্র	বৰপেটা	বাকৰিয়াল সত্র	নগাঁও
বৰফুলগুৰি সত্র	নলবাৰী	বাকৰিয়াল সত্র	শোণিতপুৰ
বৰবাম সত্র	শিৱসাগৰ	বাঘমৰা সত্র	শিৱসাগৰ
বৰবাম সত্র	ডিব্রুগড়	বাঘৰগএৱা সত্র	নগাঁও
বৰ বাৰজনীয়া সত্র	নগাঁও	বাঘৰগএৱা সত্র	যোৱহাট
বৰবাৰী সত্র	দৱং, লখিমপুৰ	বাটাইবাৰী সত্র	উত্তৰবঙ্গ
বৰবাৰী সত্র	কামৰূপ	বাটাবা বাৰী সত্র	গোৱালপাৰা
বৰভকতি সত্র	নগাঁও	বাণেশ্বৰ সত্র	উত্তৰবঙ্গ
বৰভিটা সত্র	কামৰূপ	বাদেশিলা সত্র	কামৰূপ
বৰভেটি সত্র	যোৱহাট	বান্দেৰি সত্র	কামৰূপ

ৰৰ মৰিছ	উত্তৰ বঙ্গ	বামাখাজ সত্রৰাধী সত্র	ৰৰপেটা
ৰৰমাহৰা সত্র	লখিমপুৰ, শিৱসাগৰ	বামাখাটি সত্র	কামৰূপ
		বামুণদি সত্র	ৰৰপেটা
ৰৰমাথিঙহসেঙ্গীসত্র	কামৰূপ	বামুন্দি সত্র	দৰং
বাৰাদি সত্র	ৰৰপেটা	বিজনি সত্র	গোৱালপাৰা
বাৰামহাঁটী সত্র	কামৰূপ	বিজয়পুৰ সত্র	গোৱালপাৰা
বাৰাংহাঁটী সত্র	নলবাৰী	বিজয়মাহৰা সত্র	শিৱসাগৰ, ডিব্রুগড়
বাৰেঘৰ সত্র	ডিব্রুগড়, শিৱসাগৰ	বিজাপুৰ সত্র	গোৱালপাৰা
বাৰেঘৰ চলিহ্ন সত্র	তিনিকুকীয়া, শিৱসাগৰ	বিৰিণাবাৰী সত্র	উত্তৰবঙ্গ
বালিকৰি সত্র	কামৰূপ	বিলৰপাৰ সত্র	উত্তৰবঙ্গ
বালিকড়িয়া সত্র	নলবাৰী	বিষ্ণুপুৰ সত্র	গোলাঘাট
বালিচাপৰি সত্র	যোৰহাট	বিষ্ণু বালিকুছি সত্র	লখিমপুৰ
বালিপুখুৰী সত্র	শিৱসাগৰ, দৰং, শোণিতপুৰ	বিহামপুৰ সত্র	নলবাৰী
		বিহালিচুপহা সত্র	শোণিতপুৰ
বালিপুৰগাঞা সত্র	গোলাঘাট	বিহিমপুৰ সত্র	গোলাঘাট, যোৰহাট, নগাঁও, শোণিতপুৰ
বালিবাপু সত্র	নগাঁও		
বালিলেছা সত্র	নলবাৰী	বিয়াকুছি সত্র	ৰৰপেটা
বালিলেছা সত্র	কামৰূপ	বুদবাৰী সত্র	শিৱসাগৰ
বালিসত্র (৬খন)	নগাঁও, শোণিতপুৰ, নলবাৰী	বুদুচৰ সত্র	গোৱালপাৰা
		বুনা সত্র	নলবাৰী
বাঁহজেঙনি সত্র	গোলাঘাট, যোৰহাট	বুনা সত্র	কামৰূপ
বাঁহবাৰী সত্র	নলবাৰী	বুৰকা সত্র	কামৰূপ
বাঁহবাৰী সত্র	নগাঁও	বুৰকীয়া সত্র	কামৰূপ
বাহাৰবন্দ সত্র	উত্তৰবঙ্গ	বেজকুছি সত্র	ৰৰপেটা
বাহৈপুখুৰী সত্র	শিৱসাগৰ	বেঙেনাআটী সত্র	শিৱসাগৰ, গোলাঘাট, যোৰহাট
বাসুদেৱ সত্র	লখিমপুৰ		
বাসুদেৱ সত্র	গোৱালপাৰা	বেতনা সত্র	গোৱালপাৰা
বালি সত্র	নগাঁও	বেতবাৰী সত্র	গোৱালপাৰা
বাংশবাৰী সত্র	শোণিতপুৰ	বেতবাৰী সত্র	ৰৰপেটা
বিচনদৈ সত্র	গোৱালপাৰা.	বেথাই সত্র	উত্তৰবঙ্গ
বেদুৱা সত্র	গোৱালপাৰা	ভোগপুৰ সত্র	যোৰহাট, শিৱসাগৰ

বেলগুৰি সত্র	লখিমপুৰ, কামৰূপ	ভোগবাৰী সত্র	নগাঁও
বেলতলা সত্র	কামৰূপ	ভোটমৰিচ সত্র	গোলাঘাট
বেলেসিধিয়া সত্র	যোৰহাট	ভোটান সত্র	উত্তৰবঙ্গ
বৈকুণ্ঠপুৰ সত্র	পশ্চিমবঙ্গ	ভোলাগুৰি সত্র	নগাঁও
বৈনাকুছি সত্র	কামৰূপ	মজিয়াভেটী সত্র	ডিব্রুগড়
বৈনাৰা সত্র	দৰং	মটিয়াবৰীয়া সত্র	ডিব্রুগড়
বৈৰাগী সত্র	দৰং	মটিয়াবৰীয়া পুনিয়াসত্র	ডিব্রুগড়
বৌচা সত্র	কামৰূপ	মঠৰবৰী সত্র	নগাঁও
ব্যাসকুছি সত্র	কামৰূপ	মথৰেকাৰ সত্র	কোচবিহাৰ(পশ্চিমবঙ্গ)
ব্রহ্মচাৰী সত্র	নগাঁও	মদাৰখাটমায়ামৰা সত্র	ডিব্রুগড়
ভগৰিবাৰী সত্র	কামৰূপ	মদাৰগুৰি সত্র	শোণিতপুৰ, গোলাঘাট,
ভতিমুৰাল সত্র	নগাঁও		নগাঁও
ভদ্রা সত্র	কামৰূপ	মধুপুৰ সত্র	কোচবিহাৰ(পশ্চিমবঙ্গ)
ভবানীপুৰ সত্র	বৰপেটা	মধুমিশ্র সত্র	গোলাঘাট
ভলুকাগুৰি সত্র	কামৰূপ	মনপুৰ সত্র	কামৰূপ
ভূৰদেৱ সত্র	দৰং	মনপুৰ সত্র	নলবাৰী
ভাগৱতী সত্র	যোৰহাট, দৰং	মনিয়ৰি সত্র	কামৰূপ
ভাগড়ি সত্র	শিৱসাগৰ, দৰং	মনোহৰ সত্র	কামৰূপ
ভালুকঘাটা সত্র	কামৰূপ	মৰহটা সত্র	কামৰূপ
ভালুকমাৰী সত্র	উত্তৰবঙ্গ	মৰহৰা সত্র	কামৰূপ
ভালুকী সত্র	কামৰূপ	ম'ৰাবাৰী সত্র	শিৱসাগৰ
ভিতৰবন্ধ সত্র	উত্তৰবঙ্গ	ম'হধৰা সত্র	নগাঁও
ভিতৰৱাটাপ সত্র	উত্তৰবঙ্গ	ম'ৰামৰা সত্র	শিৱসাগৰ
ভেটিয়নি সত্র	নগাঁও	মাউৰাগোবিন্দ সত্র	শোণিতপুৰ, নগাঁও
ভেলাসত্র	গোৱালপাৰা	মাগুৰমৰা সত্র	যোৰহাট
ভেলেউগুৰি সত্র	যোৰহাট	মাজদিয়া সত্র	কামৰূপ
মাজবাট সত্র	দৰং	মেধিপাৰা সত্র	উত্তৰ লখিমপুৰ
মাদুৰভেটি সত্র	যোৰহাট	মৈৰামৰা সত্র	গোৱালপাৰা
মাধপুৰ সত্র	গোৱালপাৰা	মৌৰাসত্র সত্র	শিৱসাগৰ
মাধৱৰ সত্র	লখিমপুৰ	মায়ামৰাৰৱাপথাৰ সত্র	তিনিচুকীয়া
মাধৱআতা সত্র	শোণিতপুৰ	মায়ামৰা হাতী-	

মাধাপুৰ সত্র	কামৰূপ	আলি মৰিছাসত্র	তিনিচুকীয়া
মানেৰি সত্র	কামৰূপ	মিছাকুৰিয়া সত্র	শিৱসাগৰ
মানেৰি সত্র	কামৰূপ	মিছামাৰী সত্র	গোলাঘাট
মালচা সত্র	ৰৱপেটা	মিছিমি সত্র	যোৰহাট
মালিবাৰী সত্র	কামৰূপ	মিছিমিআটী সত্র	গোলাঘাট
ৰত্নাৱলী সত্র	যোৰহাট	মুইহাটী সত্র	কামৰূপ
ৰাজাপুখুৰী সত্র	কামৰূপ	মুকলিমুৰীয়া সত্র	যোৰহাট
ৰাহ্মনী সত্র	শোণিতপুৰ, নগাঁও	মুৰাৰী সত্র	শোণিতপুৰ
ৰামআতা সত্র	শোণিতপুৰ, নগাঁও	মেধিজান সত্র	কামৰূপ
ৰামপুৰ সত্র	কামৰূপ	লাচিবিষ্ণুপুৰ সত্র	কামৰূপ
ৰামমিশ্র সত্র	শিভিয়া	লেটুগ্রাম সত্র	যোৰহাট, নগাঁও
ৰামৰায় কুটীৰ সত্র	গোৱালপাৰা	লেংটা সত্র	নলবাৰী
ৰুণা সত্র	নলবাৰী	লেংদী সত্র	শিৱসাগৰ
ৰুৰকা সত্র	কামৰূপ	লোচ সত্র	দৰং
ৰুৰকীয়া সত্র	কামৰূপ	শলগুৰি সত্র	শিৱসাগৰ, নগাঁও, শোণিতপুৰ
ৰূপকলীয়া সত্র	যোৰহাট		
ৰূপনাৰায়ণ সত্র	শোণিতপুৰ, নগাঁও	শালমৰা সত্র	নগাঁও
ৰঙাপানী সত্র	কামৰূপ	শিকাৰহাটী সত্র	কামৰূপ
ৰঙিয়া সত্র	কামৰূপ	শিঙ্গৰা সত্র	নলবাৰী
ৰতনপুৰ সত্র	শিৱসাগৰ	শিলপোতা সত্র	কামৰূপ
ৰতনপুৰ সত্র	যোৰহাট	শিলিখাতল সত্র	শিৱসাগৰ
ৰতনপুৰীয়া সত্র	যোৰহাট	শিশুৰ সত্র	কামৰূপ
ৰংপুৰীয়া সত্র	শিৱসাগৰ	শিয়ালচুক সত্র	কামৰূপ
ৰত্নাকৰ সত্র	যোৰহাট	শিয়ালমৰা সত্র	শোণিতপুৰ, যোৰহাট
লচিমা সত্র	ৰৱপেটা	শীলকুচি সত্র	শিৱসাগৰ
লতাবোৱা সত্র	নগাঁও	শুকদল সত্র	নগাঁও
লংপেতীয়া সত্র	শিৱসাগৰ	শুৱালকুচি সত্র	কামৰূপ
লাইআটী সত্র	নগাঁও	শোভাসত্র	কামৰূপ
লাচিমা সত্র	নলবাৰী	শ্যামকানু সত্র	নগাঁও
মালীবাৰী সত্র	কামৰূপ	শ্যামৰাই সত্র	শোণিতপুৰ, যোৰহাট
মাহৰা সত্র	গোলাঘাট, নগাঁও,	শ্যামৰায় সত্র	নগাঁও

	লখিমপুৰ
মাহৰা সত্র(২)	শিৱসাগৰ, যোৰহাট
মায়ামৰা সত্র	যোৰহাট
মায়ামৰা গড়পাৰা সত্র	তিনিচুকীয়া
মায়ামৰা টিঙুক সত্র	তিনিচুকীয়া
সনাতন সত্র	নলবাৰী
সন্ধেলি গাঁওসত্র	কামৰূপ
সৰুগড়মূল সত্র	যোৰহাট
সৰুটকৌৰাৰী সত্র	কামৰূপ
সৰু ঢাপকটা সত্র	যোৰহাট
সৰুফুলবাৰী সত্র	নলবাৰী
সৰু বাহজনীযা সত্র	নগাঁও
সৰু ভগীয়া সত্র	মৰিগাঁও
সৰু সাঁকোপৰা সত্র	যোৰহাট
সৰু হেৰেমদ সত্র	নলবাৰী
সহসঙ্গীঈলগাৰা সত্র	কামৰূপ
সাউদকুচি সত্র	যোৰহাট
সিধুপুৰ সত্র	কামৰূপ
সীতাৰপুৰ সত্র	নলবাৰী
সুন্দৰীদিয়া সত্র	বৰপেটা
সোণতলী সত্র	নলবাৰী
সোণাৰি সত্র	শিৱসাগৰ
সোণালীপাৰ সত্র	শিৱসাগৰ
সোৰ সত্র	কামৰূপ
সৌকাজান সত্র	শিৱসাগৰ
শ্ৰৱণী সত্র	শোণিতপুৰ, যোৰহাট
শ্ৰৱণী সত্র	নগাঁও
শ্ৰীৰামপুৰ সত্র	শ্ৰীৰামপুৰ
শ্ৰীহাটী সত্র	শোণিতপুৰ, যোৰহাট
শ্ৰীশ্ৰীচুপহা সত্র	শোণিতপুৰ, যোৰহাট
হৰিদেৱ সত্র	কামৰূপ
হৰিপুৰ সত্র	কামৰূপ, দৰং
হৰিমিশ্র সত্র	নগাঁও
হৰিহৰ সত্র	দৰং
হাতীমুৰা সত্র	দৰং
হাবি বৰঙাবাৰী সত্র	মৰিগাঁও
হাবিলা সত্র	কামৰূপ
হামদৈ চুপহা সত্র	তিতাবৰ
হালধি সত্র	কামৰূপ, বৰপেটা
হালধিআটী সত্র	নগাঁও
হালধিবাৰী সত্র	কামৰূপ
হালিগাঁও সত্র	কামৰূপ
হাঁহচৰা কোঁৱৰপুৰ	কামৰূপ
হাঁহদিয়া সত্র	কামৰূপ
হুজ গাঁওসত্র	নগাঁও
হেৰমদ সত্র	কামৰূপ
হেমাৰবাৰী সত্র	লখিমপুৰ, নগাঁও
হোৰোসা সত্র	নগাঁও
ক্ষেত্রী সত্র	কামৰূপ

প্রসঙ্গ পুথি ঃ

The Neo Vaisnavite movement And The Satra Institution of Assam. S. N Sarma, পৱিত্র অসম, মহেশ্বৰ নেওগ, সত্র-সংস্কৃতিৰ ৰূপৰেখা, কেশৱানন্দ দেৱ গোস্বামী সত্র সমীক্ষাত্মক ইতিবৃত্ত, দ্বিজেন্দ্রনাথ ভকত অসম সত্র মহাসভাৰ তালিকা।

গ্রন্থপঞ্জী

(ক) অসমীয়া

ওজা, বিদ্যানন্দ, **ঠাকুৰ চৰিত**, অসমীয়া বিভাগ, ডিব্রুগড় বিশ্ববিদ্যালয়, ১৯৭৭

কন্দলী, মাধৱ, **ৰামায়ণ**, সম্পা শ্রীহৰিনাৰায়ণ দত্তবৰুৱা, নলবাৰী, ১৯৫২

গোস্বামী, হেমচন্দ্র, **ধর্ম আৰু কর্ম**, আউনীআটী সত্র, ১৯৮৪

গোস্বামী, বিষ্ণুচন্দ্র, **ধর্মজ্যোতি**, আউনীআটী সত্র, ১৯১১ শক

গোস্বামী, কেশৱানন্দ সম্পা **শ্রীমদ্ভগৱত**, ৩য় সংস্কৰণ, ডিব্রুগড়, ১৯৮৪, সম্পা **অঙ্কমালা**, ডিব্রুগড, ১৯৮৮, সত্র সংস্কৃতিৰ ৰূপৰেখা, ১ম সং, বনলতা, ডিব্রুগড

গোস্বামী, নাৰায়ণ চন্দ্র, **সত্রীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা**, মাজুলী, ১৯৮৪

গোস্বামী, গোপীকাবল্লভ, **অম্বুবাচী**, গোলাঘাট, ১ম সংস্কৰণ

গোস্বামী, ৰোহিণীবল্লভ, **শ্রীশ্রীলক্ষ্মী চৰিত্র** (পাঁচালী) সত্যম-শিৱম, যোৰহাট **শিৱতত্ত্ব**, ৰৰকটকী কোম্পানী, যোৰহাট ১৯৯৫

গোস্বামী, ৰমানন্দদেৱ, **ৰাস উৎসৱৰ উনবিংশ ভাষণ**, দক্ষিণপাট সত্র, মাজুলী

গোস্বামী, নগেন্দ্রনাৰায়ণ দেৱ, **শ্রীশ্রীদামোদৱদেৱ**, গোৱালপাৰা, ১৯৯৭

গোস্বামী, যতীন্দ্রনাথ, সম্পা. **কীর্তন-ঘোষা**, যোৰহাট ১৯৯৮

চলিহা, সুমন্ত, **আধুনিক অসমীয়া শব্দকোষ**, বাণীমন্দিৱ, ১৯৯২

চাংকাকতি, দেবেন্দ্রচন্দ্র, **সংগীত উপক্রমণিকা**, গুৱাহাটী, ১৯৫৩

চৌধুৰী, ধৰণীধৰ, **ভাৰতীয় ভক্তিধাৰা : বিভিন্ন প্রান্তত**, গুৱাহাটী, ১৯৯৮

ঠাকুৰ, ৰামচৰণ, **গুৰুচৰিত**, দত্তবৰুৱা এণ্ড কোং, ১৯৮৫

ঠাকুৰ, দৈত্যাৰি, **শ্রীশ্রীশংকৰদেৱ আৰু মাধৱদেৱ চৰিত**, সম্পা হৰিনাৰাযণ দত্তবৰুৱা, জ্যোতীন্দ্রনাৰাযণ দত্তবৰুৱা, ১৯৮৯

দত্তবৰুৱা, হৰিনাৰায়ণ, সম্পা **শ্রীশংকৰ বাক্যামৃত**, দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী, ১৯৬৪

দেৱান, মণিৰাম, **বুৰঞ্জি বিবেকৰত্ন**, ২য় খণ্ড (অপ্রকাশিত) **বুৰঞ্জী আৰু পুৰাতত্ত্ব** বিভাগ, গুৱাহাটীত সংৰক্ষিত

দাস, নীলকণ্ঠ, **শ্রীশ্রীদেৱদামোদৱ চৰিত্র**, অসম সাহিত্য সভা, যোৰহাট, ১৯২৭

দ্বিজ, ৰমানন্দ, **শ্রীগুৰুচৰিত্র**, মহেশ্বৰ নেওগ, সম্পা. দত্তবৰুৱা এণ্ড

কোং, ১৯৫৭

— **শ্রীশ্রী বংশীগোপাল দেৱৰ চৰিত্র**, সম্পা মহেশ্বৰ নেওগ, গুৱাহাটী, ১৯৭২ শক

দ্বিজ, ভূষণ, **শ্রীশ্রীশংকৰদেৱ**, সম্পা. দুর্গাধৰ ৰৱকটকী, যোৱহাট, ১৯৮৬

দ্বিজ, ৰামৰায়, **গুৰুলীলা**, সম্পা. গুৰুকৃষ্ণ গোস্বামী, ৰামদিয়া দামোদৰ সংঘ, ১৯৯০

নেওগ, মহেশ্বৰ, **অসমীয়া সাহিত্যৰ ৰূপৰেখা**, সম্পা গুৰুচৰিত কথা, গুৱাহাটী বিশ্ববিদ্যালয়, প্রকাশন বিভাগ, গুৱাহাটী, ১৯৮৭

— **অসমৰ বৈষ্ণৱ ধর্মৰ বুৰঞ্জী : আন্ধাৰ আৰু পোহৰ**, অসম সাহিত্য সভা, ১৯৮৮

— **শ্রীশ্রীশংকৰদেৱ**, লয়ার্চ বুক ষ্টল, ১৯৮৫ সম্পা ৰৱদোৱা গুৰুচৰিত, গুৱাহাটী বুক ষ্টল, ১ম প্রকাশ, ১৯৭৭

— **পৰিত্র অসম**, অসম সাহিত্য সভা, দ্বিতীয় সংস্কৰণ, ১৯৬৭

নেওগ, মহেশ্বৰ আৰু চাংকাকতি, কেশৰ সম্পা. **সত্রীয়া নৃত্য আৰু সত্রীয়া নৃত্যৰ তাল**, প্রকাশন পৰিষদ, ১৯৭৫

নেওগ, ডিম্বেশ্বৰ, **যুগনায়ক শংকৰদেৱ**, দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী, ৫১৮ শংকৰাব্দ

পাটোৱাৰী, প্রমোদ চন্দ্র, **বৈষ্ণৱ প্রৱাহ**, উত্তৰ পূৰ ভাৰত হৰিদেৱ সংঘ, ১৯৯২ মহাপুৰুষ শ্রীশ্রীহৰিদেৱ, বহৰি সত্র, ৰৱপেটা, ১৯০৮

ৰৱা, মহিম, সম্পা. **শংকৰদেৱৰ নাট**, অসম প্রকাশন পৰিষদ, ১৯৮৯

বর্মন, শিৱনাথ, **প্রসঙ্গ শংকৰদেৱ**, ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, গুৱাহাটী ১৯৯৭

বৰুৱা, বিৰিঞ্চি কুমাৰ, **অসমৰ লোক সংস্কৃতি**, বীণা লাইব্রেৰী, ১৯৬১

বৰুৱা, হেমচন্দ্র, **হেমকোষ**, ৪র্থ সংস্কৰণ, ১৯৬৫

বৰুৱা, চন্দ্রকুমাৰ, **অসমৰ বৈষ্ণৱ ধর্ম আৰু আউনীআটী সত্রৰ চমু বুৰঞ্জী**, উত্তৰ গুৱাহাটী, ১৯৬৫

বৰুৱা, প্রহ্লাদ কুমাৰ, সম্পা **ভাওনা সমীক্ষা**, ডিব্রুগড, ১৯৯০

বেজবৰুৱা, দীননাথ, **ৰৱচৰিত**, প্রকাশক - নীলকান্ত বেজবৰুৱা, ১৯৮৭

বেজবৰুৱা, লক্ষ্মীনাথ, **শ্রীশ্রীশংকৰদেৱ আৰু মাধৱদেৱ,** লয়ার্চ বুক ষ্টল, গুৱাহাটী, ১৯৯৫

— **তত্ত্বকথা,** অসম সাহিত্য সভা, ১৯৬৩

ভকত, দ্বিজেন্দ্রনাথ, **সত্রৰ সমীক্ষাত্মক ইতিবৃত্ত,** ধুবুৰী, ১৯৯৫

ভট্টদেৱ, **ভক্তিবিবেক,** প্রকাশক - গুণমণি ৰৱা, ১৫৫১

— **প্রসঙ্গমালা,** সংকলক - শ্রীগুৰুকৃষ্ণ গোস্বামী, পাটবাউসী ১৪০৩ ভাস্কৰাব্দ

ভট্টাচার্য্য, হৰিচন্দ্র, **অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি**

ভট্টাচার্য্য, কৃষ্ণকান্ত, **ব্রাহ্মণ ক্রিয়াসাৰ,** বৰকটকী কোম্পানী, যোৰহাট, ১৮৫৫ শক

ভূঞা, সূর্য্যকুমাৰ, সম্পা **তুংখুঙীয়া বুৰঞ্জী,** বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, ১৯৯০

মহন্ত, বাপচন্দ্র, **যুগান্তৰত শংকৰদেৱ,** যোৰহাট, ১৯৯১

মিশ্র, নাৰায়ণদেৱ, **নামঘোষা,** তত্ত্বার্থপ্রকাশ, জয়কৃষ্ণ প্রকাশন, গুৱাহাটী, ১৯৯৮

মেধি, কালিৰাম, **অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব,** গুৱাহাটী, ১৯৩৬

মাধৱদেৱ, **ভক্তিৰত্নাৱলী,** দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী, ১৯৬৯

লেখাৰু, উপেন্দ্র চন্দ্র, **অসমীয়া সমাজ আৰু সংস্কৃতি,** ১ম খণ্ড, বালগোপাল প্রকাশন, নগাঁও, ১৯৯০

শংকৰদেৱ, সম্পা. **কথা গুৰুচৰিত.** দত্তবৰুৱা এণ্ড কোং, ১৯৮৭

— **শ্রীমদ্ভগৱত,** ১ম, ২য় আৰু ৩য় সংস্কৰণ, বৰুৱা এজেঞ্চি, ১৯৮৫, ১৯৯২, ১৯৯৬

— **শ্রীমদ্ভগৱত,** সম্পা দত্তবৰুৱা এণ্ড কোং, ১ম, ২য় সংস্কৰণ, গুৱাহাটী, ১৯৫৯, ১৯৯৬

— **ভক্তি ৰত্নাৱলী,** সম্পা দত্তবৰুৱা এণ্ড কোং, নলবাৰী, ১৯৬৯

— **ভক্তি ৰত্নাকৰ,** সম্পা মোহনচন্দ্র মহন্ত, বৰকটকী কোম্পানী, যোৰহাট, ১৮৭১ শক

— **নিমি নৱসিদ্ধ সংবাদ,** দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী, ১৯৭৭

— **অনাদি পাতন,** সম্পা হৰিনাৰায়ণ দত্তবৰুৱা, দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী, ১৯৬৫

শ্রীশ্রীশংকৰদেৱ আৰু মাধৱদেৱ **কীর্তন আৰু নামঘোষা**, প্রকাশক জ্যোতীন্দ্রনাৰায়ণ দত্তবৰুৱা, গুৱাহাটী ২২ শ সং, ১৯৫০

— **কীর্তন আৰু নামঘোষা**, দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী, ১২ শ সং, ১৯৭৪

— **ৰৰগীত**, পুথিতীর্থ প্রকাশন, গোলাঘাট, ১৯৯৮

— **ৰৰগীত**, সম্পা হৰিনাৰায়ণ দত্তবৰুৱা, দত্তবৰুৱা এণ্ড কোং, গুৱাহাটী, ১৯৮৯

শর্মা, তীর্থনাথ, **আউনীআটী সত্রৰ বুৰঞ্জী**, আউনীআটী, সত্র, ১৯৭৫

শর্মা, বেণুধৰ, **দক্ষিণপাট সত্র**, অসমজ্যোতি, গুৱাহাটী, ১৮৮৮

শর্মা, সত্যেন্দ্রনাথ, সম্পা **অঙ্কমালা**, গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৭৩

— **অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত**, সৌমাৰ প্রিণ্টিং, এণ্ড পাব্লিচিং কোং, গুৱাহাটী, ১৯৮১

শর্মা, নৱীনচন্দ্র, **অসমীয়া লোক সংস্কৃতিৰ আভাস**, ডাক প্রৱচন, বাণী প্রকাশ, ১৯৮৭

— সম্পা **অসম গৌৰৱ, অসমীয়া বিভাগ**, কটন কলেজ, গুৱাহাটী, ১৯৯৮

শর্মা, হেমন্ত কুমাৰ, **ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু অন্যান্য ৰচনা**, বনলতা, ডিব্রুগড়, ১৯৯৩

শইকীযা, নগেন, **গৱেষণা-পদ্ধতি পৰিচয়**, বনলতা, ডিব্রুগড, ১৯৯৬

শাস্ত্রী, গোপালচন্দ্র, **বিপ্র সর্বস্ব**, যোৰহাট, ১৮৯৫ শক

শাস্ত্রী, গংগানাথ, **ব্যৱস্থা সংগ্রহ**, সৰস্বতী প্রেছ, নলবাৰী, ১৯৯০

শাস্ত্রী, মনোৰঞ্জন, **অসমৰ বৈষ্ণৱ দর্শনৰ ৰূপৰেখা**, আলোক প্রকাশন, ১৯৫৪

(খ) সংস্কৃত

কবি শুভংকৰ, **শ্রীহস্ত মুক্তাৱলী**, সম্পা. মহেশ্বৰ নেওগ, প্রকাশন পৰিষদ, গুৱাহাটী, ১৯৬৪

কবিৰাজ, বিশ্বনাথ, **সাহিত্য দর্পণ**, জৈনেন্দ্র প্রকাশ জৈন, দিল্লী, ১৯৯২

— **গংগাজলম্**, (২য় খণ্ড) জৈনেন্দ্র প্রকাশ জৈন, দিল্লী, ১৯৯২

গর্গচার্য্য, গর্গসংহিতা, প্রকাশক - নটবৰ চক্রৱর্তী, কলিকতা, ১৩৩৩ সাল
গোস্বামী সনাতন, গোপাল ভট্ট, শ্রীশ্রীহৰি ভক্তিবিলাস, কলিকতা, ১৯৭২
— শ্রীশ্রীহৰিভক্তি বিলাস, (১ম আৰু ২য় খণ্ড) কলিকতা, ১৯৯৩
গোস্বামী, উমাকান্ত, সম্পা শৰণ সংহিতা, শুকদেৱ কামৰূপ, ১৯৬৩
গোস্বামী, কৃষ্ণগোপাল, শ্রীশ্রীনাৰদপঞ্চৰাত্রম্, সংস্কৃত পুস্তক ভাণ্ডাৰ, কলিকতা, ১৩৯৩ বঙ্গাব্দ
গোস্বামী, হেমচন্দ্র, ধর্ম আৰু কর্ম, ১৯৮৪
গোস্বামী, ৰাধাবিনোদ, সম্পা শ্রীমদ্ভগৱতম্ (অমৃত বষিনি) ১ম আৰু ১০ম স্কন্ধ, মহেশ লাইব্রেৰী, ১৯৯৩
গোস্বামী, কৃষ্ণদাস কবিৰাজ, শ্রীশ্রীচৈতন্য চৰিত্রামৃত, গৌড়ীয় মিশ্যন, কলিকতা, ১৯৯০
গোস্বামী, অনন্তদেৱ, চানক্য শতকম, নতুন লচিমা সত্র,
চট্টোপাধ্যায়, ৰসিক মোহন, সম্পা বৃহৎতন্ত্রসাৰ, নৱভাৰত পাবলিশার্স কলিকতা, ১৩৮৯
তালুকদাৰ, গৌৰীকান্ত, সম্পা শ্রীমদ্ভগৱত গীতা, গুৱাহাটী, ১৯৪৯
তপোনিষ্ঠ, বেদমূর্ত্তি, সম্পা. স্কন্ধ পুৰাণম্, কলিকতা, ১৩৮৯
তর্কৰত্ন, পঞ্চানন, সম্পা মৎস্য পুৰাণ, কলিকতা, ১৩৯০
— সম্পা বৃহৎনাৰদীয় পুৰাণ, কলিকতা, ১৩৯০
— সম্পা ব্রহ্মবৈৱর্ত্ত পুৰাণ, কলিকতা, ১৩৯০ সাল
— সম্পা, মার্কণ্ডেয় পুৰাণম্, কলিকতা, ১৩৯৭ সাল
— সম্পা অগ্নি পুৰাণম্, কলিকতা, ১৩১৪ সাল
— সম্পা ৰৰাহ পুৰাণম্, কলিকতা ১৩৯৫ সাল
— সম্পা বৃহদ্ধর্ম্ম পুৰাণম্, কলিকতা, ১৩৯৫ সাল
— সম্পা ব্রহ্মাণ্ড পুৰাণম্, কলিকতা, ১৩৯৪ সাল
— সম্পা স্কন্ধ পুৰাণম্ (বিষ্ণুখণ্ড), কলিকতা, ১৩৯৭ সাল
— সম্পা স্কন্ধ পুৰাণম্ (নাগৰখণ্ড), কলিকতা ১৩৯৮ সাল
— সম্পা. স্কন্ধ পুৰাণম্ (কালিখণ্ড), কলিকতা, ১৩৯৭ সাল
— সম্পা পদ্ম পুৰাণম্ (উত্তৰ খণ্ড), কলিকতা, ১৩২২ সাল

— সম্পা. পদ্মপুৰাণম্ (ভূমিখণ্ড), কলিকতা, ১৩৯৭ সাল
— সম্পা. পদ্মপুৰাণম্ (পাতাল খণ্ড), কলিকতা, ১৪০২ সাল
— সম্পা. পদ্মপুৰাণম্ (স্বর্গখণ্ড) কলিকতা, ১৩৯৪ সাল
— সম্পা. গৰুড় পুৰাণম্, কলিকতা, ১৩৯২ সাল
— সম্পা. শিৱ পুৰাণম্ (জ্ঞান সংহিতা) কলিকতা
— সম্পা. শ্রীমদ্ভগৱতম্, কলিকতা, ১৩৩৪ সাল
— পদ্মপুৰাণ, উত্তৱখণ্ড, গুৰুমণ্ডল চিৰিজ নং ১৮, ১৯৫৯,
— পদ্মপুৰাণ, উত্তৱখণ্ড আৰু ক্রিয়াযোগসাৱখণ্ড, চিৰিজ নং ১৮, ১৯৫৯
বসু, শ্রীশচন্দ্র, মহাভাষ্য, কলিকতা
বাহাদুৰ, ৰাধাকান্ত ৰাজ, শব্দকল্পদ্রুম, ১ম, ২য়, ৩য়, ৪র্থ, ৫ম, ৭ম কাণ্ড
বিদ্যাৰত্ন, কালিমোহন, সম্পা. ৰৱদাকান্ত মিত্র, কলিকতা,
— সম্পা. হিন্দুসর্বস্ব, কলিকতা,
বিদ্যালংকাৰ, বাণেশ্বৰ, সম্পা. আচার্য্য নাৰায়ণ শর্মা, উদ্ভটসাগৰ, দিল্লী, ১৯৭৮
বিদ্যানিধি, নীলকমল, স্মৃতি সর্বস্ব সংগ্রহ, তাৰা লাইব্রেৰী, কলিকতা
বিদ্যাবাগীশ, সিদ্ধিনাথ, আচাৰ নির্ণয়, ১৩০৯ শক
বিদ্যাৰত্ন মহিৰামদেৱ, ব্যৱহাৰ দর্পণ, (অনু) চন্দ্রকান্ত ভট্টাচার্য, হাউলী, ১৯৪০
বিদ্যাবাৰিধি, শ্যামচৰণ কৰিৰত্ন, হিন্দু ব্যৱস্থা সর্বস্ব, ৰাজেন্দ্র লাইব্রেৰী, কলিকতা
বিদ্যাভূষণ, শৰৎকুমাৰ, চানক্য শ্লোক, কলিকতা,
বিদ্যাভূষণ, শ্যামাকান্ত, সম্পা. মনু সংহিতা, কলিকতা, ৯ম সংস্কৰণ
ভট্টাচার্য্য, সুৰেন্দ্রমোহন, পুৰুহিত দর্পণ, কলিকতা, ১৩৬৩ বঙ্গাব্দ
ভট্টদেৱ, ভক্তিবিবেক, সম্পা. লক্ষীনাৰায়ণ চট্টোপাধ্যায়, হৰিনাৰায়ণ দত্তবৰুৱা, নলবাৰী, ১৯৫১
সিংহ, নাগশৰণ, শ্রীব্রহ্মপুৰাণম্, নাগ পাব্লিশার্স, দিল্লী
স্মৃতিতীর্থ, কৃষ্ণচন্দ্র, সম্পা. পুৰুহিত দর্পণ, কলিকতা, ১৩৯৬ সাল
— সাত্বত তন্ত্রম্, চৌখাম্বা সংস্কৃত গ্রন্থমালা, ৰেনাৰস, ১৯৯১

সিংহ, নাগশৰণ, **কালিকা পুৰাণ,** নবভাৰত পাব্লিশার্স, কলিকতা ১৩৮৪ সাল

সংখ্যাবেদান্ত, শ্যামাচৰণ, **শ্রীশ্রীশিৱগীতা,** ৰাজেন্দ্র লাইব্রেৰী, কলিকতা

লাহিড়ী, দুর্গাদাস, সম্পা **যজুৰ্বেদ সংহিতা,** কলিকতা, ১৩৩২ সাল

— সম্পা **ঋগ্‌বেদ সংহিতা,** কলিকতা, ১৩৩২ সাল

শাস্ত্রী, ৰত্নেশ্বৰ শর্মা, **বিশুদ্ধ স্তৱ-কৱচমালা,** সম্পা এল এম দে, কলিকতা

শাস্ত্রী, অশোকনাথ, **অভিনয়-দর্পণ,** সম্পা গৌৰীনাথ শাস্ত্রী, নবপত্র প্রকাশন, কলিকতা, ১৯৯১

শাস্ত্রী, নিত্যানন্দ, **ভৰতৰ নাট্যশাস্ত্র,** ১ম খণ্ড, অসম নাট্য সম্মিলন, গুৱাহাটী, ১৯৯১

ৰঘুনন্দন **অষ্টাবিংশতি তত্ত্ব,** বেণীমাধৱ এণ্ড কোং, কলিকতা

(গ) বাংলা

অধিকাৰী, ইন্দুভূষণ, **লোকধর্ম অতীত আৰু বর্তমান,** পূর্বাদ্রী প্রকাশনী, কলিকতা, ১৯৮৯

বিদ্যানিধি, নীলকান্ত **স্মৃতি সর্বস্ব সংগ্রহ,** কলিকতা

ব্রহ্মচাৰী, শক্তিচৈতন্য, সম্পা **শ্রীশ্রীগুৰুগীতা,** উত্তৰ বাংলা সাৰস্বত আশ্রম, ১৩৫২ সাল

দেৱ, আশুতোষ, সম্পা. **আশুবোধ অভিধান,** ১ম, ২য খণ্ড কলিকতা

স্মৃতিতীর্থ, ৰামদেৱ, সম্পা **বিশুদ্ধ আহ্নিক কৃত্য,** প্রকাশক সুবোধ চন্দ্র মজুমদাৰ, দেৱ সাহিত্য কুটিৰ প্রাঃ লিঃ

স্বামী নিগমানন্দ সৰস্বতী, **জ্ঞানীগুৰু,** আসাম বঙ্গীয় সাৰস্বত মঠ, ২৪ পৰগনা ১৩৯৫ বঙ্গাব্দ

সিদ্ধান্দবাগীশ ভট্টাচার্য, শ্রীমৎহৰিদাস, **উদ্যোগ পর্ব** (মহাভাৰত), বিশ্ববাণী প্রকাশনী কলিকতা, ১৩৮৪

— **বনপর্ব** (মহাভাৰত)

(ঘ) ইংৰাজী

Agarwala, K *The Kalyan Kalpataru,* Vol. XXX-VIII, Geeta press, Gorokhpur, 1993

Baruah, B. K. *A Cultural History of Assam,* 1st edn, Nowgong, Assam, 1951

Bhattacharyya, Haridas *Cultural Heritage of India,* Vol IV Calcutta, 1969

Bhandarkar, R G *Vaisnavism, Saivism amd Minor Religious system,* Varanasi

Gupta, Prasanta *The Bhagawad Gita,* Dreamland pub lication, New Delhi, 1998

Goswami, Bhrigu Mohan, *A study of the Ojapali Art forn of Assam,* Charu Prakashan,Guwahati, 1997

Goswami, K. D *Post Sankardeva Vaishnava faith and culture,* Delhi, 1988

Neog, M *Sankardeva and his Times,* Guwahati University, 1965

Sarmah, S N. *The New Vaisnavite Movement and the Satra Institution of Assam,* Guwahati University, 1966

(ঙ) হিন্দী

গোরেংকা, জয়দয়াল, সম্পা **সংক্ষিপ্ত পদ্মপুৰাণ,** গীতা প্রেছ, গোৰখপুৰ

চতুর্বেদী গিৰিধৰ শর্মা, **বৈদিক বিজ্ঞান আউৰ ভাৰতীয় সংস্কৃতি,** পাটনা ১৯৭২

তপোনি দেৱমূর্তি, সম্পা **স্কন্ধপুৰাণ** (প্রথম, দ্বিতীয় খণ্ড) সংস্কৃতি সংস্থান, বৰেলী

কল্যাণ, **নাৰদবিষ্ণু পুৰাণ অঙ্ক,** সম্পা. হনুমান প্রসাদ পোদ্দাৰ, গীতা প্রেছ, গোৰখপুৰ

কল্যাণ, **দেৱতা অঙ্ক,** সংখ্যা ১ম বর্ষ ৬৪, সম্পা. ৰাধেশ্যাম খেমকা

কল্যাণ, **শিক্ষাংক,** সংখ্যা ১ বর্ষ ৬২, সম্পা. ৰাধেশ্যাম খেমকা

কল্যাণ, **পুৰাণ কথাঙ্ক,** সংখ্যা ১বর্ষ ৬৩, সম্পা ৰাধেশ্যাম খেমকা

কল্যাণ, **ধর্মশাস্ত্রাঙ্ক,** সংখ্যা ১বর্ষ ৭০, সম্পা ৰাধেশ্যাম খেমকা

(চ) স্মৃতিগ্রন্থ, ৰাতৰিকাকত, পত্রিকা


আকাশী গঙ্গা, অসম সত্র মহাসভাৰ চত্বাৰিংশতম দ্বিবার্ষিক অধিৱেশন, শিৱসাগৰ, ১৯১৬ শক

কামৰূপ, কামৰূপ জিলা সাহিত্য সভাৰ বছৰেকীয়া মুখপত্র, ত্রয়োদশ সংখ্যা, ১৯৯৭-৯৮ বর্ষ, সম্পা. নৃপেন্দ্রনাৰায়ণ চৌধুৰী

স্মৃতিগ্রন্থ, শ্রীশ্রীপীতাম্বৰ দেৱ গোস্বামী আউনীআ টীয় সত্রাধিকাৰ প্রভুৰ অভিষেক উৎসৱ, মাজুলী ১৯৯৮ চন

সত্রসঁফুৰা, সোণালী জয়ন্তী উৎসৱ, অসম সত্র মহাসভা, একচত্বাৰিংশৎ দ্বিবার্ষিক অধিৱেশন, গোলাঘাট, ১৯৯৭ চন

অগ্রদূত, ৰৱপেটা সত্রত শ্রীকৃষ্ণৰ দৌল উৎসৱ, ২৭ ফেব্রুৱাৰী, ১৯৯১



আউনীআটী সত্রৰ কৰাপাট




আউনীআটী সত্রৰ সত্রাধিকাৰৰ নিৰ্মালি গ্ৰহণৰ বৈদিক কৰ্ম



আউনীআটী সত্রত মাঘ বিহুত কৰা অগ্নিপূজা




কমলাবাৰী থূলৰ গায়ন-বায়ন




আউনীআটী সত্ৰৰ গায়ন-বায়নত ব্যবহৃত খেৰেঙী তাল



হস্তী বিদ্যার্ণবৰ চিত্ৰ




আউনীআটী সত্রত সংৰক্ষিত সাঁচিপতীয়া দশম পুথি



আউনীআটী সত্রৰ মাংগলিক বাদ্য ভেৰু




চামগুৰি সত্রৰ মুখা শিল্প



আউনীআটী সত্রৰ মণিকূটৰ পিতলৰ মুখ্যদ্বাৰ



অংকীয়া ভাওনাৰ সাজ-সজ্জা



সোণ পানী চৰোৱা মানৱটা



আউনীআটী সত্রত সংৰক্ষিত ৰূপৰ ফুলদানি